ত্ৰৈলোক্যনাথ গোস্বামী

গল্প সংগ্ৰহ

ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী · ৭৮১০০১ · অসম

প্ৰকাশক :
শ্ৰীঅজয় কুমাৰ দত্ত
ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী—৭৮১০০১

পৰিবেশক :
ভাৰতী বুক ষ্টল
জি. এফ. ৰোড
গোলাঘাট - ৭৮৫৬২১

প্ৰচ্ছদ :
শ্ৰীপূৰ্ণেন্দু পত্ৰী

প্ৰথম প্ৰকাশ :
গুৱাহাটী গ্ৰন্থমেলা , ডিচেম্বৰ, ১৯৮৮

মূল্য : ৩০.০০

মুদ্ৰাকৰ :
শ্ৰীতাপস কুমাৰ দলুই
পান্নালাল এণ্ড কোং
৫৮বি, অবিনাশ ঘোষ লেন
কলিকতা-৬

ভূমিকা

অসমীয়া সাহিত্যৰ বিশিষ্ট কথা-সাহিত্যিক আৰু সমালোচক মোৰ পিতৃদেৱতা ত্ৰৈলোক্যনাথ গোস্বামীয়ে এই বছৰৰ ২২ ফেব্ৰুৱাৰী তাৰিখে শেষ নিশ্বাস ত্যাগ কৰে। তেখেতে সাহিত্যিক জীৱনৰ পাতনি মেলে চুটি গল্প ৰচনাৰে। পাছত তেখেতে সমালোচনা সাহিত্যত মনোনিবেশ কৰে যদিও তেখেতৰ গল্পবাজি আজিও ৰাইজৰ আদৰৰ। সহজ-সৰল ভাষাত সৰ্বসাধাৰণ মানুহৰ আশা-আকাংক্ষা, হৰ্ষ-বিষাদ আদি অনুভূতিবোৰ তেখেতে চুটি গল্পৰ জৰিয়তে অযথা বাক্যব্যয় নকৰাকৈ ফুটাই তুলিছে। আজিৰ সমাজতো সাধাৰণ লোকৰ ওপৰত এনে অন্যায়-অবিচাৰ অব্যাহত আছে। ফলত তেখেতৰ গল্পসমূহৰ সামাজিক তাৎপৰ্য অকণো ম্লান হোৱা নাই। তদুপৰি অসমীয়া গল্প-সাহিত্যৰ ক্ৰমবিকাশত এই গল্পসমূহৰ এক ঐতিহাসিক মূল্য আছে। সেইবাবে তেখেতে ৰচনা কৰা প্ৰায়খিনি গল্প লগ লগাই (৯ টা অপ্ৰকাশিত গল্পও সন্নিবিষ্ট কৰি) 'ত্ৰৈলোক্যনাথ গোস্বামীৰ গল্প সংকলন'টি ৰাইজৰ হাতত দিয়া হ'ল। আশাকৰো সংকলনটিয়ে ৰাইজৰ আদৰ লাভ কৰিব।

পুথিখনৰ প্ৰকাশৰ দায়িত্ব ষ্টুডেণ্টচ্ ষ্টৰ'চে বহন কৰা বাবে প্ৰকাশকক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

অতুল গোস্বামী

ডিব্ৰুগড় বিশ্ববিদ্যালয়

২৬।১১।১৯৮৮

সাদৰী ... ১
কপাহী ... ১০
চাকৰি ... ২০
সন্দেহবাদী ... ৩২
ধনাই মহন্ত ... ৪০
অপৰাধৰ দান ... ৪৭
মাতৃ ... ৬১
হীৰা ... ৭০
ৰূপহী ... ৭৮
মৰীচিকা ... ৮৭
প্ৰায়শ্চিত্ত ... ১০০
মুক্তি ... ১১৪
পূজাৰ আয়োজন ... ১২৩
প্ৰতিধ্বনি ... ১৩৫
ফুটকীয়া নোট ... ১৪৬
কণ্ট্ৰোলৰ চেনি ... ১৫৫
অবিচাৰ ... ১৬৫
শিল্পী ... ১৬৯
অজ্ঞাতবাস ... ১৭৮
এটা গৰম কোট ... ১৮৬
গৱেষণাৰ গজালী ... ১৯৪
মাটিৰ মানুহ ... ২০২
আদৰ্শ ... ২১৪
আহাৰ মহীয়া জুই ... ২২০
শিল্পীৰ জন্ম ... ২২৬

DIRECTORATE OF LIBRARY SERVICES

E OF LIBRARY SERVICES

সাদৰী

অযত্ন-পালিতা বালিকা সাদৰী। তাইৰ কেৱে নাই, অকলশৰীয়া। সৰু চহৰখনৰ এচুকত তাইৰ পঁজা ঘৰটো। ঘৰটোৰ পাছফালে কেইজোপামান কল গছ, আৰু আগফালে এজুপি শেৱালি ফুল। শেৱালি ফুলজুপি তাইৰ বৰ আদৰৰ। বাপেক ঢুকাবৰ দুবছৰ হ'ল কিন্তু সাদৰীয়ে এই ফুলজোপাৰ তদাৰক নোলোৱাকৈ থকা নাই। সাদৰীৰ মনত পৰে জহকালি বাপেকে এই ফুল-জোপাৰ তলতে বহি জুৰ লৈছিল। কাঠৰ কাম কৰি আমনি লাগিলে ইয়াৰ তলতেই বহি তেওঁ মনৰ অৱসাদ আঁতৰাইছিল। এই ফুলজোপাই সাদৰীৰ মনত বাপেকৰ স্মৃতি উজ্জলাই ৰাখিছে। তাই ফুলজোপাৰ তলখন সাৰি পুচি পৰিষ্কাৰকৈ ৰাখে আৰু নিতৌ একলহ পানী আনি ফুলজোপাৰ চৰণ ধুৱায়।

চাৰি পাঁচ বছৰৰ আগতে সাদৰীৰ বাপেক এই সৰু চহৰখনলৈ আহিছিল ভবিষ্যত সংস্থানৰ আশাত। বাপেক জীয়াই থকা দিন কেইটাত সিহঁতৰ একৰকম ভালেই চলিছিল। বুঢ়া হলেও বাপেকে সৰুসুৰা কাঠৰ কাম কৰি যি অলপ উপাৰ্জন কৰিছিল তাৰেই দুজন মানুহৰ খোৱা-লোৱা আৰু কাপোৰ-কানিৰ খৰছ জুৰিছিল। কিন্তু বাপেক ঢুকোৱাৰ পিছৰেপৰা সাদৰী অকলশৰীয়া হোৱাৰ উপৰিও নিজৰ খোৱা-বোৱাৰ বাবে শ্ৰম কৰিবলৈ বাধ্য হৈছিল। তাই কাপোৰ বয় আৰু বোৱা কাপোৰ বজাৰলৈ লৈ গৈ বিক্ৰী কৰি যি পায় তাৰে তাই কষ্টেৰে চলে। বাপেক জীয়াই থাকোঁতে তাই অলপমান লেখা-পঢ়া শিকিছিল। এতিয়া অনভ্যাসত তাকো তাই পাহৰি যোৱাৰ উপক্ৰম হৈছে। তথাপি কেতিয়াবা কেতিয়াবা তাই আলাগ্ধুৰে ক'লা পৰি যোৱা ৰামায়ণ খন উলিয়াই মাজে সময়ে ঘেহাই ঘেহাই দুটা এটা অধ্যায় পঢ়ে। দুখে সুখে দিনৰ দিনটো একৰকম যায় কিন্তু নিশা অহাৰ লগে লগেই নিতৌ নতুন আতঙ্কই তাইৰ মন আগুৰি ধৰেহি। তথাপি তাইৰ সাহ আছে, ধৈৰ্য আছে। চকুচকীয়াকৈ ধাৰ দি থোৱা এখন দা তাইৰ মূৰ শিতানতে থৈ দিয়ে আৰু আগন্তুক কিবা বিপদৰ সূচনা অনুমান কৰিব পাৰিলেই দাখন

হাতত লৈ তাই বিছনাত উঠি বহে। এইদৰে তাইৰ জীৱন-যৌৱন সময়ৰ লগে লগে আগবাঢ়ি গৈ থাকে।

সুখদুখৰ কথা কৈ[illegible]ন পাতলাবলৈ তাইৰ নিজৰ আপোনজন কোনো নাই। কেইজনমান ডেকা অৱশ্যে তাইৰ ওচৰলৈ গৈ তাইৰ লগত মাজে সময়ে কথা পাতে। প্ৰথমতে তেওঁলোক তাইৰ ওচৰলৈ কাপোৰৰ দামদৰ কৰি কিনিবলৈ গৈছিল। এই সূত্ৰেই ডেকা কেইজনৰ লগত তাইৰ চিনাকি। চেহেৰাপাতি আৰু সাজপাৰৰ ফালৰপৰা ডেকা কেইজন ভাল মানুহৰে ল'ৰা যেন লাগে। সেইবাবে সাদৰীয়ে তেওঁলোকক বহিবলৈ দিয়ে আৰু তামোল-পাণো যাচে। ডেকা কেইজনৰ ভাল লাগে তাইৰ সৰল ব্যৱহাৰ আৰু তাইৰ দীঘল চুলিটাৰিৰ কেঁকোৰা কেঁকুৰি ভাজবোৰ।

লাহে লাহে ডেকা কেইজনে তাইৰ ঘৰলৈ একেলগে অহা বন্ধ কৰিলে। এতিয়া এজন এজনকৈহে তাইৰ ঘৰলৈ এওঁলোক আহে। এদিন আবেলি এজন ডেকা তাইৰ ঘৰত উপস্থিত হ'লহি। সাদৰীয়ে আগৰ দৰে তেওঁক বহিবলৈ দিলে। নানান আগগুৰি নোহোৱা কথা কৈ তেওঁ সাদৰীক আনন্দ দিবলৈ চেষ্টা কৰিলে। কিছু সময় অতিবাহিত হোৱাৰ পিছত ডেকা উঠিল আৰু একো নোকোৱাকৈয়ে সাদৰীৰ হাতত এটা সৰু কাগজেৰে বন্ধা টোপোলা গুজি দিলে। টোপোলাটো হাত পাতি লোৱাৰ ইচ্ছা তাইৰ নাছিল কিন্তু ডেকা অসন্তুষ্ট হ'ব বুলি ভয় কৰি হাত পাতি ললে। অকলশৰীয়া জীৱন যাপন কৰি তাই বুজিছে যে পৰাপক্ষত তাই কাৰো মনত দুখ দিয়া উচিত নহয়। ডেকা আঁতৰি যোৱাৰ পিছত তাই টোপোলাটো খুলি চাই দেখিবলৈ পালে এটা ৰঙীন ব্লাউজ। ব্লাউজটো তাই লিৰিকি বিদাৰি চালে। তাইৰ লোভ লাগিল। এনে ধুনীয়া কাপোৰ তাই কোনোদিন গাত দি পোৱা নাই। কিন্তু পিছ মুহূৰ্ত্ততে তাইৰ মনৰ গতি সলনি হ'ল। তাই অনুভৱ কৰিলে যে এনে বহুমূলীয়া পোছাকৰ তাইৰ আৱশ্যক নাই। এটা আবেগৰ বশৱৰ্ত্তী হৈ তাই ব্লাউজটোত জুই লগাই দিলে। তাইৰ মনত পৰিল কমললৈ আৰু মনত পৰিল তাইৰ দাৰিদ্ৰ্যপীড়িত জীৱনলৈ। তাই কান্দি পেলালে।

পিছ দিনাখন উপস্থিত হ'ল আন এজন ডেকা। তেওঁ আনিছে চাবোন, তেল প্ৰভৃতি কেইটামান প্ৰসাধন-সামগ্ৰী। প্ৰসাধনৰ অভাৱত তাইৰ দেহ-সৌন্দৰ্য ভালকৈ ফুটি উঠা নাই। সেইবাবে ডেকাই কৰুণা-পৰবশ হৈ আনিছে কেইবাটাও বস্তু যিবোৰৰ নাম আৰু ব্যৱহাৰ সাদৰীয়ে নাজানে।

সাদৰীয়ে এইবোৰ ভাল নাপালে। তথাপি ভেকাক টান কথা কোৱাৰ সাহস তাইৰ নহ'ল, কিন্তু তাইৰ মনত খং উঠিল। আদৰ অভ্যৰ্থনা নোপোৱাকৈ ভেকা উঠি গলত সাদৰীয়ে বস্তুখিনি খুলি নোচোৱাকৈয়ে ঘৰৰ পাছফালৰ খালটোত পেলাই দিলে। আজি তাইৰ চকুপানী ওলোৱা নাই,—একপ্ৰকাৰ তৃপ্তি আৰু আত্ম-বিশ্বাসে তাইৰ মনটো সবল কৰি তুলিলে।

দুখ আৰু দুশ্চিন্তাৰ মাজেদি সাদৰীৰ দিনবোৰ বাগৰি গ'ল। দিনে দিনে নতুন নতুন আশঙ্কাই তাইক আতঙ্কিত কৰি তোলে। নিশা অহাৰ লগে লগে তাইৰ মনৰ দুশ্চিন্তা বাঢ়ে। তাই ভাবে মানুহৰ মাজত তাই থকা নাই কিন্তু আছে দৈত্য-দানৱ আৰু ভূত-প্ৰেতৰ মাজত। ঘৰৰ ওচৰত থকা কলগছজুপিও যেন দৈত্যৰ আকৃতি ধাৰণ কৰে আৰু নিউ নিউকৈ চিঞৰি উঠা ফেঁচাটোৱে যেন কিবা গুৰুতৰ বিপদৰ আগবতৰা দিয়ে। তাইৰ একমাত্ৰ সম্বল সেই চকুচকীয়া দাখন। দাখন হাতেৰে খামুচি ধৰি তাই বিছনাত উঠি বহে কিন্তু অলপ পিছতে বুজি পায় কোনোবা মাতালে দূৰত বেসুৰা গান গাইছে। কেতিয়াবা কেতিয়াবা তাইৰ ইচ্ছা হয় এই বিভীষিকাৰ মাজৰপৰা তাই দৌৰি পলায়, কিন্তু তাই যাব কলৈ? তাইৰ যে আপোন কোৱে নাই—সকলো পৰ, অচিনাকি, অবিশ্বাসী। কিছু সময় স্থিৰ হৈ তাই বিছনাতে বহি থাকে। নিজৰ অসহায় অৱস্থাৰ কথা ভাবি তাই নীৰবে অকলে চকুপানী টোকে।

এনেকৈয়ে তাইৰ দিন যায়। মানুহ-দুনুহ তাইৰ ঘৰলৈ আহে, তথাপি তাই অকলশৰীয়া। কাকো একো নোকোৱাকৈয়ো তাইৰ ঘৰলৈ বস্তু-বাহানি আহে, তথাপি তাই দুখীয়া, খাবলৈ নোপোৱা। তাইৰ অন্তৰত শূন্যতা আৰু তাইৰ মনৰ মাজত আশা-নিৰাশাৰ তুমুল যুঁজ-বাগৰ। তাইৰ মনত জাগি উঠে নানান অলীক কল্পনা। খন্তেকতে অন্তৰত পুহি থোৱা তাইৰ আদৰ্শটো সন্দেহ আৰু অবিশ্বাসৰ ঢাকনিয়ে ঢাকি ধৰে কিন্তু ধুমুহাৰ আগে আগে উৰি যোৱা মেঘৰ দৰে এই সন্দেহ আৰু অবিশ্বাস পিছ মুহূৰ্ততে আঁতৰি যায়, দুনাই তাইৰ মন ফৰকাল হৈ উঠে, দুৰাশা ডাকিনী পলাই ফাট মাৰে আৰু তাইৰ মনত নুমাই যাব খোজা আশা-বন্তি পুনৰাই উজ্জ্বল হৈ তাইৰ মনত সাহস যোগায়।

নানান চিন্তাৰে মন ভাৰাক্ৰান্ত হৈ থকা অৱস্থাতে কেতিয়াবা কেতিয়াবা তাইৰ পৰিচিত ভেকা আহি উপস্থিত হয়হি। ভেকাৰ হয়তো মনত আশা আছিল যে তেওঁ সাদৰীৰ সাদৰ সম্ভাষণ পাব আৰু মুখৰ হাঁহিটি দেখিব। কিন্তু

সিদিনা তাইৰ শুকান ওঁঠ বিবিণ্ডি মুখৰ হাঁহিটি ফুটি নোলায়। সেইবাবে তাই "গা অসুখ", "মূৰ কামুৰিছে" ইত্যাদি নানান ওজৰ দেখুৱাই পৰিচিত ভেকাৰপৰা পাৰিলে তাই আঁতৰত থাকিবলৈ বিচাৰে।

সাদৰী অকলশৰীয়া হোৱাৰ কাৰণে নিজৰ উপাৰ্জনৰ কথাও তাই ভাবিব লগাত পৰে। তাই তাঁত বয় আৰু যিখিনি কাপোৰ বই উলিয়াব পাৰে তাকে হাতত লৈ তাই ইঘৰে সিঘৰে ফুৰি বেচিবলৈ যত্ন কৰে। তাইৰ প্ৰতি গ্ৰাহকৰ দয়া ওপজে। সৰহ ভাগেই আগ্ৰহেৰে তাইৰ কাপোৰ কিনে।

সিদিনা জেঠমহীয়া ৰ'দ। কেইখন মান কাপোৰ লৈ তাই ওলাইছে বঙলা ঘৰলৈ বুলি। ভৰ ৰ'দতো তাই ঘৰৰপৰা ওলাইছে। তাইৰ মনত আশা কিজানি দুপইচা পায়েই। ভয় ভয়কৈ গৈ তাই বঙলাৰ মুখ পালেগৈ। এজন ভদ্ৰলোকে মূৰ তুলি তাইৰ পিনে চাই তাইক ভিতৰলৈ মাতিলে। তাই কাপোৰৰ টোপোলাটো খুলি এখন এখনকৈ গামোছা, মেখেলা, ৰিহা প্ৰভৃতি কাপোৰবোৰ দেখুৱালে। ভদ্ৰলোকৰ পছন্দ হ'ল এখন ফুলাম গামোছা। গামোছা খনৰ দাম পাঁচ অনা। ভদ্ৰলোকজনে তাইক এটকা ৰূপ দি দিলে আৰু ক'লে তাই যেন তেওঁৰ খবৰ কৰি মাজে সময়ে কাপোৰ দি যায়। সাদৰীয়ে কৃতজ্ঞ চকুৰে তেওঁৰ পিনে ঘূৰি চাই লাহে লাহে বঙলাৰ চৌহদৰ বাহিৰ হৈ আহিল। গোটেই বাটে ভাবি আহিল এই অচিনাকি ভদ্ৰলোকজনৰ কথা। মনেৰে তাই তেওঁৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলে।

দুখৰ মাজতো সাদৰীৰ কেইটামান দিন ভালেই গ'ল। এই কেইদিন তাই অভাৱৰ তাড়না অনুভৱ কৰা নাই কাৰণ এই কেইদিন বিক্ৰী ভাল হৈছে। নিজে বোৱা কাপোৰৰ উপৰিও তাই আনৰপৰা কাপোৰ কিনি আনি অলপ চৰা দামত বেচিব পাৰিছে।

বঙলালৈ অহা ভদ্ৰলোকজন চৰকাৰী কামত মাজে সময়ে চহৰলৈ আহে। সাদৰীৰ নিবাশ্ৰয় অৱস্থাৰ কথা ভাবি তেওঁ তাইক পাৰিলে অলপ সহায় কৰিব বিচাৰে। মাজে সময়ে তেওঁ সাদৰীক সহায়ো কৰিছে। সৰলা সাদৰীয়ে কোনো দিনেই এই অচিনাকি ভদ্ৰলোক জনক সন্দেহৰ চকুৰে চোৱাৰ সুবিধা পোৱা নাই। কিন্তু এদিন এটা ঘটনাৰ পৰা সাদৰীয়ে এই দানশীল ভদ্ৰলোক-জনৰ ওচৰ নচপা হ'ল। এদিনাখন কাপোৰৰ টোপোলা লৈ তাই বিনা দ্বিধায় ভদ্ৰলোকজন থকা কমলৈ সোমাই গৈ তেওঁৰ ওচৰত থিয় দিলে। ভদ্ৰলোকজনৰ নিৰ্দেশ অনুসৰি তাই কাপোৰৰ টোপোলা খুলি এখন এখনকৈ তেওঁক দেখুৱাব

ধৰিলে। ভদ্ৰলোকজনে গামোছা এখন লৈ ক্ষপ এটকা হাতভ লগত সাদৰীয়ে টকাটো লবলৈ হাত মেলি গ'ল। হঠাৎ তাইৰ আঙুলিত এটা মুহূ হেঁচা পৰিল। উচপ খাই উঠি তাই দুখোজ পিচুৱাই থিয় দিলে। টকাটো তাইৰ হাতৰপৰা স্থলকি পকী ভেটিত পৰিল। অলপ সময়, সাদৰীয়ে টকাটো বুটলি লবলৈ সাহ কৰা নাই আৰু ভদ্ৰলোক জনো যেন কিং-কৰ্তব্যবিমূঢ় হৈ পৰিছে। পিছত সাদৰীয়ে টকাটো বুটলি লৈ দুৱাৰেদি বাহিৰলৈ ওলাই অহাৰ উপক্ৰম কৰোঁতেই ভদ্ৰলোকজনে মাত লগালে—"সাদৰী ?"

কোনো উত্তৰ নিদি সাদৰী ঘৰমুৱা হ'ল। কৃতজ্ঞতাৰ পাত্ৰ পৰম কাৰুণিক সেই ভদ্ৰলোকজনৰ অস্বাভাৱিক ব্যৱহাৰে তাইক চঞ্চলিত কৰি তুলিছে। তাই ভুল কৰা নাইতো ?

সিদিনা তাইৰ মন ভাৰাক্ৰান্ত। নানান দুশ্চিন্তাই সিদিনা তাইক আগুৰি ধৰিছেহি। তাইৰ জীৱন সঁচাকৈয়ে এনেকৈ দুখ-যাতনাৰ মাজেদি অতিবাহিত হ'ব নেকি ? যাৰ স্মৃতিফেৰাকে সম্বল কৰি লৈ তাই দীঘল দীঘল দিনৰাতি বোৰ কটাব ধৰিছে সেইজন জানো ভালে-কুশলে আছে ? ভেওঁজানো এতিয়াও তাইৰ কথা ভাবে ?

নানান চিন্তাৰে সাদৰীৰ মন ভাৰাক্ৰান্ত হৈ পৰিছে। তেতিয়া সন্ধিয়া সময়। তাই শেৱালি ফুলজোপাৰ তললৈ ওলাই আহিল। অলপ আঁতৰত তাই দেখা পালে এজন মানুহ। মানুহজনৰ গাত মলিয়ন কাপোৰ। সি ক্ষীণ আৰু দুৰ্বল। তাইৰ মনত ভয় লাগিল। তথাপি তাই চিঞৰি—সুধিলে "কোন ?"

"মই"

সাদৰীয়ে মাতটো ধৰিব পৰা নাই। সেইবাবে তাই দুনাই প্ৰশ্ন কৰিলে। তেতিয়া উত্তৰ শুনা গ'ল "মই ৰতন।"

"ৰতন !" একে জাপেই সাদৰী ঘৰৰ ভিতৰ সোমালগৈ। মানুহজন আগুৱাই আহিল আৰু সুধিলে "সাদৰী, তই ভয় কৰিছ ?"

"ভয় নকৰিম। ৰতনক মই ভয় নকৰি কাক ভয় কৰিম ? তই জানো মোৰ সৰ্বনাশ কৰা নাই।"

সাদৰীয়ে অতীত সুঁৱৰি উচুপিবলৈ ধৰিলে।

"শুন সাদৰী, মই তোৰ অন্যায় কৰিবলৈ অহা নাই—আহিছো সহায়

কৰিবলৈ। তই আগৰ কথা পাহৰি যা। চকুমেলি চা। দেখিবি আগৰ ৰতন মৰিছে। এতিয়া তোৰ আগত থিয় দিছেহি ৰতনৰ কঙ্কাল।"

তেতিয়াও সাদৰীয়ে উচুপি আছিল। মনত সাহস গোটাই তাই চকুমেলি চাই আগত দেখিবলৈ পালে সেই হৃষ্টপুষ্ট, উদ্ধত ৰতনৰ ঠাইত এটা অস্থিচৰ্মসাৰ, দুৰ্বল আদহীয়া মানুহ। তাই ৰতনৰ পিনে চায়েই থাকিল কিন্তু বুজিব নোৱাৰিলে ৰতনৰ এনে অস্বাভাৱিক পৰিৱৰ্তনৰ কাৰণ কি।

ৰতন দুখোজ মান আগবাঢ়ি আহি ঘৰৰ ভিতৰ সোমাল "ভয় নকৰিবি সাদৰী। আগৰ ৰতন নাই, মৰি গৈছে। মই আৰু বেছি দিনলৈ জীয়াই নাথাকোঁ। সেয়েহে মনত ভাব হ'ল পাৰিলে তোৰ অকণমান উপকাৰ কৰি যাওঁ। এদিন তই মৰীচিকা-লোভ দেখুৱাই মোক বলিয়া কৰিছিলি। ময়ো প্ৰতিশোধ লৈছিলোঁ, তইঁতক দূৰ ঠাইলৈ খেদি পঠিয়াইছিলোঁ। তইঁতৰ ওপৰত প্ৰতিশোধ লৈছিলোঁ। কিন্তু এতিয়া সেইবোৰ পাহৰি যা আৰু ক তই সঁচাকৈয়ে এতিয়াও কমলক ভাল পাব নেকি ?"

ৰতনৰ কথাৰ উত্তৰ দিবলৈ সাদৰীৰ সাহ নহ'ল। উদ্ধত ক্ৰুড আৰু উন্মত্ত ৰতনৰ পৰিবৰ্তে আজি তাই চকুৰ আগত দেখিবলৈ পাইছে এটা নিস্তেজ, দুৰ্বল আৰু শান্ত মানুহ। তথাপি তাই ক'বলৈ সাহ নকৰিলে তাই এতিয়াও কমলক ভাল পায় আৰু ভক্তি কৰে। তাই ভয় কৰিলে যে তাইৰ মুখেদি তেনে কথা ওলালে ৰতনে কমলক লুকাই চুৰকৈ হত্যা কৰিব। সি জানোঁ এবাৰ কমলক ছুৰীৰে আঘাত কৰা নাছিল ?

সাদৰীয়ে কথা নোকোৱা দেখি ৰতন অসন্তুষ্ট হ'ল আৰু তাইৰ ওচৰলৈ আহি সি লাহে লাহে ক'লে, "শুন সাদৰী, গোঁড়ামি মই ঘৃণা কৰোঁ। তই মোৰ প্ৰকৃতি জান। মই দুৰ্বল আৰু নিস্তেজ হলেও মই ৰতন। মোৰ অন্তৰত পশুবৃত্তি জাগি উঠিব লাগিলে মোৰ এই শক্তিহীন হাত দুখনে এতিয়াও বহুত অপকৰ্ম কৰিব পাৰিব।"

ৰতনৰ চকু দুটা জিলিকি উঠিছে। তাই ভয়তে কঁপিবলৈ ধৰিলে। তথাপি নামাতিলে বিপদ হ'ব পাৰে বুলি আশঙ্কা কৰি তাই কাকুতি কৰি ক'লে, "ৰতন, মই তোৰ ভৰিত ধৰিছোঁ। তই মোৰ ওচৰৰপৰা যা। মোৰ বৰ ভয় লাগে।"

ৰতনৰ উগ্ৰ আৰু কোঁচখোৱা মুখৰ ওপৰেদি এটা বিদ্ৰূপৰ হাঁহি বাগৰি গ'ল। অনুনয়ৰ সুৰত সি ক'লে, "সাদৰী, বিশ্বাস কৰ। মই মৰিম। ৰক্তপিত্ত বেমাৰ ছুৱাযোগ্য--মই মৰিম। জীৱনত বহুতো কুকৰ্ম কৰিলোঁ। এতিয়া

তাত মাদকতা নাই। পাপ-বাসনা মোৰ অন্তৰৰ পৰা আঁতৰি গৈছে। মোৰ চক্ৰান্ততে তোৰ কমলৰ লগত বিয়া নহ'ল। তাৰোপৰি, পিতৃভিটা এৰি তাইত আঁতৰি আহিবলৈ বাধ্য হলি। পিতাৰ জীয়াই থকা হলে নতজানু হৈ মই তেওঁৰ ওচৰত ক্ষমা-ভিক্ষা খুজিলোহেঁতেন। কিন্তু তেওঁ এই সংসাৰত নাই। সেইবাবে তোৰ ওচৰ চাপিছোঁ।"

ৰতনৰ কথাবোৰ শুনি সাদৰীৰ মনৰ ভয় আৰু সঙ্কোচ লাহে লাহে আঁতৰি যাবলৈ ধৰিলে। তাই ৰতনক সান্ত্বনা দিয়াৰ আশাৰে কৈ উঠিল "ৰতন, মই নিজেই হতভাগিণী। ভাই মৰিল, পিতা ঢুকাল, কমল ক'ৰবালৈ গুচি গ'ল। এইবোৰ ঘটনাৰ বাবে কাক দুষিম। মোৰ নিজৰেই কপাল বেয়া।"

সাদৰীয়ে চকুপানী টুকিব ধৰিলে।

ৰতনে আগবাঢ়ি আহি তাইৰ চকুপানী মচি দিলে। সাদৰীয়ে বাধা দিয়া নাই, চিঞৰি আঁতৰ হোৱা নাই। ই যেন বিশ্বাসৰ আত্ম-সমৰ্পণ। যিজনী সাদৰীৰ কেশাগ্ৰ স্পৰ্শ কৰিবলৈ ৰতন বলিয়া হৈ ফুৰিছিল, সেই সাদৰীৰ আজি সি চকুপানী মচি দিছে, অথচ সাদৰীয়ে বাধা দিয়া নাই, আপত্তি তোলা নাই আৰু দৌৰি তাৰ ওচৰৰপৰা আঁতৰি যোৱা নাই। আজি বেদনাৰ মাজেদি সাদৰীৰ লগত তাৰ নতুন চিনাকি।

ৰতনৰ মনত আনন্দ লাগিল। সি কিবা ক'বলৈ ইচ্ছা কৰিছিল কিন্তু হঠাতে ৰৰকৈ কাহ উঠাত সি মুখত সোপা দি বাহিৰলৈ ওলাই আহিল। অলপ পিছত ঘৰৰ ভিতৰ সোমাই সি মাত লগালে "শুন, সাদৰী, কমল এই চহৰতে আছে।"

সাদৰীয়ে ঘপৰাই কৈ উঠিল, "মিছা কথা।"

ৰতনে ধীৰ স্থিৰ ভাৱে উত্তৰ দিলে "মিছা নহয় সাদৰী, সঁচা। মই তোৰ আগত থিয় হৈ কথা কোৱাটো যেনে সঁচা, কমল এই চহৰত থকাটোও তেনে সঁচা। ক, কমলক মই তোৰ ওচৰলৈ লৈ আহিম নেকি ?"

অভিমানৰ সুৰত সাদৰীয়ে উত্তৰ দিলে,"নালাগে তই আনিব। যদি কমল ইয়াত আছে, ইচ্ছা কৰিলে তেওঁ নিজেই আহিব পাৰিব।"

ৰতনে তলমূৰ কৰি ভাবিলে। সি বুজি পালে যে সাদৰীয়ে কমলক এতিয়াও ভাল পায়। সি নজনাকৈয়ে তাৰ অন্তৰৰ পৰা এটা দীঘল হুমুনিয়াহ ওলাই পৰিল। সাদৰীয়ে ৰতনৰ পিনে মূৰ তুলি চাই দেখিলে যে ৰতনৰ মুখখন ক'লা পৰি গৈছে। অলপ আগবাঢ়ি তাই সুধিলে "ৰতন, তই দুখ কৰিছ কিয় ?"

ৰতনে তাৰ অন্তৰৰ গুপুত বেদনা লুকাবলৈ যত্ন কৰিলে কিন্তু নোৱাৰিলে। সি লাহে লাহে ঘৰৰপৰা ওলাই যোৱাৰ উপক্রম কৰিলে। সাদৰীৰ প্রশ্নৰ উত্তৰ দিবলৈ সি মন নকৰিলে কাৰণ সি ভাবিলে যে উত্তৰ দিলেও তাই বুজি নাপাব। ৰতন ঘৰৰপৰা ওলাল। সাদৰীয়ে তাক বাধা দিবলৈ সাহ নকৰিলে। অলপ পিছতে নৈশ নিস্তব্ধতাই যেন তাইৰ ঘৰটো গিলি পেলালে। গছৰ পাত এটাও বতাহত লৰা নাই। নিস্তব্ধতা ভেদ কৰি চৰাইৰ মাত এটিও কাণত পৰা নাই। চাৰিওপিনে নিতাল, নিমাত। সাদৰীৰ মনত ভয় লাগিল। তাই দুৱাৰখন জপাই দিলে।

দুটা দিন পাৰ হৈ গ'ল। এই দুটা দিনত তাই বাহিৰলৈ ওলোৱা নাছিল। তাই মনতে আশা পুহিছিল যে কমল তাইৰ ওচৰলৈ আহিব। কিন্তু এই দুদিন তাইৰ মনৰ আশা মনতে মৰহি গৈছিল। তাই ভাবিছিল ৰতন মিছলীয়া। সি তাইক ছলিবলৈ আহিছিল।

তৃতীয় দিনা ৰাতিপুৱা সাদৰীয়ে হাতমুখ ধুই যঁতৰৰ ওচৰত বহি গুণগুণকৈ এটা গীত গাই আছে। এনেকৈয়ে তাই দুখ-বেজাৰ পাহৰিবলৈ যত্ন কৰে। হঠাৎ তাইৰ গাৰ ওপৰত এটা ছাঁ পৰিল। মুৰ ডাঙি চাই তাই দেখিবলৈ পালে কমল আহি দুৱাৰ মুখত থিয় দিছে। কমলৰ চেহাৰা এতিয়া বেছি উজ্জ্বল। তাৰ গাৰ পোছাক পৰিচ্ছদো আগতকৈ পৰিষ্কাৰ পৰিচ্ছন্ন। কমলক দেখা পাই সাদৰীৰ মনৰ মাজত নানান ভাবৰ তোলপাৰ লাগিল। তাইৰ মুখেৰে কথা নোলাল। ই যেন আনন্দৰ পূর্ণতাৰ নীৰৱতা।

কমল আগবাঢ়ি আহি সাদৰীৰ কপালত হাত বুলাই দি সুধিলে "ভালে আছ?" সাদৰীৰ মুখেদি মাত নোলাল কিন্তু দুচকুৰেদি তপত চকুলো বাগৰি পৰি বুজাই দিলে তাইৰ ভগা হিয়াৰ অব্যক্ত বেদনা।

কমলে সাদৰীক আশ্বাস দিলে আৰু সুধিলে কেনেকৈ তাই সেই ঠাইলৈ আহিল, তাইৰ বাপেক ক'ত, তাই কেনেকৈ চলিছে ইত্যাদি নানান প্রশ্ন। নিজকে সংযত কৰি সাদৰীয়ে লাহে লাহে সকলো কথা ক'লে—কেনেকৈ তাই এই ঠাইলৈ আহিল, বাপেকৰ কেনেকৈ মৃত্যু হ'ল, তাই কেনেকৈ নিৰাশ্রয়া হৈ পৰিল ইত্যাদি নানান দুখৰ খবৰ। আজিৰ দৰে কোনোদিনেই তাই মন খুলি কথা ক'ব পৰা নাই। আজি হিয়া উবুৰিয়াই দিয়াৰ পিছত তাইৰ গাটো যেন পাতল পাতল লাগিছে। তাইৰ মনটো আপোনা আপুনিয়ে আনন্দত নাচি উঠিব খুজিছে। তাই বুজি পাইছে কমলে তাইক পাহৰি যোৱা নাই।

তাই যেনেকৈ কমলকে ধ্যান কৰি আছে কমলেও তেনেকৈ তাইকেই ভাবি আছে। আজি দীঘল চাৰি বছৰ কাল অতীত হৈ গৈছে। ভাবিলে ভয় লাগে কিহৰ আশাত সিহঁতে জীৱন ধাৰণ কৰি আছিল।

সাদৰীৰ মনত আনন্দ লাগিছে। কমলে এতিয়াও তাইক ভাল পায়— তাইৰ দুখত এতিয়াও তেওঁ দুখী। তাই নিজকে পাহৰি পেলালে—হিয়াৰ শূন্য আসনত জীৱন্ত প্ৰতিমা স্থাপনৰ আশাত কমলৰ মুখত চুমা যাচিবলৈ তাই আগবাঢ়ি গ'ল কিন্তু তেনে সময়তে তাই শুনিবলৈ পালে কমল বিবাহিত আৰু পত্নী মৃত্যুশয্যাত। তাই যতে আছিল ততে থিয় হৈ থাকিল। লৰিব চৰিবৰ শক্তি তাইৰ নহ'ল। হতভাগিনী তাই। মিছাকৈয়ে তাই ইমান দিন কাঠৰ পুতলা পূজা কৰিছিল।

কমলে সাদৰীক বুজালে আৰু ক'লে যে এবছৰ আগেয়ে তাইৰে সম্পৰ্কীয় বাইদেউ সাবিত্ৰীক তেওঁ বিয়া কৰাইছিল। এমাহ আগতে এটা ল'ৰা সন্তানবো জন্ম হৈছিল কিন্তু সন্তান জন্মৰ পিছৰে পৰা নানান অচিন বেমাৰে তাইক আগুৰি ধৰিছে। তাই এতিয়া শয্যাশায়ী।

মনযোগেৰে সাদৰীয়ে কথাবোৰ শুনিলে। অবোধ শিশুটোৰ প্ৰতি যেন তাইৰ মৰম উপজিল। তাই তলমূৰ কৰি আপোন চিন্তাত নিমগ্ন হ'ল।

"শুন, সাদৰী, মই তোক লৈ যাবলৈ আহিছোঁ। তোৰ দুখৰ কথা শুনি মৃত্যুশয্যাত পৰি থকা তোৰ বাইদেউৱে তোক লগতে লৈ যাবলৈ কৈছে। সাবিত্ৰীৰ ল'ৰাটো চাবলৈ তই নিশ্চয় মোৰ লগতে আহিবি?"

সাদৰী নিৰুত্তৰ। তাই ভাবিছে কমলক তাই গ্ৰহণ কৰিব নে প্ৰত্যাখ্যান কৰিব। তাই ভাল দিনৰ মুখ দেখিছিল, কিন্তু ভবিষ্যত সুকমৰ পোহৰৰ লগে লগে যে নতুন সমস্যা উজলি উঠিব—এই কথা কল্পনাও কৰিব পৰা নাছিল।

"সাদৰী, তই ওলা। তোৰ কাপোৰকানি বাকচত ভৰাই ল। মই এথন ঘোঁৰাগাড়ী হৈ আহোঁ।"

সাদৰীয়ে তেতিয়াও মুখেৰে নামাতিলে। কিন্তু কমল আঁতৰি যোৱাৰ লগে লগে তাইৰ কাপোৰ কানিখিনি সামৰি সুতৰি ললে। অলপ পিছত কমলে ঘোঁৰাগাড়ী লৈ আহিল। কমলে টোপোলাটো গাড়ীৰ ওপৰত তুলি দিলে। সাদৰীয়ে কমলৰ পিছে পিছে গাড়ীত উঠিল।

১৯৩৭

উত্তৰ গুৱাহাটী

কপাহী

হৰনাথ বৰুৱাই ৰাতিপুৱাৰে পৰা খাটিও অফিচত হিচাব মিলাব পৰা নাই। বাৰে বাৰে যোগ বিয়োগ কৰি চালেও আঠ অনা পইচাৰ গোলমাল হয়। ইটো সিটো কাম কৰাৰ পাছত কেছবহীটো বাৰে বাৰে তেওঁ লুটিয়াই বগৰাই চায় আৰু যোগ বিয়োগ কৰে। কিন্তু ফল হয় একেটাই, আঠ অনা পইচাৰ অমিল। ভাৱি ভাবি তেওঁৰ মূৰ গৰম হৈ গ'ল। হিচাব-পত্র ঠেকেছা মাৰি থৈ তেওঁ ফাইল এটা আগত লৈ কিবাকিবি ভাবিব ধৰিলে কিন্তু কেনে-ভাবে নোট দিব তাকো সিদিনা ভাবি নোপোৱা হ'ল। টপা তালুত হাত দি তেওঁ ওপৰলৈ চাই দেখিলে ইলেকট্রিক পাঙ্খা কেঁা কোঁকৈ ওপৰত ঘুৰিয়ে আছে। তেওঁ মনতে ভাবিলে আজি মূৰ চেঁচা কৰিবলৈ বোধহয় ধুমুহাৰ আৱশ্যক হ'ব।"

অফিচত থকা সময়খিনিত হৰনাথৰ মূৰৰ উত্তাপ একেদৰেই থাকিল। কেতিয়াবা অলপ কমা যেন পালেও পিয়ন জনৰ কথাতে হঠাতে মূৰটো আগৰদৰে তপত হৈ উঠে। নিশ্চয় কিবা এটা কুক্ষণত তেওঁ সিদিনা ঘৰৰপৰা ওলাইছিল। আবেলি অফিচৰপৰা পলাই আহি মূৰটো অলপ পাতল পাতল যেন পালে। তেওঁ ভাবিলে আজি গৈ ঘৰত বিশ্রাম লব লাগিব। কিন্তু ঘৰৰ ভিতৰ সোমায়েই তেওঁ শুনিবলৈ পালে ল'ৰাটোৱে পেনপেনাই কান্দি আছে। টিউব্‌ওৱেলত ভৰি হাত ধুই উঠি তেওঁ দেখিবলৈ পালে কপাহীয়ে ল'ৰাটো নিচুকাই আছে আৰু বৰুৱাণী ঘৰত নাই। খঙৰে তেওঁ কপাহীক সুধিলে, "আয়েৰা কলৈ গ'ল অ'।"

ল'ৰাটোক নিচুকাই নিচুকাই কপাহীয়ে ক'লে "দেউতা, আই দেখোন চলিহাৰ ঘৰৰ আই আৰু বাইদেউৰ লগত ওলাই গ'ল। চিনেমা চায় নেকি? কিবা দেখোন ভাল চিনেমা অহা কথা কোৱাকুই কৰা শুনিলোঁ।"

ল'ৰাটিয়ে হৰনাথ বৰুৱাক অহা দেখা পাই দেউতা দেউতাকৈ কান্দি তেওঁৰ ওচৰলৈ আহিল। প্ৰথমতে তেওঁ ল'ৰাটোক ধমক দিয়েই শান্ত কৰিব বিচাৰিলে কিন্তু ল'ৰা শান্ত হ'ব দূৰৰ কথা, সি দুগুন উৎসাহেৰে কান্দিবলৈকেহে আৰম্ভ

কৰিলে। উপায় নাপাই ল'ৰাটোক কোলাত লৈ বিচনী এখনেৰে বিচি বিচি-তেওঁ সন্মুখৰ ঘৰত বহিলহি। বহুতো সময় কান্দি কান্দি ল'ৰাটোৰ ভাগৰ লাগিছিল হ'বলা—সি বকৰাৰ কোলাতে শুই পৰিল।

ভিতৰৰপৰা আহি কপাহীয়ে সুধিলে, "দেউতা, চাহ ইয়ালৈ আনিম নেকি?"

বকৰাৰ খং শাম কটা নাই। তেওঁ খঙতে কপাহীক ধমক দিলে "নালাগে তইঁতে মোক চাহপানী খুৱাবলৈ। দিনে ৰাতিয়ে কঠোৰ শ্ৰম কৰি থাকোঁ দু-পইচা পোৱাৰ আশাত কিন্তু তইঁতৰ হলে ফূৰ্তি-তামচা, আমোদ আনন্দ। মোক তইঁতে খাবি। মোৰ সৰ্বনাশ নোহোৱালৈকে তইঁতে নেৰিছ।"

তলমূৰকৈ কপাহী হৰকান্ত বকৰাৰ ওচৰৰ পৰা গুচি গ'ল। এনেতে বকৰাৰ বন্ধু কাশীনাথ শইকীয়াই দুৱাৰ মুখৰ পৰাই মাত লগালে। "কি হে বকৰা, তোমাৰ দেখোন বৰ খং উঠা যেন পাওঁ?"

"এঃ নকবা দেওহে। কিমান জ্বালা যন্ত্ৰণা সহিবা। সিপিনে গাঁঠিত ধন নাই, ইপিনে থিয়েটাৰ আৰু চিনেমা ঘৰত মাহিলী দান। মই হলে তিষ্ঠাই টান হৈছে। আজি ওবে দিনটো অফিচত হিচাব কৰি কৰি মূৰ গৰম হ'ল। ঘৰলৈ আহিলোঁ অলপ বিশ্ৰাম লওঁ বুলি কিন্তু নেদেখিছানে মোৰ অৱস্থা। ঘৰত কেৱে নাই, গৃহিণী গৃহৰ বাহিৰত। এতিয়ালৈকে চাহ এটুপিও মিলা নাই। ভাই, বিয়া নকৰালেও যি দুখ, বিয়া কৰালেও সেই একেই দুখ। 'বিয়া জানিবা কান্তি মাহৰ কাপোৰহে, নললেও জাৰ লাগে আৰু ললেও গৰম লাগে।"

শইকীয়াই মিচিকিয়া হাঁহিৰে মুখখন পোহৰাই কৈ উঠিল, "ঠিক কৈছাহে ভাই, ঠিক কৈছা। কামপুৰীয়া নে খামপুৰীয়া সেইজনীয়ে মোকো খাইহে এৰিব। ইয়াত তাত ঠিকাদাৰি কৰি দুপইচা পাওঁ আৰু গোটেইখিনি গৃহিণীৰ হাতৰ মুঠিত দি ভাবো অলপ হিচাব কৰি চলিব কিন্তু লাভত গোটেইখিনি চাহদোকান, থিয়েটাৰ, চিনেমাত খৰচ নকৰে মানে শান্তি নাই। বাধা দিবা ৰণচণ্ডী মূৰ্তি দেখা পাম। মানুহেও কব কৃপণ, স্বাৰ্থপৰ। কি কৰিম, নমতাকৈ থাকোঁ।"

শইকীয়াৰপৰা সহানুভূতিসূচক উত্তৰ পাই হৰনাথ বকৰা দুগুণে উৎসাহিত হৈ ক'বলৈ ধৰিলে, "কিমান কবা এওঁলোকৰ কথা, মুখ বুৰি হ'ব। আমি মধ্যবিত্ত শ্ৰেণী নিগমে তললৈ গলোঁ। নিজৰ মাহিলী উপাৰ্জন দুকুৰি বা

তিনিকুৰি টকা। এই টকাৰ পৰা গৃহিণীসকলৰ বাবে কেনেকৈ পোঞ্চৰ বা কুৰি টকা আচুতীয়াকৈ ৰাখা বাক ?"

শইকীয়া এইবাৰ বহুতো ওপৰলৈ উঠিল। আইনসকলৰ অবাধ বিচৰণৰ সাম্ভাব্য কুফলৰ এখন তালিকা তেওঁ মুখেৰে গাই যাব ধৰিলে; কিন্তু মাজতে বৰুৱাই বাধা দি মাত লগালে "এওঁলোকৰ গতি অবাধ হুবুলিবা। চাবাচোন কোনো কোনো ঠাইত এওঁলোকক সংৰক্ষিত আসনো লাগে। তাৰোপৰি এওঁলোকে বিচাৰে সকলো ক্ষেত্ৰতে অগ্ৰাধিকাৰ।"

আত্মবিস্মৃত হৈ শইকীয়াই ওচৰত থকা মেজখনৰ ওপৰত এটা চাপৰ মাৰি চিঞৰি উঠিল "আমি ইয়াৰ প্ৰতিকাৰ কৰিব লাগে। প্ৰথমতে আমি নিজৰ ঘৰখন ঠিক কৰি লব লাগিব। তাৰ পাছত লাগিব প্ৰচাৰ আৰু সংগঠন। আমি গৃহিণীৰ হাতৰ পুতলা হৈ নাথাকোঁ।"

শইকীয়াই যেনে ভাৱে কথা আৰম্ভ কৰিছিল তাৰপৰা তেওঁ আকৌ এখোপ উধোৱাৰ সম্ভাৱনাই আছিল বেছি কিন্তু এনেতে কপাহী আহি ধপাত এচিলিম বৰুৱাৰ পিনে আগুবঢ়াই দিলে। বৰুৱাই তেওঁৰ কোলাতে শুইপৰা ল'ৰাটিক লৈ গৈ বিছনাত শুৱাই থবলৈ কপাহীক ক'লে। ইয়াৰ অলপ পিছত তেওঁ উঠি ৰান্ধনী ঘৰলৈ গৈ দেখিলে কপাহীয়ে চাহ-জলপানৰ যোগাৰ কৰি ৰাখিছে।

বৰুৱা যেন অলপ অনুতপ্ত হ'ল। তেওঁ বুজিলে কপাহীয়েতো কৰ্তব্যৰ ত্ৰুটি কৰা নাই। তাইৰ ওপৰত থং কৰা তেওঁৰ পক্ষে নিশ্চয় উচিতো হোৱা নাই।

বৰুৱাৰ আবেগিক আচৰণৰ ফলত কপাহীয়ে দুখ পাইছে, তাই চকুপানী মচিছে। কপাহীৰ অৱস্থালৈ লক্ষ্য কৰি বৰুৱাৰ মনত দয়া উপজিল। থাবৰ লবৰ থাকিলে তাই বৰুৱাৰ ঘৰলৈ নাহিলহেঁতেন। অভাৱৰ তাড়নাত আজি তাই বৰুৱাৰ ঘৰত লেতেৰা কামবোৰ কৰিছে। তাই যদি গৃহস্থৰপৰা মুখৰ ভাল মাত আষাৰো নাপায় তেনেহলে তাই এই ঘৰত থাকিব কেনেকৈ। বৰুৱা আগবাঢ়ি গ'ল আৰু মুঠেই ইতস্ততঃ নকৰাকৈ কপাহীৰ চকুপানী মচি দি ক'লে, "চাহ লৈ আহ। শইকীয়াৰ কাৰণেও আনিবি।"

হঠাতে বৰুৱা উঠি আহি কেইমিনিট মান পলম কৰাত শইকীয়াই অকলশৰীয়া অকলশৰীয়া অনুভৱ কৰিছিল। সেইবাবে বৰুৱা উভতি যোৱাত শইকীয়াই মাত লগালে "অকলে বহি বহি আমনি লাগিছিল, উঠিবহে খুজিছিলোঁ।"

বকৰাই শইকীয়াক অলপ বহিবলৈ ক'লে। ইতিমধ্যে কপাহীয়ে চাহ-জলপান লৈ আহি দুয়োবো আগত ৰাখিলে। চাহ জলপান শেষ কৰাৰ পিছত পূৰ্বৰ আলোচনা বেছি সজীৱ হৈ উঠিল। তেওঁলোক দুয়োৱেই স্থিৰ কৰিলে যে গৃহিণী সকলৰ অবাধ ক্ষমতা কিছু পৰিমাণে কৰ্তন কৰিব লাগিব। পোনতে নিজৰ ঘৰখন ঠিকঠাক কৰিলৈ তেওঁলোকে এটা সংস্থা গঠন কৰি মধ্যবিত্ত শ্ৰেণীটোক বচাবলৈ দেহেকেহে যত্ন কৰিব।

বিক্ষুব্ধ দুই গিৰীয়েকৰ আলোচনা চলি থকা সময়তে ঘৰত উপস্থিত হ'লহি কুঞ্জ আৰু নীলি। কুঞ্জ বকৰাৰ পত্নী আৰু নীলি শইকীয়াৰ অৰ্দ্ধাঙ্গিনী। দুই বান্ধৱীৰ চিনেমা হলতেই দেখাদেখি আৰু তাৰ পৰাই দুয়োৱে একেলগে ঘৰলৈ বুলি উভতি আহিছে।

নীলি আহি পোৱাৰ লগে লগেই শইকীয়াৰ গৰম গৰম কথা নৰম হ'ব ধৰিছে। অলপ পিছতে তেওঁ বকৰাক ক'লে, "ভাই, আজি আলোচনা স্থগিত হওক। কালিলৈ পুনৰ আৰম্ভ কৰিম। নেদিখিছা মেটিনী শো চাই বাটবুলি আহোঁতে নীলি কেনেকৈ ৰঙা পৰি গৈছে। বেচেৰীয়ে হয়তো চাহ এটোপাও খাবলৈ পোৱা নাই। তোমাৰ হলে তেও কপাহী সহায়-হাত আছে, কিন্তু আমাৰতো কেয়ে নাই। গতিকে মই নগলে নহ'ব।"

বকৰাই ধমক দি উঠিল, "কি কোৱাহে এইবোৰ, বলিয়া হৈছা নেকি? এতিয়াই তুমি ক'লা এইবোৰৰ প্ৰতিকাৰ লাগে আৰু পিছ মুহূৰ্ততে সকলোকে পাহৰিলা কেনেকৈ? ঠিকাৰ কাম কৰি ভাগৰি অহাৰ পিছত তোমাক কোনে চাহ দিছিলহে?"

শইকীয়াই দেখিলে কাণ্ড বিষম। বকৰাই যেনেকৈ চিঞৰিছে কথা গৈ নীলিৰ কাণত পৰিবগৈ। তেতিয়া নীলিগৈ শয্যাবোহণ কৰিলে তেওঁ নিজেই ভাতপানী ৰান্ধি নীলিৰ খোহ আঁতৰাব লাগিব। সেইবাবে শইকীয়াই প্ৰবোধ দিয়াৰ মানসে বকৰাক ক'লে, "ৰবা, ৰবা, তুমি ধেমালিও নুবুজা। মই তোমাৰ মনহে চাইছোঁ।"

ইতিমধ্যে নীলি বান্ধৱীৰ ওচৰৰপৰা আহি বাটৰ কাষত থিয় দিছেহি। নীলিক দেখা পাই "আজি উঠোঁহে" বুলি শইকীয়া উঠিল আৰু ঘৰমুৱা হ'ল।

নীলি ঘৰৰ পৰা ওলাই যোৱাৰ লগে লগেই কপাহীয়ে এইখন নকৰিলে, সেইখন নকৰিলে, ঘড়িটো ইয়াত পৰি থাকিল, বাত্তিটো কলৰ পাৰৰ পৰা

অনা নহ'ল—ইত্যাদি নানান সূত্ৰ উলিয়াই স্নেহে বকাবকি আৰম্ভ কৰিলে। আগবে পৰা বৰুৱাৰ খং উঠি আছিল। গতিকে সিদিনা স্নেহৰ অনাৱশ্যকীয় বকাবকিখিন তেওঁ সহ্য কৰিব নোৱাৰিলে। তেওঁ বাহিৰৰ ঘৰৰপৰা ভিতৰলৈ আহি স্নেহক ওচৰলৈ মাতি আনি বুজাবলৈ চেষ্টা কৰিলে, "শুনা স্নেহ কপাহী এজনী ছোৱালী। তোমাৰ দৰে হিচাব ৰখাৰ ক্ষমতা তাইৰ নাই। তাৰোপৰি তুমি নথকা সময়ত ল'ৰাটোৱে তাইক যথেষ্ট আমনি কৰিছে। এনেস্থলত এই-দৰে সদায় বকাবকি কৰি থকাটো ভাল নহয়। মানুহক মৰমেৰেহে শাসন কৰিব পাৰি, কেটেৰা জেঙৰা মাতেৰে নহয়।"

বৰুৱাৰ কথা শুনি স্নেহৰ খং চৰিলহে। আগৰে পৰা জুই জ্বলি আছিল, এতিয়া তাৰ ওপৰত ঘিঁউ ঢালি দিয়া হ'ল। "বুজিছোঁ, বুজিছোঁ, আপুনি কপাহীৰ ফলীয়া হ'বই। আপুনি কপাহীক মোৰ লগত তুলনা কৰে কিয়। তাই মোৰ ঘৰৰ বান্দীহে।"

"বান্দীৰো সুখ দুখ আছে" বুলি কওঁ নকওঁকৈ মুখেৰে উচ্চাৰণ কৰি হৰনাথ বৰুৱা বাহিৰলৈ ওলাই আহিল। ফিৰিঙতিৰ পৰা খাণ্ডবদাহ হ'ব বুলি ভয় কৰিয়ে তেওঁ আঁতৰি আহিল কিন্তু শেষত খাণ্ডবদাহ হলেই।

. কপাহীৰ প্ৰতি দেখুৱা সামান্য সহানুভূতিকণে স্নেহক পাগলী কৰি তুলিলে। তেওঁ যেন নিজকে পাহৰি গৈ নক'বলগীয়া কথাবোৰো ক'বলৈ আৰম্ভ কৰিলে। তেওঁৰ পোৰা কপাল, নহলেনো এদিন মন পাতলাবলৈ ওলাই যোৱাৰ পাছতেই এনেবোৰ কাণ্ডকাৰখানা হয়নে? তেওঁ বৰুৱাৰ ধন ভঁৰা নাই—নিজৰ হাতৰ পইচাৰেহে চিনেমা চাইছে। গিৰীয়েকৰ ধন খৰচ কৰাহেঁতেন তাইক হয়তো ঘৰৰপৰা বাহিৰ কৰি খেদি দিলেহেঁতেন আৰু কপাহীৰ লগতে ঘৰ-সংসাৰ কৰিলেহেঁতেন।

নানান অবাচ্য কথা কৈ কৈ স্নেহে হুক্ হুক্ কৰে কান্দিবলৈ ধৰিলে। বহুতো সময়লৈকে তেওঁ মুখৰ ভিতৰতে কিবা কিবি ভোৰভোৰাই থাকি বিছনাত উঠিলগৈ।

বৰুৱাই দেখিলে হিতে বিপৰীত হ'ল। কিন্তু অভ্যস্ত হৈ বৰুৱাই এতিয়া বুজিব পাৰিছে যে তিৰোতাৰ সকলোবোৰ চকুপানী সমান মূল্যৰ নহয়। ইচ্ছা কৰিলেই তেওঁলোকৰ কেৰে কেৰে ৰণজয়ৰ কৌশল হিচাবে ইয়াক ব্যৱহাৰ কৰে। গতিকে স্নেহক নিচুকাবলৈ বৰুৱা বিছনালৈ নগ'ল।

স্নেহই হয়তো ভাবিছিল বৰুৱা তেওঁৰ ওচৰলৈ গৈ কপাহীৰ বিপক্ষে দুই

আমাৰ কথাকে ক'ব নাইবা তেওঁক শান্ত কৰিবলৈ চেষ্টা কৰিব। কিন্তু বৰুৱা যেতিয়া তেওঁৰ ওচৰৰপৰা আঁতৰি গ'ল, তেতিয়া তেওঁ গাৰুত মুখখন গুজি উচুপিবলৈ ধৰিলে। অলপ সময়ৰ পিছত ভয় ভয়কৈ কপাহী ওচৰলৈ আহি সুধিলে, "আই, আজি খোৱালোৱাৰ কি হ'ব ?"

স্নেহে একো উত্তৰ নিদিলে। কপাহীয়েও কিবা নতুন জগৰ লাগিব বুলি দ্বিতীয়বাৰ প্ৰশ্ন নকৰিলে। কিছু সময় পিছত ওচৰৰ বিছনা খনত হৰনাথ বৰুৱাও আহি শুই পৰিল। বৰুৱা যোৱা গম পাই স্নেহে আপোনা আপুনিয়ে কৈ উঠিল "কালিলৈ দেউতালৈ টেলিগ্ৰাম কৰি দিম। মোক লৈ যাওকহি। মই ইয়াত থাকিব নোৱাৰোঁ। মোক কেৰে ভাল নাপায়।"

বৰুৱাই সকলো কথা শুনিও নুশুনাৰ ভাও ধৰি থাকিল। মাত দিলে নতুন অশান্তিৰ আশঙ্কাও নথকা নহয়। সেইবাবে বৰুৱাই মুখেৰে নমতাটোৱেই উচিত হ'ব বুলি ভাবিলে। স্নেহই ভালেখিনি সময় উচুপি আছিল। পিছত ল'বাটোক সাবটি তেওঁ টোপনি গ'ল কিন্তু ভালেখিনি সময়লৈকে বৰুৱাই বিছনাতে ছটফটাই থাকিল।

পিছদিনা বাস্তিপুৱা কপাহীয়ে চাহ-জলপানৰ যোগান ধৰিলে। স্নেহ পলমকৈ বিছনাৰ পৰা উঠিল। গা পা ধুই তেওঁ ভাত ৰান্ধিবলৈ গ'ল যদিও তেওঁৰ মনৰ অশান্তি সম্পূৰ্ণৰূপে আঁতৰা নাই।

হৰনাথ বৰুৱাই চাহ জলপান খাই বাহিৰৰ কমত অলপ বহাৰ পাছত ভৰিত এটা বেণ্ডেজ বান্ধি শইকীয়াক লেকেচিয়াই লেকেচিয়াই সমুখৰ বাটেদি আহি থকা দেখা পালে। শইকীয়া ওচৰ চাপি আহিলত হৰনাথ বৰুৱাই আগ্ৰহেৰে সুধিলে, "ভৰিত দেখোন বেণ্ডেজ ? কথা কি ?"

শইকীয়াই গহীনাই উত্তৰ দিলে, "কিনো কম, দিন বেয়া হলে এনে অৱস্থাই হয়। কালি সন্ধিয়া তোমাৰ ঘৰৰপৰা উভতি যাওঁতে নীলিয়ে বাও ভৰিৰ গাঁঠিত মোকোছা খালে। ঘৰ পোৱাৰ আগতে ভৰি উখহি গ'ল। কি কৰোঁ। ঘৰত অলপ মালিছ তেল আছিল তাকেই ঘঁহিব দি পাকঘৰত সোমালোঁ। আৰু ভাবিলোঁ। ভাত মুঠি মমেই সিজাওঁ। ভাত নমাই থলোঁ। কিন্তু দাইলখন নমাই থওঁতে কেনেবাকৈ কেৰাহীটো বাগৰি তপত দাইলখিনি মোৰ ভৰিতে পৰিল। কালি গোটেই ৰাতিটো ভৰিৰ চেং-চেঙনিত শুব পৰা নাই।

হৰনাথ বৰুৱাই এনে আকস্মিক ঘটনাৰ কথা শুনি দুখ প্ৰকাশ কৰিলে কিন্তু লগতে সুধিলে "তোমাৰ মিছেছৰ ভৰিৰ বিষ কেনে ?"

"আছি ভাল পাইছে।"

"চিনেমা তিনেমাৰ কথা কিবা উলিয়াইছিলা নেকি ?"

"নাই উলিওৱা দেও। যেনেকৈ কেঁকাব ধৰিলে, মোৰ গাত তুতে নোহোৱা হ'ল। নহলেনো এনেখন কাণ্ড হয়নে ? তাৰোপৰি আন এটা কথা আছে। তুমি হয়তো নপতিয়াবা। নীলিৰ মুখখনত গঁচাকৈয়ে কিবা মোহিনী শক্তি আছে। তেওঁৰ মুখলৈ চালে মই সকলো পাহৰি যাওঁ। ইমান বয়স হল—ল'ৰা নাই, ছোৱালী নাই, দুয়ো দুয়োৰে দুখ নপতিয়ালে কোনে পতিয়াব বাৰু ? সেইদেখি কেতিয়াবা কেতিয়াবা মন পাতলাবলৈ থিয়েটাৰ, চিনেমাকে চায়, যুৱতী বান্ধৱী কেই গৰাকীয়েও নেবে নহয়। সেইবাবে ঘৰলৈ গৈ ভাবিলোঁ ভৰিতো মোচোকা খালে, দুখো পাইছে, কান্দিছে—ইয়াৰ মাজতে চিনেমাৰ কথা উলিয়াই অশান্তি বঢোৱাটো উচিত নহ'ব। তুমি কি কোৱা ?"

বৰুৱাই গহীনাই উত্তৰ দিলে, "কম কি, তুমি তললৈ যাবা।"

মাজখিনিতে তেওঁলোকৰ কথা শেষ হ'ল। কমত ওলোমাই আঁৰি থোৱা ঘড়ীটোৱে টং টঙকৈ কোবাই বৰুৱাক কৰ্তব্যৰ প্ৰতি সজাগ কৰি দিলে। স্নেহে যি হওঁক দয়া কৰি ভাত কেইটা সিজাইছিল, নহলে একো নোখোৱাকৈয়ে তেওঁ অফিচলৈ যাব লাগিলহেঁতেন।

আজি তিনি চাৰিদিন স্নেহে ঘৰুৱা কাজ কামখিনি কৰিছে যদিও তেওঁৰ বোহ ভঙা নাই। তেওঁৰ মন গধুৰ হৈয়েই আছে। আনহাতে জেদী হৰনাথ বৰুৱায়ো তেওঁৰ বোহ ভাঙিবলৈ বিশেষ আগ্ৰহ দেখুওৱা নাই। বৰুৱাৰ মনত ধাৰণা যে সাংসাৰিক জীৱন এটা যৌথ দায়িত্বৰ জীৱন। ইয়াত এজনে আৰ্জিব আৰু আনজনে ভাঙিব এনে কথা হ'ব নোৱাৰে।

চাৰি দিনৰ মূৰত স্নেহৰ দেউতাক আহি উপস্থিত হ'ল। কথাই কথাই তেওঁ উলিয়ালে যে স্নেহৰ চেঞ্জৰ আৱশ্যক। কিছুদিন তাই মাকৰ ঘৰতে থাকক কাৰণ ভালেমান দিন তাই ঘৰলৈকে যোৱাও নাই। তাইৰ স্বাস্থ্য ভাগি পৰিছে। অলপ পৰিৱৰ্তন নহলে গা টঙোৱা টান হ'ব পাৰে।

হৰনাথ বৰুৱাই মনতে ভাবিলে যাওক, মাকৰ ঘৰৰ অমৃতৰ লাড়ু খাই গা টঙাই আহক। তেওঁ ফুটাই ক'লে যদি স্নেহই যাবলৈ ইচ্ছা কৰে যাওক। ল'ৰাটো কোলাত লৈ অহা দিনৰেপৰা স্নেহ মাকৰ ঘৰলৈ যোৱা নাই। আজি যদি তেওঁ যাব খোজে আৰু শহুৰেকেও লৈ যোৱাৰ মানসে আহিছে তেন্তে হৰনাথ বৰুৱাই ইয়াত বাধা নিদিয়ে।

পিছদিনাখন স্নেহে দেউতাকৰ লগত তেজপুৰলৈ যাত্রা কৰিলে। স্নেহ যোৱাৰ দুদিন আগৰে পৰা বৰুৱাৰ পানী লাগি আছিল। প্রথমতে বৰুৱাই পানীলগা গাৰে অফিচো কৰি আছিল কিন্তু পিছত যেতিয়া জ্বৰ উঠিল তেতিয়াহে তেওঁৰ হুছ আহিল। কপাহীয়ে গৈ শইকীয়াক খবৰ দিলে। তেওঁ ফাৰ্মাচিৰ পৰা ঔষধপাতি আনি দিলে আৰু কপাহী থাকিল তেওঁৰ আলপৈচান ধৰা কাৰ্যত, তেওঁৰ শুশ্রূষাত।

জ্বৰত ক্লান্ত হৈ পৰা বৰুৱাৰ কাষত কপাহী বহি থাকে। কেতিয়াবা তাই বৰুৱাৰ মূৰত পানী ঢালে, কেতিয়াবা বিচে আৰু কেতিয়াবা ভৰি-হাতযোৰ পিটিকি দিয়ে। জ্বৰ কমিলে বৰুৱাই কপাহীৰ লগত কথা পাতে আৰু ইটো সিটো কাম কৰিবলৈ তাইক আদেশ দিয়ে।

তিনি দিনৰ মূৰত বৰুৱাই ভাত খালে আৰু পঞ্চম দিনা গৰম পানীৰে গা পা ধুই অফিচলৈ গ'ল। অফিচৰপৰা ঘূৰি অহাৰ পিছত তেওঁ অনুভৱ কৰিলে ক্লান্তি আৰু অৱসাদ। কপাহীয়ে দেউতাকক গৰমপানী আনি দিলে আৰু অলপ পিছতে চাহ জলপানো তেওঁৰ আগত থলে। কপাহীৰ কামকাজত বৰুৱা সন্তুষ্ট হ'ল। তেওঁৰ মন গ'ল তাইক বেছিকৈ মৰম কৰিবলৈ কিন্তু কপাহী নিজা কামতেই ব্যস্ত থাকিল, ওচৰলৈ নাহিল।

নিশা খাই বই শোৱা সময়ত বৰুৱাই কপাহীক ভৰি দুখন পিটিকি দিবলৈ মাতিলে। তাই নিজৰ কামকাজ শেষ কৰি আহি দেখে বৰুৱাৰ টোপনি অহা নাই। বিছনাৰ ওচৰতে টুল এখনত বহি তাই বৰুৱাৰ হাত ভৰি পিটিকি আছে। তাই আগেয়েও এনেকৈ তেওঁৰ হাতভৰি টানিটুনি দিয়ে। কপাহীৰ কোমল হাতৰ পৰশত বৰুৱাৰ চিলমিলকৈ টোপনি আহিছিল। হঠাতে সাৰ পাই বৰুৱাই কপাহীৰ হাত খনত ধৰি তেওঁৰ ওচৰলৈ টানিলে আৰু তাইৰ মুখত চুমা খালে।

কপাহী চমকি উঠিল। বৰুৱাৰ হাতৰপৰা নিজকে মুক্ত কৰি তাই অলপ দূৰত অলপ সময় থিয় দি থাকি সুধিলে "যাম নেকি দেউতা?" হৰনাথ বৰুৱাই একো ক'ব পৰা নাই। তেওঁৰ গাটো কঁপিছে। তেওঁ ভাবিব পৰা নাই এই মুহূর্তত তেওঁৰ কপাহীক ওচৰলৈ টানি অনাৰ প্রয়োজন আছে নে নাই। তেওঁ কিংকর্তব্যবিমূঢ় হৈ পৰিছে। তেওঁৰ লাজ লাগিছে। কপাহীতো তেওঁৰ আশ্রিতা। বৰুৱাই নানান কথা ভাবি থাকোঁতে কপাহী তাইৰ কমলৈ গ'ল। বৰুৱাই তাইক নামাতিলে।

ভালেখিনি ৰাতিলৈ হৰনাথ বৰুৱাৰ টোপনি অহা নাই। তেওঁ নানান কথা ভাবিছে। তেওঁ অনুভৱ কৰিছে কপাহীৰ চকুত তেওঁ সৰু হৈ গ'ল। ৰাতিপুৱা কেনেকৈ তেওঁ তাইৰ আগত মুখ উলিয়াব, কেনেকৈ তাইক ধমক দিব। নানান কথা ভাবি থাকোঁতে থাকোঁতে শেষৰাতি তেওঁৰ টোপনি আহিল। পিছদিনা ৰাতিপুৱা কপাহীয়ে আহি তেওঁক মাতিলে "দেউতা উঠক। ভালেখিনি বেলি হ'ল। গৰম পানী বাথৰুমত থৈছো। মই চাহ কৰোঁগৈ।"

চকুমুখ মোহাৰি হৰনাথ বৰুৱা বিছনাৰ পৰা উঠিল আৰু হাতমুখ ধুই চাহ এটোপা খালে। এনেতে শইকীয়া ক'ৰবাৰ পৰা ওলালহি। শইকীয়াৰ ভৰিখন ভাল হৈছে। গতিকে তেওঁৰ শাৰীৰিক অৱস্থা ভাল কিন্তু মনৰ অৱস্থাহে ভাল নহয়। বেঙ্কে তেওঁৰ ওপৰত মোকৰ্দমা কৰি এহেজাৰ টকা ডিগ্ৰী কৰিছে। হাতত সময় অৱশ্যে এমাহ আছে কিন্তু এমাহৰ ভিতৰত এহেজাৰ টকা কেনেকৈ যোগাৰ কৰে, এই চিন্তাতে তেওঁৰ ৰাতি টোপনি নোহোৱা হৈছে।

কথা শুনি হৰনাথ বৰুৱাই মনতে দুখ পালে আৰু বন্ধুক বিপদত সহায় কৰাৰ কাৰণে তেওঁ চাৰিশ টকা দিম বুলি প্ৰতিশ্ৰুতি দিলে। বৰুৱাৰ কথা শুনি শইকীযা আশ্বস্ত হ'ল। তেওঁৰ মনলৈ সাহ আহিল আৰু ভাবিলে যে এমাহৰ ভিতৰত তেওঁ ছশ টকা যোগাৰ কৰিব পাৰিব। শইকীয়াই হৰনাথ বৰুৱাক ধন্যবাদ দি উঠিব খোজোতেই বৰুৱাই সুধিলে "গৃহিণীৰ অসুখ কেনে?"

"এঃ নকবা গৃহিণীৰ কথা? তেওঁৰ ভৰিৰ অসুখ পিছদিনা ৰাতিপুৱাই ভাল হৈছে। ডাক্তৰখানাৰ পৰা ঔষধ লৈ আহি দেখো তেওঁৰ ভৰি সম্পূৰ্ণৰূপে ভাল। নকবা ভাই, এইজনী তিৰোঁতাই মোৰ সৰ্বনাশ কৰিলে। মৰমৰ বান্ধ ছিঙিবও নোৱাৰোঁ, আৰু তেওঁক অবহেলা কৰিবও নোৱাৰোঁ। মই জানিবা এদাল জীয়া সাপ ডিঙিত মেৰাই লৈছোঁ। এতিয়া পেলাই দিবও নোৱাৰোঁ আৰু ৰাখিবও নোৱাৰোঁ।"

"কিছু সাৱধানে চলিবা। নহলে তললৈ যাবা।" হৰনাথ বৰুৱাই তেওঁৰ বন্ধু শইকীয়াক সতৰ্ক কৰি দিলে।

শইকীয়াক বিদায় দি বৰুৱাই ভাতপানী খাই অফিচলৈ গ'ল। গধূলি অফিচৰ পৰা আহি দেখে স্নেহ আহি পাইছে। দেউতাকক দেখা পাই পোনাকণ

দৌৰি কোলাত উঠিলগৈ। স্নেহে বৰুৱাৰ ওচৰলৈ আহি এটা সেৱা কৰিলে, সুধিলে "গা ভাল হৈছেনে ?"

"হৈছে, পিছে তুমি ইমান সোনকালে আহিবা বুলি কল্পনাই কৰিব পৰা নাছিলোঁ।"

"যাওঁতে আপোনাৰ পানীলগা অসুখ দেখি গৈছিলোঁ। অসুখৰ চিন্তাই মোৰ মাৰ ঘৰতো অকণো শান্তি নিদিলে। সেইবাবে গুচি আহিলোঁ।"

"বৰ ভাল কৰিলা। তুমি নাথাকিলে ময়ো অকলশৰীয়া অনুভৱ কৰোঁ। এতিয়া মোৰ জ্বৰ এৰিছে। গাটো অলপ দুৰ্বল আছে যদিও দুই চাৰিদিনৰ পাছত দুৰ্বলতা আঁতৰিব।"

নিলগৰ পৰা কপাহীয়ে দুয়োকো আগৰ দৰে দেখিবলৈ পাই মনত ভালেই পালে। বৰুৱা তাইৰ আশ্ৰয়দাতা। তেওঁ তাইৰ পিতৃ হ'ব পাৰে কিন্তু নিজৰ স্বামীৰ ৰূপত তেওঁৰ কল্পনা এটা অলীক সপোন মাথোন। যিখন ঘৰক আজি বাৰ বছৰে তাই আপোন কৰি লৈছে সেইখন ঘৰৰ সুখশান্তি দেখিলে তায়ো আনন্দ পায়।

স্নেহক পাই কপাহীৰ প্ৰতি থকা বৰুৱাৰ মৰম মলিন হোৱা নাই। স্নেহৰ লগত আলোচনা কৰি বৰুৱাই গাঁৱত থকা এডোখৰ মাটি দান কৰি দি কপাহীৰ ঘৰখন পতাৰ কথা তাইৰ আগত উলিয়ালে। কিন্তু কপাহী এই কথাত ৰাজী নহ'ল। ইমান দিনে খুৱাই ধুৱাই, আদৰ মৰম কৰি তাই পোনাকণক তিনি বছৰীয়া কৰিছে, আজি সেই শিশুৰ মৰম ছিঙি তাই আঁতৰি নাযায়। তাইৰতো আপোনজন কেৱেই নাই। সেইবাবে পোনাকণৰ ওপৰতেই তাই হিয়াৰ সকলো মৰম উবুৰিয়াই দিছে। পোনাকণ ডাঙৰ হ'লে এই মৰম স্নেহৰ কথা পাহৰি যাব নোৱাৰে—পাহৰি নাযায়। সেইবাবে সন্তহতে তাই পোনাকণক চকুৰ আঁতৰ নকৰে।

১৯৩৭

উত্তৰ গুৱাহাটী

চাকৰি

কলিকতা বিশ্ববিদ্যালয়ৰ বি. এ. পৰীক্ষাত প্ৰথম শ্ৰেণীৰ অনার্চ লৈ উত্তীৰ্ণ হোৱাত মনত ধাৰণা হ'ল ভাল চাকৰি মিলিব। গেজেট ওলাবৰ দিনাই সেইবাবে শ্ৰীযুত ভদ্ৰ বৰুৱাৰ ঘৰলৈ গলোঁ, খবৰটো তেওঁ পোৱা নাই যদি দিয়েই আহোঁ এই উদ্দেশ্যত। বৰুৱা তেতিয়া বয়সৰ ফালৰ পৰা বুঢ়াৰ শাৰীত পৰিছে যদিও মই তেওঁৰ লগত কথা পাতি সুখ পাওঁ। পৰীক্ষাৰ খবৰটো দিয়াত তেওঁ শুনি আনন্দ পালে আৰু ততালিকে উপদেশ দিলে, "এঠাইত সোমাই লোৱা, পলম নকৰিবা। বিলম্বত কৰ্মনাশ।"

"চাকৰি হ'ল বুলিনো য'তে ত'তে সোমাব পাৰিনে মহা। যেই সেই চাকৰি কৰিলে ইজ্জত হানি হয়। সেইবাবে প্ৰথমৰে পৰা ভাল চাকৰিত সোমোৱাৰ চেষ্টাই কৰিব লাগিব।"

"এৰা, আমিও তাকেই আশা কৰিছো বাপা। তোমালোকৰ দৰে ডেকাই ভাল চাকৰি নাপালেনো কোনে পাব ? পিচে, দিন যেনেহে হ'ব ধৰিছে থাতিৰ বাতিৰ নহলে ভাল চাকৰি পোৱাত বাধা জন্মে বুলি আশঙ্কা কৰিহে য'তে ত'তে সোমোৱাৰ কথা কৈছোঁ।"

মহাৰ উপদেশ মই মনযোগেৰে শুনিলোঁ আৰু কলোঁ, "হয় আপুনি ঠিকেই কৈছে। আপোনালোক অভিজ্ঞ ব্যক্তি। কথা এটা বিচাৰ কৰিব লাগিলে চাৰিও ফালৰপৰা তাক বিচাৰ কৰি চায়। কিন্তু আমাৰ বয়সৰ মানুহবোৰ আবেগৰ ওপৰতে চলোঁ নহয়।"

মোৰ আন কাম আছে বুলি কৈ মহাৰ ঘৰৰ পৰা উঠিলোঁ। আৰু ষ্ট্ৰেণ্ড-ৰ'দৈদি মোৰ বহালৈ বুলি খোজ ললোঁ। বাটতে লগ পালোঁ কলিতাক। কমিচনাৰ অফিচত গেজেটৰ পাত লুটিযাই এই মাত্ৰ তেওঁ বাটত উঠিছেহি। মোক দেখা পাই তেওঁ মোক সাবট মাৰি ধৰিলে। "একেবাৰেই প্ৰথম শ্ৰেণী। ভাগ্যৱান লোক। ভাল চাকৰি মিলিব। মিঠাই খুৱাব লাগিব হলে ?"

মহাইঁতৰ ঘৰতে মোৰ মনটো অলপ চাকৰি ভাবাপন্ন হৈ আহিছে। এতিয়া উমাই উমাই জ্বলি থকা চাকৰিৰ জুইকুৰাৰ খৰি কেইডাল কলিতাই লৰাই দিয়াত

সি দুগুণে জ্বলি উঠিল। মই সুধিলোঁ, "ৰবাচোন ৰবা, চাকৰিৰ কথাটো বৰকৈয়ে কৈছা। পিছে কেনে ধৰণৰ চাকৰিৰ বাবেনো যত্ন কৰা ভাল হ'ব?"

কলিতাই মুখত লৈ থকা চুৰুঠজালত ছুটামান হোপা মাৰি উত্তৰ দিলে "বৰ্তমান বজাৰত ই এ চি চাকৰিয়ে মৰ্যাদাপূৰ্ণ। ইয়াৰ বাবেই চেষ্টা কৰাচোন।"

কলিতাৰ কথা শেষ হওঁ নৌহওঁতেই আমাৰ মাজৰ দীঘল টিকনিধাৰী অধ্যাপক অৰ্থাৎ গুৰুদেৱ শৰ্মাই এটা হাঁহি মাৰি তেওঁৰ ৰঙা-কলা দাঁত কেইটা উলিয়াই মন্তব্য দিলে "এছ ডি ছি" হলে জানোঁ বেয়া হয়?"

কলিতা আৰু শৰ্মাৰ লগ এৰাৰ পাছত কোনো চিনাকি মানুহকে মই বাটত লগ পোৱা নাই। মই লাহে ধীৰে খোজ কাঢ়ি গৈ ভৰলুমুখৰ বহাত উঠিলোঁগৈ। ইযালৈকো কেইবাজনো বন্ধু আহি মোক সম্বৰ্ধনা জনালে আৰু লগতে চাকৰিৰ কথাও কৈ গ'ল।

ডাঙৰ চৰকাৰী চাকৰিৰ বাবে দৰ্খাস্ত কৰিলেই তাৰ লগত লাগে এসোপামান চাৰ্টিফিকেট। ঘোঁৰাত উঠা চাৰ্টিফিকেটকে আৰম্ভ কৰি স্বাস্থ্য-পৰীক্ষাৰ ৰিপোৰ্ট লৈকে ভালেমান চাৰ্টিফিকেট গাঁথি দি দৰ্খাস্তৰ পুষ্টি-সাধন নকৰিলে দৰ্খাস্ত বিবেচনাৰ যোগ্য নহয। গতিকে কষ্টেৰে, ধৈৰ্যৰে এইবোৰ সংগ্ৰহ কৰি শেষত দৰ্খাস্ত পঠালোঁ। মুকুলিত নোহোৱা আশাকলিৰ সৌৰভেৰে যেন মোৰ মন প্ৰাণ ভৰি উঠিল। মনত প্ৰবোধ দিলোঁ—তিনিমাহ, মাত্ৰ তিনিমাহ অপেক্ষা কৰা —অক্টোবৰ, নবেম্বৰ আৰু ডিচেম্বৰ, তাৰ পিছত কণক চৌধুৰীক পায় কোনে?

গুৱাহাটীৰ কাম শেষ কৰি এবাৰ ঘৰলৈ যোৱাৰ কথা ভাবিছোঁ। মিতিৰ কুটুম, বন্ধু-বান্ধৱ সকলে চাগৈ মোক আদৰিবলৈ আকুল হৈ পৰিছে। মোৰ চকুৰ আগত আশা মৰীচিকা আৰু মনৰ মাজত আনন্দৰ উৰ্মী। বহালৈ গৈ দেখোঁ মোৰ সৰু ভাই নৰেণ আহি উপস্থিত হৈছে। হাইস্কুলৰ কেইটামান শ্ৰেণী পঢ়িয়েই সি পঢ়া এৰি পেলালে, টকাৰো অভাৱ, মনো নাই। এতিয়া সি গামত খেতিবাতি কৰে। ভৰ খেতিৰ সময়ত সি এনেকৈ অহা দেখি অলপ আচৰিত হৈ সি অহাৰ কাৰণ সোধাত সি উত্তৰ দিলে যে পিতাই মোক ঘৰলৈ লৈ যাবলৈ তাক পঠাই দিছে। মই ব্যগ্ৰতাৰে সুধিলোঁ, "ইমান দৌৰাদৌৰিৰ আৱশ্যক কি? দুদিন পিছত মই নিজেই ঘৰলৈ গলোহেঁতেন নহয়।"

নৰেণে কথাটো ক'বলৈ বাধ্য হ'ল। "কোনোবা এজন হাজৰিকা আহি

বকৰা হাকিমৰ ঘৰত আছে। তেখেত হেনো টি প্লেণ্টাৰ। তেখেতৰে হেনো তোমাৰ লগত কিবা কথা আছে।”

মোৰ গাটো হঠাতে জিকাৰ খাই উঠিল। টি প্লেণ্টাৰ হাজৰিকা কোন মই নাজানোঁ। তেওঁৰ নামো শুনা নাই কিন্তু শুনিছোঁ টি প্লেণ্টাৰ সকল চহকী লোক—গাড়ী-ঘোঁৰা আছে। লণ্ডৰা-লিকচোৰে আলপৈচান ধৰে আৰু তেওঁ-লোকে বিলাসিতাৰ মাজত বুৰ গৈ থকাৰ সুবিধা পায়।

বাটৰ পিনে মূৰ তুলি চাই দেখিবলৈ পালোঁ শৰ্মা ভৰলু দলঙৰ ওপৰেদি যাব ধৰিছে। বেগাই গৈ শৰ্মাক লগ ধৰি সুধিলোঁ “আজি এটা খবৰ পাওঁতে মোৰ গাটো যেন জিকাৰ খাই উঠিল। খবৰটো একো বেয়া খবৰ নহয়। এনে স্থলত গাটো কঁপাৰ কাৰণ কি? ইয়াৰ ফলাফলেই বা কেনে হ’ব পাৰে?”

শৰ্মাই জ্যোতিষ চৰ্চা কৰিছে। হস্তৰেখা বিচাৰো কৰিব পাৰে। তেওঁ সুধিলে, “তোমাৰ সোঁহাতখনো লৰি উঠা যেন পাইছিলা নেকি?”

“হয় পাইছিলোঁ।”

“স্ত্ৰীলাভ,—স্ত্ৰীলাভৰ ইঙ্গিত।”

কথাটো মই হাঁহি উৰুৱাই দিলোঁ যদিও শৰ্মাৰ কথাই মোক এটা মিঠা কল্পনাৰ মাজলৈ লৈ গ’ল। অৰ্থনীতিৰ থিওৰিৰ জটিলতাৰ মাজত জীৱনৰ স্পন্দন বিচাৰি নাপালোঁ কিন্তু শৰ্মাৰ এটা ইঙ্গিতে যেন এখন নতুন কল্পনা ৰাজ্যলৈ মোক লৈ গৈ মোক অভিভূত কৰি তুলিলে।

পিচদিনা ৰাতিপুৱাতে ঘৰলৈ যাত্ৰা কৰিলোঁ। ঘৰ পায়েই দেখা পালোঁ ভাল কাপোৰ কানি পিন্ধা এগৰাকী ভদ্ৰলোকে পিতাৰ লগত কথা পাতি আছে। এওঁৱেই নৰেণে উল্লেখ কৰা হাজৰিকা। তেখেতৰ এজনী ছোৱালী আছে, পঢ়ে হাইস্কুলৰ দশম মান শ্ৰেণীত। এইজনী ছোৱালীৰ লগতে মোৰ বিয়া হোৱাটো তেওঁ বিচাৰে।

চাহ জলপান খাই বাহিৰৰ ঘৰলৈ অহাত হাজৰিকাই পোনতে মাত লগালে, “আপোনাৰ ল’ৰা কণকক উজনি অসমৰ পিনে মোৰ লগতে পঠাই নিদিয়ে কিয়? তেওঁ কিজানি সেইফালে যোৱাই নাই। এবাৰ ফুৰি চাকি আহিলে ভাল লাগিব।”

পিতা সহজ সৰল মানুহ। এনে এটা প্ৰস্তাৱত তেওঁৰ অমান্তি হোৱাৰ কোনো কাৰণ নাই। তেওঁ শুনিছে যে হাজৰিকা ধনী মানুহ। ধনী মানুহ মিতিৰ কুটুম হলে টানে-বিপদে সহায়ো পোৱা যায়।

দুদিন পিছত হাজৰিকা আৰু মই মৰিয়নি ষ্টেছনত নামিলোঁগৈ। হাজৰিকাৰ মটৰ গাড়ীয়ে আমাক ষ্টেচনৰ পৰা তেওঁৰ ঘৰলৈ লৈ গ'ল। হাজৰিকাই তেওঁৰ পৰিবাৰৰ ওচৰলৈ মোক লৈ গৈ চিনাকি কৰি দিলে, "আমি যে কোৱা মেলা কৰিছিলোঁ কণক চৌধুৰীৰ কথা, এৱেই সেই চৌধুৰী। তেওঁক লৈ আহিছোঁ। ইয়াতেই দুই চাৰিদিন থকচোন বাৰু!"

হাজৰিকানীয়ে মোক আদৰ-সাদৰ কৰি বহিব দিলে। অলপ আঁতৰত নির্মলা থিয় হৈ থাকিল।

হাজৰিকাৰ দুটা ডাঙৰ বঙলা ঘৰ। দুয়োটাৰে সমুখত দুখন পৰিপাটীকৈ সজোৱা ফুলনি। গোটেই কম্পাউণ্ডটোৱে পৰিষ্কাৰ পৰিচ্ছন্ন। কতো খেৰকুটা এডালো পৰি থকা নাই। ঘৰত চাকৰ-নাকৰ, ড্ৰাইভাৰ-হেণ্ডিমেন বহুতো। হাজৰিকাৰ ঘৰখনেই যেন এখন সৰু সংসাৰ। হাজৰিকাৰ নিজৰ পৰিয়াল বৰ বেছি নহয় কিন্তু বাহিৰা মানুহেৰে তেখেতৰ ঘৰখন ভৰা। নিজৰ পৰিয়ালৰ ভিতৰত তেখেতৰ পত্নী, দুজনী ছোৱালী আৰু দুটা ল'ৰা। ছোৱালী জনী ডাঙৰ, নাম নির্মলা, ঘৰত নিমু বুলি মাতে।

হাজৰিকাৰ ঘৰৰ নীতি নিয়মৰ লগত মোৰ পৰিচয় নথকাত প্ৰথম এদিন দুদিন মোৰ ভাল লগা নাছিল। কিন্তু পিছলৈ নির্মলা আৰু মাকৰ আচৰণে মোৰ মনৰ দ্বিধা আৰু সঙ্কোচ আঁতৰাই দিলে। মাজে সময়ে নির্মলাৰ লগত একেলগে মটৰত উঠি বাৰ মাইল দূৰত থকা যোৰহাট নগৰলৈ গৈছো, তাত চিনেমা চাইছোঁ আৰু নিশা একেলগে ঘৰলৈ উভতি আহিছোঁ। মোৰ ঘৰৰ গতানুগতিক জীৱনৰ তুলনাত ইয়াত আছে নতুনক আঁকোৱালি লোৱাৰ আগ্ৰহ। নির্মলা ৰচকী পখিলা নহয় কিন্তু তেওঁ ৰুচিসম্পন্না প্ৰাণচঞ্চলা যুৱতী। মোৰ ভাল লাগে নির্মলাৰ সঙ্গ, ভাল লাগে তেওঁৰ কথা-বতৰা আৰু ভাল লাগে তেওঁৰ গান। এজন শিক্ষকৰ তলত তেওঁ শাস্ত্রীয় সঙ্গীতৰ পাঠ লৈছে। কিয় জানোঁ আধুনিক গীতত তেওঁৰ ৰুচি নাই। এদিনাখন হাজৰিকাই নিমুক এটা গান গাবলৈ ক'লে। নিমুয়ে হাৰমোনিয়ামটো লৈ যি গানটো গালে তাৰ ৰস উপলব্ধি মোৰ কাৰণে সহজ নহয়। শাস্ত্রীয় সঙ্গীতৰ মই একো নাজানোঁ। আধুনিক গানৰ প্ৰতিও মোৰ তেনে ৰাপ নাই। কিন্তু কেতিয়াবা কেতিয়াবা আনৰ গান শুনি ভাল লাগে। কিয় ভাল লাগে তাকো মই নাজানোঁ।

নিমুয়ে দ্বিতীয় গানটো গালে। এই গানটো সাধাৰণতে শুনিবলৈ পোৱা গানবোৰতকৈ বেলেগ। গানটোৰ উঠা নমা গতিয়ে যেন মোৰ অন্তৰতো

দোলা দি গ'ল। মই নিমুৰ মুখলৈ চালোঁ। কিন্তু নিমু যেন সুৰ-সমুদ্ৰত বুৰ গৈ আছে। কাৰো প্ৰতি তেওঁৰ লক্ষ্য নাই। সুৰৰ মায়াজালে তেওঁক সম্পূৰ্ণৰূপে আবৰি ৰাখিছে। গানত এনেকৈ তন্ময় হৈ থকা নিমুৰ অৱস্থাটোৱে মোৰ অন্তৰত গভীৰ ৰেখাপাত কৰিলে। নিৰ্মলাক অসাধাৰণ যেন লাগিল।

গান শেষ হ'লত হাজৰিক কুমৰ পৰা উঠি গ'ল। তেতিয়াহে নিৰ্মলাক উৎসাহিত কৰাৰ ধাৰণা মোৰ মনলৈ আহিল। মই তেওঁৰ ওচৰলৈ গৈ কলোঁ, "নিমু, তোমাৰ গান অপূৰ্ব। তোমাৰ সুৰ-লালিত্যই মোৰ অন্তৰ চুই গৈছে।"

"আপুনি গান গায় ?" নিৰ্মলাই সুধিলে।

"মই গান নাগাও নিমু। গোৱাহেতেন, তুমি এটা গালে মই তিনিটা গালোহেতেন।"

নিৰ্মলাই হাঁহিলে আৰু হাৰমোনিয়ামটো লৈ কুমৰপৰা ওলাই গ'ল। মই কিবাকিবি ভাবি চকীখনত ধৰি থিয়হৈ থাকিলোঁ। এনেতে বায়ে আহি মোক জনালে যে খোৱাৰ সময় হৈছে।

অক্টোবৰ, নৱেম্বৰ, ডিচেম্বৰ তিনি মাহ পাৰ হ'ল কিন্তু ভাল চাকৰি পোৱাৰ সুযোগ নঘটিল। বহু দিনৰে পৰা আশা কৰি থকা জানুৱাৰী মাহত দুই চাৰিজনে চিলেকৃছন বোৰ্ডত উপস্থিত হোৱাৰ কাৰণে চিঠিৰে খবৰ পালে। কিন্তু মই নাপালোঁ। কিয় নাপালোঁ এই কথ জনাৰ একো উপায় নাছিল। মোৰে বন্ধু কলিতাই ইতিহাসত দ্বিতীয় শ্ৰেণীৰ অনাৰ্ছ পায়ো সাক্ষাতৰ কাৰণে চিলেকচন বোৰ্ডত উপস্থিত হোৱাৰ যোগ্য বুলি বিবেচিত হ'ল আৰু মই প্ৰথম শ্ৰেণীৰ অনাৰ্ছ পায়ো বোৰ্ডত উপস্থিত হোৱাৰ যোগ্যতাকে আৰ্জিব নোৱাৰিলোঁ। কিয় ? মোৰ প্ৰশ্নৰ উত্তৰ দিব কোনে ? মোৰ দৰে আন কেইজনমানেও প্ৰশ্ন কৰিছে কিন্তু তেওঁলোকেও উত্তৰ বিচাৰি পোৱা নাই। তেনেহলে বন্ধু কলিতা হাকিমৰ ল'ৰা হোৱাৰ বাবেই বোৰ্ডত উপস্থিত হোৱাৰ যোগ্য বুলি বিবেচিত হ'ল নেকি ? মনত পৰিল শৰ্মালৈ। তেওঁ, সংস্কৃতত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ উত্তীৰ্ণ হৈছে কিন্তু তেওঁ চোন বোৰ্ডত উপস্থিত হোৱাৰ সুবিধাকণ পোৱা নাই।

যি আশা মৰীচিকা খেদি ইমান দিন কল্পনাত বুৰ গৈ আছিলোঁ সেই আশা কলিতে নষ্ট হ'ল। মই কলিতাৰ লগত নিজকে তুলনা কৰি নিজৰ দুৰ্ভাগ্যৰ কথা ভাবি নিজেই ম্ৰিয়মান হলোঁ। জানো সংসাৰত সকলোৱে

ভাওব চাকৰি কৰি জীৱন কটোৱা নাই, তথাপি চাকৰিৰ চিন্তাৰ পৰা মনক আঁতৰাই ৰখা একপ্ৰকাৰ অসম্ভৱ। যলৈকে যাওঁ, যাৰে লগত কথা পাতোঁ তাতেই একেটা কথাকে শুনিবলৈ পাওঁ "চাকৰি বাকৰিৰ কি হ'ল?" সিদিনা মামা গুৱাহাটীলৈ আহিছিল। তেৱোঁ দুখ কৰি ক'লে "বাপা, বহুতো আশা কৰিছিলোঁ, পিছে দেখোন একোকে হোৱা দেখা নাপালোঁ। কিবা এটা কৰা। ঘৰৰ কথাটো জানাই।"

নানান দুশ্চিন্তাত দিনবোৰ যাবলৈ ধৰিলে। ল কলেজত ভৰ্তি হোৱাৰ সময়। পিতাই মোক ল কলেজত নাম লিখাবলৈ কৈ আছে। মোৰ হলে ওকালতি ব্যৱসায়ৰ প্ৰতি তেনে আগ্ৰহ নাছিল কাৰণ তেতিয়া উকিলৰ সংখ্যানুপাতে মোকৰ্দমাৰ সংখ্যা বঢ়া নাছিল। তাৰোপৰি ইয়াত যিটো প্ৰতিযোগিতা তাত কৃতকাৰ্য হৈ উঠাটো দুই এজনৰহে ভাগ্য। তথাপি পিতাৰ কথামতে তিনি কুৰি মান টকা হাতত লৈ এদিন ৰাতিপুৱাতে দীঘলী পুখুৰীৰ পাৰ পালোঁগৈ আৰু লাহে লাহে অফিচৰ ভিতৰলৈ সোমালোঁ। মোক দেখা পায়েই কলেজৰ লাইব্ৰেৰীয়ান আৰু হেড্ এচিষ্টাণ্ট শৰ্মাই অলপ আচৰিত হৈ সুধিলে "কিহে চৌধুৰী, তোমাৰো চাকৰি-বাকৰি নহ'ল নেকি?"

"হলেনো এইফালে আহোঁনে চাৰ?"

"এতিয়া কি কৰিবা। ল পঢ়িব খুজিছা নেকি। আহিছা যেতিয়া নামটো লিখাই চোৱা এবছৰ দুবছৰ। কিন্তু কি হ'ব ল পঢ়ি?"

ইয়াতো সেই চাকৰিৰে কথা। মই চাকৰি নোপোৱাৰ কাৰণে সকলোৱে মোক ইতিকিং কৰে নেকি? আনৰ দুখ বেদনা নুবুজা এইচাম লোকৰ মুখত চূণ দিব লাগিব। নাই ল নপঢ়ো।

বাহিৰলৈ ওলাই আহি জজফিল্ড পাওঁতে ক'ৰবাৰ পৰা এছাতি চেঁচা বতাহে মোৰ কপালৰ আগৰ চুলি কেইডাল লৰাই দি গ'ল। মোৰ মূৰ কামুৰিছিল। কাছাৰী ঘাটত অলপ বহিলে ভাল লাগিব বুলি ভাবি তালৈকে গলোঁ। তিনি চাৰিজন কলেজীয়া ল'ৰাই বহি মেল মাৰি আছে। এজনৰ কথা হঠাতে কাণত পৰিল "এঃ, থৈ দিয়া তোমাৰ মেৰিট্। যোৱা বছৰ অৰ্থনীতিত প্ৰথম শ্ৰেণী লাভ কৰা চৌধুৰীলৈ নোচোৱা কিয়? এতিয়াও দেখোন বেকাৰ হৈয়েই আছে। চাকৰিত মেৰিট ফেৰিট নাই—আছে তলহতীয়া ব্যৱস্থা।"

মোৰ সহ্য নহ'ল। যলৈকে যাওঁ ত'তেই সেই একেটা কথাকেই শুনিবলৈ

পাওঁ। প্ৰথম শ্ৰেণী লাভ কৰি মই কি দোষ কৰিছিলোঁ বাৰু? কাছাৰী ঘাটত বিশ্ৰাম লোৱাৰ আশা এৰি বহাৰৈ বুলি খোজ ললোঁ। শৰ্মালৈ মোৰ মনত পৰিল। তেওঁ ওচৰত থকাহেঁতেন মোৰ ভাৰাক্ৰান্ত মনক তেওঁ সান্ত্বনা দিব পাৰিলেহেঁতেন। কি অদ্ভুত মানুহ এইজন। কাৰো কথাত বিচলিত নহয়, কাকো ভয় নকৰে, আৰু নিজৰ জ্ঞান-বিশ্বাসৰ ওপৰত ভৰ দি চলে। তেওঁ প্ৰথম শ্ৰেণীৰ অনাৰ্ছ পাইছে কিন্তু তেওঁৰ মনত নাই কল্পনাৰ দৌৰাত্ম্য আৰু আশাৰ বিফলতা। তেওঁ আজি গুৱাহাটীত নাই। কলিতাৰ লগতো মোৰ কিছু সম্ভাৱ আছিল কিন্তু তেওঁ পৰীক্ষাৰ খবৰ ওলোৱাৰ কেইদিনমান পিছতেই ডিব্ৰুগড়লৈ গৈছে। এতিয়া জনসমুদ্ৰৰ মাজত মই অকলশৰীয়া।

মোৰ অন্তৰত আশা-নিৰাশাৰ যি তুমুল দ্বন্দ্ব উপস্থিত হৈছিল তাক কেৱে নাজানিলে। সকলো মানসিক যন্ত্ৰণা মই নীৰৱে সহ্য কৰিবলৈ বাধ্য হলোঁ। কেতিয়াবা কেতিয়াবা মোৰ মনৰ বেদনাৰ আভাস নিৰ্মলাক দিবলৈ ইচ্ছা হৈছিল কিন্তু বহুতো ভাবিচিন্তি শেহত তেওঁলৈ নিলিখাই ভাল হ'ব বুলি বিবেচনা কৰিলোঁ। নিৰ্মলা, ধনী মানুহৰ দুহিতা নিৰ্মলা। তেওঁৰ মনত উৰি ফুৰিছে কল্পনাৰ সোণালী পখিলা। মোৰ ব্যৰ্থ জীৱনৰ ইতিহাসৰ স্থান তাত হয়তো নহ'ব। লাইব্ৰেৰীৰ পুথিপত্ৰৰ মাজত নিজকে আবদ্ধ ৰাখি মনৰ অশান্তি আৰু দুশ্চিন্তাৰ পৰা হাত সাৰিবলৈ যত্ন কৰিও ব্যৰ্থ হলোঁ। তেতিয়া মনত পৰিল নিৰ্মলালৈ। তেওঁ মোলৈ চিঠিপত্ৰ লিখি আছিল কিন্তু আজি কিছুদিন হ'ল তেওঁৰপৰা একো খা-খবৰ পোৱা নাই। আগৰ চিঠিখনতে তেওঁ লিখিছিল যে দেউতাক ডিব্ৰুগড়লৈ গৈছে। এতিয়াও ঘূৰি আহিল নে নাই তাকো জানিব পৰা নাই। গতিকে শেষত নিৰ্মলাহঁতৰ ঘৰলৈকে যোৱাটোকেই স্থিৰ কৰিলোঁ।

হাজৰিকাৰ ঘৰ পাই দেখোঁ নিৰ্মলা আৰু হাজৰিকা দুয়োৱেই ঘৰত নাই। জানিব পাৰিলোঁ কোনোবা দুজন লোকেৰে সৈতে তেওঁলোক টাউনলৈ গৈছে, বোধহয় চিনেমা চাব। এনে অৱস্থাত ফেঁচাটোৰ দৰে ড্ৰয়িং ৰুমৰ এচুকত মন মাৰি বহি থকাৰ বাহিৰে মোৰ আন উপায় নাই। সাঁজ লাগিল, পাৰ হল, নিৰ্মলাৰ মোটৰ আহি নাপালে। ঘড়ীত আঠ বাজিল তথাপি গাড়ী অহা শব্দ নুশুনিলোঁ। এটা অহৈতুকী উৎকণ্ঠাই যেন মোক লাহে লাহে অৱশ কৰি পেলাব ধৰিছে। হঠাৎ মটৰৰ হৰ্ন শুনি ৰুমৰপৰা ওলাই আহি দেখিবলৈ পালোঁ নিৰ্মলা আৰু দেউতাকৰ বাহিৰেও গাড়ীৰ ভিতৰত আছে গুৰুদেৱ শৰ্মা আৰু মিঃ কলিতা। ছাৎকৈ মোৰ মনৰ মাজত সন্দেহ উপস্থিত হ'ল "নিৰ্মলাই

চিঠিৰ উত্তৰ নিদিয়াৰ কাৰণ তেনেহলে কলিতাই নেকি? কলিতা হৈছে চব্ ডেপুটি অৰ্থাৎ মাটিৰ হাকিম—আৰু মইতো আজি বেকাৰ?"

গাড়ীৰ পৰা নামি শৰ্মা আৰু কলিতাই মোক দেখা পাই আচৰিত হ'ল আৰু সুধিলে কেনেকৈ মই এইখিনি পালোঁহি। হাজৰিকাৰ লগত পিতাৰ পৰিচয় আছে বুলি কৈ আচল কথাটো ঢাকিবলৈ যত্ন কৰিলোঁ। নিৰ্মলা মোৰ কাষেদিয়ে গুচি গ'ল, নামাতিলে। হাজৰিকাই মই কেতিয়া আহি পালোঁ সুধিলে আৰু লগে লগে তেওঁৰ কমলৈ সোমাই গ'ল। আমি তিনিও, শৰ্মা, কলিতা আৰু মই বাহিৰলৈ ওলাই আহি প্ৰত্যেকৰে খা-খবৰ লব ধৰিলোঁ। কলিতা এতিয়া শিৱসাগৰত থাকে, শৰ্মা ডিব্ৰুগড়লৈ আহিছিল, তাৰপৰা আহি শিৱসাগৰত কলিতাৰ লগ লাগিছিল। শৰ্মায়ো চাকৰি পোৱাৰ অকণো সম্ভাৱনা দেখা নাই। গতিকে তেওঁ স্থিৰ কৰিছে গুৱাহাটীতে এখন আয়ুৰ্বেদীয় ঔষধালয় স্থাপন কৰি তাৰ উন্নতিৰ বাবে দেহেকেহে খাটিব। কলিতাৰ জীৱনৰ গতিধাৰা নিৰূপিত হৈয়েই গৈছে। গতিকে বন্ধু সকলৰ মাজত বেকাৰ হৈ আছোঁ অকলে মই।

বহুদিনৰ মূৰত তিনিওৰো দেখাদেখি হোৱাত নানান কথা ওলাল। কথাৰ মাজতে শৰ্মাই সুধিলে "মিছেছ কলিতাক তুমি আগৰেপৰা চিনি পোৱা নেকি?"

মোৰ গাটো যেন কঁপি উঠিল। "মিছেছ কলিতাৰ কথা শুধিছে? তেওঁ বা কোনটো?"

"গাড়ীৰ পৰা নামিয়েই যে তোমাৰ কাষেদি সাউত কৰে গ'ল, সেই জনীয়েই, সেইজনীৰ কলিতাৰ লগত বিয়াৰ পকা বন্দৱস্ত হৈছে। বিয়া অহা মাহত হ'ব।"

"হয়নে কলিতাৰ বিয়া নিৰ্মলাৰ লগত।" মই সহজ হ'বলৈ চেষ্টা কৰিলোঁ।

এইবাৰ কলিতাই মাত লগালে "এৰা তেওঁৰ নাম নিৰ্মলা, ঘৰত নিমু বুলি মাতে।"

মই অনুভৱ কৰিলোঁ মই যেন ঘামিছো। হাজৰিকাৰ লগত অলপ কথা আছে বুলি কৈ মই তেওঁলোকৰ কাষৰপৰা আহি ড্ৰয়িং ৰুমত সোমালোঁ আৰু দেখিলোঁ হাজৰিকাই চুৰট হুপি হুপি খবৰৰ কাগজ পঢ়িছে। মোক দেখা পাই তেওঁ আনন্দ প্ৰকাশ কৰিলে, লগতে ক'লে, "তুমি আহিলা ভালেই হ'ল। ছোৱালীজনীৰ বিয়াৰ বন্দৱস্ত হৈছে, বিয়াৰ এসপ্তাহ মান আগতে আহি শুভকাৰ্য সমাধা কৰাত সহায় কৰিবা।"

নানান প্ৰলোভনেৰে প্ৰলোভিত কৰি শেষত হাজৰিকাই ইমান সহজভাৱে মোৰ আগত নিৰ্মলাৰ বিয়াৰ খবৰ দিয়াত মই আচৰিত হলোঁ। কলিতাৰ অলপ চকুৰ দোষ আছে। এটা চকুৰে তেওঁ নেদেখে। তথাপি তেওঁ হাজৰিকাৰ বাচনিত উঠিল কেনেকৈ? আৰু নিৰ্মলায়ে বা বিয়াত আপত্তি নকৰিলে কিয়? মাটি হাকিমৰ পদবীয়ে নিশ্চয় দুয়োকো আকৰ্ষণ কৰিছে। হাজৰিকাৰ হয়তো মনত ধাৰণা হৈছে যে মোৰ ভাগ্যত চাকৰি নিমিলিব। সেইবাবে তেওঁ হাকিমৰ লগত ছোৱালীৰ বিয়া বন্দৱস্ত কৰিছে, অৱশ্যে তেওঁ এজলাছৰ হাকিম নহয়, মাটিৰহে হাকিম।

মোৰ মনত যেন এজুৰা জুই। মোৰ হৃদয়ত যিবোৰ আশা-গজালিয়ে পোখা মেলিছিল, সেইবোৰ এটা এটাকৈ পুৰি ছাই হৈ যাব ধৰিছে। মই কাহানিও অদৃষ্টবাদী নাছিলোঁ। কিন্তু আজি প্ৰতিকূল পৰিস্থিতিৰ মাজত অদৃষ্টবাদী হ'বলৈ বাধ্য হৈ পৰিছোঁ।

হাজৰিকা আৰু কলিতাৰ পৰা সকলো কথা জনাৰ পিছতো মোৰ মনটোৱে বিচাৰিলে নিৰ্মলাৰ পৰা শেষ সমিধান পাবলৈ। কিন্তু সেই নিশা চেষ্টা কৰিও নিৰ্মলাক লগ নাপালোঁ—টাউনৰপৰা অহাৰ পিছতেই তেওঁ মূৰ কামুৰিছে বুলি কৈ বিছনাত শুই আছে।

পিছদিনা ৰাতিপুৱাতেই হাজৰিকা, কলিতা, শৰ্মা, আৰু নিৰ্মলা শিৱসাগৰলৈ গ'ল। শিৱ মন্দিৰত এভাগ পূজা দিয়া হ'ব। সেইবাবে কলিতা আৰু নিৰ্মলা একেলগে উপস্থিত থাকিব লাগে। পূজাভাগ দুয়োৰো নামত কৰা হ'ব।

যোৱাৰ আগে আগে কলিতা আৰু শৰ্মাই মোৰ পৰা বিদায় ললে। হাজৰিকাই ক'লে, "তুমি আহিছা যেতিয়া দুদিনমান থাকি যোৱা। ঘৰত গৈনো কিটো কৰিবা?"

মোৰ ধাৰণা হ'ল হাজৰিকাই মোক বিদ্ৰূপ কৰিছে। নানান কৌশলেৰে হাজৰিকাই মোক এটা অন্ধকূপলৈ টানি আনি ত্যতে মোক অকলে এৰিথৈ গুচি গ'ল। ডিঙিত শিকলি লগোৱা কুকুৰৰ দৰে মই হাজৰিকা পাছে পাছে ঘূৰিলোঁ এটা আশাত, এটা প্ৰলোভনত। কিন্তু হাজৰিকা চয়তান। তেওঁ মোক ঠগিলে, অপমান কৰিলে। মই এই অপমান সহ্য নকৰোঁ। মই প্ৰতিশোধ লম।

যোৰহাটৰ পৰা গুৱাহাটীলৈ আহিলোঁ—সমুখত প্ৰাৰ্থী নিৰ্বাচন পৰীক্ষাটো

আছে। কিন্তু পৰীক্ষাত বহাৰ বাবে যি মানসিক প্ৰস্তুতি লাগে সেই প্ৰস্তুতি নোহোৱা হৈছে। ইতিমধ্যে মোৰ মনত ধাৰণা হ'ব ধৰিছে যে জীয়াই থকাৰ একমাত্ৰ পথ চাকৰি নহয়। তথাপি শেষত পৰীক্ষা হলত উপস্থিত হৈ যি মনলৈ আহিল লিখিলোঁ। ফলাফলৰ চিন্তাই মোক এইবাৰ জুমুৰি দি ধৰা নাই। লাহে লাহে মই নিজৰ ব্যক্তিত্বৰ ওপৰত আস্থা হেৰুৱাই পেলাইছোঁ।

মোৰ মানসিক অৱস্থালৈ লক্ষ্য কৰি পিতাই মোক গাঁৱৰ ঘৰলৈ লৈ গ'ল। মোৰ মনৰ চিন্তা আৰু নিৰানন্দ গুচাবলৈ পিতাই যত্ন কৰিলে যদিও মোৰ মানসিক অস্থিৰতা আঁতৰি যোৱা নাই। পঢ়াশুনা তেনেই এৰি পেলাইছোঁ। পঢ়ি পঢ়ি সুখ্যাতিৰে পৰীক্ষাত উত্তীৰ্ণ হোৱাৰেই বা লাভ কি? পঢ়ি শুনি উঠি যদি যোগ্যতা অনুসাৰে কৰ্মক্ষেত্ৰ পোৱা নাযায় তেন্তে পঢ়াশুনা কৰি অৰ্জা জ্ঞানৰেই বা মূল্য ক'ত?

মোৰ মনলৈ নানান ভাব আহে। নানান অসম্ভৱ কল্পনাই মোক আগুৰি ধৰেহি। মোৰ মনৰ স্থিৰতা নাইকিয়া হয়। মামুহ দুনুহ পিতাৰ ওচৰলৈ আহে আৰু যোগ্যতা থকা সত্বেও এটা ভাল চাকৰি নোপোৱাত দুখ প্ৰকাশ কৰে। আঁতৰৰ পৰা এইবোৰ কথা শুনি মই ক্ষিপ্ত হৈ উঠোঁ।

বৃশ্চিক দংশনৰ জ্বালা-যন্ত্ৰণাত মোৰ শৰীৰ জৰ্জৰিত হৈছে। দিনবোৰ দীঘল দীঘল যেন লাগে আৰু তাতোকৈ দীঘল যেন লাগে ৰাতিবোৰ। মনৰ এনে অৱস্থাৰ মাজতে পৰীক্ষাৰ ফলাফলৰ ওপৰত চিলেকচন বোৰ্ডলৈ কোনো কোনো প্ৰাৰ্থীক মাতিলে। মোক মতা নাই। পিতা মা প্ৰভৃতি সকলোৱে মোৰ পৰা বহুতো আশা কৰিছিল কিন্তু মোৰ ভাগ্যত একোৱেই নিমিলা গতিকে তেওঁলোকৰ মুখ ক'লা পৰি গ'ল। মোক পঢ়োৱাৰ কাৰণে পিতাই কেইবিঘামান মাটিও বন্ধকত থৈছিল আৰু ভাবিছিল গুণবান ল'ৰাই ধন আৰ্জি মাটি মোকোলাব। কিন্তু তেওঁলোকৰ সকলো আশা আৰু সকলো কল্পনা থানবান হৈ গ'ল।

সিদিনা চিঠি এখন পালোঁ। খুলি চাই দেখিলোঁ নিৰ্মলাৰ বিয়া। ছপা চিঠিৰ এটা চুকতে হাজৰিকাই মোৰ উপস্থিতি কামনা কৰিছে। চিঠিখন মোৰ প্ৰতি কৰা হাজৰিকাৰ পৰিহাস। পঢ়া শেষ নকৰাকৈয়ে চিঠিখন ফালি চিৰি দলিয়াই পেলাই তলমূৰকৈ অতীতৰ কথাকে সুঁৱৰিছোঁ। এনেতে কোনোবা এজন অভ্যাগতে আগগুৰি নোহোৱাকৈয়ে পিতাক কোৱা শুনিলোঁ, "আপোনাৰ

বৰ ল'ৰাই হেনো এইবাৰো ফেল কৰিলে। কি কৰিব কপাল।" অভ্যাগতৰ এই কথা মই সহ্য কৰিব নোৱাৰিলোঁ। কমৰৰপৰা গুলাই আহি তাৰ চুলিকোছাত থাপ মাৰি ধৰি তাক পিতাৰ ওচৰৰপৰা টানি আনিলোঁ। কিন্তু মুহূৰ্ত্ততে আন দুজন মানুহ আহি মোক আঁতৰাই লৈ গ'ল। সিদিনাৰ পৰা পিতাই মোৰ গতিবিধি লক্ষ্য কৰাৰ কাৰণে দুজন মানুহক দায়িত্ব দিলে। মই বাহিৰলৈ ওলাই গলেও সিহঁত লগে লগে যায়। মই যলৈকে যাওঁ ত'তেই এই দুই বন্ধুৰ চকুৰ আঁতৰ হ'ব নোৱাৰোঁ। ইয়ো এটা নতুন উৎপীড়ণ মোৰ ওপৰত চলিব ধৰিলে। দিন যোৱাৰ লগে লগে এই দুজন মানুহৰ শেনচকুৰ দৃষ্টিয়ে মোক নতুন যন্ত্ৰণা দিব ধৰিলে। অৱশেষত এনিশা এই মানুহ দুজন শুই পৰাৰ পিছত ঘৰৰপৰা বাহিৰলৈ ওলালোঁ। বাহিৰত ফৰিংফুটা জোনাক। মই আলিবাটেদি খোজ ললোঁ। বাটৰ দুয়ো কাষে সোণালী ধানৰ পথাৰ। জোনাকৰ পোহৰত সোণগুটিবোৰ জিলমিলাই আছে। আগেয়েও পকা ধানৰ সৌন্দৰ্য উপলব্ধি কৰিছো কিন্তু সেই নিশাৰ দৰে সদায়ে দেখি থকা দৃশ্য এটাই মনটো জোকাৰি যোৱা নাছিল। মানুহৰ শ্ৰমৰ বলত ধৰাৰ বুকুত সোণ উপজিছে। মই এক প্ৰকাৰ তন্ময় হৈ বাটেদি আহিঁ আছোঁ। এনেতে ৰাতিপুৱাল আৰু সমুখত দেখিবলৈ পালোঁ আমাৰ পামৰ ঘৰ।

পামত দুজন দৰ্মহা খোৱা মানুহ আছে। ঢল পুৱাতেই সিহঁতে মোক দেখা পাই আচৰিত হ'ল আৰু আদৰ সাদৰ কৰি মোক বহিবলৈ দিলে। সিহঁতৰ সৰলতা আৰু আদৰ মৰমে মোক অভিভূত কৰি পেলালে। নিজম নিতাল পৰিৱেশ। চাৰিওফালে বহল পথাৰ। পুহমহীয়া সোণগুটিবোৰে যেন ম্লান চকু মুদি নিশ্চল হৈ আছে। মোৰ মনটো পাতল পাতল লাগিল। খোলা মন আৰু সংস্কাৰ মুক্ত আদৰ্শ লৈ প্ৰকৃতিৰ প্ৰাচুৰ্যৰ মাজত দেখিবলৈ পালোঁ এক অপৰূপ সৌন্দৰ্য। প্ৰকৃতিৰ বুকুতে জন্ম লাভ কৰিছোঁ যদিও এনে নিবিড়ভাৱে প্ৰকৃতিৰ মাজত শান্তি বিচৰাৰ চেষ্টা কোনো দিনে কৰা নাছিলোঁ।

আবেলি পথাৰলৈ গলোঁ। কাম কৰা মানুহ দুজনে ধান কাটিছে। এজনৰ হাতৰ পৰা কাচিখন আনি ময়ো ধান কাটিবলৈ আৰম্ভ কৰিলোঁ। সিহঁতে বাধা দিলে "ইমান দিনে কাচি হাতত লোৱা নাই, আজি ললে হাত কাটিব। এইবোৰ কাম আমাৰহে তোমালোকৰ দৰে লোকৰ নহয়।"

মই কাচিখন লৈ ধান কাটিবলৈ চেষ্টা কৰিলো, অলপ কাটিলোঁও। ইমান

দিন অলস আৰু অকৰ্মণ্য হৈ মই ভাগৰি পৰিছোঁ। বহি বহি অতীত সুঁৱৰি মোৰ শৰীৰ জীৰ্ণ, মন অৱসাদগ্ৰস্ত। মোক লাগে এটা পৰিৱৰ্তন।

কেই মুঠিমান ধান কাটিলোঁ। কিন্তু এবাৰ কেঁকোৰা কাচিথনে মোৰ বাওঁহাতৰ কেঞা আঙুলিটো কাটি পেলালে। মোৰ হাতৰপৰা টোপাটোপে তেজ পৰিবলৈ ধৰিলে। কামকৰা মানুহ দুজনৰ এজনে মোৰ আঙুলিটোত টেপা মাৰি ধৰিলে, আনজনে পামৰ ঘৰৰপৰা এঘটি পানী আনি কিছু সময় আঙুলিটোৰ ওপৰত ঢালিলে আৰু শেহত কচুগছৰ বাকলি একুৰাই মোৰ আঙুলিটো বান্ধি দিলে।

"এইবোৰ কামো এনেয়ে কৰিব নোৱাৰি। ইয়াকো লেখাপঢ়াৰ দৰে শিকিব লাগে।" এজনে ক'লে।

আনজনে মাত লগালে "এইবোৰ তোমালোকৰ দৰে লেখাপঢ়া জনা মানুহৰ কাম নহয় বাপা।"

লেখাপঢ়া নজনা এই দুজন মানুহৰ সৰল ব্যৱহাৰত মই মুগ্ধ হলোঁ। ইহঁতৰ কথাত যেন আন্তৰিকতা আছে। ইমান দিনে মোৰ মনৰ বিষাদ আঁতৰাবলৈ মই বিচাৰিছোঁ মানুহৰ সঙ্গ। পোৱা নাই।

লেখাপঢ়া নজনা আৰু হাড়ভঙা পৰিশ্ৰম কৰি পৃথিৱীৰ বুকুত সোণ উৎপন্ন কৰা এই শ্ৰেণী নিৰক্ষৰ অথচ কৰ্মী লোকৰ অন্তৰত যেন প্ৰাণ আছে। ইহঁতৰ অন্তৰত আছে সহানুভূতি। ইমান দিনে মই জানোঁ। ইয়াকেই বিচৰা নাই।

১৯৩৬

উত্তৰ গুৱাহাটী

সন্দেহবাদী

কেইবছৰমান আগৰ কথা। দিনৰাতি নোহোৱাকৈ পঢ়ি সেইবাৰ আই. এ. পৰীক্ষাত তৃতীয় স্থান অধিকাৰ কৰিছোঁ। বি. এ.ত কি কি বিষয় লম, কিহৰ অনাৰ্ছ ললে পৰীক্ষাত ভাল ফল দেখুৱাব আশা থাকে অথচ আনেও ভাল বোলে—এনে ধৰণৰ নানান চিন্তাই মোক ব্যতিব্যস্ত কৰি তুলিছে। শেহত গুৱাহাটীৰ বাহিৰলৈ যোৱাৰ কোনো সম্ভাৱনা নেদেখি ফিলচফিৰ অনাচ লোৱাৰ সিদ্ধান্তত উপনীত হলোঁ। সংস্কৃতৰ কথা কেৱে কেৱে কৈছিল যদিও মই সংস্কৃতৰ অনাৰ্ছ নপঢ়িলোঁ। লগৰ বন্ধুসকলে সংস্কৃতৰ অনাৰ্ছ লোৱা ছাত্ৰসকলক সাধাৰণতে 'অধ্যাপক' বুলি মাতিছিল। কিয় জানোঁ। এই 'অধ্যাপক' সম্বোধনটো মই ভাল নাপাইছিলোঁ। সেই বাবে দৰ্শনৰ অনাৰ্ছকে বাছি ললোঁ।

মানুহ দুনুহুৰ লগত মিলামিছা কৰা, তেওঁলোকৰ লগত আত্মীয়ভাৱে কথা পতা অভ্যাস মোৰ আগৰে পৰাই আছিল। এতিয়া বিশ্ববিদ্যালয়ৰ পৰীক্ষাত ভাল কৰাৰ পিছৰেপৰা মই লাহে লাহে বহুতৰ চকুত পৰিবলৈ আৰম্ভ কৰিলোঁ। দুই চাৰি ভদ্ৰলোকৰ ঘৰলৈকো বিয়াই সবাহে নিমন্ত্ৰণ পাব ধৰিলোঁ। গুৱাহাটীৰ কেইবাটাও পৰিয়ালৰ লগত সোনকালে মোৰ সম্বন্ধ ঘনিষ্ঠ হৈ উঠিব ধৰিলে। ইয়াৰ প্ৰধান কাৰণ নিশ্চয় আছিল এজন বিনয়ী আৰু সংস্বভাৱী ছাত্ৰ বুলি থকা মোৰ সুখ্যাতি।

মহিলা-সমাজত মই সৰবৰহী হৈ পৰাৰ কাৰণ আছিল কেইবাটাও। তাৰে ভিতৰত দুটা মোৰ বোধেৰে প্ৰধান।- মই আছিলোঁ। মহিলা-সমিতিৰ সবল সমৰ্থক। তাৰোপৰি গায়ক হিচাবে মোৰ সুখ্যাতিয়ে মোক আনৰ প্ৰিয়পাত্ৰ কৰি তোলাত সহায় কৰিছিল। মহিলাসকলে মোৰ যোগ্যতাৰ শলাগ লৈছিল আৰু মযো তেওঁলোকক যথোচিত শ্ৰদ্ধা-ভক্তি কৰিছিলোঁ। কেইবাজনী ছোৱালীক মই গানো শিকাইছিলোঁ। এজন তত্বান্বেষী লোকৰ দৰে ছোৱালী-বোৰৰ আৱভাৱ আৰু মতিগতি চাই মই ভাল পাইছিলোঁ।

মানৱ-চৰিত্ৰ অধ্যয়নৰ এয়ে মোৰ প্ৰথম প্ৰচেষ্টা। পিছত কলেজত মনোবিজ্ঞান শাস্ত্ৰ পঢ়াৰ লগে লগে মনত আশা হ'ল যে এই শাস্ত্ৰৰ-অধ্যয়নৰ ফলত

মানুহক জানিবলৈ আৰু বুজিবলৈ নতুন সমল পাম। ৰেকনৰ নিষেধ-বচনৰ তাৎপৰ্য ভালকৈ বুজিবলৈ চেষ্টা কৰিলোঁ। আগেয়ে কুসংস্কাৰৰ পৰা মনটো মুক্ত কৰিব নোৱাৰিলে প্ৰকৃত জ্ঞানলাভ কেতিয়াও সম্ভৱ নহয়। শ্ৰদ্ধাত ৰেকনৰ প্ৰতি মোৰ মূৰ দোঁ খাই গ'ল। মোৰ দৃঢ় বিশ্বাস হ'ল যে মানুহৰ লগত মিলা-প্ৰীতি আৰু মানুহৰ প্ৰতি দেখুওৱা সৎ ব্যৱহাৰেই হ'ল জীৱনৰ আৱশ্যকীয় কথা। শিক্ষা দীক্ষা লাভ কৰিও যিবোৰ ল'ৰা ইয়াত পিছ পৰা সেইবোৰৰ শিক্ষা দীক্ষাৰ পৰা একো লাভ হোৱা নাই বুলি মোৰ বদ্ধমূল ধাৰণা হৈছিল। এইবাবে মানুহৰ লগত সহৃদয়তাৰে মিলিজুলি ঘনিষ্ঠ সম্বন্ধ গঢ়ি তোলাৰ চেষ্টাৰ ওপৰত মই গুৰুত্ব দিছিলোঁ। এনে কৰুণাৰ বশৱৰ্তী হোৱাৰ কাৰণেই গাভৰু ছোৱালী হলেও পুতুলৰ লগত খোলাখুলিকৈ কথা পাতিবলৈ নাইবা হাঁহি ধেমালি কৰিবলৈ আগবাঢ়ি গৈছিলোঁ। কলেজলৈ যাওঁতে বাটত পুতুলক লগপালে মই কেতিয়াও তেওঁৰপৰা আঁতৰি নাযাও বৰং সোধো তেওঁৰ পৰীক্ষা কেতিয়া আৰম্ভ হ'ব নাইবা তেওঁৰ পঢ়াশুনা কেনে চলিছে ইত্যাদি নানান কথা। পুতুলে হাইস্কুলৰ দশমমান শ্ৰেণীত পঢ়ে, ময়ো কলেজৰ তৃতীয় বাৰ্ষিক শ্ৰেণীত পঢ়ো। দুয়োৰেই বিদ্যাৰ্থী।

শিক্ষাৰ প্ৰতি ছোৱালী জনীৰ বৰ আগ্ৰহ। কিবা এটা নজনা কথা মনত পৰিলে তেওঁ বাটে ঘাটে য'তে ত'তে মোৰ পৰা জানিবলৈ আগ্ৰহী। তাৰোপৰি আন এটা গুণৰ বাবে তেওঁৰ প্ৰতি মোৰ আকৰ্ষণ দিনে দিনে বাঢ়ি গৈছিল। পুতুলৰ মনৰ ওপৰত বিষাদ বিমৰ্ষতাৰ ছাপ মই কাহানিও দেখিবলৈ পোৱা নাই। তেওঁৰ মুখখন সদায় হাঁহিভৰা। তেওঁৰ সাজপাৰ সুন্দৰ, পৰিপাটী, অতি মূল্যৱান নহলেও তেনেই তল খাপৰ নহয়। মই বহুদিন পুতুলৰ লগত কথা পাতিছোঁ আৰু তেওঁৰ পঢ়াশুনাৰ খবৰ লৈছোঁ কিন্তু তেওঁ সদায় মোৰ চকুত একে বিনয়ী আৰু সহাস্যময়ী। অলপ জনাবুজা হোৱা সময়ৰে পৰা তেওঁ মহিলা সমিতিৰ সভা-সমিতিত যোগ দি স্ত্ৰীজাতিৰ কৰ্তব্যাকৰ্তব্যৰ বিষয়ে জানিবলৈ আৰু বুজিবলৈ চেষ্টা কৰে। তেওঁৰ মনত উচ্চ আদৰ্শ আৰু হিয়াত অদম্য উৎসাহ।

মোৰ এজন অন্তৰৰ বন্ধু পুতুলহঁতৰ ঘৰত থাকে। বন্ধুজন পুতুলৰ দূৰ সম্পৰ্কৰ ককায়েক। তেওঁৰ লগত মিলা-প্ৰীতি থকাৰ বাবে মই প্ৰায়েই পুতুলহঁতৰ ঘৰলৈ গৈ থাকোঁ। এনে যোৱা-অহাৰ ফল স্বৰূপেই পুতুলহঁতৰ ঘৰখনৰ লগত মোৰ ঘনিষ্ঠতা গঢ়ি উঠে। পুতুলৰ দেউতাক, মাক আটায়ে মোক মৰম কৰে,

মাজে সময়ে গান শুনাবলৈ কয়, খাবলৈ মাতে আৰু পঢ়াশুনা বিষয়ত উৎসাহিত কৰে।

পুতুলেও মোক ভাল পায় আৰু সন্মান কৰে। টান কথা বুজিব নোৱাৰিলে তেওঁ মোৰ পৰা বুজি লোৱাৰ কাৰণে মোৰ ওচৰ চাপে। পঢ়াশুনা বিষয়ত তেওঁক উৎসাহিত কৰিবলৈ চেষ্টা কৰোঁ আৰু তেৱো মোৰ উপদেশবোৰ শ্ৰদ্ধাৰে পালন কৰে। কেতিয়াবা কেতিয়াবা আকৌ চাকৰক পঠিয়াই মোৰ পৰা দুই এখন কিতাপ আনিও তেওঁ পঢ়ে আৰু পঢ়া শেষ হলে চিঠিৰে ধন্যবাদ জনাই মোৰ কিতাপ আকৌ মোকেই ওভোতাই দিয়ে।

পুতুলৰ লগত এনে মিলা-প্ৰীতিৰ কথা লাহে লাহে মোৰ বন্ধুবৰ্গৰ মাজত আলোচনাৰ বিষয়বস্তু হৈ পৰিব ধৰিলে। কোনোৱে ফুচ্‌ফাচ্‌ কৰিলে আৰু কেৱে কেৱে মই নিগমে বুৰিলোঁ বুলি ভাবি মোক সাবধান বাণী শুনালে। বন্ধুসকলক মই কলোঁ যে বালিকা-হৃদয় ভালকৈ বুজি পোৱাৰ আশাত অকল পুতুলৰে লগত নহয় আন আন ছোৱালীৰ লগতো মই ঘনিষ্ঠ হৈ পৰোঁ। ইয়াত স্খলন বা পতনৰ কোনো কথা নাই।

মই জানো সংসাৰত এনে কিছুমান মানুহ আছে যিবোৰে আনৰ দোষ বিচাৰি ফুৰে। এনেবোৰ মানুহৰ কথালৈ কাণ দিলে সংসাৰত একো কামকে কৰা সম্ভৱ নহয় বুলি মই নিজেই ভালকৈ জানিছিলোঁ। সেই বাবে আনে হাজাৰ কলেও মই পুতুলৰ সান্নিধ্যৰ পৰা আঁতৰি অহা নাছিলোঁ।

লাহে লাহে অলপ অলপকৈ মোৰ মন আনফালে ঢাল খাব ধৰিলে। কলেজৰ পৰা আহিয়েই পুতুলহঁতৰ ঘৰলৈ কেৰম খেলিবলৈ যোৱা মোৰ এটা অভ্যাস হৈ পৰিল। হঠাৎ কেনেবাকৈ এদিন যাব নোৱাৰিলে মোৰ মন গধূৰ হৈ পৰে। তেওঁলোকৰ ঘৰলৈ কেতিয়াবা নগলে পুতুলেও নানান প্ৰশ্ন সুধি মোক ব্যতিব্যস্ত কৰি তোলে। লগতে মুখ ওন্দোলাই মোৰ ওপৰত কৃত্ৰিম ক্ৰোধ দেখুৱায়।

এইদৰে কেই মাহমান গ'ল। মেট্ৰিকুলেছন পৰীক্ষালৈ আৰু ডেৰ মাহমান আছে, এনেতে পুতুল টান নৰীয়াত পৰিল। ডাক্তৰ কবিৰাজৰ পৰিপাটী চিকিৎসাত পুতুলে কিছু সোনকালে আৰোগ্য লাভ কৰিলে, যদিও তেওঁ বৰ দুৰ্বল হ'ল। দুৰ্বল গাৰে পুতুলে পৰীক্ষা দিবলৈ ইচ্ছা প্ৰকাশ কৰিলে কিন্তু ডাক্তৰৰ নিৰ্দেশ ক্ৰমে তেওঁ অৱশেষত পৰীক্ষাত নবহাটোকেই স্থিৰ কৰিলে।

মোৰ প্ৰমোচন পৰীক্ষা শেষ হৈ গ'ল। পৰীক্ষাত যিমানখিনি ভাল কৰিম

বুলি অইনে আশা কৰিছিল দুৰ্ভাগ্যক্ৰমে তেনে কৃতিত্বৰ পৰিচয় মই দিব নোৱাৰিলোঁ। খবৰ ওলাবৰ দিনাখন মই নিজেই লাজ পালোঁ আৰু মনৰ দুখত সিদিনা পুতুলহঁতৰ ঘৰলৈকো যোৱা নহ'ল। সেইবাবে ঘৰতে সোমাই ফিলছফিৰ নোটবোৰ উবাই ঘুৰাই পঢ়িবলৈ আৰম্ভ কৰিলোঁ। তৃতীয় দিনাখন পুতুলৰ পৰা চিঠি পালোঁ। মই তেওঁলোকৰ ঘৰলৈ নোযোৱা বাবে তেওঁ বেয়া পাইছে। চিঠি পঢ়াৰ পিছৰে পৰা মোৰ মনৰ দৃঢ়তা শিথিল হ'ল। মই পুতুলহঁতৰ ঘৰ পালোঁগৈ। দুখ কৰি থকা যেন দেখি পুতুলৰ দেউতাকে মোক সান্ত্বনা দিলে আৰু ক'লে, "বিশ্ববিদ্যালয়ৰ পৰীক্ষাহে আচল পৰীক্ষা। তাতে ভাল কৰিবলৈ চেষ্টা কৰা। এটা কথাকে ভাবি মন মাৰি থকাটো উদ্যোগী পুৰুষৰ লক্ষণ নহয়।" তেওঁৰ সান্ত্বনা বাণীয়ে মোৰ মনৰ ওপৰত শঁচাকৈয়ে শান্তিপানী ঢালি দিলে। মই মনতে ভাবিলোঁ "এওঁলোক নিশ্চয় মোৰ পূৰ্বজন্মৰ বুকুৰ কুটুম আছিল।"

পুতুলৰ প্ৰতি মোৰ আকৰ্ষণ বাঢ়িল। ধনীৰ ঘৰৰ ছোৱালী পুতুল, তথাপি তেওঁৰ কথা বতৰা কেনে মৰমসনা! তেওঁৰ গাত নবযৌৱনৰ পয়োভৰ, তেওঁৰ চকুত বিজুলীৰ চঞ্চলতা আৰু অন্তৰত সুখৰ সপোন। এইজনী পুতুলৰ চিন্তাই মোক যেন গ্ৰাস কৰি পেলালে। বন্ধুবান্ধৱৰ লগত কথা পাতিলেও অজ্ঞাতে মোৰ মুখৰপৰা পুতুলৰ গুণাৱলী প্ৰকাশিত হৈ পৰে। চকুচৰহা কিছুমান লোকে ইয়াতে মোক ঠাট্টা বিদ্ৰূপ কৰিবলৈ সুচল পায় কিন্তু মই এওঁলোকৰ কথাত কোনো গুৰুত্ব নিদিওঁ।

সি যি কি নহওক, লাহে লাহে যেন মোৰ মন বেছিকৈ চঞ্চল হৈ উঠিব ধৰিলে। ক্লাচত অধ্যাপকৰ বক্তৃতা শুনাৰ সময়তো কেতিয়াবা কেতিয়াবা মোৰ মনৰ মাজত নানান অসম্ভৱ কল্পনাই খেলা কৰিব ধৰিলে।

এদিন আবেলি কলেজৰ খেলা থকা কাৰণে পুতুলহঁতৰ ঘৰলৈ যোৱা নহ'ল। সন্ধিয়া মনোবিজ্ঞানখন পঢ়ো বুলি পুথিখন হাতত লৈছোঁ, এনেতে পুতুলহঁতৰ চাকৰজন উপস্থিত হলহি। তাৰ হাতত এখন কিতাপ, পুতুলে ওভোটাই দিছে। কিতাপখনৰ ভিতৰত এখন চিঠি। চিঠিখন ইমূৰৰপৰা সিমূৰলৈ দুই তিনিবাৰ পঢ়িলোঁ। পুতুলৰ চিঠিয়ে মোক অভিভূত কৰিলে কাৰণ এই চিঠিয়ে তেওঁৰ মনৰ গোপন কক্ষত লুকাই থকা কেইটামান কথাৰ আভাস কঢ়িয়াই আনিছে।

সিদিনাৰ পৰাই পুতুলৰ প্ৰতি এটা বেলেগ আকৰ্ষণে মোক বলেৰে

টানিবলৈ ধৰিলে। ইপিনে মোৰ বি. এ. পৰীক্ষা ওচৰ চাপিছে আৰু পুতুলৰো মেট্ৰিকুলেছন পৰীক্ষা নিচেই ওচৰত। এনে সময়তো মোৰ নিজৰ পঢ়াতকৈয়ো পুতুলৰ পঢ়াশুনাৰ ওপৰতেহে বেছিকৈ চকু দিব ধৰিলোঁ।। এবছৰ এনেয়ে লোকচান হৈ গৈছে। বেমাৰৰ কাৰণে পৰীক্ষা দিব নোৱাৰিলে। গতিকে এইবাৰো ভালকৈ পাছ কৰিব নোৱাৰিলে মোৰেই বেছি লাজৰ কথা হ'ব।

পৰীক্ষালৈ বেছি দিন নাই যদিও সিদিনা দৌল উপলক্ষে ৰাতিপুৱাৰে পৰা পঢ়াশুনা এৰি বন্ধু-বান্ধৱৰ লগত ফাকু খেলি আনন্দ উপভোগ কৰিছো। দুপৰীয়া বাৰ মান বজাত ঘৰলৈ উভতি আহি গা পা ধুই, খাই বই, অলপ পঢ়ো বুলি ভাবি এখন কিতাপ খুলি লৈছো। কিতাপৰ মাজত থকা পুতুলৰ চিঠিখন আকৌ এবাৰ পঢ়ি চাই শেষ কৰিছোঁ মাথোন এনেতে পাছ পিনৰ পৰা দুখন কোমল হাতৰ মৃদু হেঁচা মোৰ দুয়ো গালতে পৰিল আৰু কোঠালীটো গোন্ধেৰে আমোলমলীয়া হৈ উঠিল। ঘূৰি চাই দেখিবলৈ পালোঁ। পুতুল আৰু তেওঁৰ দলৰ কেইজনী মান ছোৱালী ফাকুৰে ৰাঙলী হৈ হাঁহিৰ খলকনি তুলিছে। প্ৰত্যেকৰে মুখত ফুলি উঠিছে উল্লাসৰ আভা। মই পুতুলৰ চিঠিখন কিতাপৰ মাজত থব ধৰোঁতেই আটাইকেইজনী ছোৱালীয়ে মোৰ গাটো ৰঙা কৰি পেলালে।

অসময়ত পুতুলহঁতৰ দলৰ এনে ধৰণৰ দৌৰাত্ম্যৰ এক প্ৰকাৰ মিশ্ৰিত প্ৰতিক্ৰিয়া মোৰ মনত উদয় হ'ল। ৰাতিপুৱাৰে পৰা ফাকু খেলি খেলি ভাগৰি পৰাৰ পিছত বিশ্ৰামৰ সময়ত এনে অপ্ৰত্যাশিত অত্যাচাৰ সহ্য কৰা নাযায়। সেইবাবে পুতুলৰ পিনে চায়েই কলোঁ, "জানা, এনেবোৰ অত্যাচাৰ যেতিয়াই তেতিয়াই ভাল নালাগে।"

কথা শুনি পুতুলে মুখখন গোমাকৈ কোঠালীৰপৰা ওলাই যাবলৈ আগ বাঢ়োতে তেওঁৰ মনটো পাতলাবৰ আশাত হাঁহি মাৰি সুধিলোঁ। "বেয়া পালা নেকি?" "নাই পোৱা।" বুলি পুতুল ওলাই গ'ল।

ইয়াৰ পিছত মোৰ মনত দৃঢ় বিশ্বাস হ'ল যে পুতুলে মোক অন্তৰেৰে ভাল পায়। কল্পনা-সহায়তে এখনি সুখৰ ফুল উপবন ৰচনা কৰি তাৰ মাজত ঘূৰিবলৈ ধৰিলোঁ।। মনত আশা হ'ল পুতুল এদিন মোৰ ইহকাল পৰকালৰ সঙ্গিনী হ'ব।

কেইদিনমান পিছত বি. এ. পৰীক্ষা শেষ হৈ গ'ল। গুৱাহাটী এৰি ঘৰলৈ

আহিব লগা হোৱাত মনতে মৰ্মান্তিক দুখ পালোঁ। ঘৰত সুখ দুখ বুজা সমনীয়া ল'ৰাও নাই আৰু পুতুলৰ দৰে প্ৰগতিবাদী ছোৱালীও নাই। তথাপি ঘৰলৈ নাহিলেও নহয়—পিতাই মাতিছে। ঘৰলৈ অহাৰ আগদিনাখন পুতুলহঁতৰ পৰা বিদায় লবলৈ গলোঁ। পুতুলে তেওঁলোকৰ ঘৰতে কিছুদিন থাকিবলৈ মোক ধৰিলেও মই নাথাকিলোঁ। অৱশেষত পুতুলৰ অলপ ভগা ভগা, মাতৰ অনুৰোধ "চিঠি দিব" আৰু তেওঁৰ চলচলীয়া চকুযুৰিৰ স্মৃতিয়ে মোক মাজে সময়ে দুখ দিছিল। ঘৰলৈ আহিলোঁ। ইয়াত থকা দিন কেইটাত মনে মনে পুতুলৰ চিঠি পঢ়া আৰু লুকাই তেওঁলৈ চিঠি লিখাই মোৰ প্ৰধান সান্ত্বনা আছিল।

পৰীক্ষাৰ খবৰ ওলোৱাৰ সময়ত নানান ওজৰ আপত্তি দেখুৱাই আকৌ গুৱাহাটী পালোঁহি। পৰীক্ষাৰ খবৰ ওলাল পাছ কৰিছোঁ, অনাৰ্ছ নাপালোঁ। পুতুলেও দ্বিতীয় বিভাগত মেট্ৰিকুলেশন পৰীক্ষা পাছ কৰিছে। কলেজত পঢ়ুওৱাৰ কাৰণে দেউতাকে পুতুলক কলিকতালৈ পঠালে। মোৰ পঢ়া বন্ধ হোৱাৰে উপক্ৰম হৈছিল কিন্তু পুতুলৰ দেউতাকে মোক মাহে ৩০্ টকা দিবলৈ গাত লোৱাত পিতাই মোকো কলিকতালৈ পঠালে।

ভালেমান কাৰণত কলিকতীয়া জীৱন মোৰ কাৰণে সুখৰ নহৈ দুখৰহে হ'ল। গুৱাহাটীত থাকোঁতে মানৱ-চৰিত্ৰ অধ্যয়নত যেনে পাৰদৰ্শিতা থকা বুলি মোৰ ধাৰণা আছিল, সেই ধাৰণা লাহে লাহে ভুল প্ৰমাণিত হ'ব ধৰিলে। আনকি পুতুল, যাৰ প্ৰতি মোৰ ইমান ভালপোৱা আৰু যাৰ ওপৰত ইমান বিশ্বাস আছিল, তেওঁকো মই আন এটা ৰূপত দেখিবলৈ পাই স্তম্ভিত হলোঁ। কলিকতালৈ অহাৰ কেইমাহমান পিছতে পুতুলে আন কেইবাজনো যুৱক-বন্ধুৰ সান্নিধ্য লাভ কৰিলে। এওঁলোকৰ ভিতৰৰে এজন ডিব্ৰুগড়ৰ চাহবাগিছাৰ মালিকৰ ল'ৰা, ৰিপণ কলেজত বি. এ. পঢ়ে। ফুৰিব লাগিলে, সভাসমিতিত উপস্থিত হ'ব খুজিলে নাইবা চিনেমালৈ যাব লাগিলে এৱেঁই আজিকালি পুতুলৰ লগত যায়। পুতুলৰ এনে ধৰণৰ আচৰণ দেখি মোৰ মনত খং উঠিল। উদাৰ-নৈতিক ভাৱৰ সলনি কিছুমান ঠেক ভাবে আহি মোৰ অন্তৰত বাহ ললে। অৱশেষত এদিন পুতুলৰ ওচৰলৈ গৈ সুধিলোঁ, "তুমি এইবোৰ কি কৰিছা? যাৰে তাৰে লগত যলৈ তলৈ ঘোৰাটো তোমালোকৰ ভাল জানো? তুমি গাভৰু ছোৱালী। ভালভাৱে চলিবা। তোমাৰ ভালবেয়াৰ লগত মোৰ ব্যক্তিগত স্বাৰ্থ জড়িত হৈ আছে।"

মোৰ কথা শুনি পুতুলে ভাল নাপালে হ'বলা। কিয়নো তেওঁ উত্তৰত কৈ উঠিল "আপোনালোক মতা মানুহে বছীতে সাপ দেখে। আমি অলপ স্বাধীন-ভাৱে ফুৰিলে আপোনালোকে আমাক দেখিব নোৱাৰা হয়।"

কথাটো পাতল কৰাৰ অৰ্থে মই সুৰ বদলাই উত্তৰ দিলো। "ই একো দেখিব পৰা নোৱাৰাৰ কথা হোৱা নাই পুতুল। তোমাৰ দেউতাৰাই মোক তোমাৰ তত্বাবধান লব দিছে বুলিহে এইখিনি কথা কৈছো। বিশেষতঃ তুমি জানাই আমাৰ মাজত মতভেদ হোৱাটো তুমি নিশ্চয় নিবিচাৰা।"

মোৰ কথা শুনি পুতুলে যেন অৱজ্ঞাৰ সুৰতে কলে, "আপুনি দাৰ্শনিক, ভূত, ভবিষ্যত বৰ্তমান একেলগে চাব পাৰে, কিন্তু মই তিনিওটাৰ বিষয় একেলগে ভাবিব নোৱাৰো। মোৰ মতে অতীত মৰি গ'ল, তাৰ কথা সুঁৱৰি লাভ নাই। আৰু, ভবিষ্যত অন্ধকাৰৰ বুকুত, তাৰ কথা ভাবি একো লাভ নাই। এই বাবে বৰ্তমানকে সাৰটি ধৰি তাৰপৰা যিখিনি পাবি আদায় কৰি লোৱা কৰ্তব্য।"

পুতুলৰ কথাবোৰ সিদিনা কেনেবা কেনেবা লাগিল। অতীত অতীত হৈ গ'ল বুলি কোৱাৰ অৰ্থ অতীতৰ সোঁৱৰণ মূল্যহীন। মই ভালকৈ বুজি পালোঁ যে মোৰ প্ৰতি থকা তেওঁৰ পূৰ্বৰ আস্থা আৰু প্ৰীতি আজি নাই। ধনী-ডেকাৰ প্ৰৰোচনাত পৰি পুতুলে মোক পাহৰি যোৱাৰ এয়েই পূৰ্বাভাস। মই অলপ সময় মনে মনে থাকিলোঁ। পিছত কলোঁ "পুতুল তোমাৰ কথা বতৰাৰ পৰিৱৰ্তন দেখা পাই মই বৰ আচৰিত হৈছোঁ। তুমি আজিকালি মোক ঘিণ কৰা। সঁচাকৈয়ে তুমি যদি বেয়া পোৱা তেন্তে তোমাক বিৰক্তি দিবলৈ মই ইয়ালৈ নাহোঁ।"

অলপ সময়ৰ বাবে পুতুলে কিবা কিবি ভাবিলে। পিছত ফুটাই কলে "সেইটো আপুনিহে জানে। আপুনি ইচ্ছা কৰিলে আহিব পাৰে আৰু নকৰিলে নাহিবও পাৰে।"

পুতুলৰ কথাখিনি মোৰ অন্তৰত কাঁইটৰ দৰে সোমাল। যাৰ অযাচিত প্ৰীতিৰ ছলনাত পৰি মোৰ সোণৰ ভবিষ্যত নষ্ট কৰিলোঁ তাৰ পৰা এনে ধৰণৰ আচৰণ পালে প্ৰাণত কেনে আঘাত লাগে তাক কৈ মই বুজাব নোৱাৰোঁ। পুতুলৰ কথাত মোৰ মনৰ ৰঙীণ কল্পনা জয় পৰি গ'ল। নিজকে নিজে ধিক্কাৰ দিবলৈ মোৰ ইচ্ছা হ'ল। বিশেষ শিষ্টাচাৰলৈ নাচাই 'ভাল, যাওঁ দিয়া' বুলিকৈ ভগা হিয়া লৈ মোৰ বহালৈ উভতিলোঁ। তেতিয়া প্ৰায় সাজ

লাগোঁ লাগোঁ হৈছে। ঘৰ পায়েই বাকচটো খুলি পুতুলৰ প্ৰায় ডুকুৰিমান চিঠি ফালি টুকুৰা টুকুৰ কৰিলোঁ। অশান্তিৰ অন্ধকাৰে মোৰ মন আগুৰি পেলালে আৰু মূৰটোও কামুৰিবলৈ ধৰিলে। বাহিৰৰ মুকলি বতাহত ভাল লাগিব বুলি ভাবি কোঠালীৰ পৰা ওলাই আহি পাৰ্কৰ এখন বেঞ্চত মন মাৰি বহি আছো। এনেতে অলপ আঁতৰত দেখা পালোঁ। পুতুল আৰু সেই ডিব্ৰুগড়ীয়া ডেকাজনে হাঁহি-ধেমালিত নিজকে উটুৱাই দি পাৰত তহল দি আছে। মই চকু মুদি দিলোঁ। উঃ। ইয়াতো শান্তি নাই। সেই ডেকাজনৰ প্ৰতি হিংসাৰ অগনি মোৰ হিয়াত দপ্‌দপাই জ্বলি উঠিল। সেই বাবে চোৰৰ দৰে বেঞ্চৰ পৰা উঠি আহি ৰহাঘৰ সোমাই বিছনাত বাগৰি পৰিলোঁ।।

কেইমাহমান পিছত শুনিবলৈ পালোঁ। সেই ডিব্ৰুগড়ীয়া ডেকাজনৰ লগতে পুতুলৰ বিয়া হ'ব। খবৰটোৱে মোৰ প্ৰাণত কেনে আঘাত দিলে তাক বৰ্ণনা কৰিবলৈ মই অক্ষম। নিৰাশাৰ মাজতো যিটি আশা-বন্তি ধিমিকি ধিমিকি জ্বলি আছিল সি চিৰকাললৈ নুমাই গ'ল—হিয়াত থাকিল এটা নৈৰাশ্যৰ দীঘল হুমুনিয়াহ। সংসাৰৰ সুন্দৰ মূৰ্তিয়ে মোৰ আগত বিকট আকাৰ ধাৰণ কৰিলে। মই মানৱ চৰিত্ৰৰ জটিলতা উপলব্ধি কৰিব ধৰিলোঁ। আৰু মানুহৰ ওপৰত থকা ডাঠ বিশ্বাস মোৰ অন্তৰৰ পৰা চিৰকাললৈ অন্তৰ্হিত হ'ল, মই সন্দেহবাদী হৈ পৰিলোঁ।।

নলবাৰী

১৯৩৫

ধনাই মহন্ত

ভালেমান ঠাই ঘূৰি পকি ধনাই মহন্তই মনপুৰ গাঁৱত থিতাপি লোৱাৰ আজি চাৰি বছৰ হৈছে। গাঁৱৰ মানুহ বিলাকে লগলাগি মহন্তৰ কাৰণে এটা পঁজা সাজি দিলে। এয়েই মহন্তৰ কুটিৰ আৰু ইয়াৰ সমুখত থকা ঢুকঠামান মাটিতে ঠন ধৰি উঠা গছপুলি আৰু দুই চাৰি জোপা ফল গছত অযত্ন সৌন্দৰ্যই মহন্তৰ আশ্ৰমৰ চিনাকি দিছে। সংসাৰৰ সুখভোগত বীতশ্ৰদ্ধ হৈ নিজৰ জীৱনৰ বাকী ছোৱা ঈশ্বৰ আৰাধনাত কটাবলৈ তেওঁ সংকল্প গ্ৰহণ কৰিছে। আশা ৰাক্ষসীৰ ছলনাত অন্ধ হৈ কৰা আপোন কৰ্মৰ প্ৰায়শ্চিত্ত স্বৰূপে তেওঁ এই কঠোৰ ব্ৰত লোৱা বুলি মাজে মাজে কয়। তেওঁৰ মুখত ৰামনাম আৰু কথাই কথাই সংসাৰৰ অনিত্যতা বুজোৱা নানান যোজনা। তেওঁৰ কথা-বতৰাত শ্ৰোতাসকল সহজতে মুগ্ধ হয়। গতিকে শ্ৰোতা সকলে ভাবে মহন্তৰ জ্ঞান অগাধ সমুদ্ৰৰ দৰে। তেওঁৰ গাত গেৰুৱা কাপোৰ, মূৰত জঁট। পুৱা গধূলি তেওঁ ঘৰৰ ভিতৰ সোমাই ঈশ্বৰ আৰাধনাত নিমগ্ন হৈ থাকে। ওচৰৰ মানুহবোৰে ভাবে মহন্ত ধমগুৰু। তেওঁ অলৌকিক শক্তিসম্পন্ন। সিদিনা মনাইহঁতৰ ঘৰৰ গৰুজনী হেৰালত মনাইৰ মাকে নৈবেদ্য আগবঢ়াই মহন্তক সুধিলে। তেওঁ গৰু পাব বুলি ক'লে। সঁচাকৈয়ে গৰুজনী এমাহৰ মূৰত ওলালহি। আন এদিনাখন পুবাৰামৰ ঘৈণীয়েকে ল'ৰা নে কন্যা সন্তান প্ৰসব কৰিব—এই কথাটো মহন্তই পোন্ধৰ দিন আগতে কৈ পেলালে।

মহন্তই ভাং খায় কাৰণ ভাং যোগী, ৰোগী নাইবা ভোগীৰ বস্তু। ভাঙৰ নিচাত একাগ্ৰতা বাঢ়ে, সাধন ভজন সহজ হয়। নানান পটন্তৰৰ সহায়ত তেওঁ ওচৰলৈ অহা ভক্তসকলৰ আগত ভাঙৰ মাহাত্ম্যৰ বিষয়ে বিবৰি কয় আৰু পৰিষদবৰ্গলৈকো চিলিম আগবঢ়ায়।

লাহে লাহে মহন্তৰ ভক্তবৃন্দৰ সংখ্যা বাঢ়িবলৈ ধৰে। ভক্তসকলৰ ভিতৰত কাতিৰামৰ শ্ৰদ্ধা এনে প্ৰবল হয় যে তেওঁ অৱশেষত মহন্তৰ শিষ্যত্ব গ্ৰহণ কৰি গুৰুদেৱৰ গুণ-গৰিমা প্ৰকাশত আপোনপাহৰা হয়।

গধূলি সময়ত মহন্তৰ আশ্ৰমত ভক্তবৃন্দৰ সমাবেশ হয়। নানান জনে

নানান কথা পাতে। ভাঙৰ গুণ স্মৰণ আৰু কীৰ্তন কৰি মাজে মাজে মহন্ত হৈ পৰে তন্ময়। ভক্তবৃন্দয়ো বাধাহীন ভাৱে ভাঙৰ গুণাৱলীৰ দীঘল দৃষ্টান্ত দাঙি ধৰি মহন্তৰ মনৰ কথাকে সমৰ্থন কৰে। এজনে আৰম্ভ কৰে কেনেকৈ ভাঙৰ সেৱা আৰু মহন্তৰ সান্নিধ্যৰ বলত তেওঁৰ গৌভৰিৰ বাতবিষ নাইকিয়া হ'ল। আন এজনৰ আছিল কোমৰৰ বিষ, সি যন্ত্ৰণাত চিঞৰি আছিল কিন্তু এতিয়া বাক্সিদ্ধ পুৰুষ মহন্তৰ কথা মতে সদাশিৱৰ প্ৰিয় বস্তুটোৰ সেৱা কৰাত তাৰ কঁকালৰ বিষ কমিছে আৰু অলপ অচৰপ কামো কৰিব পাৰিছে। তৃতীয় এজনৰ ৰাতি টোপনি অহা নাছিল কিন্তু এতিয়া বিছনাত বাগৰ দিলেই তাৰ টোপনি আহে, ল'ৰা-ছোৱালীয়ে কান্দিলেও নাইবা ঘৈনীয়েকে বকাবকি আৰম্ভ কৰিলেও সি একোকে ক'ব নোৱাৰে।

মহন্তৰ লগত এটা খঞ্জুৰি থাকে। এইটো বজাই মহন্তই দেহ-বিচাৰৰ গীত জুৰিলে বাটৰ মানুহে বৈ বৈ শুনে। গীত শেষ হলে তেওঁ আৰম্ভ কৰে তাৰ ব্যাখ্যা, মহন্তৰ ব্যাখ্যাই পৰিষদবৰ্গৰ হৃদয় কেনে ভাবে স্পৰ্শ কৰে তাক সঠিককৈ জনা নাযায় কিন্তু সৰহভাগেই হলে মূৰ দুপিয়াই থাকে।

প্ৰায় তিনি বছৰ কাল অতীত হৈ গ'ল। এতিয়া দূৰ দূৰণিৰ পৰাও মহন্তৰ কৃপালাভৰ আশাত মানুহ দুনুহ আহে। এই সকলে মহন্তলৈ লৈ আহে চাউল-দাইল আৰু অলপ অচৰপ টকা পইছাও। ঘৰ গৃহস্থী নাথাকিল বুলি বাবাই জানো খাব নালাগিব? এই সকল লোকক মহন্তই আশীৰ্বাদ দিয়ে আৰু ধুনিৰ পৰা ছাই আনি কপালত তিলক পিন্ধায়।

মনপুৰ গাঁৱৰে এজন ডেকা ল'ৰা হ'ল পানীৰাম। তেওঁ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ এনেয়ে ঘৰতে বহি আছে। টকাৰ অভাৱৰ কাৰণে—উচ্চ শিক্ষা লাভ কৰাৰ সুযোগ তেওঁ নাপালে। এইজন পানীৰামেই মহন্তৰ সকলো কাৰ্যতে চোকা চকু দিবলৈ ধৰিলে। তেওঁ লক্ষ্য কৰিলে যে মহন্ত অহাৰেপৰা গাঁৱত দিনে দিনে ভাঙুৰীৰ সংখ্যা বাঢ়ি আহিব ধৰিছে আৰু আন হাতে এদল মানুহ লাহে লাহে নিষ্কৰ্মা হৈ পৰাৰ উপক্ৰম হৈছে। সেইবাবে সি ভাঙৰ অপকাৰিতাৰ বিষয়ে দুই চাৰিজনক কয় কিন্তু ভক্তসকলে তেওঁৰ কথাত একো গুৰুত্ব নিদিয়ে বৰঞ্চ কালিৰ ল'ৰাই পৰহিৰ কথা ক'বলৈ ওলোৱা বুলি তেওঁৰ কথা তুচ্ছ তাচ্ছিল্য কৰে। মহন্তৰ আশ্ৰমত ভাং খাই মেল মাৰি থকাৰ ফলত যে গাঁওবাসীৰ কেনে ক্ষতি হৈছে সেই কথা ক'ব খুজিলে ভেকাহি মাৰি দুই চাৰিজন কয় "এয়েই চোৱা ইংৰাজী শিক্ষাৰ কুফল; পিতাক খুৰাকক

নামানে, যাৰে তাৰে মুখৰ ওপৰত কথা কয়—এই বোৰনো সহ্য কৰা কেনেকৈ। এতিয়া গাত ভেকা তেজৰ পিৰ-পিৰণি, সাধু-বৈষ্ণৱক নামানে কিন্তু হাতে হাতে ফল পাব।" দুই এজনে আকৌ কেতিয়াবা কয় "বাপা, দুই এছাট মাৰি চোৱাচোন। তেতিয়াহে বুজিবা। ই ভাং নহয় সিদ্ধি—ইয়াৰ পৰা সিদ্ধিলাভ হয়।"

গাঁৱত নিষ্কৰ্মা লোকৰ এটা দল গঢ়ি উঠিছে। আজিকালি এই দলটোৱে আড্ডাত উপস্থিত হৈ পানীৰামৰ সমালোচনাত ব্যস্ত। মহন্তই মাজতে কয়, "এঃ এৰা সেইবোৰ কথা। সৰগতো দানব থাকে। দুদিন পিছত আপোনা আপুনিয়ে লেউসেউ হৈ পৰিব। "ভক্তবৃন্দই ভকতৰ কথাত মূৰ দুপিয়ায়। পৰিষদ সকলৰ সমৰ্থনত মহন্তৰ মুখখন উজ্জ্বল হৈ উঠে। তেওঁ দুগুণ উৎসাহেৰে ক'বলৈ ধৰে "এইবিলাক মানুহে ধৰ্ম নামানে, ঈশ্বৰ নামানে, গোসাঁই মহন্ত নামানে। যাব ইহঁত ভললৈ যাব, পোনে পোনেই নৰক কুণ্ড পাবগৈ। ভকত বৈষ্ণৱৰ নিন্দা। এনে পাপ ভগৱানে সহ্য নকৰে। ভাবি চোৱাচোন হিৰণ্যকশিপুৰ কথা।

ভক্তসকলে যেন কোৰাছ হে গালে "হয় হয় আমাৰ মাজত এইবোৰ হিৰণ্যকশিপুৱে জন্মলাভ কৰিছে।"

মহন্তৰ উৎসাহ দুগুণে বাঢ়িল। তেওঁ চিঞৰি উঠিল, "এইবোৰ দানব। ইহঁতক দমন কৰা আমাৰ কৰ্তব্য। দানবৰ কথাত ভোল গৈ তোমালোকে ইহকাল পৰকাল নষ্ট নকৰিবা।"

কথা শেষ হওঁ নোহওঁতেই ভাঙৰ চিলিম মহন্তক নিবেদন কৰা হ'ল। সদাশিৱৰ নাম উচ্চাৰণ কৰি তেওঁ চিলিমত হোপা দিলে। তেওঁৰ চকু জাপ খাই গ'ল আৰু লগে লগে তেওঁৰ নাকৰ বিন্ধাইদি অকাই পকাই ধোৱা ওলাবলৈ ধৰিলে। তেওঁৰ হাতৰ চিলিম সুলকি মাটিত পৰিল। পাৰিষদসকলে দেখিলে মহাদেৱৰ ভাবত মহন্ত তন্ময় হৈ পৰিছে। মুহূৰ্তৰ বাবে হলেও নিশ্চয় মহন্তই স্বয়ং সদাশিৱৰ সাক্ষাৎ পায়। দুজনমান ভক্তই ভয়তে পলাই পত্ৰং দিলে, আন কেইজনমানে ওচৰৰ পুখুৰীৰ পৰা পানী আনি তেওঁৰ মূৰত ঢালিবলৈ ধৰিলে। কিছু সময়ৰ পিছত তেওঁ সজ্ঞান হ'ল। বাবা বিশ্বনাথৰ নাম উচ্চাৰণ কৰি তেওঁ হুক্ হুক্ কৰে কান্দিবলৈ ধৰিলে। তেওঁ ঠিয় হৈ—ইফালে সিফালে বাবা বিশ্বনাথক বিচাৰি ফুৰিলে। শিষ্য সকলে তেওঁক মাতিবলৈ সাহ কৰা নাই কাৰণ তেওঁলোকে বুজিছে যে স্বয়ং বিশ্বনাথেই মহন্তৰ

মুৰত ভৰ থাইছে। এনে সময়তে পানীৰাম আশ্ৰমৰ আগেদি গৈ আছিল। বলিয়াৰ দৰে মহন্তই কিবাকিবি বিচাৰি ফুৰা দেখি পানীৰামে হো হো কৈ হাঁহি উঠিল। এনেতে এজন শিষ্য পানীৰামৰ ওচৰলৈ আহি তেওঁৰ কাণত ফুচফুচাই কিবাকিবি কলে। কিন্তু পানীৰামে দ্বিগুণ বলেৰে হাঁহি হাঁহি কলে, "এইবোৰ সকলো ভণ্ডামি। ভাঙৰ লোভত বাবা বিশ্বনাথ মহন্তৰ আড্ডালৈ নাহে।"

অৰ্দ্ধ-চেতন অৱস্থাতে মহন্তৰ মুখেদি অভিশাপ ওলাই আহিল, "হতশ্ৰী হবি।"

দুজনমান শিষ্যই কৈ মেলি পানীৰামক ঘৰলৈ পঠালে। তেওঁলোকে জানে যে পানাৰামে নিজৰ হাতৰ কুঠাৰ ভৰিত মাৰিবলৈ উদ্যত হৈছে। পানীৰামে জ্বলা জুইত হাত দিবলৈ আগবঢ়া অনুচিত।

অলপ সময়ৰ পিছত মহন্ত সম্পূৰ্ণৰূপে সুস্থ হ'ল। বাবা বিশ্বনাথে দয়া কৰি তেওঁৰ মূৰত চৰণৰ ধূলি দি গ'ল। মহন্তই বাবাক ধৰি ৰাখিবলৈ যত্ন কৰিছিল কিন্তু তেওঁ বতাহতে মিলি গ'ল। পাৰিষদবৰ্গই তবধ মানিলে আৰু ভাবিলে যে মহন্তৰ জীৱন ধন্য হ'ল।

শিষ্যসকলৰ প্ৰচাৰৰ বলত মহন্তৰ নাম ফাটিফুটি যাবলৈ ধৰিলে। ওচৰে-পাজৰে থকা গাঁৱৰ মানুহে তেওঁক অলৌকিক শক্তিসম্পন্ন মহাপুৰুষ বুলি গণ্য কৰে। গতিকে মহাপুৰুষৰ কাৰ্য-কলাপৰ বিষয়ে আলোচনা কৰিব নাপায়, পাপে চুৱে। সদাশিৱে বিষ পান কৰিছিল। তাকে দেখি আনেও বিষ পান কৰিবলৈ গলে আপোনঘাতীহে হ'ব। মহৎ লোকৰ মহত্ব বুজিবলৈকো মানুহক শক্তি সামৰ্থ লাগে। পানীৰামৰ দৰে অৰ্দ্ধশিক্ষিত উদ্ধত ডেকাই বাবাৰ কথা-বতৰা আৰু কাৰ্যকলাপ বুজিবলৈ মৰি জনম ধৰিব লাগিব। যি ভগৱানৰ মায়া মহা মহা যোগী ঋষিয়েও নাপায় সেই ভগৱানৰ কৃপা দুই এজন ক্ষণজন্মা পুৰুষৰ ভাগ্যতহে ঘটে—পানীৰামৰ দৰে উদ্ধত জনৰ নহয়, নাইবা মনবৰৰ দৰে ভুৱা বৈষ্ণৱৰো নহয়।

পানীৰামৰ ওপৰত মহন্ত আৰু তেওঁৰ পাৰিষদবৰ্গৰ খং। সি এবাৰ জ্বৰত পৰিলত বুঢ়া বাপেকৰ ধাৰণা হ'ল যে সন্ত মহন্তৰ শাও লাগিহে সি জ্বৰত ভুগিব ধৰিছে। কত ঔষধ খুৱালে তথাপি জ্বৰ বন্ধ নহয়। অৱশেষত বাপেকে মনে মনে তিনি পইচাৰ ভাং কিনি আনি মহন্তক কাতৰেৰে নিবেদন কৰিলে। পানীৰামৰ জ্বৰ এৰিল কিন্তু মহন্তৰ বিপক্ষে কুকথা কোৱাৰ অভ্যাস মুগুছিল,

কাৰণ পানীৰামৰ মজ্জাগত বিশ্বাস যে মহন্ত প্ৰকৃত বৈষ্ণৱ নহয়। মহন্তৰ চঞ্চল চকু আৰু সহজতে খং উঠা স্বভাৱে তাক যেন কৈ দিছে যে মহন্তৰ স্বৰূপ এদিন নহয় এদিন ধৰা পৰিব।

মহন্তৰ প্ৰতিপত্তি দিনক দিনে বাঢ়ি আহিবলৈ ধৰিলে। আনহাতে তেওঁৰ নিজৰ দুৰ্বলতা ঢকা প্ৰচেষ্টাও আগতকৈ শিথিল হ'ল। তথাপি ভক্তসকলৰ মানত তেওঁ পৰম ভক্ত বুলিয়েই উচ্চ আসন পাই থাকিল। কিন্তু তেওঁৰ এজন প্ৰধান শিষ্য কাতিৰামৰ আস্থা ক্ৰমাৎ টুটি অহা যেন দেখা গ'ল।

মহন্তই এতিয়া দেৱীৰ সাধনাত ৰত হৈ পৰিছে। গতিকে সিদ্ধিলাভৰ আশাত তেওঁ এতিয়া দেৱীৰ প্ৰসাদ স্বৰূপে ফটিকাও লয়। কথাটো লাহে লাহে প্ৰচাৰিত হ'ব ধৰিলে। যেতিয়া পানীৰামে এনে অনাচাৰৰ কথা জানিব পাৰিলে তেতিয়া সি আন কেইজন মান ডেকা ল'ৰাৰ সহায় লৈ ইয়াৰ সত্যাসত্য প্ৰমাণৰ বাবে অপেক্ষা কৰি থাকিল। এদিনাখন সি কাতিৰামক লগ ধৰি তেওঁৰ পৰা মহন্তৰ বিষয়ে সকলো কথা জানিবলৈ চেষ্টা কৰিলে। কিন্তু গুৰুদ্ৰোহ আচৰণ কৰা হ'ব বুলি কাতিৰামে স্পষ্টকৈ কোনো কথাকে ক'ব নুখুজিলে। পানীৰামে সঁচা কথা কোৱাৰ কাৰণে কাতিৰামক টানি ধৰাত তেওঁ ক'লে যে মহন্তৰ আশ্ৰমলৈ তেওঁ নিজেই গলে জানিবলগীয়া কথাৰ গম পাব।

তিনি দিনমান পিছত পানীৰাম নিজেই নিশা ন মান বজাত মহন্তৰ আশ্ৰমলৈ গ'ল। ভক্তসকল তেতিয়া ঘৰাঘৰি গৈছে। ঘৰৰ ভিতৰত আছে মহন্ত, কাতিৰাম আৰু এজনী আদহীয়া বয়সৰ তিৰোতা। তিৰোতাজনীয়ে খোৱাবোৱাৰ যোগাৰত ব্যস্ত। মহন্তই তাইক ধৰ্ম-কথা শিকাবলৈ চেষ্টা কৰিছে আৰু কৈছে যে ভগৱানৰ নামেই সকলো পাপতাপ দূৰ কৰিবলৈ সক্ষম। মহন্তৰ চকুমুখ উজ্জ্বল আৰু তেওঁৰ চকুত তৃপ্তিৰ আভা। পানীৰামে মহন্তক সন্দেহ কৰাৰ কোনো কাৰণ দেখা নাপালে বৰং মহন্তৰ প্ৰতি থকা তাৰ বিৰূপ মনোভাৱৰ তীব্ৰতা অলপ কমিলহে।

দুমাহ মান পাৰ হ'ল। একান্ত ভক্ত কাতিৰামে গুৰুদেৱৰ বিপক্ষে দুটা এটা কথা ক'বলৈ আৰম্ভ কৰিলে। আনহাতে বৈষ্ণৱী জনৰ আগমনৰ পিছৰ পৰাই পাৰিষদবৃন্দৰ কেইজন মানৰ মনতো সন্দেহৰ কীট সোমাল। কাতিৰামে ভাবে যে বৈষ্ণৱী অহাৰে পৰা আশ্ৰমৰ শ্ৰী নাইকিয়া হৈ পৰাৰ উপক্ৰম হৈছে। মানুহে নভবা কথাবোৰো ভাবিবলৈ আৰম্ভ কৰিছে।

এতিয়া মহন্তৰ আশ্ৰমত ভক্ত সমাগমৰ ভিৰ কিছু কম। তাৰোপৰি মহন্তয়ো যোগ-সাধনাত ব্যস্ত হোৱা বাবে ভক্তসকলৰ সঘন গমনাগমন নিবিচাৰে। যোগ হ'ল চিত্তবৃত্তি নিৰোধ। জন প্ৰাণীহীন নিৰ্জন ঠায়েই হ'ল ইয়াৰ বাবে প্ৰশস্ত। বিক্ষিপ্ত হৈ পৰিলেই হয় পুৰুষাৰ্থ নিষ্ফল। এই বাবে ভক্তসকল আহিলেও কেতিয়াবা কেতিয়াবা গুৰুদেৱৰ সাক্ষাৎ তেওঁলোকৰ নহয়। তেতিয়া কাতিৰামেই ভক্তসকলক যি পাৰে উপদেশ দি দৰ্শনাৰ্থী সকলক সন্তুষ্ট কৰিব বিচাৰে।

সংসাৰৰ প্ৰতি বৈষ্ণৱীৰ কিয় বিৰাগ উপস্থিত হ'ল—এই কথা ভালকৈ জনা নাযায়। কিন্তু ঘুনুক-ঘানাক শুনা যায় যে বৈষ্ণৱীৰ স্বামী আৰু পুত্ৰ—বিয়োগৰ পাছত সংসাৰৰ সুখভোগৰ ইচ্ছা তেওঁৰ মনৰ পৰা আঁতৰি যায়। আশ্ৰমলৈ আহি মহন্তৰ কথা-বতৰাত তেওঁ বিচাৰি পালে এটা নতুন জীৱনৰ আকৰ্ষণ। সেইবাবে জীৱনৰ বাকী ছোৱা কাল মহন্তৰ সেৱা কৰিয়েই তেওঁ কটাই দিব।

কেইমাহমানৰ পিছত দেখা গ'ল কাতিৰামে গুৰুদেৱৰ দুই এক কথা মানি লবলৈ ইচ্ছা নকৰে। আশ্ৰমত বৈষ্ণৱীৰ প্ৰবেশ হোৱা দিনৰে পৰা কাতিৰামৰ মনত অবিশ্বাস আৰু সন্দেহৰ কীট প্ৰবেশ কৰিলে। মহন্তই লাহে লাহে বুজি পালে যে যি কাতিৰামৰ পৰা এদিন তেওঁৰ মহৎ উপকাৰ হৈছিল সেই কাতিৰামৰ পৰাই তেওঁৰ সকলো নষ্ট হৈ যাবও পাৰে। গতিকে পাৰিলে চেলু উলিয়াই কাতিৰামক আশ্ৰমৰ পৰা আঁতৰাই দিব খোজে আৰু মাজে সময়ে কাতিৰামক গৃহবাস কৰি সুখে-শান্তিৰে থকাৰ কথা কয়। কিন্তু কাতিৰাম আশ্ৰমতে থাকিল। গুৰুদেৱৰ কৃপা ভিক্ষাৰ সলনি গুৰুদেৱৰ কাৰ্যকলাপৰ প্ৰতি লক্ষ্য ৰখাই এতিয়া তেওঁৰ ঘাই উদ্দেশ্য হৈ পৰিল। গুৰুদেৱৰ প্ৰতি তাৰ মনত যেন এটা হিংসাৰ ভাব সজীৱ হৈ আহিব ধৰিলে। এতিয়া সি প্ৰকাশ্যে কয় যে গুৰুদেৱে নানা প্ৰলোভনেৰে কাতিৰামক চক্ৰান্ত কৰি তেওঁৰ আশ্ৰমলৈ আনিছিল। আজি তিনি বছৰে সি আশ্ৰমত থাকি গুৰুদেৱক সেৱা শুশ্ৰূষা কৰিছে কিন্তু তেওঁৰ পৰা যি আধ্যাত্মিক জ্ঞান লাভ কৰাৰ আশা পুহিছিল সেই জ্ঞান পোৱা নাই।

মহন্তই প্ৰমাদ গণিলে। তেওঁ বুজি পালে যে বিভীষণৰ শত্ৰুতাত স্বৰ্ণপুৰী লঙ্কা ধ্বংস হোৱাৰ নিচিনাকৈ কাতিৰামৰ শত্ৰুতাত এদিন তেওঁৰ সৰ্বনাশ হ'ব পাৰে। আগেয়ে পূজা পাৰ্বন উপলক্ষে আশ্ৰমত খোল-তাল লৈ গীত গোৱা

হৈছিল আৰু চাৰি প্ৰহৰ বা অষ্টপ্ৰহৰ কীৰ্তন কৰা হৈছিল কিন্তু এইবোৰ এতিয়া কমিবলৈ আৰম্ভ কৰিছে। এতিয়া যেন কাতিৰামৰ মনত উৎসাহ উদ্দীপনাৰ অভাৱ হৈছে। ভক্তসকলে ভাবিলে যে গুৰু-শিষ্যৰ অনৈক্যৰ ফলতে আশ্ৰম হৈ পৰিছে শ্ৰীহীন।

গুৰুদেৱৰ চিন্তা ক্ৰমাৎ বাঢ়ি আহিল। ইপিনে পানীৰামৰ দৰে ডেকা-সকলৰ প্ৰবল শত্ৰুতা আৰু আন পিনে কাতিৰামৰ গুৰুদ্ৰোহিতা—এই দুযোটা চিন্তাই তেওঁৰ অন্তৰ দহিবলৈ ধৰিলে। তাৰোপৰি আন এটা চিন্তা হ'ল বৈষ্ণৱীৰ অসুস্থতা। দুমাহমান আগৰে পৰা বৈষ্ণৱীৰ গা বেয়া কিন্তু নৰীয়া গাৰেই তেওঁ বাবাৰ আলপৈছান ধৰে।

নানান বেমেজালিয়ে মহন্তৰ মনৰ সুখ-শান্তি অপহৰণ কৰিছে। ইপিনে কাতিৰামে পানীৰামৰ আগত কিছুমান নকবলগীয়া কথা কোৱাত পানীৰামৰ মনত থকা সন্দেহ আঁতৰি গৈছে আৰু তেওঁৰ বিশ্বাস হৈছে যে মহন্ত প্ৰকৃত ধৰ্ম-গুৰু নহয়।

এদিন নিশা বৈষ্ণৱীয়ে কেঁকাই কেঁকাই কাতিৰামক মাতিবলৈ ধৰিলে। কাতিৰামৰ ঘৰটো মহন্তৰ নিচেই কাষতে আছিল যদিও বৈষ্ণৱীৰ মাতটো ইমান অস্পষ্ট আছিল যে কাতিৰামে তেওঁৰ মাতত সাৰ পোৱা নাছিল। অৱ-শেষত বৈষ্ণৱীৰ ক্ষীণ কণ্ঠস্বৰ শুনি সি অজানিত আতঙ্কত শিয়ৰি উঠিল। সি ঘৰৰ পৰা ওলাই আহি দেখে মহন্তৰ ঘৰৰ দুৱাৰ খোলা আৰু গুৰুদেৱ অন্তৰ্ধান হৈছে। বৈষ্ণৱীয়ে বিছনাত ছটফটাই আছে—তাইৰ মূৰ গৰম আৰু মুখখন বিবৰ্ণ। কাতিৰামে একো উপায় নাপাই পানীৰামৰ ঘৰলৈ লৰ দি তাক আশ্ৰমলৈ লৈ আহিল। তাইৰ পৰা কাতিৰামে জানিব পাৰিলে যে তাই অন্তঃসত্ত্বা আছিল। লোকনিন্দাৰ ভয়ত মহন্তই তাইক ঔষধ খুৱাই দিয়াত তাইৰ এনে অৱস্থা।

গাঁৱৰ মানুহ কেইজনমানে বৈষ্ণৱীৰ শুশ্ৰূষা কৰিলে কিন্তু সিদিনা আবেলি সকলো মান-অপমান, জ্বালা-যন্ত্ৰণাৰ পৰা বৈষ্ণৱী মুক্ত হ'ল। কেইজনমান ডেকাই মহন্তক বিচাৰি উলিয়াবলৈ চেষ্টা কৰিলে কিন্তু মহন্তক নাপালে। হয়তো আন ঠাইত নাম সলনি কৰি তেওঁ আন এখন আশ্ৰম খুলি আনৰ পৰা সেৱা আৰু প্ৰণামী লব ধৰিছে।

১৯৩৮

অপৰাহ্নৰ কাল

॥ ১ ॥

যি সময়ৰ কথা ক'বলৈ ওলাইছোঁ সেই সময়ত ময়েই বোধ হয় আটাইতকৈ তৃখীয়া। মোৰ আপোন বুলিবৰ কেৱে নাই, ঘৰ এটাও নাই। শ্ৰীযুত বৰাৰ ঘৰত থাকি তেওঁৰ সহায়ত মই কলেজৰ চতুৰ্থ বাৰ্ষিক শ্ৰেণীত পঢ়ো। এই সময় ছোৱা মোৰ জীৱনৰ আৰম্ভণীয় সময়। এই সময় ছোৱাত লাভ কৰা কেইটামান অভিজ্ঞতা আজিও মোৰ মনত স্পষ্ট। এই সময় ছোৱাৰে পৰাই মোৰ জীৱনৰ প্ৰথম ছোৱাৰ আৰম্ভ।

কলেজত নাম লেখাৰে পৰা মোৰ আদৰ্শ আছিল বেলেগ। মই মনতে সংকল্প কৰিছিলোঁ যে জীৱনটো গঢ় দিয়াৰ পাছতহে সুখ-সম্ভোগৰ কল্পনা কৰিম। কিন্তু এতিয়া অজ্ঞাতে নানান মৌমিঠা কল্পনা মোৰ মনত জাগি উঠে আৰু কেতিয়াবা কেতিয়াবা জীৱনৰ সুখ-সমৃদ্ধিৰ কথা ভাবি ভাবি নিজকে পাহৰি যাওঁ। কল্পনাই নিজৰ অভিৰুচি অনুসাৰে আপোন সামগ্ৰী বাচি লৈ মনেগঢ়া আকাশ খনত পখীয়া তৰাৰ দৰে উৰি ফুৰে। এনেকৈ যেতিয়া মোৰ মন কল্পনা ৰাজ্যত অনাই বনাই ঘূৰি ফুৰে তেতিয়া মোৰ মনৰ ওপৰত ভাহি উঠে শান্তিৰ যৌৱনভৰা অপৰূপ ছবিটি।

সঁচাকৈয়ে শান্তি হ'ল মোৰ ভাৱাক্ৰান্ত হৃদয়ৰ শান্তিপানী। শান্তি আৰু মোৰ মাজত থকা আৰ্থিক আৰু সামাজিক অৱস্থিতিৰ তাৰতম্য মই নজনা নহয়, জানোঁ। শান্তি বৰাৰ আটাইতকৈ ধুনীয়া, নুমলীয়া ছোৱালী। আৰ্থিক সম্পদৰ প্ৰাচুৰ্য নাথাকিলেও আঢ্যৱন্ত লোক বুলি বৰাৰ নাম আছে। কিন্তু মই ঘৰবাৰী নোহোৱা এটা ভাল দৰিদ্ৰ। বৰাৰ ঘৰৰ পৰা ওলাবলগীয়া হলে মই পথৰ ভিখাৰী। তথাপি ডেউকাভগা কল্পনা-পখীটিয়ে সৰগলৈ উৰা মাৰিব খোজে। মানৱ জীৱনৰ ইয়ো এক প্ৰকাৰৰ বৈচিত্ৰ্য। যিজনে জীৱনৰ আৰম্ভণৰে পৰা সুখ-সমৃদ্ধিৰ সোৱাদ পোৱা নাই তাৰো চকুৰ আগত সোণৰ হৰিণে খেলে আৰু মন্ত্ৰমুগ্ধৰ দৰে ইয়াৰ পাছে পাছে সিয়ো দৌৰিবলৈ চেষ্টা কৰে।

শান্তিৰ নামত মোৰ মনেও সকলো পাহৰি এইদৰে লৰি ফুৰিছিল। মনক ঘুৰাই আনিবলৈ বহুতো চেষ্টা কৰিছিলোঁ কিন্তু পৰা নাছিলোঁ। সেইবাবে

মোৰ মনত শান্তিৰ স্থান আছিল মোৰ সুখ-সম্পদৰ কেন্দ্ৰস্থলত। কিন্তু ক'ব নোৱাৰোঁ, শান্তিক এই স্থানত ৰাখি আনন্দ লাভ কৰিছিলো।

শান্তিয়ে বোধহয় মোৰ মনৰ ভাব বুজা নাছিল। মোৰ মনত পৰে শান্তিৰ সিদিনাৰ কথা। "আপুনি কৰ্তব্যৰ ত্ৰুটি কৰিছে। আপুনি অকৃতজ্ঞ।"

শান্তিৰ কথাত মোৰ খং উঠিল। মোৰ অন্তৰৰ নিভৃত কোণত লুকাই থোৱা শান্তিৰ প্ৰতি থকা স্নেহ-মমতাৰ কথা নিমিষতে পাহৰি গলোঁ। নিজৰ শাৰীৰিক সুস্থতা অসুস্থতালৈ লক্ষ্য নকৰিও মই ৰবাৰ সেৱা শুশ্ৰূষা কৰিছোঁ। শান্তিয়ে সকলো দেখিছে। তথাপি কঠোৰ বাক্যবাণেৰে মোৰ হিয়াত আঘাত হানিছে। সহ্য কৰিব নোৱাৰি অৱজ্ঞাৰ সুৰত মই উত্তৰ দিলোঁ। "শান্তি তুমি মোৰ কৰ্তব্যাকৰ্তব্যৰ বিচাৰ কৰিব নোৱাৰা। মই উচ্চ শিক্ষিত ডেকা, আৰু তুমি এজনী অৰ্ধ শিক্ষিতা বালিকা।"

কথাখিনি কৈ মই শান্তিৰ ওচৰৰ পৰা আঁতৰি আহিলোঁ। তেওঁ কিবা ক'ব খুজিছিল কিন্তু তেওঁ সুবিধা নাপালে।

এই ঘটনাৰ পাছৰপৰা শান্তিৰ লগত মোৰ কথাবাৰ্তা বন্ধ হৈ গ'ল। মই যিটো কোঠাত থাকোঁ, তাৰে ওচৰৰ কোঠাটোতে শান্তিয়ে পঢ়াশুনা কৰে। একে ঘৰতে থাকোঁ যেতিয়া সময়ে সময়ে তেওঁক মই দেখা পাওঁ কিন্তু তেওঁ মোৰ ওচৰত থাকিলেও যেন মোৰপৰা তেও বহুতো আঁতৰি গ'ল।

লাহে লাহে ৰবাৰ ঘৰখন মোৰ কাৰণে ভাল নলগা হ'ল। মোৰ মনত নিজৰ ভবিষ্যত চিন্তাৰ সোঁত প্ৰবলভাৱে বৰলৈ ধৰিলে। এটা স্বাধীন জীৱন যাপন কৰা উচিত হ ব বুলি বিবেচনা কৰি মই ৰবাৰ ঘৰৰপৰা ওলালোঁ।

॥ ২ ॥

মোৰ জীৱনৰ প্ৰথম কাম হ ল এডোখৰ মাটি বিচৰা আৰু তাৰ ওপৰত এটা পঁজা সাজি লোৱা। ঘৰসজা কাম হাতত লোৱাৰ লগে লগেই মোৰ এটা সত্য উপলব্ধ হ'ল যে বিপদত পৰিলে আনৰ আৰু বন্ধু-বান্ধৱৰ পৰা সহায় পোৱাৰ আশা মনৰ এটা সান্ত্বনা মাথোন। আত্মবলেই পৰম বল।

চহৰৰ পৰা অলপ আঁতৰত মই এটা সৰু খেৰৰ ঘৰ সাজি ললোঁ। ইয়াক ঘৰ নুবুলি পঁজা বোলাই ভাল। কিন্তু এই পঁজাৰ চাঁতি কাষৰে প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য। ঘৰৰ সমুখেদি এটা সৰু জুৰি অকাই-পকাই বাগৰি দূৰৰ এখন বননিৰ মাজত অদৃশ্য হৈছে। ইয়াৰ সোঁফালেদি আছে চহৰলৈ যোৱা

পোন বাটটো। দিনৰ দিনটো এই বাটেদি নানান ধৰণৰ মানুহ অহাযোৱা কৰে। দুই এখন গাড়ীও চলাচল কৰে। ৰাতি হলে মানুহৰ সমাগম কমে।

এনে এখন আওহতীয়া ঠাই পছন্দ কৰাৰ কাৰণ দুটা। প্ৰথমটো মোৰ নিৰ্জনতা-প্ৰিয় প্ৰকৃতি। দ্বিতীয়টো হ'ল ধনৰ অভাৱ। মোৰ বন্ধু বৰুৱাই এই ঠাইতে ঘৰ বন্ধাৰ বাবে মোক জোৰকৈ ধৰিছিল, ঘৰসজা কামত তেওঁ নানা প্ৰকাৰে মোক সহায়ো কৰিছিল। এইবাবে বৰুৱাৰ ওচৰত মই ঋণী। বৰুৱা ধনী মানুহৰ ল'ৰা। তথাপি আন ভালেমান লোকৰ দৰে গপত ওফন্দি থকা বিধৰ লোক নহয়। আনৰ অভাৱ অভিযোগৰ কথা শুনিলে তেওঁৰ অন্তৰে কান্দে।

এই ঘৰটোতে এটা লাইব্ৰেৰী পতাৰ চেষ্টা কৰি কিছুমান সংস্কৃত, ইংৰাজী আৰু অসমীয়া পুথি গোটাই ৰাখিছিলোঁ। বৰুৱা প্ৰায়েই মোৰ ঘৰলৈ আহে আৰু সংগৃহীত পুথিবোৰৰ দুই এখন পঢ়ে।

বৰুৱা আৰু মই বন্ধুত্বৰ ডোলেৰে আবদ্ধ হোৱাৰ মূলতে আছিল আমাৰ আদৰ্শবাদী দৃষ্টিভঙ্গী। বৰুৱাৰ লগত দৰ্শন, সাহিত্য প্ৰভৃতি বিষয়ৰ নানান আলোচনা হয়। অভাৱ থাকিলেও দিনবোৰ ভালে ভালেই গ'ল, কিয়নো সঁজাৰ পৰা মুকলি হোৱা চৰাইটোৰ দৰে ময়ো মুকলি মূৰীয়া জীৱন যাপন কৰিবলৈ পাই মোৰ মনত আনন্দ লাগিল। ইয়াৰ উপৰিও বৰুৱাৰ সান্নিধ্যই মোক বিভিন্ন দিশত প্ৰেৰণা যোগাবলৈ ধৰিলে।

স্বাধীনভাৱে ঘৰ সজা চেষ্টাৰেপৰা মই টিউশ্যন কৰি যিথিনি পাইছিলোঁ তাৰেই কোনোমতে চলিছিলোঁ। বিলাস-বাসনা নাই যেতিয়া কম খৰচতে খোৱাবোৱা চলে। কিছুদিনৰ পিছত ডেপুটি কমিছনাৰৰ অফিছত এজন কেৰাণীৰ পদত মকৰল হলোঁ। কামৰ হেঁচাত মই আগৰ দৰে বৰুৱাৰ সঙ্গ নোপোৱা হলোঁ। তথাপি মোৰ আহৰি সময়ত বৰুৱা মোৰ ঘৰলৈ যায়, পুথি পঢ়ে আৰু আগৰ দৰে দেশ-বিদেশৰ নানান কথাৰ আলোচনাত যোগ দিয়ে।

নিজৰ বাবে ঘৰ সাজি লোৱাৰ পিছতো মই বৰাৰ ঘৰলৈ কেইবাদিনো গৈছিলোঁ কিন্তু শান্তিৰ লগত এদিনো মুকলি মূৰীয়াকৈ কথা পতাৰ সুযোগ পোৱা নাছিলোঁ। মই বৰাৰ ঘৰ এৰি অহাত শান্তিয়ে হয়তো দুখ আৰু লাজ পাইছিল। তেওঁৰ মনত যেন কিবা এটা অবৰুদ্ধ বেদনা সুষুপ্ত হৈ আছিল।

মোৰ পঁজাত বৰাই এদিন পদাৰ্পণ কৰিছিল, শান্তিও তেওঁৰ লগতে আহিছিল।

ঘৰৰ চাৰিওফালে থকা প্ৰাকৃতিক সৌন্দৰ্য্যই শান্তিক অভিভূতা কৰিছিল। মোৰ অকলশৰীয়া জীৱন যাতনাই যেন তেওঁক মোৰ কাষলৈ টানিছিল।

বৰাৰ ঘৰৰ পৰা আঁতৰি অহা সত্বেও বৰা আৰু তেওঁৰ পৰিয়াল বৰ্গৰ প্ৰতি মোৰ শ্ৰদ্ধা আৰু মৰম নিঃশেষ হৈ যোৱা নাছিল। শান্তিৰ প্ৰতি থকা মোৰ আন্তৰিক ভালপোৱাও মলিন হৈ পৰা নাছিল। তেতিয়াও শান্তি আছিল মোৰ কল্পনাৰ কেন্দ্ৰ-বিন্দুত।

কেতিয়াবা কেতিয়াবা শান্তিৰ কথা ভাবি থাকোঁতে হঠাতে মোৰ মন ভাৰাক্ৰান্ত হৈ পৰে। এনে সময়তে বৰুৱা আহি উপস্থিত হৈ দেখিবলৈ পায় মোৰ মুখৰ ওপৰত দুশ্চিন্তাৰ আচোৰ। বৰুৱাই মোক বিয়াৰ পৰামৰ্শ দিয়ে। তেওঁৰ মতে মোৰ মনৰ বিমৰ্ষতাৰ কাৰণ নিঃসঙ্গতা। "তুমি, যোগী, সন্ন্যাসী নোহোৱা। তোমাৰ মনৰ ক্লান্তি আৰু অৱসাদ দূৰ কৰাৰ কাৰণে লাগে সঙ্গিনী।"

বৰুৱাৰ কথাত মোৰ হিয়াৰ মাজত উমি উমি জ্বলি থকা জুইকুৰা বেছিকৈ জ্বলি উঠে। কিন্তু প্ৰীতিৰ প্ৰথম উচ্ছ্বাসতে বাধা পোৱাৰ ফলত মোৰ মনৰ মাজত প্ৰৱেশ কৰিছিল সন্দেহৰ কীট। কাক ভাল পাম? কোনে হিয়াৰ মৰম দিবলৈ অযাচিতে আগবাঢ়ি আহিব? মনত নানান প্ৰশ্নই ভুমুকি মাৰে। কিন্তু সমিধান ক'ত? মোৰ দৰে এজন কেৰাণীৰ জীৱনৰ প্ৰতি কোনোবাই জানো আকৃষ্ট হ'ব?

বৰুৱাই বিয়াৰ প্ৰশ্ন তোলাৰ পিছত মোৰ মনৰ মাজত নানান কল্পনাই খেলিবলৈ ধৰিলে। মই চিৰকুমাৰ হৈ জীৱনটো কটাম বুলি ভবা নাই। কিন্তু অনাটনৰ মাজেদি জীৱন অতিবাহিত হোৱাৰ কাৰণে মনৰ মাজত জাগি উঠিছিল নানান দুঃস্বপ্ন।

ফাগুন, চ'ত, বহাগ মাহ পাৰ' হ'ল। জেঠ মাহৰ দহ তাৰিখ শনিবাৰে ৰাতিপুৱাৰে পৰা কিন্‌কিনীয়া বৰষুণ। বাটপথ বোকাপানীৰে ভৰি পৰিছে। বতৰ বেয়া হোৱা বাবে সিদিনা বৰুৱাও মোৰ ঘৰলৈ অহা নাই। অকলে অকলে আপোন চিন্তাত নিমগ্ন হৈ মই ঘৰৰ ভিতৰতে বহি আছোঁ। সাজ লাগিল। বাহিৰৰ দুৱাৰখন জপাই থলোঁ। লেমটো মেজৰ ওপৰত ৰাখি এখন কিতাপ মেলি ললোঁ। কিন্তু পঢ়াৰ ইচ্ছা নহ'ল। এনেয়ে বৰষুণ বতৰ, তাতে আকৌ মনত নিৰুৎসাহ। একো কৰিবৰ মন নাযায়, মন চঞ্চল হৈ উঠে আৰু অসম্ভৱ কল্পনাই দেহমন অভিভূত কৰি তোলে। চকীৰ পৰা উঠি

কেবাবাৰো ঘৰটোৰ ইমূৰৰ পৰা সিমূৰলৈ ঘুৰি ফুৰিলোঁ। অলপ সময়ৰ পিছত ইয়াতো ভাল নলগাত বিছনাৰ ওপৰত দীঘল দি নানান লাগ বান্ধ নোহোৱা কথা ভাবিবলৈ ধৰিলোঁ। কিমান সময় এইদৰে আছোঁ ঠিককৈ ক'ব নোৱাৰোঁ। কিছু সময় বিছনাত পৰি থকাৰ পিছত মোৰ টোপনি আহিল।

হঠাৎ কাৰোবাৰ কোমল হাতৰ পৰশত মোৰ টোপনি ভাগি গ'ল। চকু মেলি চাই দেখোঁ মূৰ শিতানত শান্তি। মই তথা লাগি চাই ৰলোঁ—প্ৰশ্ন কৰিবৰ সাহস নহ'ল, জানোছা কল্পনাৰ জলন্ত ছবিটি কল্পনাতে লয় হয়। মোৰ মনত সন্দেহ হ'ল—এওঁৰেই জানো ৰবাৰ আদৰৰ সুমলীয়া ছোৱালী শান্তি? নহয় শান্তি ইমান ধুনীয়া নহয়। এনে মুখশ্ৰীৰ কমনীয় কান্তি, চকুৰ উদ্দীপ্ত আভা, প্ৰীতিৰ উচ্ছ্বাসত ফুলি উঠা বুকু কোনো মানৱী প্ৰতিমাৰ গাত সম্ভৱ নহয়। ই নিশ্চয় সপোন, মায়া, মতিভ্ৰম। দুনাই চকু দুটা মুদিব খুজিলোঁ, কিন্তু চকু জাপ নাখায়। ইচ্ছা হ'ল নিৰ্নিমেষ নেত্ৰে সেই অপৰূপ ৰূপৰাশিৰ সৌন্দৰ্য উপভোগ কৰো। মোৰ হিয়াত এটা অব্যক্ত আনন্দৰ চৌ উথলি উঠিছে। মই পাহৰি গৈছো ক'ত আছোঁ?

মেজৰ ওপৰত থোৱা লেমটোৰ পোহৰ লাহে লাহে কমি আহিল আৰু তেওঁৰ ছবিটিয়ে মোৰ চকুত আগতকৈ অস্পষ্ট আকাৰ ধাৰণ কৰিলে। মই বাস্তৱতাৰ ওচৰ চাপিলোঁ।। বিছনাৰ পৰা লাহে লাহে উঠাৰ কাৰবাৰ কৰিছোঁ। এনেতে প্ৰতিমাই মোৰ ভিতিত সাৱটি ধৰি ক'লে, "মই আপোনাৰ ওচৰত অপৰাধী।"

এজনী গাভৰু মোৰ ওচৰত অপৰাধী! ই তেন্তে কল্পনা নহয়, মতিভ্ৰমো নহয়—ই বাস্তৱ, ই সত্য। মই জীয়াই থকাটো যদি সত্য হয় তেন্তে এই নাৰীমূৰ্তিও সত্য। মনক সজাগ কৰিবলৈ হাতভৰি লৰাই দি মই বিনম্ৰ স্বৰত কলোঁ, "মই সকলোৰে ওচৰত অপৰাধী, কিন্তু কোৱে মোৰ ওচৰত অপৰাধী হোৱা নাই। কিন্তু তুমি মোৰ ওচৰত অপৰাধিনী! কোৱা, কোন তুমি?"

"মই শান্তি।"

"শান্তি! তেনেহলে তুমি শান্তিয়েই ঠিক। তুমি এই নিশা, এই ভগা পঁজাত!"

"মই পলাই আহিছোঁ।"

শান্তিৰ আত্মসমৰ্পণত মই অত্যন্ত ব্যাকুল হৈ পৰিলোঁ আৰু দুয়ো হাতেৰে

লাহে লাহে শান্তিক বুকুৰ মাজলৈ টানি আনিলোঁ। এই মুহূৰ্তত শান্তি মোৰ নিজৰ। কোনে জানে জীৱনত এনে এটা মুহূৰ্ত আকৌ আহিবনে নাহে? কোনে জানে শান্তিৰ এই আত্মসমৰ্পণ ক্ষণিক উত্তেজনা নে প্ৰকৃত প্ৰেমৰ আত্ম-নিবেদন!

নিস্তব্ধতা ভেদ কৰি বাহিৰত ক্ৰুদ্ধ স্বৰ শুনা গ'ল "শান্তি"। বজ্ৰগম্ভীৰ স্বৰ। ই যেন সপোন-সুখৰ অন্তকাৰী কৃতান্ত। বুকুৰ মাজৰপৰা শান্তিক মুক্ত কৰি মই মজিয়াত থিয় দিলোঁ। দুটা মুহূৰ্ত মোৰ আগত জিলিকি উঠিল। এটা মুহূৰ্তত চলচলীয়া চকুৰ চেনেহৰ চাৱনি আৰু আনটোত ৰঙা চকুৰ ক্ৰুদ্ধ দৃষ্টি। কিমান নৃশংস!

ভিতৰলৈ সোমাই আহি ককায়েকে শান্তিৰ হাতত ধৰিলেহি। "সিপিনে বিয়াৰ মাঙ্গলিক আয়োজন আৰু ইপিনে তোৰ অন্ধ উদ্ধতালি।"

শান্তিয়ে মুখেৰে মাতিব পৰা নাই। তেওঁ থক্ থক্ কৰে কঁপিবলৈ ধৰিছে। মোৰো মাত দিবলৈ সাহ হোৱা নাই। কিংকৰ্তব্য বিমূঢ় হৈ এই দৃশ্যলৈ একেথৰে চাই আছো।

মোঁৰ পিনে চাই শান্তিৰ ককায়েকে বজ্ৰগম্ভীৰ স্বৰেৰে মাত লগালে, "এয়ে বোধহয় উপকাৰৰ প্ৰত্যুপকাৰ।" তেওঁৰ কথা শুনি মোৰ গাটো যেন কঁপিবলৈ ধৰিলে। সঁচাকৈয়ে ময়েই দোষী। মই শান্তিক নিজতকৈয়ো ভাল পাওঁ আৰু ইয়াৰ কাৰণেই আজি এই তিৰস্কাৰ। মই কি মাতিম। মনে মনে থাকিলোঁ।

শান্তিয়ে হলে নমতাকৈ নাথাকিল। তেওঁ উত্তৰ দিলে "ককাইদেউ, তেখেত দোষী নহয়—দোষী মই। মই নিজেই ইয়ালৈ আহিছোঁ। আপুনি উভতি যাওক। ঘৰৰ পৰা ওলাই আহিছো যেতিয়া মই দুনাই উভতি নাযাওঁ।"

শান্তিয়ে ইমান স্পষ্ট কথা ক'ব বুলি মই ভবা নাছিলো। শান্তিৰ কথা-শুনি ককায়েকৰ খঙে চুলিৰ আগ পালেগৈ। খঙৰ ভমকত তেওঁ শান্তিক কিবা-কিবি ক'বলৈ উদ্যত হৈছিল এনেতে বৰা নিজেই আহি মোৰ ঘৰত উপস্থিত হ'ল। তেওঁ শান্তিক লৈ যোৱাৰ চেষ্টা কৰিলে। কিন্তু শান্তি নগ'ল। অৱশেষত বহুতো চেষ্টাৰ পাছতো শান্তিয়ে যাবলৈ সন্মত নোহোৱাত তেওঁলোক আপোন ঘৰলৈ উলটিল। যোৱাৰ সময়ত ককায়েকে কৈ গ'ল যে তেওঁলোকে শান্তি সিদিনাই মৰা বুলি ধৰিব। বৰাই মোৰপিনে ঘৃণাৰ চকুৰে

চাই মোৰ ঘৰৰ পৰা ওলাই গ'ল—মই কাঠৰ পুতলাৰ দৰে ৰ'তে আছিলোঁ। ত'তেই থিয় হৈ থাকিলোঁ।।

ইমান কম সময়তে অতবোৰ ভাবৰ খেলি মেলি মই জীৱনত অনুভৱ কৰা নাই। আশা নিৰাশাৰ কেনে যুঁজ—আনন্দ-নিৰানন্দৰ কেনে দৰবাদৰৰি।

অলপ পিছত মই সম্বিৎ ফিৰাই পালো।। মোৰ নিচেই ওচৰতে দেখিবলৈ পালোঁ তলমূৰ কৰি থকা শান্তিক। মুহূৰ্তপূৰ্বৰ সকলো ঘটনা পাহৰি গলোঁ।। ভাবিলো, হা-হুতাশৰ মাজেদি শূন্য ঘৰত পাৰ হৈ যোৱা অতীত জীৱনৰ তুলনাত আজিৰ সেমেকা ৰাতিটো কিমান মধুৰ! কোনে কয় সংসাৰত সুখ নাই আৰু সংসাৰ বিষবৃক্ষ সদৃশ।

নতুন উৎসাহ আৰু আনন্দই মনত দলদোপ হেন্দোলদোপ লগালে। সংসাৰ ইমান সুখৰ বুলি আজিয়েই প্ৰথম মই উপলব্ধি কৰিলো। অলপ আগুৱাই আহি মই শান্তিৰ ভিতিত সাবট মাৰি ধৰিলো। শান্তিয়ে নিজৰ আধাভিজা মূৰটো মোৰ বুকৰ মাজত সুমুৱালে। মই তেওঁক সান্ত্বনা দিলো, "শান্তি আমাৰ এই মিলন অচ্ছেদ্য। ই ভগৱানৰ অভিপ্ৰেত—ভগৱান আমাৰ দুৰ্গম পথৰ সহায়।"

॥ ৩ ॥

শান্তিৰ লগত মিলনৰ পিছৰ পৰা মোৰ জীৱনৰ তৃতীয় ছোৱাৰ আৰম্ভ। তৃতীয় ছোৱাত মই সমাজৰ চকুত হেয় হৈ পৰিলো। যলৈকে যাওঁ তাতেই যেন আনে ফিচিঙা ফিচিঙি কৰে। কিছুদিনলৈ শান্তিৰ গৃহত্যাগৰ কথাটোও সৰু চহৰখনত এটা প্ৰধান আলোচনাৰ বস্তু হৈ পৰিছিল। কিমান ধৰণৰ কথা কেনে ভাবে আলোচিত হোৱা বুলি শুনিছিলো তাৰ বিতং বিৱৰণ দিব নোখোজোঁ।। বহুতো মানুহেই হলে শান্তিলৈ আঙুলিয়াই মত প্ৰকাশ কৰিছিল, "এয়ে বিজাতীয় শিক্ষাৰ কুফল।"

আগেয়ে চহৰখনৰ সৰহ ভাগ মানুহেই মোক চিনি পোৱা নাছিল। কিন্তু শান্তিৰ লগত হোমৰ গোন্ধ নোপোৱা বিয়াখন হৈ যোৱাৰ পিছত মই যেন সকলোৰে মাজত জনাজাত হৈ পৰিলোঁ।। বাটত ফুৰিবলৈ গলেও প্ৰথমতে মানুহে মোলৈ আঙুলিয়াইছিল।

কেতিয়াবা কেতিয়াবা বাহিৰত এনে ধৰণৰ অশান্তি পালেও ঘৰত মই সুখী।। অকিঞ্চনপৰা অহাৰ লগে লগে শান্তিয়ে মোৰ আলপৈচান ধৰে,

চাহ-জলপান আগত থয়। ঘৰত থকা সময়খিনি বেচ আনন্দতে অতিবাহিত হৈ যায়।

মাজে সময়ে বকুৰা আমাৰ ঘৰলৈ আহে। আগৰ দৰেই তেওঁৰ লগত মোৰ আলোচনা হয়। মাজে সময়ে শান্তিয়েও যোগ দিয়েছি। তেওঁৰ লগত বকুৰাৰ ভাল পৰিচয় আছে। তেওঁ.বকুৰাক ককাইদেউ বুলি মাতে।

ৰাইতৰ ঘৰখনৰ লগত থকা সম্বন্ধ সম্পূৰ্ণৰূপে ছিগি গ'ল। তেওঁলোকৰ বদ্ধমূল ধাৰণা আছিল যে মোৰ ফুচুলনিতে শান্তিয়ে এনে গৰ্হিত আৰু অপমানজনক কাম কৰি তেওঁলোকৰ ঘৰখনৰ সন্মান হানি কৰিছে। বৰাৰ ঘৰখনে স্পষ্ট ভাষাত কৈছিল যে শান্তি তেওঁলোকৰ কোনো নহয়—তেওঁলোকে শান্তি মৰি যোৱা বুলি ধৰি লৈছে।

তিনি বছৰৰ মূৰত শান্তিয়ে এটা ল'ৰা জন্ম দিলে। ল'ৰাটিৰ জন্ম হোৱাৰ পিছৰে পৰা আমাৰ ঘৰখন যেন বেছি পোহৰ হৈ উঠিল। আমাৰ যুগ্ম জীৱনে যেন পূৰ্ণতা লাভ কৰিলে। শান্তিয়ে ল'ৰাটিক মৰম কৰে, বুকুৰ মাজত সুমাই তাৰ দুয়ো গালতে চুমা খাই আপোন পাহৰি তাৰ মুখলৈকে চাই থাকে। মাতৃস্নেহৰ গভীৰতা দেখি মোৰো মন কুমলি উঠে।

দিনৰ পিছত দিন বাগৰি যায়। মোৰ আনন্দময় জীৱনৰ ওপৰত বিমৰ্ষতাৰ ছাঁ পৰিব ধৰিলে। মোৰ অন্তৰত লাহে লাহে সন্দেহৰ বিষাক্ত কীট প্ৰৱেশ কৰি মোক খুলি খুলি খোৱাৰ উপক্ৰম কৰিলে। মোৰ মনৰ সুখ তিলে তিলে কমি যোৱাৰ উপক্ৰম হ'ল।

এদিনাখন পানী লাগি মোৰ গা বেয়া হৈছে। সিদিনা দুপৰীয়াতে অফিচৰ পৰা ছুটী লৈ আহিছোঁ। ঘৰৰ কিছু দূৰৰেপৰা খিৰিকিৰে শান্তি আৰু বকুৰাক মোব কমত দেখিবলৈ পালোঁ। শান্তিৰ চুলিবোৰত পাৰিপাট্য নাই, মূৰৰ ওৰণিও স্খলকি পৰিছে। বকুৰাই হাঁহিমুখে শান্তিৰ লগত কথা পাতিছে আৰু শান্তিয়েও হাঁহিমুখেই কিবা কিবি কৈছে। তেওঁলোকক তেনে অৱস্থাত দেখাত মোৰ গাটো যেন কঁপি উঠিল। শান্তিক পোনে পোনেই সন্দেহ কৰাৰ বিশেষ কোনো কাৰণ নাছিল আৰু বকুৰাৰ ওপৰতো মোৰ ডাঠ বিশ্বাসেই আছিল। তথাপি তেওঁলোকক সিদিনা তেনে অৱস্থাত দেখাত মোৰ মনত নানান প্ৰশ্নই তলওপৰ কৰিব ধৰিলে।

লাহে লাহে আহি ঘৰত সোমালোঁ। অসময়ত ঘৰলৈ অহাত শান্তিয়ে মোক নানান প্ৰশ্ন কৰিলে। মোৰ গা বেয়া বুলি জানিব পাৰি মই শোৱাৰ

ব্যৱস্থা কৰি দিলে। বকৰায়ো মোক বিশ্ৰাম লোৱাৰ উপদেশ দি গুচি গ'ল।

শান্তিৰ ব্যৱহাৰত মোৰ মনৰপৰা সন্দেহৰ ছাঁ প্ৰায়েই আঁতৰি গ'ল। কিন্তু আগৰপৰা প্ৰচলিত হৈ থকা "তিৰোতাৰ চৰিত্ৰ আৰু পুৰুষৰ ভাগ্য, দেৱতায়ো নাজানে, মানুহৰতো কথাই নাই" কথাটো মোৰ মনত অস্পষ্টভাৱে হলেও বাজি থাকিল।

আন এদিনাখন নিশা বকৰাৰ লগত শান্তিয়ে থিয়েটাৰ চাবলৈ ওলোৱাত মোৰ সন্দেহ ঘণীভূত হ'ল আৰু সিদিনাৰ পৰাই মই শান্তিক ভালকৈ সন্দেহৰ চকুৰে চাবলৈ আৰম্ভ কৰিলোঁ।

মোৰ কাব্যময় জীৱন লাহে লাহে গদ্যময় হৈ আহিল। যৌৱনৰ প্ৰথম উন্মাদনা তেতিয়া মোৰ গাৰ পৰা আঁতৰি গৈছে। মোৰ হৃদয় আগতকৈ নীৰস আৰু ভাবহীন হৈ পৰিব ধৰিছে। আগেয়ে হোৱাহেঁতেন শান্তিৰ এনেবোৰ সকলুবা কৰ্ম সম্পূৰ্ণ নিৰ্দোষ বুলি উকৰাই দিলোঁহেঁতেন। কিন্তু এতিয়া মনে প্ৰত্যেক কৰ্মৰে একে: একোটা কাৰণ বিচাৰে আৰু একো বিচাৰি নাপালে যেই সেই এটা ধৰি লৈ তাকেই সত্য বুলি বিশ্বাস কৰিব খোজে।

আকৌ কেইমাহ মান গ'ল। ইয়াৰ ভিতৰত দুটা এটা সন্দেহৰ কাৰণ পালেও সেইবোৰে মোক বিভ্ৰান্ত কৰি পেলোৱা নাই। কিন্তু আন এদিনৰ কথা মোৰ মনত পৰে। মই নিজ চকুৰে দেখিছোঁ সিদিনা বকৰাই মোৰ কমৰ পৰা ওলাই যাব খুজিছে আৰু শান্তিয়ে তেওঁক হাতত ধৰি টানি আনি মোৰ বিছনাত বহুৱাইছে। মই ঘৰলৈ অহাগম পায়েই বোধহয় বকৰা পাছ ফালৰ দুৱাৰেদি ওলাই গুচি গ'ল। যি কথা সন্দেহ কৰিছিলোঁ সি সম্পূৰ্ণ সত্য যেন লাগিল। শান্তিক মই অন্য ৰূপত দেখা পালোঁ। মোৰ আগত যেন তেওঁ সিদিনা মায়াবিনী। মই খঙেৰে সুধিলোঁ "ঘৰলৈ কোনোবা আহিছিল নেকি ?"

শান্তিয়ে স্বভাৱ-সুলভ হাঁহি মাৰি উত্তৰ দিলে, "হয় বকৰা ককাইদেউ আহিছিল।"

শান্তিৰ হাঁহি সিদিনা বিষতুল্য হ'ল। ইয়াত অকণো মাধুৰ্য নাই।

শোৱনি ঘৰলৈ গলোঁ। দেখিবলৈ পালোঁ বিছনাৰ ওপৰত আছে এটা ব্লাউজ, এটা চেমিজ আৰু দুখন ৰুমাল। সেইবোৰ কোনে আনিলে বুলি সোধাত শান্তিয়ে বকৰাই অনা বুলি কলে।

শান্তিক দুনাই প্ৰশ্ন কৰিবৰ ইচ্ছা নহ'ল। ইমানবোৰ প্ৰমাণৰ পাছত

আন প্ৰমাণৰ আৱশ্যকতা নাই। মোৰ মনৰ মাজত যেন জুই জ্বলিছে। শান্তিয়ে যে ইমান দিনে মোক প্ৰতাৰণা কৰিছে তাত অকণো সন্দেহ নাই। তাইৰ কদৰ্য ব্যৱহাৰৰ পৰাই নাৰী জাতিৰ ওপৰত মোৰ বিতৃষ্ণা জন্মিল। এই শান্তিৰ কাৰণেই মই কিমান লঘু-লাঞ্ছনা মূৰ পাতি লব লগা হ'ল। সেইবোৰ সকলোকে বিনা দ্বিধায় মূৰ পাতি ললোঁ। কিন্তু মোৰ কি দুৰ্ভাগ্য যে শান্তিৰ অকৃত্ৰিম ভালপোৱা খিনিৰ পৰাও মই বঞ্চিত। মোৰ মনে সান্ত্বনা বিচাৰি নাপালে। এবাৰ ইচ্ছা হ'ল শান্তিক নিজ হাতেৰে ইযাৰ উপযুক্ত শাস্তি দিওঁ। কিন্তু অলপ পিছতেই মনত দুৰ্বলতাই দেখা দিলে। হাজাৰ হলেও শান্তিক এদিন বুকুৰ মাজলৈ টানি আনি মৰম কৰিছিলোঁ—এতিয়া সেই শান্তিজনীৰ গাত হাত তুলিবলৈ মোৰ শক্তি নাই। মাযাবিনীৰ মুখলৈ চালে দুনাই মতিভ্ৰম হ'ব পাৰে। সেইবাবে একো নোকোবাকৈয়ে বিছনাত শুই থাকিলোঁ।

সৰুৰে পৰা মই ভাব-প্ৰৱণ। অন্তৰত ভাবে তলওপৰ লগালে অতিষ্ঠ হৈ পৰোঁ। সিদিনাও মোৰ হিতাহিত জ্ঞান নোহোৱা হ'ল।

ভালেখিনি ৰাতি হ'ল। শান্তি আৰু ল'ৰাটো বিছনাত লালকাল দি শুই আছে। লাহে লাহে মই বিছনাৰ পৰা উঠিলোঁ—ইচ্ছা হ'ল ল'ৰাটিৰ মুখত এটি চুমা দিওঁ কিন্তু চেনেহ-জৰীত বান্ধ খাই যাওঁ বুলি ভয় কৰি চোৰৰ নিচিনাকৈ নিশব্দে ঘৰৰ পৰা ওলাই আহিলোঁ। শেষ বাৰলৈ এবাৰ শান্তিৰ মুখলৈকে চোৱা নহ'ল।

দুপৰ নিশা। কেৰে কতো নাই। ওচৰৰ পাহাৰৰ ওপৰত বাঘে গুজৰিব ধৰিছে। আন দিনাখন হলে ভয় লাগিলহেঁতেন। কিন্তু আজি জীৱনক তুচ্ছ কৰি নিশা অকলে বাহিৰলৈ ওলাইছো। আজি একো ভয নাই। মই পাহাৰৰ কাষৰ বাটটোৰেদি আহি আছো। কেৰে নাজানিলে মই কলৈ গলোঁ। মইো তেতিয়ালৈকে জনা নাই কলৈ যাম। তথাপি ব্যৰ্থ হৃদয় লৈ নতুন অভিজ্ঞতাৰ আশাত ঘৰৰপৰা বাহিৰ হলোঁ। তেতিয়া মোৰ মানসিক স্থিৰতা নাই—মই যেন বলিয়া হৈ গৈছোঁ।

॥ ৪ ॥

মোৰ জীৱনৰ চতুৰ্থ ভাগটোত পথীয়া তৰাটোৰ নিচিনাকৈ ইখনি ঠাইৰপৰা সিখনি লৈ ঘূৰি ফুৰিছোঁ। মনৰ স্থিৰতা নাই, গতিকে মোৰ কাৰ্যকলাপৰ মাজত স্থৈৰ্যৰ অভাৱ।

ঘৰৰ পৰা বাহিৰ হোৱাৰ কেইদিন মান পিছতেই অসমৰ বাহিৰ হৈ পুৰী ওলালোঁগৈ। ইয়াত মোৰ দুজন বন্ধুক নিলগৰ পৰা দেখা পাই আন বাটেৰে তেওঁলোকৰ চকুৰ আঁতৰ হলোঁ। মই জানোঁ—মই চুৰি ডকাইতি কৰা নাই, শান্তিৰ, শান্তিৰ ওপৰত কোনো অত্যাচাৰো চলোৱা নাই—তথাপি চিনাজনা মানুহৰ আগত মুখ দেখুৱাবলৈ দেখোন লাজ লাগিছিল।

পুৰীৰ ওচৰতেই দুবছৰ মান থাকি সদায় শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ পাদপদ্মত একোটি সেৱা কৰোঁ। কেতিয়াবা কেতিয়াবা মনত ভাব হয় যে কিবা নজনা পাপৰ ফলতে মোৰ এনে দশা হৈছে। সেইবাবে অজানিত পাপ ক্ষয়ৰ বাবে মই সদায় মহাপ্ৰভুৰ ওচৰত প্ৰাৰ্থনা কৰিব ধৰিলোঁ। বিপদ বিঘিনি আৰু অন্তৰৰ যাতনা বেদনাই মানুহক আধ্যাত্মিক জগতলৈ ঠেলি নিয়ে।

এদিন হঠাতে শান্তিৰ পৰা এখন চিঠি পাই মই পুৰী এৰি আন ঠাইলৈ যাবলৈ বাধ্য হলোঁ। শান্তিয়ে মোৰ খবৰ কেনেকৈ পাইছিল মই নাজানো। কিন্তু কেতিয়াবা হঠাতে ভ্ৰমত পৰোঁ বুলি ভাবি দুদিন পিছতেই পুৰী এৰিবৰ বাধ্য হলোঁ।

পুৰী এৰাৰ পিছত গাঁৱে-ভূঞে নানান ঠাইত ঘুৰি ফুৰিব ধৰিলোঁ। কেতিয়াবা এমুঠি খাবলৈ মিলে আৰু কেতিয়াবা নাই। কেতিয়াবা শুবলৈ ঘৰ পাওঁ আৰু কেতিয়াবা গছৰ তলতে নিশা পাৰ হয়। কিন্তু মোৰ এনে অৱস্থা হলেও মই নিঃসঙ্গ নহয়। মোৰ দৰে অঘৰী লোকৰ সঙ্গ প্ৰায়েই পোৱা যায়। অৱশেষত অলস অকৰ্মণ্যতা এৰি কাম কৰিবলৈ বাধ্য হলোঁ। অভিজ্ঞতাই মোক বহুতো কথা শিকালে। মোৰ মনৰপৰা লাহে লাহে 'মই-বৰ' ভাব আঁতৰি যোৱাৰ উপক্ৰম কৰিলে।

প্ৰথমতে কিছুদিনলৈ শান্তিৰ কথা বৰকৈ মনত পৰিছিল আৰু কেতিয়াবা কেতিয়াবা মই ডাঙৰ ভুল কৰা বুলি মনলৈ অনুশোচনাও আহিছিল। কিন্তু সময় বাগৰি যোৱাৰ লগে লগে এইবোৰ ধাৰণা তল পৰাৰ উপক্ৰম হ'ল।

এনে সময়তে মই দীৰ্ঘ দিন জ্বৰত ভুগিলোঁ। প্ৰায় ছমাহ মানলৈ এই জ্বৰ মোৰ গাৰ পৰা এৰা দিয়া নাই। ঔষধ পাতি নাই, সেৱা-শুশ্ৰূষা নাই আৰু কেতিয়াবা কেতিয়াবা পথ্যও নাই। জ্বৰ উঠিলে কঁপি কঁপি বিছনাত পৰি থকাটোৱেই মোৰ পক্ষে ঔষধ। উঠিব পাৰিলে এমুঠি চাউল সিজাই খোৱাটোৱেই পথ্য। এনে অৱস্থাত মই নতুনকৈ উপাৰ্জন কৰিব নোৱাৰা হলোঁ আৰু আগৰ উপাৰ্জিত ধনখিনিও অন্তহৈ আহিবলৈ ধৰিলে।

বিশেষত বেমাৰত ভুগাটো কেনে কষ্টকৰ তাক ভুক্তভোগীয়েহে জানে। ইয়াত সুখ-দুখৰ কথা ক'বলৈ ভাল বন্ধু নাই। আলপৈচান ধৰিবলৈ আপোন মানুহ নাই। এনে অৱস্থাত ধৈৰ্যৰ কঠোৰ বান্ধ ঢিলা হয়, অতীতৰ হিংসা, কুৰ্চ্চট, খং বেজাৰ সকলো মনৰপৰা ওঁতৰি যোৱাৰ উপক্রম কৰে। ময়ো এই সাধাৰণ নিয়মৰ বাহিৰত নহওঁ। গতিকে মোৰ এনে দুৰ্দিনত শান্তিলৈ ঘনাই মনত পৰিব ধৰিলে। কেতিয়াবা মোৰ মনে মানি লব খোজে যে মই ভুল কৰিছোঁ। কিন্তু কেতিয়াবা আকৌ মনক সবল কৰাৰ চেষ্টাত ভাবোঁ যে ই নিৰ্ভুল। ভাবৰ দোমোজাত পৰি মই সত্যাসত্য বিচাৰৰ ক্ষমতা হেৰুৱাই পেলালো। অৱশেষত মোৰ লক্ষ্যহীন জীৱনৰ নাওখন কালৰ সোঁতত যেনিয়ে তেনিয়ে উটিভাহি ফুৰিবলৈ ধৰিলে।

কিছুদিনৰ পিছত হিন্দুৰ পবিত্ৰ স্থান কাশীধামত ওলালোগৈ। ইয়ালৈ আহি ঈশ্বৰ-চিন্তাত মন-প্ৰাণ ঢালি সংসাৰৰ পিনে পাহৰিবলৈ চেষ্টা কৰিলো. কিন্তু ঘুৰ্ঘোৰ সংসাৰী মই—মোৰ ভোগ-বিলাসৰ চিন্তাৰ অৱসান নহ'ল। মোৰ হাড়ে হাড়ে, মজ্জায় মজ্জায় চেনেহৰ নাগপাশৰ অচ্ছেদ্য বন্ধন। মই কি কৰিম। মই এটা দুৰ্বল প্ৰাণী।

যোৱা বহাগ মাহৰ কুৰি তাৰিখৰ দিনটো মোৰ জীৱনৰ স্মৰণীয় দিন। এই দিনাখন আবেলি কাশীধামৰ বাটত ফুৰি থাকোঁতে শ্ৰীযুত বৰুৱা মানুহৰ ভিৰৰ পৰা ওলাই আহি মোৰ হাতত খাপ মাৰি ধৰিলে। মই সপোনতো ভবা নাছিলো যে মই হঠাতে বৰুৱাক এনেকৈ লগ পাম। পিছত জানিব পাৰিলো যে তেওঁৰ দেউতাক তীৰ্থ-ভ্ৰমণ কৰিবলৈ ওলাইছে আৰু তেওঁৰ লগতে বৰুৱায়ো কাশীধামত উপস্থিত হোৱাৰ সিদিনা চাৰিদিন হ'ল।

মোক হাতত ধৰি বৰুৱাই মোক অলপ মুকলি ঠাইলৈ লৈ গ'ল আৰু মই গুচি অহাৰেপৰা শান্তিয়ে কেনে দুখ-দুৰ্গতি ভোগ কৰিছে তাক এটা এটা কৈ কৈ গ'ল। তেওৰ ঘৰ ভাঙিছিঙি গৈছে, তেওঁ কটনা কাটি পেট প্ৰবৰ্তাইছে; ধনৰ অভাৱত ল'ৰাটোক দিব লগা বস্তুটোও তেওঁ দিব পৰা নাই। বৰুৱাৰ পৰা আকৌ শুনিলো যে শান্তিৰ এনে দুৰ্দিনতো বৰাইঁতে শান্তিৰ খা-খবৰ কৰা নাই। কিন্তু লুকাই চুৰকৈ হলেও শান্তিৰ মাকে জীয়েকক যিমান পাৰে সহায় কৰিছে। তুমি ঘৰৰপৰা ওলাই আহিবৰ দিনা শান্তিৰ মাকে শান্তিলৈ এটা কাপোৰৰ টোপোলা মোৰ হাতত দি পঠাইছিল।

বৰুৱাই আন এটা খবৰ দিলে যে তেওঁ ঘৰৰপৰা অহাৰ সময়তো শান্তিৰ

জ্বৰ আৰু ল'ৰাটোৰ তেজ গ্ৰহণী। টকাৰ অভাৱত ল'ৰাটোৰ চিকিৎসাও ভালকৈ কৰিব পৰা নাই। শেহত তেওঁ মোক ঘৰলৈ ঘূৰি অহাৰ কাৰণে দঢ়াই অনুৰোধ কৰিলে আৰু মোৰ হাতত দহ টকাৰ নোট দুখন জোৰকৈ গুজি দিলে।

বকুৱাৰ কথা শুনি মোৰ মনৰ ওপৰত নানান ভাবৰ দৰবাদৰবি লাগিল। তেওঁৰ কথাত মোৰ মনৰপৰা সন্দেহৰ ছাঁ আঁতৰি মন ফৰকাল হ'ল আৰু মই স্পষ্টকৈ দেখিবলৈ পালো চঞ্চলতাই মোৰ কেনে সৰ্বনাশ কৰিব ধৰিছে। নীৰস হিয়াত কোমল ভাবৰ সঞ্চাৰ হ'ল। মনতে ভাবিলো—দোষ কৰিলেও শান্তি মোৰ মনোৰমা পত্নী। বিনা বিচাৰে তেওঁক কষ্ট দিয়াতো মোৰ মহাপাপ হৈছে। মোৰ দুচকুৰেদি আপোনা আপুনিয়ে সৰ্‌সৰকৈ চকুপানী বাগৰি পৰি মোৰ হিয়াৰ মলি ধুই নিলে। ইয়াৰ পিছত ল'ৰাটোৰ অৱস্থালৈ মনত পৰি মোৰ বুকু কঁপি উঠিল—নাজানো তাৰ কি অৱস্থা। বেছি সময় পলম নকৰি সিদিনাই ঘৰলৈ যাত্ৰা কৰি সন্ধিয়া গাড়ীত উঠিলোঁ। তৃতীয় দিনা শেষ ৰাতি ষ্টেছন পালোহি। ততালিকে গাড়ীৰ পৰা নামি ঘৰলৈ বুলি খোজ ললো। চাৰি পাঁচ বছৰ পিছৰ কথা। মোৰ ঘৰৰ সমুখেদি জুৰিটো বৈ আছে কিন্তু ওচৰৰ হাবিয়নি নাই,—তাৰ ঠাইত মানুহৰ সৰুবৰ ঘৰ। আগৰ মোৰ অকলশৰীয়া ঘৰৰ দুয়ো কাষেই এতিয়া সুন্দৰ সুন্দৰ বঙলা।

উদ্বিগ্ন মনেৰে ভয় ভয় কৰি মোৰ ঘৰৰ ওচৰ পালোগৈ। ঘৰটো-জৰাজীৰ্ণ হৈছে—বেৰৰ চাৰিওফালে জোলোঙা, ওপৰতো খেৰ নায়েই। মনত বৰ দুখ লাগিল। শান্তিয়ে নিশ্চয় ইয়াত থাকি বৰ কষ্ট পাইছে। বেৰৰ জোলোঙাৰে ভিতৰলৈ চাই দেখিবলৈ পালো শান্তিয়ে ল'ৰাটোৰ কাষত বহি চকুপানী টুকি আছে। তেওঁৰ দুখত সান্ত্বনা দিবলৈ ওচৰত কেৱে নাই—বেচাৰীয়ে সকলোকে নীৰৱে অকলে সহ্য কৰিছে। মোৰ নিজৰ মনলৈ ধিক্কাৰ আহিল। সঁচাকৈয়ে মই মহাপাপী। মোৰ আবেগিক কৰ্মৰ ফলতেই আজি ল'ৰাৰ এনে দুৰৱস্থা আৰু মোৰ ওচৰত আত্ম-সমৰ্পণ কৰিবলৈ আগবাঢ়ি অহা শান্তিৰ এনে দুখ আৰু মনোকষ্ট। মনৰ দুৰ্বলতা দূৰ কৰি দুৱাৰ মুখত থিয় দি মাতিলো "শান্তি ?" শান্তি উচপ খাই উঠিল। তেওঁ মোৰ মাত বুজি পালে হ'বলা। বিছনাৰপৰা উঠি আহি তেওঁ দুৱাৰখন খুলিলে। ইমান অশান্তিৰ মাজতো তেওঁৰ মুখত যেন খন্তেকৰ বাবে আনন্দৰ জেউতি বাগৰি যোৱা যেন লাগিল।

শান্তিয়ে মোৰ ডিঙিত সাৱটি ধৰি কান্দি কান্দি ক'লে "আপুনি আহিছে। মোৰ বিশ্বাস হৈছিল আপুনি আহিব। কিন্তু এয়া চাওক আপোনাৰ চেনেহৰ মাণিকৰ অৱস্থা।"

মোৰ আগত ফটাছিটা কেইখনমান কাপোৰৰ ওপৰত ল'ৰাটি শুই আছে। তাৰ শৰীৰত এটুপি তেজো নাই যেন মোৰ অনুমান হ'ল। ওচৰলৈ গলোঁ, কিজানি সেৱা-শুশ্রূষাৰে তাৰ জীৱন ফিৰাই আনিব পাৰোঁ। কিন্তু ল'ৰাটিৰ গাত হাত দিয়াৰ লগে লগেই মোৰ বকুখন কঁপিবলৈ ধৰিলে। তথাপি হাত ভৰি পৰীক্ষা কৰি চাই গম পালোঁ হাত ভৰি বৰফ—চেঁচা। মোৰ চকুৰেদি চকুলো বৰলৈ ধৰিলে। শান্তিয়েও হিয়া ধাকুৰি কান্দিবলৈ ধৰিলে। শান্তিক মই কেনেকৈ সান্ত্বনা দিম? মোৰ নিজৰ মনেই সান্ত্বনা লাভ কৰিব পৰা নাই। মোৰ অতীতৰ আবেগিক কাৰ্যকলাপ এটা এটাকৈ মনত পৰিল। যিমান পাৰোঁ মনেৰে নিজকে তিৰস্কাৰ কৰিলোঁ। মোৰ বলিয়ালিৰ অন্ত পৰিল। বিচ্ছেদৰ দাৰুণ মনস্তাপে মোৰ বিবেকক সজাগ কৰি তুলিলে।

ভালেখিনি সময়ৰ মূৰত মনটো ডাঠ কৰিলোঁ। দুয়ো হাতেৰে ল'ৰাটিক হাতত তুলি লৈ কলো "শান্তি, তুমি এদিন অপৰাধী হৈ নিজকে দান কৰিছিলা। আজি ময়ো মোৰ অপৰাধৰ কাৰণে মৰমৰ মাণিকক দেৱতাৰ হাতত অৰ্পণ কৰিলো। দুয়োটাই অপৰাধৰ শ্ৰেষ্ঠ দান।"

ল'ৰাটিক হাতত লৈ ঘৰৰ বাহিৰ ওলালোঁ। এটা ফেচাই নিউ নিউকৈ চিঞৰি উঠিল। শান্তিয়ে হুৰাশুৰাকৈ কান্দি মোৰ পাছে পাছে আহিব ধৰিলে। আন মানুহে তেওঁক শূন্য ঘৰলৈ ফিৰাই নিলে। মই শ্মশানৰ পিনে খোজ ললোঁ।

মোৰ চঞ্চলতাৰ প্ৰায়শ্চিত্ত হ'ল। মোৰ নিজৰ অপৰাধৰ কাৰণে যাক দান কৰিলো তাৰ চিন্তাই মোক আজিও পুৰি আছে আৰু আগলৈকো পুৰি থাকিব।

১৯৭০

মাতৃ

শিক্ষা—যাৰ কাৰণে কুমাৰী কণিকাই নিজৰ জীৱন উছৰ্গি দিম বুলি মনতে ভাবিছিল, বৰ আচৰিত ৰকমে সেই শিক্ষা শেষ হ'ল তেওঁৰ বি.এ. উপাধি লাভৰ লগে লগেই। উচ্চ উপাধি লাভৰ সপোন আৰু তাৰ আনুসাঙ্গিক সা-সুবিধাৰ কল্পনা আন এটা প্ৰবল আকাঙ্খাৰ হেচাত ক্ৰমে নিষ্প্ৰভ হৈ পৰিল। কণিকাৰ মনোৰাজ্যত মোহন মূৰত্তি ধৰি থিয় হ'ল এক নবাগত অচিনাকি অতিথি। কোনো উপাধিৰে বিভূষিত নহলেও এই অতিথি—যুৱকৰ মুখত মিঠা মিঠা কথা আৰু প্ৰাণ চঞ্চল কৰা মোহনীয় ব্যৱহাৰ। ইন্সুৰেঞ্চ কোম্পানিৰ অৰ্গেনাইজাৰ তেওঁ—কৰ্মঠ আৰু খ্যাতিমন্ত। তেওঁ কথা ক'বলৈ জানে, জানে আনক উপলব্ধি কৰিবলৈ আৰু হিয়া উবুৰিয়াই ভাল পাবলৈ।

এজনী যুৱতীয়ে ইয়াতকৈ বেছি আশা নকৰে।

সিও এটা দিন। কণিকাই বি. এ. পাছ কৰা বুলি অলপ আগতে খবৰ পাইছে। তেওঁৰ হিয়াত আনন্দৰ উখল-মাখল। কত যত্ন আৰু কত সাধনাৰ ফলত লাভ কৰা এই ডিগ্ৰীটো। মনৰ আনন্দ প্ৰকাশ কৰিবলৈ যেন তেওঁ ব্যাকুল হৈ পৰিছে। তেওঁৰ আপোন মানুহ নোহোৱা নহয়। এওঁলোকে এখন্তেকলৈ তেওঁৰ ঘৰলৈ আহিব নোৱাৰেনে? চঞ্চলা কণিকা ৰুমৰ ভিতৰত থিৰেৰে থাকিব পৰা নাই। কেতিয়াবা তেওঁ ঘৰৰপৰা বাহিৰলৈ ওলাই আহিছে আৰু কেতিয়াবা কোঠাৰ ভিতৰতে ইফাল সিফাল কৰি ঘূৰি ফুৰিছে। বাহিৰত আহাৰ মহীয়া প্ৰখৰ ৰ'দ। ইপিনে গছৰ পাত এটিও লৰচৰ কৰা নাই। পশু-পক্ষী, গছ-গছনি, সকলোৱে যেন ক্লান্ত, অবসন্ন। কিন্তু গা পুৰি নিয়া এই গৰমকো উপেক্ষা কৰি হাতত ছাতি এটা লৈ বেগাবেগিকৈ এজন মানুহ বাটেৰে আহিব ধৰিছে। চঞ্চলা কণিকাই উৎগ্ৰীব হৈ মানুহজনৰ পিনে চাই থাকিল। অন্তৰত হেন্দোলনি তোলা আনন্দৰ ভাববোৰ তেওঁৰ চকুৰে মুখে বিৰিঙি ওলাল। মানুহজন আহি চোতালত ভৰি দিওঁ নিদিওঁতেই কণিকা বাৰেণ্ডাৰপৰা নামি আহি মানুহজনক উদ্দেশ্যে কৰি ক'লে "আজি পৰীক্ষাৰ খবৰ ওলাল।"

ছাতিটো জপাই অভ্যাগতে হাঁহিমুখে উত্তৰ দিলে, "এৰা, তাৰ বাবেইটো

আহিছোঁ তোমাক অভিনন্দিত কৰিবলৈ। তোমাৰ শাৰীৰিক অসুস্থতালৈ লক্ষ্য কৰি মোৰ মনত ভয়েই সোমাইছিল। পিছে, আই সৰস্বতীৰ কৃপাত সকলো ভালেই হ'ল।"

দুয়ো কমৰ ভিতৰ সোমাল। যুৱকৰ ক্লান্ত অথচ সেন্দুৰীয়া মুখখনিৰ পৰা টোপাটোপ ঘাম বাগৰি পৰিব ধৰিছে। ঘনে ঘনে কমালেৰে ঘাম মচি থাকিলেও পুনৰাই ঘামৰ টোপালবোৰ বিৰিঙি ওলায়ে আছে। আথেবেথে এখন বিচনী লৈ আহি যুৱকৰ ওচৰতে বহি কণিকাই তেওঁক বিচিবলৈ ধৰিলে। ঘাম মচি মচিয়েই যুৱকে কণিকাৰ ধৈৰ্য আৰু বুদ্ধিৰ শলাগ ললে আৰু ক'লে "মই জানোঁ। তুমি বুদ্ধিমতী, নহলে এনে অসুবিধাৰ মাজত পৰীক্ষাত কৃতকাৰ্য হোৱা লোক বিৰল। আনৰ কথা নকওঁ। মোৰ নিজৰে কথা শুনা। মই তিনিবাৰ আই. এ. পৰীক্ষাত বহি শেষত জানিবা কোনোমতেহে সৰকিলোঁ। কিন্তু এবছৰ মাখোন পঢ়িয়েই উপাধিৰ মায়াজালৰ পৰা নিজকে মুক্ত কৰিলোঁ।"

কণিকাই হাঁহিলে। যুৱকৰ পোনপটীয়া আৰু অকপট ব্যৱহাৰে যেন তেওঁক যুৱকৰ ওঁচৰলৈ টানিলে। যুৱকৰ মুখখন তেতিয়াও সেন্দুৰীয়া হৈ আছে। কণিকাৰ অন্তৰ কৃতজ্ঞতাৰে উপচি পৰিল। তেওঁ ভাবি নাপালে কেনে আপুৰুগীয়া বিভূতিৰে তেওঁ যুৱকক আদৰিব। যুৱকে উপদেশৰ সুৰত ক'লে, "এতিয়া তুমি তোমাৰ শৰীৰলৈ চোৱা। অসুখীয়া শৰীৰৰ ওপৰত ইমান অত্যাচাৰ সহ্য নহ'ব।"

কণিকাই গধুৰ মনেৰে উত্তৰ দিলে "যত্ন ললে জানোঁ মই মাধুৰী হ'ব পাৰিম?"

কথাষাৰ কৈয়েই তেওঁ যেন লাজ পালে। তেওঁৰ মুখৰ ওপৰত এটা বঙ্কিম আভা দেখিবলৈ পোৱা গ'ল।

"তুমি ভুল বুজিছা কণিকা। মোৰ ধাৰণা অনুসৰি মাধুৰীৰ লগত তোমাৰ তুলনা নহয়। মাধুৰীৰ চোকা মুখখনিৰ আঁৰত এখন উদাৰ আৰু সহানুভূতিশীল হৃদয় লুকাই থকাৰ কথা তুমি ক'লেও মই বিশ্বাস কৰিব নোৱাৰোঁ। মই ভুল কৰিছো নেকি?"

কণিকাই উত্তৰ নিদিলে আৰু বিষয়টো তল পেলাবলৈ বুলি তেওঁ সুধিলে, "আপোনালৈ এগিলাছ চৰ্বত আনো। অলপমান বহক।"

কণিকাই নিজ হাতেৰে চৰ্বত বনাই যুৱকৰ ওচৰলৈ আহি দেখে যে

মাক কমত বহি যুৱকৰ লগত কথা পাতিছে। কণিকাই চৰ্বত গিলাচ মেজত থৈ ভিতৰলৈ গ'ল।

অলপ পিছতে মাক ভিতৰলৈ সোমাই আহি কণিকাক সুধিলে "মহেন্দ্ৰ বাপাক তামোল দিয়া নাই নেকি অ'?"

"নাই দিয়া—দিওঁ" বুলি কৈ লৰালৰিকৈ দুখনমান তামোল বটাত লৈ বটাখন যুৱকৰ আগত থলেহি। যুৱকে তামোল এখন হাতত লৈ "এতিয়া আহোঁহে" বুলি থিয় দিলে। বাধা দি কণিকাই ক'লে "অলপ বহকচোন। বাহিৰত ইমান ৰ'দ! আপুনি আনক শৰীৰৰ যত্ন লবলৈ কয় কিন্তু নিজেই দেখোন শৰীৰৰ প্ৰতি উদাসীন?"

এজন দাৰ্শনিকৰ সুৰত মহেন্দ্ৰই উত্তৰ দিলে, "সুখ সম্ভোগৰ কামনা মানৱ-অন্তৰৰ চিৰন্তন অথচ অপূৰ্ণ মনোৰথ। নিজৰ ইচ্ছাতে কেৱে তাক উপেক্ষা নকৰে কণিকা। কিন্তু কি কৰিম। কৰ্তব্যৰ তাগিদা। আজিতো অসমীয়া জাতিৰ আগৰ দিন নাই।"

কণিকাৰ কল্পনাত যুৱকৰ মনৰ ৰুদ্ধ বেদনা উজ্জ্বল হৈ উঠিল। হাঁহিভৰা মুখৰ আৱৰণৰ আঁৰত তেওঁ দেখিবলৈ পালে এটা অতৃপ্ত বুভুক্ষাৰ নিৰ্মম তাড়না।

কণিকাই মনতে ভাবিলে তেওঁ জানো যুৱকৰ মনোবেদনা আঁতৰোৱাৰ চেষ্টা কৰিব নোৱাৰে? চিন্তাৰ লগে লগে তেওঁৰ নিজৰ কৃশ শৰীৰ আৰু পাণ্ডুবৰ্ণ মুখখনি মনত পৰিল। তেওঁ লাজতে তলমূৰ কৰিলে। যৌৱনৰ মাধুৰিমাই তেওঁৰ অন্তৰত যি সৌন্দৰ্য-লিপ্সা জগাই তুলিছে সিয়েই তেওঁৰ শৰীৰৰ কমনিয়তা সহস্ৰগুণে বঢ়াই নিদিলে কিয়?

মহেন্দ্ৰই মাত লগালে, "একো নামাতিলা দেখোন কণিকা? তুমি এজনী বুদ্ধিমতী ছোৱালী। তুমি ভবা নেকি যে অসমীয়া জাতি কৰ্মঠ নহলে, এই জাতিটোৱে অসমীয়া নাম লৈ তিষ্ঠি থাকিব পাৰিব?"

কণিকাই প্ৰশ্নটোৰ উত্তৰ নিদি অলপ লেনিয়াই ক'লে, "আপুনি মিছাকৈয়ে মোক বুদ্ধিমতী বুলিছে।"

অলপ ঠাট্টাৰ সুৰত মহেন্দ্ৰই উত্তৰ দিলে, "এৰা, শব্দ পাতনিত ভুল হলে তুমি ক্ষমা কৰিবা। মইতো তোমাবদৰে ডিগ্ৰীধাৰী নহওঁ।"

কণিকা গম্ভীৰ হৈ পৰিল, ফুটাই ক'লে "মই জানো আপুনি ডিগ্ৰীধাৰী নহয় বুলি কেতিয়াবা কৈছোঁ?"

মহেন্দ্ৰই বুজিলে যে কথা বেসুৰা হ'ল। তেওঁ ততালিকে চকীৰপৰা উঠি আহি কণিকাৰ হাতত ধৰি ক'লে, "মই তোমাৰ অন্তৰখন ভালকৈ জানিও ধলিয়ালি কৰিছো কণিকা। তোমাৰ পবিত্ৰ অন্তৰত আঘাত দি মই নিজেই দুখ পাইছোঁ। তুমি মোক ক্ষমা কৰা।"

কণিকাৰ গোটেই গাটোৰ ওপৰত এক আনন্দৰ পুলক বাগৰি গ'ল। দুয়ো দুয়োৰে মুখলৈ চাই অলপ সময় থিৰ হৈ ৰ'ল। এনেতে আঁতৰত ধানৰ কলৰ দীঘল উকিয়ে পৰিশ্ৰান্ত বনুৱাবোৰৰ তন্দ্ৰালস শৰীৰত নতুন প্ৰেৰণা সঞ্চাৰ কৰিলে। মহেন্দ্ৰৰ মনত পৰিল তিনি বজাত তেওঁ বেলতলালৈ যাব লাগে। মন ভাৰ কৰি তেওঁ কণিকাৰ ঘৰৰ পৰা ওলাল আৰু ৰ'দৰ প্ৰখৰতাকো ভয় নকৰি তেওঁ আলিবাটেদি আঁতৰাই গ'ল। কণিকাৰ অন্তৰভেদী এটা আনন্দৰ হুমুনিয়াহ ওলাই আহিল। তাই মনতে ভাবিলে "মহেন্দ্ৰই তেনেহলে তেওঁক সঁচাকৈয়ে ভাল পায়।"

নিজৰ ইচ্ছাৰ বিৰুদ্ধে হলেও কতব্যই মহেন্দ্ৰক কণিকাৰ পৰা আঁতৰাই লৈ যায়। কণিকাৰ মনত সন্দেহৰ ভাববোৰে কেউপিনৰ পৰা আহি জুমুৰি দি দি ধৰে। তেওঁ দোষ দিয়ে নিজৰ অদৃষ্টক। মূৰ মেলাবলৈ গৈ নিজৰ ক'লা আৰু নিস্তেজ মুখখনি আয়নাত দেখিবলৈ পাই তাই খঙত জ্বলিপকি উঠে। তেওঁ ভাবে মহেন্দ্ৰ পুনাই তেওঁৰ ঘৰলৈ আহিলে কণিকাই তেওঁৰ লগত অচিনাকি মানুহৰ দৰে আচৰণ কৰি তেওঁক শাস্তি দিব, কিন্তু কেইদিনমান পিছত হঠাতে মহেন্দ্ৰ আহি ওলালে তেওঁ দেখিবলৈ পায় যে মহেন্দ্ৰৰ কথাত আৰু আচৰণত কোনো পৰিৱৰ্তনৰ চিন নাই। আগৰ আপোন ভোলা মানুহ জন এতিয়াও আপোনভোলা হৈয়েই আছে। মহেন্দ্ৰৰ মৰম-সনা কথা আৰু হাঁহিভৰা মুখ ঠিক আগৰ দৰেই আছে। নিমিষতে আগৰ পৰা থুপাই থোৱা খং আৰু অভিমান কৰবালৈ উৰা মাৰে। দুনাই তেওঁৰ মনলৈ আহে মহেন্দ্ৰৰ ওচৰত আত্মসমৰ্পণৰ লঘিমা।

দিন যোৱাৰ লগে লগে কণিকাৰ মাক আৰু বুঢ়ীমাকৰ মাজত কণিকাৰ বিয়াৰ বিষয়ে দীঘলীয়া আলোচনা চলে। আঁতৰৰ পৰা কথাবোৰ শুনি কল্পনাৰ ফুলনিৰ মাজত কণিকাৰ মন অনাই বনাই ঘূৰি ফুৰে। ঠিক এনে সময়তে কেতিয়াবা মহেন্দ্ৰ ক'ৰবাৰ পৰা আহি উপস্থিত হয়। কণিকাৰ মাক আৰু বুঢ়ীমাকে মিঠা মিঠা কথাৰে তেওঁক আপোনজন কৰি পেলায়। তেওঁক আদৰ অভ্যৰ্থনা কৰে আৰু নানান দিহা পৰামৰ্শ দিবলৈকো কুণ্ঠা বোধ নকৰে। ৰবলা

জীৱন যাপন কৰা মহেন্দ্ৰয়ো তেওঁলোকক লাহে লাহে তেনেই আপোন আৰু হিতাকাঙ্ক্ষী জন বুলি ভাবিবলৈ বাধ্য হয়। ইঞ্চুৰেঞ্চ কোম্পানীৰ এজন কৰ্মী হিচাবে তেওঁৰ সম্ভাৱ্য বহুতো মানুহৰ লগতে আছে কিন্তু এনে সম্ভাৱৰ পিছত আছে স্বাৰ্থ পূৰণৰ এটা গুপুত আকাংক্ষা। কণিকাহঁতৰ ঘৰৰ লগত যি সম্বন্ধ গঢ়ি উঠিছিল তাৰ মাজত নাছিল কোনো বণিক-বিচাৰৰ প্ৰলোভন। এইবাৰে কণিকাৰ মাক আৰু বুঢ়ীমাকৰ আদৰ আপ্যায়নত আছিল এটা নতুন আকৰ্ষণ।

দিনে দিনে কণিকাৰ প্ৰতি মহেন্দ্ৰৰ আকৰ্ষণ বাঢ়ে। ছোৱালীজনীৰ উজ্জ্বল চকুযুৰিত আছে অনুৰাগ-ভৰা জ্যোতি। তাৰোপৰি কণিকাৰ ক'লা চালখনৰ মাজেদি যেন প্ৰস্ফুটিত হয় শুভ্ৰ সৰলতা।

কণিকাৰ অমায়িক আৰু সৰল ব্যৱহাৰে মহেন্দ্ৰক আপোন-পাহৰা কৰে আৰু দিনে দিনে তেওঁ কণিকাৰ ঘৰখনৰ আৰু কণিকাৰ ওচৰ চাপি আহিবলৈ ধৰে।

আজিকালি মহেন্দ্ৰ সঘনে কণিকাহঁতৰ ঘৰলৈ আহে। ব্যৱসায়ৰ দিশত তেওঁৰ অলপ ক্ষতি হলেও তেওঁ ভাবিবলৈ আৰম্ভ কৰে যে অকল টকা-কড়িয়েই জীৱনৰ একমাত্ৰ কাম্য বস্তু নহয়, সঙ্গ-সুখৰ যি আনন্দ সেই আনন্দ টকা-পইচাৰে কিনিব নোৱাৰি।

কেতিয়াবা কেতিয়াবা কণিকাই একো একোখন আলোচনী আনি মহেন্দ্ৰক পঢ়িবলৈ দিয়ে। মহেন্দ্ৰই আলোচনী খনৰ পাতবোৰ লুটিয়াই বগৰাই চাই অৱশেষত মেজৰ ওপৰত থৈ দিয়ে। কণিকাই হিঁ হিঁ কৈ হাঁহিবলৈ ধৰে। কণিকাৰ লগতে মহেন্দ্ৰয়ো হাঁহি মাৰি কয় "কিতাপৰ পোক হ'ব নোৱাৰাৰ বাবেই আজি টলৌ টলৌকৈ ঘূৰি ফুৰিবলগীয়া হৈছে। মহেন্দ্ৰৰ কথাত কণিকাই দুনাই হাঁহে। মনৰ আনন্দই তেওঁৰ ক'লা মুখখনিৰ ওপৰত এটা খন্তেকীয়া জেউতি উজ্জ্বল হৈ উঠে।

আন এদিনাখন কণিকাই এটি গল্প উলিয়াই লৈ মহেন্দ্ৰৰ ওচৰ পালে। মহেন্দ্ৰই আলোচনীখনৰ ওপৰে ওপৰে চকু ফুৰাই চোৱাৰ পিছতো কণিকাই এটা গল্প উলিয়াই মহেন্দ্ৰৰ মতামত বিচাৰিলে। মহেন্দ্ৰই দৌৰাদৌৰিকৈ গল্পটো পঢ়ি শেষ কৰিলত কণিকাই আগ্ৰহেৰে সুধিলে "কেনে পালে?"

"বেছ, ভালেই লাগিছে।" মহেন্দ্ৰই উত্তৰ দিলে।

কণিকাই হাঁহি মাৰিয়েই অভিযোগ উত্থাপন কৰিলে, "আপোনালোক মতা মানুহবোৰ এনেকুৱাই।"

অলপ অসন্তুষ্ট হৈ মহেন্দ্ৰই প্ৰশ্ন কৰিলে "কেনেকুৱা?"

"এই যে গল্পত দেখিলে স্বাৰ্থপৰ। আপোনালোকৰ মতে সকলো অনিষ্টৰ মূল ছোৱালীবোৰেই—সিঁহতৰ লাজ নাই, সিঁহতে ডেকাল'ৰাক পথভ্ৰষ্ট কৰে। ছোৱালীৰ ওপৰত এইবোৰ পুৰুষৰ অত্যাচাৰ নহয়নে৷ কি?"

অলপ ভাবি চিন্তি মহেন্দ্ৰই উত্তৰ দিলে "শুনা কণিকা, কাব্য নাটক, গল্প প্ৰভৃতিৰ বিচাৰ কৰাৰ যোগ্যতা মোৰ নাই বুলি ভাবোঁ। কিন্তু জৈৱিক সমস্যাৰ কথা জীৱনৰ অভিজ্ঞতাৰ পৰাই অলপ অচৰপ বুজি পাওঁ। তথাপি ইঞ্জিনিয়াৰৰ কামত সদায় ব্যস্ত হৈ থকাৰ কাৰণে মই তেনেই ব্যৱসায়ী হৈ পৰিছোঁ বুলিয়েই তুমি ধৰিব পাৰা। সঙ্গীত, সাহিত্য প্ৰভৃতিতকৈ এটা টকাৰ বৰ্ণ্ৰণীয় মাত নাইবা এটা সোণৰ মোহৰৰ দৃষ্টিয়ে মোৰ মন সহজে আকৰ্ষণ কৰে।"

কণিকাই মুখত সোপা দি হাঁহিব ধৰিলে। তেওঁ হয়তো মনতে ভাবিলে "কেনে নীৰস কাষ্ঠ-খণ্ড।"

মহেন্দ্ৰই কৈ গ'ল "তথাপি মই ভাবোঁ যে মতা-তিৰোতাৰ স্বাৰ্থ ভিন ভিন নহয়। গাৰ্হস্থ্য জীৱনত দুয়োৰে আগত এটা স্বাৰ্থই থাকে। কিন্তু জীৱনৰ বাটত পদস্খলন হলে তাৰ বাবে কোন দায়ী তুমি জানো ক'ব পাৰিবা।"

অলপ সময় কণিকা মনে মনে থাকিল। তাৰ পাছত লাহেকৈ মাত লগালে "বুজিছোঁ, আপুনিও নিশ্চয় ভাবে সমাজৰ অনাচাৰ ব্যভিচাৰৰ বাবে নাৰীয়েই দায়ী।"

"তুমি ভুল বুজিছা কণিকা। সংযমৰ বন্ধন পাৰ হৈ যাবলৈ দিলে যৌন-তৃষ্ণাই মতা-তিৰোতা দুয়োকে বিপথগামী কৰে। শিক্ষা আৰু উপযুক্ত পৰিবেশৰ মাজত থাকিলে যৌন কামনা অবদমিত হৈ থাকে।"

এইবাৰ কণিকা মনে মনে থাকিল। তেওঁ হয়তো ভাবিলে যে মহেন্দ্ৰৰ লগত মিছামিছি তৰ্ক কৰি লাভ নাই। মহেন্দ্ৰ পুৰুষ। পুৰুষৰ দৃষ্টিৰেই তেওঁ সকলো কথা চাব।

সিদিনাখন গধূলিৰ বিদায় মহেন্দ্ৰৰ প্ৰতি তেনেই নীৰস হৈ পৰিল। যিখিনি আদৰ-অভ্যৰ্থনা আশা কৰি তেওঁৰ মন কণিকাৰ ঘৰলৈ লৰিছিল সেইখিনি পোৱাৰ সৌভাগ্যতো নহলেই কিজানি ভৱিষ্যত আশা আকাঙ্খাৰ বাটতো সিদিনাৰ সাধাৰণ আলোচনাই বিঘিনিপথালিৰ কাৰণ হৈ পৰে তাৰে ভাৱনাত তেওঁ বিব্ৰত হৈ পৰিল। মহেন্দ্ৰৰ মনত এটা ধাৰণা আছিল যে তেওঁ নিজেই বি. এ. পাছ কৰিব নোৱাৰিলেও এজনী বি. এ. পাছ কৰা ছোৱালী বিয়া কৰাই নিজৰ পৌৰষৰ চিনাকি দিব। সকলো পাৰিপাৰ্শ্বিক অৱস্থালৈ চাই

তেওঁ মনতে স্থিৰ কৰিছিল যে কণিকাই তেওঁৰ উপযুক্ত পাত্ৰী হ'ব। কণিকা-ইতৰ ঘৰৰ লগত ঘনিষ্ঠ হৈ পৰাৰ কাৰণো এয়ে।

আশা-নিৰাশাৰ আনন্দ নিৰানন্দৰ মাজত মহেন্দ্ৰ বেছি দিন বৈ থাকিব নালাগিল। সোনকালে মাক আৰু বুঢ়ীমাকে মহেন্দ্ৰৰ লগত কণিকাৰ বিয়াখন পাতি এটা গধুৰ দায়িত্বৰ বোজা পাতলাই ললে। ছোৱালীক শিক্ষা-দীক্ষা দিয়াতকৈয়ো উপযুক্ত পাত্ৰৰ হাতত অৰ্পণ কৰাটো মহত্বৰ কাম যেতিয়া কণিকাৰ মাক-বুঢ়ীমাকে ইয়াত আনন্দ পোৱাটো স্বাভাৱিক।

সংসাৰৰ জঞ্জালৰ মাজত সোমাই পৰাৰ পিছত মহেন্দ্ৰৰ কানত নতুন নতুন দায়িত্বৰ বোজাবোৰে হেঁচা দিবলৈ ধৰিলে। প্ৰথমতে এনে কামবোৰত তেওঁ এক প্ৰকাৰ আনন্দই পাইছিল কিন্তু লাহে লাহে যেতিয়া তেওঁ দেখিলে যে তেওঁৰ শক্তি-সামৰ্থ্য বিক্ষিপ্ত হৈ পৰিব ধৰিছে তেতিয়া ভৱিষ্যত জীৱনৰ ভাৱনাই তেওঁক অশান্ত কৰি তুলিব ধৰিলে। এপিনে কণিকাৰ সুখ-স্বাচ্ছন্দ্যৰ চিন্তা আৰু আন পিনে ব্যৱসায়ৰ মন্থৰ গতিয়ে তেওঁক লাহে লাহে চিন্তা-ক্লিষ্ট কৰি তুলিলে। কণিকা শিক্ষিতা। কিতাপ-পত্ৰ পঢ়াৰ আৰু সমাজৰ লগত মিলামিছা কৰাৰ সুবিধা কণিকাই পাব লাগে। মহেন্দ্ৰই ভালকৈ উপলব্ধি কৰিলে যে এইবোৰ সা-সুবিধা দিবলৈ তেওঁ সক্ষম নহয়। তথাপি কণিকাৰ বাবে মহেন্দ্ৰই যিখিনি কৰিছে তাৰ কথা ভাবিলে কণিকাৰ মনত কোনো অভিযোগ নাথাকে।

মাজে সময়ে দুই এজনী ছোৱালী কণিকাৰ ওচৰলৈ আহে। কোনোবা এজনীক হয়তো শুধৰাই দিব লাগে এখন ৰচনা। আন কোনোবা এজনীক হয়তো লাগে তাই নিজে ৰচনা কৰা এটা কবিতাৰ ভাল-বেয়া বিচাৰ। নানান ঘৰুৱা জঞ্জালৰ মাজতো কণিকাই ছোৱালীবোৰক যিখিনি পাৰে সহায় কৰে।

আদৰ্শানুসৰণৰ উৎসাহ আৰু বাস্তৱতাৰ পীড়ণৰ মাজত কণিকাৰ মনোৰাজ্যত সংঘাত। তেওঁৰ মনৰ মাজত তুমুল সংগ্ৰাম। তেওঁ আদৰ্শ উপলব্ধিৰ বাটত আগবাঢ়ি যাবও নোৱাৰে আৰু সাংসাৰিক সুযোগ-সুবিধাও লাভ কৰিবও নোৱাৰে।

বিয়াৰ কেইমাহমান পিছতেই মাতৃত্বৰ সকলো লক্ষণ কণিকাৰ গাত প্ৰকাশিত হ'ল। আগৰে পৰা নিস্তেজ কণিকাৰ মুখখনি দিনে দিনে শেঁতা হৈ যোৱা দেখি মহেন্দ্ৰ চিন্তাম্বিত হ'ল। আনহাতে এটা অহেতুক ভয় আৰু দুশ্চিন্তাই কণিকাৰ অন্তৰৰ গোপন কক্ষত ঠাই ললে। তেওঁৰ মনৰ মাজত উজ্জ্বল হৈ থকা উচ্চ আদৰ্শ লাহে লাহে মলিন হৈ আহিব ধৰিলে আৰু তেওঁৰ

মনত ভয় সোমাল যে তেওঁ মৰিব। ওচৰ-পাজৰৰ ছোৱালীবোৰ আহি তেতিয়াও তেওঁক আমনি দিয়ে। কোনোবা এজনীক হয়তো লাগে অভ্যৰ্থনা সমিতিৰ সভানেত্ৰীৰ অভিভাষণ এখন লিখি দিব, আন এজনীক হয়তো লাগে এটা কবিতা শুধৰাই দিব। আগেয়ে হলে এইবোৰ কামত কণিকাই মনতে আনন্দ পাইছিল কিন্তু এতিয়াও ছোৱালীইঁতক সহায় কৰাৰ ইচ্ছা থাকিলেও শাৰীৰিক অসুস্থতাই তেওঁক বাধা দিয়ে। এতিয়া বেছি সময় তলমূৰ কৰি থাকিলে কণিকাৰ মূৰ ঘুৰায় আৰু গা ৰাইজাই কৰে।

অৱশেষত ডাক্তৰৰ পৰামৰ্শ অনুসৰি মহেন্দ্ৰই তিনি মাহলৈ কণিকাক মিছন হস্পিতালত ৰাখিলে। মানসিক, শাৰীৰিক আৰু আৰ্থিক কষ্টৰ মাজত তিনি মাহ পাৰ হৈ গ'ল। তিনি মাহৰ অন্তত দুৰ্বল কণিকাই কোলাত কেঁচুৱা ল'ৰা লৈ ঘৰলৈ উভতি আহিল।

কেঁচুৱাটোৰ আগমনৰে পৰা কণিকাৰ মনৰ দুৰ্ভাবনা বোৰ আঁতৰি গৈছে। মাতৃত্বৰ মহীয়সী শক্তিয়ে যেন তেওঁৰ দুৰ্বল শৰীৰকো সবল কৰি তুলিছে। পোনাটি বৰ আদৰৰ। কণিকাই তাৰ যেনে যত্ন লয় তাকে দেখি মহেন্দ্ৰই আনন্দত হাঁহে। কেঁচুৱাটিয়ে কান্দি উঠিলে কণিকাই তাক আলফুলকৈ তুলি লয় আৰু চুমাৰে তাৰ মুখ শুপোচাই দিয়ে।

মহেন্দ্ৰৰ ইন্সুৰেঞ্চৰ ব্যৱসায় লাহে লাহে পৰিব ধৰে। অসমত নতুনকৈ স্থাপিত হৈছে ভাস্কৰ ইন্সুৰেঞ্চ। এই নতুন প্ৰতিষ্ঠানটোৰ প্ৰতি অসমীয়া মানুহৰ সহানুভূতি আছে। গতিকে আন ইন্সুৰেঞ্চ কোম্পানিৰ ব্যৱসায় অসমত পৰি যোৱাৰ আশঙ্কা অমূলক নহয়। তথাপি মহেন্দ্ৰই নিষ্ঠাৰে কাম কৰিবলৈ চেষ্টা কৰে কিন্তু শ্ৰমৰ অনুপাতে তেওঁ যিখিনি পায় সেইখিনিৰে সংসাৰ নচলে।

কণিকাই লাহে লাহে বুজি পায় তেওঁলোকৰ দুৰ্দিন উপস্থিত হৈছে। এনে সময়ত হাত সাবটি বহি থাকিলে নহ'ব। বাস্তৱতাৰ লগত মুখামুখি হৈ কামত লগাৰ আৱশ্যক হ'ব। পোনতে তেওঁ ঘৰত থকা বন্ধনি ল'ৰাটোক বিদায় দিলে আৰু কগ্ন শৰীৰেৰে আৱশ্যকীয় সকলো কাম কৰিবলৈ তেওঁ দৃঢ় সঙ্কল্প হ'ল। কণিকাই ওচৰৰ কোনো এখন প্ৰাথমিক স্কুলৰ শিক্ষয়িত্ৰীৰ কাম কৰিবলৈকো আগবাঢ়ি আহিল কিন্তু কতো সুবিধা নাপালে। যি নিবনুৱা সমস্যাই অসমৰ যুৱকসকলৰ মাজত আতঙ্কৰ সৃষ্টি কৰিছে সেই সমস্যাই কণিকা আৰু তেনে শিক্ষা লাভ কৰা ছোৱালীক নৈৰাশ্যৰ মাজলৈ ঠেলি দিছে।

চহৰত তেতিয়া মহিলা-সমিতিৰ হৈ চৈ প্ৰবলভাৱে বাগৰিব ধৰিছে।

ছোৱালীবোৰে বিচাৰিছে কণিকাৰ সহযোগিতা। কিন্তু কণিকাৰ সময় নাই। ঘৰৰ চাৰিবেৰৰ মাজত কিছুমান নীৰস অথচ অপৰিহাৰ্য কামত লিপ্ত থাকিবলৈকে যেন তেওঁৰ জীৱন। কণিকাৰ চকুযুৰি ভৰি চকুলো বাগৰি পৰে। দেশৰ আৰু সমাজৰ আহ্বানত যেন তেওঁ এক অনুভূতিহীন মূক প্ৰস্তৰ।

অভাৱ-অনাটনৰ মাজত মহেন্দ্ৰৰ মনৰ সুকুমাৰ অনুভূতিবোৰ মলিন হৈ পৰিব ধৰিছে। সঙ্গীত, সাহিত্য প্ৰভৃতি সুকুমাৰ কলাৰ প্ৰতি তেওঁৰ আকৰ্ষণ এতিয়া নাই। কণিকাৰ মনৰ মাজত উজ্জ্বল হৈ থকা মনৰ কল্পনাবোৰ লাহে লাহে মৰহি যাব ধৰা দেখি তেওঁৰ মনত অসন্তোষ। তেওঁ ভালকৈ বুজিব পাৰিছে যে কণিকাৰ দৰে উচ্চ শিক্ষিতা ছোৱালী এজনীক দিব লগা সা-সুবিধা তেওঁ দিব পৰা নাই।

এদিনাখন ডুপৰীয়া কিছুমান ছোৱালীয়ে সভানেত্ৰীক আগত লৈ কণিকাহঁতৰ ঘৰৰ সমুখেদি সভাস্থলিলৈ আগবাঢ়ি গৈছে। সিদিনা মহিলা সমিতিৰ বছৰেকীয়া অধিবেশন। দুৱাৰ মুখত থিয় হৈ কণিকাই সতৃষ্ণনয়নে এই শোভা-যাত্ৰাৰ পিনে চাই আছে। পিছ পিনৰ পৰা মহেন্দ্ৰই আহি মাত লগালে "বলা, আজিৰ সভাখনকে চাই আহোগৈ।"

কণিকাই খাটাং উত্তৰ দিলে "মই নাযাওঁ।"

মহেন্দ্ৰই মনত আঘাত পালে কিন্তু মুখেৰে নামাতিলে। কণিকাই বুজিলে মহেন্দ্ৰই মনত দুখ পাইছে। তেওঁ গিৰীয়েকক সাবট মাৰি ধৰি উচুপিবলৈ ধৰিলে। মহেন্দ্ৰই তুনাই ক'লে "বলা।" কণিকাই বিছনাত শুই থকা কেঁচুৱাটিৰ পিনে চাই ৰ'ল।

"তুমি বুলৰ কথা ভাবিছা? তাৰ বাবে চিন্তা নকৰিবা। মই তাক ৰাখিব পাৰিম।" বুলি গিৰীয়েকে সমস্যা-সমাধানৰ ইঙ্গিত দিলে।

কণিকাই শুই থকা কেঁচুৱাটিক কোলাত লৈ লাহে ধীৰে ক'লে, "দহ জনৰ উপকাৰ কৰাৰ সৌভাগ্য মোৰ নহলেও মই ইয়াৰ উপকাৰৰ বাবে জীৱন উছৰ্গি দিম। ইয়াৰ শিক্ষা-দীক্ষাতেই মোৰ সকলো শক্তি নিয়োগ কৰাৰ সংকল্প গ্ৰহণ কৰিছোঁ। যেতিয়ালৈকে ই মোৰ চকুৰ আগত আছে তেতিয়ালৈকে মোৰ মনত দুখ নাই।"

ঘৈণীয়েকৰ পুত্ৰস্নেহৰ আদৰ্শ ই গিৰীয়েকক মুগ্ধ কৰিলে। তেওঁ বুজিলে এই শিশুৰ অন্তৰতে লুকাই আছে প্ৰচুৰ সম্ভাৱনা। ইয়াৰ বিকাশৰ বাবেই হয়তো মাতৃয়ে সকলো ত্যাগ কৰিব পাৰিছে।

১৯।৬।৪০

হীৰা

ক্লান্ত আৰু অৱসন্ন নিৰ্মলে সন্ধিয়া ঠেলাগাড়ীখন বাটৰ দাঁতিত একাষৰীয়াকৈ থৈ পুখুৰীপাৰত থকা বেঞ্চখনৰ ওপৰত বহিল। তাৰ কপালৰ পৰা তেতিয়াও ঘাম বাগৰি আছিল। গোটেই দিনটো প্ৰখৰ ৰ'দৰ তাপত শুকাই যোৱা আলিবাটটোৱে যেন তাৰ ভৰিৰ তলুৱা পুৰি নিছিল। সন্ধিয়া পুখুৰী পাৰত বহি তাৰ ভাল লাগিছে। সি আজি ৰাতিলৈকে কাম নকৰে—বিশ্ৰাম লব। দুদণ্ড একেলগে বহি মালতীৰ লগত কথা পতাৰ সুযোগ সি সদায় নাপায়। কামলৈ নাহিলে তাৰ নচলে। বস্তুৰ জুইছাই দাম। ঠেলাখনে দুপইচা নিদিলে সি পইচাৰ মুখ নেদেখে। গতিকে সি কাম কৰে। কামত তাৰ হেলা নাই। ঈশ্বৰে তাৰ বাহুত বল দিছে, শৰীৰত শক্তি দিছে। এটা ৰুগীয়া শৰীৰ পোৱাহেঁতেন সি পেটৰ ভাত মুঠিকে মোকোলাব নোৱাৰিলেহেঁতেন। সি মনতে ভাবে—এটা কামত সি এতিয়াও পাৰ্গত হৈ উঠা নাই। আন আন হিন্দুস্থানী বন্ধুৱাৰ দৰে সি এতিয়াও পিঠিত গধুৰ বোজা সহজে তুলি লব নোৱাৰে। তাৰ অভ্যাস নাই। তথাপি তাৰ ধাৰণা যে সময়ত সি লগৰ বন্ধুৱাবোৰক চেৰ পেলাব পাৰিব।

ধুতিখনৰ এটা মূৰেৰে সি কপালৰ ঘামবোৰ মচি ললে। হাতত ওলোমাই লোৱা কামিজৰ জেপৰপৰা গোটেই দিনটোৰ উপাৰ্জনখিনি উলিয়াই তাকে দুই তিনিবাৰ উৰাই ঘূৰাই গণিলে। এৰা, দহটকা পাঁচ পইছাহে হৈছে। সি ভাবিছিল সিদিনা বাৰ টকামান হ'ব, কিন্তু নহ'ল। নহ'ল নাই। আঠোটা টকাৰে সি চাউল দাইল আৰু বৈণীয়েকৰ বাবে এটা পাউডাৰৰ টিন কিনিব। দুটকাৰে সি বজাৰৰ পৰা বৌমাছ এচকল লব। কেইদিনমান আগৰে পৰা বজাৰত বৌমাছ ওলাইছে। দামো কেজিত বাৰ টকাৰ ঠাইত আঠ টকা হৈছে। সকৰে পৰা তাৰ মাছৰ প্ৰতি লোভ। কিন্তু এতিয়া তাৰ প্ৰতি মাছ দুৰ্লভ।

ঠেলাগাড়ীখন তাতে থৈ সি বস্তুখিনি কিনিলে আৰু সন্ধিয়া পৰত সি ঘৰমুৱা হ'ল। তাৰ মনত আশা মালতীয়ে তাৰ হাতৰপৰা বৌমাছ চকল থাপ্ মাৰি লৈ যাব আৰু তাইৰ ওঁঠত বিৰিঙি ওলোৱা হাঁহি-জিলিকণিয়ে তাৰ গোটেই

গাঁৱে ওপৰত তুলিব এটা শিহৰণ। বন্ধাবঢ়াত মালতীৰ হাত পকা। যোগাৰ দিব পৰাহেঁতেন মালতীয়ে তাক অমৃত খুৱালেহেঁতেন।

নানান কল্পনা আৰু বহুতো আশাৰ সপোন লৈ সি ঘৰৰ দুৱাৰ মুখ পালেহি। দুৱাৰখন জপাই থোৱা আছে আৰু ঘৰৰ ভিতৰত কোনোবাই উচুপিছে। তাৰ বুকুখন কঁপি উঠিল। মালতীয়ে মাকৰ মৃত্যু-বাতৰি পালে নেকি? দুৱাৰখন ঠেলি সি ঘৰৰ ভিতৰ সোমাল। বিছনাত বাগৰি মালতীয়ে উচুপিছে। তাৰ পিনে তাই ঘূৰ দাঙিও চোৱা নাই। নির্মল ওচৰলৈ গ'ল, সুধিলে, "কি হ'ল অ'? কিবা বেয়া খবৰ পালি নেকি। মাৰৰ অসুখ হৈ আছিল নহয়?"

"কি কুলক্ষণীয়া কথাবোৰ কোৱাহে? মোৰ মা মৰিলে তোমাৰ বোধ হয় আনন্দ?"

মালতীৰ পোনপটীয়া আক্ৰমণ নির্মলে সহ্য কৰিব নোৱাৰিলে। মালতীৰ ঠেহ, বোহ সি বহুদিন সহ্য কৰি আহিছে। দিনৰ দিনটোৰ ভাগৰৰ পাছত ঘৰলৈ আহি মালতীৰ ওন্দোলোৱা মুখখন দেখিলে তাৰ পেটে পেটে খং উঠে। কিন্তু পৰাপক্ষত সি খং প্ৰকাশ নকৰে। মালতীলৈ তাৰ ভয়ো আছে। সি হোজা, গাঁৱলীয়া, মোটা বুদ্ধিৰ মানুহ। মালতীয়ে দুটা এটা আখৰো চিনে, টকা-পইচাৰ হিচাবো তাই সোনকালে কৰিব পাৰে। তাৰোপৰি তাইৰ আছে এটা বিলাসী মন। চকুতলগা কাপোৰ, দামী গহনা, স্নো-পাউদাৰ প্ৰভৃতি আধুনিক প্ৰসাধন সামগ্ৰীৰ প্ৰতি তাইৰ প্ৰবল হেঁপাহ। নির্মলে জানে যে মালতীৰ বিলাসী মনৰ সন্তুষ্টি আনিবলৈ সি অক্ষম। সি যোগ্যহীন। শাৰীৰিক শ্ৰমৰ বিনিময়ত সি যিখিনি উপাৰ্জন কৰিব পাৰে তাৰেই সি চলিব লাগিব। মালতীৰ মনে বিচৰা সকলো বস্তুৰ যোগান সি ধৰিব নোৱাৰে। তথাপি তাইৰ প্ৰতি নির্মলৰ স্নেহ আছে। হাতলৈ টকা আহিলেই সি তাইৰ বাবে দুই এপদ বস্তু কিনে। কিন্তু তাৰ ধাৰণা হয় এইবোৰ বস্তুৱে যেন তাইৰ মনৰ সন্তুষ্টি আনিব পৰা নাই। তাইক যেন আৰু কিবাকিবি লাগে।

"মোক মাৰ ঘৰলৈ পঠিয়াই দিয়া।"

চিন্তাত বুৰ গৈ থকা নির্মলে যেন সাৰ পালে। সি খঙেৰে সুধিলে, "কিয়! ইয়াত কি হ'ল? তপত ভাতৰ থোৱাই খালে নেকি? দিনৰ দিনটো শুই বহি মেল মাৰি কটাবি আৰু মই হলে এইখন ঠেলি ঠেলি ব'দে বতাহে ঘুৰি ফুৰোঁ। মই দুখ নাপাওঁ? তোৰ হলে শুই বহি থাকোঁতে হাড়

ভাঙি যায়। বোলো, মাৰৰ ঘৰলৈ গৈ খাবি কি অ'? বুঢ়ীয়ে দেখোন এসাজ খায় আৰু এসাজ লঘোনে থাকে?"

তুমি যি সোপা খুৱাইছা তালৈ চাই লঘোনে থকাও ভাল। মোৰ মাক নধৰিবা, কথা বেয়া হ'ব।"

"কি বেয়া হ'ব অ'? কি বেয়া হ'ব?"

"মই গুচি যাম।"

নির্মল নিমাত হ'ল। মালতী ইমান দূৰলৈ আগুৱাব বুলি সি ভবাই নাছিল। সি ধৰি ললে মালতী তাৰ লগত সুখী হোৱা নাই, তাই আন কাবোবাক বিচাৰে। তাইৰে সম্বন্ধীয়া ৰিক্সাচালক ধৰীন্দ্ৰক সি বাটতে লগ পাইছে। ধৰীন্দ্ৰই নিশ্চয় তইক ফুচুলাইছে। সেই কাৰণে মালতীৰ নোপোৱা বস্তুৰ বাবে আগ্ৰহ বাঢ়িছে। মালতীয়ে তাৰ মুখৰ আগতে গুচি যাওঁ বুলি ক'ব পাৰে যেতিয়া সিয়ো তাইক খেদি দিম বুলি নিশ্চয় ক'ব পাৰিব। তাৰোপৰি মালতীৰ সি উপযুক্ত স্বামীও নহয়। সি বিদ্যাবুদ্ধিহীন সহজ সৰল বনুৱা—মালতী চঞ্চলা, চতুৰা যুৱতী। ধৰীন্দ্ৰৰ প্ৰতি থকা তাইৰ আকৰ্ষণৰ প্ৰমাণ সি দুটা এটা কথাত পাইছিল। তথাপি এজন মূৰ্খৰ দৰে সি একো নজনাৰ ভাও ধৰি আছিল। কিন্তু এতিয়া মনৰ সন্দেহ ঢাকি লাভ নাই। মালতীয়ে বুজক যে তাই তাক যেনে মূৰ্খ বুলি ভাবে তেনে মূৰ্খ সি নহয়। সিয়ো মানুহৰ মতিগতি বুজে—তাৰো পৌৰুষৰ অভিমান আছে।

"তই গুচি যোৱাৰ আগতে মই তোক যাবলৈ দিছোঁ। তই গুচি যা—, ধৰীন্দ্ৰৰ লগতে সুখেৰে থাকগৈ। মই ঠেলাগাড়ী ঠেলোঁ, সি ৰিক্সা চলায়। মই ফুটনি মাৰিব নাজানোঁ, সি এগুণক দহগুণ কৰি মানুহক ভুলাব পাৰে।"

"মোক এৰি দিবলৈ ধন ভাঙি বিয়া কৰাইছিলা কিয়?"

"ভুল কৰিছিলোঁ।"

"এতিয়া ভুলৰ কথা গম পালা নে আন এজনক ঘৰ সুমোৱাৰ মন কৰিছা? সুতাৰকুছিৰ বিধৱা জনীক অলঙ্কাৰ পাতি দিলানে?"

"তোৰ মুখখন বৰকৈ বাঢ়িছে অ'। চুপ থাক। ভালে ভালে এই ঘৰৰ পৰা গুলা। চ'কবজাৰত ধৰীন্দ্ৰক পাবি। সি নিশ্চয় তোৰেই অপেক্ষা কৰিছে।"

মালতীয়ে হুক্ হুক্ কৰে কান্দিবলৈ ধৰিলে। নিৰ্মলৰ খং চুলিৰ আগ পালেগৈ।

"চুপ থাক। এনেকৈ হাহাকাৰ কৰিলে গাঁৱৰ মানুহ গোট খাব।"

মালতী উচুপি থাকিল। নিৰ্মলে ভৰি হাত ধুই এগিলাচ পানী খালে আৰু মজিয়াতে ঢাৰি এখন পাৰি শুই পৰিল। দিনৰ দিনটো কাম কৰি ভাগৰি পৰা তাৰ দেহৰ ওপৰত দুশ্চিন্তা নাই। আবেগৰ বশৱৰ্তী হৈ সি ঘৈণীয়েকক কটু কথা কলেও সেই কথাই তাৰ মন ভাবাক্ৰান্ত কৰি তোলা নাই। মালতীয়ে তেতিয়াও ফেকুৰি ফেকুৰি কান্দি আছিল। কিন্তু যেতিয়া তাই দেখিলে গিৰীয়েক টোপনিত লালকাল, তেতিয়া তাইৰ কান্দোন বন্ধ হ'ল। তাই নানান কথা ভাবিলে। ধৰীন্দ্ৰৰ ছবিটো তাইৰ মনত স্পষ্ট ৰূপত জ্বলি উঠিল। সঁচাকৈয়ে ধৰীন্দ্ৰৰ লগত তাইৰ মিলন হলে কিবা জানো বেয়া হ'লহেঁতেন। এই অঁকৰাজনৰ প্ৰতি তাইৰ দয়া থাকিব পাৰে কিন্তু ভালপোৱাৰ উম্‌ নাই। নিৰ্মলে তাইক বিদায় দিছে। এই সুযোগ তাই গ্ৰহণ কৰা উচিত।

ৰাতি দুয়োৰে খোৱা নহ'ল। ৰোহ কৰি মালতী ভাত ৰান্ধিব নগ'ল। নিৰ্মলেও মনৰ বেজাৰতে এগিলাচ পানী খায়ে পৰি থাকিল। নিশা লঘোনে ভোকে শুই থকা অভ্যাস দুয়োৰে আছে। বজাৰৰ পৰা কিনি অনা মাছৰ টুকুৰাটো বেৰতে ওলমি থাকিল।

ৰাতিপুৱা উঠি নিৰ্মলে হাত মুখ ধুলে আৰু আন দিনাতকৈ সোনকালে ঠেলাগাড়ীখন লৈ ৰাস্তাত উঠিল। সি ভাবিলে চাহ-দোকানত একাপ চাহ খাই ললে অৱসাদ আঁতৰিব। ষ্টেচনৰ পৰা মাৰোৱাৰীৰ গুদামলৈ কঢ়িয়াব লগা কিছু মাল আছে। মহাজনে তাক ৰাতিপুৱাতেই আহিব কৈছে। গতিকে দোকানত চাহ খাই সি মাৰোৱাৰী মহাজনৰ ঘৰৰ পিনে আগ বাঢ়িল।

নিৰ্মল যেতিয়া ঘৰৰ পৰা ওলাই যায় তেতিয়া মালতীৰ টোপনি। নানান কথা ভাবোতে ভাবোতে তাইৰ ভালকৈ টোপনি অহা নাছিল। তাই ভাবি স্থিৰ কৰিব পৰা নাছিল তাই কি কৰা উচিত। তাই ভাবিছিল বহুতো কথা। ভাবি ভাবি তাই ভাগৰি পৰিছিল। তাই জানে যে নিৰ্মলৰ দৰে তাই সবল নহয়। নিৰ্মলৰ খং ৰাগ আছে কিন্তু দুশ্চিন্তা নাই। সি কামৰ মানুহ কিন্তু তাই দুৰ্বল। তাই নানান কথা ভাবে। অনেক অহেতুক কল্পনাই তাইক জুমুৰি দি ধৰে। সেইবাবে নিশা তাইৰ মূৰ গৰম হয়, ভালকৈ টোপনি নাহে। সিদিনাও ভালেখিনি ৰাতিলৈকে তাইৰ টোপনি অহা নাছিল শেষ ৰাতি যি টোপনি আহিল সেই টোপনি ভাঙোতে ৰাতিপুৱা ব'দ উঠিল।

মালতীয়ে বিছনাৰ পৰা উঠি ইফালে সিফালে চাই দেখিলে নিৰ্মল নাই, ঠেলাগাড়ীখনো নাই। তাইৰ মনত খং উঠিল। অভিমানেৰে তাইৰ অন্তৰ ভৰি পৰিল। এই মানুহজন সঁচাকৈয়ে নিষ্ঠুৰ। সি তাইক সঁচাকৈয়ে বিদায় দিছে। বিয়া কৰাই অনা তিৰোতা বুলি এই মানুহজনে তাইৰ কথা অলপো ভাবি নাচালে। বাৰু, তায়ো নিজৰ পথ নিজে বাচি লব। ধৰিত্ৰীয়ে তাইক নিশ্চয় খেদি নিদিয়ে। গতিকে নিজৰ কাপোৰ কানি যিখিনি আছিল সেইখিনি তাই টোপোলা বান্ধি ললে। দুৱাৰ খনত জৰীৰে গাঁঠি দি তাই ঘৰৰ পৰা ওলাল। তাই মনতে ভাবিলে দুনাই তাই সেই চোতালত ভৰি নিদিয়ে।

মালতীহঁতৰ একেটাই ঘৰ। তাৰে এফালে পিৰীয়েক ধৈণীয়েক দুয়ো বান্ধি বাঢ়ি খায় আৰু আনটো ফালত দুয়ো শোৱে। এই সৰু ঘৰটোৰ প্ৰতি নিৰ্মলৰ আকৰ্ষণ আছে কাৰণ এইটো তাৰ পৈতৃক সম্পত্তি। ইয়াৰ লগত তাৰ শৈশৱৰ মধুৰ স্মৃতি জড়িত হৈ আছে। কিন্তু ইয়াৰ প্ৰতি মালতীৰ বিশেষ আকৰ্ষণ থকাৰ কাৰণ নাই, কিয়নো এই ঘৰৰপৰা ওলাই যোৱাৰ সময়ত খং আৰু অভিমানে তাইৰ প্ৰথম মিলনৰ মধুৰ স্মৃতি সাময়িকভাৱে মচি পেলাইছে।

দিনৰ দিনটো কাম কৰি ভাগৰি সন্ধিয়া তাৰ সুখ দুখ বিজড়িত পঁজালৈ নিৰ্মল উভতি আহিল। দিনটোৰ পৰিশ্ৰমে তাৰ জেদী মনৰ দৃঢ়তা কোমোলাই তুলিছে। তাৰোপৰি সিদিনা তাৰ উপাৰ্জনো বেছি। তথাপি সিদিনা সি মাছ কিনা নাই। মালতীয়ে বা কি কৰিছে সি নাজানে। তাইতো গুচি যাবও পাৰে। সি জানো তাইক গুচি যাবলৈ কোৱা নাই।

ভয়ে ভয়ে সি ঘৰৰ দুৱাৰমুখ পালেহি। দুৱাৰখন জৰীৰে বন্ধা। মালতী নিশ্চয় গুচি গৈছে। ঘৰৰ ভিতৰ সোমাই সি দেখিবলৈ পালে মালতীৰ কাপোৰ কানি নাই। মালতী শেষত গ'লগৈ। বিবাৰ দুবছৰ পূৰ্বে নৌহঁওতেই সিহঁতৰ চেনেহৰ জৰী ছিগি গ'ল। ইয়াৰ বাবে দায়ী কোন তাক বিচাৰ কৰাৰ আগ্ৰহ নিৰ্মলৰ নাই। বাৰু, মালতী গ'ল, ভালেই হ'ল। সি মুকলিমূৰীয়া হৈ চলিব পাৰিব।

ঘৰৰ ভিতৰ সোমাই সি এটা বেয়া গোন্ধ পালে। বেৰত ওলমি থকা মাছ ভোখৰ গেলিছে। এই ভোখৰ মাছেই কিবা দেওলগা মাছ। এই মাছ ভোখৰেই সিহঁতৰ মাজত বিচ্ছেদ আনি দিলে। বাহিৰৰ গৰখাৰৈত মাছ ভোখৰ পেলাই দি সি বিছনাখনতে গাটো অলপ পোনাই ললে। অলপ জিৰণি

লৈ সি ঘৰৰ বাহিৰ ওলাল। ওচৰৰ টিউবওৱেলত হাতভৰি ধুই সি একলহ পানী লৈ আহিল। ভাত অলপ খাব লাগিব। আজিৰপৰা বন্ধা-বঢ়া, বাচন ধোৱা, ঘৰ চাফা কৰা প্ৰভৃতি সকলো কাম সি নিজেই কৰিব লাগিব। সি নিজেই মালতীক খেদি দিছে। তিৰোতাৰ সামান্য অভিমানকো সি সহ্য কৰিব নোৱাৰিলে। সি নিজকে নিজে ধিক্কাৰ দিলে। অলপ সময় টলকা মাৰি মজিয়াতে বহি থাকি সি কিবাকিবি ভাবিলে। পিছত আখলত জুই জ্বলাই দি সি ভাত বন্ধাত লাগি গ'ল। নাখালেতো নচলে।

এঘণ্টা মান পিছত। খাবলৈ বুলি ভাত লওঁতে সি দেখিবলৈ পালে যে সি ভুলতে ভাত বেছিকৈ বান্ধিছে। ভুলৰ কাৰণে সি মনত দুখ নাপালে। কাইলৈ সি কৰকৰা ভাতকেই খাব। সি হয়তো ভুলতে মালতীৰ কাৰণেও চাউল বহাই দিলে। কিন্তু মালতীতো নাই। তাই হয়তো দুনাই ঠেলাগাড়ী ঠেলি পেট প্ৰৱৰ্তন কৰা নিৰ্মলৰ ঘৰলৈ ঘূৰি নাহিব।

যেতিয়া নিৰ্মলে বিছনাত বাগৰ দিয়ে তেতিয়া ৰাতি প্ৰায় দহোটা। যোৱা নিশা সি মাটিতে শুইছিল। আজি সি বিছনাতে শুইছে। তথাপি তাৰ মনটো শুদা শুদা লাগিছে। মালতী সঁচাকৈয়ে গুচি গ'ল। কঠুৱা মাতৰ মানুহজনৰ অন্তৰখন বুজিবলৈ তাই চেষ্টা নকৰিলে। নাই, মালতীৰ কথা ভাবি তাৰ মনটো ভাৰাক্ৰান্ত নকৰে। মালতী হয়তো এতিয়া ধৰীন্দ্ৰৰ পাটীৰ তিৰোতা। তাৰ বৈবাহিক জীৱনত ধৰীন্দ্ৰৰ উপস্থিতি এক ধূমকেতুৰ আৱিৰ্ভাৱ। ধৰীন্দ্ৰই মালতীৰ বিলাসী মনৰ সুবিধা লৈছে—তাইক চিনেমালৈ নিছে, চাহৰ দোকানত চাহ খুৱাইছে আৰু বিক্সাত ঘূৰাই লৈ ফুৰিছে। মালতী মুখৰা স্বভাৱৰ হলেও অকৃতজ্ঞ নহয়। ধৰীন্দ্ৰৰ অযাচিত স্নেহৰ আঁৰত আছে মালতীক নিচেই ওচৰতে পোৱাৰ আশা। মালতীয়ে জানোঁ সেইটো বুজি পোৱা নাই।

চিন্তাৰ সোঁতৰ মাজতে নিৰ্মলৰ চকু দুটা লাহে লাহে জাপ খাই গ'ল। কোন মুহূৰ্তত টোপনি আহিল সি কবকে নোৱাৰিলে। হঠাৎ সি সাৰ পাই শুনিবলৈ পালে দুৱাৰখন কোনোবাই ঠেলিছে। দুৱাৰত দাং আছে বাবে বাহিৰৰ পৰা খুলিব পৰা নাই। সি বিছনাৰ ওপৰত উঠি বহিল আৰু শব্দটো ভালকৈ শুনিলে। সৰু সৰু মাতেৰে কোনোবাই যেন তাকেই মাতিছে। চাকিটো জ্বলাই আৰু দাখন হাতত লৈ সি দুৱাৰৰ দাং আঁতৰাই দিলে। সি সন্মুখত দেখিবলৈ পালে যে মালতীয়ে দুৱাৰখন ঠেলি ভিতৰলৈ সোমাই

আহিছে। সি প্ৰথমতে নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাছিল। তথাপি সি আচৰিত হৈ কম্পিত স্বৰেৰে সুধিলে, "মালতী" ?

"কি"

"এই ৰাতি অকলে ক'ৰপৰা আহিলি ?"

"সেইবোৰ কথা কম। মোক অলপ জিৰাবলৈ দিয়া। চোৱাচোন মোৰ বুকুখনে ধান বানিছে।"

স্নেহ ভালপোৱাৰে নিৰ্মলৰ অন্তৰ উপচি পৰিল। সি তাইক হাতত ধৰি মাতিলে "আহ, ভৰি হাত ধো।"

মালতীয়ে চকুপানী টুকিছে।

নিৰ্মলে দুনাই সুধিলে "ধৰীন্দ্ৰক লগ পালি ?"

"পালোঁ। ধৰীন্দ্ৰ মাতাল। এজন বন্ধুৱে মদৰ বটল আনিছিল। দুয়ো খাইছে। ধৰীন্দ্ৰৰ হুচ নাই। বন্ধুৱে মোক বেয়া কথা কৈছে। মই ফাঁকি দি গুচি আহিছোঁ।"

"ভালেই কৰিলি।"

"তুমি মোৰ কথা বিশ্বাস কৰিছাতো ?"

"কৰিছোঁ। তোক জানো আগেয়ে কেতিয়াবা অবিশ্বাস কৰিছিলোঁ ?"

"তেনেহলে আচল কথাটো কওঁ।"

"ক"

"হঠাৎ তোমালৈ মনত পৰিল। ভাবিলোঁ মানুহজন অকলশৰীয়া হৈ পৰিব আৰু ধৰীন্দ্ৰৰ দৰে মাতাল হ'ব। এইটো মোৰ সহ্য নহ'ল। মই লৰি আহিলোঁ তোমাৰ ওচৰলৈ। তুমি থাকিবলৈ দিলে মই ইয়াতেই থাকিম।"

"থাকিবি। তই নাথাকিবি কিয় ? এই ঘৰ, এই সামান্য বয়বস্তু সকলো তোৰেই। মই কেৱল ৰাতিটোহে ইয়াত পৰি থাকোঁ।"

মালতীয়ে উচুপিছে। তাই বুজিব পাৰিছে এই কাঠচিতীয়া যেন লগা মানুহজনৰ অন্তৰখন মৰুভূমি নহয়। শুকান বালিৰ তলেদি স্নেহৰ ফল্গুধাৰা অপ্ৰতিহতভাৱে তাত সদায়ে বৈ আছে।

নিৰ্মলে বিচনীখন লৈ আহি মালতীৰ ওচৰত বহিল।

"জানিছ মালতী, তই নাথাকিলে মোৰ ঘৰখন মৰিশালি যেন লাগে অ' ? মোৰ ঘৰ উদং হৈ যায়।"

মালতীয়ে মুখেৰে মতা নাই। নিৰ্মলৰ কথা শুনি তাইৰ ভাল লাগিছে। ইমান অন্তৰঙ্গভাৱে নিৰ্মলক আগেয়ে পোৱা তাইৰ মনত নপৰে।

হঠাৎ নিৰ্মলে প্ৰশ্ন কৰিলে "ভাত খাইছ?"

"ৰান্ধিছিলোঁ। খোৱা নহ'ল।"

"তেনেহলে এতিয়া খা। তোলৈকো ৰান্ধিছিলোঁ। এভাগ আছে। মই উলিয়াই দিওঁ।"

কাঁহীত ভাত, লোণ, তেল আৰু অলপ আলুপিটিকা আনি নিৰ্মলে মালতীৰ আগত থলে। মালতী উচুপি আছিল, এইবাৰ তাই কান্দি পেলালে। সাময়িক বিচ্ছেদৰ পৰিণতি যে এনে মধুৰ হ'ব তাক তাই সপোনতো ভৰা নাছিল। তাইৰ মানুহজনৰ নামটো যেনে, অন্তৰখনো তেনে—যেন এটা হীৰাৰ টুকুৰা।

১৯৭২

ৰূপহী

আঠ বছৰ মান আগৰ কথা। দীপলিপ গাভৰু ছোৱালী ৰূপহীৰ চলন-ফুৰণ, কথা-বতৰা আৰু আচাৰ-ব্যৱহাৰ দেখি কোনেও ভবা নাছিল যে ৰূপহী এদিন দুখত পৰিব আৰু নানান মানসিক দুশ্চিন্তাৰ মাজেদি তাইৰ দিনবোৰ পাৰ হ'ব। বিয়াৰ সময়ত বহুতো ছোৱালীৰ কাৰণে দৰাৰ অভাৱ হোৱাৰ দৰে তাইৰ দৰাৰো অভাৱ হোৱা নাছিল বৰং বহুতো শিক্ষিত যুৱকে ৰূপহীৰ ওচৰ চাপি আহি আনন্দ পাইছিল। শিক্ষিত ডেকাসকলৰ কেইবাজনো ইচ্ছুক প্ৰাৰ্থীৰ হাতত ৰূপহীৰ দেউতাকে ৰূপহীক সমৰ্পণ কৰিবলৈ ইচ্ছা নকৰিলে কাৰণ সেই যুৱকসকল তেতিয়া আছিল নিবনুৱা আৰু দুখীয়া পিতৃমাতৃৰ সন্তান। ৰূপহীৰ বাপেকে তেতিয়া ভাবি নাচালে যে নিবনুৱাও বনুৱা আৰু দুখীয়া জনো ধনী হ'ব পাৰে। শেহত ৰূপহীৰ মিতিৰ কুটুম সকলৰ পৰামৰ্শমতে ৰূপহীৰ বাপেকে বনবিভাগত কাম কৰা খগেন্দ্ৰই উপযুক্ত পাত্ৰ বুলি বিবেচনা কৰিলে। খগেন্দ্ৰ স্বাস্থ্যবান ডেকা। তেওঁ দৰমহাও পায় মাহে ডেৰকুৰি টকাকৈ। দৰমহাৰ উপৰিও তেওঁৰ বাহিৰা উপাৰ্জনো কিছু আছে। মাজে সময়ে খগেন্দ্ৰৰ ঔদ্ধত্য-প্ৰকাশৰ কথাও বাপেকে জানে কিন্তু ডেকা কালত এনে ঔদ্ধত্য প্ৰকাশ তেজস্বিতাৰেই পৰিচায়ক বুলি তেওঁ ধৰি ললে।

এদিন নানান উৎসৱ আৰু আনন্দৰ মাজত খগেন্দ্ৰ আৰু ৰূপহীৰ বিয়া হৈ গ'ল। ৰূপহীয়ে নিজৰ পিতৃমাতৃৰ ঘৰ এৰি আগেয়ে নজনা নুশুনা যুৱক খগেন্দ্ৰৰ লগত যুগ্ম জীৱন যাপন কৰিবলৈ আৰম্ভ কৰিলে।

বৈবাহিক জীৱনৰ নতুন অভিজ্ঞতাই ৰূপহীক সম্পূৰ্ণৰূপে সুখী কৰিব নোৱাৰিলে। পুৰুষ হৃদয়ৰ বাতৰি তাই আগেয়ে পোৱা নাই। এতিয়া তাই যিমানখিনি জানিছে তাৰপৰা তাইৰ ধাৰণা হৈছে যে পুৰুষৰ মৰম স্নেহ, প্ৰণয়-প্ৰীতি প্ৰভৃতিৰ মাজত যেন আছে এক প্ৰকাৰ ৰহস্য। তাইৰ চুটি বুদ্ধিৰে এই ৰহস্য ভেদ কৰিব নোৱাৰে। এক প্ৰকাৰ অসন্তুষ্টি আৰু সংশয়ে তাইৰ মনৰ পৰা সকলো ধৰণৰ সুখ-শান্তি কাঢ়ি লৈ যায়। লাহে লাহে ৰূপহীৰ মনৰ সন্দেহ ঘনীভূত হৈ আহিব ধৰিলে। তাই মাক-বাপেক আৰু

গাঁৱৰ মানুহৰ পৰা শুনিছে যে পতিভক্তি নাৰীৰ অমূল্য ৰত্ন। পূৰ্বৰ সংস্কাৰৰ বশৱৰ্তী হৈয়েই তাই ইমান দিন চলি আছিল কিন্তু যিদিনা প্ৰথমে ৰূপহীয়ে ৰাতি প্ৰায় বাৰ মান বজালৈ স্বামীগুৰুৰ কাৰণে অপেক্ষা কৰি থকাৰ পিছত তাইৰ আৰাধ্য দেৱতাৰ ভয়ঙ্কৰ উদ্‌ভ্ৰান্ত ৰূপ দেখা পাইছিল সিদিনাই তাইৰ মনত সন্দেহৰ কীট সোমাই পৰিছিল। তেতিয়া ৰূপহীৰ বিয়া হৈ যোৱাৰ দুমাহো অতীত হোৱা নাই। ৰূপহীয়ে ইচ্ছা কৰে গিৰীয়েক তাইৰ ওচৰত থাকি তাইক দিহা পৰামৰ্শ দিয়ক কিন্তু গিৰীয়েক সদায় সাজ লাগোঁ লাগোঁতেই ওলাই যায়। ৰাতি আঠ ন মান বজাত গিৰীয়েক ঘৰলৈ আহে। কিন্তু সিদিনা থৰক বৰক কৈ ৰান্ধনী ঘৰৰ ভিতৰলৈ সোমাই অহা গিৰীয়েকক দেখি তাইৰ চুতি হেৰাইছিল। গিৰীয়েকৰ ৰঙা চকু দেখি আৰু কথাবতৰা শুনি তাই ভয় কৰিছিল। ভয়ে ভয়ে তাই সুধিছিল, "আজি বহুত ৰাতি হ'ল দেখোন?"

গুৰু গম্ভীৰ সুৰেৰে গিৰীয়েকে উত্তৰ দিছিল "এৰা, ৰাতি হ'ল। তাৰ কৈফিয়ৎ। কৈফিয়ৎ নাই। তুমি শুই নাথাকিলা কিয়?"

গিৰীয়েকৰ কথাত তাই মনতে আঘাত পাইছিল। তথাপি চালিত যন্ত্ৰৰ দৰে কোনো প্ৰতিবাদ নকৰি তাই গিৰীয়েকৰ কাৰণে কাঁহীত ভাত-আঞ্জা সাজি দিছিল। কিন্তু ভাত খাবলৈ গৈ যেতিয়া গিৰীয়েকে ভাতৰ কাঁহীতে হক্ হক্ কৰি বতিয়াই দিছিল তেতিয়া তাই ভয় খাই গিৰীয়েকৰ মুখত পানী ঢালি সুস্থ কৰি বিছনাত শুৱাই থৈছিল।

ৰাতিপুৱা গিৰীয়েকক সুস্থ অৱস্থাত দেখি তাই মনতে ভাল পালেও তাইৰ মনত সন্দেহ উপস্থিত হৈছিল। সেই বাবে সিদিনা তাই গিৰীয়েকক নজনাৰ ভাও ধৰি কৈছিল "আপুনি কেইদিন মান সন্ধিয়া বাহিৰলৈ যাব নালাগে। নেদেখিছেনে কালি হঠাতে আপোনাৰ কেনে অসুখ হৈ গ'ল।"

উত্তৰত গিৰীয়েকে হাঁহি মাৰি কৈছিল "বাৰু ভাবি চাম। তোমালোক তিৰোতা মানুহ, সদায় ঘৰত থাকি থাকি অভ্যাস হৈছে কিন্তু আমি মতা মানুহ সদায় ঘৰৰ ভিতৰত সোমাই থাকিলে নচলে। দেখিছাই নহয় দিনৰ দিনটো কেনে পৰিশ্ৰম কৰিব লাগে। সন্ধ্যা বাহিৰলৈ গৈ মন পাতলাই আহোঁ বুলিহে জীয়াই আছোঁ নহলে মৰিব লাগিলহেঁতেন।"

ৰূপহীয়ে দেখিলে যে গিৰীয়েকৰ কথা মিছা নহয়। দিনৰ দিনটো গিৰীয়েকে যিমান পৰিশ্ৰম কৰে তাৰ উমান ৰূপহীয়ে পায়। তথাপি

গিৰীয়েকে দিনে দিনে কুপথত আগুৱাই যোৱাটো সহ্য কৰিব নোৱাৰিলে। সেই বাবে তাই অনিচ্ছা সত্বেও ক'লে, "আপুনি এইদৰে ভালেমান ৰাতিলৈ বাহিৰত থাকিলে আনে বেয়া কথা ক'ব।"

"বেয়া কথা! কোনে মোৰ সম্বন্ধে বেয়া কথা ক'ব পাৰে? মই কাৰো ঘৰৰপৰা বস্তু চুৰি কৰা নাই। মই অৱশ্যে মদ খাওঁ কিন্তু মদো মই নিজৰ পইচাৰেই খাওঁ।"

গিৰীয়েকৰ উত্তেজনা পূৰ্ণ উত্তৰ শুনিবলৈ পাই ৰূপহীয়ে নৰম সুৰত ক'লে, "আপুনি মদ খাবলৈ এৰক।"

খগেন্দ্ৰই বেছি দৃঢ়তাৰে কৈ উঠিল "তুমি মোৰ কামত হকা-বধা কৰিবলৈ ওলাইছা কিয়? এইটো জানো তোমাৰ পক্ষে উচিত হৈছে?"

ৰূপহী গাঁৱলীয়া ছোৱালী। স্বামীৰ মুখৰ ওপৰত কথা-কোৱা অভ্যাস তাইৰ নাই। তাই যেন পিঞ্জৰাবদ্ধ এটা চৰাই। মুক্ত আকাশ, মুক্ত বতাহ আৰু এই বিশাল পৃথিৱী বোধ হয় পুৰুষৰ উপভোগৰ কাৰণেহে। এয়েই বোধহয় বিধিৰ বিধান।

ৰূপহী মনে মনে থাকিল। তাই গিৰীয়েকৰ উগ্ৰ স্বভাৱলৈ ভয় কৰে আৰু তাইৰ হিয়াৰ মাজত অসহ্য যাতনাৰ নিপীড়ণ থাকিলেও তাই বহুতো কথা প্ৰকাশ কৰি নকয়। কেতিয়াবা কেতিয়াবা তাই নিজৰ অৱস্থাৰ কথা সুঁৱৰি নিৰলে কান্দে আৰু ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় যাতে প্ৰভুৱে গিৰীয়েকক সুমতি দিয়ে।

নিতৌ নতুন নতুন যাতনা আৰু অশান্তিৰ বোজা বুকুত বান্ধি লৈ তাই গিৰীয়েকৰ লগত যুগ্ম জীৱন যাপন কৰে। কিন্তু পত্নীৰ ধৈৰ্য আৰু সহিষ্ণুতাৰ প্ৰভাৱ গিৰীয়েকৰ ওপৰত নপৰিল। তেওঁ আগতকৈ বেছি উদ্‌ভ্ৰান্ত হৈ পৰিবহে ধৰিলে। আগেয়ে ৰূপহীৰ চকুৰ আঁৰে আঁৰে কৰা কিছুমান কাম আজিকালি প্ৰকাশ্যভাৱে কৰিবলৈ তেওঁ দ্বিধা বোধ নকৰে।

বিয়াৰ দুবছৰ পাছত ৰূপহী ল'ৰাৰ মাক হ'লত কেঁচুৱাটিৰ মুখলৈকে চাই তাই কিছুমান কথাৰ ওপৰত কোনো গুৰুত্ব নিদিও বুলি মনতে ভাবিলে।

ৰূপহীৰ ঘৰৰ ওচৰতে থকা এজন ঠিকাদাৰ খগেন্দ্ৰৰ বন্ধু। ঠিকাদাৰৰ পত্নীও ৰূপহীৰ বান্ধৱী। বান্ধৱীয়ে ৰূপহীৰ মনৰ বেদনাৰ পৰিচয় পাই সান্ত্বনা দিবলৈ যত্ন কৰে। কিন্তু কেতিয়াবা কেতিয়াবা ৰূপহীক সান্ত্বনা দিবলৈ গৈ

অজ্ঞাতে দুটা এটা খগেন্দ্রব বেয়া কথা কৈ পেলায়। ইয়াৰ ফলত ৰূপহীৰ ভগা হৃদয়ৰ যাতনা অসহ্য হৈ উঠে। ৰূপহীয়ে লাহে লাহে উপলব্ধি কৰিব ধৰে যে গিৰীয়েকেৰ উন্নতি অবনতি আৰু কাৰ্যকলাপৰ প্ৰচ্ছায় তাইৰ ওপৰত পৰি তাইৰ স্বকীয়া সত্তা নিষ্প্ৰভ কৰি পেলায়। তাই নিজ চকুৰে দেখিছে যে গিৰীয়েক হাকিম হলে ঘৈণীয়েক হয় হাকিমনী আৰু গিৰীয়েকৰ লগতে হাকিমনীও সমাজত উচ্চ আসন পায়। আনপিনে গিৰীয়েকৰ একো খিতাপ নাথাকিলে ঘৈণীয়েকৰো একো সামাজিক মূল্য নাথাকে। তাই ভাবে যে তাই অশিক্ষিতা আৰু এজন উৎকট মাতালৰ স্ত্ৰী। সেই বাবে তাই সকলোৰে লগত সমানে মিলা মিছা নকৰে। তাইৰ মনত ভয়—আনে তাইক অৱজ্ঞা কৰিব পাৰে।

ৰূপহী ঘৰতে থাকে। তাই ল'ৰাটোক নিচুকাই আনন্দ পায়। প্ৰকৃত পাৰম্পৰিক প্ৰেমৰ মাজেদি ল'ৰাটোৰ জন্ম নহলেও তাই তাৰ মাক। সন্তানৰ মুখলৈ চাই মাকৰ স্নেহপূৰ্ণ অন্তৰ আপোনা আপুনিয়ে বিগলিত হয়। দুখোৰ অশান্তিৰ মাজতো এই কেঁচুৱাটিয়ে তাইক সংসাৰত আবদ্ধ কৰি ৰাখিছে। একো একোদিন তাইৰ এনে ভাব হয় যে মিছা কণ্টকিত জীৱন যাপন কৰাতকৈ সংসাৰৰ পৰা আঁতৰি যোৱাই শ্ৰেয়ঃ। কিন্তু কেঁচুৱাটিৰ হাঁহিভৰা মুখখনে তাইক দুনাই সংসাৰৰ দুখ-দুৰ্গতিৰ মাজলৈ টানে। কেঁচুৱাটিক বুকুত সাবটি লৈ মনতে ভাবে "ইয়েই ভগৱানৰ শ্ৰেষ্ঠ দান।"

কেঁচুৱাটোৰ প্ৰতিপালনৰ ভাৰ সম্পূৰ্ণৰূপে ৰূপহীৰ গাত। কেঁচুৱাটিয়ে অসুখ বিসুখত ভুগিলেও দেউতাকৰ উদাসীনতা ভঙ্গ হোৱা দেখা নাযায়। অগত্যা ৰূপহীৰ অনুৰোধ আৰু কাকুতি উপেক্ষা কৰিব নোৱাৰিহে বাপেকে এজন হোমিওপ্যাথিক ডাক্তৰ মাতি আনি তেওঁ দায়িত্বৰ পৰা মুক্ত হয়। কিন্তু ল'ৰাটিৰ যেতিয়া দুটা এটা মাত ফুটিল আৰু ঘৰ চোতালত খোজকাঢ়ি ফুৰিব পৰা হ'ল তেতিয়া বাপেকে তাক আগতকৈ মৰম কৰিব ধৰিলে। তথাপি ল'ৰাটোৰ ভৱিষ্যত চিন্তা কৰা দায়িত্বৰ প্ৰতি তেওঁ সম্পূৰ্ণৰূপে উদাসীন হৈয়েই থাকিল। এটা বাধাহীন আৰু মুক্ত জীৱন যাপন কৰাটোৱেই তেওঁৰ প্ৰধান লক্ষ্য। যেতিয়া অতিপাত মদ খাই তেওঁ হিতাহিত জ্ঞান হেৰুৱাই পেলায় তেতিয়া ৰূপহীৰ ওপৰতো তেওঁ অমানুষিক অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰে।

ৰূপহীয়ে দেখিলে যে স্বামীগুৰুক দেৱতা জ্ঞান কৰি সকলো অত্যাচাৰ সহ্য কৰি থাকিলে তাইৰ নিজৰ লগতে ল'ৰাটিৰো অনিষ্ট সাধন হ'ব। গিৰীয়েকৰ

উদ্‌ভ্ৰান্ত আচৰণে তাইক সাহসী কৰি তুলিছে। গিৰীয়েকৰ ৰঙা চকু দেখিলেই ভয়ত কোচ মোচ খোৱা স্বভাৱ এতিয়া তাইৰ নাই। সেইবাবে এতিয়া তাই নিৰ্ভয়ে গিৰীয়েকক প্ৰশ্ন সোধে আৰু ৰাতি পলমকৈ আহি ঘৰ সোমালে নানান প্ৰশ্ন কৰি ব্যতিব্যস্ত কৰে। কেতিয়াবা কেতিয়াবা গিৰীয়েকে ঘৈণীয়েকৰ আগত শপত খায় আৰু কয় যে তেওঁ দুনাই মদৰ গিলাচ হাতত নলয়। কিন্তু পিছদিনা খনেই পূৰ্বৰ প্ৰতিশ্ৰুতি ভঙ্গ হয় আৰু গিৰীয়েকৰ উগ্ৰ মূৰ্তি দেখি ৰূপহীয়ে চকুপানী টোকে, কান্দে।

খগেন্দ্ৰৰ মুখৰ প্ৰতিজ্ঞা মুখৰ কথাতে শেষ হয়। কোনো দিনেই তেওঁ ঘৈণীয়েকক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ চেষ্টা কৰা দেখা নাযায়। তেওঁৰ চলন ফুৰণ আগৰ দৰেই থাকে, তেওঁ আগৰ দৰেই মদ খায় আৰু ঘৈণীয়েকৰ ওপৰত অত্যাচাৰ কৰে। ৰূপহীৰ সহ্য কৰা শক্তি দিনে দিনে কমি আহে। কেতিয়াবা কেতিয়াবা তাই গিৰীয়েকৰ ওপৰত প্ৰতিশোধ লোৱাৰ কথাও ভাবে। লাহে লাহে ৰূপহীয়ে গম পাব ধৰিলে যে তেওঁৰ গিৰীয়েক অকল মাতালেই নহয় কিন্তু তেওঁ চৰিত্ৰহীনো। তাইৰ মনত ঘৃণা উপস্থিত হ'ল। গিৰীয়েকৰ প্ৰতি ৰূপহীৰ যি সামান্য শ্ৰদ্ধা আৰু ভক্তি আছিল সেই শ্ৰদ্ধা আৰু ভক্তি তাইৰ অন্তৰৰ পৰা লাহে লাহে আঁতৰি যাবলৈ ধৰিলে। গিৰীয়েকে লাহে লাহে বুজি পালে যে তেওঁৰ পত্নীয়ে তেওঁক সকলো কামতে বাধা দিবলৈ আগবাঢ়ি অহাৰ সাহস গোটাইছে। দিনে দিনে খগেন্দ্ৰই ৰূপহীৰ ওপৰত অত্যাচাৰ বঢ়াই দিলে কাৰণ তেওঁ ভাবিলে যে ৰূপহীক আঁতৰাব পাৰিলেই তেওঁ আন এজনীৰ লগত নতুন সংসাৰৰ পাতনি মেলিব পাৰিব।

গিৰীয়েক ঘৈণীয়েকৰ মনোমালিন্য প্ৰবলৰ পৰা প্ৰবলতৰ হৈ আহিব ধৰিলে। ৰূপহীৰ মনত ধাৰণা হ'ল যে তাইৰ সহজ সৰল আচৰণৰ কাৰণেই স্বামীয়ে যথেচ্ছাচাৰিতা প্ৰকাশ কৰাৰ সুবিধা পাইছে। সেইবাবে তাই বেছি কঠোৰ হোৱাৰ সংকল্প গ্ৰহণ কৰিলে কিন্তু ইয়াৰ ফল হ'ল বিষময়। খগেন্দ্ৰই তেওঁৰ নিজা ঘৰটোৰ পৰা ওলাই গৈ তাৰ ওচৰতে থকা আন এটা সৰু ঘৰত থাকিবলৈ ললে। ৰূপহীয়ে গিৰীয়েকৰ ভৰিয়ে হাতে ধৰি কাকুতি কৰিলে কিন্তু খগেন্দ্ৰৰ পাষাণ-হিয়া নগলিল।

গিৰীয়েক ঘৈণীয়েকৰ বিচ্ছেদৰ কথা চুবুৰীয়া লোক সকলোৱে জানিলে। কেৱে কেৱে খগেন্দ্ৰক বুজাবলৈ চেষ্টা কৰিলে কিন্তু খগেন্দ্ৰ প্ৰতিজ্ঞাত অচল অটল হৈ থাকিল। ৰূপহীৰ সংস্পৰ্শৰ পৰা অলপমান হলেও আঁতৰি থাকি তেওঁৰ ব্যসনী

চৰিত্ৰই যিটো সুবিধা পাইছে সেই সুবিধা স্বেচ্ছায় এৰি দিবলৈ তেওঁ অনিচ্ছুক। দুপৰ নিশালৈকে সদায় তেওঁৰ ঘৰত মানুহ লুগুচে। ওচৰৰ ঘৰৰ বিছনাত ৰূপহীয়ে ছটফটাই থাকে। তাই বুজি পায় তাই যেন কিবা এটা হেৰুৱাই পেলাইছে।

এনিশা ৰূপহী শুইছে। তাইৰ চিলমিলীয়া টোপনি আহিছিল। এনেতে মটৰৰ শব্দ শুনি তাই সাৰ পালে। তাই কাণ পাতি শুনি অনুমান কৰিলে গিৰীয়েক তেতিয়াও শোৱা নাই, তেওঁ কাৰোবাৰ লগত কথা পাতি আছে। তাই লাহেকৈ দুৱাৰখন মেলি বাহিৰলৈ ওলাই আহি দেখিলে বাহিৰত অন্ধকাৰ। হাতত সাৰে ভৰিত সাৰে তাই গিৰীয়েকৰ ঘৰৰ দুৱাৰ মুখলৈ গৈ জানিব পাৰিলে যে ভিতৰত কোনোবাই সক সকৈ কথা কৈ আছে। তাইৰ গোটেই গাটো কঁপিব ধৰিলে। মনসাহ কৰি তাই দুৱাৰত টুকুৰিয়াই দিলে। গিৰীয়েকে চিঞৰি সুধিলে "কোন?" ৰূপহীয়ে বাহিৰৰ পৰা একো উত্তৰ নিদি দুৱাৰত ভুকুৱাই দিব ধৰিলে। ভিতৰৰ পৰা দুৱাৰ খোলাৰ লগে লগে ৰূপহী ভিতৰলৈ সোমাই গৈ দেখিবলৈ পালে চকীত এজনী তিৰোতা বহি আছে আৰু মেজৰ ওপৰত আছে দুটামান গিলাচ। ৰূপহী যেন পাগলী হৈ গ'ল। তৎক্ষণাত তাই চকীত বহি থকা তিৰোতাজনীৰ চুলিত থাপ্ মাৰি ধৰি বাহিৰলৈ টানি আনিবলৈ চেষ্টা কৰিলে। অপৰাধী খগেন্দ্ৰই নিমিষতে ৰূপহীক হাতত ধৰি বাহিৰলৈ লৈ আহিল। ৰূপহীয়ে চিঞৰি ক'লে "এইজনী কালসাপে মোৰ স্বামীৰ সৰ্বনাশ কৰিছে। তায়েই মোৰ ঘৰত জুই লগাই দিছে।"

পিছদিনা ৰাতিপুৱা খগেন্দ্ৰই ৰূপহীক ঘৰৰ পৰা উলিয়াই দিলে। তাই যলৈ ইচ্ছা তালৈকে যাব পাৰে আৰু সিদিনাৰ পৰা ৰূপহীৰ লগত থকা সকলো সম্পৰ্ক খগেন্দ্ৰই ছেদ কৰিলে। ৰূপহীয়ে কেউদিশে অন্ধকাৰ দেখিলে আৰু অৱশেষত তাই বুঢ়া বাপেকৰ ঘৰলৈ আহিবলৈ বাধ্য হ'ল।

মানুহে নানান কথা ক'বলৈ আৰম্ভ কৰিলে। কিছুমানে মত প্ৰকাশ কৰিলে "তিৰোতা হৈয়ো মতাৰ লগত সমানে ফেৰ মাৰিলে এনে দশা হ'বই।" আন কিছুমানে ৰূপহীৰ প্ৰতি সহানুভূতিশীল হৈ মত প্ৰকাশ কৰিলে "ৰূপহীৰ অনুপস্থিতিত খগেন্দ্ৰই বেছি উচ্ছৃংখল জীৱন যাপন কৰিব আৰু নিজে ধ্বংসৰ মুখলৈ আগবাঢ়িব।"

স্বামী-স্ত্ৰীৰ বিচ্ছেদৰ পিছত খগেন্দ্ৰই কোনো দিনে ৰূপহীৰ খা-খবৰ

লোৱা নাই। আনহাতে ৰূপহীয়ে নিজৰ অপকৰ্মৰ কথা সুঁৱৰি অনুতাপানলত দগ্ধ হ'ব ধৰিলে।

ৰূপহীৰ অনুপস্থিতিত খগেন্দ্ৰৰ ঔদ্ধত্য বেছিকৈ প্ৰকাশিত হ'ল। সংসাৰৰ সকলো পিনে পিঠি দি একমাত্ৰ ভোগসুখৰ মাজতে তেওঁ নিজকে বিলাই দিলে। ফলত এবছৰ মান পাৰ হওঁ নৌহওঁতেই তেওঁ ধাৰত পোত গ'ল।

খগেন্দ্ৰৰ দুৰ্দ্দিন উপস্থিত হ'ল। নিজৰ কু-কৰ্মৰ ফলবোৰ ইতিমধ্যে প্ৰকাশিত হৈ আহিব ধৰিলে। সুস্থ অৱস্থাত তেৱোঁ বুজিলে যে তেওঁৰ দুৰ্দিন আহি পৰিছে। তথাপি ব্যসনী জীৱন যাপনৰ যি ক্ষণিক তৃপ্তি সেই তৃপ্তিয়ে লাহে লাহে তেওঁৰ বিবেক শক্তি নাইকিয়া কৰি পেলালে।

খগেন্দ্ৰই যিপিনেই চায় সিপিনেই তেওঁৰ অভাৱ। এদল চাটুকাৰে তেওঁৰ লগ লাগি তেওঁৰ সকলো সম্পদ শেষ কৰি পেলোৱাৰ উপক্ৰম কৰিলে। তথাপি তেওঁ পূৰ্বৰ জীৱন যাপন কৰিয়েই থাকিল।

প্ৰায় এবছৰ অন্তত খগেন্দ্ৰই চৰকাৰী টকা আত্মসাৎ কৰা অপৰাধত ধৰা পৰিলে আৰু টকা ওভোতাই দিব নোৱাৰাৰ বাবে আদালতে দুবছৰ সশ্ৰম কাৰাদণ্ড হুকুম দিলে। খগেন্দ্ৰই নিজৰ ঘৰ বুলি ব্যৱহাৰ কৰা ভাৰা ঘৰটোত আন এজন মানুহ থাকিল। এইজন মানুহে খগেন্দ্ৰৰ নামকে শুনা নাই।

মুক্তপখীৰ জীৱন যাপন কৰা খগেন্দ্ৰৰ প্ৰতি কাৰাবাসৰ যন্ত্ৰণা অসহ্য হৈ উঠিল। অতীত সুঁৱৰি তেওঁ নীৰৱে অকলে কান্দে। বৰ দুখৰ মাজেদি খগেন্দ্ৰৰ দিনবোৰ লাহে লাহে অতিবাহিত হয়। দুখ-যন্ত্ৰণাৰ মাজত কেতিয়াবা কেতিয়াবা তেওঁৰ ৰূপহীলৈ মনত পৰে। অচিনাকি, দাগী, খুনী আৰু চোৰ-ডকাইতৰ লগত থাকি তেওঁ অতিষ্ঠ হৈ উঠে। তেওঁ বিচাৰে ৰূপহীৰ সান্নিধ্য আৰু ল'ৰাটিৰ মৌ-মিঠা মাত। কিন্তু কোনে তেওঁক সহায় কৰিবলৈ আহিব নোৱাৰে আৰু কাৰোপৰা তেওঁ এআষাৰ মিঠা কথা শুনাৰ সুবিধা নাপায়। তেওঁ নীৰৱে অকলে যাতনা ভোগ কৰে। তেওঁৰ অবাধ স্বাধীনতাৰ অন্ত পৰিছে। চালিত যন্ত্ৰৰ দৰে আনে তেওঁক যেনেকৈ চলায় তেওঁ তেনেকৈ চলিবৰ বাধ্য হয়। তেওঁৰ যেন নিজস্ব সত্তা নাই। একে ধৰণৰ যন্ত্ৰ-চালিত জীৱন-যাপনৰ বাধ্য-বাধকতাই তেওঁৰ দেহমন আড়ষ্ট কৰি তুলিছে।

খগেন্দ্ৰৰ প্ৰতি দিনবোৰ দীঘল দীঘল লাগে। ৰাতিবোৰ দুঃস্বপ্নৰে পূৰ্ণ। প্ৰতিদিনে ৰাতিপুৱা শুই উঠি তেওঁ অনুভৱ কৰে তেওঁ যেন দিনে দিনে বুঢ়া আৰু নিশকতীয়া হৈ পৰিছে। তেওঁৰ মনত ধাৰণা হয় তেওঁ যেন কাৰাগাৰৰ

পৰা মুক্তি লাভ কৰি তুনাই স্বাধীন জীৱন যাপন কৰিবলৈ স্ত্ৰীপুত্ৰৰ মাজলৈ যাব নোৱাৰিব। তেওঁৰ ইচ্ছা মৰিব লাগিলেও যেন স্ত্ৰীপুত্ৰ আৰু বন্ধু-বান্ধৱৰ মাজতে তেওঁ শেষ নিশ্বাস এৰিবৰ সুবিধা পায়। তেওঁ উপলব্ধি কৰে তেওঁ মনোৰমা পত্নী ৰূপহীৰ প্ৰতি অন্যায় আচৰণ কৰিছে, তাইক ঘৰৰ পৰা খেদি দিছে। আজি তেওঁ নাজানে ৰূপহীৰ শাৰীৰিক আৰু মানসিক অৱস্থা কেনে। ল'ৰাটিয়েই বা কেনে মৰম লগা হৈ উঠিছে।

লাহে লাহে দিনবোৰ গৈ দুবছৰ পাৰ হ'ল আৰু খগেন্দ্ৰই মুক্তি লাভ কৰিলে। জেলৰ বাহিৰ ওলোৱাত তেওঁৰ মনত প্ৰশ্ন উঠিল তেওঁ এতিয়া যায় কলৈ। অৱশেষত তেওঁৰ অন্তৰঙ্গ বন্ধু ঠিকাদাৰৰ ঘৰলৈ যোৱাই ভাল হ'ব বুলি তেওঁৰ ঘৰলৈ গৈ তাত দুদিন থাকিল। খগেন্দ্ৰৰ দুদিনত ঠিকাদাৰে তেওঁক আদৰি ললে আৰু নানান বুজনি দি ৰূপহীৰ ওচৰলৈ তেওঁ খগেন্দ্ৰক লৈ আহিল।

লাজ, অপমানত খগেন্দ্ৰই ৰূপহীৰ মুখলৈ চাব পৰা নাই। আজি ৰূপহীক দেখা পাই সুখ-দুখ-বিজড়িত নানান কথা তেওঁৰ মনত পৰিল। তেওঁৰ হিংস্ৰ প্ৰকৃতিটো যেন আজি তেওঁৰ বিবাহিতা পত্নী ৰূপহীৰ আগত লাঞ্ছিত, আৰু পৰাজিত হ'ল। ৰূপহীয়ে কিছু সময় খগেন্দ্ৰৰ পিনে চাই থাকিল। পিছত লাহে লাহে আগবাঢ়ি আহি তেওঁৰ ভৰি দুখনত ধৰি সেৱা কৰিলে। মাতাল আৰু কাৰাবাসৰ কয়দী হলেও খগেন্দ্ৰ ৰূপহীৰ স্বামী, আৰু হিন্দু নাৰীৰ দেৱতা সদৃশ।

খগেন্দ্ৰই হুকুহুকুকৈ কান্দিবলৈ ধৰিলে। কাৰাবাসৰ যন্ত্ৰণা আৰু ৰূপহীৰ পতি-পৰায়ণতাই তেওঁৰ পাপাসক্ত অন্তৰৰ মলি ধুই নিকা কৰিলে। তেওঁ অনুভৱ কৰিলে ৰূপহীতো মানৱী নহয়, কোনোবা শাপভ্ৰষ্টা দেৱী।

ৰূপহীয়ে যত্ন কৰিলে গিৰীয়েকৰ মনলৈ শান্তি ফিৰাই আনিবলৈ। তাই দেখা পাইছে যে তাইৰ স্বামী শাৰীৰিক আৰু মানসিক দুয়ো দিশতে অৱসন্ন। তাই অতীতৰ কথা পাহৰি গৈছে। তাই নিজকে নিজে অপৰাধিনী জ্ঞান কৰিছে। গিৰীয়েকক হাতৰ মুঠিত পায়ো তাই তেওঁক সংশোধন কৰি সৎ পথলৈ ঘূৰাই আনিব নোৱাৰিলে। হয়তো তাইৰেই ক'ৰবাত ভুল হৈ গৈছিল আৰু সেই ভুলৰে পৰিণতি হৈছে ভয়াবহ।

ৰূপহীয়ে গিৰীয়েকৰ পূৰ্বৰ কথা পাহৰি যাবলৈ চেষ্টা কৰি খগেন্দ্ৰৰ আলপৈচান ধৰে, সেৱা শুশ্ৰূষা কৰে। কিন্তু কাৰাবাস খটাৰ পূৰ্বতে খগেন্দ্ৰৰ

স্বাস্থ্য ভাগি পৰিছিল। মুক্তিলাভ কৰিও তেওঁ হেকৰাই পেলোৱা স্বাস্থ্য ঘুৰাই পোৱা নাই আৰু পোৱা নাই উৎসাহ উদ্দীপনাৰ শক্তি। তেওঁ সদায় মন মাৰি বহি থাকে, কিবা কিবি মনতে ভাবে। শিৰীষৰ শাৰীৰিক আৰু মানসিক অৱস্থালৈ লক্ষ্য কৰি ৰূপহীও বিমৰ্ষ হয়। গতানুগতিকভাৱে তাইৰ কৰণীয় কাম সকলো কৰে কিন্তু তাইৰ মনৰ আশা আৰু উদ্যম নষ্ট হৈ যাব ধৰিছে। তাই লাহে লাহে বুজিব পাৰিছে যে তাইৰ শিৰীষৰ দীৰ্ঘ বাসনৰ অন্তত ভাগি পৰা এক অস্থি-চৰ্মসাৰ—যেন কঙ্কাল। এই কঙ্কাল সঞ্জীৱিত কৰিবলৈ অসাধাৰণ ত্যাগ আৰু সাধনাৰ আৱশ্যক হ'ব।

১৮।৩।৩৯

মৰীচিকা

কাতি মাহৰ শেহ ভাগটোত অলপ জাৰ পৰিছে। সেই বাবে ডাক্তৰ বৰাৰ বাতিপুৱা চাৰিপাটী এবাত অলপ পলম হয়—প্ৰায় আঠোটা বাজে। তেওঁ চাহ-জলপান খাই বাহিৰৰ বহা ঘৰলৈ অহাৰ আগতে প্ৰায়েই তাত মানুহ ভৰি পৰে। ডাক্তৰ বৰাৰ ব্যৱসায়ত সুখ্যাতি আছে। গোলাঘাট নগৰত যি কোনো টান বেমাৰ হলেই সকলোৱে ডাক্তৰ বৰাৰ ওচৰ চাপে। বয়সত ডেকা হলেও বৰাৰ অভিজ্ঞতা আছে বুলি মানুহৰ বিশ্বাস। "শতমাৰী ভবেৎ বৈদ্যঃ সহস্ৰমাৰী চিকিৎসকঃ" নীতিবচন অনুসৰি বৰাদেৱ চিকিৎসক। তেওঁ হাতত ন্বোৱা ৰোগী বহুতো মৰিছে। ডাক্তৰে আয়ুসো বঢ়াই দিব নোৱাৰে। সেই বাবে আনে বৰাৰ চিকিৎসা-পদ্ধতিত সন্দেহ নকৰে, অৱশ্যে কৰিবৰো বিশেষ কাৰণ নাই। তেওঁৰ মুখৰ মিঠা কথা, আৰু চিকিৎসাৰ একনিষ্টতাত মানুহক মুহিব পৰা গুণ আছে। বিশেষতঃ ডাক্তৰ হোৱাৰ উপৰিও তেওঁ এজন কবিৰাজ আৰু হোমিওপ্যাথ। এনে ত্ৰিগুণসম্পন্ন চিকিৎসক সহজে পোৱাও টান।

বৰাদেৱৰ গুণৰাশিয়ে বহুতো মানুহক নানান ঠাইৰপৰা তেওঁৰ ওচৰলৈ আকৰ্ষণ কৰে। কিন্তু যোৱা কাতি মাহৰ ২৪ তাৰিখৰ দিনাখন ৰাতি পুৱাতেই যিজন পুৰুষ তেওঁৰ ঘৰত উপস্থিত হৈছিল তেওঁৰ কথা উল্লেখযোগ্য। এই পুৰুষ জনৰ নাম মহীধৰ শইকীয়া, বয়সত চাৰিকুৰিৰো ওপৰ। তেওঁৰ মুখৰ ৰং পকা খেকেৰাটোৰ দৰে। ৰূপ যেন বগা ডাড়িবোৰ তেওঁৰ বুকুৰ ওপৰত দীঘল হৈ পৰি থাকে। তেওঁৰ চকু দুটি অলপ ৰঙা। সেই বাবে ল'ৰা-ছোৱালীবোৰে এতিয়াও তেওঁৰ মুখলৈ চাই কথা কবলৈ ভয় কৰে।

ৰাতি পুৱাতেই শইকীয়া বৰাৰ ঘৰত উপস্থিত হৈছেগৈ। তাত বহি বহি তেওঁৰ আমনি লাগিছে। এই কাৰণেই বোধ হয় এইখিনি সময়ৰ ভিতৰত তেওঁ কমতকৈয়ো কম চাৰিভাল চুৰঠ আধা পোৰা কৰিছে। চুৰঠবোৰ শেষ কৰি পুৰিবৰ যে শইকীয়াৰ ইচ্ছা নাই এনে নহয় কিন্তু তেওঁৰ ইচ্ছাত বাটভেটা দি ধৰিছে এই দীঘল ডাড়িগোফবোৰে। চুৰঠ আধামান পুৰি শেষ

হওঁ নৌহওঁতেই পতঙ্গবোৰে জ্বলা জুইত জাপ দিয়াৰ দৰে তেওঁৰ ডাঢ়ি-গোফ কেঁডালিয়ে মৰমেৰে হাত বুলাই দিয়া অনুশাসন অমান্য কৰি বেঁকা হৈ হলেও চুৰঠৰ ক্ষুদ্ৰ আঙঠাটোতে জাপ দি আনন্দ লভে। ফলত শইকীয়াৰ খং উঠে আৰু চুৰঠ দলিয়াই পেলাই দিয়ে।

চতুৰ্থডাল চুৰঠ শেষ কৰি শইকীয়া পঞ্চমডালেৰে সৈতে সংগ্ৰামৰত হৈ আছে। চুৰঠৰ বগা ধোঁৱাবোৰে বগা ডাঢ়িবোৰৰ মাজত সুমাই দিক্-বিদিক্ নেদেখি হাহাকাৰ কৰি ফুৰিছে, এনেতে ষ্টেথিছকোপডাল ডিঙিতে ওলোমাই ডাক্তৰ বৰা ভিতৰলৈ সোমাই আহিল।

শইকীয়াই চুৰঠ হুপি হুপিয়েই ক'বলৈ ধৰিলে "তোমাৰ ওচৰলৈ আহিলোঁ বোপা। মই আগেয়েই আহিব লাগিছিল। পিছে জানাই নহয় মানুহে পাঙে ঈশ্বৰে ভাঙে।"

ভূমিকা শেষ কৰিবৰ মনেৰে ডাক্তৰ বৰাই সুধিলে "আপুনি বা কি সকামত আহিল?"

"সকাম—সকাম ডাঙৰেই। তুমি বোধ কৰোঁ জানাই মোৰ ডাঙৰ ছোৱালীজনীৰ কথা। তাইৰো জীৱনত সুখ-শান্তি নহ'ল। কতনো দুখ অনুভূগিলে তাই! তথাপি বিধাতা নাৰাজ। ঈশ্বৰেই সকলোৰে কৰ্তা— মানুহেই বা কৰিব কি?"

ডাক্তৰ বৰাই কথাৰ মাজতে ক'লে "আপুনি কি সকামত আহিছে নকলে দেখোন?"

"এৰা বোপা," শইকীয়াই অলপ গহীনাই ক'লে "তাকেইতো ক'ব খুজিছোঁ। বোলো, প'ৰা কেইটাও হ'ল সেই কিবা এঁকৰা যেন। ভাবিছিলোঁ ছোৱালী-জনীৰ সুখ দেখিয়ে বুঢ়া কালত মৰিব পাৰিম। পিছে ক'ত! তাইৰে বা সুখ ক'ত! সেই একেটি সন্তানৰ পাছত আজি ৫।৬ বছৰ নাই। এতিয়া জোঁৱাই, সিও শয্যাগত। আজি দুমাহ বিছনাৰপৰা উঠিব পৰা নাই।"

"ও—আপুনি বৃন্দ বৰুৱাৰ কথা কৈছে নেকি?" ডাক্তৰে সুধিলে।

"এৰা, এৰা বোপা, সিয়েই মোৰ একমাত্ৰ জোঁৱাই। তুমি তাক চিনি পোৱা নেকি?"

"হয় চিনি পাওঁ। তেওঁৰ অসুখৰ কথাও অলপ অচৰপ শুনিছোঁ। ব্যক! অসুখনো কি ভালকৈ কওকচোন?"

শইকীয়াই ক'লে "বিষ—ককালৰ বিষ আৰু মাজে মাজে জ্বৰ। মই

আগেয়ে ছোৱালীজনীক কৈছিলোঁ। বোলো তইঁতে এইবোৰ কি কৰ। আমাৰ ডাক্তৰ বোপাক মাতি আনি গটাই দেচোন। দেখিবি আৰোগ্য লাভ কৰে নে নাই। কিন্তু সিহঁতে কয় কবিৰাজী চিকিৎসা কৰাব লাগে। ল'ৰায়ো বুঢ়া ধৰ্মকান্ত কবিৰাজৰ বাহিৰে আনৰ নাম নুশুনে।"

এটি মিচিকিয়া হাঁহিৰে মুখ পোহৰাই ডাক্তৰে সুধিলে "ইমান দিন ধৰ্ম কবিৰাজৰ চিকিৎসাতে আছিল নেকি ?"

"এৰা বোপা।" শইকীয়াই উত্তৰত ক'লে।

"ফলাফল কেনে হ'ল ?" বৰাই আগ্ৰহেৰে সুধিলে।

"ফলাফল ছাই সোপা।" শইকীয়াই ঘপৰাই উত্তৰত কৈ উঠিল। "সৰ্বজ্বৰহৰ লৌহ নে কি সেই ক'লা ক'লা বৰিবোৰ গণ্ডাই গণ্ডাই খুৱালোঁ। মহামাস নে কি সেই দুৰ্গন্ধ তেলবোৰ পোৱাই পোৱাই মালিছ কৰা হ'ল। তথাপি আগেয়ে যেনে এতিয়াও তেনে। জ্বৰ উঠিয়েই আছে, বিষত বেমাৰীয়ে তত নাপায়। লাভত হানি হ'ল ধন আৰু বিছনাৰ কানি-কাপোৰ সকলোৱে মহামাস তেলৰ বং ধৰিলে। মই আগেয়ে তোমাৰ কথা কৈছিলোঁ বোপা। কিন্তু জোঁৱায়ে ভাবে ধৰ্ম কবিৰাজে তাক ভাল কৰিব পাৰিব।"

ষ্টেথিছকোপডাল সোলোকাই মেজৰ ওপৰত থৈ ডাক্তৰ বৰাই অলপ চিন্তা কৰি অভিমত প্ৰকাশ কৰিলে "চিকিৎসা-পদ্ধতিত অলপ ভুল হৈছে। সৰ্বজ্বৰ-হৰ লৌহই কাম নকৰা যেন দেখিলে হৰিতাল ভস্ম দিয়া উচিত আছিল। লক্ষণ চাই কুব্জপ্ৰসাৰিণী তেলৰ ব্যৱস্থা বিতোপন হ'লহেঁতেন।"

শইকীয়াই আগ্ৰহেৰে সমৰ্থন কৰিলে "এৰা, এইবোৰ ঔষধৰ নাম এতিয়া কেনে ? নাম শুনিলেই মানুহৰ বিশ্বাস আহে। কিন্তু বোপা, এইবোৰ কথাই কথা নহয়। তুমি এবাৰ যাব লাগে, তাৰ চিকিৎসা হাতত লৈ ছোৱালীজনী আৰু মোৰ উপকাৰ সাধিব লাগে।"

ডাক্তৰ বৰাই ভাবি চিন্তি উত্তৰ দিলে, "এতিয়া দিন বহুত পলম হ'ল— বেমাৰ পকি উঠিছে। তথাপি আপুনি আহিল যেতিয়া এবাৰ যাবই লাগিব। মই বাৰু ড্ৰাইভাৰ আহিলে গাড়ীৰে গৈছোঁ। আপুনি আগ বাঢ়ক।"

"ভাল বোপা," শইকীয়াই থিয় হৈ ক'লে "তুমি হেলা নকৰিবা। জোঁৱায়েও এতিয়া বুজিছে যে ইমান দিন তোমাৰ হতুৱাই চিকিৎসা কৰোৱা উচিত আছিল।"

ডাক্তৰ বৰাই হেঃ হেঃ কৈ হাঁহি উঠিল। লাখুটিডালৰ ওপৰত ভৰ দি শইকীয়া বৰাৰ ঘৰৰপৰা ওলাল।

দহমান বজাত। মটবেৰে ভোঁ ভোঁ শব্দ কৰি ডাক্তৰ বৰা বৃন্দ বৰুৱাৰ ঘৰত উপস্থিত হ'লহি। বুঢ়া শইকীয়াই তেওঁক আদৰি নিলে আৰু নানান কথাৰে তেওঁক আপোন কৰি পেলালে। তামোল চাকি খাই ডাক্তৰে বেমাৰীক নানান প্ৰশ্নৰে ব্যতিব্যস্ত কৰি তুলিলে ; লগে লগে আগৰ চিকিৎসা পদ্ধতি নিৰ্ভুল নোহোৱা কাৰণেই যে বেমাৰটো জটিল হৈ উঠিছে তাকো প্ৰকাশ নকৰাকৈ নাথাকিল। তাৰ পিছত যন্ত্ৰৰ সহায়ত প্ৰায় আধা ঘণ্টামান বেমাৰীক পৰীক্ষা কৰি গহীন সুৰত বুঢ়া শইকীয়াৰ মুখলৈ চাই ডাক্তৰে মাত লগালে "ভাল হ'ব, সন্দেহ নাই। কিন্তু দিন লব।"

বৰাৰ হাত দুখনত ধৰি শইকীয়াই ক'লে "তাক ভাল কৰি দিয়া বোপা। তোমাৰ নাম হব।"

উত্তৰত ডাক্তৰ বৰাই ক'লে, "আপুনি সেই বিষয়ে চিন্তা নকৰিব। মই হাতত ললোঁ। যেতিয়া যত্নৰ ক্ৰুটি নকৰোঁ।"

শইকীয়াই ডাক্তৰ বৰাক ভিতৰৰ আন এটি কমলৈ লৈ গ'ল। তাতে অলপ সময় বহাৰ পিছতেই বৰুৱানীয়ে দুকাপ চাহ দুবোৰো আগত থলে। ইয়াৰ পিছত বৰুৱানী ওচৰৰপৰা যাবলৈ কাৰবাৰ কৰোঁতেই শইকীয়াই মাত লগালে "ৰচোন মা। অলপ সময় নাযাবি।"

বৰুৱানী থিয় হ'ল।

শইকীয়াই ডাক্তৰৰ মুখলৈ চাই ক'লে, "এই জনীয়েই মোৰ ছোৱালী ডাক্তৰ বোপা।"

মূৰ তুলি চাই ডাক্তৰ বৰাই তেওঁৰ আগত দেখিবলৈ পালে এগৰাকী তিৰোতা—ওখ, ধুনীয়া অথচ অভাৱৰ নিৰ্যাতনেৰে নিপীড়িতা। বুঢ়া শইকীয়াই জীয়েকক ওচৰলৈ মাতি আনি ক'লে "আই, ডাক্তৰ বোপা আমাৰ ঘৰৰ মানুহ। তেওঁৰ আগত লাজ নকৰিবি। বোপাৰ অসুখৰ সকলো খবৰ তই এওঁৰ আগত কবি। ঈশ্বৰে কৰিলে এওঁৰ হাতত পৰিছে যেতিয়া সি সোনকালে ভাল হৈ উঠিব।"

ডাক্তৰ বৰাই চাহৰ কাপৰপৰা মুখখন তুলি আশ্বাস দিবৰ মনেৰে বৰুৱানীৰ ফালে চাই ক'লে, "আপুনি কোনো চিন্তা নকৰিব। তেখেত সোনকালে ভাল হৈ উঠিব।"

চাহ খোৱা শেষ কৰি ডাক্তৰ বৰা উঠিল। শইকীয়াই থিয় হৈ ক'লে,

"তোমাকেই ইয়ঁতক পঠালো বোপা। মনো ইয়াত সদায় থাকিব নোৱাৰোঁ। খেতি-বাতি চপাবৰ সময়। অলপ চকু নিদিলে নচলে। সেই বাবে আজিয়েই যাম। তুমি দিনৌ এবাৰকৈ আহি খবৰ কৰি গলে সন্তোষ পাম। মই গুচি গলে তোমাৰ ওচৰলৈ পঠাবৰ আন কোনো মানুহো নাই।"

"ভাল, আপুনি সেই বিষয়ে নিশ্চিন্ত থাকক।" বুলি ডাক্তৰ বৰা মটৰত উঠিলগৈ আৰু নিমিষতে বকৰাৰ ঘৰৰপৰা আঁতৰি গ'ল।

ডাক্তৰ বৰাৰ গুণ গান কৰি কৰিয়েই বুঢ়া শহুৰীয়াই সিদিনা গোটেই দুপৰীয়াৰ সময়তো কটাই দিলে। শহুৰেকৰ কথা শুনি বৃন্দ বকৰায়ো মনতে ভাবিলে যে এতিয়াহে তেওঁ উপযুক্ত চিকিৎসকৰ হাতত পৰিছে। গধূলি ডাক্তৰ বৰাৰ ঔষধ ব্যৱহাৰ কৰাৰ লগে লগেই তেওঁৰ মনৰ মাজত আশা জিলিঙনিবোৰে ৰেঙাবলৈ ধৰিলে। ঘৈণীয়েকৰো মনত বিশ্বাস হ'ল, যে ডাক্তৰ বৰাই গাত লাগি চিকিৎসা কৰিলে গিৰীয়েক অচিৰে ৰোগমুক্ত হ'ব।

পাছদিনা বাতিপুৱা ডাক্তৰ বৰা ৰোগীৰ ঘৰলৈ আহি ৰোগীক ভালেমান সময় পৰীক্ষা কৰি চালে। আগ দিনাৰ দৰে বকৰানীয়ে তেওঁক ওচৰৰ কমত চাহ জলপান যাচিলে আৰু ৰোগৰো এটি বিতং বিৱৰণ জনালে। সকলো কথা মনযোগেৰে শুনি ডাক্তৰ বৰাই অৱশেষত মাত লগালে "আপুনি অধৈৰ্য নহ'ব। মোৰ হাতলৈ আহিছে যেতিয়া বেমাৰ আৰোগ্য হ'ব লাগে। কিন্তু সোনকালে ফল দেখুৱাবলৈ দামী দামী ঔষধ লাগে—আমাৰ অসমীয়া মানুহে সিমান খৰচ ক'ত পাব ?"

বকৰানীয়ে কথাটো সমৰ্থন কৰি ক'লে, "হয়, টকা পইচাৰ বিষয়েও ভাবিব লাগিব। জানিছেই নহয় তেখেত দুমাহ বিছনাত পৰি থাকিল। হাতত থিখিনি আছিল দি অন্ত কৰিলোঁ। হওক বাৰু, অলপ লাহে ধীৰে ভাল হলেও হয় ; মাথোন আপুনি দয়া নেৰিব।"

চেলু পাই ডাক্তৰ বৰাই এটি মিচিকিয়া হাঁহিৰে মুখ পোহৰাই কৈ উঠিল "ই দয়া নহয়—আমাৰ কৰ্তব্য।"

বকৰানীয়ে মাত লগালে "হওঁতে হয়। কিন্তু আপোনাৰ ফিজ দিব পৰা নাই নহয়।"

সুবিধা পাই ঠাট্টাৰ সুৰতে ডাক্তৰ বৰাই মাত লগালে "আপোনাৰ হাতৰ একাপ চাহৰ মূল্য বহু চাৰি টকাতকৈ বেছি নহয় জানো ?"

বকৰানী অলপ অপ্ৰস্তুত হোৱা যেন দেখা গ'ল। তথাপি বৰাৰ সুৰতে

সুৰ মিলাই তেওঁ কৈ উঠিল “আপুনি তেখেতক ভাল কৰি দিয়ক। মই আপোনাক নাপাহৰোঁ।

মূৰ তুলি ডাক্তৰ বৰাই বৰুৱানীৰ পিনে চালে। অভাৱৰ নিৰ্যাতনৰ কালিমা থাকিলেও বৰুৱানীৰ মুখত আছে লাবণ্য, কথাত স্বাতন্ত্ৰ্য। বৰুৱানীয়ে ওচৰৰ মেজৰপৰ। তামোলৰ বটাখন আনি বৰাৰ আগত থলে। হাতত এখন তামোল লৈ বৰা চকীৰপৰা উঠিল “কাইলৈ ৰাতিপুৱা মোৰ আন ঠাইত কাম আছে। পৰহিলৈ এবাৰ আহিম। আপুনি তেখেতৰ জ্বৰৰ এখন চাৰ্ট কৰি ৰাখিব।”

পাছদিনা গধূলি ডাক্তৰ বৰা আকৌ উপস্থিত হ'ল। বৰুৱাৰ সামান্য মানসিক পৰিৱৰ্তনৰ বাহিৰে বিশেষ উন্নতিৰ চিন দেখিবলৈ পোৱা নাই। বৰাই চাৰ্টখন আগত লৈ কিবা কিবি ভাবি আছে। ওচৰত বৰুৱানী। তেওঁ থিয় হৈ আছে ডাক্তৰৰপৰা কিবা নতুন উপদেশ পাম বুলি। এনেতে ডাক্তৰ বৰাৰ ঘৈণীয়েক তাত উপস্থিত হ'লহি। বৰুৱানীয়ে তেওঁক আদৰিবলৈ আগবাঢ়ি গ'ল।

॥ ৩ ॥

ডাক্তৰ বৰাৰ ঘৈণীয়েক কুঞ্জ বৰুৱানীৰ পাঠ্যজীৱনৰ বান্ধৱী। অৱস্থাৰ দাৰুণ পৰিৱৰ্তনৰ কাৰণে তেওঁলোকৰ মাজৰ সৌহাৰ্দ স্থায়ী হোৱা নাই। ডাক্তৰণীৰ দেউতাকৰ অৱস্থাৰ লগত বৰুৱানীৰ দেউতাকৰ অৱস্থাৰ বিজনি নহয়। ইপিনে ডাক্তৰ বৰাও শিক্ষাই দীক্ষাই, ধনে মানে বৃন্দ বৰুৱাতকৈ চৰা। ডাক্তৰ বৰাৰ ঘৰৰ আগৰ গেৰেজত দুখন নতুন পেটাৰ্ণৰ মোটৰ আজ্ঞাবাহী ভৃত্যৰ দৰে থিয় হৈ থাকে আৰু বৰুৱাৰ ভঙা জেওৰাত কেতিয়াবা কেতিয়াবা বেঁকা হৈ বাগৰি থাকে এখন মামৰে খোৱা বাইচাইকেল। এনেস্থলত বৰা বৰুৱাবেই হওক বা বৰাণী বৰুৱানীবে হওক প্ৰকৃত সৌহাৰ্দত বাধা আছে। মোটৰৰ লগত মোটৰৰ আৰু হাতীৰ লগত হাতীৰ বন্ধুত্ব স্বাভাৱিক আৰু স্বতঃস্ফূৰ্ত। হাতী আৰু ছাগলীৰ বন্ধুত্বত আছে কৃত্ৰিমতা, বাধা আৰু আশা আকাঙ্ক্ষাৰ বিৰুদ্ধ অভিৰুচি। বৰুৱানীৰ মাজে সময়ে তেওঁৰ বান্ধৱী কুঞ্জলৈ মনত পৰিছিল কিন্তু বান্ধৱীয়ে মোটৰেৰে তেওঁৰ বাটৰ আগেদিয়েই অহা যোৱা কৰি তেওঁৰ ঘৰত এবাৰ নোসোমোৱাটোই তেওঁৰ ডাঙৰ অভিমান। সিদিনা ডাক্তৰণী তেওঁৰ ঘৰত উপস্থিত হোৱাত বৰুৱানীৰ সকলো অভিমান আঁতৰি গৈছে।

দুয়ো বান্ধবীৰ মাজত নানান আলাপ আলোচনা চলিল। কথাই কথাই বকুৰানীয়ে বুজিব পাৰিলে যে অতুল ঐশ্বৰ্যৰ অধিকাৰিণী হলেও ডাক্তৰণী সুখী নহয়। সন্দেহৰ বিষাক্ত কীটে ডাক্তৰণীৰ অন্তৰৰ সুখ-শান্তি তিল তিলকৈ খাই পেলাব ধৰিছে। বকুৰানীয়ে ডাক্তৰণীক প্ৰবোধ দিলে। বান্ধবীৰ আগত তেওঁ বিশ্বাসৰ মহিয়সী শক্তিৰ দীঘল বৰ্ণনা দি গ'ল।

দুদিন পিছত বকুৱাই কমৰৰ বেদনা মাজে সময়ে অলপ এৰা দিয়া যেন অনুভৱ কৰিলে। বকুৰানীৰ ডাঠ বিশ্বাস হ'ল যে ই ডাক্তৰ বৰাৰ ঔষধৰে গুণ। কিন্তু একেবাহে দুদিনো ডাক্তৰ তেওঁৰ ঘৰলৈ নহাত বকুৰানী ডাঙৰ চিন্তাত পৰিল। সেই বাবে বেমাৰীৰ অলপ উন্নতিৰ বিৱৰণ দি বকুৰানীয়ে চাকৰটোৰ হাতত এটি টোকা পঠিয়ালে আৰু তেওঁক এবাৰ আহিবলৈ অনুৰোধ কৰিলে।

গধূলি বৰা আহিল। বকুৰানীয়ে তেওঁক আগতকৈ বেছি আদৰ অভ্যৰ্থনা কৰিলে। কিন্তু তেওঁ দেখিবলৈ পালে যে বৰাৰ কথা বতৰাত সিদিনা এটি সন্দেহৰ ভাব অহা যোৱা কৰিছে। চতুৰা বকুৰানীয়ে সকলো লক্ষ্য কৰি কথা উলিয়ালে "তেখেতে অলপ ভাল পাইছে। আপুনি অনুগ্ৰহ কৰি দিনৌ এবাৰ আহিলে—"

ডাক্তৰ বৰাই তেওঁৰ মুখলৈ চালে। সেই দীঘল, সক সক চকু দুটি। বকুৰানীয়ে আগৰ সুৰতে কৈ গ'ল "আপুনি দিনৌ একোবাৰ খবৰ কৰিব। দেউতায়ো কৈ গৈছে। মোক ক্ষমা কৰিব—আপোনাকে আমনি কৰিছোঁ।"

ডাক্তৰ বৰাই গহীনাই উত্তৰ দিলে "এৰা, আহিবতো লাগেই কিন্তু মানৱ জীৱনৰ বাধা আৰু অসুবিধাবোৰে পাছ নেৰে নহয়।"

"ইচ্ছা কৰিলে আপুনি সেইবোৰ পাৰ হ'ব নোৱাৰে জানো?" অলপ চিন্তাযুক্ত হৈ বৰাই উত্তৰ দিলে "পাৰোঁ।"

"অনুগ্ৰহ কৰি একোবাৰ আহিলে মই চিন্তাৰপৰা মুক্ত হওঁ, আনন্দ পাওঁ।"

ডাক্তৰ বৰাৰ মনৰ মাজত উজ্জ্বলি উঠিল দুগৰাকী নাৰীৰ প্ৰতিমূৰ্তি—বকুৰানী আৰু কুঞ্জ। এগৰাকীৰ ভূষণ বিনয়, আন গৰাকীৰ বিবেচনা। দুয়ো যেন দুয়োৰে৷ পৰিপূৰক।

বৰাৰপৰা একো উত্তৰ নাপাই বকুৰানীয়ে সুধিলে "আপুনি মোৰ কথালৈ কাণ দিয়া নাই হবলা।"

ডাক্তৰ বৰা সচেতন হ'ল। ততালিকে তেওঁ উত্তৰ দিলে "নাই, আপোনাৰ

কথাৰে মই আওকাণ কৰা নাই। ভাবিছোঁ বকৰাৰ বাবে কি ঔষধৰ ব্যৱস্থা ভাল হ'ব।"

"তেখেতৰ বাতি ভালকৈ টোপনিও নাহে।" বৰুৱানীয়ে ক'লে। "কেতিয়াবা অলপ চকু লাগিব খুজিলেই ততালিকে সাৰ পায়। ৰাতি কমৰৰ বিষো বেছি হয়। টোপনি অহা দৰৱ কিবা দিব পাৰিলে তেখেতে অলপ শান্তি পালেহেঁতেন।"

ডাক্তৰ বৰাৰ কথা ক্ৰমে বাধাহীন হৈ আহিল "বাৰু। কাইলৈ তাৰ ব্যৱস্থা কৰিম। সাধাৰণ জ্বৰ ভাবৰ বাবে একো চিন্তা নাই। উঠি লৰি ফুৰিব পাৰিলে সেইটো নাইকিয়া হ'ব।"

ডাক্তৰ বৰা উঠিল। বৰুৱানীয়েও গিৰীয়েকৰ ওচৰলৈ গৈ সকলো কথা কলে। "ধনীৰ ধন এইদৰে আনৰ উপকাৰৰ অৰ্থে খৰচ হলে একো বেয়া নহয়।"

বৰুৱাই ডাক্তৰক প্ৰশংসা কৰিলে। বৰ দয়ালু মানুহ তেওঁ। তেওঁৰ উদাৰতাৰ কাৰণেই হয়তো বৰুৱাৰ জীৱন ৰক্ষা পৰিব।

ৰাতিপুৱা। ডাক্তৰ বৰাৰ মোটৰ পদূলিমুখত ৰলহি। বৰুৱানীয়ে আগ-বাঢি ডাক্তৰক ভিতৰলৈ লৈ গ'ল আৰু বহিবলৈ আসন দিলে। "আপুনি নিশ্চয় আমাৰ কোনোবা জনমৰ কুটুম আছিল নহলে আপোনাৰ ওচৰত ইমান আৱদাৰ কৰিব পাৰোঁনে?"

সেই ধীৰ, স্থিৰ, নীলা, দীঘল চকুযুৰি। অন্তৰৰ সকলো আবেগ যেন তাত ভৰি উঠিছে। ৰমণীসুলভ সকলো মাধুৰিমাই যেন তাক দিনে দিনে উজ্জলতৰ কৰি তুলিছে। বৰুৱানীৰ এনে কাতৰ উক্তিৰ কি সমিধান তেওঁ দিব? শয্যাশায়ী স্বামীৰ দীৰ্ঘ পৰিচৰ্যাৰ অন্ততো সেই চকুযুৰি ম্লান হোৱা নাই, মুখৰ মিঠা কথাৰ ওৰ পৰা নাই। চকীৰপৰা উঠি বৰা অলপ আগবাঢি আহিল, ক'লে, "আপোনাৰ এই বিনয়ী ব্যৱহাৰত মই মুগ্ধ হৈছো। এই ব্যৱহাৰ মই জীৱনত পাহৰিব নোৱাৰোঁ। মোক একো নালাগে। আপোনাৰ কথাই মোৰ অন্তৰত সঞ্জীৱনী সুধা ঢালিব।"

আগৰ সুৰতে বৰুৱানীয়ে কৈ উঠিল "ইও আপোনাৰ উদাৰ মনৰে পৰিচয়।"

॥ ৪ ॥

চিকিৎসা ব্যৱসায়ৰ নীৰস বাস্তৱতাৰ মাজত কল্পনা-সুখৰ সামগ্ৰী বহুতেই বিচাৰি নাপায়। ডাক্তৰ বৰাই সেইটো পাই তাক হেৰুৱাবলৈ বিচৰা নাই।

বৰুৱা তেওঁৰ চিকিৎসাৰ অধীনত থকা পোন্ধৰ দিনৰ ওপৰ হ'ল। এই কেইদিনৰ ভিতৰতে বৰুৱানীৰপৰা তেওঁ যি স্নেহ, মৰম আকৰ্ষণ কৰিব পাৰিছে সি হয়তো নিস্বাৰ্থ, হয়তো স্বাৰ্থজড়িত। কিন্তু ইয়াতো ববাৰ কৃতিত্ব আছে—অন্ততঃ তেওঁ তেনেকৈ ভাবে। ইয়াৰ উপৰিও বৰুৱাৰ উন্নতি। পোন্ধৰ দিন আগত বিছনাত কেঁকাই কেঁকাই পৰি থকা বৰুৱা এতিয়া বিছনাত উঠি বহে। ডাক্তৰ এজনৰ পক্ষে ইও এটা কম আনন্দৰ বিষয় নহয়।

আন এদিনাখন ববা বৰুৱাৰ ঘৰত উপস্থিত হ'ল। এতিয়া বৰুৱানীৰ লগত কথা-বাৰ্তা কৈয়েই তেওঁ বেছি আনন্দ পায়। আজিকালি তেওঁ বৰুৱাৰ ঘৰত কেৱে চকী আগ বঢ়োৱাৰলৈ বাট নাচাই নিজেই এখন টানি লৈ বহে। বৰুৱানী বান্ধনি ঘৰত কিবা কামত ব্যস্ত থাকিলেও তেওঁ তালৈ যাবলৈকেও সঙ্কোচ বোধ নকৰে। মুঠৰ ওপৰত, বৰুৱাইঁতৰ ঘৰখনৰ লগত ডাক্তৰৰ বেছ আত্মীয়তা গঢ়ি উঠিছে। নানান ব্যস্ততাৰ মাজতো বৰুৱানীয়ে ঠিক আগৰ দৰেই তেওঁৰ লগত কথা পাতে, তেওঁক আকাশত তুলি দি আঁতৰৰপৰা ৰেহৰূপ চায়। বিনয়ী স্বভাৱৰ লগতে বৰুৱানীৰ মনৰ আনন্দৰ ভাববোৰো লাহে-লাহে সঞ্জীবিত হৈ উঠিব ধৰিছে। স্বামীৰ স্বাস্থ্যোন্নতি আৰু বান্ধৱী কুঞ্জৰ উৎসাহ বাণীয়ে হয়তো ইয়াৰ কাৰণ।

আন এদিন ডাক্তৰ ববা আহি পোৱাৰ লগে লগেই বৰুৱানী তেওঁৰ কাষলৈ লৰি আহিল। বিশেষ ব্যস্ততাৰ মাজত থকা দেখুৱাই ডাক্তৰ সিদিনা সোনকালে যাবলৈ ওলাইছিল কিন্তু বৰুৱানীয়ে আৰম্ভ কৰিলে "আপোনালোকৰ ডাক্তৰী জীৱনটো দেখিছোঁ নীৰস ব্যস্ততাৰে ভৰা। নহয়নে ?"

ডাক্তৰ ববাই একো উত্তৰ নিদি বৰুৱানীৰ মুখলৈ চাই বল। বৰুৱানীয়ে কৈ গ'ল "আপোনালোকৰ দেখিছোঁ এখন্তেক বিশ্ৰাম নাই—সদায় কাম, সদায় ব্যস্ততা। এজন মানুহৰ লগত বহি দুষাৰ কথা পাতিবলৈকো আপোনালোকৰ সময়ৰ অভাৱ।"

ডাক্তৰ ববাই হাঁহি মাৰি উত্তৰ দিলে "এৰা, ভগৱানে আমাক সেই কেবা সুখৰপৰা বঞ্চিত কৰিছে যেন পাওঁ।"

বৰুৱানীয়ে ধেমালিৰ ছলতে কৈ পেলালে "তথাপি আপোনালোকে মুমূৰ্ষু জনক প্ৰাণ দান কৰে, শুকান হিয়াতো আশা, আনন্দৰ বান তুলি দিয়ে।"

ডাক্তৰ ববাৰ মুখৰ ৰং অলপ পৰিবৰ্তন হ'ল। হয়তো এই বিনয়, এই সৰলতা আত্মনিবেদনৰেই প্ৰতীক। কেনোৰ সুৰত ববাৰ মুখেৰে ওলাল "কিন্তু

দুখৰ বিষয় যে আমি সেই আনন্দৰ দ্রষ্টাহে মাথোন। মানৱ মনে জানে। ইয়াতকৈ বেছি নিবিচাৰে ?”

বৰুৱানীয়ে কিবা ক’ব খুজিছিল কিন্তু এনেতে তেওঁ বৰুৱাৰ মাত শুনিবলৈ পালে। ততালিকে তেওঁ স্বামীৰ ওচৰ পালেগৈ। অলপ পিছতেই তেওঁ ঘূৰি আহি সুধিলে “তেখেত বাহিৰলৈ ওলাই আহিবলৈ ইচ্ছা কৰে।”

ডাক্তৰে উত্তৰ দিলে “আৰু তিনি চাৰি দিন অপেক্ষা কৰক। হৃৎপিণ্ডৰ দুৰ্বলতা আঁতৰিব লাগিব।”

ডাক্তৰে উঠিবলৈ কাববাৰ কৰিলে কিন্তু বৰুৱানীয়ে বাধা দি চাহ ঘৰত সোমাল গৈ। অলপ পিছত চাহৰ কাপটো মাজে সময়ে ওঁঠত লগাই লগাই ডাক্তৰে আৰম্ভ কৰিলে “পুলিচ চাহাবৰ শকত নৰীয়া। আজি তালৈ যোৱাৰ কথা আছিল কিন্তু আপোনাৰ মৰমৰ টান এৰাব নোৱাৰিলোঁ। মনতে ভাবিলোঁ পুলিচ চাহাবৰ জীৱনৰ মূল্যতকৈ বৰুৱাৰ জীৱনৰ মূল্য বেছি কাৰণ তেওঁ আপোনাৰ স্বামী।”

ওচৰৰ চকী এখনত ভেজা দি বৰুৱানীয়ে তলমূৰ কৰি উত্তৰ দিলে “আপোনাৰ অনুগ্ৰহৰ প্ৰতিদান মই কি দিম ভাবি পোৱা নাই।”

বৰাৰ মনৰ মাজত আনন্দৰ ঢৌবোৰে তল ওপৰ লগালে। উল্লাসতে তেওঁ কৈ গ’ল “আপুনি অজ্ঞাতে আপোনাৰ মনৰ এটি চুক দান কৰিছে। আপুনি দান কৰিছে সৰলতা, প্ৰীতি আৰু স্বৰ্গীয় স্নেহ, প্ৰাণৰ ভালপোৱা। মই কেতিয়াবা ভাবোঁ ইয়াতকৈ কি মহত্তৰ দান হ’ব পাৰে ?”

“মই আপোনাক একো দিব পৰা নাই। যি কৰিছে সি আপোনাৰ কৰুণাৰ গুণত। তথাপি মই আপোনাক পাহৰিব নোৱাৰোঁ। আপুনি এতিয়া অকল মোৰ স্বামীৰেই চিকিৎসক নহয়, আপুনি এই ঘৰৰ মালিক।”

ডাক্তৰ বৰা চকীৰপৰা উঠি বৰুৱানীৰ ওচৰলৈ আগবাঢ়ি গ’ল। বৰুৱানীয়ে খিৰিকিৰ ৰেলিঙত ধৰি থিয় দিলে। সেই ধীৰ, স্থিৰ স্বভাৱ—সেই উজ্জ্বল, নীলা চকুযুৰি। অস্তমিত সূৰ্যৰ ৰাঙলি কিৰণে তেওঁৰ মুখখনিৰ একাল পোহৰাই তুলিছে। ডাক্তৰে আবেগপূৰ্ণ হৃদয়েৰে ক’বলৈ ধৰিলে “অকল মৰম—অকল মৰমকেই পাহৰিব নোৱাৰি মই আপোনাৰ স্বামীৰ চিকিৎসা কৰিছোঁ। নহলে এজন ঠিকাদাৰৰ জীৱনৰ প্ৰতি মোৰ কোনো মায়া নাথাকিলহেঁতেন।”

বৰুৱানীয়ে ডাক্তৰক ধন্যবাদ জনালে ; লগতে ক’লে “কাইলৈ সন্ধিয়া এবাৰ আহিলে সন্তোষ পাম।”

"সন্ধিয়া!" ডাক্তৰ অলপ চিন্তিত হ'ল।

"হয় সন্ধিয়া।" বৰুৱানীয়ে মাত লগালে। "ছোৱালীজনীয়ে আমনি কৰে। তেখেতৰো আলপৈচান ধৰিব লাগে। নেদেখিছেনে আপোনাৰ লগত কথা পাতিবলৈকো সময় নাই। দেউতাও আহিছে। তেওঁ লগ পালে আনে কথা ক'বৰ সুবিধাই বা ক'ত? সন্ধিয়া দেউতাও ওলাই যায়, ময়ো আজৰি পাওঁ। সেই বাবেই আপোনাক সন্ধিয়া আহিবলৈ কৈছোঁ।"

পাছদিনা সন্ধিয়া যেতিয়া ডাক্তৰ বৰা বৰুৱাৰ ঘৰৰ ভিতৰ সোমায় তেতিয়া ভিতৰত কাৰো মাত-বোল নাই। ছোৱালীজনী শুইছে আৰু বৰুৱাৰ কমতো একো সাৰ শব্দ নাই। ঘৰৰ ভিতৰ সোমাই ডাক্তৰ বৰাই ইফালে সিফালে চাইছে এনেতে বৰুৱানী আগত ওলালহি। "আপুনি চাগৈ বহুতো সময় ইয়াতে অপেক্ষা কৰিছে?" বুলি ততাতৈয়াকৈ তেওঁ চকী আগবঢ়ালে। ইয়াৰ পিছত চাহ-জলপানৰ বহল বন্দবস্ত, বৰুৱানীৰ অহা যোৱাৰ লক্ষণ, কথাৰ ধৰণ—সকলোতে যেন তেওঁ এটি নতুন ৰাগৰ সঙ্কেত দেখিবলৈ পালে। অৱশেষত বৰুৱানী বটাত তামোল লৈ আহিল। তাৰে এখন মুখত সুমাই তেওঁ নির্নিমেষ নেত্রে বৰুৱানীৰ মুখলৈ চাই থাকিল। সেই একে চঞ্চলতাহীন প্রকৃতি, অথচ প্রাণস্পর্শী মুখৰ মধুৰ কথা। সেই একে নীলা চকুযুৰিয়ে যেন অন্তৰৰ সকলো আবেগ, সকলো আকাঙ্ক্ষা তেওঁৰ আগত দাঙি ধৰিছে। সকলো স্পষ্ট অথচ অস্পষ্ট। তেনেহলে তেওঁ জানো সদায় এটি সাঁথৰ, এটি ৰহস্য হৈয়েই থাকিব?

এটি মিচিকিয়া হাঁহিৰ জিলিকনিয়ে বৰুৱানীৰ মুখখনি পোহৰাই তুলিছে। তাৰ মাজতে আছে এটি হৃষ্টতা আৰু আকুলতাৰ প্রকাশ চেষ্টা। দেহ-পিঞ্জৰৰ দুৱাৰ ভাঙি তেওঁ এই আকুলতাক মুকলি কৰি দিব, কামনাৰ দুর্লঙ্ঘ্য প্রাচীৰ চুৰমাৰ কৰি তেওঁ তাৰ নগ্নমূর্তি চকুৰ আগত ৰাখিব।

পাকঘৰত দুটা বাতিৰ জনজননি শব্দ শুনা গ'ল। হয়তো চাকৰ ৰন্ধা-বঢ়া কামত ব্যস্ত। বৰুৱানীয়ে মেজৰ কাষৰপৰা খিৰিকিৰ ওচৰ পালেগৈ। নিলাজ পৱনে তেওঁৰ মূৰৰ ওৰণিখন আঁতৰাই পেলালে। দীঘল কেঁকোৰা চুলিবোৰ বৰাৰ চকুত পৰিল। এনেকৈয়ে, ঠিক এনেকৈয়ে তেওঁ তেওঁৰ মনৰ আবৰণ আঁতৰাই দিব—স্বভাৱজ প্রবৃত্তিক সুখ সম্ভোগৰ বহল ক্ষেত্রত স্বতন্ত্রতা দান কৰিব।

ডাক্তৰ বৰা চকীৰপৰা উঠিল। বৰুৱানীয়ে মূৰ ঘূৰাই চালে। হাঁহিৰ

জিলিকনিয়ে এতিয়াও তাত খেলি আছে। ইয়েই বৰাৰ অন্তৰত এদিন কামনাৰ তুষানল জ্বালি দিছিল। আজি সিয়েই ব্যাপকতা লাভ কৰি তেওঁৰ প্ৰতি অঙ্গ, প্ৰত্যঙ্গ পুৰি দেই মাৰিব ধৰিছে। সেই বাবে বৰাই বিচাৰিছে আজি তেওঁৰ সান্নিধ্য, পৰশ—তেওঁৰ গোটেই দেহটো আৰু তাৰ মাজত চোৰৰ দৰে লুকাই থকা প্ৰেম, প্ৰীতি, ভালপোৱা, হিংসা, দ্বেষ, প্ৰবঞ্চনাপূৰ্ণ সমস্ত জীৱনটো।

ডাক্তৰ বৰাই খোজ ললে। বকৰানী অলপ আঁতৰি গ'ল। স্থিৰ হৈ ডাক্তৰ থিয় দিলে—তেওঁৰ মনত সন্দেহ হ'ল, মুখৰ পৰা ওলাই পৰিল "মৰীচিকা?"

হাঁহি হাঁহি বকৰানীয়ে কৈ উঠিল "এৰা মৰীচিকা।"

"যদি সেয়ে হয় মই তাক বাস্তৱত ৰূপান্তৰিত কৰিম।"

সাহসেৰে, দৃঢ়তাৰে আৰু বিশ্বাসেৰে বৰা আগবাঢ়ি গ'ল। তেওঁৰ দুই হাতখনিয়ে বৈণীয়েকৰ বান্ধৱীৰ ৰিহাৰ আঁচলত ধৰি টানিলে। নিমিষতে বকৰানীৰ বাওঁহাতত ওলমি থকা চাবি কোছা পকা মাটিত পৰি একেলগে চিঞৰি উঠিল। বৰা উচাপ খাই উঠিল। কল্পনাৰ ছয়াময়া আৱৰণ নিমিষতে আঁতৰি গ'ল। সমুখত তেওঁ দেখিবলৈ পালে নীৰস বাস্তৱতা— জুই যেন ৰঙা— কুঞ্জৰ চকুযুৰি। কেউদিক অন্ধকাৰ দেখিলে তেওঁ। ভ্ৰান্তি। ভ্ৰান্তিও এনে জীৱন্ত হ'ব পাৰেনে? আকৌ সেই স্থিৰ চকু। তেওঁক বিদ্ৰূপ কৰিবলৈকেই যেন কুঞ্জ তাত উপস্থিত হৈছে। ততালিকে তেওঁ তাৰপৰা ওলাই আহিবলৈ উদ্যত হ'ল। কিন্তু তেওঁৰ শৰীৰৰ সিৰ আৰু মাংসপেশীবোৰ তেনেই অৱশ, অকৰ্মণ্য হৈ পৰিছে। দুখোজ নওঁ নৌলওঁতেই তেওঁ পিছলি মাটিত বাগৰি পৰিল। কুঞ্জ, বকৰানী দুয়োৰো কি কৰোঁ—কি নকৰোঁ লাগিল। প্ৰহসনৰ অন্ত এনে কৰুণ হ'ব বুলি বকৰানীৰ ধাৰণা নাছিল আৰু কুঞ্জয়েও ভবা নাছিল যে পৰীক্ষাৰ পৰিসমাপ্তি এনে ভয়ানক হৈ উঠিব। ততাতৈয়াকৈ দুয়ো ডাক্তৰ বৰাক বিচনীৰে বিচিবলৈ ধৰিলে। ওচৰৰ কমত গণ্ডগোল শুনি বকৰায়ো লাখুটিডালত ভৰ দি সেইখিনি পালেহি। কিছু সময় গ'ল। লাহে লাহে বৰাই চকু মেলিলে আৰু দেখিবলৈ পালে তেওঁৰ বাওঁকালে কুঞ্জ আৰু সোঁফালে বকৰানী। দুয়োৰেই তেওঁৰ আলপৈচান ধৰিছে। সপোন সুখত তেওঁ তন্ময় হ'ল। এই সপোন যদি বাস্তৱত পৰিণত হ'লহেঁতেন—কল্পনা আৰু বাস্তৱতাৰ যদি এক দিনৰ বাবেও প্ৰভেদ আঁতৰি গ'লহেঁতেন! বুঢ়া শইকীয়া এনেতে ওলালহি। ডাক্তৰৰ

অৱস্থা দেখি তেওঁ এবাটি গৰম গাখীৰ আনি নিজ হাতেৰে বৰাক খুৱাই দিলে। লাহে লাহে বৰা সুস্থ হ'ল আৰু বকৰাৰ ঘৰঘপৰা ওলাই মোচৰত বহিল। বুঢ়া শইকীয়াই উপদেশ দি ক'লে, "ডাক্তৰ বোপা, চাই-চিতি খোজ দিব লাগে। তোমাৰ দৰে জনা-বুজা মানুহ মজিয়াতে পিছলিব লাগিলে আনে নাহাঁহিবনে?"

ডাক্তৰ বৰাই উত্তৰ নিদিলে। বকৰানীয়ে মুখত সোপা দিলে। দুখ কৰি থকা ডাক্তৰণীৰ মুখতো হাঁহিৰ আভা ফুটি উঠিল।

যোৰহাট। ১১।১।৭১

প্ৰায়শ্চিত্ত

ভবা নাছিলোঁ—সপোনতো সন্দেহ কৰা নাছিলোঁ—যে সুদূৰ ডিব্ৰুগড়ত ঘটা এটা অতীত ঘটনাই মোৰ বৈবাহিক জীৱনত—এটি দুৰ্লঙ্ঘ্য অন্তৰায় হৈ উঠিব। যৌৱনৰ পূৰ্ণ প্ৰকাশ তেতিয়া—অন্তৰত অতৃপ্ত বাসনা, মনত সুন্দৰৰ কল্পনা। জনা নাছিলোঁ এই বাসনাৰ পৰিতৃপ্তিৰ আৰু সুন্দৰৰ আৰাধনাৰ অন্তত নিজে নিজে প্ৰায়শ্চিত্তৰ আহুতি দিব লাগিব বুলি।

তেতিয়া মেডিকেল স্কুলৰ মুকলিমূৰীয়া ছাত্ৰ মই। মোৰ ঘৰত টকাৰ বল আছে, মনত সাহ আছে আৰু বাসনাত আছে অতৃপ্ত পিয়াহ। এনে সময়তেই বৰ আচৰিত ৰকমে মোৰ সম্ভাৱ গঢ়ি উঠে এজনী তিৰোতাৰ লগত। তাই অসমীয়া কিন্তু তেতিয়া এজন সাধাৰণ হিন্দুস্থানী মানুহৰ গৃহিণী। ধুনীয়া তাই, আদৰণীয় তাইৰ ব্যৱহাৰ। তাইৰ মুখলৈ চাই কোনোৱে ক'ব নোৱাৰে যে ডেৰকুৰি বছৰৰ ঘাত প্ৰতিঘাত তাৰ ওপৰেদি বাগৰি গৈছে। একেজনী ছোৱালী তাইৰ, বননিত মুকলিমূৰে উৰি ফুৰা পখিলাটিৰ দৰে ফুলু, অতি চঞ্চলা, চপলা কিন্তু বননিত ডাঙৰ দীঘল হোৱা হৰিণা পোৱালিটিৰ দৰে চকুত তৃপ্তি দান কৰিবপৰা ধুনীয়া। তাইৰ চকুত উজ্জ্বল আভা, মুখত মধুৰ হাঁহি, প্ৰতি অঙ্গতে বিয়পি পৰা যৌৱনৰ আগমনী লাৱণ্য। বৰ ভাল লাগে তাইৰ কথাবাৰ্তা, হাঁহি ধেমালি আৰু অৰ্থহীন সৰু সৰু প্ৰশ্নবোৰ। সেইবাবে মই প্ৰায়েই সিহঁতৰ ঘৰলৈ যাওঁ—ফুলুৰ মাকে বৰ আগ্ৰহকৈ মাতে. ফুলুই বাটত দেখিলে টানি লৈ যায়। মাকে কয় মোৰ লগত কথা পাতিলে তাইৰ মন পাতলে, কাৰণ দুয়ো একে জিলাৰেই মানুহ। মই আচৰিত হওঁ আৰু সোধোঁ কেনেকৈ তাই সেই হিন্দুস্থানীটোৰ গৃহিণী হ'ল। তাই উত্তৰ নিদিয়ে। মাথোন তললৈ মূৰ কৰি সোঁ হাতৰ আঙুলিৰে নিজৰ কপালখন দেখায়। মই বুজোঁ—তাইৰ অতীত জীৱনত কিবা মৰ্মন্তুদ কাহিনী জড়িত আছে। তালৈ মনত পৰিলে তাই জড়সৰ হৈ পৰে, তাইৰ মুখৰ মাত বন্ধ হয় আৰু বিষাদৰ ক'লা মেঘে ৰঙচুৱা গাল দুখনৰ জেউতি আঁতৰাই নিয়ে। মোৰো মনত দুখ লাগে। দুনাই কথাৰ সোঁত আনপিনে বোৱাবলৈ চেষ্টা কৰোঁ—কৃতকাৰ্যও হওঁ। মেঘৰ

মাজৰ বিজুলীৰ লুকা-ভাকুৰ নিচিনাকৈ দুনাই আনন্দৰ জিলিকনিয়ে তাইৰ গাল দুখনি বেড়াই যায়। তাইৰ নিষ্প্ৰভ চকুযুৰি দুনাই উজ্জ্বল হৈ, পৰে, আৰু দুয়ো কাষে অকৰ্মণ্য হৈ হালি পৰা হাত দুখনেৰে তাই আগতে বান্ধি থোৱা খোপাটোকে সোলোকাই আকৌ টানকৈ বান্ধে। তাৰ পিছত ঠিক আগৰ দৰেই কথা বাৰ্তা, হাঁহি-ধেমালি, প্ৰীতি-সম্ভাষণ। তাইৰ কথা বাৰ্তা, কাৰ্য-কলাপত মই মুগ্ধ হওঁ—ভাবোঁ ইমান ধুনীয়া—ইমান জনা বুজা তাই, কেনেকৈ তাই সেই অজ্ঞ বিদেশীটোৰ লগত জীৱন যাপন কৰিছে।

তাইৰ প্ৰতি মোৰ ভালপোৱা দিনে দিনে বাঢ়ি আহে। নিতৌ নতুন ৰূপৰাশিৰ আশাত মই বলিয়া হৈ উঠোঁ। আকৌ তাইৰ ওচৰলৈ যাওঁ—ফলু দৌৰি আহে, মাকে আধে বেধে পীৰা আগবঢ়ায়। পলকহীন দৃষ্টিত মই তাইৰ ফালে চাওঁ—সঁচাকৈয়ে তাই ধুনীয়া, চকুৱে যি দেখিছোঁ তাতোকৈ ধুনীয়া। তাইৰ কথা-বাৰ্তা মই তন্ন তন্নকৈ পৰীক্ষা কৰোঁ, বুজিব পাৰোঁ সকলোতেই বাসনাৰ পৰিস্ফুট এটি অৱস্থা। বিভোৰ হওঁ মই—পাহৰি যাওঁ নিজৰ আৰু পাৰিপাৰ্শ্বিক অৱস্থা। তাইৰ কাষলৈ গৈ মোৰ মৰম প্ৰীতি যাচোঁ। তায়ো মোক বেছিকৈ মৰম কৰে আৰু আহিবৰ সময়ত মুখৰ চুমাটি যাচি বিদায় দিয়ে। তাইৰ গিৰীয়েকে মোক সন্দেহ নকৰে। সি জানে তাই মোৰ আপোন, তেনেই লগা ভগা।

বৰ আনন্দত দিন যায়। পঢ়াশুনা নাই—কেৱল মৰম প্ৰীতি, স্নেহ, ভালপোৱা—এপিনে আত্মনিবেদন, আন পিনে আত্ম সমৰ্পণ। ভাবিছিলোঁ এই আনন্দৰ অৱসান নহ'ব। কিন্তু হঠাৎ আহি পৰিল পিতাৰ জৰুৰী চিঠি। গৰমৰ বন্ধত মই ঘৰলৈ যাবই লাগে, নহলে তেওঁ টকা পঠোৱা বন্ধ কৰিব আৰু লগতে মোৰ ডিব্ৰুগড়ীয়া জীৱনবো অন্ত পৰিব। বুজিলোঁ পিতাৰ সেই নিষ্ঠুৰ প্ৰকৃতি, চিঠিৰ প্ৰত্যেক আখৰে আখৰে স্পষ্ট হৈ উঠিছে। তেওঁৰ চোকা চকুৰ আঁতৰ হওঁ বুলি আহিছিলোঁ ডিব্ৰুগড়লৈ—কিন্তু, ইযাতো তাৰপৰা আঁতৰ হ'ব নোৱাৰিলোঁ। চিঠিৰ প্ৰত্যেক আখৰেই যেন পিতাৰ চোকা চকুৰ দৰে জিলিকি উঠি মোক যাতনা দিলে। মনলৈ দুখ আহিল। চিঠিখন টুকুৰা টুকুৰা কৰি ফালি জুইত পুৰি ছাই কেইটা মোহাৰি পেলালোঁ তথাপি মনৰ অৱসাদ আঁতৰি নগ'ল।

চাৰি দিন পিছত। ঘৰত। সেই স্ফূৰ্তিহীন, আনন্দহীন জীৱন—স্বাধীনতা নাই, গতানুগতিক ৰীতি, ৰক্ষণশীলতাৰ চিন। ডিব্ৰুগড়ীয়া জীৱনৰ

তুলনাত ই নবক। কেতিয়া আৰু কেনেকৈ ইয়াৰপৰা উদ্ধাৰ পাওঁ তাকেই দিনে-ৰাতিয়ে ভাবিবলৈ ধৰিলোঁ। পঢ়াশুনাৰ ক্ষতি আদিৰ ওজৰলৈ আঙুলিয়াই একো ফল নহল। পিতাৰ কৰা হুকুম, বন্ধৰ শেহলৈকে মই ঘৰত থাকিব লাগিব।

বন্ধৰ শেহত। নানান আগগুৰি নোহোৱা অসম্ভৱ কল্পনা পাগুলি ডিব্ৰুগড় পালোঁহি। মনৰ মাজত পূৰ্বৰ স্মৃতি দুগুণ স্পষ্ট হৈ উঠিল—ফুলু নিশ্চয় ধুনীয়া হৈ উঠিছে। পিছ দিনা নানান কথা আলচি খোজ ললোঁ ফুলুহঁতৰ ঘৰলৈ বুলি। চহৰৰ এটি ঠেক বাটৰ ওপৰত চিৰ পৰিচিত সেই ঘৰটো। তালৈ, ঠিক সেইটোলৈ বুলি খোজ ললোঁ। আঁতৰৰপৰা দেখিবলৈ পালো। ঘৰটোৰ বাহ্যিক দৃষ্টি মলিন আৰু মৰ্মস্পৰ্শী। বুকুখন আপোনা আপুনিয়ে কঁপি উঠিল। আকৌ আগ বাঢ়িলোঁ—ঘৰ পৰিত্যক্ত, দুৱাৰত তলা মৰা। দুৱাৰ পৰীক্ষা কৰি চালোঁ, তাত টুকুৰিয়াই দিলোঁ। কিন্তু মানুহৰ সাৰ শব্দ নাপালোঁ—মাথোন ভিতৰত এটা 'সন্‌সন্‌কৈ' শব্দ উঠিল।

ব্যৰ্থ মনোৰথ হৈ ঘৰালৈ উভতিলোঁ। এটি অচিন্ত্যনীয় অৱসাদে মোৰ দেহমন অৱশ কৰি পেলালে, মনত কৌতূহলো উপস্থিত হ'ল "ইহঁত গ'ল কলৈ ?" দুমাহ মানলৈ ডিব্ৰুগৰ চহৰ পাত পাত কৈ বিচাৰিলোঁ। মনতে আশা কৰিছিলোঁ মোৰ চোকা চকুত সিহঁত ধৰা পৰিবই কিন্তু নাই ব্যৰ্থ হলোঁ। সিহঁতক নাপালোঁ, পালোঁ মাথোন একেটি খবৰ যে সেই হিন্দুস্থানীজন মৰিছে।

পিছত। আন আন মানুহৰ লগত নতুনকৈ বন্ধুত্ব গঢ়ি উঠিব ধৰিলে। যি চিন্তাই মোক চিৰ জীৱন পুৰি মাৰিব বুলি ভয় কৰিছিলোঁ তাৰ তাপ লাহে লাহে কমি আহিবলৈ ধৰিলে। কেমাহ মানৰ পিছত সি এটা সুখৰ স্মৃতি হৈ মনৰ এচুকত লেবেলি পৰি থাকিল।

দিন গ'ল। পঢ়া-শুনা বিশেষ নহলেও মই মেডিকেল স্কুলৰেই ছাত্ৰ হৈ থাকিলোঁ। দিনে দিনে মোৰ বন্ধু-বান্ধৱৰ সংখ্যা বাঢ়ি আহিবলৈ ধৰিলে। এওঁলোকো ঠিক মোৰ দৰেই কাৰ্যক্ষম, সাহসী আৰু কল্পনাপ্ৰৱণ। এওঁবিলাকৰ লগত লক্ষ্যহীন জীৱনটো অনুভূতিৰ কোবাল সোঁতত উটুৱাই দিলোঁ।

কৰ্‌নোৱাবাকৈয়ে দুটি বছৰ উকলি গ'ল। এদিন আবেলি কেজনমান বন্ধু মোৰ বহাঘৰত উপস্থিত হ'ল। আমাৰ মাজত নানা তৰহৰ আলোচনা হ'ল, আগে পাছেও হয়। তেওঁলোকে কলে যে হস্পিটেললৈ সিদিনা এজনী তিৰোতা আহিছে। তাইৰ সোঁ ভৰিখন কটা। আইৰ লগত এজনী ছোৱালী-অতি ৰূপৱতী, বোধ হয় গুণৱতীও।

খবৰটোৱে মোক চঞ্চল কৰি তুলিলে। সিদিনা ৰাতি সিহঁতৰ ওচৰলৈ যোৱাৰ সুবিধা নহ'ল। পিছ দিনা ৰাতি পুৱাতেই হস্পিটেল বুলি খোজ ললোঁ। গৈ যি দেখিলোঁ মই তাতে অবাক হৈ পৰিলোঁ—এয়ে যে ফুলু আৰু তাইৰ মাক—মাক শুকান, শয্যাশায়িনী, ফুলু যৌৱন ভৰা, মাকৰ শুশ্ৰূষাকাৰিণী। মোক দেখি সিহঁতো আচৰিত হ'ল, মনে মনে ভালো পালে সাহো পালে। অতবোৰ অচিনাকি মানুহৰ মাজত থাকি সিহঁতে সমূলি ভাল পোৱা নাই। মই সিহঁতক আশ্বাস দিলোঁ আৰু সময় মতে সিহঁতৰ খা-খবৰ লম বুলি কৈ আহিলোঁ।

তেতিয়াৰেপৰা দিনৌ দুবাৰকৈ হস্পিটেললৈ যাওঁ। হস্পিটেলত ফুলুহঁতৰ অসুবিধা হ'ল। গতিকে এটা সৰু ঘৰ ভাৰা কৰি তালৈ সিহঁতক আনিলোঁ। আৰু ফুলুৰ সান্নিধ্য আশা কৰি সিহঁতৰ তত্ত্বাবধানত থাকিলোঁ। নিজেই।

ফুলুৰ মাকৰ একো উন্নতি দেখা নগ'ল। তাইৰ ভৰিখন পকিব ধৰিলে। তথাপি মাক-জীয়েক দুয়োৰেই সেইটো কিবা ভয়ৰ কাৰণ হ'ব পাৰে বুলি সন্দেহ কৰিব নোৱাৰিলে। পাৰিলোঁ মই। কিন্তু ময়ো তাক প্ৰকাশ কৰি সিহঁতৰ মনলৈ অশান্তি আনিবলৈ ইচ্ছা নকৰিলোঁ। ইয়াত মোৰ অলপ স্বাৰ্থও আছিল।

ফুলুই মাকৰ দুৰৱস্থাৰ কথা বহুতো পাহৰি গৈছে। লাহে লাহে তাইৰ প্ৰকৃতিৰ চঞ্চলা গতিৰ প্ৰকাশ পাই আহিব ধৰিছে। মই তাৰ বাটভেটা দিবলৈ চেষ্টা কৰা নাই, চেষ্টা কৰিছোঁ তাক অবাধ কৰিবলৈ, তাৰ পূৰ্ণ বিকাশ কৰিবলৈ। কেতিয়াবা কেতিয়াবা ফুলুই মাকৰ ওচৰত বহি ইটো সিটো কৰি থাকে। মই আঁতৰৰপৰা দুয়োকো বিজাই চাওঁ। ফুলুৰ তুলনাত আজিকালি মাক কেনে কদাকাৰ, তাইৰ দেহটো কেনে কান্তিহীন, মুখখন কেনে শুকান। কিন্তু ফুলু? যৌৱনৰ উল্লাসেৰে উল্লসিত তাইৰ বুকু, গোটেই গাত বিয়পি পৰা সুন্দৰৰ আবেশ। কোনে জানিছিল হেৰোৱা ধন আকৌ হাতলৈ আহিব, আকাঙ্ক্ষাৰ কোনো স্পৰ্শ নোহোৱাকৈয়ে আকৌ আপোনা আপুনিয়ে চৌ জগাই তুলিব! মনেৰে হাঁহো। আনন্দত মোৰ মন প্ৰাণ ভৰি উঠে।

প্ৰায় দু-সপ্তাহ পিছত আমাৰ দলপতি বন্ধুৰ লগত মোৰ দেখা হয়। তেতিয়া তেওঁ আতি গহীন ভাবে দোকানত বহি হিচাবৰ বহীৰ পাত লুটিয়াই আছে। তেওঁৰ মুখত এডাল নেভিকাট চুৰট, হাতত এটা ওৱাটাৰম্যান ফাউণ্টেন পেন। মই কাষত বহিলোঁ গৈ। দুয়োৰো মাজত কথাবাৰ্তা আৰম্ভ হ'ল। তেওঁৰপৰা মই জানিব পাৰিলোঁ—যে ফুলু, এজন চিলঠীয়া ঠিকাদাৰৰ ৰক্ষিতা। এই

ঠিকাদাৰেই সিহঁতক শিলঙলৈ লৈ গৈছিল আৰু তাৰপৰাই ইহঁত পলাই আহিছে। মোৰ বন্ধুৰ সহায়ত সেই ঠিকাদাৰে তুনাই সিহঁতক হাত কৰিবলৈ চেষ্টা কৰিছে।

মই জানোঁ গোলাপ ফুলৰ মাজতো সাপ থাকে, কেতেকী ফুল চিঙিব খুজিলেও হাতত কাঁইটে আচোৰে। সেই বাবে আগন্তুক বিপদৰ চিন্তাত হতাশ নহৈ বন্ধুক সকলো বিবৰি কলোঁ। তেওঁ সাহ দিলে।

সিদিনাই ৰাতি আঠমান বজাত বহালৈ উভতি দেখিলোঁ এজন মানুহ মোলৈ অপেক্ষা কৰি আছে। মই ভিতৰ সোমোৱা মাত্ৰেই মানুহজনে সুধিলে "আপুনিয়েই এই ঘৰৰ মালিক নে?"

"এৰা।" মই উত্তৰ দিলোঁ, "আপোনাৰ আৱশ্যক?"

মানুহজনে গহীনাই ক'লে, "আপোনাৰ লগত অলপ কথা আছে।" মই বেঞ্চখনৰ আন ফালে বহিলোঁ। ডিঙিটো অলপ পৰিষ্কাৰকৈ লৈ মানুহজনে কথা আৰম্ভ কৰিলে। "আপুনি এজন ভদ্ৰলোক। আপুনি সকলো বুজে। ফুলু মোৰ আশ্ৰিতা। শিলঙত সিহঁত মোৰ আশ্ৰয়ত আছিল। তাৰপৰা সিহঁতে পলাই আহিছে, মোৰ টকা পইচা, গহনা পাতি চুৰ কৰি আনিছে। আপুনি সিহঁতক ৰাখি নিজৰ সন্মান নষ্ট নকৰিব। এৰি দিয়ক—মই সিহঁতক লৈ যাওঁ।"

মই বুজিলোঁ এৱেঁই সেই চিলঠীয়া ঠিকাদাৰ। তেওঁৰ কথাবোৰ মনযোগেৰে শুনিলোঁ। পিছত লাহেকৈ কলোঁ "সিহঁতে মোৰ আশ্ৰয় লৈছে। মই তাহাঁতক কেনেকৈ খেদি দিম? যদি ফুলুই ইচ্ছা কৰে, মোৰ আপত্তি নাই। কিন্তু মাকৰ কি দশা হ'ব? এই অৱস্থাত মাকক—"

"নিব নোৱাৰি।" ঠিকদাৰে কৈ উঠিল। "ময়ো বুজোঁ এই অৱস্থাত তাইক শিলঙলৈ নিয়া টান। কিন্তু সিহঁত মোৰ তত্ত্বাবধানত থাকক। মই চিকিৎসা কৰাই ভাল কৰিম।"

মই আগৰ সুৰতে কৈ উঠিলোঁ, "মোৰ আপত্তি নাই, যদি ফুলুই ইচ্ছা কৰে।" ঠিকাদাৰৰ তত্ত্বাবধানত থকা কথা শুনিয়ে মাকে কান্দিবলৈ ধৰে। ফুলুই কয় সেই দগাবাজ চিলঠীয়াই মাকক বিষ খুৱাই মাৰিব। অগত্যা নিৰাশ মনে ফিৰি যাবলৈ ঠিকাদাৰ বাধ্য হয়। সি বোধ হয় ভাবে সেইবোৰ মোৰেই চক্ৰান্ত। তুনাই সি মোৰ বন্ধুৰ কাষ চাপে--তেওঁৰ সহায়ত কাৰ্য উদ্ধাৰ কৰিবলৈ বিচাৰে। বন্ধুৱে তাক প্ৰশ্ৰয় নিদিয়ে। তুনাই সি বিফলমনোৰথ হয়।

ফুলুই মোক আপোন কৰি লৈছে। তাইৰ হাতত থকা টকা-পইচা সকলোখিনি মোৰ হাতত তুলি দিছে। তাইৰ আন্তৰিকতা আৰু চেনেহপূৰ্ণ কথাবাৰ্তা দেখি মই সময়ত তাইৰ অতীত জীৱনৰ কথা পাহৰি যাওঁ। মনতে স্থিৰ কৰোঁ ভাগ্য-বিপৰ্যয়ৰ-হেতুকেহে তাইৰ জীৱনত এটি কলঙ্কৰ দাগ পৰিছে, ই ইচ্ছাকৃত নহয়, অৱস্থাৰ দাৰুণ হেঁচাত স্বাভাৱিক গতিহে অহা। আকৌ তাইক বিশ্বাস কৰোঁ—গাৰ ওচৰলৈ টানি আনি বিশৃঙ্খল হৈ পৰি থকা চুলি কেইডাল সৰাই মৰম কৰোঁ। তায়ো নিজকে দান কৰে আৰু হাঁহে।

মাকৰ ভৰিৰ ঘা ক্ৰমে বেছি হৈ আহিবলৈ ধৰিলে। যন্ত্ৰণাত তাই কেতিয়াবা কেতিয়াবা কেঁকাই উঠে। ফুলুৱে কাষত বহি মাকৰ দুখ আঁতৰাবলৈ যত্ন কৰে, ঘা ডোখৰ পৰিষ্কাৰকৈ ধোৱে, ঔষধ দিয়ে। ময়ো কামনা কৰোঁ তাইৰ ৰোগ-মুক্তি কিন্তু বিশেষ উন্নতিৰ চিন দেখিবলৈ নাপাওঁ।

লাহে লাহে ফুলুৰ হাঁহিভৰা মুখৰ ওপৰত বিষাদৰ মলিন ৰেখা স্পষ্ট হৈ আহিবলৈ ধৰিলে। তাই কেনেবাকৈ জানিলে যে মাকৰ অৱস্থা সঙ্কটজনক। তেতিয়াৰেপৰা তাই বেছিভাগ সময় মাকৰ ওচৰত কটায়, মাকক শুশ্ৰূষা কৰে আৰু পাৰিলে মোকো সন্তুষ্ট কৰিবলৈ বিচাৰে। কেতিয়াবা আকৌ মাক-জীয়েক দুয়ো কান্দে। মই সান্ত্বনা দিবলৈ বিচাৰিলে মাকৰ ওচৰৰ পৰা তাই মোৰ কাষলৈ গুচি আহে আৰু ডিঙিত সাবটি ধৰি পাৰে মানে হাঁহে। মই বুজি নাপাওঁ ইয়াৰ অৰ্থ কি ? তথাপি ভাবোঁ মোৰ ওচৰত থকা কাৰণেই বোধ হয় তাইৰ এই তৃপ্তি।

মাকৰ যন্ত্ৰণা দিনে দিনে বাঢ়ি আহে। কেতিয়াবা কেতিয়াবা মাকে যাতনাত উচুপি উচুপি কান্দে আৰু মই মোৰ কোঠাত বহি নিজকে আনন্দৰ সোঁতত উটুৱাই দিওঁ। ফুলুৰ মুখত একো বেজাৰ বিৰক্তিৰ চিন দেখিবলৈ পোৱা নাযায়—বোধ কৰোঁ তাই মোক সন্তোষ দিবলৈ বিচাৰে। অলপ পিছত মোৰ নিজৰ ওপৰতে ধিক্কাৰ আহে, মই পাৰোঁ মানে নিজকে গালি পাৰোঁ। ফুলুই মোৰফালে একে থৰে চাই থাকে, পাৰে মানে হাঁহে আৰু মুখৰ চুমাটি যাচি নিমিষতে আঁতৰ হয়।

মাকৰ কাষত। মাকে কান্দে ; ফুলুই আচৰিত ৰকমে হাঁহি উঠে। অলপ পিছত—মাক জীয়েক দুয়ো কান্দে। মই আগবাঢ়ি যাওঁ, সান্ত্বনা দিবলৈ যত্ন কৰোঁ। হঠাৎ ফুলুই হাঁহি উঠে। মাকে কেঁকাই কেঁকাই ঈশ্বৰৰ নাম লয়

আৰু মোক কয় যে ফুলুৱে সৌতাক বলিয়া হৈ ঢুকাইছিল। মোৰ গা জিকাৰ খাই উঠে। লাহে লাহে সিহঁতৰ ওচৰৰপৰা আঁতৰি আহোঁ।

পিছ দিনা মাক জীয়েক দুয়ো কান্দিব ধৰিছে—মাকে যন্ত্ৰণাত আৰু ফুলুই মাকৰ বিৰহৰ ভয়ত। ফুলুৰ হাত আৰু গল সুদা তাত অলঙ্কাৰ পাতি নাই। মই কাৰণ সোধাত তাই আগৰ দৰে হাঁহিলে। মাকে ক'লে যে সেই চিলঠীয়াই সেইবোৰ ফুলুক ভুলাই লৈ গৈছে। আন এটি নতুন সমস্যা উপস্থিত হ'লহি। ফুলুক আশ্বাস দিলোঁ, কিন্তু তাই হুক্ হুক্ কৰে কান্দিবলৈকেহে ধৰিলে।

ফুলুৰ মাকৰ চেপ্টিক—মৃত্যু নিশ্চিত। কিন্তু সেইটো কেতিয়া হয় তাৰেইহে ঠিক কৰিব পৰা নাই। ফুলু অত্যন্ত চঞ্চলা হৈ পৰিছে। মোৰ মনতো বিৰক্তিৰ ভাববোৰে মাজে মাজে খুন্দিয়াব ধৰিছেহি। ফুলু এতিয়া মোৰ কাষলৈ প্ৰায়েই নাহে, কেতিয়াবা আহিলেও পখীয়া তৰাটোৰ দৰে নিমিষতে আঁতৰি যায়। সৰহ ভাগ সময়তেই তাই এতিয়া মাকৰ ওচৰত বহি থাকে, কেতিয়াবা হাঁহে, কেতিয়াবা কান্দে, কেতিয়াবা মাকৰ সেৱা কৰে আৰু কেতিয়াবা উদাস দৃষ্টিত শূণ্যৰ পিনে ৰ লাগি চাই থাকে।

কেইদিনমান পিছত সকলো জ্বালা যন্ত্ৰণাৰপৰা মুক্ত হৈ মাক সংসাৰপৰা আঁতৰি গ'ল। ফুলুৰ মনৰ দুখ পাতলাবলৈ মই অশেষ যত্ন কৰিলোঁ কিন্তু ফুলুৰ চঞ্চলা প্ৰকৃতি আগতকৈয়ো চঞ্চলা হৈহে পৰিল। এতিয়া সৰহ ভাগ সময়তেই তাই মাকৰ চিন্তা কৰি কান্দি থাকে মই সান্ত্বনা দিলেও তাই সান্ত্বনা লভিবলৈ ইচ্ছা নকৰে আৰু আচৰিত ৰকমে হাঁহি উঠি মোক উপেক্ষা কৰে। কেতিয়াবা আকৌ মই সন্ধিয়া ঘৰ পালে নানান ৰকমে মোৰ আলপৈচান ধৰে, মোৰ জোতা-মোজা, কানি-কাপোৰ সকলোকে পৰিপাটিকৈ থয় আৰু মোৰ মূৰশিতানত আৰি থোৱা ফটোখনত ফুলৰ মালা পিন্ধায়। কেদিনমানলৈ মই এইবোৰ সহ্য কৰিব পাৰিছিলোঁ কিন্তু লাহে লাহে এইবোৰ বলিয়ালিৰ প্ৰতি মোৰ বিৰক্তিৰ ভাব প্ৰকাশ হৈ আহিব ধৰিলে। মোৰ মনত ভাব হ'ল- শেহত এই পাগলীজনীৰ লগত থাকি ময়ো বলিয়া হম নেকি ?

ফুলুৰ এইবোৰ সঁচাকৈ বলিয়ালি নে মাকৰ শোকৰ হেঁচাত প্ৰকাশিত অস্থিৰতাৰ চিন তাক ঠাৱৰাবলৈ যত্ন নকৰিলোঁ। এদিন ফুলুৰ সান্নিধ্যৰ আশাত মোৰ মন যেনেকৈ উদ্‌বাউল হৈ উঠিছিল সিদিনা তাইৰপৰা আঁতৰি যোৱাৰ চিন্তাত সি তেনেকৈ নাচি উঠিল। বিশেষ চিন্তা নকৰিলোঁ, মনলৈ পাপৰ ভয়ো নাহিল। অৱশেষত এদিন চোৰৰ নিচিনাকৈ মই সেই ঘৰৰপৰা আঁতৰি

আছিলোঁ। ফুলুৰ চিন্তাত মোৰ অন্তৰ কান্দি উঠিছিল, তথাপি আঁতৰি আছিলোঁ—মোৰ নিশ্চয় এটা সন্মান আছে। তদুপৰি ফুলুৰ লগত মই কেতিয়াও চিৰজীৱন কটাব নোৱাৰোঁ। যৌৱনৰ প্ৰাৰম্ভত অনেকেই মোহাচ্ছন্ন হৈ পৰে। ময়ো পৰিছিলোঁ। ইয়াৰ বাবেই মই চিৰকাললৈ একেটি ভুলকে কৰি থাকিব পাৰোঁ জানোঁ?

সেই বাবে সেই ঘৰৰপৰা খোজ ললোঁ। এবাৰ মূৰ ঘূৰাই উভতি চাবলৈকো নহ'ল। যাওক—সকলো অতীতৰ বুকুত লয় হৈ যাওক—বিস্মৃতিয়ে বিকট মুখখনি মেলি সকলোকে গিলি পেলাওক।

॥ ২ ॥

পঢ়া শেষ নহ'ল: বন্ধ হ'ল! ঘৰলৈ ফিৰি অহাৰ অলপ দিন পিছতেই উলুবাৰীত এখন ফাৰ্মাচি খুলিলোঁ—ডাক্তৰি কৰিম, আৱশ্যকমতে ঔষধ পাতি বেচিমো। অলপ দিনৰ ভিতৰতে মোৰ বিয়াও হৈ গ'ল সৰলাৰ লগত। সৰলা দেখিবলৈ মোৰ মনে গঢ়া বিধৰ নহয়, কিন্তু বিনয়ী আৰু বিশ্বাসী। তেওঁৰ আচৰণত সন্তোষ আছে, কথাত মধুৰতা আছে। তেওঁৰ চকুত স্থৈৰ্য আৰু গতিত গাম্ভীৰ্য। স্বভাব-চাঞ্চল্য তেওঁৰ কথাতো নাই কাৰ্যতো নাই। চুবুৰীয়া আটায়ে সৰলাক প্ৰশংসা কৰে "এনেহেন ছোৱালীজনী যেন সাক্ষাৎ লক্ষ্মী।" ময়ো তেওঁক ভাল পাবলৈ শিকিছোঁ। তেওঁৰ সান্নিধ্যত মোৰ আগৰ উন্মাদনা আঁতৰি যাবৰ উপক্ৰম কৰিছে। বৈবাহিক জীৱনৰ গুৰু ভাব আগেয়ে ভৰিৰে ঠেলিব খুজিলেও এতিয়া তাৰপৰা বহুতো লাভবান হৈছো, বেলেগ ধৰণৰ সুখো অনুভৱ কৰিছো।

মোৰ মাজে মাজে অতীত জীৱনলৈ মনত পৰে—প্ৰশ্ন উঠে ভুল কৰিছিলোঁ নেকি? ঠিক উত্তৰ বিচাৰি নাপাওঁ। এই জীৱনটোৱেই এটা বিৰাট ভুল নহয় জানো?

সৰলাক কাষলৈ মাতি আনি সকলো কৈ পেলাবলৈ ইচ্ছা হয়। অতীত-চিন্তাত মনটো আপোনা আপুনিয়ে গধুৰ হৈ উঠে। কেতিয়াবা ফুটাই মাতোঁ, "সৰলা।"

সৰলা কাষলৈ আহে। তেওঁ মুখেৰে নামাতে—বোধ হয় কথা বিচাৰি নাপায়।

মই সোধোঁ। "জীৱনৰ ভুলভ্ৰান্তি—এইবোৰৰ মূল্য আছেনে?"

"নিশ্চয় আছে।" সবলাই উত্তৰ দিয়ে।

ময়ো জানোঁ আছে। কিন্তু সেইটো কি? ফুটাই কওঁ "জীৱনেই এটা বিৰাট ভ্ৰান্তি যেতিয়া তাৰ ভুলভ্ৰান্তি মূল্যহীন, নিৰৰ্থক।"

"এই ভুলভ্ৰান্তিৰ অভিজ্ঞতাৰপৰা জ্ঞানীয়ে সৎ পথ বিচাৰি লয়—নিজৰ জীৱনক কৰ্মময়, ধৰ্মময় কৰি তোলে।" সবলাই লাহেকৈ উত্তৰ দিয়ে।

সবলাৰ কথাত মনলৈ নানান ভাব আহে—মনত প্ৰশ্ন উঠে—তেওঁ মোক সন্দেহ কৰে নেকি?

ছলনা-চতুৰ মই। সকলোৰে চকুত ধূলি দি গৌৰৱময় অতীত কাহিনীৰ পোহাৰ-মেলি বহি আছোঁ। তথাপি কুভাব, কুচিন্তা, সন্দেহ অদিয়ে আগুৰি ধৰেহি।

কেতিয়াবা ভাবোঁ অতীত অতীতৰ গৰ্ভত লয় পালে। পাপিনী ফুলুও বোধ হয় ইহ সংসাৰত নাই। তেনেহলে মিছা চিন্তা কিহৰ?

ফুলুৰ কথা মনলৈ অহাৰ লগে লগেই মোৰ নিষ্ঠুৰতাৰ কথা মনত পৰে। জগতত জানো ধৰ্ম নাই? তাই নিশ্চয় আঁতৰৰপৰা মোক তিৰস্কাৰ কৰিছে, অভিশাপ দিছে আৰু সেয়েই মোৰ ঠন ধৰি উঠিব খোজা সংসাৰ থনৰ ওপৰত কোবাল ধুমুহা বোৱাই দিছে। মোৰ গাৰ নোম ডাল ডাল হৈ উঠে, চকু মুখ ৰঙা হয়। হঠাৎ যেন শুনিবলৈ পাওঁ ফুলুৰ অট্টহাস্য আৰু মাকৰ অস্পষ্ট ক্ৰন্দন। চকীৰপৰা জাপ মাৰি উঠি একে লৰেই সবলাৰ ওচৰ পাওঁগৈ। তেওঁ আচৰিত হৈ মোৰ কি হৈছে সোধে। মই হাঁহিবলৈ চেষ্টা কৰোঁ কিন্তু মুখত হাঁহি বিৰিঙি নোলায়। মোৰ গা বেয় নেকি বুলি সবলাই সোধে। অগত্যা মূৰ কামুৰিছে বুলি মিছা কথাৰে আচল কথাটো ঢাকি থওঁ আৰু বিছনাত পৰোঁগৈ। সবলাই গা মূৰ পিহি দি মোৰ আলপৈচান ধৰে।

"অতীত মৰিল গ'ল।" মই ভালকৈ বুজোঁ, অতীতৰ ঘটনা বাশি কালৰ গভত লয় হৈ যায়, অতীত কেতিয়াও বৰ্তমান হ'ব নোৱাৰে কিন্তু লগে লগে তাৰ স্মৃতিবোৰ গেলি-পচি ধ্বংস হৈ নাযায় কিয় ক'ব নোৱাৰোঁ। কথাবোৰ নানান ফালৰপৰা ভাবি ভাবি মনক সবল কৰিবলৈ যত্ন কৰোঁ। মনত ভাবোঁ ফুলুৰ কথা মনলৈ নানো।—তাই ব্যভিচাৰিণী, তাই পাগলী। তাইৰ কথা মনলৈ আনিলে পাপ হয়। তথাপি সেই একেটি চিন্তা ফুলু আৰু তাইৰ প্ৰতি মোৰ ব্যৱহাৰ মনৰপৰা নুঠে। এয়েই জানো প্ৰায়শ্চিত্তৰ আৰম্ভণ?

বিছনাতে বাগৰি পৰি থাকোঁ। সবলাই চাহ লৈ আহে। খাই অলপ

তৃপ্তি পাওঁ, যুবটোও অলপ পাতল লাগে। ফাৰ্মাচিলৈ গুচি আহোঁ। উভতি গৈ সবলাক বেছিকৈ মৰম কৰোঁ। মোৰ ওপৰত সন্দেহৰ চেকা পৰিব খুজিলেও ছলনা-চাতুৰ্যৰে তাক মচি পেলাওঁ। সবলাই মোৰ বাহ্যিক আৰু আভ্যন্তৰিক জীৱনৰ বিসদৃশতা বুজিব নোৱাৰে। তেওঁ মোকেই ভাল পায়, মোকেই ভক্তি কৰে। মোৰ হাঁহি উঠিব খোজে। তথাপি ভাল লাগে। এদিন ফুলৰ সান্নিধ্যতো এনে ভাল লাগিছিল। কিন্তু ফুলু বোধ হয় এই সংসাৰত নাই আৰু সবলা আছে। তুনাই অতীতৰ সুখৰ ফুলনিলৈ মন উৰা মাৰে। উদ্‌ভ্ৰান্ত প্ৰীতিয়েই হওক, বলিয়ালিয়েই হওক, তাতো তৃপ্তি আছিল, মাদকতা আছিল, বাসনাৰ প্ৰবল ভূমিকম্প আছিল। হঠাৎ অন্যমনস্ক হৈ পৰোঁ। সবলাই আগ্ৰহেৰে সোধে, "কি ভাবিছে ?"

মই হাঁহি মুখে কৈ উঠোঁ, "ভাবিছোঁ সবলা, আমাৰ দিন যেন সদায় এনেকৈ সুখতে যায়।"

আন এটি মিছা কথা কওঁ। তথাপি সবলাই বিশ্বাস কৰে আৰু মোক সুখী কৰিবলৈ যত্নপৰ হয়।

দিন যায়। লাহে লাহে মানসিক আৰু বাহ্যিক জীৱনৰ বৈষম্য ডাঠ হৈ উঠে। দুটা জীৱন। এটা প্ৰকৃত আৰু আনটো প্ৰবঞ্চনাৰ। প্ৰবঞ্চনা সত্যত ৰূপান্তৰিত হ'ব নে ? সঠিক উত্তৰ বিচাৰি নাপাওঁ। তথাপি ভাবোঁ। এই দৰে ভাবি ভাবি বলিয়া হম নেকি ?

আন এৰাতি। ৰূপালি হাঁহিৰে অষ্টমীৰ জোনবায়ে পৃথিবীৰ ওপৰত ৰূপৰ পোহাৰ মেলি দিছে। মই নানান কথা ভাবি শ্বিলং ৰ'দৰ ওপৰেদি গৈ আছোঁ। মোৰ চাৰিওফালে প্ৰকৃতিৰ সাম্যমূৰ্তি। মনত বেছ ভাল লাগিছে। সেই বাবে গৈ আছোঁ। কিছু দূৰ আঁতৰত দেখিবলৈ পালোঁ এজনী তিৰোতা। কেইটা মান ল'ৰা-ছোৱালীয়ে তাইক আগুৰি ধৰিছে। সেইজনী ফুলুৱেই নে ? তেনেহলে তাই মৰা নাই। মোৰেই অপমান, অপযশ ঘূষিবলৈ তাই মোক বিচাৰি ফুৰিছে। সেয়ে হলে উপায় ? আতঙ্কত মোৰ বুকু কঁপি উঠিল। তাইৰ অভিশাপে মোৰ সোণৰ সংসাৰ ভস্ম কৰি পেলাব আৰু সেই চিতা-ভস্মৰ মাজত জীয়াই থাকিব লাগিব অকলে মই। এনে কি অপৰাধ কৰিছিলোঁ প্ৰভু যাৰ বাবে এই দাৰুণ যাতনা। কেতিয়া ইয়াৰ অবসান হ'ব, কেতিয়া আকৌ অকপট হৃদয়ে সবলাক ভাল পাব পাৰিম ?

ফুলুই মোৰ পিনে লক্ষ্য কৰিয়েই আহিব ধৰিছে। তাই নিশ্চয় মোক চিনি

পাইছে। মই মৰি গলেও মোৰ প্ৰেতাত্মাক তাই চিনি পাব। তেনেহলে তুনাই ছলনা, তুনাই ভণ্ডামিৰ আশ্ৰয় লব লাগিব। কি সাধ্য যে তাই মোক বিচাৰি উলিয়ায়। আৰু উলিয়ালেই! তাই পাগলী—তাইৰ কথা কোনে পতিয়াব।

মনক প্ৰবোধ দি ঘৰলৈ উলটিলোঁ! নাই—ফুলু নাই। পাগলী হয়তো কোনো নজনা ঠাইলৈ গুচি গ'ল। এটি স্বস্তিৰ হুমুনিয়াহ ওলাই পৰিল।

ক্ষন্তেক পিছত আকৌ তাইলৈ মনত পৰে। চিন্তাৰ চিতাজুয়ে মোৰ অন্তৰ পুৰি পেলায়। মোৰ মূৰ, শ্বাস প্ৰশ্বাস গৰম হৈ উঠে। মোৰ জ্বৰ উঠিব নেকি?

আন এদিন মহাইতৰ ঘৰত বিয়া। সৰলাক লগত লৈ তালৈ যাবলৈ ওলাইছোঁ। এনেতে ধূমকেতুৰ নিচিনা হঠাৎ ফুলু আগতে ওলালহি। মোৰ যেন শৰীৰৰ তেজ গোটমাৰি গ'ল। মই চুচৰি ঘৰৰ ভিতৰ সোমালোঁহেঁতেন। কিন্তু নোৱাৰিলোঁ। সৰলা কাষতে আছে। ফুলু মোৰ ওচৰলৈ আহি হাত পাতি টকা খুজিলে। কেনে নিৰ্ভীকা তাই। অথচ মই কেনে কাপুৰুষ। তাৰ পিছত সৰলাৰ ওচৰলৈ গৈ তাই চিঞৰি কৈ উঠিল "ঠগিবা, ঠগিবা।" পিছত সেই একে ধৰণৰ অট্টহাস্য। মোৰ থৎ উঠিল। পুৰুষ মই। পাগলী এজনীৰ কথাত মই বিব্ৰত হমনে? আগবাঢ়ি গৈ তাইক ধমক দি আঁতৰি যাবলৈ কলোঁ। তাই ভিকাহি মাৰি কৈ উঠিল "এঃ জনা আছে—ধনক জনা আছে।" তাৰ পিছত লাহে লাহে তাই আন ফালে গ'ল। আমি দুয়ো মহাইতৰ ঘৰলৈ বুলি খোজ ললোঁ। পাগলীৰ মুখত মোৰ নাম শুনি সৰলা আচৰিত হল, কাৰণো সুধিলে। মই ডিব্ৰুগড়ৰ কথালৈ আঙুলিয়ালোঁ। পাগলী ডিব্ৰুগড়ৰ। মেডিকেল স্কুলৰ ছাত্ৰবোৰে কেতিয়াবা কেতিয়াবা তাইৰ লগত ধেমালি কৰিছিল। সেই গুণেই বোধ হয় তাই মোৰ নাম জানে। সৰলাই একো নামাতিলে কিন্তু মোৰ অনুমান হ'ল তেওঁ মোৰ কথা বিশ্বাস কৰিব নোৱাৰিলে।

আন এটি মিছা কথাৰে সত্যক ঢাকি থব খুজিলোঁ কিন্তু বোধ হয় ঢাক নাখালে। সৰলাৰ মনত কিজানি কেনেবাকৈ সন্দেহৰ বিষাক্ত কীট প্ৰৱেশ কৰিলে।

ৰাতি ঘৰলৈ উলটিলোঁ। সৰলাৰ মনৰ অলপ পৰিৱৰ্তন লক্ষ্য কৰি তেওঁক আনন্দ দিবলৈ চেষ্টা কৰিলোঁ। তেওঁ অন্যমনস্কা। মই কাষতে বহি সুধিলোঁ। "কি ভাবিছা সৰলা?"

সৰলাই উত্তৰ দিলে, "একো ভবা নাই।"

কিন্তু সিদিনা যে সবলাৰ মুখত হাঁহি নাই। মোৰ প্ৰশ্নৰ উত্তৰ নিদিলে অহয় বুলিহে দিছে। ডুনাই বিয়াবাকৰ কথা কৈ তেওঁৰ মন পাতলাবলৈ যত্ন কৰিলোঁ, কিন্তু সবলা চিন্তাযুক্তা হৈয়েই থাকিল। সেইখাবে ডুনাই সুধিলোঁ, "তুমি নিশ্চয় কিবা ভাবি আছা সবলা?"

সবলাই আগৰ দৰেই উত্তৰ দিলে "একো ভবা নাই—।"

ইও এটা দাম্পত্য জীৱন। দুয়োৰো সেই একেই কথা। মই মনতে কিবা কিবি ভাবোঁ, উদাস দৃষ্টিত শূন্যৰ পিনে চাওঁ। সবলাই আগ্ৰহেৰে সোধে, "কি ভাবিছে?" উত্তৰত কওঁ, "একো ভবা নাই।" সবলায়ো ঠিক একে ৰকমেই মনত কিবা কিবি ভাবি অন্যমনস্কা হয়। মই আগ্ৰহেৰে সোধোঁ, "কি ভাবিছা?" সবলাই উত্তৰ দিয়ে "একো ভবা নাই।" ভাবিলে মই ক্ষিপ্ত হৈ উঠোঁ। পাপিষ্ঠা ফুলুই দুটি জীৱন নষ্ট কৰিবৰ উপক্ৰম কৰিছে। তাইৰ ওপৰত থং আৰু হিংসাৰ অগনি জ্বলি উঠে। সেই বাবে সবলাক কৰা হুকুম শুনাই দিওঁ "সেই পাগলীজনী আহিলে খেদি দিবা—কোবাই দিবা।"

সবলাই মুখেৰে একো নামাতে, মাথোন ৰ লাগি মোৰ পিনে চাই থাকে। বোধ হয় তেওঁৰ সন্দেহ আকৌ গাঢ় হৈ উঠে। তথাপি সবলাক ভাল পাওঁ। তেওঁৰ শুকান মুখ দেখিলে বুকুৰ মাজলৈ টানি আনি আকৌ বেছিকৈ মৰম কৰিবৰ ইচ্ছা হয়। তেওঁক নানান কথা বুজাই ফাৰ্মাচিলৈ গুচি যাওঁ।

ফাৰ্মাচিৰপৰা ঘুৰি আহি দেখিবলৈ পাওঁ ফুলু মোৰ ঘৰত। সবলাই তাইক মৰম কৰিছে, খাবলৈ দিছে। মোক দেখা মাত্ৰেই তাই হো হো কৈ হাঁহি উঠে, কেতিয়াবা টকা খোজে, কেতিয়াবা হাঁহি হাঁহি মোৰ কাষলৈ আগ বাঢ়ি আহে। মই জড়সৰ হৈ পৰোঁ। ক্ষণেক পিছত নিজকে চম্ভালি তাইক ভালকৈ কওঁ "তই ইয়াৰপৰা য। এই দৰে মোৰ পাছে পাছে নুফুৰিবি। মোৰ সুখ-শান্তি নষ্ট নকৰিবি।" বোধ হয় তাই মোৰ মনৰ ভাব বুজি পায়। একো নমতাকৈ চোতালৰ এচুকত বহি তাই উচুপি উচুপি কান্দে। মোৰো দুখ লাগে। কোনে জানিছিল তাইৰ এনে দশা হব বুলি। তাইৰ গাৰপৰা তেতিয়াও যৌবনৰ লাৱণ্য আঁতৰি যোৱা নাই! মলিয়ন, ফটাছিটা কাপোৰেৰে তাই লাজ আগুৰিছে তথাপি তাই ধুনীয়া। অভাব অত্যাচাৰৰ নিপীড়নত তাইৰ সৌন্দৰ্য আঁতৰি যোৱা নাই। ক্ষণেকৰ বাবে সকলো পাহৰি তাইলৈ স্থিৰ চকুৰে চাই থাকোঁ। হঠাৎ তাই হো হো কৈ হাঁহি উঠে। মোৰ চৈতন্য ঘূৰি আহে, সবলালৈ মনত পৰে। মূৰ ঘূৰাই চাই দেখোঁ তেওঁ মোৰ পিনে চাই আছে।

কৃত্রিম খং দেখুৱাই সবলাক সোধোঁ তেওঁ কিয় পাগলীজনীক প্রশ্রয় দিছে। সবলাই নামাতে আৰু বান্ধনি ঘৰৰ ভিতৰলৈ গৈ নিজৰ কামত ব্যস্ত হয়।

মোৰ শান্তি নোহোৱা হৈছে। ফুলুক আঁতৰাবৰ যত্ন কৰিলেও তাই আঁতৰি নাযায় কাৰণ সবলাই তাইক খাবলৈ দিয়ে, মৰম কৰে। পাগলীজনীৰ লগত থাকি সবলাও নিশ্চয় পাগলী হ'ব। সবলাক বুজাইছোঁ, ফুলুক ধমক দিছোঁ তথাপি ফুলুও আছে আৰু সবলায়ো তাইক খাবলৈ দিয়ে। কেতিয়াবা আকৌ সবলাৰ ওপৰতে মোৰ খং উঠে। তেওঁ মোৰ অবাধ্য হৈছে। সেই বাবে তেওঁক কাষলৈ মাতি আনি সোধোঁ, "তুমি মোক সন্দেহ কৰা সবলা?" সবলাই উচুপি উচুপি কান্দে আৰু কয় "তেওঁ মোক সন্দেহ নকৰে। মই বিশ্বাস কৰিব নোৱাৰোঁ। ভাবোঁ তেওঁ মোৰ আগত মিছা কৈছে।"

যাতনাৰ মাজেদি দিন যায়। বাহিৰত অসুখ অশান্তিৰ একো কাৰণ নাথাকিলেও ভিতৰি জ্বলি পুৰি মৰোঁ। সবলাৰো মুখ শুকান, মনত নিৰানন্দ। বাহিৰত সবলাও আগৰ দৰেই আছে, আগৰ দৰেই কাম-কাজ কৰিছে। তথাপি মই ভাবোঁ এইবোৰত আন্তৰিকতা নাই। ইও এক প্ৰতাৰণাপূৰ্ণ জীৱন। দুখ লাগে মোৰ জীৱন আৰু যৌৱনৰ ভেটিত যিটি আদৰ্শৰ স্বৰ্ণসৌধ নিৰ্মাণ কৰিছিলোঁ সি ভাগি ছিগি চুৰমাৰ হৈ গৈছে। দোষী মই। মই নিজৰ সুখ শান্তি নষ্ট কৰিছোঁ, সবলাৰ আশা আকাঙ্ক্ষাৰ ওপৰতো হলাহল ঢালি দিছোঁ। কেতিয়াবা মনটো ডাঠ কৰি লওঁ। যি উপায়েই নহওক ফুলুক আঁতৰাব লাগিব, মোৰ সুখ দুখৰ কণ্টক চিৰদিনলৈ উন্মীলন কৰিব লাগিব। মোৰ বুকু সবল হয় আৰু হাতৰ মুঠি আপোনা আপুনিয়ে বান্ধ খাই যায়।

ভৰ দুপৰীয়া। এদিন ফাৰ্মাচিৰপৰা উলটি আহিছোঁ। বাটত গুলাৰ নোৱাৰি—প্ৰখৰ ৰ'দ। ফোপাই জোপাই ঘৰৰ চোতালত ভৰি দিছোঁহি, এনেতে কাণত পৰিল ফুলুৰ অট্টহাস্য, চাওঁতে চাওঁতে তাই আহি মোৰ ডিঙিত সাবট মাৰি ধৰিলেহি। মই মৰ্মান্তিক লাজ আৰু অপমান পালোঁ। খঙত মোৰ গাটো কঁপিবলৈ ধৰিলে। ওচৰতে পৰি আছিল এখন দা। তাকেই হাতেৰে তুলি লৈ ঘাপ বহুৱাই দিলোঁ। সবলাই চিঞৰি উঠি বহি পৰিল। তেওঁৰ হাতত তেজ। উঃ কি কৰিলোঁ। জ্ঞান ফিৰিল মোৰ। কঁপি কঁপি চিঞৰি উঠিলোঁ "সবলা, সবলা! কি কৰিলি পাগলী?" ফুলুয়ো কান্দি উঠিল। তাইক গতা মাৰি পেলাই দিলোঁ। লৰালৰিকৈ পানী আনি তেওঁৰ হাত ধুই দিবলৈ ধৰিলোঁ। মোৰ মুখেৰে মাতিবৰ সাহ হোৱা নাই, চকুৰে আপোনা

আপুনিয়ে চকুপানী বৈ পৰিব ধৰিছে। কোনোমতে সবলাৰ হাতখন ভালকৈ বান্ধি তেওঁক বিছনাত শুৱাই থলোঁগৈ। নানান ধমক দিলেও ফুলু আঁতৰি নগল আৰু দুৱাৰ মুখতে বহি থাকিল।

মনৰ দুখ পাতলাব পৰা নাই। সেই বাবে ফাৰ্মাচিলৈ যোৱা এৰি দিছো। সদায় সবলাৰ ওচৰত বহি থাকোঁ, পাৰিলে তেওঁৰ মনত আনন্দ জগাবলৈ চেষ্টা কৰোঁ। অসত্যৰ ক্ষণস্থায়ী আৱৰণ স্খলকি পৰিছে। সেই বাবে সবলাক দুনাই প্ৰবঞ্চনা কৰিবৰ ইচ্ছা নহল। তেওঁৰ মনলৈ শান্তি আনিবৰ কাৰণে কৈ পেলালো, "সবলা, মই প্ৰতাৰক, পাপী আৰু তাৰ জীৱন্ত প্ৰমাণ এই ফুলু। মোৰ যথেষ্ট প্ৰায়শ্চিত্ত হৈছে, তথাপি শান্তি পোৱা নাই। ক্ষমা কৰা সবলা।"

সবলাৰ চকুপানী বৈ পৰিল। দুৰ্বল হাতেৰে মোৰ ডিঙিত সাবটি ধৰি তেওঁ কলে, "তথাপি আপুনি মোৰ স্বামী।"

সবলাৰ এই কথা সৰল হৃদয়ৰপৰা বাগৰি অহা যেন পাওঁ। মোৰ মনৰ গধুৰতাও ভালেমান আঁতৰি যায়। সেই বাবে এতিয়া ভাবিছোঁ এয়েই নিশ্চয় প্ৰায়শ্চিত্তৰ পূৰ্ণ আহুতি।

উত্তৰ গুৱাহাটী

৭।৭।৩৮

মুক্তি

লাংটিং ষ্টেচনৰ ওচৰেদি কুলু কুলু ৰবে বৈ যোৱা জুৰিটিয়ে বাৰিষাৰ ভয়ঙ্কৰ ৰূপ সলাই শান্ত প্ৰকৃতি ধাৰণ কৰিছে। জুৰিটিৰ বুকুত সৰু বৰ নানা তৰহৰ নিমজ শিল, ঠায়ে ঠায়ে শুকান চিক্‌চিকীয়া বালি। ইয়াৰ মাজেদি ফট্‌ফটীয়া পানীৰ এটি সোঁত লাহে লাহে বাগৰি গৈ ডুখন পাহাৰৰ মাজত অদৃশ্য হৈছে।

দুপৰীয়া। ডেট্‌চুঙে গা পা ধুই এটা বহল শিলৰ ওপৰত থিয় হৈ গামোচাৰে গা মচিছে। অলপ আঁতৰত এজনী বুঢ়ী। তায়ো আন এটা শিলৰ ওপৰত বহি এখন কাপোৰ ধুই আছে। হঠাৎ পিছ পিনৰপৰা কিছুমান বোকা আহি ডেট্‌চুঙৰ পিঠিত পৰিল। উচাপ খাই উঠি সি মূৰ ঘূৰাই পিছলৈ চালে। খঙত তাৰ কপাল কোঁচ খাই গল। শিলৰ ওপৰতে গামোচাখন থৈ সি জুৰিটিৰ পাৰলৈ 'গৈ তাত কোন আছে চাবলৈ আগবাঢ়িছে। এনেতে চেংমাই আৰু তাইৰ লগৰ কেজনীমান ছোৱালীয়ে 'হোলি' হোলি' কৈ চিঞৰি উঠিল।

আঁতৰত বুঢ়ীজনীয়ে নাক কোচাই মাত লগালে, "ছিঃ ছিঃ! গাঁওবুঢ়াৰ ঘৰৰ গাভৰু ছোৱালীৰ মতাৰ লগত সমানে সমানে যুঁজ!"

নিমিষতে চেংমাইৰ মুখ ম্লান হৈ গল। যৌৱনত জিলিকি উঠা আনন্দৰ আভাৰ পৰিবৰ্তে তাইৰ মুখৰ ওপৰত দেখা গল বিষাদৰ ঘন ছায়া—ভয় আৰু সঙ্কোচৰ উদ্বিগ্নতা। এখোজো লৰচৰ নকৰাকৈ তাই বুঢ়ীজনীৰ পিনে একেৰাহে চাই থাকিল। বুঢ়ীৰ ভিতৰলৈ সোমোৱা চকুযুৰি যেন জ্বলি উঠিছে, ৰূপ যেন বগা মূৰৰ কুৰ্‌কুটা চুলিবিলাক যেন থিয় হৈছে। এই বুঢ়ীজনীকেই তাই আটাইতকৈ বেছি ভয় কৰে। তাইৰ সোলা মুখৰপৰা ওলোৱা অস্পষ্ট কথাবোৰে চেংমাইক কাঁইটে বিন্ধাৰ দৰে বিন্ধে।

ডেট্‌চুঙে আকৌ অলপ আগবাঢ়ি গৈ মাত লগালে "চেংমাই।"

চেংমায়ে কান্দিছে। ভগা ভগা মাতেৰে তাই কৈ উঠিল, "ইষ্টিচনৰ বাবুৱনীসকলে হোলি খেলে দেখোন।"

চেংমাইৰ কথাত বুঢ়ীৰ খং চৰিল। খঙতে তাই কঁপিবলৈ ধৰিলে। তাই চেংমাইৰ ওচৰলৈ লৰি আহি হাত জোকাৰি কবলৈ ধৰিলে। "ও-ও-ও তয়ো

বাবুৱনী হৈছ। চেংমাই বাবুৱনী। গাঁওবুঢ়াৰ ঘৰৰ ছোৱালী এয়ে হলি। ৰ,— বুঢ়ীমাৰক কৈ এসেকা দিয়াম। তেতিয়াহে তোৰ লাজ হব।"

চেংমায়ে উচুপি উচুপি কান্দিবলৈ ধৰিলে। আন কেজনী ছোৱালী ভয়তে তাৰপৰা আঁতৰি গুচি গল। ডেট্‌চুঙে চেংমাইৰ ওচৰলৈ গৈ মাত লগালে, "তোৰ দোষ কি চেংমাই?" চেংমায়ে বেছিকৈ উচুপিবলৈ ধৰিলে। তাইৰ দু-চকুৰেদি চকুপানী বৈ গল কিন্তু বুঢ়ীৰ হিয়া ইয়াতো মুকুমলিল। চেংমাইৰ প্ৰতি তাইৰ করুণা উপজিব দূৰৰ কথা তাই চেংমাইক বেছিকৈ গালি শপনিহে পাৰিবলৈ ধৰিলে।

চেংমায়ে হয়তো ভাবিছিল তাই ডেট্‌চুঙক আমনি কৰিব, তাৰ কাপোৰত বোকা সানি তাৰ খং তুলিব। তাইৰ মনত আছে ডেট্‌চুঙে তাইৰ ধোৱা কাপোৰত বোকা সনাৰ কথা। আজি তায়ো তাৰ প্ৰতিশোধ লব। তাৰ খং উঠিলে তাই আনন্দত কিৰিলি পাৰি হাঁহিব। কিন্তু তাইৰ মনৰ কল্পনা পূৰ্ণ নহল। এই আপচু বুঢ়ীজনীয়ে তাইৰ সকলো আশা চুৰমাৰ কৰি পেলালে, তাইৰ মুখৰ হাঁহিটি কাঢ়ি লৈ গল।

ডেট্‌চুঙে বুঢ়ীক বুজালে, "জেঠাই, চাচোন চেংমায়ে কান্দিছে। তোৰ মৰম নালাগেনে?"

বুঢ়ীয়ে ডেট্‌চুঙৰ প্ৰশ্নৰ উত্তৰ নিদিলে। তাই চেংমাইৰ হাতত ধৰি টানিবলৈ ধৰিলে, "আহ, ভালে ভালে ইয়াৰপৰা আহ।"

চকুপানী মচি চেংমাই বুঢ়ীৰ পাছে পাছে গল। স্থিৰ চকুৰে ডেট্‌চুঙে সিহঁতৰ বাটলৈ চাই থাকিল। পিছত গা পা ধুই সি বিমৰ্ষ মনেৰে ঘৰলৈ উলটিল।

আবেলি ডেটচুং চেংমাইহঁতৰ ঘৰলৈ গল—সি প্ৰায়েই যায়। চেংমাইৰ কথা-বতৰা তাৰ বৰ ভাল লাগে আৰু তাতোকৈ ভাল লাগে তাইৰ মুখৰ হাঁহিটি। লাজৰ আৱৰণে তাইৰ চলন-ফুৰণ স্পৰ্শ কৰা নাই, প্ৰাণ-খোলা কথাত আগভেটা দিয়া নাই। তাইৰ আগৰ সেই সৰল ব্যৱহাৰ, সৰল আচৰণ, আনন্দত ওপঙি ফুৰা স্বভাৱ—সকলো আছে। তাই ভাবিছিল তেতিয়াও তাই মুক্তপখীৰ দৰে—স্বাধীন কছাৰিণী ছোৱালী। তাইৰ কামত হকাবধা কৰিবলৈ কেৱে নাই, ডেট্‌চুঙৰ লগত একেলগে আনন্দত ওপঙি ফুৰিলেও তাইক কেৱে মাতোতা নাই। কিন্তু সিদিনাৰ ঘটনাই তাইৰ অন্তৰত চিন্তাৰ ঢৌ তুলি দিছে,—তাইৰ মুখলৈ মলিনতা আনি দিছে। তাই জানে ডেট্‌চুঙৰপৰা

আঁতৰত থাকিলে তাই জীয়াই নাথাকে। ইমান ভাল লাগে তাক! এনেস্থলত ডেট্‌চুঙৰ লগত ধেমালি কৰিলে আনৰ চকু পোৰে কিয় ?

ডেট্‌চুঙৰ ধাৰণা চেংমাইক লগ পালে মিঠা কথাৰে সি তাইৰ অন্তৰ ওপচাই দিব। তাই নিশ্চয় পাহৰি যাব বুঢ়ীৰ টান কথাবোৰ। পুনু তাইৰ মন আনন্দত নাচি উঠিব, হাঁহি-ধেমালিৰ মাজত তাই নিজকে বিলাই দিব। কিন্তু সিদিনা চেংমাই তাৰ ওচৰলৈ লৰি অহা নাই, নানান প্ৰশ্নেৰে তাক অতীষ্ঠ কৰি তোলা নাই। চোতালৰ এচুকত চেংমাইৰ বুঢ়ীমাক আছে। তাইৰ ওচৰলৈ গৈ সি মাত লগালে, "আইতা ?"

বুঢ়ীয়ে ডেট্‌চুঙৰ ভৰিৰপৰা মূৰলৈ পৰীক্ষা কৰিলে। অলপ সময় তাই একো নমতাকৈ থাকিল। তাৰ পিছত হাতৰ আঙুলিৰে বাট দেখুৱাই তাই চিঞৰি উঠিল, "গুচি যা।"

ডেট্‌চুঙ্ আচৰিত হল। আগবাঢ়ি গৈ সি আকৌ কলে, "মই ডেট্‌চুং— ডেট্‌চুং আইতা।"

বুঢ়ীয়ে আগৰ সুৰতে চিঞৰি উঠিল, "এৰা ডেট্‌চুং। চিনিছো। গুচি যা।"

ডেট্‌চুঙে একো বুজিব পৰা নাই। সি একে ঠাইতে থিয় দি থাকিল। ভিতৰৰপৰা বেগেৰে চেংমাই ওলাই আহি মাত লগালে, "ডেট্‌চুং ?" সি মূৰ ঘূৰাই চাই দেখিবলৈ পালে খঙতে তাইৰ ওঁঠটো কঁপিবলৈ ধৰিছে। কিবা কওঁ কওঁ বুলি যত্ন কৰিও তাই কব পৰা নাই। চেংমাইৰ মনৰ ভাৱ বুজিবলৈ ডেট্‌চুঙৰ সময় নালাগিল। সি ধৰি ললে বুঢ়ীৰ লগনীয়া কথাৰেই এই প্ৰতিক্ৰিয়া। তথাপি সি অধীৰ নহল। তাৰ শৰীৰত বল আছে, মনতো আছে সংযম শক্তি। সেইবাবে সি চেংমাইক আশ্বাস দি কলে, "তই সুখী হ চেংমাই! মই যাওঁ। আজিৰপৰা তোৰ ঘৰলৈ মোৰ বাট নাই।"

চেংমাইৰ মন বিদ্ৰোহী হৈ উঠিল। আইতাকৰ পিনে ঘূৰি তাই খঙেৰে সুধিলে, "আইতা, ডেট্‌চুঙৰ দোষ কি ?"

বুঢ়ীৰ খঙে চুলিৰ আগ পালেগৈ। "তই দেখোন দিনে দিনে বাঢ়িহে গৈছ। ডুপৰীয়াৰ গালি শপনিয়ে নহল। গাঁৱৰ সকলোৰে মুখত থুই দি গল, তেওঁ তোৰ লাজ নাই। ৰ, বাপেৰ আহক।"

চেংমাইৰ মুখৰ কথা বন্ধ নহল। তাই সৰসৰ্‌কৈ কৈ গল, "ডেট্‌চুং। তই ইয়ালৈ নাহিবি। তোৰ যদি লাজ আছে—তোৰ জীৱনতে নাহিবি। মোক ইহঁতে মাৰিব। মই ইয়াতে মৰিম। ডেট্‌চুং! মই এই ঘৰতেই মৰিম।"

চেংমাইৰ মুখৰ কথা বন্ধ হল। আবেগত তাইৰ অন্তৰ উপচি পৰি সৰ্ সৰ্কৈ চকুপানী পৰিবলৈ ধৰিলে। কাঠৰ পুতলাৰ দৰে ডেট্চুঙে চেংমাইৰ পিনে চাই থাকিল। তাৰ ইচ্ছা হৈছিল চেংমাইৰ চকুপানী মচি দিবলৈ, কপালত হাত বুলাবলৈ। কিন্তু সি নোৱাৰিলে—তাৰ চকুৰ আগত ভাহি উঠিল বুঢ়ীৰ কদাকাৰ মূৰ্তি।

চেংমাইৰ প্ৰতি ডেট্চুঙৰ বিশেষ আসক্তি আছিল। চেংমায়েও হয়তো সেইটো বুজিব পাৰিছিল। কিন্তু তাৰ প্ৰতি চেংমাইৰ প্ৰবল অনুৰাগ সিদিনাই প্ৰথমে স্পষ্টকৈ দেখা দিলে। ডেট্চুঙৰ মনত চেংমাই সহস্ৰগুণে ৰূপৱতী-গুণৱতী হৈ উঠিল। সি মনতে প্ৰতিজ্ঞা কৰিলে—চেংমাইৰ মুক্তিৰ কাৰণে সি শৰীৰৰ সকলো বল আৰু মনৰ সকলো শক্তি নিয়োগ কৰিব।

ডেট্চুং দুখোজমান আগবাঢ়ি গল। চেংমাইৰ বুঢ়ীমাকৰ নিচেই ওচৰত থিয় হৈ কবলৈ ধৰিলে, "মোৰ অপমান মই সহ্য কৰিব পাৰোঁ আইতা; কিন্তু নোৱাৰোঁ এই বেচাৰীৰ দুখ যন্ত্ৰণা দেখিবলৈ। নহয় জানো তাই তোৰ নাতিনী। তাইৰ ওপৰত তই এনে কঠোৰ কিয়?"

বুঢ়ীয়ে সোলা মুখখন বিকটাই উত্তৰ দিলে, "তই ভালে ভালে গুচি যা ডেট্চুং! চেংমাইৰ মৰম বুজিব নালাগে। মোৰ চেংমাইক তোতকৈ এশগুণে ভাল কোনোবাই নিব।"

ডেট্চুং উচাপ খাই উঠিল। সি ভাবিব পৰা নাছিল যে এই বুঢ়ীজনীয়ে আন কাৰোবাৰ লগত চেংমাইৰ মিলন কল্পনা কৰিছে। খন্তেকৰ নিমিত্তে যেন সি নিজৰ ওপৰৰ সকলো শাসন পাহৰি পেলালে। গোটেই দিনৰ পুঞ্জীভূত বেদনাবোৰ খঙৰ ৰূপ লৈ তাৰ মুখত দেখা দিলে। দোষ কি তাৰ? চেংমাইক সি অন্তৰেৰে ভাল পাইছে আৰু চেংমায়েও তাক প্ৰত্যাখান কৰা নাই। এই বুঢ়ীয়ে তাত বাধা জন্মোৱাৰ কাৰণ কি? সি নিৰ্ভীক। সিহঁতৰ মিলনত আনে বাধা দিলেও সি তাক ভৰিৰে মোহাৰি পেলাব। সি চেংমাইক সুখী কৰিব —তাইৰ লগত নিৰলে অকলে বহি সোণৰ হৰিণ দেখিব। কোনে বাধা দিব তাক? কাৰ সাধ্য আছে?

তাৰ অন্তৰত সুপ্তসিংহ জাগি উঠিল। বুঢ়ীৰ পিনে কটাক্ষপাত নকৰাকৈয়ে সি চেংমাইৰ কাষ পালেগৈ। তাইৰ যুৰত সোঁ হাতখন থৈ সি বুকু ডাঠি কলে, "ভয় নাই চেংমাই! তোৰ মুক্তিৰ বাবে মই জীৱন দিম।"

নিমিষতে সি তাৰপৰা আঁতৰি আহিল। কল্পনাক সি অনাদৰ কৰিব

নোৱাৰে। চেংমাই তাৰ কল্পনাৰ সামগ্ৰী। তাকে এৰিব লাগিলে সি জীয়াই থাকিব পাৰিবনে ?

চেংমাইৰ চকুৰ আগতে নানান ঘটনা ঘটি গল। ডেট্‌চুঙৰ কথা তাই ভালকৈ বুজিব নোৱাৰিলে। সঁচাকৈয়ে এইবোৰ কি হল! ডেট্‌চুঙৰ সান্নিধ্য তাইক লাগে। তাৰ বহল বুকু নিপোটল মুখ, আৰু আনন্দৰ নানা তৰহৰ কথা তাই কেতিয়াও পাহৰিব নোৱাৰে! মন্ত্ৰমুগ্ধৰ দৰে তাই ডেট্‌চুঙৰ পিনে চাই থাকিল। গৈছে—সি বেগাই গৈছে। প্ৰতিটো খোজতেই তাৰ ডাঙৰ কলাফুল ছুটি নাচি উঠিছে। ডেট্‌চুং নিশ্চয় তাইৰ ঘৰলৈ ঘূনাই নাহে ? তেনেহলে তাই কৰিব কি ? ক্ষণিক দুৰ্বলতাই তাইক অৱশ কৰি পেলালে। তাই যতে আছিল ততে থিয় হৈ থাকিল। সেই সৰু বাটটোৰেদি ডেটচুং গৈ থাকিল। সি এবাৰ মূৰ ঘূৰায়ো নাচালে। অন্তৰত গধুৰ দুখৰ বোজা লৈ সি গুচি গৈছে। অভিমানত তাৰ অন্তৰ ভৰি উঠিছে। চেংমায়ে তাৰ দুখ আঁতৰাই নিব। তাই চকুপানী টুকি হিয়া দুৰ্বল কৰি নোতোলে। তায়ো কছাৰিণী ছোৱালী। তাইৰো গাত বল আছে, মনত সাহ আছে। ইয়াৰ উপায় তাইৰ হাতত।

চাৰিদিন পাৰ হৈ গল। এই কেইদিন ডেট্‌চুঙে চেংমাইক অকলশৰীয়া অৱস্থাত লগ পোৱা নাই। পঞ্চম দিনা আবেলি। চেংমায়ে এটা দামুৰি পোৱালি খেদি এটা সুৰসুৰীয়া বাটেৰে আহিব ধৰিছে। জঙ্ঘলৰ মাজেদি লাহে লাহে চোৰৰ দৰে গৈ সি তাইৰ আগত থিয় দিলেগৈ। ডেট্‌চুঙক দেখা পাই চেংমায়ে চিঞৰি উঠিল, "মোৰ ওচৰৰ পৰা সোনকালে আঁতৰি যা ডেট্‌চুং। তোক সিহঁতে মাৰিব।"

হাঁহি মাৰি ডেট্‌চুঙে উত্তৰ দিলে, "মৰিবলৈ ভয় নকৰোঁ বুলি নাজাননে চেংমাই ?"

চেংমায়ে ভয় ভয় কৰি কলে, "নহয় ডেট্‌চুং, মই সঁচাকৈয়ে কৈছোঁ। আজি তিন দিন আইতাই সেই একে কথাকেই কৈছে।"

ডেট্‌চুং চেংমাইৰ নিচেই ওচৰলৈ আহিল, সুধিলে, "তোক মুক্তি লাগে ?"

"মুক্তি কি ?" চেংমায়ে আচৰিত হৈ সুধিলে।

"মুক্তি—মুকলিমূৰীয়া স্বভাৱ। তোৰ যি ইচ্ছা তাকে কৰিব পাৰিবি। তোৰ কামত বা কথাত কোনোৱে বাধা নিদিয়ে।"

বৰ আগ্ৰহেৰে চেংমায়ে উত্তৰ দিলে, "লাগে ডেট্‌চুং—লাগে। তই দিব পাৰিবি ?"

বীৰদৰ্পে ডেট্‌চুঙে উত্তৰ দিলে, "পাৰিম চেংমাই। তোৰ মুক্তি মোৰ হাতত। কিন্তু আমি ইয়াৰপৰা যাব লাগিব।"

"কলৈ ?" চেংমায়ে আচৰিত হৈ সুধিলে।

ডেট্‌চুঙে গহীনাই কলে, "সৌ যে পাহাৰ দেখিছ—তাৰ সিপাৰলৈ। তাত আছে আনন্দ, সকলো বন্ধনৰপৰা মুক্তি। আমি তাত নতুন সংসাৰ ৰচনা কৰিম, জুৰিৰ বুকত অবাধে খেলা কৰিম। আমাৰ জীৱন মধুময় হব।"

চেংমায়ে তলমূৰকৈ কলে, "মোৰ বৰ ভয় লাগে অ' ডেট্‌চুং।"

ডেট্‌চুঙে চেংমাইৰ হাতত ধৰি কলে, "কছাৰিণী ছোৱালী হৈ তোৰ ভয় কিহৰ চেংমাই ? পাহাৰৰ মাজত ডাঙৰ-দীঘল হৈ পাহাৰলৈ ভয় কি ? ব'ল দুয়ো গুচি যাওঁ।"

চেংমায়ে তলমূৰ কৰিলে। ডেট্‌চুঙে সৰসৰীয়াকৈ কৈ গল, "আজি চাৰিদিন তোক বিচাৰি ডেট্‌চুং বলিয়াৰ দৰে ফুৰিছে। তাৰ অন্তৰত কিমান দুখ—কিমান জ্বালা—তই জানো বুজিবি ?"

চেংমায়ে ডেট্‌চুঙৰ ডিঙিত সাবটি ধৰি সুধিলে, "মই কাষত থাকিলে তোৰ ভাল লাগে ডেট্‌চুং ?"

ডেট্‌চুঙে চেংমাইৰ কপালত ওলমিপৰা চুলি কেইডাল দুয়োহাতেৰে আঁতৰাই দিলে। পাছত লাহে লাহে তাইৰ মুখখন নিচেই ওচৰলৈ টানি আনি সি তাইৰ স্থিৰ চকুযুৰিলৈ চাই থাকিল। এটুপি আনন্দৰ চকুপানী তাৰ চকুৰপৰা ওলাই চেংমাইৰ কপালত পৰিল। চেংমায়ে সকলো পাহৰি গল। বৰ আগ্ৰহেৰে তাই কৈ উঠিল, "যাম ডেট্‌চুং মই তোৰ লগত যাম। তোৰ কথাত আনন্দ আছে, পৰশত শিহৰণ আছে।"

ডেট্‌চুং আনন্দত জপিয়াই উঠিল, "তোৰ সুখৰ নিমিত্তে মোৰ জীৱন দিম চেংমাই। আজি ৰাতি, আজি ৰাতিতেই মই তোক লৈ যাম। কেৱে নাজানে, কেৱে কব নোৱাৰে—কছাৰী গাঁৱৰপৰা আনন্দৰ মূৰ্তি চিৰকাললৈ আঁতৰি যাব। এই কছাৰী গাঁও শ্মশান হব।"

সন্ধিয়াৰ কলা ৰং লাহে লাহে গাঢ় হৈ আহিব ধৰিছে। কৰবাৰ পৰা দুই এচপৰা মেঘ আহি আকাশত অনাই বনাই ফুৰিছে। বনৰ মাজত সোঁ সোঁ শব্দ নাই। গছ গছনি নিশ্চল। অলপতে ৰাতি হব। চেংমাইৰ বুঢ়ী মাকলৈ মনত পৰিল। উপায় নাই। অগত্যা ডেট্‌চুঙক অকলে এৰি তাই ঘৰলৈ বুলি

খোজ ললে। অলপ দূৰ গৈ তাই উভতি চালে কিন্তু ডেট্‌চুং নাই। সি হাবিৰ মাজত মিলি গৈছে।

মাজ ৰাতি। হাবিৰ নল খাগৰিৰ মাজত এটা সোঁ সোঁ শব্দ। মাজে মাজে ফেঁচাৰ বিকট আৰাব। কছাৰী গাঁৱৰ মানুহ টোপনিত লালকাল। এনে সময়ত গাঁৱৰ এটি ঘৰত জুই দপ্‌দপাই উঠিল। নিমিষতে গাঁৱৰ মাজত হাহাকাৰ লাগি গল। ডেট্‌চুঙৰ তিনিওটা ঘৰৰ ওপৰত জুই বিয়পি পৰিছে। সৰ্বনাশ! বতাহত গোটেইখন গাঁও চন হৈ যাব। সকলোৰে মাজত হাহাকাৰ লাগি গল। কেৱে কেৱে পানী ছটিয়ালে, আন কিছুমানে কলগছবোৰ কাটি জুইৰ ওৰপত পেলাই দিলে। নিমিষতে ঘৰৰপৰা জুই বগাই গৈ নল খাগৰিবোৰ এফালৰ পৰা চন কৰি যাবলৈ ধৰিলে।

এনে সময়ত। চোতালৰ এটি চুকত চেংমাই অকলে থিয় হৈ আঁতৰৰ এই ভয়ঙ্কৰ দৃশ্যৰ পিনে ৰ লাগি চাই আছে। ওচৰত ভৰিৰ শব্দ শুনা গল। চেংমায়ে মূৰ ঘূৰালে। ডেট্‌চুং নিচেই ওচৰলৈ আহি কাণৰ কাষত কলে, "আহ।" লাহে লাহে দুটি জীৱ নিশাৰ অন্ধকাৰ ভেদ কৰি জঙ্ঘলৰ মাজেদি আগুৱাই যাবলৈ ধৰিলে। কেৱে নেদেখিলে সিহঁতক—কেৱে নুবুজিলে সিহঁতৰ অন্তৰৰ ব্যথা। সিহঁতৰ কাৰো মুখত মাত নাই। হয়তো নিজৰ জন্ম ঠাই এৰি সিহঁতে দুখ পাইছে, হয়তো সিহঁতে ভয় কৰিছে ধৰা পৰিলে সিহঁতৰ আশা পূৰ্ণ নহব, আদৰ্শ নষ্ট হৈ যাব। সেইবাবে সিহঁত বেগেৰে আগুৱাই গৈছে। নৈশ অন্ধকাৰে সিহঁতৰ মনত আতঙ্কৰ সঞ্চাৰ কৰিব পৰা নাই। ডেট্‌চুং নিৰ্ভীক। সোঁ হাতেৰে দাখন ভালকৈ খামুচি ধৰি সি বীৰদৰ্পে আগুৱাই গৈছে। সকলো বাধা-বিঘিনি যেন তাৰ আগত তুচ্ছ, শাৰীৰিক পৰিশ্ৰম যেন তাৰ আগত নগণ্য। বিশ্বাসত তাৰ বুকু স্ফীত, আনন্দত তাৰ প্ৰাণ আপ্লুত। মন্ত্ৰমুগ্ধৰ দৰে তাৰ পাছে পাছে গৈছে চেংমাই। ডেটচুঙৰ দৰে তাইৰ অন্তৰত গভীৰ বিশ্বাস নাই। মাজে মাজে সন্দেহৰ ঘন কুঁৱলীয়ে তাইৰ মনলৈ আনি দিয়ে সূচীভেদ্য অন্ধকাৰ আৰু আতঙ্কৰ আবেগ। তথাপি ডেটচুঙক অকলে এৰিবৰ তাইৰ সাহ নহয়— জানোচা ডেটচং বিপদত পৰে, জানোচা তাইৰ অস্থিৰতাই তাক অৱশ কৰি পেলায়। সেইবাবে তাই গৈ থাকে। এখন ভৰিৰ পিছত আনখন সঘনে শুকান গছ পাতবোৰত পৰি এটি সৰু শব্দৰ সৃষ্টি কৰে, যৌৱনৰ উঠন বুকু লাহে লাহে লৰি উঠে। দুয়ো আগুৱাই যায়। সমুখত এখন ওখ পাহাৰে সিহঁতৰ বাট আগচি ধৰে। ডেটচুং থমকি ৰয়।

চেংমায়ে ভয় ভয়কৈ সোধে, "কেনেকৈ যাবি ডেট্‌চুং? এই পাহাৰ,—এনে ভয়ঙ্কৰ হাবি—ইয়াক ভেদ কৰি যাবি কেনেকৈ?"

ডেট্‌চুঙে অভয় দিলে, "ভয় নাই চেংমাই। আমি যাবই লাগিব। এই পাহাৰৰ সিপাৰেই আমাৰ বিশ্ৰামৰ স্থান। সেয়েই কল্পনাৰ মায়াপুৰী। তাত বিষাদ নাই, বিমৰ্ষতা নাই, আছে আনন্দৰ অফুৰন্ত নিজৰা। তাত চৰাই চিৰিকতিয়ে গান গাই আমাক আদৰ জনাব, গছ-লতাই সেউজীয়া সাজ পিন্ধি আমাৰ মিলনত আনন্দ প্ৰকাশ কৰিব। আমি বাধাহীন জীৱন যাপন কৰিম, আনন্দৰ মাজত নিজকে বিলাই দিম। আমাক কেৱে প্ৰশ্ন নকৰে, কেৱে সন্দেহৰ চকুৰে নাচায়। তালৈকে যাম চেংমাই। তয়ো যাবি ময়ো যাম। একো ভয় নাই। ভগৱান আমাৰ সহায়।"

ডেট্‌চুঙৰ কথাত চেংমায়ে মনত অলপ বল পালে। দুয়ো আগুৱাই গৈ থাকিল। পাহাৰখন বেছি থিয় যেন লাগিল। অতি কষ্টে সিহঁতে ইচটা শিলৰপৰা সিচটা শিললৈ বগাই যাবলৈ ধৰিলে। ওচৰেদি কিবা এটা নল-খাগৰি ভাঙি লৰ মাৰিলে। চেংমাই উচাপ খাই উঠিল। তাইৰ ভৰি পিছলি গল। নিৰ্ভীক ডেট্‌চুঙে নিমিষতে চেংমাইক সাৱটি ধৰি বিপদৰ আশঙ্কাত অলপ থিয় দিলে। তাৰ পিছত দুয়ো আকৌ আগুৱালে। সিহঁতৰ ভাগৰ লাগিছে। লাহে লাহে সিহঁতৰ খোজ ঢিলা হৈ আহিল। আকাশত মেঘে ভীষণ গৰ্জন মাৰি সিহঁতৰ বিপদ সূচাই দিলে। তথাপি ডেট্‌চুং গৈ থাকিল। চেংমাই ক্ৰমে অৱশ হৈ আহিল। ভাগৰত তাই ফোপাবলৈ ধৰিলে। অৱশেষত তাই লাহেকৈ কলে, "অলপ ৰবি ডেট্‌চুং।" ডেট্‌চুং থমকি ৰল আৰু চেংমাইক শিল এচটাৰ ওপৰত বহুৱাই নিজেও কাষতে বহিল। শাৰীৰিক কষ্ট আৰু মানসিক উদ্বিগ্নতাৰ মাজতো চেংমায়ে অলপ আনন্দ পালে। অলপ সময়ৰ কাৰণে তাই নিজৰ দুখ পাহৰি গল। আকাশত মেঘে আকৌ গুমৰি উঠিল। চেংমায়ে ওপৰলৈ চালে কিন্তু দেখিবলৈ পালে ঘন অন্ধকাৰ। ভয় ভয়কৈ তাই ডেট্‌চুঙক সুধিলে, "ধুমুহা আহিব ডেট্‌চুং?"

"এৰা ধুমুহা!"

ডেট্‌চুঙক অলপ চিন্তাযুক্ত দেখা গল।—"বল ইয়াৰপৰা অলপ মুকলি ঠাইলৈ যাওঁ।"

দুয়ো আকৌ খোজ ললে। প্ৰকৃতিয়ে ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিলে। বতাহৰ কোবত গছৰ ডালবোৰ ইফালে-সিফালে ভাঙি পৰিবলৈ ধৰিলে।

জিপ্ জিপিয়া বৰষুণে সিহঁতক তিয়াই পেলালে। অতি সাৱধানে সিহঁতে হাতত ধৰাধৰিকৈ গৈ থাকিল। বিজুলীয়ে সিহঁতক বাট দেখুৱালে। তাৰ পোহৰতেই সিহঁতে আগত এটা প্ৰকাণ্ড শিল দেখিবলৈ পালে। ডেট্ চুং বিবুধিত পৰিল। সি মূৰে কপালে হাত দিলে। চেংমায়ে ডেট্ চুঙৰ দুয়োখন হাতত ধৰি কাবৌ কৰি কলে, “নাযাবি ডেট্ চুং, নাযাবি।” ডেট্ চুং বল। সোঁহাতৰ আঙুলিৰে চেংমায়ে দেখুৱাই দিলে। বিজুলীৰ পোহৰত ডেট্ চুঙে দেখিলে ওচৰত প্ৰকাণ্ড কুকুং। দুয়ো সেই ঠাইতেই বিমৰ্ষ মনেৰে বহিল। অলপ সময় দুয়ো নিমাত। তাৰপিছত ডেট্ চুঙে কলে, “ভুল বাটেৰে আহিলোঁ চেংমাই।” তাৰ অন্তৰৰপৰা এটি গভীৰ হুমুনিয়াহ ওলাই পৰিল। লাহে লাহে বতাহ থামিল বৰষুণ নাইকিয়া হল। ডেট্ চুঙে উঠি ইফালে সিফালে চালে। তাৰ পিছত সি চেংমাইৰ হাতত ধৰি শিলটো বগাই যাবলৈ কাৰবাৰ কৰিলে। চেংমাইৰ ভৰি কঁপিবলৈ ধৰিলে। ডেট্ চুঙে চেংমাইক নানান উদগনি দিলে আৰু নিমিষতে সকলো কষ্টৰ অৱসান হব বুলি কলে। অতি সাবধানে দুয়ো আগবাঢ়ি গল। পুবপিনৰ আকাশখন লাহে লাহে বগা হৈ আহিবলৈ ধৰিলে। ডেট্ চুঙৰ মুখত হাঁহি বিৰিঙি ওলাল। পোহৰ ক্ৰমে বেছি হল। দুয়ো দুয়োকো ভালকৈ দেখিলে। চেংমায়ে সুধিলে, “আকৌ কিমান দূৰ যাব লাগিব ডেট্ চুং?” ডেটুচুঙে হাঁহি মাৰি এটা পৰ্বত দেখুৱাই দিলে, “সৌটো, সৌটোৱেই আমাৰ বিশ্ৰামৰ স্থান। ব'ল তালৈ যাওঁ। তাত ফলমূল আছে, নিজৰাৰ শীতল পানী আছে।” দুয়ো লাহে লাহে ঘৰৰ ভিতৰ সোমাল। ওচৰৰ গছৰ ডালত পৰি এটি কুলিয়ে কুউ-কুউকৈ চিঞৰি উঠিল।

—ধুবুৰী—

২৭।৪।৪২

পুজাৰ আয়োজন

এটি সামান্য পঁজা। আঁউসীৰ অন্ধকাৰ ৰাতি। ভিতৰত এটা সাধাৰণ কেৰাচিন তেলৰ চাকিয়ে ধিমিক্ ধামাকৃকৈ বাহিৰৰ অন্ধকাৰ গাঢ় কৰি তুলিছে। অলপ পিছত চাকিটো নুমাই গল। সৰ্বগ্ৰাসী অন্ধকাৰে গোটেইখিনি ঠাই আগুৰি পেলালে। ভগৱানৰ নাম লৈ লৈ কন্দৰ্প বৰুৱা বাহিৰলৈ ওলাই আহিল আৰু চোতালত পীৰা এখনত বহিলহি। "উঃ কি গৰম! গছৰ পাত এটিও লৰা নাই। এজাক বৰষুণ হলেও—"

ভিতৰত এটি কেঁচুৱাই আৰ্তনাদ কৰি চিঞৰি উঠিল। বাহিৰৰ পৰা বৰুৱাই মাত লগালে, "সাৰ পাইছানে? কেঁচুৱাটিয়ে কান্দিছে।"

এভামুৰি দি বৰুৱানীয়ে কেঁচুৱাটিক বুকুলৈ টানি ললে। তথাপি কেঁচুৱাৰ কান্দোন বন্ধ নহল। বৰুৱাই পুনাই মাত লগালে, "বোলো, তাক বাহিৰলৈ লৈ আহা। যিহে গৰম। কেঁচুৱা হল বুলিনো সি সুখ-দুখ বুজিব নোৱাৰেনে? লৈ আহা। বাহিৰত অলপ চেঁচা পালে ভাল পাব!"

কেঁচুৱাটিক্ লৈ ঘৈণীয়েক বাহিৰলৈ অলাই আহিল। "দিনৰ দিনটো মূৰ তুলিব নোৱাৰা কাম—ৰাতিটাতো অলপ জিৰণিৰ সময় নাই। যাৰ দুখ কেউপিনে দুখ।"

এটি হুমুনিয়াহ এৰি বৰুৱাই হয়ভৰ দি কলে, "এৰা, যিটোহে ঘৰ তাত আন মানুহ থাকিব নোৱাৰে। আমাৰ অভ্যাস হৈছে গুণেহে। তথাপিতো দেখিছাই নহয় আজি একেৰাহে তিনি ৰাতি বাহিৰত বহি বহিয়েই কটাইছো। আৰুনো কিমান দিন এইদৰে কটাম। কণা বিধাতাই যদি এছাতি বতাহকে মাৰিলে-হেঁতেন?"

বাহিৰত অলপ চেঁচা পাই কেঁচুৱাটি শুলে। বৰুৱানীয়ে সুধিলে, "এনেকৈনো বাহিৰত কিমান সময় বহি কটাব! কাইলৈ স্কুল নাইনে?"

"আছে।" বৰুৱাই উত্তৰ দিলে। "কাইলে ডেপুটী ইনিচ্‌পেক্টৰো অহাৰ কথা।"

"তেনেহলে অলপ শোৱকগৈ। ময়েই ওচৰত বহি বিচি থাকিম। এইবাৰো যোৱা বেলিৰ দৰে হব লাগিলে হৈছে।"

বৰুৱাই হাঁহি মাৰি কলে, "নাই, এইবাৰ সকলো ঠিক আছে। হাতৰ আখৰৰ বহীকেই চাওক বা মেপৰ বহীকেই চাওক কতো খতিখুন নাই।"

বৰুৱানীয়ে উঠি গৈ কেঁচুৱাটিক বিছনাত থোৱা মাত্ৰকে সি আকৌ চিঞৰি উঠিল। কোনোমতেই তাক এৰি আহিব নোৱাৰি তেওঁ দুনাই বাহিৰতে বহিলহি। গিৰীয়েক ঘৈণীয়েকৰ মাজত নানান কথা বতৰা হল। নিজৰ দুখ দাৰিদ্ৰ্যৰ তুলনাত ওচৰতে থকা প্ৰবীণ ফুকনৰ স্বৰ্গসুখ নহয়নো কি? বৰুৱাও মানুহ আৰু ফুকনো মানুহ—কিন্তু মানুহ মানুহৰ মাজত ইমান উচ্চতা নীচতা কেলেই? "বুজিছা, এয়েই ভাগ্য। অদৃষ্টত লিখা নাথাকিলে কাৰো সুখ সম্পদ নাহে। এয়ে জগতৰ ৰীতি। ভাগ্যৰ বলত এদলে ভোগ কৰে আৰু সেই ভোগ-বিলাসৰ অৰ্থেই আন দল উৎপীড়িত হয়। এদলে অত্যাচাৰ কৰে আৰু এই নিৰীহ অভাৱগ্ৰস্ত দলে বিনা বাক্যব্যয়ে তাক মূৰ পাতি লয়। ভাগ্য, বুজিছা, সকলো ভাগ্য। আমি বোধ হয় পাপ কৰিছোঁ। তাৰ ফলতেই এই অশান্তি—এই যাতনা।"

ঘৈণীয়েকৰ হিয়াৰপৰা এটি দীঘল হুমুনিয়াহ বাগৰি আহিল।

প্ৰায় শেষ ৰাতি। নিয়ৰৰ সৰু সৰু কণাবোৰে বৰুৱাৰ উত্তপ্ত ঘৰটোৰ টিন কেইচলাত অলপ শান্তিপানী ছটিয়াই দিছে। পৰিশ্ৰান্ত বৰুৱা অৱশেষত বিছনাত গৈ দীঘল দি পৰিল। কিছু সময় পিছত নিদ্ৰাদেৱীয়ে তেওঁৰ গাৰ ওপৰেদি সুকোমল হাতখনি বুলাই দিলে। তেওঁ ক্ষন্তেকৰ বাবে সকলো চিন্তা ভাবনাৰপৰা মুক্ত হৈ পৰিল।

ৰাতিপুৱা বেৰৰ জোলোঙাৰে ৰ'দৰ পোহৰ পৰাত বৰুৱা একে জাপেই বিছনাৰপৰা উঠিল। ততাতৈয়াকৈ হাত মুখ ধুই ঘৈণীয়েকৰ ওচৰলৈ গৈ তেওঁ কলে, "বোলো শুনিছানে? মই আহিলো টিউশ্যনলৈ। বহুতো বেলি হল। তুমি উঠি ভাত পানীৰ যোগাৰ কৰিবা। আজি ডেপুটি ইনিচপেক্টৰো স্কুললৈ আহিব।"

বিছনাতে এপ্ৰামুৰি দি ঘৈণীয়েকে কলে, "চাহ পানী এটোপা নাখায়নে?"

"নাই, এতিয়া চাহ পানীলৈ ৰবৰ সময় নাই। সুবিধা হলে তেওঁলোকৰ ঘৰতেই খাম।" বুলি বৰুৱা ঘৰৰপৰা ওলালেই। চব ডেপুটি হাকিমৰ ঘৰত বৰুৱাৰ টিউশ্যন। তালে বুলি বৰুৱাই খোজ ললে। বৰুৱা উপস্থিত হোৱা মাত্ৰেই ল'ৰাই আগ্ৰহেৰে সুধিলে, "স্যাৰ, আজি দেখোন বৰ বেলি হল? দেউতাই খবৰ কৰিছিল।"

"এঃ নকৰা বোপা। শুই উঠোতেই বেলি হল। কালি ওবে বাত্তিটো টোপনি অহা নাই নহয়। বিছনাত বাগৰি আছোঁ। পিছে শেহ'ৰাত্তি অলপ চকু লাগি এইখন হল। দেউতাৰাই বা কিয় খবৰ লৈছিল! কিঁবা কৈছে নেকি?"

"নাই কোৱা একো।" ল'ৰাটিয়ে কলে।

"বাৰু, বাৰু এতিয়া পঢ়া। সেই ইংৰাজী গ্ৰামাৰখনকে উলিয়াই লোৱাচোন।"

ল'ৰাটোৱে ইংৰাজী গ্ৰামাৰ উলিয়াই চিঞৰি পঢ়িব ধৰিলে, "এ নাউন্ ইজ দি নেম অৱ এনিথিং (A noun is the name of anything.)"

"বেছ, বেছ ভাল হৈছে। পিছে বোপা, তোমালোকে চাহ খালানে?"

"হয় স্যাৰ, কেতিয়াবাই খালোঁ। আপুনি খোৱা নাই নেকি?"

"নাই, খাইছোঁ। তুমি পঢ়া। অ' এ নাউন্ ইজ দি নেম অৱ এনিথিং পঢ়িছিলা। কিবা বুজি পাইছানে?

"হয় স্যাৰ, পাইছোঁ।"

"এৰা পাবাতো। তুৰবাৰ ঘৰৰ ল'ৰানো কোনজন বুদ্ধিমান নহয়। বেছ হৈছে। পঢ়া, আকৌ পঢ়া।"

ল'ৰাটিয়ে ভালেখিনি সময় ইংৰাজী ব্যাকৰণ পঢ়িলে। তাৰ পিছত বৰুৱাই ভূগোলখন উলিয়াই এটা বলৰ সহায়ত পৃথিবীৰ আহ্নিক গতিৰ বিষয়ে বহলাই বুজাই দৌৰাদৌৰিকৈ ঘৰমুৱা হল।

পোনে পোনেই ৰান্ধনি ঘৰ সোমাই বৰুৱাই দেখিলে যে তেতিয়াও চাউলে আৰু পানীয়ে লগ লগা নাই। বৰুৱাই নিজকে নিজে ভোৰ্ভোৰাই কৈ উঠিল, "আজি ভাত খোৱা নহব।"

বৰুৱানীয়ে আখলৰ ভিতৰত আকৌ একোছা খৰি সুমাই দি কবলৈ ধৰিলে, "মই কি কৰিম কওকচোন। ৰাতি কেঁচুৱাটিক বাহিৰত লৈ থকাৰ গুণত শুই উঠাৰ লগে লগে তাৰ জ্বৰ। তাকো এৰিব নোৱাৰোঁ, ইপিনে আখললৈকো আহিব নোৱাৰোঁ। যাওকচোন আপুনি গা পা ধুই আহকগৈ। যি হয় তাৰেই এমুঠি খাব। নোখোৱাকৈ গলে আৰু বা কিথন হয়।"

মূৰত অলপ সৰিয়হৰ তেল লৈ বৰুৱা গা ধুবলৈ লৰ মাৰিলে আৰু নিমিষতে উভতি আহিল। ঘৈণীয়েকে কেইটামান ভাত কাঁহীত পাতলকৈ পেলাই দিলে। তাৰেই দুগৰাহমান মনৰ সন্তোষেৰে পেটৰ ভিতৰত ভৰাই স্কুলৰ মুৱা হল। মনৰ ইচ্ছা থাকিলেও কেঁচুৱাটিৰ গাত হাত দিবলৈ তেওঁৰ সময় নহল।

বেগাবেগিকৈ খোজ দিয়াৰ লগে লগেই তেওঁৰ মনত প্ৰশ্ন উঠিল, "কেঁচুৱা নে চাকৰি ? কোন ভাঙৰ ?" সেই একেটি প্ৰশ্নই তেওঁৰ মনৰ মাজত আলোড়ন তুলিলে। ভাবি ভাবিয়েই তেওঁ গৈ থাকিল কিন্তু কোনো মীমাংসাত উপনীত হব নোৱাৰিলে।

তেওঁ স্কুলৰ ওচৰ পালেহি। স্কুলত ল'ৰাবোৰৰ মাতবোল বন্ধ হৈছে। বাহিৰত এটি ল'ৰাও নাই। সকলোৱে নিজ নিজ কমত সোমাই আগত কিতাপ মেলি লৈছে। বৰুৱাৰ বুকুখন যেন কঁপি উঠিল। তেওঁ মনতে স্থিৰ কৰিলে, "চাকৰি ডাঙৰ। ভাগ্যৰ বলত ইয়াক লাভ কৰা যায় আৰু মহৎ ভাগ্যৰ বলতহে মানুহে ইয়াক ভোগ কৰে।"

বৰুৱাৰ ভৰি দুখনে দুগুণ বেগেৰে তেওঁক আগুৱাই লৈ যাবলৈ ধৰিলে। পিছৰ পিনৰ গেটেৰে স্কুল ঘৰ সোমাই তেওঁ পোনে পোনেই নিজৰ ক্লাচৰ দুৱাৰ মুখ পালেগৈ। তেতিয়া মিঃ মহন্তই তেওঁৰ ক্লাচৰ ল'ৰাক পঢ়াব ধৰিছে। বৰুৱাই মহন্তক হাত বাউলি দি কাষলৈ মাতি আনি ফুচ্ ফুচাই কলে, "এতিয়া আপুনি যাওক।"

মহন্ত জাঁপ মাৰি উঠিল, "উহুঁ, মই যাব নোৱাৰোঁ। আপুনি হেড্ মাষ্টাৰৰ লেখা আনক। তেখেতে মোক ইয়ালৈ আহিব কৈছে।"

বৰুৱাই দেখিলে আন এটি বিপদ। তেওঁ মহন্তক বুজাবলৈ চেষ্টা কৰিলে। কিন্তু মহন্তও এলাপেচা বিধৰ নহয়। তেওঁ বুজিলেও নুবুজে, জানিলেও নাজানে। বিশেষকৈ তেওঁ নতুনকৈ চাকৰিত সোমাইছে যেতিয়া তেওঁৰ ভবিষ্যত উন্নতি অৱনতি নিৰ্ভৰ কৰিব উপৰিৱাল সকলৰ দয়া দাক্ষিণ্যৰ ওপৰত। এনেস্থলত বৰুৱাৰ অনুৰোধ ৰক্ষা কৰিবলৈ গৈ তেওঁ নিজৰ ভবিষ্যত নষ্ট কৰিব পাৰেনে ?

বৰুৱাই দেখিলে নিৰুপায়। কাবৌ কাকুতি কৰিলে. গছৰ পাতো সৰিব পাৰে কিন্তু মহন্ত টলিবৰ লোক নহয়। অগত্যা তেওঁ অফিচলৈ ফিৰিবৰ বাধ্য হল। বৰুৱাক দেখা পাই চেকেণ্ড মাষ্টাৰে হাঁহি মাৰি সুধিলে "কি, আপোনাৰ আজিও পলম ?—"

"এৰা, কি কৰিব। এই ঘড়িটো। ই ঘড়ি গুচি ঘোঁৰাত পৰিণত হৈছে। ইয়াক ভাঙিয়ে পেলাম নেকি ?" বুলি বৰুৱাই এটি পুৰণি ঘড়ি জেপৰপৰা উলিয়াই হাতত তুলি ললে।

চেকেণ্ড মাষ্টাৰে, "কি কৰে কি কৰে। এতিয়া ঘড়িৰ গাতহে জগৰ লাগিল

নে ?" বুলি তেওঁৰ হাতত ধৰিলেগৈ। "যি হবৰ হল। য'ক এতিয়া ক্লাচলৈ য'ক। ঘড়িৰ ওপৰত খং কৰিলে কি হব। বেলিটোলৈকে চোৱা হলেওচোন হ'লহেঁতেন।"

বৰুৱা অলপ আশ্বাসান্বিত হৈ কলে, "এঃ ক্লাচলৈ গৈছিলোঁৱেই নহয়। পিছে, সেই জন ক'ৰপৰা আহিছে? মই তেওঁক আহিবলৈ কোৱাতো নাহে নহয়—হেড্মাষ্টাৰৰ হেনো লেখা লাগে। এইবোৰ কেনেবাকৈ হেড্মাষ্টৰ হব লাগিলে তলতীয়াবোৰৰ হৈছে।"

"কোন সেইজন?" চেকেণ্ড মাষ্টৰে আগ্ৰহেৰে সুধিলে।

"সেইজন আৰু কোন হব! সেইজন আপোনালোকে সিদিনা নিযুক্ত কৰা মহন্ত মহাশয়।"

"বাৰু, আপুনি এইখন লৈ য'ক" বুলি কৈ চেকেণ্ড মাষ্টৰে এখন কাগজত কিবাকিবি লিখি দিলে। সগৰ্বে কাগজখন হাতেৰে ওলোমাই বৰুৱা শ্ৰেণীৰ ভিতৰ সোমাল আৰু মহন্তৰ আগত কাগজ টুকুৰা পেলাই দিলে। নিমিষতে মহন্ত ক্লাচৰপৰা ওলাই আহিল। এটি উল্লাসৰ ভাবে বৰুৱাৰ মুখখন পোহৰ কৰি তুলিলে।

অলপ পিছতেই ডেপুটি ইনিচ্পেক্টৰ আহি প্ৰথমতে বৰুৱাই পঢ়াই থকা শ্ৰেণীতে সোমাল। শ্ৰেণীত তেওঁ হাতৰ আখৰ আৰু মেপৰ বহীবোৰ চাই কিবা কিবি নোট কৰি ললে। পিছত ভূগোলৰ নানা তৰহৰ প্ৰশ্নয়ে ল'ৰাবোৰৰ উত্তৰত বেমেজালিৰ সৃষ্টি কৰিলে। এটি চুকত থিয় হৈ বৰুৱা মাষ্টৰে মনতে ভাবিলে, "এই বাৰ বোধহয় চাকৰিৰ অৱসান হব।" অৱশেষত ডেপুটি ইনিচ্পেক্টৰে বৰুৱাৰ পিনে চাই কলে, "ক'তা, আপোনাৰ ল'ৰাৰতো বিশেষ উন্নতি দেখা নাই।"

একো নভবা নিচিন্তাকৈয়ে বৰুৱাই হয়ভৰ দিলে, "হয় স্যাৰ।"

ক্লাচৰপৰা ওলাই যোৱাৰ সময়ত ডেপুটি ইনিচ্পেক্টৰে হেড্মাষ্টৰৰ পিনে চাই কৈ উঠিল, "ডিচ্ উইল নট্ ডু This will not do"

প্ৰায় চাৰি ঘণ্টা সময় ডেপুটি ইচি্পেক্টৰে স্কুল তন্ন তন্নকৈ পৰীক্ষা কৰি তা৷ বজাত তাৰপৰা ওলাল। স্কুলৰ মাষ্টৰ সকলে আলোচনা কৰিলে যে এনেকুৱা কৰা পৰীক্ষা তেওঁলোকে আগেয়ে পোৱা নাই। এইবোৰ শুনি বৰুৱাৰ মনত নানা তৰহৰ চিন্তাই আঘাত দিব ধৰিলে। তেওঁৰ মনত পৰিল ঘৰৰ ল'ৰা-ছোৱালী কেইটালৈ, সিহঁতক তেওঁ কেনেকৈ খুৱাব, এনেহেন দুৰ্দিনত কি উপায়েৰে দুপইচা উপাৰ্জন কৰি তেওঁ ঘৰখন চলাব।

বৰুৱা ঘৰমুৱা হ'ল। তেওঁ মনতে ভাবিলে যে ঘৰত হয়তো বৰুৱানীয়ে কিবা সদুপদেশ দিব পাৰিব। কিন্তু বৰুৱাই ঘৈণীয়েকৰপৰা যি সদুপদেশ বা সান্ত্বনা পাম বুলি ভাবিছিল তাক পোৱাৰ একো আগন্তুক দেখা নগ'ল। বৰুৱানী কেঁচুৱাটিক কোলাত লৈ বিচি আছে—তাৰ জ্বৰ এৰা নাই। বৰুৱা ঘৰ সোমোৱা মাত্ৰেই ঘৈণীয়েকে কেঁচুৱাৰ জ্বৰৰ বিশদ বৰ্ণনা দিবলৈ ধৰিলে, ডাক্তৰ কবিৰাজ কাকো মাতি আনি দেখুৱাবলৈ টানি ধৰিলে।

বৰুৱাই বিশেষ কাণ নিদি সান্ত্বনাৰ সুৰত উত্তৰ দিলে, "বুজিছা, চিন্তা কৰি একো লাভ নাই। এইবোৰ ভগৱানৰ দান—ভগৱানে ইচ্ছা কৰিলে তাক লৈ যাবও পাৰে।"

ঘৈণীয়েকে অলপ খঙৰ সুৰতে আৰম্ভ কৰিলে, "সেই বুলি ইয়াৰ যত্ন নলবনে? কতয়ে হাজাৰ পূজা পাটল দিও পোৱা নাই। আমি পাইছো গুণে আমাৰ অৱহেলা, অনাদৰ। ইহঁতো কিবা দুৰ্ভগীয়া জীউ। বেমাৰ হলেও অলপ দৰব নাপায়।"

অতি ধীৰ স্থিৰ ভাবে বৰুৱাই উত্তৰ দিলে, "ধৈৰ্য ধৰা বীণু। বেমাৰত চিকিৎসা লাগে ময়ো জানোঁ। কিন্তু মোৰ যে হাতত সময় নাই। আজি ডেপুটি ইনিচ্‌পেক্টৰ আকৌ কষ্ট। সিদিনা পাঁচ টকা ৰূপ থবলৈ দিছিলোঁ নহয়। তাকেই দিয়া। মই যাওঁ গাঁৱৰ ফাললৈ। কিজানি কিবা উপায় কৰিবই পাৰোঁ।"

ঘৈণীয়েকে আগৰ সুৰতে কলে, "আপোনাৰ চাকৰিয়েই বৰ হ'ল। বোলো চাকৰি কৰি যদি ল'ৰা-ছোৱালীক আপডাল কৰিব নোৱাৰে সেই চাকৰি হোৱাই নোহোৱাই একেই কথা।"

"অতিষ্ঠ কৰি নুতুলিবা বীণু।" বৰুৱাই বাধা দিলে। "মোক অতিষ্ঠ কৰি নুতুলিবা। মই সকলো ভাবি চাই মনতে স্থিৰ কৰিছো। ল'ৰাটি অকল তোমাৰ নহয়, মোৰো। তুমি তাৰ মাক, মই বাপেক। মোৰ নিজৰ কৰ্তব্য-বোধৰ জ্ঞান আছে। তথাপি কি কৰিম! তুমি সকলো জানা। পাৰিপাৰ্শ্বিক অৱস্থাই মোৰ কৰ্তব্যাকৰ্তব্যবোধ সকলোকে ধ্বংস কৰি পেলাবৰ উপক্ৰম কৰিছে। সেইবোৰ কৈ লাভ নাই। মোৰ পলম হয়। দিয়া, ৰূপ কেইটকা সোনকালে দিয়া।"

গধুৰ মনেৰে বৰুৱানীয়ে বৰুৱাৰ হাতত টকা কেইটা তুলি দিলে। "সেয়ে আছিল সম্বল। তাকো নিনিলে নহয় যেতিয়া নিয়ক।"

বকৰা বাহুনি ঘৰৰ ভিতৰ সোমাই এবাটি চেঁচা পানী খাই ঘৰৰপৰা বাহিৰলৈ ওলাল। চিন্তাযুক্তা বকৰানীয়ে জ্বৰত লাল-কাল দি পৰি থকা কেঁচুৰাটিৰ মুখলৈ চাই চকুপানী টুকিব ধৰিলে। এটি চেকেণ্ডৰ পিছত আন এটি চেকেণ্ড, তাৰ পিছত আকৌ এটি চেকেণ্ড এনেকৈ লাহে লাহে সময় গল। নিশাৰ অন্ধকাৰে দুনাই পৃথিৱী গ্ৰাস কৰি পেলালে। এনে সময়ত বকৰা ঘৰলৈ উলটিল। তেওঁ এটা পাঠা ছাগল টানি লৈ আহিছে। ছাগলটোৱে বেবাই উঠিল। ঘৈণীয়েক বাহিৰলৈ ওলাই আহি আচৰিত হৈ সুধিলে "এইখন আকৌ কি বলিয়ালি কৰিছে। ইয়াৰে কি কৰিব ?"

বকৰাই লাহেকৈ উত্তৰ দিলে, "পূজা। বুজিছা, দেৱতাও পূজাত সন্তুষ্ট হয়। মই আগেয়ে পূজাৰ মহিয়সী শক্তি বুজা নাছিলোঁ। এতিয়া বুজিছোঁ। সেইবাবে এয়ে পূজাৰ আয়োজন।"

ঘৈণীয়েক মনে মনে থাকিল। বকৰাই কেঁচুৰাটিৰ গাত হাত দি চাই দেখিলে জ্বৰ বৰ বেছি। তেওঁৰ নিজৰ জ্ঞানেৰে যি তদাৰক লব পাৰে ললে, ডাক্তৰ, কবিৰাজে কাকো মতা নহল। নিঃসহায়ৰ সহায় ভগৱান। ভগৱানক চিন্তা কৰিয়েই তেওঁ সান্ত্বনা লভিবলৈ যত্ন কৰিলে। সেই ৰাতিও তেওঁৰ টোপনি নহল, কেঁচুৰাটিয়ে অনবৰত কান্দি আছে। কিন্তু বকৰাই মনলৈ দুখৰ ভাব নানিলে। তেওঁ জানে যে নিৰ্যাতনৰ নিৰ্মম আঘাত তেওঁৰ দৰে মানুহৰ ওপৰতেই পৰিব। তাত দুখ কৰিলে লাভেই বা কি হব।

ৰাতিপুৱা বকৰাই গা-পা ধুলে। ভালকৈ কানি-কাপোৰ পিন্ধি ছাগলটো টানি লৈ ঘৰৰপৰা ওলাল। বাটত আন এজন শিক্ষকৰ লগত তেওঁৰ দেখাদেখি হল। শিক্ষকজনে হাঁহি মাৰি সুধিলে, "ৰাতিপুৱাতেই দেখোন আজি, কেনে আয়োজন বকৰা ?"

"হয় হেৰি।" বকৰাই উত্তৰত কলে, "আজি ভালেমান দিন আগতে মানস কৰা আছিল। এইটো থানত দি আহোঁগৈ ৰব। ঘৰখনতো অসুখ-অশান্তি নুগুচেই দেখোন।"

বকৰা আগবাঢ়িল। অকা বকা বাটেৰে বকৰা গৈ গৈ অৱশেষত ডেপুটি ইনিচপেক্টৰৰ ঘৰৰ দুৱাৰ মুখত থিয় হল। আঁতৰৰপৰা ভুমুকিয়াই চাই তেওঁ ডেপুটি ইনিচপেক্টৰ মহোদয়ক দেখা নাপালে। সেইবাবে দুৱাৰ মুখত থিয় দি মাত লগালে "আপা ?"

এটা চাকৰ ওলাই আহিল। ভিতৰৰপৰা হাকিমনীয়ে লাহেকৈ পৰ্দাখন

আতবাই ভুমুকি মাৰিলে। ডেপুটি ইনিচপেক্টৰৰ সৰু ল'ৰাটো দৌৰি আহি ছাগলটোলৈ আঙুলিয়াই সুধিলে "এইটো আমাক দিবনে ?"

বৰুৱাই ল'ৰাটোক কোলাত তুলি ললে। "এৰা এইটো তোমালোকলৈ বুলিয়েই আনিছোঁ। দেউতাৰ আছেনে ?"

চাকৰজনে উত্তৰ দিলে, "দেউতা, ওলাই গৈছে।"

"এইটো ভিতৰলৈ লৈ যা।" বৰুৱাই চাকৰটোক হুকুম দিলে। "আৰু আহিলে কন্দৰ্প বৰুৱা মাষ্টৰৰ নাম কবি। মই গধূলিলৈ এবাৰ আহিম।"

চাকৰটোৱে ছাগলটোক ভিতৰলৈ টানি লৈ গল। আগন্তুক বিপদ আশঙ্কা কৰি নিঃসহায় ছাগলটোৱে ডাঙৰকৈ চিঞৰিব ধৰিলে। বৰুৱাই ভিতৰত শুনাকৈ অলপ ডাঙৰ ডাঙৰকৈ কলে, "এইটো ঘৰতেই আছিল। ভাবিলোঁ বোলো দেউতাইতো প্ৰবস্থৰা মানুহ। মাছ-পুঠি এটাও পাবলৈ নাই। সেই বুলি লৈ আহিলোঁ। পিছে মইনো দেউতাসকলক কি দিম। কতয়ে কত দিছে কিন্তু মোৰতো সেইবোৰ নাই।"

ভিতৰপৰা হাকিমনীয়ে চাকৰটোক কলে, "যা, বহিৰলৈ দেগে। আৰু এখন তামোল লৈ যা।"

বৰুৱাই বাহিৰৰপৰাই উত্তৰ দিলে, "মই এতিয়া নবহোঁ আই, গধূলি এবাৰ আহিম।"

চাকৰজনে তামোল লৈ আহিল। বৰুৱাই সেইখন মুখত ভৰাই ঘৰমুৱা হল।

ঘৰত সেই একে ধৰণৰ অসুবিধাবোৰ। তাৰ পিছত স্কুল। তাতো ল'ৰাৰ লগত প্ৰায় একে কথাৰে নিৰস আলোচনা। বৰুৱাৰ মনত খং উঠে আৰু হঠাৎ জ্বৰত লাগকাল দি পৰি থকা কেঁচুৱাটিলৈ মনত পৰিলে বাৎসল্য স্নেহ তেওঁৰ অন্তৰত প্ৰবল হৈ উঠে। ক্ষণেকৰ বাবে তেওঁ চাকৰিৰ মায়াজালৰপৰা মুক্ত হয়। অন্তৰত চেপা খাই থকা পুৰুষাকাৰে তেওঁক সবল কৰি তোলে। কিন্তু অলপ পিছতেই নানান অভাৱৰ মাজত নিজকে দেখা পাই তুনাই তেওঁৰ মন চাকৰিৰ চিন্তাত পৰে।

আবেলি স্কুলৰপৰা আহি দেখে কেঁচুৱাটিৰ জ্বৰ বেছিতেই বেছি হৈছে। বৰুৱানীয়ে চকুপানী টুকি টুকি কলে যে কোনো এজন ডাক্তৰ বা কবিৰাজ আনি ল'ৰাটোক দেখুৱাব লাগে। বৰুৱায়ো জানে কাকো দেখুৱাব পাৰিলে ভাল। কিন্তু তেওঁ ডাক্তৰক খবৰ দিবলৈ নাযায়। "আজিলৈ থ'ক। জ্বৰ বেছি হলে বা একে ৰকমে থাকিলে কাইলৈ কিবা উপায় কৰিব লাগিব।"

বৰুৱানীয়ে আপত্তি জনায় কিন্তু বৰুৱাই নিঃসহায়ৰ সহায় ভগৱানলৈ আঙুলিয়ায়। ভগৱানে দয়া নকৰিলে ডাক্তৰ কবিৰাজ কি খেৰ কুটা? ডাক্তৰ কবিৰাজে কাৰবাক কেতিয়াবা আয়ুস দিব পাৰিছেনে? সংসাৰত যদি তাৰ চাউল আছে তাৰ অন্যথা কৰিবৰ কাৰো সাধ্য নাই।

বৰুৱানী অলপ আশ্বস্ত হয়।

বৰুৱাৰ চিন্তাৰ উপশম হোৱা নাই। গধূলি তেওঁ ডেপুটি ইনিচপেক্টৰৰ ঘৰলৈ বুলি দুনাই খোজ ললে। দুপৰীয়া প্ৰখৰ ৰ'দৰ উত্তাপৰ প্ৰভাৱ তেতিয়াও আছে। বাটত মানুহ-দুনুহ নিচেই কম। গৰমৰ কোবত সকলোৱে যেন ক্লান্ত হৈ পৰিছে। ডেপুটি ইনিচপেক্টৰে খালি গাৰে তেওঁৰ ড্ৰয়িং ৰুমত বহি জুৰ লৈছে। এনেতে বৰুৱা ভিতৰলৈ গৈ দীঘল চেলাম জনালে। মূৰ তুলি চাই ডেপুটি ইনিচপেক্টৰে খঙেৰে সুধিলে, "তুমি এইখন কি কৰিছা কন্দৰ্প?"

বৰুৱাই একো বুজিব নোৱাৰি ভেবা লাগি চাই ব'ল।

আগৰ সুৰতে ডেপুটি ইনিচপেক্টৰে সুধিলে, "তুমি সেই ছাগলটো কেলেই ইয়াত বান্ধি থৈ গৈছা? ইয়াৰ অৰ্থ কি?

ভিতৰৰ পৰা চাকৰ ল'ৰাটো আহি ডেপুটি ইনিচপেক্টৰক জনালে, "দেউতা আয়ে মাতিছে।"

চৰগপৰা মানুহৰদৰে বৰুৱা য'তে আছিল তাতেই থিয় দি থাকিল। তেওঁ মনতে ভাবিলে, "পূজাবহাবা সকলো সন্তুষ্ট হয় কিন্তু মই মহাপাপীৰ পূজাও অথলে যাব নেকি প্ৰভু?"

ডেপুটি ইনিচপেক্টৰ ভিতৰৰপৰা অলপ নৰম হৈ আহিল। "কন্দৰ্প, যি কৰিলা কৰিলা। এইবাৰৰপৰা এনে কাম নকৰিবা।"

"নকৰো ছাৰ" বুলি বৰুৱাই এটা স্বস্তিৰ হুমুনিয়াহ এৰিলে। তেওঁৰ বোধ হয় ধাৰণা হল হাকিমৰ এই ক্ৰোধ কৃত্ৰিম।

হাকিমৰ আদেশত বৰুৱা এখন বেঞ্চৰ ওপৰত বহিল। ইলেকট্ৰিক পাঙ্খাৰ কোবাল বতাহে বৰুৱাৰ মূৰৰ তাপ সহস্ৰ গুণে কমাই দিলে। এনেতে ভিতৰপিনে ছাগলটোৰ এটি অস্বাভাৱিক চিঞৰ শুনা গল। অলপ পিছতে দা-কুঠাৰৰ ঝন্‌ঝননি শব্দ আৰু চাকৰ বাবুনিৰ মাজত উখল-মাখলৰ সাধাৰণ অথচ স্পষ্ট কোলাহল কাণত পৰি বৰুৱাৰ মন আনন্দত নাচি উঠিল। দুজন এজনে বেগাবেগিকৈ বজাৰৰ পিনে লৰ দিলে। হাকিমনীয়ে ইফালে সিফালে

গৈ চাকৰ বান্ধনিবোৰৰ দোষ ধৰি ফুৰিব ধৰিলে। ডেপুটী ইনিচপেক্টৰ আকৌ ভিতৰলৈ সোমাই গ'ল।

বৰ আনন্দ লাগিল বৰুৱাৰ। সকলো ঠিক হৈছে। ভগৱান নিদাৰুণ নহয়। গুণ ধৰিব নিশ্চয়। পূজাৰ মাহাত্ম্য কোনে বৰ্ণাই শেষ কৰিব পাৰে। তেওঁ আগেয়ে এই পথ বিচাৰি নললে কিয় ?

ডেপুটি ইনিচপেক্টৰ মহোদয় আকৌ বাহিৰলৈ ওলাই আহিল। তেওঁৰ মুখত যেন এটি আনন্দৰ ৰেখা। বৰুৱা থিয় হল আৰু বিনয়েৰে জনালে, “ছাৰ, মই এতিয়া উঠোহে ?”

হাকিমে বাধা দিলে ; কলে, “নহয় বহা। তুমিও ইয়াতে খাই-বই যাব লাগিব।”

এটি চেলাম জনাই, “এঃ নালাগে ছাৰ, নালাগে—ঘৰত ল'ৰাটিৰো জ্বৰ” বুলি বৰুৱাই আপত্তি জনালে।

ভিতৰৰপৰা হাকিমনীয়ে নাকি সুৰেৰে মাত লগালে, “নহয়, নহয়, ইয়াতেই খাই-বই যাব লাগিব।”

বৰুৱাই কথা বিচাৰি পোৱা নাই। পূজাৰ অন্তত প্ৰসাদ। প্ৰসাদ গ্ৰহণ নকৰিলে পূজাৰ্থীৰ প্ৰতি দেৱতাৰ পূৰ্ণ-দৃষ্টি নহয়। তেনেহলে কি কৰা উচিত ? ল'ৰাটোও যে জ্বৰত লাল-কাল—

বৰুৱাৰ চিন্তাৰ মাজতে হাকিমে মাত লগালে, “লৰাৰ জ্বৰৰ বাবে একো কথা নাই। লৰাৰ জ্বৰ হৈছে এৰিব। আৰু নেৰিলেও তুমি গৈ এৰুৱাব পাৰিবানে ?”

বৰুৱাই উত্তৰ দিলে, “হয় ছাৰ, মই গৈনো কি কৰিম। সকলো ভগৱানৰ হাতত। ভগৱানে দয়া নকৰিলে আমাৰ মানুহৰ কি সাধ্য আছে।”

সন্ধিয়া হাকিম ফুৰিবলৈ ওলাই গ'ল আৰু বৰুৱাক ঘৰতেই অলপ বহিবলৈ কলে। বৰুৱাৰ আন একো উপায় নাছিল। হাকিমৰ কথা নুশুনিলে নহয় গুণে তেওঁ অকলে তাতেই বহি থাকিল। নানান সুশ্চিন্তা দুশ্চিন্তাই তেওঁৰ মনৰ মাজত তল-ওপৰ লগালে। তেওঁৰ অন্তৰাত্মাই যেন চিঞৰি কলে হাকিম হাকিমনীৰ কথাকো উপেক্ষা কৰি ঘৰলৈ আহিব লাগে। কিন্তু বৰুৱা আহিব নোৱাৰিলে। পূজাৰ সন্ধিক্ষণ কাক বোলে বৰুৱাই ভালকৈ নাজানে কিন্তু তেওঁ মনতে ভাবিলে এই বোৰেই সন্ধিক্ষণ। সন্ধিক্ষণত ধৈৰ্যৰ অভাৱ ঘটিলে সকলো অথলে যাব। তেতিয়া হলে এই আয়োজনৰ সাৰ্থকতা ক'ত ?

বৰুৱাই ধৈৰ্য ধৰিলে। ৰাতি ৯ মান বজাত হাকিম উলটিল। অলপ পথশ্ৰমতেই থুলন্তৰ হাকিম ক্লান্ত হৈ পৰে। সেইবাবে তেওঁ অলপ বিশ্ৰাম ললে। তাৰ পিছত খোৱাৰ যোগাৰ। হাকিমনীয়ে নিজেই সকলোতে চকু ৰাখিছে। হাকিমে বেছ তৃপ্তিৰে ভাত কেইটা খালে কিন্তু চিন্তাক্লিষ্ট বৰুৱাৰ খোৱাত একো ৰুচি নহল।

ৰাতি প্ৰায় এঘাৰ বাজিছে। বৰুৱাই হাকিম হাকিমনীৰপৰা বিদায় লৈ ঘৰমুৱা হল। এদিনৰ ভিতৰতে তেওঁ হাকিমৰ ঘৰৰ আপোন হৈ পৰিল। মনতে অলপ হাঁহিও উঠিল।

বাটত। তেতিয়াও মানুহ দুমুহবোৰে অহা-যোৱা কৰি আছে। বৰুৱাই কালৈকো এবাৰ মূৰ তুলিও চোৱা নাই। পূজাপৰ্বৰ অন্তত তেওঁৰ কেঁচুৱাটিলৈ মনত পৰিছে। তাক এনেকৈ অনাদৰ কৰি তেওঁ কৰ্তব্যৰ ক্ৰুটি কৰিছে। কিন্তু আন উপায়ো যে নাছিল?

লাহে লাহে বৰুৱাই পদুলিমুখ পালেগৈ। চোতালত তেওঁ একুৰা জুই আৰু এটা সৰু চাকি জ্বলি থকা দেখা পালে। এইবোৰৰ অৰ্থ কি? বৰুৱাৰ বুকুখন আপোনা আপুনিয়ে কঁপি উঠিল। তেওঁ থিয় দিলে। দুই তিনিজন মানুহ ব্যস্ততাৰে ইফালে সিফালে অহা-যোৱা কৰিছে। বৈ বৈ এটি অস্পষ্ট ক্ৰন্দন ধ্বনিও বতাহত বাগৰি আহিছে। বৰুৱাই বুজিলে বিপদৰ ওপৰতে বিপদ। এটাৰ ওৰ পৰোঁ নোপৰোঁতেই আন এটিয়ে বিকট মূৰ্তি ধাৰণ কৰি দেখা দিছে। "বা-আা-আ-ৰু ভগৱান সহায়।"

নিৰাশ্ৰয়ৰ আশ্ৰয়দাতাক সাৰথি কৰি বৰুৱা বেগতে চোতাল পালেগৈ। মাকে কেঁচুৱাটিক কোলাত লৈ ফেকুৰি কান্দি আছে। আন ল'ৰা-ছোৱালী কেইটা যেয়ে য'তে পাইছে বিমৰ্ষ মনেৰে বহি আছে। সকলোৰে মুখত বিষাদ বিমৰ্ষতাৰ চিন। বৰুৱা আগবাঢ়িল। ঘৈণীয়েকে কেঁচুৱাটিৰ পিনে আঙুলিয়াই কান্দি কান্দি কলে, "চাওক আপোনাৰ ল'ৰাৰ অৱস্থা।" ঘৈণীয়েকৰ কান্দোন চৰিল। বৰুৱাই মুখেৰে মাত্তিব নোৱাৰিলে। অপৰাধী তেওঁ। তেওঁ নিজকে নিজে ধিক্কাৰ দিলে—তেওঁৰতো দেৱতাৰ পূজা কৰা নহল। মানৱ তুষ্ট হলেও দেৱতা তেওঁৰ ওপৰত অসন্তুষ্ট। সেয়েহে তেওঁৰ এই শাস্তি, পূজাৰ পাছতো এনে বিৰাট ব্যৰ্থতা। অপৰাধীৰ দৰে তেওঁ লাহে লাহে আগবাঢ়ি গৈ ল'ৰাটিৰ হাতভৰি পৰীক্ষা কৰি চালে। পিছত লাহেকৈ তাক মাকৰ কোলাৰ পৰা নিজৰ কোলাত তুলি ললে। কিছু সময়। সকলো নিমাত। মাথোন মাজে

মাজে বকৰানীয়ে উচুপি উচুপি কান্দিছে। বকৰাই ওচৰতে পৰি থকা চাবি এখন টানি আনিলে। তাতেই কেঁচুৰাটিক বগৰাই থৈ এখন কাপোৰেৰে তাক ঢাকি থলে। এডোখৰ কাঠৰ নিচিনা কেঁচুৰাটি তাতেই পৰি থাকিল। বকৰাৰ চকুৰেদি আপোনা আপুনিয়ে গিৰ্ গিৰ্কৈ চকুপানী বৰলৈ ধৰিলে। ঘৈণীয়েকে আৰ্তনাদ কৰি চিঞৰি ঢলি পৰিল। তেওঁকেই বিদ্রূপ কৰিবলৈ বুলি অলপ আঁতৰৰ প্ৰবীন ফুকনৰ ড্ৰয়িং ৰুমৰপৰা গ্ৰামাফোনৰ সঙ্গীত বাজি উঠিল।

যোৰহাট

৯।১০।৪০

প্ৰতিধ্বনি

বিয়াল্লিছৰ গণ-আন্দোলন তেতিয়া। আনৰ হাক-বচন নুশুনি ৰামৰতন ঠিকাদাৰ মণিপুৰ ব'দ পালেগৈ—উদ্দেশ্য মিলিটাৰি ঠিকা কৰি গভৰ্ণমেণ্টক যুদ্ধ-জয়ত সহায় কৰিব, ধনো ঘটিব! গাঁৱৰ মানুহবিলাকে তেওঁক অভিশাপ দিলে, কলে, "তাৰ কল্যাণ নাই—সি হাড় কেইডাল মণিপুৰ ব'দতেই এৰিব লাগিব।"

ছমাহ পিছত। মোটৰৰে ধুলি ছটিয়াই ঠিকাদাৰ সগৰ্বে নিজৰ ঘৰ সোমাল। তেতিয়া সেই মানুহবোৰেই ঠিকাদাৰৰ ওচৰ চাপিলে আৰু তেওঁক বাপৰ বেটা বুলি ধইন্ ধইন্ কৰিলে। ইয়াৰ নিশ্চয় কাৰণো আছিল। ঠিকাদাৰৰ আগৰ অৱস্থা স্বচ্ছল নহয়, এতিয়া স্বচ্ছল হোৱাৰ উপক্ৰম। তাৰোপৰি গাঁৱৰ ডাঙৰী-সকলক তেওঁ তেনেই বশ কৰি পেলাইছে। ধন থাকিলে ভাঙৰ অভাৱ নহয়, চাহ জলপানৰো নহয়। যুদ্ধৰ দিনতো এনে আয়মেৰে দিন কটাব পৰা লোক গাঁৱত কেৱে নাই। তেওঁ যে পাৰিছে ই তেওঁৰ বিচক্ষণ বুদ্ধিৰ পৰিচয়। হৰীয়াৰ বৰ পুতেক ইস্কুলৰো মাষ্টৰ। কিন্তু তেওঁনো কৰিলে কি? পঢ়ি পঢ়ি দেহ মাটি কৰিলে, তেজ পানী কৰিলে। এতিয়াও দেখোন দিনে দিনে শুকাই আমঠু যেনহে হল আৰু ঘৰৰ ঘৈণীয়েকো কুৰিতে বুঢ়ী হৈ পৰিল! কিন্তু ৰামৰতন আচলতে গাঁৱৰ ৰতন। ছমাহৰ ভিতৰতে তেওঁ নকৰিলে কি? উজনিৰ পিনে এপাক মাৰি আহিয়েই তেওঁ লগতে লৈ আহিল হাজাৰ হাজাৰ টকা—দুখনকৈ মোটৰ। এনেহেন ৰতনৰ লগত কোনে ফেৰ মাৰিব পাৰিব?

আগৰ অভিশপ্ত ঠিকাদাৰৰ গুণ-গানৰ আজি অভাৱ নাই—গুণানুকীৰ্তনকাৰী ভক্তৰো অভাৱ নাই। মানুহৰ চঞ্চল বিচাৰ বুদ্ধি আৱশ্যক অনুযায়ী পৰিবৰ্তিত হয়—প্ৰভাৱ, শক্তি সামৰ্থ্যৰ চাঁচত সি ন ন গঢ় লয়। ইয়াত বিচিত্ৰতা কি?

গাঁৱৰ দুই চাৰিজন আছে। পলাই, লুকাই কোনোমতে এওঁলোকে দাৰোগা, পুলিচৰ হাতৰপৰা ৰক্ষা পৰিছে। তথাপি এওঁলোক সন্ত্ৰস্ত। কেতিয়া বিনা আড়ম্বৰে এওঁলোক ৰৰঘৰ সোমাবলগীয়া হয় তাৰ ঠিক নাই। এওঁলোকৰ সংখ্যা মুষ্টিমেয় কিয়নো সৰহ ভাগ আগেয়ে কাৰাৰুদ্ধ। গতিকে এওঁলোক এতিয়া হীনবল আৰু হীনপ্ৰভ। ঠিকাদাৰৰ অভ্যুদয়ত এওঁলোক আচৰিত হল।

আঁতৰৰ দুই চাৰিয়ে এওঁলোকক খবৰ দিলে—এম্ ই এছ্ চাহাবৰ লগত ঠিকাদাৰৰ যুটীয়া কাৰবাৰ। কেৱে কেৱে আকৌ কাণে কাণে কলে—চোৰাং কানিৰ বেপাৰ। কেতিয়াবা চাউলে চৰুই তললৈ যাব।

ৰহস্য উদ্ঘাটন কৰিবলৈ কেৱে চেষ্টা নকৰিলে। ধনৰ আচৰিত প্ৰভাৱ আৰু মাদকতাই সকলোকে মুহি পেলালে। পেলোৱা কথাও। ওচৰৰ আন আন লোকৰ জীৰ্ণ-শীৰ্ণ পঁজাৰ তুলনাত তেওঁ নতুনকৈ সজাব ধৰা টিনৰ বঙলা দুটা ৰাজোপম অট্টালিকা। তাৰ দৃষ্টিয়ে আনক ওচৰলৈ টানে—বাটৰ বাটৰুৱায়ো নানান আশা কৰি সেই ফালে খোজ লয়। তাৰোপৰি ওভাৰচিয়াৰ, দাৰোগা, কনিষ্টবল আদিৰ সঘন আমন্ত্ৰণ ভোজন আদিয়েও তেওঁক কিছুমানৰ মনত আদৰণীয় কৰি তুলিছে।

ক্ৰমে ঠিকাদাৰৰ প্ৰভাৱ বাঢ়ি আহিব ধৰিছে। এবছৰ নৌহওঁতেই তেওঁৰ দশোদিশ জয় জয় ময় ময় হল। লাহে লাহে এদল ডেকাও তেওঁৰ হাতলৈ আহিল। এইবোৰৰ সহায়ো তেওঁক লাগে কাৰণ এতিয়া তেওঁৰ কাৰবাৰ বহুতো। এতিয়া অকল ঠিকা কৰিয়েই তেওঁ ক্ষান্ত নহয়। আনে দেখাত এতিয়া তেওঁ ৰাইজৰো সেৱা কৰিছে—দূৰ ঠাইৰপৰা চেনি, গুড় আদি প্ৰয়োজনীয় দ্ৰব্য বহু কষ্টে মোটৰেৰে আনি ৰাইজৰ মাজত বেচিছে! বিশেষকৈ সূতা আৰু কাপোৰৰ অভাৱৰ দিনত কেৱে নজনাকৈ ক'ৰপৰা সেইবোৰ আনি তেওঁ আনৰ যোগান ধৰে সি ৰহস্যাবৃত। হয়তো কৰ্মচাৰীসকলে উপযুক্ত লোক বিবেচনা কৰি সেইবোৰ ঠিকাদাৰক দিয়ে, হয়তো সেইবোৰ আনোঁতে আৰু আনক দৰমহা, পুৰস্কাৰ আদি দিওঁতে বহুতো খৰচ পৰি যায়। বিৰি-চুৰটৰ খৰচ, ড্ৰাইভাৰৰ খৰচ, আৰু অন্যান্য নানা তৰহৰ খৰচ বহন কৰিও ঠিকাদাৰে বস্তু-বাহানি আনে—নানিলেও আনে বস্তু নাপায়। সেইবাবে বস্তুৰ মূল্য বাঢ়ে। কিন্তু কিনোঁতাই দুৰ্মূল্যতালৈ মন কৰিব নোৱাৰে। যোগ্য-ভোগ্যা বসুন্ধৰা।—যাৰ যোগ্যতা আছে সি কিনিব, যাৰ নাই সি পৰি থাকিব। ঠিকাদাৰে যোগ্যৰ সমাদৰ বুজে—আৱশ্যক হলে অযোগ্যক ভৰিৰেও ঠেলে। লাভ কি ইহঁতৰ জীৱনৰপৰা? গাৰ কাপোৰথন লবলৈ সামৰ্থ্য নাই অথচ বৰ মতা হৈ ফিতাহি মাৰি ফুৰে। আজিৰ যুগত অযোগ্যৰ স্থান নাই—জীৱন-যুদ্ধত ইহঁত নিঃশেষ হৈ যাব।

ঠিকাদাৰৰ সকলো কাৰবাৰ পুৰা দমে চলিছে। তেওঁ আজি-কালি গুৱাহাটী, তেজপুৰ, শ্বিলং আদি নানান ঠাই ঘূৰি ফুৰে। সেইবাবে এতিয়া

তেওঁ শম্ভুনাথক সৰহ ভাগ কামৰ ভাৰ সোধাই দিছে। শম্ভুনাথ উৎসাহী, কৰ্মী আৰু সাহসী ডেকা—আকৃতিত সুন্দৰ, পোছাক-পৰিচ্ছদত চকুত লগা। নানা তৰহৰ মানুহৰ লগত তেওঁৰ পৰিচয়। ভিন্ ভিন্ ঠাইৰ বেপাৰী, মহাজন আৰু পুলিচ, দাৰোগা আদিৰ সৈতে তেওঁৰ সম্ভাব আছে—তেওঁলোকৰ বহুতৰে লগত একেলগে উঠা-বহা খোৱা-লোৱাৰ অভ্যাস আছে। এনে কাৰ্য-দক্ষ শম্ভুৰ হাতত গুড়, চেনি, কানি-কাপোৰ আদিৰ ভাৰ সোধাই ৰামৰতন এক ৰকম নিশ্চিন্ত।

চতুৰ শম্ভুনাথে দেহে-কেহে লাগি ঠিকাদাৰৰ কাৰবাৰ চলাইছে। তদুপৰি সম্পূৰ্ণ দায়িত্ব লৈ ঠিকাদাৰৰ বাবে আন এটি সুন্দৰ বঙলা ঘৰো সাজি তুলিছে। ঠিকাদাৰৰ মনত আনন্দ। মহৎ ভাগ্যেৰে তেওঁ শম্ভুনাথক সহকাৰী হিচাপে পাইছে। শম্ভুনাথৰ কাৰ্যকুশলতা দেখিলে তেওঁৰ মনত ভাব হয় যে অকল টকা-পইচাৰে তেওঁ শম্ভুনাথৰ ঋণ পৰিশোধ কৰিব নোৱাৰে। সেইবাবে শম্ভুনাথক তেওঁ তেনেই আপোন কৰি লৈছে—নিজৰ ঘৰৰ বাহিৰ ভিতৰ সকলোতে তেওঁক বিশ্বাস কৰিছে। শম্ভুৰ জৰীয়তে তেওঁ পাইছে নতুন বন্ধু, বান্ধৱী আৰু টকা। মুঠতে ঠিকাদাৰে তেওঁৰপৰা যিমান আশা কৰিছিল তাতকৈ বেছি পাইছে। এনে লোকক বিশ্বাস নকৰি ঠিকাদাৰে কাক বিশ্বাস কৰিব।

ঠিকাদাৰৰ আগৰ ঘৰ-দুৱাৰ এতিয়া নাই। প্ৰায় আটাইকেইটা ঘৰেই এতিয়া আধুনিক ধৰণে সজা, চালে চকুত লগা। আঁতৰৰপৰা ঠিকাদাৰে নিজৰ ঘৰ দুৱাৰলৈ লক্ষ্য কৰিলে তেওঁৰ মন আনন্দত নাচি উঠে। তেওঁ নিজকে নিজে বাহ্‌বা দিয়ে। লগতে নতুনকৈ লাভ কৰা মান-সন্মান-যশস্যা আদিলৈকেও তেওঁৰ মনত পৰে। সিদিনা চৰ্‌ডেপুটী হাকিম নিজেই তেওঁৰ ঘৰলৈ চাঁদা বিচাৰি আহিল। অলপতে ডাক্তৰ হাজৰিকাই তেওঁক কত প্ৰশংসা নকৰিলে। ইয়াৰ উপৰিও আৰু কত কি? তেনেহলে বিদ্যাৰেই বা সাৰ্থকতা ক'ত! ধনেই সকলোৰে মুল নহয়নো কি? আৰু এই ধন তেওঁ আৰ্জিছে নিজ হাতেৰেই—পৰিশ্ৰম কৰি, নিজ বুদ্ধিৰেই—লোকৰ চকুত ধূলি মাৰি। কত ঠিকাদাৰ পৰি ৰল কিন্তু তেওঁ উঠিল ধৈৰ্য আৰু সাহসৰ গুণত। কেনে চতুৰ তেওঁ? ভাবি ভাবিয়েই ঠিকাদাৰে খল্ খলকৈ হাঁহি উঠে।

শম্ভুনাথ ওচৰত থিয় হয়। কেতিয়াবা সি ধনৰ টোপোলা আগবঢ়ায়। ঠিকাদাৰৰ উজ্জল মুখ আকৌ উজ্জলতৰ হৈ উঠে। দুই চাৰিজন লোক ভিতৰলৈ সোমাই আহে—আটাইকেইজন শম্ভুৰ বন্ধু। ঠিকাদাৰে চাহ জলপানৰ হুকুম

দিয়ে, চুৰট, পান, তামোল যাচে। শহুৰে সকলো যোগান ধৰে, ঠিক নিজৰ ঘৰৰ ল'ৰাৰ নিচিনাকৈ।

ঠিকাদাৰৰ ঘৰত চাহ জলপানৰ আয়োজন হঠাৎ অসম্ভৱ ৰূপে বাঢ়ি উঠিছে। তেওঁ ঘৰত থাকিলে নানা তৰহৰ মানুহৰ দিনে ৰাতিয়ে সমাগম হয়! নাথাকিলেও শহুৰ বন্ধু-বান্ধৱ আহে, চাহ জলপানৰ দাবি কৰে। ঠিকাদাৰণীয়ে অকলে এইবোৰৰ যোগান ধৰিব নোৱাৰে, পাৰিলেও তেওঁ অসন্তোষ প্ৰকাশ কৰে। গাঁৱলীয়া তিৰোতা, শান্তিপূৰ্ণ আৱহাওৱাত থাকিব পাৰিলে তেওঁৰ মনত ৰং। নানান জঞ্জালৰ মাজেদি দিন-ৰাতি অতিবাহিত হব লগা হলে তেওঁৰ ঘোৰ আপত্তি। ঠিকাদাৰে এই অশান্তিৰ গম পাই মাকৰ আদৰৰ ছোৱালী বুদ্ধিমতী ৰূপহীক স্কুলৰপৰা একেবাৰে আনিছে। ৰূপহীৰ পঢ়া-শুনাত বেছ আগ্ৰহ। তথাপি তায়ো স্কুলৰপৰা ওলাই আহি ঘৰত খাটিব লগা হল বাপেকৰ কাৰণে। মাকৰ খং উঠিল আৰু গিৰীয়েকক খঙেৰে সুধিলে, "তুমি ছোৱালীজনীৰ মূৰ খাবা নেকি?"

ঠিকাদাৰৰ খঙত জ্বলি পকি উঠিল! কতয়ে তেওঁক মান-সন্মান কৰে, বিনয়েৰে কথা কয় কিন্তু এইজনী হলে আগৰদৰেই থাকিল। ধন-সোণ, ঘৰ-দুৱাৰ, অলঙ্কাৰপাতিয়ে এইজনীৰ একো পৰিবৰ্তন আনিব নোৱাৰিলে। বিৰক্তিৰ ভাৰত তেওঁৰ কপাল কোঁচ খালে। ঘৃণাব্যঞ্জক সুৰেৰে তেওঁ ধমক্ দিলে, "চুপ্ থাক। পঢ়িলে কি হব? মোৰ এইবোৰ সা-সম্পত্তি চায় কোনে, খায় কোনে?"

ঠিকাদাৰণীৰ খঙো চৰিল, "তুমি সদায় সম্পত্তিৰ গৰ্ব কৰা। তোমাৰ সম্পত্তিৰ ভাগ ৰূপহীয়ে লবলৈ আহিব জানো? তাই কৰি ধৰি খাব লাগিব, আনৰ ঘৰ চলাব লাগিব। অলপ নিশিকিলে দিনে-ৰাতিয়ে শাহুয়েকৰ গালি শপনি তুমিও পাবা, ময়ো পাম।"

ঠিকাদাৰে ভিকাহি মাৰি উঠিল, "থৈ দে তোৰ সেইবোৰ কথা। মোৰ এই ঘৰ-দুৱাৰবোৰ কি কৰিবলৈ? ৰূপহীক এটা ঘৰ দি মই ইয়াতে ৰাখিব নোৱাৰিমনে? ৰূপহীয়ে আনৰ ঘৰত কাম কাজ কৰি খাব, শাহুয়েকে গালি-শপনি পাৰিব আৰু মই চাই থাকিম। কি কৰ সেইবোৰ? ৰূপহীৰ বাবে মোৰ এটা ঘৰ নহলে এইবোৰ কাৰ নিমিত্তে?"

ঘৈণীয়েকে তপৰাই উত্তৰ দিলে, "ঘৰ হব। কিন্তু ভাল ল'ৰা কোনে ঘৰ জোঁৱাই হবলৈ আহিব?"

এইবাৰ টকাৰ গৰ্ব তেওঁৰ মনলৈ আহিল। গৰ্বেৰে তেওঁ উত্তৰ দিলে "বুজিছ, সকলো টকাৰ বশ। টকা হলে সকলো হব। তই মিছামিছি কেপ্‌কেপাই নাথাকিবি।"

ঘৈণীয়েকে বিশ্বাস নকৰিলে। তেওঁৰ ধাৰণা—ৰূপহীয়ে ছাত্ৰবৃত্তি পাছ কৰিলে, ভাল দৰাই তাইক বিচাৰি আহিলহেঁতেন আৰু তায়ো ঘৰ কৰি সুখ পালেহেঁতেন। একমাত্ৰ ছোৱালী ৰূপহীক যাৰে তাৰে হাতত গটাবলৈ ঠিকাদাৰণীৰ মুঠেই ইচ্ছা নাই। বিশেষতঃ ৰূপহী বুদ্ধিমতী আৰু ল'ৰাটো তাৰ ওলোটা। ৰূপহীয়ে শ্ৰেণীত দিনে দিনে আগবাঢ়ি গৈছে, শিক্ষকৰ আদৰৰ পাত্ৰী হৈছে কিন্তু ল'ৰাই ছবছৰৰ মূৰত কোনোমতে ষষ্ঠ শ্ৰেণী পাইছে। সেইবাবে মাকে ভাবিছিল যে ৰূপহীয়ে তেওঁৰ ঘৰ পোহৰ কৰিব কিন্তু সি হৈ নুঠিল। বাপেকে তাইৰ সৰ্বনাশ কৰিলে।

ৰূপহীয়ে প্ৰথমতে ঘৰৰ নানা তৰহৰ জঞ্জালৰ মাজত সোমাই আনন্দ পোৱা নাছিল কিন্তু লাহে লাহে তাইৰ মনৰ পৰিবৰ্তন হল। ডেকা শম্ভুনাথৰ চতুৰালিয়ে ৰূপহীৰ মন আনফালে চাল খুৱালে। অলঙ্কাৰপাতি, পোছাক-পৰিচ্ছদলৈ তাইৰ লোভ লাহে লাহে বাঢ়ি আহিল আৰু ঘৰৰ খেলিমেলিৰ মাজতে তাই নিজকে বিলাই দিবলৈ আৰম্ভ কৰিলে।

ঠিকাদাৰৰ একমাত্ৰ ল'ৰা ধনো অলপতে স্কুলৰপৰা এৰা পৰিছে। পৰীক্ষাত নকল কৰা অপৰাধত তাক শিক্ষকে পৰীক্ষা দিব নিদিয়াৰ খণ্ডতে সি শিক্ষকলৈ এখন বেনামী চিঠি লিখি পঢ়াৰ দায়িত্বৰ পৰা নিজকে মুক্ত কৰিলে। ঠিকাদাৰে ল'ৰাক শাস্তি নিদিলে, দোষো নিদিলে। এইবোৰ সৰুসুৰা কথা ভাবিবৰ তেওঁৰ সময়ো নাই। তথাপি আন দুই চাৰি লোকে ল'ৰাৰ কথা উলিওৱাত তেওঁ মত প্ৰকাশ কৰিলে, "এঃ যেনে মাষ্টৰ তেনে ল'ৰা। ল'ৰানো ভাল নে? মূৰ্খ সি। কিয় নকল কৰিবলৈ গৈছিলি? যদি নোৱাৰ কৰ,—মাষ্টৰক মাতি আনি এৰাৰ কোৱা হলে সকলো হৈ গলহেঁতেন।"

এজনে সুধিলে, "এতিয়ানো এৰাব নকয় কিয়? মাইনৰখিনি পাছ কৰা হলেও—"

ঠিকাদাৰে গহীনাই কলে, "নালাগে, থাওক। পঢ়িনো কৰিব কি? পাৰিলে এখন ধমধমাৰ ফালে দোকানকে লৈ দিওঁ।"

ৰূপহীৰ পঢ়া বন্ধ হল, ল'ৰাৰো হল। মাকৰ মনত দিনে দিনে অশান্তি বাঢ়ি আহিব ধৰিলে। ঠিকাদাৰণী পণ্ডিতৰ ছোৱালী; দুখীয়া হলেও পিতাকৰ

আদৰ্শৰ ছাপ তেওঁৰ মনৰ ওপৰত আছে। বিশেষতঃ ৰূপহীইতৰ মোমায়েকহঁতো একো একোজন পণ্ডিত হৈ উঠিছে। এনেস্থলত ল'ৰা-ছোৱালী হালে এনে দৰে শিক্ষাৰপৰা বঞ্চিত হোৱাত তেওঁ মৰ্মান্তিক দুখ আৰু লাজ পাইছে। ওচৰৰে অকণ ভিকছুৰ ল'ৰা। কিন্তু পঢ়াই-শুনাই, স্বভাৱে, চৰিত্ৰই—সকলোৱে প্ৰশংসা পায়। এখন টেলিগ্ৰাম আহিলেও গাঁৱৰ মানুহ আজি অকণৰ ওচৰলৈ দৌৰি যায়। ধন নাই,—খাবলৈ নাপায়,—তথাপি খুজি-মাগি পঢ়িছে। ল'ৰাৰ আগ্ৰহ দেখি বাপ ভাই সকলোৱে দুপইচা দি সহায় কৰিছে। অথচ তেওঁৰ ল'ৰা-ছোৱালীহাল ধনৰ ওপৰত শুই আছে,—বিলাসিতাৰ মাজত ডাঙৰ দীঘল হৈছে—তথাপি পঢ়িব নোৱাৰি মূৰ্খ হ'ল।

ৰূপহীৰ মোমায়েক এদিন ঘৰলৈ আহি ঠিকাদাৰক বুজালে ৰূপহীক দুনাই স্কুলত ভৰ্তি কৰি দিব লাগে। কিন্তু ঠিকাদাৰৰ মতৰ পৰিবৰ্তন নহ'ল। "ঘৰ নচলে। মোৰ ঘৰখন পয়মাল হবলৈ দিব নোৱাৰোঁ। যি পঢ়িছে সেয়ে হব। মইনো কিমান পঢ়িলোঁ। তালৈকে এবাৰ ভাবি চাচোন।"

ঠিকাদাৰণীয়ে মাজতে মাত লগালে, "যি ইচ্ছা কৰা। আনে খুজি মাগিও পঢ়ে। আমাৰ হলে সেইবোৰৰ প্ৰতি কাণকে নাই। ল'ৰা-ছোৱালীয়ে শিকি বুজি জ্ঞানী হলে আনে কেনে আদৰ কৰে ভাবিয়ে নোচোৱা। সেই অকণলৈকে চোৱাচোন—এতিয়াৰেপৰা কতয়ে ছোৱালী যাচিব ধৰিছে।"

ঠিকাদাৰে হেঃ হেঃ কৈ হাঁহি উঠিল, "অকণৰ কথা ভাবিছ? পিছে, আমাৰ ধনলৈ কেইজনী আহিছে তাৰ খবৰ লৈছ জানোঁ?"

ঠিকাদাৰণীয়ে উত্তৰ দিলে, "ধনৰ কথা ভাবিব নালাগে, আগেয়ে ৰূপহীকে গটোৱাচোন। ছোৱালী ডাঙৰ হল, পঢ়া নাই, শুনা নাই আৰু পৰিছেও এইখন ঘৰৰ বেমেজালিত। তুমিতো এইবোৰ একোকেই নভবা। মোৰ হলে সাত শতৰুৱে নভবা কথাও মনলৈ আহে।"

"ৰূপহীৰ বিয়া পতা জানোঁ এটা কথাৰ কথা। দৰা দেখোন ঘৰতেই আছে।" সগৰ্বে তেওঁ উত্তৰ দিলে।

ঠিকাদাৰণী আচৰিত হল "দৰা ঘৰতেই আছে! কোন? কাৰ কথা ভাবিছা তুমি?"

"কিয় শম্ভু" গিৰীয়েকে উত্তৰত কলে। "শম্ভুৰ দৰে ল'ৰা কেইজন? কথাই বতৰাই, দেখাই শুনাই সকলোপিনে সি ৰূপহীৰ যোগ্য। তাৰ দৰে কৰ্মীলোকে

দোপত দোপে উন্নতি কৰিব। আমাৰো কাৰবাৰ চলিব আৰু আন হাতে ধনকো সি নিজৰ ভায়েকৰ দৰে শিকাই বুজাই লব পাৰিব।"

ৰূপহীৰ মাকে মূৰে কপালে হাত দিলে। মোমায়েকে নীৰৱতা ভঙ্গ কৰি মাত লগালে, "ভিনিহি, যি ভুল কৰিলা কৰিলা আকৌ এটা ভুল কৰি ছোৱালীৰ সৰ্বনাশ নকৰিবা।"

ঠিকাদাৰে জ্ঞানীলোকৰ দৰে আৰম্ভ কৰিলে, "তইঁতে এতিয়াও কেঁচুৱা হৈয়েই আছ অ'? সংসাৰ কেনেকৈ চলিছে খবৰ আছে জানোঁ? বোলো পুথি-পাঁজি এৰি মোৰ লগত এমাহ দুমাহ থাক তেতিয়াহে বুজিবি যে শম্ভুনাথে তোৰ দৰে দহোটাক ভাঙিব গঢ়াব পাৰে।"

মিচিকিয়া হাঁহিৰে ঠিকাদাৰৰ মুখ পোহৰ হৈ গল। "এৰা শম্ভু! শম্ভুৰ দৰে ল'ৰা কেইজন? মই পাত পাতকৈ চাইছোঁ কিন্তু তাৰ দৰে চতুৰ ল'ৰা চকুত পৰা নাই। পৰাহেঁতেন মই আগেয়ে হাত কৰিলোহেঁতেন। ক'ত পাবি অ'? বোলো তেনে ল'ৰা ক'ত পাবি? তইঁতে এতিয়াও সংসাৰত কি ঘটিছে নঘটিছে চকু মেলি চোৱা নাই। এবাৰ বাহিৰৰ পিনে চকু দেচোন, দেখিবি আজি কেনে মানুহ ওপৰলৈ উঠিব ধৰিছে। এই যে মহাযুদ্ধ, ইয়েই অসমীয়াৰ চকু মুকলি কৰি দিছে। এতিয়া আগৰ ৰামো নাই অযোধ্যাও নাই।"

মোমায়েকে লাহেকৈ মাত লগালে, "ভিনিহি, এইবোৰ পানীৰ বৰ্বুৰণি— পানীৰ মাজতে পুনু লয় হব কিন্তু পানী পানীয়েই থাকিব—পিপাসিতক প্ৰাণ দিব, পীড়িতক শান্তি দিব।"

হাঁহি মুখে ঠিকাদাৰে কৈ উঠিল, "কিন্তু ধনেৰে পানী কিনিব পাৰি, আৱশ্যক অনুযায়ী ব্যৱহাৰ কৰিব পাৰি।"

"তোমাৰ লগত তৰ্ক নকৰোঁ ভিনিহি! ধন পানীত পেলালে তললৈ যায়, একো চিন চাব নাথাকে—ওপৰত জিলিকি থাকে স্বচ্ছতা, স্নিগ্ধতা।"

"তইঁতৰ এনেবোৰ পণ্ডিতালি আমাৰ মূৰত নোসোমায়। বোলো পুথিৰ কথা চোবাই জীয়াই থাকিবি নে ধন বিতৰ দ্বাৰাই জীয়াই থাকিবি? বিদ্যা লাগে কিয়? ধনৰ নিমিত্তে। সেই ধন যদি এনেয়ে পাব পাৰি অনুস্বাৰ বিসৰ্গৰ তুমুল সংগ্ৰাম কেলেই।"

মোমায়েকৰ মুখৰ কথা বন্ধ হল। ঠিকাদাৰণীয়েও থঙতে তাৰপৰা আঁতৰি গল। শম্ভুনাথে ক'ৰবাৰপৰা ফোপাই-জোপাই আহি একে উশাহতে নানান

কামৰ হিচাপ উলিয়ালে। ঠিকাদাৰে লাহে লাহে সকলোবোৰ শুনি বাহিৰৰ ঘৰৰ পিনে খোজ ললে।

ঠিকাদাৰৰ ঘৰলৈ টকা আগৰ দৰে আহিছে গৈছে। মানুহ দুনুহৰ সমাগমো আগৰ দৰেই আছে,—খোৱাই খাইছে, বাক্‌যুদ্ধকাৰীসকলে বজা ভঙা পতা কৰিছে। ঠিকাদাৰ সৰহভাগ সময়ত বাহিৰতে বহি থাকে। শম্ভুনাথেই হয় ঘৰৰ কৰ্তা। কাক কেনেকৈ দিব লাগে, খুৱাব লাগে, শম্ভুৰ সকলো জনা আছে। শম্ভুৰ কৰ্তৃত্ব প্ৰত্যাখ্যান কৰিবলৈ ৰূপহীৰ মাকৰ কেতিয়াবা ইচ্ছা হয়, কিন্তু মাকে কিবা কৰিব খুজিলেও ৰূপহীয়ে বাধা দিয়ে, বাপেকৰ খঙলৈ আঙুলিয়ায়। মাকে অন্তৰৰ সকলো বেদনা দমাই চকু মুদি থকা দি থাকে। তথাপি শম্ভুৰ দাম্ভিক কথা তেওঁৰ কাণত পৰে। মাজে সময়ে শম্ভুৰ ওপৰত থকা সকলো খং ৰূপহীৰ ওপৰতেই প্ৰকাশ হয়। ছোৱালীয়ে ৰোহ কৰি সকলোকে কাতি কৰি থৈ শুই থাকে। ক্ষণেক পিছত শম্ভু আহে, নানান কথা কৈ ৰূপহীৰ মন পাতলায় আৰু হাতত ধৰি কাবৌ কোকালি কৰি কামত লগাই দিয়ে। সকলো কাম আগৰদৰে চলে। বাপেকে একো গম নাপায়। বাহিৰৰ ঘৰত তেঁও কেতিয়াবা ওৰে নিশা য়েল মাৰি, পাশা খেলি কটাই দিয়ে। ইয়াৰ বাবে বস্তুৰ যোগান ধৰে শম্ভুনাথে, যোগাৰ কৰে ৰূপহীয়ে।

কেইদিনমান এনে ধুম-ধাম নাইকিয়া হৈছে—ঠিকাদাৰ ঘৰত নাই—জৰুৰী কামত শিলঙলৈ গৈছে। আগৰ কেইদিনৰ তুলনাত ঘৰৰ ভিতৰত চাঞ্চল্যৰ মূৰ্তি নাই। ঠিকাদাৰণীয়ে অলপ শান্তি পাইছে, জীয়েককো দহ কথা বুজাবলৈ সুবিধা পাইছে। কিন্তু ৰূপহীৰ মনৰ মাজতো এতিয়া চঞ্চলতাৰ বীজে শিপাব ধৰিছে।

দুসপ্তাহ পিছত ঠিকাদাৰ ঘৰলৈ উলটিল; লগতে আনিলে নানান বস্তু আৰু এজনী নেপালী যুৱতী। ঠিকাদাৰণীৰ চকু থিয় হল। এয়ে বোধ হয় ব্যভিচাৰৰ শেষ সীমা। ঠিকাদাৰ ঘৰ সোমোৱাৰ লগে লগেই তেওঁ প্ৰশ্নৰ জাউৰি তুলিলে।

ঠিকাদাৰে লাহে লাহে কৈ গল, "বৰ যত্নেৰে, বৰ কষ্টেৰে এইজনী হাত কৰিছোঁ। বৰ চাহাবৰ ঘৰত আছিল। কোনোমতে ফুচুলাই অনা হৈছে। নেদেখিছানে ঘৰৰ কামবোৰ। তাই সকলো কৰিব পাৰে। এনে কামিলা ছোৱালী মই পোৱা নাই। বাচন মজাৰেপৰা আৰম্ভ কৰি দাইল সিজোৱালৈকে সকলো কাম তাই চলাব পাৰিব। এইক ভালকৈ চলাব পাৰিলে ৰূপহীকো কিজানি স্কুলতে নাম লিখি দিব পৰা যায়।"

ঘৈণীয়েক আগতকৈ অলপ কুমলিল। তথাপি আপত্তি দেখুৱালে, "তুমিতো গুৰু-গোসাঁই নমনা। কিন্তু মই হলে তাইক বান্ধনি ঘৰৰ ভিতৰ সোমাব দিব নোৱাৰোঁ।"

"তই তোৰ মতে থাক, মোৰ আপত্তি নাই। কিন্তু মই জানোঁ। তাইৰ জাত কুল ভালো।"

ঠিকাদাৰে যি উল্কাপাতৰ ভয় কৰিছিল, সি নঘটিল। গতিকে এটি তৃপ্তিৰ হাঁহি মাৰি তেওঁ ছোৱালীজনীৰ থকাৰ ঠাই দেখুৱাই দিলে, শম্ভুৱে আৱশ্যকীয় যোগাৰ পাতি গোটোৱাত লাগি গল।

ঠিকাদাৰৰ ঘৰ এইবাৰ আগতকৈ মুখৰিত হৈ উঠিল, লোক সমাগম আগতকৈ বাঢ়িল। আজি-কালি প্ৰায়েই ৰাতি তেওঁৰ বহাঘৰত পাশাখেল চলে, আলাপ-আলোচনা হয়, খোৱা-লোৱাও হয়। নিশা দুপৰলৈ হাঁহি খিকিন্দালিত তেওঁৰ ঘৰত থলক লাগি থাকে। তাৰেমাজেদি ফুটি উঠে কেতিয়াবা শম্ভুনাথৰ চীৎকাৰ, ঠিকাদাৰণীৰ গম্ভীৰ হুমুনিয়াহ। ক্ষণেকৰ বাবে আমোদ আনন্দৰ থলকনি সকলোকে নৈৰাশ্যৰ গভীৰতাই গ্ৰাস কৰি পেলায়। কিন্তু পিছ মুহূৰ্ততেই গাভৰুৰ চঞ্চল হাঁহিৰ প্ৰভাৱত পুনৰ জীৱন, যৌৱন ঘিৰি আহে।

দিন যায়। ঠিকাদাৰণীৰ মনৰপৰা দিনে দিনে তেওঁৰ স্বামী আঁতৰি যাব ধৰিছে। এইজনী কাল-সাপিনীয়ে ঘৰত বাঁহ ললে। তাইৰ বিষে সমস্ত ঘৰ পুৰি ছাই কৰি পেলাব। সেইবাবে তাইক খেদিব লাগে, দূৰ দেশলৈ পঠিয়াব লাগে। অৱশেষত ঠিকাদাৰক তেওঁ দাবি জনালে, "এই জনীক খেদিবই লাগিব। পাপৰ জলন্ত প্ৰতিমূৰ্তি আগত ৰাখিলে মই জীয়াই নাথাকোঁ। এই ঘৰ অকল তোমাৰেই নহয়, মোৰো। মই কোনোমতে পাপিনীক আশ্ৰয় নিদিওঁ।"

গিৰীয়েক বিমোৰত পৰিল। ঘৈণীয়েকৰ দাবীৰ উত্তৰত তেওঁ কি কব ভাবি পোৱা নাই। ঘৈণীয়েকে কৈ গল, "তুমি এই দৰে চকু মুদি দিন কটালে হবনে? টকাৰ পিছত বলিয়া হৈ ফুৰিছা—কিন্তু গম পাইছা জানোঁ, ৰূপহীয়ে তুমাহ গা ধোৱা নাই। এতিয়া মান-ইজ্জত সকলো যাব। যি হয় সোনকালে উপায় কৰা।"

ঠিকাদাৰ চিন্তিত হল। ভালেখিনি সময় তলমূৰকৈ থাকি তেওঁ মনতে কিবাকিবি ভাবিলে। তাৰ পিছত ঘৈণীয়েকৰ পিনে চাই তেওঁ কলে, "উপায়—? বিয়া পতা হব। সাতদিনৰ পিছত ৰূপহীৰ বিয়া পতা হব।

এই বিয়ালৈকে ছোৱালীজনী থাকক, কামত সহায় হব। তাৰ পিছত য'ৰে বস্তু ত'তে পঠাই দিম।"

ঘৈণীয়েকে আপত্তি নকৰিলে। আনকি অৱস্থা বুজি শম্ভুৰ হাতত জীয়েকক অৰ্পণ কৰাতো তেওঁ সন্মতি জনালে। পিছদিনাৰপৰা বিয়াৰ যোগাৰ আৰম্ভ হ'ল। আধা মাইল দূৰৰ মনাই ঠিকাদাৰৰ ঘৰত দৰাৰ বাহৰ হব। তাৰপৰা দৰা সাজি আহি বিয়াত বহিব।

ঠিকাদাৰণীয়ে আগতকৈ কামত বেছি ব্যস্ত হৈছে। শম্ভুনাথকো তেওঁ আগতকৈ ভাল চকুৰে চাবলৈ আৰম্ভ কৰিছে। হাজাৰ হলেও সি হব জোঁৱাই— তাৰ হাততে আদৰৰ জীয়েকক অৰ্পণ কৰা হব। এতিয়া শম্ভুনাথৰ গুণ-গান অকল ঠিকাদাৰেই নকৰে, ঠিকাদাৰণীয়েও সমানে সমানে আন তিৰোতাবোৰৰ আগত শম্ভুৰ প্ৰশংসা কৰে। আনবোৰেও একো নভবাকৈয়ে তেওঁৰ কথাতে হয়ভৰ দিয়ে।

আজি কেদিনমানৰপৰা শম্ভুনাথ আগতকৈ গহীন হৈছে। ঠিকাদাৰে তালৈ লক্ষ্য কৰা নাই, কৰিছে ৰূপহীয়ে। এতিয়া কেতিয়াবা তাইৰ চকুত চকুপানী দেখা দিয়ে। দুদিন আগতে আনন্দত আপোন পাহৰা হৈ থকা ছোৱালীৰ চকুত পানী দেখিলে মাক অজানিত আতঙ্কত শিঁয়ৰি উঠে। তথাপি বিয়াৰ কাজ-কাম আগতকৈ বেছি বেগেৰে চলে।

বিয়াৰ দুদিন আগত। ঠিকাদাৰ বিছনাৰপৰা উঠা নাই। ঘৈণীয়েকে আথেবেথে তেওঁৰ ওচৰলৈ গৈ মাতিব ধৰিলে, "উঠাচোন উঠা, শম্ভুৰ কানি-কাপোৰ নাই,—শম্ভুও নাই।"

ঠিকাদাৰ বিছনাৰপৰা জপিয়াই উঠিল। চকু-মুখ মোহাৰি তেওঁ থিয় দিলে। "ই সপোন নহয় তো?"

"সেই নেপালী ছোৱালীজনীও নাই।" ঘৈণীয়েকে আগৰ সুৰতে কলে।

"কি কলি?" ঠিকাদাৰ উত্তেজিত হৈ বাহিৰলৈ ওলাই আহিল! "তেনে-হলে ইহঁত পলাল! মোৰ বুকুতে কুঠাৰ মাৰিলে!"

ঠিকাদাৰে নিজে গৈ দুয়োটা কোঠা পৰীক্ষা কৰিলে। আন বয়-বস্তু সকলো আছে--শম্ভুৰ কানি-কাপোৰ নাই, ছোৱালীজনীৰো নাই।

ক্ষণিক অস্থিৰতা তেওঁৰ মনৰপৰা আঁতৰি গ'ল আৰু বুকুৰ মাজলৈ সাহস ফিৰি আহিল। তেওঁ দাঁত কামুৰি চিঞৰি উঠিল, "ইহঁত যাব কলৈ। মই পাত পাতকৈ বিচাৰিম আৰু এই হাতেৰে এই পাষণ্ডৰ বুকুত পিস্তলৰ গুলি বহুৱাই দিম।"

ঠিকাদাৰে নিজৰ ওপৰত কর্তৃত্ব হেৰুৱাই পেলালে। হিংস্রতাৰ চিন তেওঁৰ চকু মুখে প্ৰকাশিত হৈ পৰিল। তেওঁ চিঞৰি মাতিলে "ড্ৰাইভাৰ ?"

ড্ৰাইভাৰ আহিলত ততালিকে তেওঁ মোটৰত উঠি বায়ুবেগে লৰ দিলে। মোটৰে ভোঁ ভোঁ শব্দেৰে তেওঁৰ খণ্ডৰে প্ৰতিধ্বনি তুলি বেগতে আঁতৰ হল।

ঠিকাদাৰৰ ঘৰৰ ওপৰেদি এটি অশান্তিৰ বা বৈ গল। ইয়েই তাৰ আব্‌হাওৱা বিষাক্ত কৰি তুলিলে। পলে পলে ঠিকাদাৰণীয়ে বৃশ্চিক দংশনৰ যন্ত্ৰণা ভুগিবলৈ ধৰিলে। ৰূপহীয়ে চকুপানীৰে নিজৰ গাৰু তিয়াই পেলালে।

পিছ দিনা গধূলি ঠিকাদাৰ উলটিল,—শম্ভুৰ সম্ভেদ নাই, ছোৱালীৰো নাই। তেওঁৰ মুখ শুকান, শৰীৰত ক্লান্তি-বোধ, মনত নিৰাশাৰ ঘন ছায়া।

বিয়া ভাগিল। এতিয়া উপায় ?

ৰাতিপুৱা ঠিকাদাৰ মোটৰত উঠিল; ৰূপহীকো ললে,—নিব শ্বিলঙলৈ। অতিপাত পৰিশ্ৰমত তাইৰ স্বাস্থ্য ভাগি গৈছে। ভাল ঠাইত থাকিলে তাইৰ স্বাস্থ্য ফিৰিব, মনলৈকেও আনন্দ আহিব। মাকে শিলৰ মূৰ্তিৰ দৰে চাই থাকিল। ড্ৰাইভাৰে মোটৰত উঠি কল টিপি দিলে। ঠিকাদাৰণীৰ মুখৰপৰা ওলাই আহিল "ভগৱান, কোন পথে নিয়া তুমি প্ৰভু!" তাৰ প্ৰতিধ্বনি ঠিকাদাৰৰ কাণত নপৰিল, পৰিল বাটতে লেপেটাকাঢ়ি বহি থকা ভিকহুৰ কাণত। সিয়েই সান্ত্বনা দিলে "তেৱেঁই সকলোৰে গৰাকী আই। তেওঁৰ নাম লওক।"

১৫।১।৪৮

নলবাৰী

দুটকীয়া নোট

বঙালী বিহুৰ আনন্দ উৎসৱৰ লহৰী উঠিছে প্ৰকৃতিৰ ৰমণীয় সাজ-সজ্জাত, চৰাইৰ নানা তৰহৰ মাতত। ইচ্ছা হয় জ্বালা-যন্ত্ৰণা, অভাৱ-অনাটন পাহৰি সিহঁতৰ দৰে উৰি ফুৰোঁ, বলীয়া হওঁ। কিন্তু নোৱাৰোঁ, নতুন মায়াজৰীয়ে টানকৈ বান্ধে—আশা-মৰীচিকাই ৰঙচঙীয়া সাজ পিন্ধি আগত নাচিবলৈ ধৰে। পাহৰি তাৰ পাছে পাছে লৰি যাওঁ—কিমান দূৰলৈ কব নোৱাৰোঁ, কিন্তু যাওঁ। হঠাৎ সমুখত দেখিবলৈ পাওঁ গৃহিণীৰ অৱসাদক্লিষ্ট মুখখনি, শুকান—নিস্তেজ, নিৰানন্দৰ প্ৰতীক স্বৰূপ। দুখ লাগে মনত। ৰাতিপুৱাৰেপৰা কত ৰকমৰ কাম তেওঁৰ। তথাপি দুবেলা দুসাজ ভালকৈ নিমিলে। একে ধৰণৰ হাড়ভঙা পৰিশ্ৰম—তাৰোপৰি খোৱাৰ অভাৱ, কাপোৰৰ অভাৱ। মনলৈ আনন্দই বা আহে কেনেকৈ। সেই বাবে সকলো খং ল'ৰা-ছোৱালীৰ ওপৰত প্ৰকাশিত হয়—মাজে মাজে মোৰ ওপৰতো হয়।

ৰাতিপুৱা হোকাটো হাতত লৈ চোতালত বহিছো অভ্যাসৰ গুণত হোকাটো টানি আছো সঁচা, কিন্তু মনৰ মাজত কত ৰকমৰ চিন্তাই তল-ওপৰ লগাইছে তাক নিজেই কব পৰা নাই। এনেতে ভদীয়া আহি এটা দীঘলকৈ সেৱা জনালে। "প্ৰভু জগন্নাথে মোৰ খবৰ কৰা বুলি শুনিলোঁ ?"

"এৰা ভদীয়া, তই আহিছ ভালেই হল। বহ বাচা। সেই চাৰিখন লৈয়েই বহ।"

ভদীয়া বহিল।

"শুনিছ ভদীয়া—ভাবিলোঁ বোলো শিও ঘৰতে বহি আছে, ময়ো আছোঁ। মোৰ ঘৰৰ ধান কেইটা শেষ হলেই। তোৰো কিজানি নাইকিয়া হৈছে। সেয়ে ব'ল এবাৰ শিয়ুৰ ঘৰৰফালে এপাক মাৰিয়েই আহোঁ। হওঁতে মোৰ গাটোও বৰ ভাল নহয় তথাপি নগলে ৰক্ষা নাই। তই কি কৱ ?"

"মই কি কম জগন্নাথ", ভদীয়াই বিনীত হৈ উত্তৰ দিলে। "আপোনাৰ মতেই মোৰো মত। পিছে, বন্দীৰ অলপ গুজৰ আছে।"

"কি ?" আগ্ৰহেৰে তাৰ মুখলৈ চালোঁ।

"আজি-কালি বন্দীয়ে ঘৰত বহি বহিয়েই বাৰ অনা টকাটো পায়। তাৰে চাই জগন্নাথে যি ভাল দেখে কৰিব।"

"কি কৰ অ' ভদীয়া। যুদ্ধৰ বজাৰত সকলো বস্তুৰে দাম চাৰি পাঁচ গুণে বাঢ়িছে সঁচা কিন্তু বঢ়া নাই গুৰু-দক্ষিণা, শ্ৰাদ্ধ দক্ষিণা, হোম-দক্ষিণা আদি সকলো প্ৰকাৰৰ দান-দক্ষিণা। সেই কথালৈকেও অলপ মন কৰিবিচোন।"

"জগন্নাথক জনাই থলোঁ। পিছে, কেতিয়ালৈ বা থিৰ কৰিলে ?"

"ব'ল, কাইলৈ ৰাতিপুৱাই ওলাওঁ।"

এটা সৰু টৌ, এপাত কৰচ, এখন কাঁহী, এটা বাটি, কেইখনমান কাপোৰ, এযোৰ খৰম আৰু এযোৰ সৰু তাল সকলোখিনিকে দুভাগ কৰি দুটা পাচিৰ ভিতৰত ভৰাই ভদীয়াৰ কান্ধত ওলোমাই দিলোঁ। লগতে শ্ৰীবিষ্ণুৰ নাম উচ্চাৰণ কৰি ঘৰৰ পৰা ওলালোঁ, ল'ৰা-ছোৱালী আৰু গৃহিণীৰ বিপদৰ আশঙ্কাত —বাধ্যত পৰি। আধ্যাত্মিক বিশ্বাসত সিদিনা বুকু বলীয়ানহৈ উঠা নাই। আগেয়ে উঠিছিল আৰু তাৰে ওপৰত ভৰ দি কল্পনা কৰিছিলোঁ সোণৰ সংসাৰ, অসাধাৰণ শক্তি সামৰ্থ। কিন্তু সেই শক্তি, সামৰ্থ লভিম দূৰৰ কথা লাহে লাহে অভাৱৰ নিৰ্যাতনৰ হেতুকে মনৰ মাজলৈ আহি পৰিল নিষ্ক্ৰিয়তাৰ অৱসাদ। ইয়েই মোক বুজাই দিলে জীৱনত ঘাত-প্ৰতিঘাত সমূহৰ মূল্য কি—সিহঁতৰ গুৰুত্ব কিমান ? মই নিজৰ কাৰ্যক্ষমতাহীন জীৱনলৈ চাই সচেতন হলোঁ— ভালকৈ বুজিলোঁ পৃথিবীৰ ভিতৰত মানুহৰ দৰে জীয়াই থকাটোৱেই ডাঙৰ সত্য। জীৱন-যাপন কৰিবলৈ এই বহল পৃথিবীত কত উপায় আছে, সেই-বোৰলৈ লাহে লাহে মোৰ মন আকৰ্ষিত হল। কল্পনা-চকুৰে দেখিবলৈ পালোঁ তাত কেনে আনন্দ, কেনে স্বাধীনতা। তথাপি শেহত অতীতৰ সংস্কাৰেই বলবান হল। শিষ্যসকলৰ ইচ্ছা প্ৰভুৱে এই বাটেৰেই গৈ থাকিব লাগে—তাত মান-সন্মান আছে, ধন-দৌলতৰ আড়ম্বৰ নাথাকিলেও পিতৃ-পিতামহৰ আশীৰ্বাদ আছে। সেইবাবে শ্ৰান্ত শৰীৰ লৈ ওলাইছোঁ একমাত্ৰ বিশ্বাসত যে পিতা এই বাটেৰে গৈছিল গতিকে ময়ো যাব লাগে। কিন্তু মোৰ বুজিবলৈ বাকী নাই যে এই বাট হাবি জঙ্ঘলে আগুৰি পেলাইছে।

বেলি ওপৰলৈ উঠিল। কপালত অলপ অলপ ঘামৰ মুকুতা দেখা দিলে। আলিবাটেদি অসংখ্য ধূলিৰ কণিকা উৰুৱাই ভোঁ ভোঁ শব্দেৰে এখন মোটৰ বাগৰি গল। বাটৰ কানত একলীয়াকৈ থিয় দিলোঁ। ভদীয়া ভালেখিনি পিছত। অলপ অপেক্ষা কৰি দুয়ো আকৌ খোজ ললোঁ।

"দেখিছ ভদীয়া, কণাকাটাৰ পুতেকৰ প্ৰতাপ ?"

"হয় জগন্নাথ, বাপেকে থাব নাপাইছিল কিন্তু পুতেকে হাৱাগাৰী দৌবায়।"

"কিন্তু আমাৰ কৰিছ কি ?"

"আমি কপালত লিখি অহা নাই। কথাতেই কয় নহয় বোলে দিলেহে পায়।"

"হুঁ—কপাল ! কপালৰ কথা কলি নহয় ভদীয়া ?"

"হয় জগন্নাথ।"

চিন্তাৰ গতি আন ফালে ঢাল খালে। সূৰ্যৰ উত্তাপ প্ৰখৰতৰ হৈ উঠিল। হালোৱাবিলাকে দুটা এটাকৈ হাল মেলি ঘৰমুৱা হবলৈ ধৰিলে। দুই চাৰিজনী তিৰোতাই কাষত কলহ লৈ পুখুৰীবপৰা পানী অনা দেখিবলৈ পালোঁ। সিহঁতৰ সৰহ ভাগেই যুৱতী। কিন্তু সিহঁতৰ গতিত লয়লাস নাই—শৰীৰত লাবণ্য নাই—সৌন্দৰ্যৰ পৰিবৰ্তে মুখত ঠিক মোৰ দৰেই হতাশৰ ঘন ছায়া। ওচৰত কেইজোপামান গছ দেখিলোঁ, নতুন কুঁহিপাত ধৰি শুৱনি হৈ পৰিছে। গৰু, ছাগলী সকলোৰে গাত তেজস্বিতাৰ চিন। কিন্তু অভাৱগ্ৰস্ত মানুহৰ গাত সেই আনন্দৰ চিন নাই। বোধ কৰোঁ সংসাৰৰ সৰহভাগ মানুহৰেই কপাল ঠিক মোৰ কপালৰ দৰেই—ঠেক আৰু ঘৰ্মাৰ্ত।

পিছফালে ভদীয়াই ঘনঘনকৈ ইষ্টগুৰুৰ নাম লোৱা শুনিবলৈ পালোঁ। বুজিলো ৰ'দত সি দুখ পাইছে। তথাপি যাব লাগিব। দুমাইলমান দূৰত সৰু নৈখনৰ পাৰত অলপ জিৰণি লম, গা-পা ধুই জা-জলপান খাম, ভদীয়াকো খুৱাম।

এইবাৰ ভদীয়াৰ এটা হুমুনিয়াহ কাণত পৰিল, মাতিলো, "ভদীয়া ?"

"সেই গছৰ তলত অলপ বহিব জগন্নাথ।"

গছৰ তল। বেছ সুন্দৰ ঠাই। মৃদুমন্দ বতাহে গছৰ পাত অলপ অলপকৈ লৰাই যাব ধৰিছে। একো একো ছাটি বায়ে শ্ৰান্ত শৰীৰত জুৰ পৰশ দি গৈছে। ভদীয়াই চিলিমটো উলিয়াই এচিলিম ধপাত লগালে। ধপাত খাই আকৌ যাবলৈ উঠিলো।

এই বাৰ ৰ'দৰ উত্তাপ আকৌ বেছি যেন অনুভৱ কৰিলোঁ। ভদীয়াই লৰো নলৰোঁকৈ আহি আছে। সি মোৰ দৰে বেগাই আহিব নোৱাৰে, বাৰে বাৰে পিছ পৰি যায়। কিছু দূৰ গৈ মই পিছ পিনে মূৰ ঘূৰাই চাওঁ, থিয় হওঁ আৰু সি আহি পালে দুনাই একেলগে খোজ লওঁ। বাটত মানুহ দুমুহ দেখিবৰ প্ৰায়েই

নাই। সকলোৰে হয়তো জিৰণি লৈছে, মোৰ দৰে ভিক্ষাৰ পাত্ৰ লৈ ওলাবৰ হয়তো কাৰো দৰকাৰ হোৱা নাই। "ভিক্ষয়া নৈবচ নৈবচ।" —তথাপি সমাজৰ ৰীতি ৰক্ষা কৰিব লাগিব। পূৰ্বপুৰুষৰ ধৰ্ম, জনসাধাৰণৰ বিশ্বাস, তাত প্ৰশ্ন তুলিলে সমাজ নষ্ট হব, দেশ তললৈ যাব।

নৈৰ ওচৰ পালোঁহি। বিশ্ৰামৰ চিন্তাত শৰীৰৰ জড়তা ক্ৰমাৎ বাঢ়ি অহা অনুমান কৰিলোঁ। ভদীয়া মোতকৈও ক্লান্ত। সি যেন কোনোমতে শৰীৰটো টানিহে আনিছে। অভাৱ—অভাৱেই মুখ্য কাৰণ। তাৰ বাবেই দুয়োৰো এনে যন্ত্ৰণা—অথচ দুখৰ অনুপাতে ঘৰলৈ লৈ আহিবলৈ কি পাওঁ সি ভগৱানৰ হাতত। দুখ জীৱনৰ সহচৰ। জন্মিবৰ দিনৰেপৰা দুখৰ মাজত লালিত পালিত যেতিয়া সি পুৰণিকলীয়া বন্ধু—ইয়াত নতুনত্ব নাই, প্ৰবল ধুমুহাৰ দৰে ধ্বংসকাৰী শক্তিও নাই।

সমুখত সৰু নৈখন অকাই পকাই গৈ ভালেখিনি নিলগত হাবিৰ মাজত অদৃশ্য হৈছে। পানীত কুলু কুলু শব্দ নাই। কিন্তু পাৰৰ গছ কেইজোপাৰ মাজেদি বতাহে এটি আধাফুটা গান গাই গৈছে—নৈৰ ঠেক বুকুখনৰ ওপৰত আনন্দৰ লহৰ তুলিছে। ওচৰৰ আঁহত গছজোপাৰ তলত কেইটামান গৰুৱে আনন্দত বিশ্ৰাম কৰিছে। পাৰত সুন্দৰ সেউজীয়া চুটি চুটি বনৰ গালিচা, ওপৰত ডাঙৰ ডাঙৰ গছৰ বিস্তৃত শাখা প্ৰশাখা আৰু সমুখত নীলা পৰিষ্কাৰ পানীৰ এক ধৰণৰ প্ৰবাহ—সকলোটিয়েই ক্লান্ত মন-প্ৰাণত শান্তিৰ সুষমা ঢালিব পাৰে, ক্ষন্তেকৰ বাবে হলেও জীৱনক মধুময় কৰিব পাৰে।

ভদীয়াই থেকেচকৈ ভাৰখন মাটিত থৈ গছ এজোপাৰ তলত বহিল। মই থিয় হৈ আছোঁ—চাইছোঁ প্ৰকৃতিৰ সম্পদবোৰলৈ। কেইটামান সৰু সৰু ল'ৰা দৌৰি পানীত নামিল, ৰংমনে গা ধুলে আৰু ঘৰলৈ উভতি গল। ভদীয়াই ওচৰলৈ আহি সোঁৱৰাই দিলে "গা তিয়াওক জগন্নাথ।"

গা-পা ধুই নিত্যক্ৰিয়া সমাপন কৰিলোঁ। গছৰ তলতে বহি জা-জলপান যি অলপ আছিল তাকে দুয়ো খালোঁ। পৰিশ্ৰমৰ অন্তত যি খালোঁ তাতেই বেছ তৃপ্তি অনুভৱ কৰিলোঁ। কিন্তু ইয়াৰ লগতে আহি পৰিল পথশ্ৰমৰ ভাগৰ। গছৰ তলত বনৰ ওপৰতেই ভদীয়া দীঘল দি পৰিল। এখন কাপোৰ পাৰি ময়ো শৰীৰটো অলপ দীঘলাই পেলাই দিলোঁ। মুহূৰ্তৰ ভিতৰতে ভদীয়াৰ নাকে ঘোৰ্ঘোৰাবলৈ ধৰিলে। তাৰ যে কল্পনা নাই—চিন্তা নাই। আন পিনে চিন্তাৰে জৰ্জৰিত মোৰ মন আৰু শৰীৰ। সেই বাবে মোৰ চকুত টোপনি নাই

আৰু শৰীৰৰ অৱসাদৰো অন্ত নাই। মোৰ মনৰ মাজত নানা তৰহৰ ভাববোৰে খুন্দিয়াবলৈ ধৰিলে। ভেকা কালৰ পাঠ্যজীৱন, কলিকতা কাশী আৰু কত কি মনলৈ আহিল তাৰ সীমা নাই। এইবোৰ অসংলগ্ন চিন্তাৰ মাজেদিয়েই মোৰ মন ঘৰলৈ উৰা মাৰি ল'ৰা-ছোৱালী কেইটিৰ লগত খেলিবলৈ ধৰিলে। হঠাৎ গম নোপোৱাকৈয়ে সি আকৌ নিজৰ বিষয়বস্তু বাচি উলিয়ালে। এনেকৈয়ে সময় গল চোৰৰ নিচিনাকৈ—অজ্ঞাতসাৰে।

বেলি ভালেখিনি হালিল। বাটেদি ছুজন এজন মানুহ অহা-যোৱা কৰিব ধৰিলে। ভদীয়াক জগাই ছুয়ো ছুনাই খোজ ললোঁ। সমুখত পুবা-পশ্চিমাকৈ থকা আলিবাটটোৰ ওপৰেদি পৃথিবী কঁপাই এখন ৰেলগাৰী বাগৰি গল।

কিছু দূৰ আগবাঢ়িলোঁ। ক্ৰমে বাটত মানুহ-ছুনুহ, গাৰী-ঘোঁৰাৰ সমাগম বাঢ়ি আহিল। এমাইলমান আঁতৰত এখন সৰু চহৰ। সেইখন পাৰ হৈ চাৰি মাইল গলে কান্তিৰামহঁতৰ ঘৰ পাম। ঈশ্বৰে কৰিলে তেতিয়া হয়তো বিশ্ৰাম লব পাৰিম। ক্লান্ত শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গবিলাকেও হয়তো অলপ জিৰণিৰ সুবিধা পাব।

চহৰৰ বাটৰ ওপৰত অসংখ্য শিলৰ টুকুৰা—যেনি তেনি সিঁচৰতি হৈ পৰি আছে। ঠায়ে ঠায়ে কাষৰ নৰ্দমাৰপৰা ওলোৱা নাক কোঁচ খোৱা ছুৰ্গন্ধ। অতি কষ্টেৰে এই বাটেদি গৈছোঁ। মোৰ ভৰিৰ তলুৱা ছুখন যেন জ্বলিব ধৰিছে।

বাটৰ কাষত ছুটা এটা খোৰা, কণা মানুহ। সিহঁত ঈশগুণ-গানত মত্ত—অৱশ্যে পাবৰ আশাত। কেৱে কেৱে ছুটি এটি পইচা সিহঁতৰ পিনে দলিযাই অশেষ ধন্যবাদ আৰু আশীৰ্বাদৰ অধিকাৰী হৈছে। সৰহ ভাগেই হলে ইহঁতৰ প্ৰতি কটাক্ষপাত কৰা নাই। গাঁৱৰ অলসতাৰ পৰিবৰ্তে ইয়াত ব্যস্ততাৰ চিন। ঘোঁৰাগাৰী, মোটৰ গাৰী, মানুহ-ছুনুহ সকলোৱে যেন লৰিছে কিবা এটা বিচাৰি—হয়তো আনন্দ, নহলে বিলাস, নহলে আহাৰ্য বস্তু। ভদীয়াতো অবাক্। আজি যেন ছুবছৰ আগৰ সেই চহৰখনি নাই। "ইমানবোৰ মানুহ, ইমানবোৰ গাৰী! বাপৰে বাপ্, দেখিলে ধাতু উৰায়।"

চহৰখন এৰিলোঁ। সূৰ্যৰ উত্তাপ প্ৰায়েই নাই। যিখিনি আছে সিও কষ্টদায়ক নহয়। গধূলিৰ বতাহ মোৰ বৰ ভাল লাগিব লাগিছিল। কিন্তু পথশ্ৰমৰ ক্লান্তিৰ তুলনাত এই সামান্য সুখ অনুভৱ কৰিবলৈ মই যেন অক্ষম হৈ পৰিছোঁ। ৰ'দৰ পোৰণিত মোৰ যেন গোটেই গাটো জমজমাই গৈছে। মোৰ ভৰি ছুখন অৱশ—শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গবিলাকো যেন স্থলকি পৰিব খোজে।

তেতিয়াও ঘুমাইল বাকী। পশ্চিম আকাশত লাহে লাহে বেলিটো বুৰ গল। গৰু-ছাগলীবোৰ লাহে লাহে দুটা এটাকৈ ঘৰমুৱা হবলৈ ধৰিলে। তাকে দেখিয়েই বোধ কৰোঁ মোৰ মনেও উভতি মোৰ সেই সুখ দুখ বিজড়িত ঘৰৰ আবেষ্টনীৰ মাজলৈ উৰি আহিল, সুখৰ আশাত বলীয়া হৈ। ভগা ঘৰ, কেউপিনে অভাৱ অসুবিধাৰ দারুণ হেঁচা, তথাপি তাৰ মাজলৈকেও মন আঁতৰৰপৰা উৰা মাৰিব খোজে বোধ হয় কিবা সংস্কাৰৰ বলত। সেইবাবে ল'ৰা-ছোৱালীৰ বিৰক্তিকৰ কামৰ মাজতো আমি দেখিবলৈ পাওঁ আনন্দৰ ৰেখা ; গৃহিণীৰ দৈনন্দিন গতানুগতিক ব্যৱহাৰৰ মাজতো বিচাৰি পাওঁ নতুনত্ব আৰু অভূতপূৰ্ব মাদকতা। এয়েই বোধ কৰোঁ জীৱনৰ ৰহস্য—সংসাৰৰ নাগপাশেৰে দৃঢ়কৈ বান্ধিবলৈ বিধিৰ অপূৰ্ব কৌশল।

দীঘলীয়া ভ্ৰমণৰ প্ৰায়েই শেষ। কান্তিৰামৰ গাঁৱৰ ভিতৰ সোমাইছোঁ। সন্ধ্যা পাৰ হলেও অসুবিধা হোৱা নাই। আকাশৰপৰা জোনবায়ে ৰূপালী কিৰণেৰে পথশ্ৰান্ত পথিকক পথ দেখুৱাই দিছে, তাপিত পৃথিবীৰ বুকু শান্তিপানী-কণাৰে শীতল কৰিছে।

কান্তিৰামৰ ঘৰৰ দুৱাৰ মুখত থমকি ৰলোঁ। তিনি বছৰৰ আগৰ সেই ঘৰ-দুৱাৰ নাই। সমুখত এটা ডাঙৰ টিনৰ বঙলা। কিছু আঁতৰত আন এটা টিনৰ ঘৰৰ তলত এখন মোটৰ গাৰী থিয় হৈ আছে। ভিতৰলৈ সোমাব সাহ কৰা নাই। তিনি বছৰৰ ভিতৰতে কান্তিৰামে ইমান উন্নতি কৰিলেনে? চকুৰে যি দেখিলোঁ মনে তাক বিশ্বাস কৰিবলৈ টান পালে। ভদ্ৰীয়া হলে আন ধৰণৰ মানুহ। অলপো ইতঃস্ততঃ নকৰাকৈ সি ভিতৰলৈ সোমাই গল। অলপ পিছত কান্তিৰামৰ ঘৈণীয়েকে ওলাই আহি মোক আদৰি নিলে।

কান্তিৰামৰ ঘৰৰ ভিতৰখন বেছ পৰিষ্কাৰ পৰিচ্ছন্ন। চোতালৰ এটি চুকত থকা হাঁহৰ খোৱাৰ আৰু পাৰৰ বাহবোৰ নাই। দক্ষিণ ফালে ডাঙৰ দুজোপা উৰহিৰ ঠাইত দুটা হাছনাহানাৰ পুলি ঠন ধৰি উঠিছে। মনত ভাল লাগিল। শিষ্যৰ ভাল দেখিলে গুৰুৰ মনত আনন্দ লাগে অকল পাবৰ আশাতেই নহয়, তাতকৈ মহত্ত্বৰ কাৰণত।

কান্তিৰামৰ ঘৈণীয়েক বেছ চতুৰ। লৰালৰিকৈ তাই চাউল সিজোৱাৰ যোগাৰ কৰি দিয়ালে। তাই নিজেই একো কৰিবৰ আৱশ্যক নহল, কাৰণ তাইৰ আদেশত চাৰি পাচটা চাকৰ লৰিছে। আগেয়ে তাইক এনে দেখা নাছিলোঁ। ৰুগ্ন শৰীৰ লৈ অলপ লৰচৰ কৰিব লাগিলেই তাইৰ কষ্টবোধ

হৈছিল, মুখৰ পৰা বিৰক্তিৰ ভাব বাগৰি পৰিছিল। কিন্তু এতিয়া তাইৰ গোটেই গাটোতে জীৱনৰ উদ্দাম, মুখত আনন্দৰ গোলাপী ৰং আৰু চকুত অস্বাভাৱিক জ্যোতি। বেছ পৰিবৰ্তন। দুখ দুৰ্গতি আঁতৰাই মানুহে এই জীৱনতেই সুখ লভিব পাৰে, জীৱনক উপভোগ কৰিব পাৰে। মোৰ মনৰ ওপৰত এটি নতুন সত্য ভাহি উঠিল।

ৰন্ধা-বঢ়াৰ আয়োজন তেনেই কম নহয়। আজি তিনি বছৰৰ মূৰত শিষ্যৰ ঘৰত গোসাঁই উপস্থিত হৈছে যেতিয়া গুৰুৰ প্ৰসাদ সকলোৱে লব। দিনৰ দিনটো খোজ কাটি ৰাতি শিষ্যসকলক ৰান্ধি বাঢ়ি খুওৱা সমৰ্থ নাথাকিলে গুৰু-শিষ্যৰ প্ৰভেদই বা থাকিল ক'ত? সেই ৰাবে উঠিলোঁ। গোসাঁই কুলত জন্মিছোঁ যেতিয়া এনেবোৰ দুখক বন্ধু হিচাপে বৰণ কৰিয়েই লৈছোঁ। কিন্তু শৰীৰৰ ক্লান্তি আৰু অভাৱৰ স্মৃতি তাক যে পাহৰিব নোৱাৰোঁ। "ক্লৈব্যং মাস্ম গমঃ পাৰ্থ নৈতত্ত্বয্যুপ পদ্যতে—"

পিছ দিনা ৰাতিপুৱা উঠোঁ উঠোঁ বুলি ভাবিছো কিন্তু গোটেই গাটোতে বিষ, শৰীৰৰ ভিতৰত যেন এটা অস্বাভাৱিক অৱসাদ। কপালত হাতখন দি চাওঁ অলপ গৰম। দুয়োটা কুমতে সিৰ দুভালে যেন টং টংকৈ কোৱাবলৈ ধৰিছে। জ্বৰ উঠিল নেকি? ভদীয়াক ওচৰলৈ মাতি নি মোৰ গাত হাত দি চৰলৈ কলোঁ। কিন্তু সি একো ধৰিব নোৱাৰিলে।

লাহে লাহে বিছনাৰপৰা উঠি গা পা ধুলো আৰু নিত্যক্ৰিয়া সমাপন কৰিলোঁ। এনে সময়তে চাহ জলপান খাই কান্তিৰাম ঘৰৰপৰা ওলাই আহিল। সি মোক এবাৰ মাত লগাই ঘৰৰপৰা গুচি গল। তাৰ অৱসৰেই নাই—তিনি চাৰিশ কুলীৰ কামৰ হিচাব লব লাগে।

কিছু সময় অকলে বহি আছো। ভদীয়াও কাষত নাই। মই নানান কথা ভাবিব ধৰিছো। যুগ পৰিবৰ্তন হল। আগৰ দৰে গাঁৱৰ মানুহবোৰ ধৰ্মকথা শুনিবলৈ অহা নাই। কীৰ্তন ভাগৱত পাঠত মানুহৰ আসক্তি কমি গৈছে। সকলোৱে ব্যস্ত। সকলোৰে মুখত তেজপুৰ, মণিপুৰ ব'দ, সৰভোগ আদিৰ কথা। এইবোৰ ঠাইত স্তূপীকৃত সম্পদ আছে—গৈ হাত মেলিলেই পায়। ভিকহু গৰ্গৰাম তেজপুৰলৈ গৈ এমাহৰ ভিতৰতে নামজ্বলা সদাগৰ হৈ উঠিল। চন্দ্ৰ বায়নে বালি মিহলাই ধানৰ কাৰবাৰ কৰি হাজাৰ হাজাৰ টকাৰ মালিক হল। আনকি লম্পট কেটেঙায়ো যোগনীয়া হাকিমৰ লগ লাগি হুইস্কি খাবলৈ শিকিলে। মোৰ পৰা অলপ দূৰতে মানুহে এইবোৰ আলোচনা কৰে। ভদীয়ায়ো

একেমুখে কণাকাটাৰ পুতেকৰ উন্নতিৰ আদ্যোপান্ত বিবৰি কয়। মই আচৰিত হওঁ! আগেয়েতো গাঁৱৰ মানুহবোৰ এনেকুৱা নাছিল। চুৰ কৰা, ঠগোৱা, ব্যভিচাৰ কৰা আদি কথাত গাঁৱৰ মানুহে নাক কোঁচাইছিল, পাপৰ ভয়ত হৰিগুৰুৰ নাম লৈছিল। কিন্তু এতিয়া কোনো কোনোৱে আঠ অনাৰ বস্তু কিনি এটকা লাভ কৰি গৌৰৱ অনুভৱ কৰিছে। সিহঁতে ফিতাহি মাৰি সকলোকে ইতিকিং কৰিছে। মোৰ শিষ্যৰ ভিতৰৰে এজন ডেকাই নিৰ্ভীকচিত্তে নিজৰ পইচাৰে মদ খাওঁ বুলি কৈ ধনৰ গৰ্ব কৰিছে। মই তলমূৰ কৰিলোঁ—শুনিও নুশুনাৰ ভাও ধৰিলোঁ। মই কৰিম কি? মোৰ কি সাধ্য আছে। বহুদিন আগতে সমাজৰ গুৰি বঠা ছিগি গৈছে। সি তুনাই জোৰা নালাগে। হয়তো পুৰণিৰ ধ্বংসস্তূপৰপৰা নতুন গজালি ওলাব, হয়তো অসত্যৰ আৱৰণ ভাঙি-ছিঙি সত্যৰ সুন্দৰ মূৰ্তি প্ৰকট হব। কিন্তু কোনে জানে কেতিয়া?

দুপৰীয়া হৈ আহিল। ৰাতিতকৈয়ো তেতিয়া বন্ধা-বঢ়াৰ আয়োজন বেছি। প্ৰভুৰ প্ৰসাদ লবলৈ গাঁৱৰো দুই চাৰিজনক মতা হৈছে। গতিকে অসুখীয়া গাৰেই সকলো কৰিবলৈ কাছিপাৰি ওলালোঁ। বহাগ মাহৰ দুপৰীয়া। ৰ'দৰ তাপেই মানুহৰ গা পুৰি পেলাব খোজে। তাতে আকৌ জুইৰ তাপত থাকি মই তেনেই অৱশ হৈ পৰিলোঁ। মোৰ খোৱা নহল। নহল নাই তাৰ বাবে দুখ নকৰোঁ। একাদশী, অমাবস্যা, সংক্ৰান্তি আদিত কিমান লঘোন থাটিছোঁ এসাজ লঘোন দিয়া এটা কথাৰ কথা নহয়। কিন্তু ৰাতি জ্বৰ উঠিল। গাৰ পোৰণিত মই ছট্‌ফটাব ধৰিলোঁ। গাঁৱৰ দুজন এজন মানুহ মোৰ ওচৰলৈ আহিল। এজনে এটা নাগাৰ্জুন বৰি খাবলৈ দিলে। তাকেই খাই বিছনাত পৰিলোঁ। মোৰ মনত ধিক্কাৰ লাগিল। কিয় অসুখীয়া গাৰে ইমান পৰিশ্ৰম কৰিবলৈ ওলাইছিলোঁ? ৰাতিপুৱা জ্বৰ অলপ কমিল। আগগুৰি নভবাকৈয়ে ঘৰলৈ উভতি অহাৰ ঠিক কৰিলোঁ। পথশ্ৰম সহ্য কৰিব পাৰিম নে নোৱাৰিম তালৈ ভাবিবৰ নহল। ভাবিয়েই বা কৰিম কি? নানান কথা ভাবি, নানান সমস্যা আলোচনা কৰি ভাগৰি গৈছোঁ। অকল ভাবিলেই নহয়। ভবাৰ অনুপাতে কাম কৰিবলৈকেও সুযোগ লাগে। তাকেই বিচাৰিম। মোৰ বুদ্ধি-বৃত্তি আছে, শিক্ষা-দীক্ষা আছে। আনে সুযোগ সুবিধা বিচাৰি উলিয়াব পাৰিলে মই নোৱাৰিম কিয়? সমাজৰ নানান মতবাদৰ ওপৰত ওপঙি নিজৰ অস্তিত্ব লোপ কৰি পেলাব ধৰিছোঁ। এইবাৰ নিষ্ক্ৰিয়তা দূৰ কৰিম।

একেটা কল্পনাকে মনৰ ভিতৰত পাগুলি আগ বাঢ়িছো। ৰুগ্ন শৰীৰ হলেও

নতুন মনোবলে বুকুখন ওখ কৰিছে। ভদীয়াৰ মাতবোল নাই। সি মোৰ পাছে পাছে আহি আছে। হয়তো সিও মনতে কিবাকিবি ভাবিছে, হয়তো সি একো ভবাই নাই। গোটেই দিন বিশ্ৰাম নাই, খোৱা লোৱা নাই—প্ৰায় একে খোজতেই দুয়ো আহি আছোঁ। ঘৰ পালে ৰক্ষা। যদি মৰিব লাগে মোৰ ভগা ঘৰৰ তলতেই মৰিম, তাতো তৃপ্তি আছে। শৰীৰৰ ওপৰত অত্যাচাৰ কৰিছোঁ। টলো টলোকৈ ব'দে বতাহে ফুৰি গাৰ ছাল ক'লা কৰি পেলাইছোঁ। কিন্তু লাভতো একো হোৱা নাই।

ৰাতিৰ লগে লগে জোনবায়ে আকাশত হাঁহি মাৰিছে। আঁতৰত এটি কেতেকী চৰাইৰ মাত শুনা গৈছে। কিন্তু জোনবাইৰ হাঁহিত আনন্দৰ উত্তেজনা নাই—কেতেকীৰ মাতত আছে তিক্ততা, বিদ্ৰূপৰ ইঙ্গিত।

ঘৰৰ ওচৰ পাইছোঁ। ভদীয়াক ওচৰলৈ মাতি আনি তাৰ হাতত এখন দুটকীয়া নোট দিলোঁ আৰু কলোঁ, "নে ভদীয়া, এয়ে তোৰ বানচ।"

ভদীয়া অবাক হ'ল। সি মোৰ মুখলৈ চাই সুধিলে, "আপোনালৈ থাকিল কি জগন্নাথ?"

"হতাশ, হমুনিয়াহ, ৰোগৰ আক্ৰমণ—" অলপ উত্তেজিত হৈ উত্তৰ দিলোঁ।

ঘৰৰ চোতালত থিয় দিলোঁহি। ভদীয়াই নোটখন মোৰ পিনে আগ বঢ়াই মিনতিৰ সুৰত কলে "আপোনালৈকেও এটকা ৰাখক জগন্নাথ। আটাইখিনি নিলে মোক পাপে চুব।"

ভদীয়াক ধমক দিলোঁ, "কিহৰ পাপ অ' ভদীয়া? অনাচাৰ অবিচাৰত পাপ নাই। অথচ তোৰ ন্যায্য দাবীত পাপ! তোৰ থাকিবলৈ খাবলৈ অধিকাৰ আছে। লৈ যা মূৰ্খ। সমাজৰ ওপৰত ভূমিকম্পৰ জোকাৰণি পৰিছে। ময়ো তাৰ ওপৰত ধুমুহা বোৱাই দিম। অন্নহীন গুৰু, অন্নহীন শিষ্য, দুয়োৰে একেই স্বাৰ্থ। দুয়ো খাবই লাগিব—জীয়াই থাকিবৰ উপায় পাবই লাগিব।"

ভদীয়াই মোৰ মুখৰ পিনে চাই থাকিল। সি বোধ হয় মোৰ কথা বুজি নাপালে।

ছিলেট, ৭।৮।৪৪

কণ্ট্ৰোলৰ চেনি

"আপোনাৰ হ'ল এই এটকা—আঠ অনা, চাৰি অনা, আ—ক ৰাৰ অনা,—মুঠতে আঢ়ৈ টকা।" "পিছে, চেনি নহব নেকি? তাৰ হিচাব নকৰিলে দেখোন? আধা সেৰ চেনিহে। দিয়ক কৰবাৰপৰা কিবা এটা কৰি।"

"এঃ চেনিৰ কথা নকব। নাইযে নাই এতোলাও নাই। আপোনাৰ দৰে মানুহ এজনক আধা সেৰ চিনি দিওঁতে জগৰ লাগিলেও লাগক—মই তাক ভয় কৰা বিধৰ মানুহ নহওঁ। কিন্তু কৰিম কি? একেবাৰেই নাই। চাহপানী টোপাও চাহ দোকানৰপৰাহে অনাইছোঁ।"

গ্ৰাহকে তুনাই অনুৰোধ নকৰিলে। বস্তুখিনি গোটাই লৈ তেওঁ দোকানৰপৰা উঠিল। এডাল চুৰট পকাই মাণিক চন্দ্ৰ মহাজনে তাক হুপিবলৈ আৰম্ভ কৰিলে। এনেতে মনাই বেপাৰী ভিতৰলৈ সোমাই আহি প্ৰশ্ন কৰিলে—

"হবনে?"

"দাম দৰ মিলিলে নহব কেলেই?"

"দুই বস্তা।"

"দুই বস্তা কিয় দহ বস্তা নোলোৱা কিয়? টকা পেলোৱা, মাল উঠাই লোৱা।"

মিচিকিয়া হাঁহিৰে মহাজনৰ মুখ পোহৰ হৈ গল। চুৰটৰ ছাইখিনি আঙুলিৰ মূৰেৰে আঁতৰাই তেওঁ মনাই বেপাৰীৰ মুখলৈ চাই আছে। মনায়ে হাঁহি মাৰি সুধিলে, "দাম?"

"কৈছোঁ নহয়, তাৰ কমে নহব।"

"কুৰিত নপৰে জানো?"

"বাপ্‌ৰে বাপ্‌! মই মৰিম নেকি!"

এটা ল'ৰাই মহাজনৰ পিনে কাৰ্ড এখন আগবঢ়াই দিলে। কাৰ্ডখন লুটিয়াই বগৰাই চাই মহাজনে লাহেকৈ মাত দিলে, "এতিয়াহে সময় পালানে? মাহৰ শেষলৈকে বৈ আছিলা যে ইমান দিন কি কৰিছিলা? এতিয়া চেনি নাই নহয়—শেষ হৈ গৈছে। এই মাহৰ ভিতৰত পোৱাৰ আশা নাই। অহা ক'টাত বাক কিবা এটা কৰিব লাগিব।"

ল'ৰাজনে আপত্তি দেখুৱালে "কটাৰ চেনি মাহ শেষ নৌ হওঁতেই আদায় হয় কেনেকৈ ? যদি আটাইখিনি নোৱাৰে অলপ অচৰপকে দিয়ক। ঘৰত চেনি নাই। দেউতাই যেনে তেনে অলপ নিবলৈ কৈছে।"

"এঃ বাপা তোমালোক হলা ল'ৰা মানুহ। কি বুজিবা দিন কেনে হৈছে। বাব বছৰ বয়সৰপৰা কাৰবাৰ কৰিলোঁ। কিন্তু এনে দিন দেখা নাছিলোঁ। গ্ৰাহকক দিব লগা বস্তু দিব নোৱাৰোঁ—এজন ভদ্ৰলোকৰ খাতিৰ ৰক্ষা কৰিব নোৱাৰোঁ। আমাৰ জানো লাজ নালাগে। কিন্তু কৰিম কি ? উপায় নাই। এইবাৰ হ'লচেলাৰৰপৰা অনা বস্তাৰ প্ৰতিটোতেই আটে সেৰকৈ কম। তুমিয়েই কোৱাচোন সকলো গ্ৰাহকে চেনি পায় কেনেকৈ ? আমিতো চেনি তৈয়াৰ কৰিব নোৱাৰোঁ।"

মনাই বেপাৰীয়ে সমৰ্থন কৰি কলে, "এৰা, কাৰবাৰীৰ মৰণ হৈছে। মূৰ কাটি দিলেও গ্ৰাহকে নপতিয়ায়। আনপিনে পানী চলাদি টকা ঢালিলেও মাল পোৱা নাযায়।"

ল'ৰাজনে আগৰ সুৰতে আপত্তি জনালে, "দোকানলৈ গলে উচিত দামত চেনি নাপাঁয়। কিন্তু সেৰ দুটকাকে দিলে ওলায় ক'ৰপৰা ? আৰু এই চাহ দোকানবোৰ ? এইবোৰ চলিছে কেনেকৈ ? ইহঁতে চেনি পায় ক'ত।"

"ঠিক ধৰিছা বাপা।" মহাজনে সমৰ্থন কৰি কৈ উঠিল। "এইবোৰহে কথাৰ কথা। অভাৱৰ মূল ক'ত তাকে বিচাৰি উলিয়াই তাক উভালি পেলোৱা। সেয়েহে দেশৰ কাম। নহলে কলাবজাৰ বন্ধ হ'ক বুলি বাটে বাটে চিঞৰি লাভ কি ? এইবোৰ তোমালোক ডেকা ল'ৰাৰ কৰ্তব্য। আমাৰ কথা এৰি দিয়া। আমাৰ কথাও কেৱে নুশুনে আৰু আমাৰ সময়ো নাই।"

মনায়ে মহাজনক সোঁৱৰাই দিলে, "মোৰ বাতি হয় মহাজন।"

মহাজনে খঙেৰে কৈ উঠিল, "যোৱাহে, তোমালোকে সময় অসময় বুজি নোপোৱা। একেবাৰেই ৰঙা ঘোঁৰাটোত উঠি আহিছা। নহয়নে ?"

আন দুজন ল'ৰা সোমাই আহি চেনিৰ খবৰ কৰিলে। মহাজনে যোগনীয়া হাকিমক ধৰি পিছ দিনালৈ কিবা বন্দৱস্ত কৰিব বুলি আশ্বাস দি সিহঁতক সন্তুষ্ট কৰি পঠিয়ালে।

এজন বুঢ়া সোমাই আহিল "বাপা, তোমাৰ দোকানত চেনি পায় বুলি শুনিলোঁ। ?

মনায়ে মূৰ তুলি চালে। বুঢ়াই মনাইৰ ওচৰলৈ আহি মিনতিৰ সুৰত কলে

"দিয়া বাপা, এপোৱা চেনি দিয়া। নাতিনীজনীৰ জ্বৰ। কতো এতোলা চেনি পোৱা নাই। কবিৰাজে কৈছে—সেই সৰ্বে কবিৰাজ—তুমি তাক চিনি পাবই পোৱা। তেৱেঁই কৈছে বোলে বুঢ়া অলপ চেনিৰ যোগাৰ কৰিবি। চাৰিওফালে বিচাৰি ফুৰিছোঁ। ৰাতিও হল। ইপিনে আন্ধাৰ। অলপ দিয়া মোৰ সোণাই।"

মহাজনে হাঁহি মাৰি সুধিলে, "দাম কিমান আনিছা বুঢ়া?"

"কাহানিবাই খুটাৰ কানত এটা টকা থৈছিলোঁ। তাকেই আনিছোঁ। যি লাগে লোৱা।"

"গোটেই টকাটোৱেই লাগিবচোন।" মহাজনে হাঁহি হাঁহিয়েই কলে।

"লাগিলেও লাগক।"

মহাজনে হুকুম দিলে "সেই খাবলৈ থোৱা চেনিৰপৰা আধা পোৱা চেনি দে নোমল।"

নোমলে চেনিৰ টোপোলা বুঢ়াৰ হাতত তুলি দিলে। বুঢ়াৰ মুখত এটি আনন্দৰ চিন ফুটি উঠিল। টোপোলাটোৰ পিনে চাই চাই বুঢ়াই নিজকে নিজে কবলৈ ধৰিলে, "এইখিনি বস্তুৰ দাম এটা টকা! কি দিন হল! কলিৰ শেষ আহি পৰিল নেকি বাপা?"

আগবাঢ়ি গৈ বুঢ়াই মহাজনৰ ওচৰত টকাটো থলে। "নিয়া বাপা দামখিনি। বেমাৰী ছলিলৈ তেওঁ বস্তুটো পালেঁ। যে এয়ে বহুত।"

মহাজনে বুঢ়াৰ হাতত টকাটো তুলি দি কলে, "নিয়া, তুমি এই টকাটো লৈ যোৱা। বেমাৰীৰ পথ্য কিনিবা। তুমি বুঢ়া মানুহ। মোক তোমাৰ আশীৰ্বাদহে লাগে।"

বুঢ়াই হাততে স্বৰ্গ ঢুকি পোৱাদি পালে। "ঈশ্বৰে তোৰ কুশল কৰিব বাপা। এক গুণৰ ঠাইত এশ গুণ লাভ কৰাব।"

বুঢ়া ওলাই গ'ল। অন্যমনস্ক মনায়ে বাহিৰৰ পিনে চাই আগৰ সুৰতে কৈ উঠিল "ইঃ ৰাতিও ভালেমান হল!"

"কি ৰাতি হোৱাৰ কথাকে কৈ থাকাহে।" মহাজন হঠাৎ খঙতে জ্বলি উঠিল। "চুৰ কৰিবলৈ আহিছা দেখোন। ৰাতি নহলে দিন ডকাইতি কৰিবা নেকি?"

"সেইবোৰনো কি কয়," মনায়ে উত্তৰ দিলে। "আজিৰ দিনত ময়ো চোৰ আপুনিও চোৰ আৰু সকলোৱে—। মই জানিবা ঘটি-বাটি চোৰ আৰু আপোনালোক সিন্ধিখন্দা চোৰ।" বেপাৰীৰ মুখত হাঁহি বিৰিঙি ওলাল।

"আমি চোৰ নহয়হে। চোৰ তোমালোকহে। টকাত টকা দি আমি মাল আনিছো। হাজাৰ টকাৰ মালত আৱশ্যকমতে হাজাৰ টকা উলিয়াই দিছো। ই চুৰ কৰা নহয়—বুকুৰ তেজৰ বিনিময়ে উপাৰ্জিত ধন।"

"এৰক—এৰক সেইবোৰ". মনায়ে মাজতে বাধা দিলে। "মই এটা কওঁ।"

"কোৱা।"

"কুৰিত হয় যদি দিয়ক পাঁচ বস্তা।"

"উহুঁ নপৰে।"

"তেন্তে ?"

"চল্লিশ।"

"সেৰ এটকা চাৰি অনাকৈ পৰিল দেখোন। লাভ কি হব ?"

"কিয় সেৰ আঠ অনাকৈ হলে মোন কাৰা কুৰি টকা লাভ নহয়নে ?"

"এঃ, আজি সিমান ভাওত জিনিছ নচলে। লালসিং বাবুৱে গুড উলিয়াই দিয়াৰপৰা দাম পৰি গৈছে।" মনায়ে আপত্তি দেখুৱালে।

"বা-আ-ৰু ত্ৰিশ দিয়া। কোৱা কেই বস্তা লবা আৰু কথা নকবা। যদি হয় টকা দিয়া, যদি নহয় গুচি যোৱা। মোৰ আন কাম আছে।"

আন উপায় নেদেখি মনায়ে এক শ ত্ৰিশ টকা ৰূপ মহাজনৰ হাতত তুলি দি কলে, "আজিলৈ এক বস্তাকে দিয়ক। দামো বেছি। মুনাফা নহলেনো বেছিকৈ নি লাভ কি হব ?"

"মুনাফা নহবনে ?" মহাজনে লাহে লাহে কৈ গল। "দেখোঁতেই মোনকাৰা এক্কুৰি ওলায়ে আছে। তাৰোপৰি পাঁচ সেৰত আধা সেৰ উলিয়াই নলবানে ? তোমালোকৰ দৰে বেছাৰ কাণ কাটিব পাৰিলে যুদ্ধৰ বজাৰত লাখপতি হলোঁহেঁতেন।"

হাঁহি হাঁহি মনায়ে উত্তৰ দিলে, "কাণ নকটাকৈয়ে হাজাৰ হাজাৰ টকাৰ মাটি কিনিব পাৰিলে কাণ কটাৰো আৱশ্যক নাই।"

মহাজনৰ তুৰাৰ মুখত এখন গৰুগাৰী থিয় হল। মনায়ে ভিতৰৰপৰা এটা চেনিৰ বস্তা অনাই গাৰীত পেলাই দিলে। এজন মানুহে খেৰ ছটিয়াই লৈ তাৰে ওপৰতে শুই পৰিল। গাৰোৱানে গাৰী এৰি দিলে।

মহাজনৰ তুজন বন্ধু ভিতৰলৈ সোমাই আহিল। এজন পৱন—ডেকা লৰা, যুদ্ধৰ দিনতে কাৰবাৰ আৰম্ভ কৰি বেছ ধন ঘটিছে। বয়সত মহাজনতকৈ পৱন তালেখিনি সৰু। কিন্তু কথা বতৰাৰে চালে তেওঁলোকক সমবয়স্ক যেনহে লাগে।

পবন আৰু তেওঁৰ বন্ধু জোতা সোলোকাই গাদীৰ ওপৰতে বহিল। অলপ পিছতে হাকিমো ক'ৰবাৰপৰা আহি তাত যোগ দিলেহি। মহাজনে নেভিকাট্‌ চুৰটৰ টিন উলিয়াই কেউজনৰ মাজতে থলে।

"আজি গৰম নহয়নে ?" হাকিমে মহাজনৰ মুখলৈ চালে।

"নকৰ দেউতা। ৰাতিও টোপনি নাই, দিনটোতো শান্তি নাই। এবাৰ এবাৰকৈ তিনি বাৰ গা ধুলো, তেওঁ গৰম নকমে।" মহাজনে মাত দিয়াৰ আগতে পৰনে হাকিমৰ কথাকে সমৰ্থন কৰিলে।

মহাজনে হুকুম দিলে "দুখন বিচনী দে নোমল। আৰু সেই—বৰফ আছেনে ?"

"হয় আছে" আঁতৰৰপৰা নোমলে উত্তৰ দিলে।

"তেনেহলে চাৰি গিলাচ চৰ্বত লৈ আহ। যা-সোনকালে।"

"নাই—নাই নালাগে। এতিয়া সেইবোৰৰ আৱশ্যক নাই। মই এবাৰ ধনশ্ৰী বাবুৰ ঘৰলৈ যাব লাগিব।" হাকিমে আপত্তি দেখুৱালে।

মহাজনে অনুৰোধ কৰিলে "বাৰু বহকচোন অলপ সময়। চৰ্বত আনোতেনো কিমান দেৰি হব ? আপোনাৰ চুৰট শেষ নৌহওঁতেই সি আহি পাব।"

"এইবাৰ ময়দা বিতৰণ কেতিয়া হব দেউতা ?" পবনে প্ৰশ্ন উলিয়ালে।

"এৰা, তাৰেইতো একো স্থিৰ কৰিব পৰা নাই। অলপ মাল। জনমুৰি এছটাককৈয়ো নপৰে। তাৰোপৰি শুভকাৰ্য অশুভকাৰ্য আছেই।"

"হয় হয় দেউতা। এই অলপ মাললৈনো কাৰবাৰকে চলাওঁ কেনেকৈ। আমাৰ কাৰবাৰ বন্ধ কৰিব লগাহে হৈছে। ইপিনে মালো নাপাওঁ—সিপিনে গ্ৰাহকেও নেৰে। কোনে ইমানবোৰ ঘটং মটং সহ্য কৰে।"

"তোমাৰনো কি হৈছে ?" হাকিমে মাজতে কৈ উঠিল। "তুমি বহি আছা—বেছ সুখতে খাইছা। কিন্তু আমাৰ বেলিকা যে দিনৰাতিৰ ভেদাভেদ নাই। ঘৰতেই হওক, অফিচতেই হওক কেৱল মানুহৰ জুম। কাক সন্তুষ্ট কৰিম, কাক নকৰিম। কেতিয়াবা বাহিৰলৈ ওলাই আহোঁ তাতো মানুহে পাছে পাছে খেদি ফুৰে। সৌৱা দুজন আহিবই লাগিছে হবলা ?"

সকলোৱে মূৰ তুলি বাহিৰলৈ চালে। দুজন ভাল কানি কাপোৰ পিন্ধা ডেকা সোমাই আহিল—দুয়োৰে হাতত দৰ্খাস্ত।

হাকিমে হাতেৰে সঙ্কেত দি কলে, "ইয়াত নহয়—ইয়াত নহয়। অফিচলৈ যাবা।"

পবনে ধমক দিয়েই উঠিল, তইঁতে সময় অসময়ো বুজা হলি। যা লৈ যা। কাইলৈ দেউতাক অফিচত দেখা কৰিবি।”

এজনে মুখ জোকাৰি উঠিল, “তোমাক কোনে মাতিছেহে? নন্দা ভূঞাীয়েইতো সকলোৰে সৰ্বনাশ কৰিলা।”

“কি-ই-ই বেটা! চিনি পোৱা নাই।” বুলি পবনে খঙতে কল মাৰি হাতত লৈ চোচা ললে।

মহাজনে পবনক হাতত ধৰি বহুৱালে। হাকিমেও দৰ্খাস্ত দুখনৰ ওপৰত কিবাকিবি লিখি দিলে। মুখেৰে ভোৰ্ভোৰাই মানুহ দুজন ওলাই গল। এজনে যাওঁতে পবনক সাৱধান কৰি দি গল।

নোমলে প্ৰত্যেকৰে আগত একো একো গিলাচ চৰ্পত থলে। আটাই কেইজনে গিলাচত মুখ দিছে মাথোন। এনেতে বাহিৰৰপৰা এজন মানুহ দৌৰি ভিতৰলৈ সোমাই আহিল। তাৰ চকুমুখে ব্যস্ততাৰ চিন।

“মহাজন—সৰ্বনাশ—সৰ্বনাশ। আপুনি যেনে আছে তেনেই আহক।”

“কি হল? কি হল?” আচৰিত হৈ মহাজনে গাদীৰ ওপৰতে থিয় দিলে।

“সেই চেনি—চেনি।”

“কি সেই চেনি অ'? ভালকৈ নকৰ কিয় মূৰ্খ?”

“সেই চেনি আটক কৰিছে।”

“চেনি আটক কৰিছে! কোনে?”

“গাঁৱৰ মানুহে।”

“কাৰ চেনি?”

“এতিয়াই যে আপোনাৰ পৰা মনাই বেপাৰীয়ে নিছিল সেই চেনি। আপোনাৰ চেনি।”

“কি ক'য় অ' এইটোৱে? হেৰ পাগল হৈছ নেকি?”

“কিয় পাগল হম হে। এতিয়াই যে তোমাৰ পৰা নিলে। সেই চেনি।”

মহাজনৰ খঙে চুলিৰ আগ পালেগৈ। “হেৰৌ নোমল, এই পাগলটোক বাহিৰ কৰি দে। অ' ৰ—ৰ—শুনচোন। এতিয়াই মনাই বেপাৰীয়ে লোণৰ বস্তা নিছিলনে চেনিৰ বস্তা অ'?”

“চেনিৰ বস্তা।”

“বেটা ঠগিবলৈ আহিছিল। এতিয়া পৰিছে কালৰ হাতত। চাওকচোন,”

হাকিমৰ পিনে মহাজনে মূৰ ঘূৰালে। "মানুহক কেনেকৈ বিশ্বাস কৰো। বেটাই লোণৰ বস্তাৰ দাম দি চেনিৰ বস্তা উঠাই লৈ গল। উঃ দেশখন কি হল! কেৱল ঠগামি, কেৱল প্ৰৱঞ্চনা। মোৰ চকুত ধূলি দিছিলে ই কিন্তু ভগৱানৰ চকুত ধূলি দিব কেনেকৈ? কটা, সেই এক বস্তা চেনিয়েই আছে, তাকো হাত কৰিছিল সি। কথাতে কয় নহয় 'মিছা কথাৰ ঠেং চুটি'। ভাল হৈছে, এতিয়া মজাপালি পাওক।" অলপ সময় তলকা মাৰি মহাজনে হঠাৎ হাকিমৰ ফালে চাই কলে, "আপোনালোক অলপ বহক, মই আহোঁগৈ। দুষ্টৰ লগত সন্তৰ মৰণ হবও পাৰে। মই পুলিচত এটা খবৰ জনাওঁগৈ। নমস্কাৰ—"

"নাই আমিও উঠোঁহে" বুলি হাকিম উঠিল। পিছে পিছে পবন আৰু তেওঁৰ বন্ধুৱেও খোজ ললে।

মাণিক মহাজনৰ অন্তৰ কঁপি উঠিছে। আজি ডুবছৰ হল, এইবোৰ কাৰবাৰ কৰিছে তেওঁ কিন্তু কেৱে কতো খুঁত উলিয়াব পৰা নাই। আজিৰ দুৰ্নামে তেওঁক সমাজৰ চকুত হেয় কৰি তুলিব পাৰে। সেইবাবে তেওঁ দোকানৰ বাৰেণ্ডাত ইফালে সিফালে অহা-যোৱা কৰি নানান কথা ভাবিছে। নোমলে ভিতৰৰপৰা বাইচিকলখন উলিয়াই আনি মহাজনৰ আগত থিয় কৰিলে। একো নমতাকৈ মহাজনে বাইচিকল হাতত লৈ আলিবাট উঠিল গৈ। আলিবাটত জোণ্ডা শিলবোৰে মূৰ তুলি আছে। তাৰে ওপৰেদি বাইচিকল বেগেৰে জঁপিয়াই গ'ল। আন্ধাৰ বাতি। লাইটৰ ক্ষীণ পোহৰে দুয়ো কানতে সিঁচৰতি হৈ থকা সৰু-বৰ শিলবোৰ আলোকিত কৰি তুলিব পৰা নাই। বাইচিকল অ'ত ত'ত খুন্দা খাই বাগৰি গৈ আছে। মহাজনেও দুয়ো হাতেৰে হাতমাৰিত টানকৈ খামুচি ধৰি আগুৱাই গৈছে। সমুখত বিপদ। মাল পুলিচৰ হাত হোৱাৰ আগতে তেওঁ পৈ পালে ৰক্ষা। ভগৱানে তেওঁক বুধি দিব। কত দিন পাৰ হৈ গৈছে। সেইবোৰত তেওঁ দেৱতাৰ করুণাৰপৰা বঞ্চিত হোৱা নাই। এইবাৰো আই গোসাঁনীৰ কৃপাত তেওঁ ৰক্ষা পৰিব। তেওঁৰ মনত পৰিল কালী গোসাঁনীৰ মন্দিৰলৈ। আগেয়ে তেওঁ দুবাৰো দুটা ৰূপৰ ফুল দেৱীৰ চৰণত নিবেদন কৰিছে। এইবাৰ এটি সোণৰ ফুলেৰে তেওঁ দেৱীৰ চৰণ পূজা কৰিব। আই গোসাঁনীৰ নজনা একো নাই। তেওঁ সকলোকে দেখিছে। দোষী তেওঁ অকলে নহয়—দোষী সমাজৰ সৰহ ভাগেই। ধন ব্যয় কৰি তেওঁ ধন ঘটিছে—মিছা, প্ৰবঞ্চনাৰে নহয়। হাকিম হুকুমক বশ কৰিবলৈ তেওঁ বেগ পাব লগা হৈছিল। সেই ক্ষতি এতিয়াও পূৰ হোৱা নাই। গোসাঁনীৰ কৃপা হলে দুই এক মাহৰ ভিতৰতে হব।

হঠাৎ এটা শব্দ শুনা গল। লগতে বাইচিকলৰপৰা খৰ্খৰনি শব্দ উঠিল। মহাজন একে জাপেই বাইচিকলৰপৰা নামিল। পিছৰ চকাত পাম্প নাই। উঃ—বিপদৰ উপৰি বিপদ? "মা কালী কেচাইখাইতী—তোৰ ইচ্ছা পূৰ্ণ হওক!"

অস্থিৰ ভাবেৰে মহাজনে বাইচিকল ঠেলি আগবাঢ়িব ধৰিলে। থুলন্তৰ লোক তেওঁ। খোজ কাঢ়িলে গোটেই গাটোৱে লৰি উঠে। সিদিনাহে তেওঁ বুজিলে তেওঁৰ শৰীৰৰ ভাৰ কিমান। ইয়াৰ বাবেই মানুহে শকত হবলৈ বিচাৰেনে?

অলপ দূৰতে মানুহৰ গোলমাল শুনা গল। নিশ্চয় মাল দাৰোগা পুলিচৰ হাত হোৱা নাই। তেওঁৰ গাটো অলপ পাতল যেন লাগিল। দুগুণ বেগেৰে খোজ দিলে তেওঁ। সোনকালে গৈ পালেই ৰক্ষা। উপায় ওলাব। আই গোসাঁনীয়ে তেওঁক বিপদত নেপেলায়।

মনাই বেপাৰীৰ মাত শুনা গল। এজনে চিঞৰি উঠিছে, "বেটাক বান্ধ। চুৰ কৰি মাল আনিব আৰু ইয়াৰেই বৰ কথা!"

আন এজনে বাধা দিছে "ৰবাচোন ৰবা। এওঁক বান্ধি কৰিবা কি? কোন মহাজনৰপৰা আনিলে ভাবে খবৰ লোৱাচোন। এওঁ দেখোন মাণিক মহাজনৰ নাম কয়।"

"মাণিকেই হওক বা মুক্তাই হওক—আমাৰ কি হল? তেওঁকো বগৰাব লাগে।" দুজনমান ডেকাই চিঞৰি কলে।

ফোপাই জোপাই মাণিক মহাজন জনতাৰ মাজত উপস্থিত হলহি। তেওঁ যেনে বুদ্ধিমান তেনে নিৰ্ভীক। পোনেপোনেই বস্তাৰ গুৰিলৈ গৈ তেওঁ প্ৰশ্ন কৰিলে, "কি হৈছে? ইমান গোলমাল কিহৰ?"

আগ বাঢ়ি আহি মনায়ে মাত লগালে, "এওঁলোকে মোক জুলুম কৰিছে।"

"কিয়?"

"এই চেনিৰ কাৰণে?"

"কৰিবতো। তুমি কিনিলা লোণ আৰু আনিলা চেনি। গাঁৱৰ মানুহে বেমাৰত এতোলা চেনি নাপায় অথচ তুমি এনেকৈ বস্তাই বস্তাই চেনি আনি অধিক দামত বেচিবা, লাভ কৰিবা। তুমি আচল কথাটো কৈ নিদিলা কিয়—যে ভুলতে লোণৰ সলনি চেনি আহিছে।" জ্ঞানীলোকৰ দৰে মহাজনে উপদেশ দিলে! সকলোৱে ৰ লাগি মহাজনৰ পিনে চাই আছে।

"মই এতিয়াই এইটো আপোনাৰপৰা কিনি আনিছিলোঁ।"

"বুৰ্বক তুমি।" মহাজনে খঙেৰে বাধা দিলে। "তুমি লোণ কিনিছিলা ভুলতে মানুহে চেনিৰ বস্তা দিছে উঠাই।"

মনাই নিমাত।

"কোৱা তুমি লোণ কিনিছিলা ?"

বেপাৰী নিৰুত্তৰ।

"তুমি মোক ত্ৰিশ দিছিলা নে নাই ?"

"দিছিলোঁ।"

"তুমি বুৰ্বক নহয়নো কি ? ত্ৰিশত আটে মোণ চেনি পায়নে ?" মানুহবোৰে হো-হো কৈ হাঁহি উঠিল। মাণিক মহাজনে ইফালে সিফালে চাই মাত লগালে "ও—সেইটো গজো কাকা নেকি ?"

"হয় বাপা।"

"তোমাৰ গাৰীখন লৈ আহাচোন। ভাল লোকচান হব ধৰিছিল। তোমালোকৰ হাতত নপৰা হলে এওঁ বেপাৰীৰ পৰা টকা উলিয়াবলৈ আৰু কত দিন লাগিলহেঁতেন। পিছে আই গোসাঁনী তুষ্ট আছে বুলিহে।"

"আপুনি এই চেনি নিব নোৱাৰে। আমি পুলিচত গতাই দিম।" দুজন ডেকাই একেলগে কৈ উঠিল।

"এঃ বাপা, পুলিচত গটালেনো কি হব। তাতকৈ নিয়া—তোমালোকেই ভগাই বটাই খোৱাগৈ। বঙা পাগুৰিয়ে খোৱাতকৈ বাপ্ ভাইৰ গাত লাগিলে পুণ্য হব।"

এটা বুঢাই মাত লগালে, "মই এটা কথা কওঁ বাপা।"

"কওক", মহাজনে আগ্ৰহেৰে কাণ পাতিলে।

"আমাক পাঁচ সেৰ চেনি দিয়ক। ল'ৰা-ছোৱালীয়ে খাব।"

মহাজনে হাঁহি মাৰি কৈ উঠিল, "পাঁচ সেৰ কিয়, পোন্ধৰ সেৰ নিয়ক। চেনি ভাঙৰ নে আপোনালোকে ভাঙৰ। আপোনালোককহে মোক লাগে।" মহাজনে উল্লাসৰ ভাবত উত্তৰ দিলে।

মনায়ে দেখিলে এক শ ত্ৰিশটাকৈ টকা পানীত পৰি যায়। সেইবাবে মৰসাহ কৰি সি গজোৰ গাৰীৰ আগত থিয় হৈ বাধা দিলে, "ৰবা, ই মোৰ মাল। কলৈ নিয়া ?"

চকু পকাই মহাজনে মনাইৰ পিনে চালে কিন্তু মনাই নিৰস্ত নহল।

মহাজনে খঙতে কৈ উঠিল, "ধৰ্ ইয়াক।"

দুজন মানুহে মনাইৰ হাতত ধৰিলে। কাণ্ড বিষম দেখি মনায়ে একো কৰলৈ সাহ কৰা নাই। লাহে লাহে শিলৰ ওপৰেদি গঞ্জোৰামৰ গাৰী বাগৰি গল। মনাইৰ চকুৰ আগতে গাৰীখন আগুৱাই যাব ধৰিছে, তথাপি সি বাধা দিব পৰা নাই। চাওঁতে চাওঁতে গাৰী আঁতৰি আন্ধাৰত নেদেখা হল। মনাই বেপাৰী য'তে আছিল ত'তেই থিয় হৈ থাকিল। দুজনমানে কৈ উঠিল, "এনেকৈ দুই চাৰিজনক বগৰাব নোৱাৰিলে, ইহঁতে সকলো চুহি লব।"

নলবাৰী
৩।১০।৪৮

অবিচাৰ

অবিচাৰ—অবিচাৰ কৰিছে আপুনি। দীঘল দহ বছৰ কাল আপোনাৰ তলত খাটিলোঁ—দিন নাই, ৰাতি নাই আপোনাৰ কাম কৰিলোঁ, সেৱা কৰিলোঁ। কিন্তু আপুনি? আপনি চকুৰ পলকতে সকলো পাহৰি গল। মোৰ দুখ, মোৰ বেদনাই আপোনাৰ অন্তৰ চুব নোৱাৰিলে। মোৰ হিয়া ভাঙি গৈছে, বুকুৰ কলিজাৰ তেজ শুকাই গৈছে—নহলে আজি ভিকহুৰ দৰে এই দুৱাৰ মুখত অনুনয় বিনয়ৰ প্ৰয়োজন নহলহেঁতেন।

আপোনাৰ কাষতে বহি আছে তেওঁ। তেওঁ কাৰখানাৰ গুৰিয়াল, আপোনাৰ বন্ধু। তিনি বছৰ পাৰ নৌহওঁতেই তেওঁ নকৰিলে কি? তেওঁৰ ঘৰদুৱাৰ পকী হল। দহজনৰ লগত মেল মাৰি, ধেমালি কৰি সময় কটাবলৈ তেওঁ আহৰি পালে, আপোনাৰ সমানে সমানে আসন পালে। অথচ মই! দীঘল দহ বছৰ আপোনাৰ সেৱা কৰি শেষত লাভ কৰিলোঁ অপযশ, গঞ্জনা আৰু তিৰস্কাৰ। মই যি আছিলোঁ সেয়েই থাকিলোঁ—অন্নহীন, বস্ত্ৰহীন, ডাল দৰিদ্ৰ। মোৰ অৱসৰ নাই। দিনে ৰাতিয়ে শৰীৰৰ ওপৰত অত্যাচাৰ কৰিছোঁ, জাৰে-জহে, ৰ'দে-বৰষুণে, আপোনাৰ কাৰখানাৰ ধূলি-বালিৰ মাজত নিজকে এৰি দিছোঁ তথাপি মোৰ পোনাহঁতক দুবেলা দুমুঠি খুৱাব নোৱাৰোঁ—বেমাৰত ছট্ফটাব ধৰিলেও মই তাহাঁতক দৰব দিব নোৱাৰোঁ, তাহাঁতৰ শুকান মুখত এটুপি গাখীৰ ঢালি দিব নোৱাৰোঁ। বছৰ বাগৰি যায়। বেলি উঠে, বেলি বুৰে—ধুমুহা আহে—বৰষুণ পৰে—নদীত ঢল উঠি ধাননি পথাৰৰ ওপৰত ঢৌ খেলি যায়। সেই ঢৌৱে মোৰ ঘৰৰ পিৰালি খহাই লৈ যায়—ভেটি ভিজি, সেমেকি কেঁচুমটাৰে ভৰি উঠে। তাতেই মোৰ পোহাহঁতে খেলে। গাত বোকা-মাটি সানি, গা ধুই ৰং পায়। সিহঁতে বুজে আন লৰা'ই কেনেকৈ ৰং-ধেমালি কৰে—সিহঁতে নাজানে আন কিছুমান কেনেকৈ ভোগ-বিলাসত ডাঙৰ-দীঘল হয়। জাৰ আহে। ওৰে নিশা ফিৰ্‌ফিৰিয়া বতাহে মোৰ গা কঁপাই যায়। পোনাহঁতে কুঁচিমুচি মাকৰ বুকুৰ মাজত সোমায়। তথাপি ঠেৰেঙা লাগে সিহঁতৰ। ৰাতিপুৱা কুঁৱলীয়ে গোটেই পৃথিৱী আগুৰি ধৰে। বতাহে কুঁৱলীবোৰ লুটিয়াই বগৰাই ঠেলি লৈ যায়।

মোৰ ভগা বেৰৰ মাজেদি কুঁৱলীবোৰ ঘৰৰ ভিতৰ সোমায়। ল'ৰাহঁতৰ ওঁঠ কঁপি উঠে। জুহালৰ গুৰিত মাকে সিহঁতক সান্ত্বনা দিয়ে, ভগৱানৰ নাম লয়, কয়—কপালত লিখা থাকিলে সিহঁতেও কানি-কাপোৰ পালেহেঁতেন, গাখীৰ-ঘোঁৰা পালেহেঁতেন। হুমুনিয়াহেৰে মাকৰ বুকু ভাৰ হৈ যায়। মই কাণেৰে সকলো শুনোঁ, চকুৰে সকলো দেখোঁ। বেদনাত মই চিঞৰি উঠিব খোজোঁ। পোনাহঁত মোৰ অতি চেনেহৰ। এমাহ দুমাহৰ পিছত কামৰ গধুৰ বোজা এৰি এদিন ঘৰলৈ যাওঁ। মোৰ মনত বহুত আশা থাকে, কল্পনা থাকে, কিন্তু মোৰ ল'ৰা, মোৰ তিৰোতাৰ বিলাই দেখিলে সকলো আশা মৰহি যায়, সকলো কল্পনা আঁতৰি পলায়। একো একোবাৰ মোৰ মন বিদ্ৰোহী হৈ উঠে। মই মনতে ভাবোঁ সৎ, অসৎ যি উপায়েৰে নহওক মোৰ ল'ৰা তিৰোতাক মই খুৱাব লাগিব, কানি-কাপোৰ দিব লাগিব। বাবু ভায়াৰ ঘৰত ল'ৰা-ছোৱালীৰ যি আপ্‌ডাল দেখিছোঁ ময়ো সিহঁতক তেনেকৈ আপ্‌ডাল কৰিব লাগিব। কিন্তু বিবেক বাধা দিয়ে। দুখত পৰিলেও মোৰ সুনাম আছে। গাঁৱৰ সকলোৱে মোক প্ৰশংসা কৰে, মোৰ সাধুতাৰ শলাগ লয়। সেইবাবে সন্তুষ্ট থাকোঁ। ল'ৰা-তিৰোতাক দুখ-দুৰ্গতিৰ মাজত এৰি ভগৱানৰ নাম লৈ ঘৰৰপৰা আঁতৰি গুচি আহোঁ। পিছত আপোনাৰ কাৰখানাৰ মাজত সোমাই লাহে লাহে সকলো পাহৰি যাওঁ। কাৰখানাৰ চকাৰ ঘৰ্ঘৰণি শব্দ, ফিতাৰ হেন্দোলনি, বনুৱাৰ খিকিন্দালি সকলোৱে মোক এখন নতুন জীৱন্ত জগতৰ মাজত ৰাখে। তাত বিশ্ৰামৰ স্থান নাই, চিন্তাৰ অৱকাশ নাই। নিজৰ অস্তিত্ব পাহৰি কাৰখানাৰ এটি অঙ্গৰ দৰে একে কামকেই মই বাৰে বাৰে কৰি থাকোঁ। মোৰ শৰীৰ ভাগৰি যায়—মনলৈ আহি পৰে অৱসাদ। শেহত পৰিশ্ৰান্ত দেহ-মন লৈ যেতিয়া তাৰপৰা ওলাওঁ তেতিয়া বাটত বিজুলী বাতি জ্বলে, হাট-বজাৰ কৰি মানুহ ঘৰমুৱা হয়।

আপোনাৰ কাৰখানাৰ প্ৰতিটো বস্তুৱেই মোৰ পৰিচিত, মোৰ আপোন। এই কাৰখানাৰ ফিতাই গুলাব সিংহক গুৰি কৰি পেলাইছে, ধনলালৰ হাতৰ আঙুলি ছিঙি নিছে কিন্তু এই দীঘলীয়া সময়তো মোৰ খতিখুন হোৱা নাই। আজি দহ বছৰ কাল মই সেইবোৰ নিজ হাতেৰে লাৰিচাৰি পৰিষ্কাৰ কৰিছোঁ। সেইবোৰৰ স্পৰ্শতো যেন মোৰ আনন্দ। সেই হাতমাৰি ডালত মোৰ হাতৰ আঙুলিৰ সাঁচ বহি গৈছে। মই জানোঁ কাৰখানাত মোৰ নিজৰ বুলিবৰ যদি কিবা আছে তেন্তে সি হাডভগা পৰিশ্ৰম। তথাপি চকৰিবোৰৰ এক ধৰণৰ গতিত, ইঞ্জিনৰ কাণ তাল মৰা শব্দত মোৰ প্ৰতি মাদকতা আছে। সেইবোৰে

মোৰ প্ৰাণত কৰ্মশক্তি জলাই তোলে। কাৰখানাৰ উকি শুনিলে দুখ, ভাগৰ পাহৰি তাৰ মাজলৈ লৰি আহোঁ—পাবৰ আশাত নহয়, কৰ্মৰ আনন্দত।

আপোনাৰ বন্ধুৱে প্ৰশ্ন কৰিছে পোন্ধৰ দিন মই কামত অনুপস্থিত কিয় ? সিদিনা ৰাতি ভদায়ে ততাতৈয়াকৈ আহি খবৰ দিলে—মোৰ গৃহিণীৰ অৱস্থা সঙ্কটজনক। মোৰ মনত পৰিল পোনাইঁতলৈ। সিহঁতৰ প্ৰতি মই বাপেকৰ কৰ্তব্য কৰিব পৰা নাই। শেহত সিহঁত মাউৰা হব নেকি ? লগতে আপোনাৰ কাৰখানাৰ কথা মনলৈ আহিল। মই নহলে কাৰখানাৰ ক্ষতি হব, বনুৱাবোৰে কামত গাফিলি কৰি সময় কটাব। সেইবাবে লৰি আহিছিলোঁ। আপোনাৰ ওচৰলৈ কিন্তু আপোনাৰ দুৱাৰ বন্ধ, আপুনি টোপনিত। আপোনাক জগাবৰ সাহ নহল। আলসুৱা দেহ, টোপনি ভাঙিলে টোপনি নাহিব, ভয় কৰি ভদাইৰ লগতে ৰাতিয়েই ঘৰলৈ লৰ দিলোঁ। ঘৰত যি দেখিলোঁ তাতে মোৰ বুকু কঁপি উঠিল। আপোনাৰ কাৰখানাৰ কথা পাহৰি গলোঁ। মোৰ এক মাত্ৰ ধ্যান হল কেনেকৈ মাকক মৰণৰ গৰাহৰপৰা ৰক্ষা কৰোঁ। পলম নকৰি ৰাতিয়েই বেজ মাতিবলৈ গলোঁ। কিন্তু বেজ নাহে। শেহ ৰাতি। তাতেই শীতকাল। বেজক হাততে টকা লাগে আৰু মোৰ হাততো টকা নাই। হতাশ মনেৰে ঘৰলৈ উলটি আহিলোঁ। মোৰ মনলৈ ভাব আহিল, এইবাৰ নিশ্চয় ল'ৰা দুটিক কাষত লৈ ঘৰে ঘৰে ভিক্ষা কৰি ফুৰিব লাগিব। ৰাতিপুৱা পাঁচ মাইল আঁতৰৰ ডাক্তৰখানালৈ বুলি খোজ ললোঁ। তাতো ডাক্তৰক অনুনয় বিনয় কৰি আনিব নোৱাৰিলোঁ। তেওঁৰ কাম বহুতো। কত মানুহ তেওঁৰ কাৰণে বৈ আছে। মই সেইবোৰৰ ওচৰত কি খেৰকুটা ! সেইবাবে ঔষধকে আনিলোঁ। দুটা বটল—একেবাৰেই মুখলৈ ভৰা। এদিনৰ ভিতৰতে সকলোবোৰ খুৱালোঁ তথাপি বেমাৰৰ উপশম নাই। পিছদিনা আকৌ তালৈ দৌৰিলোঁ, ঔষধ আনিলোঁ, খুৱালোঁ। এনেকৈ একেৰাহে সাত দিন অহা যোৱাৰ পিছত এদিন ডাক্তৰ আহিল আৰু বেমাৰীক চাইচিতি মোক নানান পৰামৰ্শ দিলে। সিদিনাৰপৰা বেমাৰীয়ে অলপ সকাহ পালে। যোৱা পৰহি মাথোন বেমাৰীক ভাত দিছো। এতিয়াও বেমাৰী দুৰ্বল। তথাপি সকলো এৰি গুচি আহিছোঁ আপোনাৰ কাৰখানাৰ মায়াত। কিন্তু আপুনি কৰিছে কি ? মই নজনাকৈ মোক চিৰদিনৰ বাবে বৰ্খাস্ত কৰিছে। হয়তো এই বৰ্খাস্ত আপোনাৰ বন্ধুৰ কাৰণে, হয়তো সি আপোনাৰ কাৰণে।

কি ! দুৱাৰ বন্ধ কৰে কিয় ? মোৰ কথাখিনি শুনক। তাৰ পিছত দয়া

হলে ৰাখিব, নহলে খেদি দিব। তথাপি শুশুনে? তেনেহলে মোৰ এই অনুনয় বিনয়ে, মোৰ এই দুখৰ কাহিনীয়ে আপোনাৰ হিয়াত দয়া ওপজাব পৰা নাই!

আপুনি জানিব-সকলোবোৰ আপোনাৰ বন্ধুৰ চক্ৰান্ত। তেওঁ আপোনাৰ সৰ্বনাশ কৰিব। তথাপি দুৱাৰ বন্ধ কৰি দিলে আপুনি! যদি ইমান নিষ্ঠুৰ তুমি, ময়ো তাৰ প্ৰতিশোধ লম। মোৰ দুখৰ কাহিনীৰে সকলো বনুৱাক জগাই তুলিম। মই গৈ লালবিহাৰী চৰ্দাৰৰ ভৰিত পৰি কান্দি কান্দি কম। সিও দুখীয়া, সিও ল'ৰা-ছোৱালীৰ বাপেক। সি বুজিব মোৰ বুকুৰ বেদনা, সি পেলাব মোৰ দুখত এটুপি তপত চকুলো। মই প্ৰতিশোধ লম তোমাৰ ওপৰত। কলিজাৰ তেজ পানী কৰি তোমাৰ সেৱা কৰিছোঁ, ধন-সোণেৰে তোমাৰ ঘৰ পূৰ্ণ কৰিছোঁ, তথাপি তুমি নুবুজিলা মোৰ দুখ। ইয়াৰ প্ৰায়শ্চিত্ত হব। আকৌ হাঁহিছে তেওঁ? কি! মোক বিদ্ৰূপ কৰিছা? মই উন্মাদ? তেন্তে দেখিবলৈ পাবা—অন্নহীন উন্মাদৰ ক্ষমতা কিমান। তোমাৰ ইঞ্জিনৰ শব্দ বন্ধ হৈ যাব, কাৰখানাৰ চকৰি ঘূৰিব এৰিব, লোৰ যন্ত্ৰপাতি মামৰ খাই পেলাব। হাজাৰ হাজাৰ বনুৱাই মোৰ দুখত দুখী হব—মোৰ প্ৰতি কৰা অবিচাৰৰ প্ৰতিবাদ জনাব—

*　　*　　*

ভিতৰত। কোনোবাই হাঁহি উঠিল। আন এজনে চিঞৰি কলে "মৰীচিকা"।

*　　*　　*

বাহিৰত। সোঁ সোঁকৈ বলা বতাহ ঠেলি ঠগীবামে লাহে লাহে লালবিহাৰী চৰ্দাৰৰ ভগা পঁজাৰ পিনে আগবাঢ়ি যাবলৈ ধৰিলে।

নলবাৰী

৩।১১।৪৮

শিল্পী

এখন জীপ গাৰী ৰমেশ ডেকাৰ পদূলি-মুখত থিয় হ'ল। নগৰৰ অৱহেলিত অঞ্চলত তেওঁৰ ঘৰটো, বাস্তাৰপৰা অলপ ভিতৰ সোমোৱা, আড়ম্বৰহীন। বাহিৰৰ ফালৰ পৰা গোবৰ মাটি লেপা এখন বেৰ আৰু খেৰি চাল দুখনৰ আগভাগটোহে মানুহৰ চকুত পৰে। ঘৰৰ নাতি কাষৰে ৰিক্সা-চালক, গোৱাল, কুলী-মালীৰ সৰু সৰু লেতেৰা পজাবোৰ। সমুখত গাঁৱৰপৰা অহা আঠ দহ জন ফাণ্ট্‌ কাম কৰা মানুহৰ ঘৰ তিনিটা।

যি অঞ্চলত ৰমেশ থাকে সেই অঞ্চলৰ মানুহবোৰ আটায়ে পৰিশ্ৰমী। কপালৰ ঘাম মাটিত পেলাই সিহঁতে কাম কৰে আৰু তাৰেই যি উপাৰ্জন হয় তাৰেই নিজে খায়, ল'ৰা-তিৰোতাকো খুৱায়। ধন ভাঙিবলৈ সিহঁতৰ সম্বল নাই, বিলাসৰ প্ৰলোভনত গা এৰি দিবলৈ সিহঁতৰ আহৰি নাই। দিনে দিনে পৰিশ্ৰম, ক্লান্তি আৰু অৱসাদৰ চাকনৈয়াত সিহঁত ঘূৰিছে, ওপঙিছে, বুৰিছে।

জীপৰপৰা দুজন মানুহ নামিল। দুয়োৰো বয়স দুকুৰিৰ ওচৰাওচৰি। দুয়োজন সুশ্ৰী পুৰুষ, ওখ, বগা কিন্তু গা পাতল। তেওঁলোকৰ গাত ইস্ত্ৰি কৰা মোটা কাপোৰ, ধুতি, পাঞ্জাবী টুপী। এজনে মিহি এৰী চাদৰ এখন গাত মেৰাই মাঘমহীয়া জাৰ আগুৰিছে। আনজনে এটা দীঘল গৰম কোটেৰে গা ঢাকি মূৰ্তিমান গাম্ভীৰ্যৰ দৰে জীপৰ কাষতে থিয় দি আছে। ইফালে সিফালে চাই দ্বিতীয়জনে নাক কোচাইছে আৰু বিতচকু সোলোকাই ৰুমালেৰে চকু-মুখ মোহাৰিছে। কৰ্মব্যস্ত লোক তেওঁ। তেওঁৰ উশাহ লবলৈ সময় নাই। তথাপি বন্ধু নগেনৰ অনুৰোধ এৰাব নোৱাৰি তেওঁ আহিছে। সেইবাবে তেওঁৰ অন্তৰত বিৰক্তিবোধ। কিন্তু সি প্ৰকাশিত হোৱা নাই, মাথোন প্ৰকাশৰ বাট বিচাৰি ভিতৰতে গুমৰি আছে।

"ঘৰত আছেনে?" নগেনে চিঞৰি মাতিলে। কোনো উত্তৰ নাই। ঘৰৰ ভিতৰতো কাৰো সাৰিশব্দ নাই।

"এওঁনো এইখন স্বৰ্গপুৰীহে বিচাৰি পালেনে?" দ্বিতীয় জনে ভোৰভোৰাই নিজৰ মনৰ মাজত খুপ খাই থকা বিৰক্তিৰ ভাবকে প্ৰকাশ কৰিলে।

কেইখোজমান আগবাঢ়ি গৈ নগেনে দুৱাৰত খুন্দিয়াব ধৰিলে। “ডেকা-—বোলো ঘৰত আছেনে?”

দুৱাৰখন মেল খালে।

“অ’· ··তোমালোক! আহা, ভিতৰলৈ আহা, বহা। মনত নপৰে কিমান দিন তোমালোকৰ লগত দেখাদেখি হোৱা নাই। তোমালোক ব্যস্ত, ময়ো ব্যস্ত। কেৰে কাৰো খবৰ লোৱাৰ সময় নাই। নহয়নে বাৰু?”

হাঁহি হাঁহি ৰমেশে তুখন চকী আগবঢাই তুয়োকে অভ্যৰ্থনা জনালে, নিজে এখন টুলৰ ওপৰত বহিল।

কোঠাৰ ভিতৰত চকুত লগা বস্তু একোৱেই নাই। বাহিৰৰ ফালটো যেনে অনাকৰ্ষণীয় ভিতৰৰ ফালো ঠিক তেনেই। এটা আলমাৰী, এখন ওখ পীৰা, এখন মেজ, তুখন চকী আৰু এখন টুল—এয়েই কোঠাৰ ভিতৰৰ ফাৰ্নিচাৰ। আলমাৰীৰ ভিতৰত কেইখনমান ডাঙৰ ডাঙৰ কিতাপ আৰু কিছুমান কাগজ যত্নেৰে সজাই থোৱা আছে। আলমাৰীৰ কাষতে পীৰাখন। তাৰ ওপৰত কেইটামান চিয়াহীৰ বটল, কেইডালমান তুলি আৰু কিছুমান ৰং। আলমাৰীৰ ভিতৰত কিতাপ কাগজৰ বাহিৰে আনবোৰত পাৰিপাট্যৰ চেষ্টাও থকা যেন নালাগে। কোঠাৰ ভিতৰত চকী, মেজ আদি সকলো বস্তুৱেই নগ্ন দৰিদ্ৰতাৰ পৰিচয় দিছে।

“ৰমেশ, তুমি বলিয়া হৈছা নেকি?” বিতচকু সোলোকাই দ্বিতীয়জনে এটি অস্বাভাৱিক প্ৰশ্নেৰে কথা আৰম্ভ কৰিলে।

“যদি তোমালোকে ভাবা—”

“মনত পৰে তোমাৰ বিয়াল্লিছৰ আন্দোলন?”

“কেলেই নপৰিব? তাৰ প্ৰত্যেকটো কথাই মোৰ জীৱনত শিলৰ ৰেখাৰ দৰে মচিব নোৱাৰা দাগ এৰি গৈছে। সঁচাকৈয়ে চন্দ্ৰ, মই যেন তেতিয়া নিচা খাইছিলোঁ, উন্মত্ত হৈছিলোঁ।”

“ভুল ৰমেশ, তেতিয়া তুমি নিচা খোৱা নাছিলা কিন্তু আজি নিচা খাইছা, আজি উন্মত্ত হৈছা। আজি তুমি নিজৰ কৰ্মশক্তি, বাকৃপটুতা, বুদ্ধি কৌশল সকলোৱে সমাধি ৰচনা কৰিছা। কিন্তু বিয়াল্লিছত তুমি আছিলা নিৰ্ভীক, অক্লান্ত কৰ্মী—দেশৰ, দহৰ অৰ্থে প্ৰাণ উছৰ্গা কৰা বীৰ।

“আজিও তোমালোক আছা নহয়।”

“বিদ্ৰূপ এৰা ৰমেশ।” চন্দ্ৰৰ মুখ ৰঙা হৈ উঠিল। “আমি তোমাৰ

বলিয়ালিখন শুনিবলৈ অহা নাই। আমি বিচাৰি আহিছোঁ তোমাৰ কৈফিয়ৎ।"

"কৈফিয়ৎ!"

"এৰা কৈফিয়ৎ। স্বাধীনতাৰ পিছত ভাৰতে যেতিয়া পৃথিবীৰ শ্ৰেষ্ঠ শক্তিসমূহৰ লগত সমানে কামত লাগিছে, দেশৰ ভগ্নাৱশেষৰ ওপৰত নন্দন-কানন ৰচিবলৈ যত্নপৰ হৈছে, তুমি কৰিছা তাৰ বিৰুদ্ধাচৰণ আৰু পৰোক্ষে হাত মিলাইছা প্ৰতিক্ৰিয়াশীল শক্তিসমূহৰ লগত। তোমাৰ এই কাৰ্যৰ কৈফিয়ৎ আমাক লাগে।"

"জানা মই এজন নগণ্য শিল্পী। শিল্পীয়ে কাৰো ওচৰত কৈফিয়ৎ নিদিয়ে। কেতিয়াবা তোমালোকে কৈফিয়ৎ দাবি কৰিবা বুলি ভয় কৰিয়েই মই তোমালোকৰ পৰা লাহে লাহে আঁতৰি আহিছোঁ। তথাপি তুমি মোৰপৰা কৈফিয়ৎ বিচাৰিছা? ভাবি চোৱা।"

"ভাবি চাইছোঁ। তোমাৰ কৈফিয়ৎ আমাক লাগে। আজি বাট এৰি তুমি অবাটে গৈছা আৰু দেশৰ দ্ৰোহ আচৰণ কৰিছা। আজি পুনৰ্গঠনৰ যুগ। যুদ্ধক্লান্ত পৃথিবীৰ বুকুত ক্ষণিক শান্তি বিৰাজ কৰিছে। এয়েই উপযুক্ত সময়। এনে সময়তেই সামূহিক চেষ্টাৰ বলত গঢ়ি উঠিব লাগিব বিৰাট শিল্প প্ৰতিষ্ঠান। তুমি, মই সকলোৱে তাত যোগাব লাগিব আমাৰ ক্ষুদ্ৰ বৰঙণি। কিন্তু তুমি কৰিছা কি? হাড়ছাল নোহোৱা কিম্ভূত-কিমাকাৰ চিত্ৰ আঁকি বনুৱাৰ মাজত অসন্তোষৰ বীজ সিঁচি দিছা। সিহঁতে কামত মন নিদিয়ে, সিহঁত উশৃঙ্খল হৈ পৰিছে. সিহঁতে মালিকৰ লগত কাজিয়া আৰম্ভ কৰিছে। একগোট হৈ যেতিয়া সমস্ত দেশবাসীয়ে গঠনৰ কামত উঠি পৰি লাগিব লাগে তেতিয়া অশান্তিৰ সৃষ্টি হৈছে, দেশৰ অগ্ৰগতিত বাধা পৰিছে। আৰু এই অসন্তোষত ইন্ধন যোগাইছা তুমি নিজেই। দেশৰ দ্ৰোহ আচৰণ নকৰি তুমি কি কৰিছা বাৰু?"

"দেশৰ নামত বনুৱাৰ সৰ্বস্ব লুণ্ঠন কৰি অট্টালিকা সাজিলে সি বোধ হয় দেশপ্ৰেম হয়? এয়ে তোমাৰ যুক্তি! আচৰিত যুক্তি তোমাৰ।"

ৰমেশৰ চকুৰে মুখে ঘৃণা আৰু বিৰক্তিৰ চিন ফুটি উঠে।

চন্দ্ৰকান্তই উত্তৰ বিচাৰি পোৱা নাই। নগেনে আন কথা উলিয়ালে। "এৰক সেইবোৰ। তৰ্ক কৰি লাভ নাই। আমি এটা উদ্দেশ্য লৈ আপোনাৰ ওচৰলৈ আহিছোঁ। আপোনাৰ সক্ৰিয় সহযোগ আমাক লাগে। আপোনাৰ প্ৰতিভা আৰু কৰ্মশক্তিৰে আপুনি আমাৰ নেতৃত্ব গ্ৰহণ কৰক।"

"মই অপাৰগ নগেন। নেতৃত্বৰ যোগ্যতা আৰ্জি লব পৰা নাই। আনক উপদেশ দি জীৱনৰ ভালেমান দিন নষ্ট কৰিছোঁ। সুনাই উপদেশ দিব নোখোজোঁ। ভুল-ক্ৰটিৰ পিছত আজি নতুন পথৰ সন্ধান পাইছোঁ। এয়েই মোৰ প্ৰতি প্ৰকৃষ্ট পথ।"

"এই পথ অনুসৰণ কৰি আপুনি কিমান লাভবান হৈছে ভাবি চাওকচোন।"

আগ্ৰহেৰে নগেনে ৰমেশৰ মুখলৈ চালে আৰু ইঙ্গিতেৰে তেওঁৰ দৰিদ্ৰতাক সোঁৱৰাই দিবলৈ চেষ্টা কৰিলে।

"লাভ যথেষ্ট। ভগা ঘৰ, অস্বাস্থ্যকৰ ঠাই, অকলশৰীয়া, আপোনপেটীয়া স্বভাৱ সকলোকে এওঁ পাইছে। এওঁৰ অভাৱ কি?" হাঁহি হাঁহি চন্দ্ৰকান্তই নগেনৰ ইঙ্গিতৰ বহল ব্যাখ্যা দিলে।

ৰমেশৰ মুখখন হঠাৎ গহীন হৈ পৰিল। চন্দ্ৰকান্তৰ ৰুচিহীন উক্তিত তেওঁ আচৰিত হ'ল।

"এয়েই তেওঁৰ কাম্য। মানুহৰ দৰে থাকিবলৈ, নিজৰ ল'ৰা তিৰোতাক ছমুঠি ভালকৈ খুৱাবলৈ তেওঁৰ দায়িত্ববোধ নাই।"

এটি বিদ্ৰূপাত্মক হাঁহিয়ে চন্দ্ৰৰ মুখৰ মাংসপেশীবোৰৰ ওপৰত অস্বাভাৱিক পৰিবৰ্তন আনিলে।

"কৈ যোৱা।"

"কম কি। খেয়ালৰ বশবৰ্তী হৈ আনৰ ওপৰত এই দুৰ্বহ দৰিদ্ৰতা জাপি দিয়াৰ তোমাৰ কি অধিকাৰ আছে কোৱাচোন?"

"অধিকাৰ নাই তাক মই বুজি পাওঁ চন্দ্ৰ। কিন্তু ভদ্ৰতাৰ মুখা পিন্ধি আনক লুণ্ঠন কৰিবলৈকো মোৰ অধিকাৰ নাই। শুনা চন্দ্ৰ, মোৰ ক্ষমতাৰ জোখাৰে মই কাম কৰিছোঁ—নিজৰ তৃপ্তিৰ কাৰণে, সমাজৰ চকু মোকোলাবৰ বাবে। যদি সমাজে সেইটো বুজিবলৈ চেষ্টা নকৰে দোষ জানোঁ অকলে মোৰ?"

সুবিধা পাই নগেনে মাত লগালে। "আপুনি সমাজৰ দাবি পূৰণ কৰিবলৈ চেষ্টা কৰা নাই। বাস্তৱতা পৰিত্যাগ কৰি আপুনি ভাৱপ্ৰৱণতাৰ আশ্ৰয় লৈছে। আপোনাৰ কল্পনা অলীক। তাক মূৰ্ত কৰিবলৈ খুজিলেও সি মূৰ্ত হৈ নুঠে। আপুনি ভাৱপ্ৰৱণতা এৰি পেলাব লাগিব। তেতিয়াহলে আপুনি সকলোৰে সহযোগ আৰু সমৰ্থন পাব। আপোনাৰ চিত্ৰই সমাজৰ আশা আকাংক্ষা মূৰ্ত কৰিলে সমাজেই আপোনাৰ অভাৱ দূৰ কৰিব।"

"সমাজ পৰিত্যাগ কৰি হিমালয়ৰ ওচৰত সাধনাৰত হবলৈ মই কল্পনা কৰা

নাই নগেন। কিন্তু মই বিচাৰোঁ এনে বহল সমাজ, য'ত মানুহৰ প্ৰকৃত ছবি নিভাঁজ অৱস্থাত পোৱা যায়। তোমাৰ সমাজ কৃত্ৰিমতাপূৰ্ণ। বাহ্যিকতাই তাত প্ৰাণৰ সৌন্দৰ্য প্ৰকাশ নকৰে অথচ অন্তৰৰ কলুষ ঢাকিবলৈ যত্ন কৰে। তেনে সমাজতে আবদ্ধ থাকিলে শিল্পীৰ শক্তিক্ষয় হয়, শিল্পীৰ অকালমৃত্যু হয়।"

"আমি তাকেই বিচাৰিছোঁ ৰমেশ।" চন্দ্ৰই উৎসাহেৰে আৰম্ভ কৰিলে। "তোমাৰ শিল্পৰ অকালমৃত্যু আমাক লাগে, মোৰ বাবে নহয়, নগেনৰ বাবেও নহয়—দেশৰ বাবে।"

"তুমি বাৰে বাৰে দেশৰ কথা কৈছা চন্দ্ৰ," খঙেৰে ৰমেশে উত্তৰ দিলে। কিন্তু দেশপ্ৰেম দেখুৱাবলৈ তোমাক কোনে বাধা দিয়া নাই বৰং উদগণি দিছে, পুৰস্কাৰ দিছে। তোমালোকে নিজ বাটে গৈ থাকা মোৰ আপত্তি নাই কিন্তু মোৰ স্বাধীনতাৰ ওপৰত হাত দিবলৈ তোমালোকৰ ইমান আগ্ৰহ কেলেই? দেশদ্ৰোহীৰ প্ৰশ্ন নুতুলিবা। ইতিহাসে বিচাৰ কৰিব দেশদ্ৰোহী কোন? কিন্তু এটা কথা মনত ৰাখিবা যে দেশপ্ৰেমৰ নামতে দেশদ্ৰোহৰ দৃষ্টান্ত সৰহ। জনসাধাৰণৰ কল্যাণৰ দোহাই দি পৃথিবীত নৃশংস অত্যাচাৰ উৎপীড়ন চলিছে আৰু আজিও চলিব পাৰে। এবাৰ ইতিহাসৰ পাত লুটিয়াই চোৱা চন্দ্ৰ। এটিবাৰ নিৰপেক্ষ বিচাৰ কৰিবলৈ যত্ন কৰা।"

"তোমাৰ লগত অযথা আলোচনাৰ অৰ্থ নাই। তুমি দেখিছো যুক্তিও মানিব নোখোজা।"

"তোমাৰ যুক্তি বাসনাৰ দাস। নিজ উদ্দেশ্য সিদ্ধিৰ অৰ্থে তোমালোকে যুক্তিৰ ব্যৱহাৰ কৰা। যুক্তিৰদ্বাৰা তোমালোকে সিদ্ধান্তত উপনীত নোহোৱা কিন্তু স্বাৰ্থৰ অনুকূলে সিদ্ধান্ত গ্ৰহণ কৰি তাক দুৰ্বল যুক্তিৰে সমৰ্থন কৰিবলৈ বিচৰা। তেনে যুক্তিত মোৰ বিশ্বাস নাই।"

"আপোনাৰ কথা বুজিবলৈ আমি অপাৰগ।" মাজতে নগেনে মাত লগালে।

"একো অসম্ভৱ নহয়।"

"কি কোৱা ৰমেশ। তোমাৰ বাক্যবান তীক্ষ্ণ। তুমি ভবা নেকি যে আমি তোমাৰ কথা বুজিবলৈকো অক্ষম?"

"নাভাবোঁ।"

"তেন্তে তোমাৰ যুক্তি আকৌ কেনে?"

"মোৰ যুক্তিৰ আধ্যাত্মিক সত্বা আছে, তোমালোকৰ নাই। মোৰ যুক্তিৰ

ওচৰত মোৰ মূৰ দোঁ খায়। তোমালোকৰ যুক্তিয়ে আজ্ঞাবাহী ভৃত্যৰ দৰে instinct অৰ পিছত লৰে। এতিয়া বোধ হয় বুজিলা ?"

"বুজিম আৰু কি ? শব্দৰ মায়াজাল আৰু প্ৰকাশৰ চাতুৰী। তাকেই দেখিবলৈ পাইছোঁ।"

চন্দ্ৰই হো হো কৈ হাঁহি উঠিল।

ভিতৰৰপৰা তিনিবাটি চাহ আনি তেওঁলোকৰ আগত থলে।

"খোৱা ঘিণ নকৰি দৰিদ্ৰৰ ঘৰলৈ আহিছা যেতিয়া অলপ চাহকে খোৱা—ৰাতিও হল, চেঁচা লাগিছে।"

তিনিও চাহ খালে, তামোল চোবালে। চন্দ্ৰই জেপৰপৰা চুৰট উলিয়াই হুপিবলৈ ধৰিলে।

"শুনা ৰমেশ, ভুল নকৰিবা। আজি এবছৰে তুমি নৰকঙ্কালৰ ছবি আঁকিছা। কোৱাচোন, ইয়াৰদ্বাৰা তুমি কি উদ্দেশ্য সাধন কৰিব খুজিছা ?"

বিচাৰৰ ভাৰ তোমালোকৰ।

"যদি সেয়ে হয়, তেন্তে আমি কওঁ বিভীষিকাৰ সৃষ্টি কৰি একো লাভ হোৱা নাই।"

"লাভ লোকচানৰ বিচাৰ শিল্পীয়ে নকৰে। কিন্তু আত্মপ্ৰকাশৰ বাবে যিটো মাধ্যম উচিত বিবেচনা কৰে তাকেই বাচি লয়।"

"শ্মশানৰ হাড়মূৰৰ মাজত নৰকঙ্কালৰ নৃত্যেৰে তুমি কি বুজাব খুজিছা ?"

"মানুহে যি বুজে।"

"তেন্তে তোমাৰ কোনো উদ্দেশ্য নাই।"

"আছে।"

"নৰকঙ্কালৰ নৃত্যভঙ্গীৰ মাজত কি উদ্দেশ্য লুকাই থাকিব পাৰে তোমাৰ ? ই তোমাৰ আচৰিত ৰুচিৰ বিকাৰ। জাগ্ৰত ভাৰত আজি নৰকঙ্কালৰ লীলভূমি নহয়। স্বাধীনতাৰ মুক্ত বতাহৰ মাজত ভাৰতৰ নৰ-নাৰীয়ে নৱজীৱন লাভ কৰিছে।"

"ই তোমাৰ কল্পনা।"

"তেনেহলে তুমি কি বুজাব খুজিছা ?"

"বাৰু তুমিয়েই কোৱাচোন কি বুজিছা ?"

"মই বুজিছোঁ ই তোমাৰ বলিয়ালি। ভগা পঁজাৰ মাজত অকলশৰীয়া বলিয়াৰ সোণৰ হৰিণ খেদাৰ ব্যৰ্থ প্ৰয়াস।"

“তেনেহলে ঠিক বুজিছা চন্দ্র, তুমি ঠিক বুজিছা।”

“কিন্তু সকলোৱে আমি বুজাৰ দৰে নুবুজে। অনেকে ইয়াৰ কদৰ্থ কৰে আৰু অনেকেই ভাবে সিহঁত নিজেই জীৱন্ত নৰকঙ্কাল।”

“শিল্পীৰ দৰে সিহঁতো বলিয়া।”

“তুমি কথাবোৰ তেনেই পাতলকৈ লৈছা ৰমেশ। তুমি বুজা নাই যে তুমি বুজা নাই যে তুমি জুইৰ লগত খেলা কৰিছা।”

“মই কাৰো লগত খেলা কৰা নাই। বৰং আৰু তুলিৰে মোৰ কল্পনাক মই মূৰ্ত কৰি তুলিবলৈ চেষ্টা কৰিছোঁ সমাজৰ প্ৰয়োজন চকুৰ আগত ৰাখি। যদি সমাজে বুজিব পাৰিছে মোৰ পৰিশ্ৰম সাৰ্থক হৈছে আৰু যদি পাৰা নাই অথলে গৈছে।”

“শুনা ৰমেশ, আমাৰ দেশত হৃষ্টপুষ্ট নৰনাৰীৰ অভাৱ হোৱা নাই। প্ৰস্ফুটিত পুষ্পৰ দৰে ৰূপ-লাৱণ্যেৰে উপচি পৰা নাৰীসৌন্দৰ্য তোমাৰ চকুত নপৰেনে?”

“পৰে!”

“তেন্তে আজিলৈকে তেনে চিত্ৰ দেখিবলৈ পোৱা নাই কেলেই?”

“প্ৰাণৰ সৌন্দৰ্যত শিল্পী মুগ্ধ।”

“কিন্তু সমাজে বিচাৰে দৈহিক সৌন্দৰ্য। সেই কথাত তুমি নুই কৰিব নোৱাৰা।”

“মই তাকো উপেক্ষা কৰা নাই।”

“তেনেহলে তেনে চিত্ৰ তোমাৰ আছে?”

“আছে? যদি চাব খোজা আহা।”

তিনিও আন এটি কোঠাৰ ভিতৰলৈ গল। কোঠাৰ ভিতৰখন পৰিষ্কাৰ পৰিচ্ছন্ন, যেন দেৱতাৰহে মন্দিৰ। চাৰিওফালৰ বেৰত নানা তৰহৰ চিত্ৰ। ৰাফেল, লিওনাৰ্ড, মাইকেল এঞ্জেল', টিচিয়ান, পিকাছো প্ৰভৃতি পাশ্চাত্য শিল্পীসকলৰ লগতে মোগল আৰু ৰাজপুত শিল্পীসকলৰ চিত্ৰবোৰ পৰিপাটিকৈ আৰি থোৱা আছে। সমুখৰ বেৰত এলোৰা, অজন্তা মণ্ডেলৰ ভিন ভিন ভঙ্গিমাত চিত্ৰৰ শাৰী। সোঁহাতৰ বেৰত নানাতৰহৰ ফল-ফুলৰে পৰা আৰম্ভ কৰি নৰকঙ্কাললৈকে চিত্ৰবোৰৰ ক্ৰমবিকাশ। আন এখনত প্ৰাচীন কালৰেপৰা আৰম্ভ কৰি বিংশ শতাব্দীলৈকে খ্যাতনামা শিল্পীসকলৰ সৰু বৰ ভিন ভিন চিত্ৰ। আটাইবোৰ চিত্ৰ অতি যত্নেৰে ৰক্ষিত। শিল্পীৰ সম্পূৰ্ণ মানৱ-সত্বাটোৱেই যেন এই কোঠাৰ ভিতৰত আবদ্ধ হৈ আছে। মূক চিত্ৰবোৰৰ সামূহিক

সংহতিয়ে যেন মানৱ সভ্যতাৰ গুপুত ইতিহাস হিয়া ফালি দেখুৱাবলৈ যত্ন কৰিছে।

বাস্তৱৰ উপাসক চন্দ্ৰকান্ত কোঠাৰ ভিতৰত সোমাই স্তম্ভিত হৈছে, নগেনে ইফালে সিফালে ঘূৰি চাবলৈ যত্ন কৰিছে। মেডোনা, যীশুখৃষ্ট, মোজেছৰ চিত্ৰ এটা এটাকৈ তেওঁলোকৰ চকুত পৰিছে কিন্তু শিল্পীসকলৰ কৃতিত্বত তেওঁলোক মুগ্ধ হোৱা নাই। অপৰিচিত অনেক লোকৰ স্থিৰ মাধুৰ্যৰ তুলনাত তেওঁলোকৰ স্বভাৱসুলভ চিত্তচাঞ্চল্য বেছিকৈ প্ৰকটিত হৈ পৰিছে। হঠাৎ চন্দ্ৰকান্তৰ চকু পৰিল নৰকঙ্কালৰ চিত্ৰবোৰৰ ওপৰত। তেওঁৰ অন্তৰত জাগি উঠিল ক্ৰোধ আৰু ঘৃণাৰ তাচ্ছিল্য। একপ্ৰকাৰ উত্তেজিত হৈয়েই তেওঁ প্ৰশ্ন কৰিলে।

"ক'তা, তোমাৰ নতুন চিত্ৰ! যেনিয়েই চাওঁ তেনিয়েই দেখিবলৈ পাওঁ নৰকঙ্কালৰ বিকট দৃষ্টি। বাৰু কোৱাচোন, তুমি এইবোৰৰ মাজত জীয়াই আছা কেনেকৈ?"

"সোৱা, মেডোনাৰ ছবি দেখিছা?"

"বাৰু দেখিছোঁ। কিন্তু তোমাৰ নতুন চিত্ৰ ক'ত?"

"মোৰ চিত্ৰ! বৰ ব্যস্ত নহবা। চোৱা।"

চিত্ৰৰ ওপৰৰ পৰা এখন পাতল আবৰণ লাহে লাহে আঁতৰাই নিয়া হল। নিমিষতে এক বিৰাট পুৰুষ তেওঁলোকৰ চকুৰ আগত জিলিকি উঠিল, বুকু ফুলাই, ভৰিৰ কলাফুল দেখুৱাই। এটি চুকত এজাক সন্ত্ৰস্ত মতা-তিৰোতাই অসহায়ৰ দৰে নগ্ন প্ৰতিমূৰ্তিৰ পিনে ভেবা লাগি চাই আছে, ঠিক মন্ত্ৰমুগ্ধ সাপৰ দৰে, পোহ মনা ভেৰাৰ দৰে। চিত্ৰৰ চকুত লোলুপ দৃষ্টি, বুকুত নিৰ্ভীকতা, প্ৰতি অঙ্গতে জ্বলন্ত বাসনাৰ অদম্য পীড়ন। সৰ্বগ্ৰাসী বুভুক্ষা যেন চিত্ৰৰ বুকুত নাচি আছে আৰু তাৰেই প্ৰলোভন ফুটি উঠিছে হাত ভৰি, চকু মুখ—সকলো অঙ্গতে। নৰকঙ্কালৰ চিত্ৰতকৈয়ো ই ভয়ানক। চকুত ক্ৰূৰ দৃষ্টি, গাৰ ক'লা বৰণ, শৰীৰৰ বিৰূপ ভঙ্গীৰ মাজেদি মূৰ্ত হৈ উঠিছে পৈশাচিক মনোবৃত্তি! চন্দ্ৰ আৰু নগেন দুয়োৰেই একেথৰে চাই আছে, তন্ময় হৈ, নিজৰ অস্তিত্ব পাহৰি। কাৰো মাতিবলৈ সাহ হোৱা নাই, কেৱে কবলৈ কথা বিচাৰি পোৱা নাই।

চিত্ৰকৰৰ মুখত তৃপ্তিৰ আনন্দ।

"ৰমেশ," হঠাৎ চন্দ্ৰকান্তই নিস্তব্ধতা ভঙ্গ কৰিলে। "তুমি এই চিত্ৰ মোক দান কৰা।"

"ই মোৰ বহু পৰিশ্ৰমৰ ফল চন্দ্ৰ।"

"তোমাক দুহেজাৰ টকাৰে পুৰস্কৃত কৰিম।"

"মোৰ সাধনা ব্যৰ্থ হব।"

"কি কোৱা? এই পিশাচেই যদি তোমাৰ সাধনাৰ ধন তেন্তে তুমি মানুহৰ শাৰীৰপৰা পিচলি পৰিছা নিশ্চয়।"

"মই দেৱতাৰ সৃষ্টি কৰিম চন্দ্ৰ।" উল্লাসত বিভোৰ হৈ ৰমেশে উত্তৰ দিলে। "দানৱীয় প্ৰকৃতিৰ নগ্নতা ৰূপায়িত কৰি মই তৃপ্ত হোৱা নাই। কিন্তু মই তাক উপেক্ষাও কৰিব পৰা নাই। ই যে বাস্তৱ। বাস্তৱক অস্বীকাৰ কৰিবে ঠেলিম কেনেকৈ?"

"এয়েই যদি বাস্তৱ তেন্তে অবাস্তৱ কি?"

"আদৰ্শ। মই আদৰ্শ পুৰুষক প্ৰাণৱন্ত কৰি এই দানৱীয় মূৰ্তিৰ মূৰৰ ওপৰত থাপনা পাতিম। তেতিয়াহে হব মোৰ তৃপ্তি. তেতিয়াহে হব মোৰ সাধনাৰ সিদ্ধি।"

কল্পনা-সহায়ত যেন ৰমেশ আদৰ্শৰ ৰাজ্যলৈ উৰা মাৰিলে। চন্দ্ৰ আৰু নগেন ঘৰৰপৰা ওলাই জীপত বহিলগৈ। ফিৰ্ ফিৰিয়া চেঁচা বতাহে গছপাতবোৰ লৰাই বাগৰি যাবলৈ ধৰিলে।

জীপত চন্দ্ৰকান্তই প্ৰশ্ন কৰিলে, "এই নতুন চিত্ৰেৰে ৰমেশে মোকেই বিদ্ৰূপ কৰা নাইতো?"

নগেনে মূৰ খজুৱালে।

জীপ আঁতৰি গল।

১০।১২।৫১

নলবাৰী

অজ্ঞাত বাস

ছুপৰীয়া বাৰমান বজাত স্কুলঘৰৰ তলাটো খুলি থানেশ্বৰ পণ্ডিতে ইফালে-সিফালে চাইছে। ছাত্ৰ নাই। আন দিনা হলে পণ্ডিত অহাৰ আগতে ল'ৰাবোৰে কম্পাউণ্ডত জুম বান্ধি কিৰিলি পাৰি থাকে, ঠেলাঠেলি মৰামৰি কৰে। দুৱাৰ খোলাৰ আগতে পণ্ডিতে সদায় দুই চাৰি মোকৰ্দ্দমাৰ 'চুমাৰি' বিচাৰ কৰিহে তেওঁ দিনৰ কাম আৰম্ভ কৰিব পাৰে। অথচ সিদিনা এটি ল'ৰাও নাই। স্কুলঘৰ যেন মৰিশালি। চিন্তা-ভাৱনাত তেওঁৰ গা কঁপিব ধৰিছে। জনমানৱহীন আন্ধাৰ ঘৰৰ মাজৰপৰা এক অশৰীৰী প্ৰেতাত্মাই যেন তেওঁৰ দেহ-মনৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিছে। তেওঁৰ গাত তত নাই। তেওঁ জড়প্ৰায় হৈ পৰিছে।

কথাটো নিশ্চয় শকত হৈ উঠিল। দুদিন আগতে মাতব্বৰ মেলেকী ধনীৰামৰ ল'ৰাটোক তেওঁ দুটামান কোব শোধাইছিল। ল'ৰাই চিঞৰত গগন ফালিলে। সেই কথাকে কেন্দ্ৰ কৰি গাঁৱত আলোচনা চলিছে। তাৰো গম পণ্ডিতে পাইছে। গতিকে ই এক প্ৰকাৰ খাটাং যে কথা গহীন হৈ উঠিছে।

পণ্ডিতৰো ভুল। মেলেকীৰ ল'ৰাৰ গাত হাত দিয়া তেওঁৰ উচিত হোৱা নাই। ধনীৰামে ল'ৰাক লাহ-বিলাহত তুলিছে। আনৰ তুলনাত তাক ভাল খুৱাইছে, ভাল কাপোৰ-কানিও পিন্ধাইছে। মেলেকীৰ আগৰ অৱস্থা কেনে আছিল এতিয়া কেনে হৈছে এই কথা আজি আলোচনা কৰি একো লাভ নাই। কিন্তু আজি তেওঁ মাতব্বৰ লোক এই কথা সকলোৱে জানে। ল'ৰাও মাতব্বৰ লোকৰেই ল'ৰা। ভগৱানে মেলেকীক দয়া কৰিছে। বাপ ভাই সকলোৱে তেওঁক মোৰ বুলিছে। গৰু-গাই ধান-ধন সকলোৱে কেউপিনৰপৰা তেওঁক আগুৰি ধৰিছে। তেওঁৰ অভাৱ নাই। কণ্ট্ৰোলৰ যুগৰেপৰা তেওঁৰ দিন ফিৰিল। চহৰত তেওঁৰ ডাঙৰ কাৰবাৰ। যিপিনেই চোৱা যায় সিপিনেই জয়জয় ময়ময়। দুই চাৰি কথাত আগেয়ে মানুহে তেওঁক দোষ দিলেও আজি নিৰ্দয়ে। তেওঁৰ ক্ষমতা আছে, বৰলোকৰ লগত খাতিৰো আছে। থানেশ্বৰ

পণ্ডিতে নিজে এইবোৰ নজনা নহয়। তথাপি কি সাহেবে তেওঁ মেলেকীৰ ল'ৰাৰ গাত হাত দিলে তাক বোধহয় তেওঁ নাজানে।

আন এটা কথা। ধনীৰামৰ শালপতিৰ জোঁৱায়েক বিনোদ। বিনোদক সেই স্কুলৰে পণ্ডিত কৰি দিয়াৰ কথা আছিল। কিন্তু সি হৈ নুঠিল। জোঁৱাই একো পাছ নহয়। সেইবাবে চেষ্টা কৰিও মেলেকীয়ে কামটো হাছিল কৰিব নোৱাৰিলে। গতিকে তেওঁৰ মনত এটি জেদ ভাব আছেই।

এই আটাইবোৰ কথা জানি শুনিও থানেশ্বৰ পণ্ডিতে কিয় জলা জুইত হাত সুমাই দিছিল তাকে ভাবি ভাবিয়েই ফেঁচাটোৰ দৰে মন মাৰি চকীৰ ওপৰত বহি আছে। এনেতে চাৰিজন ল'ৰা ভিতৰলৈ সোমাই আহিল।

"বাকীবোৰ ক'ত অ কেটেঙা?" পণ্ডিতে প্ৰশ্ন কৰিলে।

"নাজ্‌নু দক্‌।"

"নাহে বুলি কৈছি দক্‌।" ভেবেলাই ওপৰতে কৈ উঠিল।"

"কিয় নাহে অ'। কি হল ইহঁতৰ? গাঁৱৰ কাৰো ঘৰত বিয়া-বাক আছে নেকি?"

পণ্ডিতে একেলগেই কেইবাটাও প্ৰশ্ন সুধি পেলালে। কথাটোৰ আঁতিগুৰি নবলৈ তেওঁৰ আগ্ৰহ জন্মিছে।

"বিয়া নহয় দক্‌ স্যাৰ। কিবা মাৰামাৰিৰ কথা কৈছি দেখুন। মেল হৈছি। কুইনো নাহে বুলে।" সৰসৰকৈ ভেবেলাই কৈ গল।

এৰা, কথা শকতেই হল। পণ্ডিতৰ বুজিবলৈ বাকী নাথাকিল। এতিয়া উপায়?

ভালেমান সময় পণ্ডিতে তলমূৰকৈ ভাবিলে। পিছত, সিদিনাৰ বাবে স্কুল ছুটী দি তেওঁ বাহিৰলৈ ওলাল।

বাহিৰত পছোৱা বতাহৰ হো হো শব্দ। চাৰিওপিনে ধূলি-বালিৰ ডাঠ আৱৰণ ওচৰৰ আলিবাটটোৰ ধূলিৰে গোটেই আকাশখন যেন বগা হৈ পৰিছে। ঘন কুঁৱলীৰ দৰে এখন ডাঠ আৱৰণ ঠেলি পণ্ডিতে ধনতলা গাঁৱৰ বাটৰ মুৰত থিয় দিছে, ভাবিছে যাব কলৈ। উদ্দেশ্যবিহীন ধূলিকণাবোৰৰ দৰে তেওঁৰ অন্তৰৰ পছোৱাৰ কোবত উৰিছে এখন নজনা ঠাইলৈ। নিজৰ মূৰ্খামিৰ কথাই বাৰে বাৰে তেওঁৰ মনৰ ওপৰলৈ ভাঁহি উঠিছে। ল'ৰা-ছোৱালী চাৰিটি, ঘৈণীয়েক, পেহীয়েক—তাৰ উপৰিও মিতিৰ-কুটুম, বন্ধু-বান্ধৱ আছেই। সংসাৰ সৰু নহয়। কিয় ভুল কৰিলে তেওঁ? মেলেকীৰ ল'ৰাৰ গাত তেওঁ কিয় হাত দিলে বাৰু?

আন এজাক ল'ৰা নাছিল নে ? সিহঁতৰ এজনক দহ কোব শোধাই দিয়া হলেও একো কথাৰ কথা নাছিল। বলিয়াৰ দৰে নাভাবি মুগুণি তেওঁ কি কাম কৰি পেলালে ? পণ্ডিতে নিজকে নিজে ধিক্কাৰ দিছে। তেওঁ ভয় কৰিছে যে ধনীৰামৰ কোপানলত পৰি তেওঁ পুৰি ছাই হৈ যাব। মাহে একুৰি বাৰ টকাৰে তেওঁ কোনোমতে জীয়াই আছিল। এইবাৰ বোধহয় তাৰো মুদা মৰিব। মেলেকীয়ে সদায় চেলু বিচাৰিয়ে আছে। তেওঁ শুদাই এৰা ভকত নহয়। বিশেষতঃ মেলেকীৰ ঘৰতে হল বৰলোকৰ আড্ডা। তেওঁ কিবা কৰোঁ বুলিলে পণ্ডিতৰ হকে মাত দিয়া লোক কোনোৱে নোলায়। তেওঁৰ যি দুই চাৰি আপোন লোক আছে সিহঁতৰ কথাই বা শুনিব কোনে ? গতিকে এটাই মাথোন উপায় আছে। তেওঁ মেলেকীক সন্তুষ্ট কৰিব লাগিব। ইয়াত মান-অপমানৰ প্ৰশ্ন নাই। যি কোনো উপায়ে তেওঁ মেলেকীৰ ৰোষ আঁতৰাব লাগিব। আজি-কালিৰ দিনকাল ভাল নহয়। আজি ৰামো নাই, অযোধ্যাও নাই। আজি পণ্ডিত বুলি গৰ্ব কৰা দিন উকলি গৈছে। আজি ক্ষমতাৰ যুগ, অত্যাচাৰৰ যুগ। অত্যাচাৰ মূৰ পাতি লব লাগিব, ক্ষমতাৰ আগত সেও হৈ পৰিব লাগিব। তেতিয়া তেওঁ ৰক্ষা পৰিব পাৰে—নহলে মৰণ, আওমৰণ।

ঘৰত ধনীৰামে চকীৰ ওপৰত ভৰি দুখন তুলি লৈ বেছ আৰামত হোকা হুপি আছে। তেওঁৰ চাৰিওকাষে পাৰিষদবৰ্গ—ভদাই, লেতেৰু, খুদমন, গঙ্গাটোপ প্ৰভৃতি গাঁৱৰ আটাইখন। লাহে লাহে থানেশ্বৰ পণ্ডিত চ'ৰাৰ ভিতৰ সোমাল। মেলেকীয়ে মূৰ তোলা নাই। গঙ্গাটোপে আগেয়ে মাত লগালে—"পণ্ডিত দেখুন হা ? বহা। আজি ইস্কুল মাফ্ দিলা নেকি ?"

"মাফ্ আৰু কি ? স্কুলত দেখোন ল'ৰাই নাই। কাৰণনো কি বুজিবলৈ বুলি এখেতৰ ওচৰলৈ আহিলোঁ। স্কুলখনতো মোৰ নহয়, স্কুল আপোনালোকৰেই। ভাল হলে দহজনে আপোনালোককে শলাগিব। মই আজি আছোঁ, কালি নাই।"

মেলেকীয়ে হোকাটো হাতৰপৰা থলে। পণ্ডিতক দহ কথা শুনোৱাৰ সুযোগ তেওঁ আজি পাইছে। সেই সুযোগ তেওঁ এৰি নিদিয়ে। এৰি দিয়া লোক তেওঁ নহয়। বাপ্ৰে বাপ ভেৰকুৰিটকীয়া পণ্ডিতৰ সাহ! তেওঁৰ ল'ৰাকো পণ্ডিতে বান্ধি ধৰি কোবায় ! সি যেন এটা ভিকহুৰহে ল'ৰা !

মেলেকীৰ চকু দুটা ভাঙৰ হৈ উঠিছে। পণ্ডিতে লক্ষ্য কৰিছে কিন্তু মত নাই। তেওঁ কেবল এবাৰ মেলেকীৰ মুখলৈ, এবাৰ তললৈ মাটিৰ পিনে চাইছে।

"হেৰা পণ্ডিত", বজ্ৰৰ দৰে মেলেকীয়ে গৰ্জি উঠিল। "তোমাৰ বৰ তেজ হে। এনে তেজী মানুহ আমাক নালাগে। তুমি ভালে ভালে ইয়াৰপৰা বিদায় হোৱা। নহলে কেতিয়াবা কাৰোবাৰ হাতত তোমাৰ হাড় গুৰি হ'ব।"

"ৰ'বচোন কি হ'ল? এইবোৰ আপুনি কি কৈছে? মোৰ গাত কি জগৰ লাগিল? অলপ ভাঙিপাতি কওকচোন।" বিনয়ৰ শেষ সীমাত পণ্ডিত উপস্থিত হৈছে।

ধনীৰামৰ খং আকৌ এখোপ ওপৰলৈ উঠিল। "কি অজলাৰ ভাও ধৰাহে পণ্ডিত? তুমিয়েই ল'ৰাৰ পিঠিৰ ছাল ছিঙিবা আৰু তুমিয়েই ধৰ্ম যুধিষ্ঠিৰ সাজিবা। জানা, তুমি বাঘৰ ল'ৰাৰ গাত হাত দিছা? তোমাক ল'ৰা পঢ়াবলৈ দিছোঁ পঢ়াবা। মোৰ ল'ৰাই পঢ়িব নোৱাৰে নাই। মইনো কিমান পঢ়িলোঁ। কিন্তু তুমি ল'ৰাৰ পিঠিৰ ছাল ছিঙিবৰ কোন? তুমি কিমান পানীৰ মাছ?" খঙত মেলেকী চকীৰ পৰা উঠিলেই।

"ৰ'বাচোন ৰবা", ভদায়ে বাধা দিলে। "এওঁক ছলিক কিয় কুবালক সুধি নাছ কিয়া।"

"কি সুধিম? সুধিবৰ কি আছে। কওকচোন তেওঁৰেই। কেনেকৈ মিছা কয় চাওঁ। চাচোন খুদমন, এওঁৰ সাহটোকে চা।"

"হয়তো, মেল্কীৰ ঘৰোৰ ছলি বুল্লি বুইলবাৰ নাই। কিয় কুবাওৱে তেওঁ? কিবা আমাৰ ঘৰোৰ ছলি না?"

গন্নাটোপে গহীনাই মাতিলে,—"মেল্কীৰ ছলিহে ছলি দে। আমাৰ ছলি ছলি মুই।"

"এ—এ হ্ আমাৰো ছলি", লেতেকৰে ভেকাহি মাৰি উঠিল। "থৌ থৌ সিগ্লা কথা। মেল্কীৰ ছলিক কিয় মাৰে সুধ্।"

"শুনা পণ্ডিত", মেলেকীয়ে হুকুম শুনালে। "তোমাক এই স্কুলত মই নাৰাখোঁ। তুমি মোক জোকাই লৈছা, বাঘৰ নেগুৰত ধৰিছা। চাওঁ তোমাক কেনে ৰাখে।"

পণ্ডিতে ইমান সময় ধৈৰ্য ধৰিছিল। এইবাৰ সাহ গোটাই লৈ অলপ ডাঠকৈ উত্তৰ দিলে। "আপোনাৰ হুকুমত মই স্কুল নেৰোঁ।"

"নেৰিবা! তোমাৰ চৈধ্যপুৰুষে এৰিব। কাৰ আগত গৰম দেখুৱাইছাহে? তুমি ধনীৰাম মেলেকীক চিনা নাই হ'বলা। মই যদি ধনীৰাম হওঁ তোমাৰ চাকৰি খাইহে এৰিম।"

পণ্ডিতে দেখিলে কথা বেস্থৰে গল। ধৈৰ্য ধৰি তেওঁ স্থনাই নম্ৰতাৰ চেঁচাপানী ছটিয়াবলৈ ধৰিলে। "ৰবচোন, ইমাননো খং কৰে কিয়? আপোনাৰ মূল্য বুজোঁ বুলিহে ওচৰ চাপিছোঁ। এটা ভাল দিহা পৰামৰ্শ দিয়ক। যদি মোৰ দোষ হৈছে দণ্ড দিয়ক। মই তাক মূৰ পাতি লম।"

"পণ্ডিতে ভালেই কৈছি হা। হে ··এ-এ-ৰা মেলকী, এৰা। এৰি ফেলত্ৰ। পণ্ডিতো অচৰৰ মাহ্‌মু।"

ভদায়ে এটা আপোছৰ যত্ন কৰিলে।

"উহুঁ, সি হব নোৱাৰে।" মেলেকীয়ে মূৰ জোকাৰিলে। "পূবৰ সূৰ্য পশ্চিমে গলেও পণ্ডিতক নাৰাখো বুলিছো নাৰাখো। এওঁ বৰকৈ বাঢ়ি গৈছে। এওঁক ছুটা এটা থেকেচা মাৰিব লাগিব। নহলে এওঁ আমাৰ ওপৰত বৰ মানুহ হব।"

"হেৰি মেল্‌কী, সিটি ভয় আমাৰ পৰা নাই। আমাৰ জীৱনৰ মূল্য নিৰূপিত হৈ আছে। ডেৰকুৰি টকীয়া জীৱন। কেৰেনুৱাৰপৰা ভয় থাকিব পাৰে কিন্তু আমাৰ পৰা নাই। আমি বুৰিছো—উঠিবৰ আশা নাই। খং এৰক, কিবা উপায় দিয়ক।"

পণ্ডিতৰ কথাত মেলেকী কুমলি যোৱা নাই। তেওঁ আগেযে ওচৰ চপা হলেও এটা কথা আছিল। কিন্তু মানুহ আগতে গল। বৰ বৰ লোকৰ চিঠি লৈ গৈছে যেতিয়া আজিযেই হুকুম লৈ ফিৰিব। এতিয়া মেলেকীয়ে স্থৰ ঢিলাই দিলেও কাম নহব। তাৰোপৰি বিনোদ হল শালপতিৰ জোঁৱাই। তাৰ বাবে এবাৰ চেষ্টা কৰি তেও অকৃতকাৰ্য হৈছে। এই স্থযোগতে বিনোদৰ যদি কিবা স্থবিধা হয়, তেওঁৰ হাতৰ মানুহ এজন স্কুলত থাকিল, বিনোদৰ চাকৰি মিলিল আৰু তেওঁৰো ক্ষমতা বাঢ়িল।

হতাশ মনেৰে পণ্ডিত ঘৰলৈ উলটিল। লাজ অপমানত তেও মূৰ তুলিব পৰা নাই। হাজাৰ হলেও পণ্ডিত বুলি এটা গৌৰৱ আছে। সেই গৌৰৱৰ ওপৰত আজি আঘাত পৰিছে, অথচ তাৰ প্ৰতিকাৰ কৰিবলৈ তেওঁ অপাৰগ। তেওঁৰ বিদ্ৰোহ কৰিবৰ ইচ্ছা হৈছে, মেলেকীৰ কুকথাবোৰ বাটে-ঘাটে চিঞৰি ফুৰিবৰ ইচ্ছা হৈছে। তথাপি তেওঁ একো কৰিব পৰা নাই। মাথোন নানান লাগ্‌বান্ধ্‌ নোহোৱা কল্পনাৰ মাজত তেওঁ নিজে নিজে বান্ধ খাই পৰিব ধৰিছে। তেওঁৰ অন্তৰত গভীৰ বেদনা আছে কিন্তু সি প্ৰকাশৰ বাট বিচাৰি পোৱা নাই। অৱস্থাৰ পীড়নৰ ওপৰলৈ উঠাৰ আকাঙ্ক্ষা তেওঁৰ আছে কিন্তু

সাহসৰ খোপত ভৰি দি তেওঁ আগুৱাব পৰা নাই। মনৰ মাজতে সকলো আন্দোলনৰ উৎপত্তি হৈ তুনাই মনৰ মাজতে সকলো মাৰ গৈছে। এটা অসহায়ৰ ভাবে তেওঁক কেউফালৰপৰা জুমুৰি দি ধৰিছে।

অলপ আগ ধৰি তেওঁ পিছ দিন স্কুললৈ আহিল। দৰ্মহা খাইছে যেতিয়া ল'ৰা নাহিলেও পণ্ডিত আহিব লাগিব। তেওঁৰ মনৰ দুশ্চিন্তা আঁতৰা নাই। স্কুলৰ কথা মনত পৰিলেই মেলেকীৰ ওচৰত সেও হৰলৈ যোৱা অপমানৰ আঘাত তেওঁৰ অন্তৰত লাগে। তেওঁৰ মনত খং উঠে। একোবাৰ তেওঁ ভাবে যে তেওঁ চাকৰি এৰি দিব। মান-সন্মান সকলো জলাঞ্জলি দি চাকৰি কৰাৰ সাৰ্থকতা নাই। বহল পৃথিৱীত আন মানুহবোৰে খাবলৈ পাইছে যেতিয়া তেওঁ নাখাই নমৰে। কিন্তু ক্ষণস্থায়ী ভাব ক্ষন্তেকতে আঁতৰি যায়। তেওঁৰ মনত পৰে ল'ৰা-ছোৱালী কেইটিলৈ, ঘৈণীয়েকলৈ, পেহীয়েকলৈ। একে খোজত তেওঁ আগবাঢ়ে। স্কুলঘৰৰ দৃষ্টিত তুনাই তেওঁৰ অন্তৰত চাকৰিৰ মোহ জাগে। আজি পোন্ধৰ বছৰ তেওঁ এই স্কুলত কাম কৰিছে ভগা ঘৰৰ সলনি তেওঁৰ যত্নতেই টিনৰ বঙলা উঠিছে। কিমান ল'ৰা তেওঁৰ চেকনিৰ কোব খায়েই পাছ হৈ গল, কেইজনমানে হাইস্কুলৰ মাষ্টৰি কামো পালে। তেওঁৰ জীৱনৰ সকলো সাৰ্থক চেষ্টাই যেন এই স্কুলখনৰ লগত জড়িত।

স্কুলৰ ওচৰ পোৱাত পণ্ডিতৰ মন আনন্দত নাচি উঠিল। স্কুলঘৰ ল'ৰাৰে ভৰি পৰিছে। মেলেকীয়ে নিশ্চয় তেওঁক ক্ষমা কৰিছে। নহলে ল'ৰা নাহিলহেঁতেন। বৰ ভাল মানুহ মেলেকী! বজ্ৰত কৈয়ো টান, কুসুমতকৈয়ো কোমল।

ইকি! তেওঁৰ চকীৰ ওপৰত দেখোন বিনোদ! সোৱা আঁতৰত স্বয়ং মেলেকী উপস্থিত। গছৰ তলত চাৰি পাঁচজন মানুহো আছে। সিহঁতৰ হাতে হাতে লাঠি! ইয়াৰ অৰ্থ কি? এইবোৰ তেনেহলে মেলেকীৰে চক্ৰান্ত নেকি? যদি সেয়ে হয়, তেওঁ আপত্তি জনাব। এইখন মেলেকীৰ মুলুক নহয়। তেওঁৰ উপৰিৱালা আছে, তেওঁৰ ওপৰত চাহাব আছে। চাহাবৰ ওচৰলৈ তেওঁ যাব। তেওঁক ভৰিত ধৰি কাকুতি কৰি কব ইয়াৰ বিচাৰ লাগে? এইখনতো মান-মৰাণৰ দেশ হোৱা নাই। যদি মেলেকীয়ে যুঁজিব পাৰে তেওঁ যুঁজিব। তেওঁ এজন চাকৰিয়াল, তেওঁৰ ওপৰতো চৰকাৰ আছে।

পণ্ডিত স্কুলৰ দুৱাৰমুখ পালেহি। নিমিষতে মেলেকী ভিতৰৰ পৰা ওলাই আহিল। "লোৱা পণ্ডিত, এয়া তোমাৰ বদলিৰ হুকুম। এই বাৰলৈ ৰক্ষা

পৰিলা। পাইছা ভাল ঠাই। বনমাজা—ইয়াৰপৰা পঁচিশ মাইল উত্তৰে। মোৰ অজ্ঞাতবাস খপাগৈ।"

মন্ত্ৰমুগ্ধৰ দৰে পণ্ডিতে কাগজ হাতত ললে। "বনমাজা!" ই কেনেকুৱা বিচাৰ।"

"ন্যায় বিচাৰ, তাণ্ডৱ সক নমনা লোকৰ এয়ে উপযুক্ত শাস্তি। মোৰ ভিতৰলৈ নোসোমাবা;"

বজ্ৰাহত লোকৰ দৰে পণ্ডিত য'তে আছিল ত'তে থাকিল। তেওঁৰ অধিকাৰ নাই। আজি এই স্কুলৰ ভিতৰলৈ সোমাবলৈকে তেওঁৰ অধিকাৰ নাই। তেন্তে তেওঁ কৰিব কি? তৰ্ক কৰিবলৈ গলে অনৰ্থ ঘটিবও পাৰে। ওচৰতে লাঠি লৈ মানুহ প্ৰস্তুত হৈ আছে। সেইবোৰ নিশ্চয় মেলেকীৰে মানুহ। গাঁৱৰ মানুহবপৰা তেওঁ সহায় আশা কৰিব নোৱাৰে, সকলো ধনীৰামৰ বহতীয়া। গতিকে তেওঁ পোনে পোনেই চাহাবৰ ওচৰলৈ যাব। তেওঁৰ ওপৰত মালিক আছে। তেওঁক সুধিব পণ্ডিতৰ ওপৰত প্ৰভু কোন—চাহাব নে মেলেকী।

পাঁচ মাইল বাটকুৰি বাই মটৰত ধন ভাঙি তেওঁ নগৰ পালেহি। তেওঁৰ মনত জেদ ভাব। তেওঁ এজন পণ্ডিত অথচ মহা-মূৰ্খ মেলেকীয়ে তেওঁক পুতলাৰ দৰে যিপিনে ইচ্ছা সিপিনে ঘূৰাইছে। ই অন্যায়। বৰ বৰ বিষয়াসকলৰ বিচাৰ-বুদ্ধি নিশ্চয় লোপ হোৱা নাই। তেওঁলোক ঠিকেই আছে। মাজতে মাথোন এদল স্বয়ম্ভূ মালিকৰ উদ্ভৱ হৈছে। চাহাবক কৈ এইবাৰ তেওঁ মেলেকীক শিকাব, স্বয়ম্ভূ মালিকৰ বংশ নাশ কৰিব।

"অ' তুমি থানেশ্বৰ পণ্ডিত! তোমাক বদলি কৰা হৈছে বনমাজালৈ। তোমাৰ কাম ভাল হোৱা নাই।"

"এইবোৰ মিছা কথা চাৰ। সকলো মেল্কীৰ চক্ৰান্ত। মেল্কীৰ ল'ৰাক এদিন দুটা কোব মাৰিছিলোঁ, পঢ়াশুনা নকৰে, দুষ্টালি কৰে। সেয়ে হল মোৰ অপৰাধ। ইপিনে মেল্কীৰ শালপতিয়েকৰ জোঁৱায়েক হল বিনোদ। বিনোদক চাকৰি দিয়াৰ বাবে এইবোৰ ফাকিফুকা। মই বদলিৰ হুকুম পোৱাৰ আগতে মেল্কীয়ে বিনোদক পণ্ডিতৰ বাব দিছেই।"

"তুমি মেল্কীৰ লগত কাজিয়া কৰি ভাল কাম কৰা নাই। পণ্ডিত মানুহ, সকলোৰে লগত মিলিজুলি থাকিব লাগে।"

"মই কাৰো লগত কাজিয়া নকৰোঁ চাৰ। চব্ মেল্কীৰ বদমাচি। আপোনে তেওঁক এটা শিক্ষা দিওক। তেওঁৰ গৰ্ব ধ্বংস কৰক।"

চাহাবে হাঁহিলে। “তুমি তেনেই হোজা হৈ আছা পণ্ডিত। বৰলোকৰ লগত খাতিৰ-বাতিৰ ৰাখিব লাগে। নহলে এনেবোৰ দুৰ্গতি ভুগিব লগা হয়। এতিয়া তুমিয়েই কষ্ট ভোগ কৰিব লাগিব।”

“মেলকী একো বৰলোক নহয় চাৰ।”

“ভুল কৰিছা পণ্ডিত, এই ভুলৰ বাবেই বিপদত পৰিছা। এতিয়া উপায় নাই। মই একো কৰিব নোৱাৰোঁ।”

“তেনেহলে মই মৰিলোঁ চাৰ।” পণ্ডিতে মিনতিৰ সুৰত কবলৈ ধৰিলে। “ঘৰৰপৰা পঁচিশ মাইল দূৰত কেনেকৈ চাকৰি কৰিম? চাৰিটা ল'ৰা-ছোৱালী, ঘৈণী, পেহী। সিহঁতক মই খুৱাম ক'ৰপৰা? দৰমহা কিমান পাওঁ জানেই। আপোনাৰো নিশ্চয় ল'ৰা-ছোৱালী আছে। এবাৰ ভাবি চাওক।”

“পণ্ডিত, মই তোমাৰ কাৰণে দুঃখিত। কিন্তু মই কি কৰিম। মোৰ হাতভৰি বন্ধা।”

“ইমান দূৰত চাকৰি কৰিব নোৱাৰোঁ চাৰ। মেলকীয়ে নিজেই কৈছে বনমাজাত মোৰ অজ্ঞাতবাস।”

“কি কম পণ্ডিত অজ্ঞাতবাস অকল তোমাৰেই নহয়—মোৰো।'

“আপোনাৰো!”

“এৰা মোৰো।”

পণ্ডিতৰ চকুৰ আগত যেন জগতৰ এটি অদৃশ্য কাল জিলিকি উঠিল। তেওঁৰ মনৰ কথা মনতে ৰল, মুখেৰে ফুটি নোলাল।

৪।৩।৫৩

নলবাৰী।

এটা গৰম কোট

ৰমেন বৰুৱাই শেহত টিউশ্যন ললে। ল'ৰা কলেজলৈ গ'ল, সংসাৰ বাঢ়িল, খাবো বাঢ়িল। টিউশ্যন নকৰি উপায়ো নাই। সেইবাবে দুমাইল বাটকুৰি বাই তেওঁ সদানন্দ হাজৰিকাৰ ঘৰলৈ সদায় সন্ধিয়া অহা যোৱা কৰে। আজি ছমাহ হল তেওঁ এই কাম কৰিছে, একে ঘৰতে, একে সময়তে। পৰিশ্ৰম তেওঁৰ অৰণ্যে হয় কিন্তু সি অথলে যোৱা নাই—নগদ চাৰিকুৰি আদায় হৈছে, দুকুৰি এতিয়াও পাওনাৰ হিচাবত।

সিদিনা ৰাতি তেওঁ হাজৰিকাৰ কাষ চাপিছে, ভাবিছে সুবিধা হলে টকাৰ কথাকে উলিয়াব।

"অ' মাষ্টৰ বাবু, আহক বহক। আপোনাৰ লগত এটা কথা আছে, গোপনীয় অথচ জৰুৰী।" বৰুৱাই আৰম্ভ কৰাৰ আগতে হাজৰিকাই পাতনি মেলিলে।

"কওক কি কব খুজিছে। মোৰো দৰকাৰ আছে বুলিহে আপোনাৰ কাষ চাপিছোঁ।" বুধিয়ক লোকৰ দৰে হাজৰিকাৰ কথাৰ লগতে বৰুৱাযো নিজৰ কথাটো সাঙুৰি থলে।

"এৰা, আপোনাৰো হওঁতে দুমাহৰ টকা বাকী আছে। মই পাওনা কৰিম। অলপ দেৰি হব। বুজিছেনে, আমাৰ দিন উকলি গল। আপোনালোকৰেহে দিন আহিছে। আজি এবছৰ ইযাত বহি বহি শুদা নৰাত টং লগিছে, হাতৰ ধনহে ভাঙিছোঁ, কাৰবাৰ নাই, গ্ৰাহক নাই, টকা নাই। আমি বুৰিছো, মাষ্টৰ বাবু, নিগমে বুৰিছো। হাতত যি অলপ আছিল সিও গৈছে। নহলে দুকুৰি টকা জানো এটা কথাৰ কথা আছিল।"

"আপোনালোকে কয় কাৰবাৰ নাই, টকা নাই। কিন্তু আমি কিনোতাসকলে দেখোন প্ৰায় একে দামতেই কিনো? আমি বুজি নাপাওঁ আপোনালোকে টকা নাপায় কেলেই। মোৰ বোধেৰে টকা পায় কিন্তু আগৰ দৰে এটকাত দুটকা নাপায় হবলা?"

বৰুৱাই হাঁহিবলৈ চেষ্টা কৰে।

"সেইবোৰ কথা কি কম মাষ্টৰ বাবু। ধৰকচোন মৰাপাটৰ কথাকে—তাত লোকচান হ'ল দুই লাখ। সৰিয়হ,—তাতো পঞ্চাশ হাজাৰৰ কম নহয়। কওকচোন টকা কেনেকৈ থাকে, কাৰবাৰ কেনেকৈ চলে? যোৱা বছৰ ঘৰটো বান্ধিলোঁ, তাতো প্ৰায় এক লাখৰ ওচৰ পালে, অথচ ঘৰটোৱে মুনাফা নিদিয়ে, দিয়ে কাৰবাৰে। তাতেই যদি এনেকৈ লোকচান ভৰিব লগা হয় আমি বও কেনেকৈ?" আগ্ৰহেৰে হাজৰিকাই বৰুৱাৰ মুখলৈ চালে।

"এৰা, আপোনালোকৰো কিছু অসুবিধা হৈছে যেন পাওঁ। কিন্তু আমাৰ পিনে চাওকচোন, আজি তিনি বছৰে তিনি কুৰিতেই আছোঁ, লৰচৰ নাই। আমাৰ মূৰতে ঘা, তথাপি আমি বাচিবলৈ আশা কৰিছোঁ। কিন্তু আপোনালোকৰ যদি ঘা হৈছে আঁঠুত, অথচ আপোনালোকে প্ৰমাদ গণিছে।"

বৰুৱাই ভাবি-চিন্তি উত্তৰ দিলে।

"কথাৰে আপোনালোকক বলে নোৱাৰে।" হাঁহি মাৰি হাজৰিকাই কথাটো পাতলালে। "পিছে, এৰক সেইবোৰ। মোৰ কথাটো শুনক। ও—ও—ও ৰব। একাপ চাহ খাবনে? বেছ ঠাণ্ডা পৰিছে। ধনীয়া—হেৰৌ ধনীয়া বোলো দুকাপ চাহ লৈ আহ।"

"নালাগে চাহ এতিয়া। ৰাতিও হয়। কওকচোন আপোনাৰ কথাটোকে।" বৰুৱাই বাধা দিলে।

"বাৰু তেন্তে শুনক। আপোনাৰ হেনো যঃ ভৰালিৰ লগত সম্ভাৱ, ঘনিষ্ঠতা আৰু একেলগে উঠা বহা। আৰু মাষ্টৰনীৰো হেনো মিছেছ ভৰালিৰ লগত বৰ আত্মীয়তা।"

"এৰা, সম্ভাৱ থাকোঁতে আছে। পিছে আপুনি বা কোনজন ভৰালিৰ কথা কৈছে? সেই কৃষি বিভাগৰ ইন্‌পেক্টৰ কে. ভৰালিৰ নেকি?"

"এঃ নহয়? মই ডাঙৰজনৰ কথাকে কৈছোঁ।" হাঁহি হাঁহি হাজৰিকাই ইঙ্গিত দিলে।

"ও-ও-ও বুজিছোঁ। কিন্তু তেওঁলোক হ'ল ডাঙৰ মানুহ, বহু কথাৰ, বহু কামৰ। আমাৰ নিচিনা লোকে তেওঁলোকৰ লগত সম্ভাৱ থকা বুলিনো কেনেকৈ কওঁ?"

"আপুনি নকলেও মোৰ জনা আছে। মোৰ হকে আপুনি তেওঁক এষাৰ কব লাগে। আপোনাৰ প্ৰতি ই এটা কথাৰ কথা নহয়। পাণ-তামোল খোৱা

সময়ত দহ কথা পাতোতেও কৈ পেলাব' পাৰে। কিন্তু আপোনাৰ এটা কথাই মোৰ কাৰণে লাখ টকাত কৈয়ো বেছি মূল্যবান হৈ পৰিব।"

"মোৰ কথাৰ মূল্য ইমান বেছি বুলি আজিহে আপোনাৰ পৰা জানিলোঁ। নই হলে ইমানদিনে তাক বিনামূল্যতেই বিতৰণ কৰি আহিছোঁ।" খেমালিৰ ছলতে বকৰাই কৈ পেলায়।

"এৰা তাতেই আপোনাৰ গৌৰৱ। আপোনাৰ টকা নাই সকলোৱে জানে কিন্তু আপুনি এজন মানুহৰ লগৰ মানুহ হৈ আছে! নহলে ভৰালিয়েই বা আপোনাক ইমানখিনি খাতিৰ কৰিলেহেঁতেন কেলেই?"

চতুৰ-মানুহৰ দৰে হাজৰিকাই বকৰাক লাহে লাহে ওপৰলৈ তুলি দিয়ে—নিজৰ কাম আদায় কৰিবলৈ, স্বাৰ্থসিদ্ধি কৰিবলৈ। বকৰাই বুজি নাপাই তৃপ্তিৰ হাঁহি মাৰে।

"বুজিছে বকৰা, কাৰবাৰৰ যুগ গ'ল—চাহিদা নাই, মুনাফা নাই। এতিয়া দিন আহিছে ঠিকাৰ। নেদেখিছেনে এজন এজনকৈ প্ৰত্যেক কাৰবাৰীয়ে ঠিকাত ধৰিছে, লাভ কৰিছে। সেই শইকীয়াৰ পিনেই চাওকচোন। আজি এবছৰৰ ভিতৰতে তেওঁ কি মানুহ কি হৈ পৰিল। কাৰবাৰ চাৰবাৰ মিছা; কিন্তু ঠিকাত মান-ইজ্জত আছে, টকাও আছে। মোৰ কাৰণে আপুনি এটা যোগাৰ কৰি দিয়ক। হেলা নকৰি আপুনি ভৰালিক এবাৰ কলে মোৰ কাম হৈ যায়।"

"আপুনি ভৰালিৰ কথা বাৰে বাৰে কৈছে কিন্তু তেওঁচোন ঠিকাৰ মালিক নহয়।" বকৰাই মাজতে প্ৰশ্ন তুলিলে।

"আপুনি কয় কি? ভৰালি ঠিকাৰ মালিক নহয় সঁচা কিন্তু তেওঁ মালিকৰ বাপেক। আজিকালিৰ কাণ্ড-কাৰখানা বেলেগ। আজি-কালি মালিকৰ ওপৰতো মালিক আছে। ভৰালিও তেনে। নেদেখিছেনে বৰমূৰীয়াসকল আটায়ে তেওঁৰ তলত। সেই আহমদৰ ঘটনা বোধহয় আপুনি পাহৰা নাই। ভৰালিক তেওঁ হেনো খাতিৰ নকৰিলে। পিছে পাইছে নহয় মজা পালি। ল'ৰা-তিৰোতাক ঘৰতে এৰি এতিয়া গাবো পাহাৰত আলু-কচু খাব ধৰিছে। বুজিছে মাষ্টৰ বাবু, দহ দিনতো -িৰিৰ নোৱাৰা কাম ভৰালিৰ কৃপাদৃষ্টি হলে এদিনতে খতম হয়।"

"এৰা, ডাঙৰ মানুহৰ কথা! সকলোৰে লগত খাতিৰ-বাতিৰ আছে নহয়। বাৰু, আপোনাৰ যদি কিবা উপকাৰ হয় কম বাৰু, এবাৰ মুখৰ কথা হে।"

হাজৰিকা আনন্দত জপিয়াই উঠিল। 'শুনক মাষ্টৰ বাবু, যদি মোৰ এই কাম সিদ্ধি হয় তেন্তে মই যি ভাবিছোঁ ভাবিছোঁ। আপুনিও সদায় সদ্ধিয়া আহোঁতে যাওঁতে কষ্ট পায়। ইপিনে ঠাণ্ডাও পৰিছে বেছ। মোৰ নিজৰেই লাজ লাগে। মোৰ বৰ ল'ৰাক পঢ়ায় আপুনি, অথচ আপোনাৰ গাত এটা গৰম কোট নাই। টকা থাকক নাথাকক মোৰ এটা গৌৰৱ আছে। মৰি গলেও তাক এৰিব নোৱাৰোঁ নহয়।"

"শুনিছে হাজৰিকা, আমি মাষ্টৰ জাতিটো আনৰ গৌৰৱতে গৌৰৱান্বিত, আনৰ ভাগ্যেৰেই ভাগ্যবান। মানুহে ডাঙৰ ডাঙৰ কথা কয়, আমাক ধৰ্মৰাজ যুধিষ্ঠিৰ পাতে কিন্তু আমাৰ পেটৰ ভোক, গাৰ ফটা কাপোৰ নুগুচে।"

"দুখ নকৰিব মাষ্টৰ বাবু। দিন ফিৰিব। আৰু যদি মোৰ এই কামটোৰ দিহা হয় হে তেন্তে—নাই, এতিয়া সেইবোৰ নকওঁ, কৈ লাভ নাই। ই ভাগ্যৰ কথা। আই লক্ষ্মী সুপ্ৰসন্না হলে এদিনতে সকলো ওলট পালট হৈ যায়। পিছে ৰাতিও হয়। আপোনাক বেছি সময় আমনি নিদিওঁ। আপুনি যেনেতেনে কাইলে ভৰালিৰ লগত কথা হব। পৰহিলৈ মই তেওঁৰ ওচৰ পাম।"

"বাৰু সেইটো হব। ই একো টান কাম নহয়।" বৰুৱা হাজৰিকাৰ ঘৰৰপৰা উঠিল শুদা হাতে কিন্তু শুদা মনে নহয়। হাজৰিকাৰপৰা তেওঁ মনৰ খোৰাক পাইছে, তাকেই ভাবিছে, পাগুলিছে, বাটে বাটে গৈছে—সেই ঠেক ৰাস্তাটোৰ মাজে মাজে, জোঙা জোঙা শিলগুটিবোৰৰ ওপৰেদি।

* * * *

হাজৰিকা আৰু ভৰালিৰ আত্মীয়তা সোনকালে গঢ়ি উঠিল। ভৰালি সৰবৰহী লোক। তেওঁ মানুহ চিনি পায়। কাৰ মাজত নিজকে বিলাই দিব লাগে সেইটো তেওঁ ভালকৈয়ে জানে। আজি ছবছৰে তেওঁ মানুহৰ লগত লেনদেন কৰিছে, কাকো আশা দিছে, কাকো চাকৰি দিছে, কাকো টিনপাত দিছে। এনে এজন লোকে হাজৰিকাৰ যোগ্যতা বাক্‌পটুতা, কৰ্মপটুতা এদিনতে ধৰি পেলোৱা একো আচৰিত নহয়। ভৰালিৰ ওচৰত যোগ্যৰ সমাদৰ সদায় আছে। সেইবাবে হাজৰিকাৰ মনোবাঞ্ছা সোনকালে পূৰ্ণ হল—দুই লাখ টকাৰ গজ গঞ্জীয়া ঠিকা হাতলৈ মিলিল।

কেইদিনমান আগতে ফেঁচাটোৰ দৰে মন মাৰি বহি থকা হাজৰিকাৰ এতিয়া তৰণি নাই। তেওঁৰ ঘৰত লোক সমাগম বাঢ়িছে। কুলী, মহৰী, ওভাৰচিয়াৰ এইবোৰৰ কথাকে নকওঁ, স্বয়ং ভৰালিয়ে মাজে সময়ে তেওঁৰ বঙলাত পদাৰ্পণ

কৰি কথা পাতে, চাহ খায়, চুৰট পোৰে। ৰমেন বৰুৱাও আগৰদৰে তেওঁৰ ঘৰলৈ যায় কিন্তু কথা নাপাতে, চাহ নাখায়, চুৰট পুৰিলেও নিজৰ ক্ৰেপৰপৰা উলিয়াই পোৰে।

ৰমেন বৰুৱাৰ পাওনা তিনি কুৰিলৈ উঠিল। ভোগালি বিহু ওচৰ চাপিছেহি। বিহুৰ আগে আগে টকা কেইটা পালে তেওঁ ৰক্ষা পৰে। ল'ৰা-ছোৱালী কেইটাৰ সৰস্বতী পূজাৰ চাঁদা দিব লাগে, জাৰৰ কাপোৰো লাগে। তাৰোপৰি বিহুৰ বাবে সাধাৰণ হলেও অলপ যোগাৰ লাগে। আজি তিনি দিন চেষ্টা কৰিও তেওঁ হাজৰিকাক লগ পোৱা নাই। সিদিনা হাজৰিকাই নিজে তেওঁক মাতি পঠিয়াইছে বাবে তেওঁৰ মনত অপাৰ আনন্দ, পাবৰ আশাত, টকাৰ মায়াত।

"বহক মাষ্টৰ বাবু, ভাল কামটো হাতত ললোঁ বুজিছেনে? দিনৰ দিনটো তৰণি নাই, ৰাতিও টোপনি নাই। আগেয়ে জনাহেঁতেন এনে কামত হাত নিদিলোঁহেঁতেন। কিন্তু এতিয়া উপায় নাই—আগুৱাবলৈকো টান পাওঁ উভতিবও নোৱাৰোঁ।"

"ওভতে কেলেই? দুই লাখ টকাৰ ঠিকা যেতিয়া ভেৰলাথ মানৰ কাম দেখুৱালে নহব জানো?"

"ইঃ ৰাম ৰাম, আপুনি কয় কি? আনৰ দৰে তালি বাজি মাৰিবলৈ গলে মোৰ জানো মান-সম্মান ৰব। লাগিলে মোৰ ঘৰ মাটিকেই বেচিম, তথাপি কাম কেঁচা নকৰোঁ। মান ইজ্জতকৈ টকা ডাঙৰ হব নোৱাৰে। আনে সেইটো নুবুজিব পাৰে কিন্তু সদানন্দ হাজৰিকাই তাক ভালকৈ বুজে।"

সুযোগৰ অপেক্ষাত বৰুৱাই কাণ থিয়কৈ শুনি আছে। সিদিনাও শুদা হাতে উলটিব লগা হলে তেওঁৰ বিপদ হব।

"ইয়াৰ কাৰণেই খৰচ কৰোঁ, টকা চালি দিওঁ—দুকৰিৰ ঠাইত চাৰি কুৰি, এশত ঠাইত দুশ। কণ্ট্ৰোলৰ বজাৰ গ'ল। কোনো বেটাই খুঁত উলিয়াব নোৱাৰিলে আৰু এতিয়া যদি ঠিকাকেই কৰোঁ তাতো আপোনাৰ আশীৰ্বাদত কেৱে নোৱাৰে। পূজাসেৱাৰ যোগাৰত মই ত্ৰুটি নকৰোঁ। আজি আপোনাৰ লেঠাটোও মাৰিব খুজিছোঁ। জাৰ পৰিছে, অহা যোৱাত আপোনাৰো কষ্ট হৈছে দেখি মোৰ ভাল লগা নাই। আপোনাৰ বাবে এইটো শিলঙৰ পৰা ফৰ্মাচ কৰি অনাইছোঁ। আপুনি গাত দি ফুৰিলে বৰ আনন্দ পাম। লগতে প্ৰায় কুৰি টকাও লৈ যাওক। বিহুৰ খৰচ লাগিব।"

চকীৰপৰা উঠি হাজৰিকাই বৰুৱাৰ হাতত এটা গৰম কোট তুলি দিলে। অনুৰোধ এবাৰ নোৱাৰি কমতেই তেওঁ কোটটো পিন্ধিলে। আঠুৰ তললৈকে ওমমি পৰা দীঘল কোটটো, চকলেট্ ৰঙৰ, মিহি, নিমজ অথচ বেছ গৰম। বৰুৱাই চোলাটো পিটিকি আছে আনন্দত, লাজত। হাজৰিকাই একেথৰে বৰুৱাৰ পিনে চাই আছে। তৃপ্তিৰ মিচিকিয়া হাঁহিয়ে তেওঁৰ মুখখন পোহৰ কৰি তুলিছে।

"ভিডিৰ বুটামটো অলপ টান হয় নেকি?" মাতো নামাতোকৈ বৰুৱাই নিস্তব্ধতা ভঙ্গ কৰিলে।

"নাই, দুদিন পিছতে সেইটো ঠিক হৈ যাব। বেছ শুৱাইছে আপোনাক। গাৰ ৰঙৰ লগত ৰক্তিতা খাই পৰিছে। বুজিছে মাষ্টৰ বাবু, মই এক কথাৰ মানুহ। মৰিব পাৰোঁ তথাপি জবান এৰিব নোৱাৰোঁ। আপোনাৰ উপকাৰ মই পাহৰা নাই। এসপ্তাহ আগতে এইটো আপোনাক পাওনা কৰিব পৰা হলে মনত বেছি আনন্দ লাগিলহেঁতেন। কিন্তু মনত ভাবিলোঁ। দিব খুজিছো যেতিয়া মাল চকুত লগা হব লাগে। মনত লগা মাল ইয়াত নাই। সেই বাবে শিলঙৰপৰা অনোৱা ঘটংমটঙত অলপ দেৰি হৈছে।"

ৰমেন বৰুৱাই কথা বিচাৰি পোৱা নাই। কোটটো পিন্ধি তেওঁ আনন্দিত হৈছে নে নিজকে অপৰাধী বিবেচনা কৰিছে তাকো ভালকৈ ধৰিব পৰা নাই। জীৱনত কেতিয়াও তেওঁ কাৰোপৰা অনুগ্ৰহ ভিক্ষা কৰি পোৱা নাই। নানান কষ্টকো নেওচি জাবে জহে তেওঁ চলিছে তথাপি কাৰো ওচৰত তেওঁ অনুগ্ৰহপ্ৰাৰ্থী হোৱা মনত নপৰে। সেই বাবে আজি তেওঁৰ জয় হৈছে নে পৰাজয় হৈছে তাৰ সঠিক সমিধান তেওঁ বিচাৰি পোৱা নাই।

কোটটোৱে তেওঁ গাত বেছ উম দিছে। দেখিবলৈকো কোটটো ধুনীয়া। গতিকে তাৰ প্ৰতি তেওঁৰ মায়া উপজিছে। সুন্দৰ কাপোৰ, ওপৰত হাত বুলালেও এটা তৃপ্তিৰ শিহৰণ জাগে। হাজৰিকাই ভাল বস্তুকেই আনিছে, দিওঁ বুলিয়েই নিশ্চয় দিছে।

হাজৰিকাৰ ঘৰৰপৰা বৰুৱা ওলাল। তেওঁৰ মনৰ ওপৰত এটি অহৈতুকী চিন্তাৰ অৱসাদ। হাজৰিকাৰ ভুটীয়া কুকুৰটোৱে ভুক ভুককৈ তেওঁৰ পিছে পিছে খেদি গল—বোধহয় তাৰ ভাষাৰে তেওঁকেই সম্বৰ্দ্ধনা জনাওঁ বুলি। অলপ পিছতে এজন শিক্ষকে আচৰিত হৈ কোটটো লাৰিচাৰি সযত্নে পৰীক্ষা কৰিলে, তেওঁকো অভিনন্দন জনালে। স্কুল ঘৰত কাম কৰা জামাদাৰটোৱে

সিদিনা দূৰতে চালাম দি নীৰৱে তেওঁৰ সুখতে সুখী হোৱা যেন দেখা গল।

বকুৱাই বেগাই খোজ লৈছে। বাটত ফিৰ্ ফিৰিয়া চেঁচা বতাহ। কিন্তু সিদিনাৰ বতাহে তেওঁৰ গোটেই গাটোকে থক্ থক্ কৰে কপাই তুলিব পৰা নাই। দৰিদ্ৰৰ ওপৰত প্ৰকৃতিৰ এই নিকৰুণ আঘাত সিদিনা ব্যৰ্থ হৈছে আৰু ব্যৰ্থ হৈছে হাজৰিকাৰপৰা পোৱা দুৰ্ভেদ্য কবচৰ ওপৰত পৰি। ভৰিত এযোৰ মোজা আৰু মূৰত এটা টুপী থাকিলে বকুৱা সিদিনা মেৰুপৰ্বতৰ শীতৰ লগত যুঁজিবলৈকো সক্ষম। বেছ আৰামত গৈ আছে তেওঁ। হাতৰ আঙুলি কেইটাত অলপ চেঁচা লাগিছিল কিন্তু জেপৰ ভিতৰত সুমাই লোৱাৰপৰা তেওঁ চেঁচা অনুভৱ কৰা নাই। জোঙা জোঙা শিলবোৰৰ ওপৰত সিদিনা তেওঁৰ খং উঠা নাই। মিউনিচিপালিটিৰ নেতাসকলৰ ওপৰতো অভিশাপ বৰ্ষিত হোৱা নাই। লাহে ধীৰে গৈ তেওঁ নিজ বাৰেণ্ডাত ভৰি দিছে। তেওঁৰ মৰমৰ টমি ওচৰলৈ লৰি আহিছে কিন্তু আন দিনাখনৰ দৰে নেজ জোকাৰি ভুৰিত বাগৰি পৰিৰলৈ নহয়। সি আহিছে ৰুদ্ৰমূৰ্তি ধাৰণ কৰি আক্ৰমণ কৰিবলৈ,—বোধহয় নাজানি, চিনি নাপাই। কি হল বুলি ঘৈণীয়েক ততালিকে ভিতৰৰপৰা ওলাই আহিল আৰু বকুৱাক দেখা পাই আচৰিত হৈ সুধিলে। "—ল'ৰাই জাৰত কঁপি কঁপি কলেজলৈ অহাযোৱা কৰে অথচ এগাল ৰূপ ভাঙি আপুনি এইখন কি কৰিলে?"

"ৰবাচোন ৰবা, একেবাৰে জাস্তিপৰ দৰে সুঠিবা। মোক অলপ উশাহ লবলৈ সময় দিয়া!" বুলি তেওঁ ঘৰৰ ভিতৰ সোমাল। নিজৰ ভুল বুজিব পাৰি টমিয়েও লাজতে ক্ষমাৰ আশাত যেন তেওঁৰ ভৰিৰ আগতে শুই পৰিছে।

"বুজিছা, ৰূপ ভঙা নাই। ভাঙিমেই বা ক'ৰপৰা? এইটো হাজৰিকাৰেই দান। সিদিনা যে ভৰালিৰ পৰিবাৰক তুমি হাজৰিকাৰ কথা কৈছিলা, সেইজন হাজৰিকাই। তেওঁ ঠিকা পাইছে। এয়ে তাৰ বানচ, পুৰস্কাৰ নাইবা যি বোলা সেয়ে। কেনে দেখিছা? কাপোৰখন হলে বেছ মজবুত আছে দেই—দামো কম নহব, ডেৰ শৰ ওপৰেই পৰিব লাগে।"

বকুৱাৰ কথা শেষ হওঁ নৌহওঁতেই পঢ়া খোটালিৰপৰা কণক বেগেৰে ওলাই আহিল। "কি কয় দেউতা, আপুনি শেহত হাজৰিকাৰপৰা ভেটী ললে নেকি?"

"ভেটী নহয় অ'—পুৰস্কাৰ। তইঁতে একো নুবুজ দেখিছোঁ।" বকুৱাৰ মনত খং উঠিছে।

"দেউতা, আপুনি এতিয়াই এই কোট ওভোটাই দিয়কগৈ। ইমান দিন আপোনাৰ কোট নোহোৱাকৈ চলিছে, আজিও চলিব। দগাবাজ, লম্পটে আন উপায় নাপাই শেহত এই অস্ত্র প্রয়োগ কৰিছে।"

"ৰ চোন ৰ। তইঁত আটায়ে এনেখন কৰিছ কেলেহ? হুঁ—মই কি জগৰ লগালো অ' যে এতিয়াই কোট ওভোটাই দিব লাগে?" ভেবা লাগি বৰুৱাই পুতেক আৰু ঘৈণীয়েকৰ মুখলৈ চায়।

"আমি ডেকাদলে অনাচাৰ অত্যাচাৰ ধ্বংস কৰিবলৈ ওলাইছো—নতুন দেশ গঢ়াৰ কল্পনা কৰিছো। যিবোৰ লোকে ষড়যন্ত্র কৰি ৰাইজৰ বিলাই বিপত্তি নোহোৱা কৰিছে সেইবিলাকৰ বিপক্ষে আমি একগোট হৈ থিয় দিছো। প্রথমতে আমি ভৰালী আৰু শইকীয়াৰ বিপক্ষেই উঠিপৰি লাগিছো। বুলেটিন ছপা হৈ গৈছে। বৰবিহুৰ দিনা বিৰাট সভা বহিব, প্রস্তাব পাছ কৰা হ'ব। আপুনি বুজিব পৰা নাই দেউতা, আনৰ চকুত মোক হেয় কৰিবলৈ তেওঁ এই কাম কৰিছে। আপোনাৰ সৰলতাৰ আঁৰত থাকি তেওঁ নিজ স্বার্থ পূৰণ কৰিবলৈ যত্ন কৰিছে।"

সৰসৰকৈ কনকে সকলো কথা কৈ যায়। বৰুৱাই কথাটোৰ ভিতৰলৈ সোমাব পৰা নাই, সোমাবৰ চেষ্টাও কৰা নাই। ল'ৰাৰ টান কথা শুনি তেওঁৰ ভাল লগা নাই। বিশেষতঃ ডেকাসকলে মুখৰ কথাৰে দেশ উদ্ধাৰ কৰা নীতি তেওঁ সমর্থনো নকৰে।

"তই এইবোৰ কি বলকিছ। মই হাজৰিকাৰ ল'ৰা পঢ়াওঁ। ধনী মানুহ তেওঁ। নিদিলে, এই চোলাটো তেওঁ মোক দিলেই। তইঁতৰ কি হ'ল অ'? নোৱাৰোঁ, এই চোলা মই ওভোটাই দিব নোৱাৰোঁ। মানুহজনে কেনে পাব! তেওঁ ভালেই হওক বা বেয়াই হওক মোক সেইবোৰ কেলেই লাগিছে। মই নিজেই তেওঁক অপমান কৰিব নোৱাৰোঁ। তথাপি তইঁত আটাইৰে আপত্তি যেতিয়া নে এই চোলা মই দুনাই গাত নিদিওঁ। তইঁতৰ যি ইচ্ছা তাকে কৰগৈ।"

খঙতে বৰুৱাই কোটটো সোলোকাই ঘৈণীয়েকৰ ভৰিৰ আগত দলিয়াই পেলাই দিলে। ওচৰত শুই থকা টমিয়ে জপিয়াই চোলাৰ এমূৰত কামুৰি ধৰি বাহিৰলৈ চোঁচৰাই লৈ গ'ল।

৮।১।৫৩
নলবাৰী

গৱেষণাৰ গজালি

পেস্কাৰৰ ঘৰখন হঠাৎ আনন্দমুখৰ হৈ উঠিছে। দীৰ্ঘকালৰ অন্তত বাঞ্ছিত নিধি হাতৰ মুঠিত মিলিলে যেনেকৈ আনন্দত মন প্ৰাণ নাচি উঠে সেইদৰে নাচি উঠিছে তেওঁৰ মনৰ সুপ্ত, দলিত ভাববোৰ। সঞ্জীৱনী সুধাৰ পৰশত লেবেলি যাব ধৰা সুকোমল অনুভূতিবোৰ পুনৰ ঠন ধৰি উঠিছে, জীৱনৰ প্ৰতি এটি অভূতপূৰ্ব আকৰ্ষণে তেওঁৰ মনত জগাই তুলিছে অপাৰ আনন্দ, পৃথিবীৰ প্ৰতি অস্বাভাবিক আসক্তি। কোনো দিনেই তেওঁ এই বহল পৃথিবীৰ কথা ভাবি কাল্পনিক হ'বলৈ বিচৰা নাই। বাস্তৱৰ সেৱক আৰু পূজক হিচাবে ইমান দিনে নিজৰ কৰ্তব্যাকৰ্তব্যৰ পিছত তেওঁ লৰিছে, অলীক কল্পলোকত সোমাই মৰীচিকা খেদা নাই। কিন্তু আজি তেওঁৰ মনৰ ওপৰত বিৰাট পৰিবৰ্তনৰ ধুমুহা! আজি কল্পনাৰ সীমাহীন ৰাজ্যৰ মাজত সোমাই তেওঁৰ মনে লাভ কৰিছে নতুন তৃপ্তি। তেওঁৰ চকুৰ আগত ভাহি উঠিছে এখন নতুন সংসাৰ—প্ৰিয়জনৰ সাদৰ সম্ভাষণ, ল'ৰা-ছোৱালীৰ হাঁহি-ধেমালি, পো-বোৱাৰীৰ শুভ আগমন, আৰু তাৰ পিছত নাতি-নাতিনীৰ চেঁহ, ৰোহ, কাকুতি, মিনতি আৰু কত কি? হতাশৰ বুকু ফালি পেস্কাৰৰ ওঠত হাঁহি জিলিঙনি পোহৰ হৈ উঠিছে।

বৈবাহিক জীৱনৰ দীঘল একুৰি বছৰৰ মূৰত বাঞ্ছিত শিশুৰ শুভ আগমন। কাইলৈ নামকৰণৰ দিন। ৰাতি পুৱাওঁ নৌপুৱাওঁতেই আঘণী বাই হাজিৰ হ'বহি। গইকীয়ানী এই কেইদিন আনন্দত উতলিয়ে আছে। জয়কান্ত, মিহিৰ, গহনচন্দ্ৰই তেওঁক ততকে দিয়া নাই। সকলোকে তেওঁ সন্তুষ্ট কৰিব লাগিব। সকলোৱে তেওঁক ভাল পায় বুলিয়েই এনেবোৰ টনা আজোৰা হৈছে। সেই বাবে তেওঁ হাতৰ মুঠি ঢিলাই দিব, কৃপণালি নকৰে। এমাহ আগতে মাখোন লগৰে পেস্কাৰ মহীচন্দ্ৰ ল'ৰাৰ বাপেক হ'ল কিন্তু কেৰে তাৰ ফুটকে নাপালে দেখোন। অথচ তেওঁৰ বেলিকা হলে তেওঁৰ মনৰ আনন্দ আকাশে বতাহে প্ৰতিধ্বনিত হৈ উঠিল। চহৰৰ ইমূৰৰপৰা সিমূৰলৈ সকলোৱে জানিলে ভদ্ৰকান্ত অপুত্ৰক নহয় পুত্ৰবান পিতৃ।

অলপ আঁতৰত কেঁচুৱাই এঙামুৰি দি চকু দুটা বহলকৈ মেলি চালে। পেস্কাৰণীয়ে আলফুলকৈ তাক বুকুৰ মাজলৈ টানি নি মাতৃস্তন্যৰ মাধুৰ্যেৰে জীৱনৰ অমিয়াৰ প্ৰলোভন দেখুৱালে। কিন্তু অবুজ শিশু সি। অযাচিত মাতৃৰ

কৰুণাকো উপেক্ষা কৰি সি ওপৰৰ নীলা ৰঙৰ বিজুলী বাত্তিটোৰ প্ৰতি উদাস দৃষ্টিৰে চাই থাকিল।

"দেখিছনে, পিয়াহ খাবলৈ এৰি সি এই পোহৰৰ পিনেহে চকু দিছে। ই বোধহয় ডাঙৰ হ'লে ইঞ্জিনিয়াৰ হ'ব।"

"এঃ তোমাৰো কথাখন। যদি আমুকা পেন্সাৰ বাচিহে থাকোঁ আৰু ঈশ্বৰে অনুগ্ৰহ কৰে, তাক মানুহ নকৰি নেৰোঁ নহয়। নিজে চাকৰি কৰি কৰি তাৰ সোৱাদ পাইছোঁ। যি দাসখত লিখি দিলোঁ এবাৰেই দিলোঁ। ইয়াৰ পিছত সেই ভুল দুনাই নকৰোঁ। মোৰ ল'ৰাকো সেই ভুল কৰিবলৈ নিদিওঁ। ভগৱানে অনুগ্ৰহ কৰিলে মই কি কৰিম জানা? তাক দেশনেতা বনাম। সি ফুলৰ মালা পিন্ধিব, দহজনক হুকুম দিব, ঠিকা দিব, চাকৰি দিব।"

"এতিয়াইনো সেইবোৰ কি কয় আপুনি? আগেয়ে ল'ৰা ডাঙৰ-দীঘল হওঁকচোন। ঈশ্বৰে লাঠি চৰ মাৰি এৰক। পিছত যি হ'বৰ আছে হ'ব। অতবোৰ মানুহ দিনে-ৰাতিয়ে আহিছে, গৈছে, তাক চাইছে। এতিয়া কাৰো মুখ নালাগিলেহে হৈছে।"

"ভয় নকৰিবা। মই তাৰ ব্যৱস্থা কৰিছোঁ। কিন্তু কাইলৈ নামকৰণৰ দিন। এতিয়ালৈকে নামটোহে থিৰ কৰিব পৰা নাই। আজি ৰাতিৰ ভিতৰতেই নামটো উলিয়াব লাগিব। নাম হ'ব লাগিব অৰ্থপ্ৰকাশক, অথচ মধুৰ। নামৰ ধ্বনিত ফুটি উঠিব লাগিব মহত্ব, শক্তি আৰু উদাৰতা। তুমি হয়তো ভাবিছা মই ভাৱ-প্ৰৱণ হৈছোঁ। মনৰ আনন্দই মোক কাল্পনিক কৰি তুলিছে।"

"জানোঁ আপুনি এইবোৰ কি বলকিছে। নামটোৰ কাৰণে ইমান হাবাথুৰি খাব লাগেনে? গোবিন্দ, ভবেন্দ্ৰ, জনাৰ্দন ইত্যাদি কত নাম আছে। এটা দেখোন ৰাখিলেই হয়।"

"ইমান সহজে নহয়, বুজিছা।" পেন্সাৰে হাঁহিমুখে উত্তৰ দিলে। "ল'ৰা ভূমিষ্ঠ হোৱাৰ আগ মুহূৰ্ততে মই যি দেখিলোঁ তাক কাৰো আগত কোৱা নাই। ইয়াৰ নিশ্চয় কিবা অৰ্থ আছে।"

"কি দেখিলে?"

"মই বিছনাত গাটো দীঘলকৈ পেলাই দিছোঁ। মোৰ মনত দুশ্চিন্তা কাৰণ তোমাৰ অসুখ। টোপনি আহিছে বুলি ক'ব নোৱাৰোঁ। হঠাৎ দেখিবলৈ পালোঁ চকুৰ আগত বিৰাট জনসমুদ্ৰ। এখন প্ৰকাণ্ড মুকলি পথাৰৰ চাৰিওপিনে

সুসজ্জিত ঘৰবোৰ। তাৰ মাজত অসংখ্য জনসমাগম—ল'ৰা, বুঢ়া, ডেকা, গাভৰু, নানান দেশৰ, নানান বেশৰ। সকলোৰে হাতত বিজয় পতাকা, সকলোৰে বুকুত আনন্দ উল্লাস। এই বিৰাট জনসমুদ্ৰৰ মাজত মই অকলে অসহায়ৰ দৰে ইফালে সিফালে চাইছোঁ। কোনো চিনাকি মানুহ নাই। হঠাৎ সমুখৰ পিনে দেখিবলৈ পালোঁ। মঞ্চৰ ওপৰত এজন সুন্দৰ সুশ্ৰী পুৰুষৰ আৱিৰ্ভাৱ হ'ল। বিৰাট জনতাই আনন্দত কিৰিলি পাৰি উঠিল। জাউৰি জাউৰি জয়ধ্বনিয়ে আকাশ মুখৰিত কৰিলে। বতাহত লক্ষ লক্ষ পতাকা উৰিবলৈ ধৰিলে। গোটেই ঠাইখন অপূৰ্ব জেউতিৰে দীপ্তিমন্ত হৈ উঠিল। মই অবাক্ হৈ সেই মহাপুৰুষৰ পিনে ৰ লাগি চাই আছোঁ। কোন তেওঁ? নেহৰু? বুল্‌গেনিন্? চাৰ্চিল? আইছেনহাৱাৰ? নহয় তেওঁ অকল এজন নহয়। আটাইকেইজনৰ শৌৰ্য-বীৰ্য আৰু জ্ঞান গৰিমাৰ যেন তেওঁ মূৰ্ত প্ৰতীক। মই আগবাঢ়ি গলোঁ। বুকুত সাহস গোটাই লৈছোঁ। যাম, মঞ্চৰ ওপৰলৈ যাম। সেই মহাপুৰুষৰ লগত কথা পাতিম। কিন্তু নিমিষতে দেখিলোঁ। জনসমাগম নাইকিয়া হ'ল। সেই মহাপুৰুষৰো অন্তৰ্ধান হ'ল। মঞ্চৰ ওপৰত জিলিকি থাকিল এটি ধুনীয়া পুতলা। মই চকু মুখ মোহাৰি চালোঁ। বিছনাত উঠি বহিলোঁ।—শুনিবলৈ পালোঁ। কেচুৱাই কান্দিছে।"

পেস্কাৰ বৈ গ'ল যদিও ভাৱপ্ৰৱণতাক তেওঁ চেপা দি ৰাখিব পৰা নাই। আগেয়ে সপোনত হাজাৰ হাজাৰ ভূতপ্ৰেতৰ লগত তেওঁ লেনদেন কৰিছে, কাজিয়া কৰিছে, কেতিয়াবা সিহঁতক মাৰিছে, কেতিয়াবা সিহঁতৰ হাতত মাৰ খাইছে। কিন্তু সিদিনাৰ সপোন সপোন নহয়। এই সপোন বাস্তৱতকৈয়ো জীৱন্ত। এই সপোনে ইঙ্গিত দিছে নৱজাত শিশুৰ ভবিষ্যৎ জীৱনৰ চমু ইতিহাস। বিৰাট জনসমাগমে বুজাইছে নেতৃত্বৰ সবল অঙ্কুৰ। গতিকে পিতৃ হিচাবে তেওঁৰ দায়িত্ব আছে। ভবিষ্যত সম্ভাৱনাৰ লগত খাপ খোৱাকৈ তেওঁৰ ল'ৰাৰ নামকৰণ কৰিব লাগিব। নামৰ ভিতৰত লুকাই থাকিব লাগিব ল'ৰাৰ ভবিষ্যত বিকাশৰ গুপুত বীজ।

কেঁচুৱাটিয়ে এইবাৰ কান্দি উঠিল। সি হয়তো স্নেহময় পিতৃৰ উদ্‌ভ্ৰান্ত কল্পনাৰ আভাস পাই আতঙ্কত চিঞৰি উঠিছে।

"হেৰা, টোপনি আহিল নেকি? কেঁচুৱাই কান্দিছে।"

মাকে চকু দুটা মোহাৰি কেঁচুৱাক পিয়াহ দিলে। "আপুনি এতিয়াও শোৱা নাই?"

"মই কথা কৈ থাকোঁতে তোমাৰ চাগৈ টোপনি আহিল।"

"নাই অহা। মই আপোনাৰ কথাকে শুনি আছোঁ।" পেস্কাৰণীৰ কথাৰ মাজত টোপনিৰ জড়তা ফুটি উঠিছে।

"তুমি বাৰু শুই থাকা। মই হ'লে শুব নোৱাৰিম। তুখন who is who আৰু চাৰি বছৰৰ আৱাহন গোটাইছোঁ। আজি ৰাতিৰ ভিতৰতে নামটো উলিয়াব লাগিব। ৰাতি পুৱালেই দেউ হাজিৰ হ'বহি।"

কেঁচুৱাক বুকুত সাবটি পেস্কাৰণী টোপনিত লালকাল। বিছনাত বহি পেস্কাৰে পুথি খুলি ললে।

পতঞ্জলি ?

"গুৰুগম্ভীৰ শব্দৰ সংযোগ। নামত মাধুৰ্য আছে কিন্তু পতঞ্জল এজন প্ৰাচীন ঋষিৰ নাম নহয় জানো ? প্ৰত্নতাত্বিকৰ ওপৰত মোৰ আস্থা নাই। মোক লাগে নতুন যুগৰ নতুন মানুহ। শব্দ ঝঙ্কাৰত ধ্বনিত হ'ব লাগে প্ৰগতিৰ বীজমন্ত্ৰ।"

সৰ্বভুক্ বেড্ডী—নলীনাক্ষ ৰেঙ্কটাৰমন্—সৰ্বগ্ৰাস শিষ্টদমন—চি জি টিউফলছ্ ব্ৰক্—দাকোটা চিমিনিমিনভ্...... ?

"হিঃ হিঃ হিঃ খাৰখোৱা অসমীয়াৰ দাঁতেই ভাগিব, জিভা ভোটা হ'ব। এইখন আকৌ কেনে ধৰণৰ পুথি! অতবোৰ নাম আছে, আটাইবোৰেই আচহুৱা আচহুৱা যেন লাগে। আমাৰ ৰাজ্যৰ মানুহবোৰৰ পিনে ইহঁতৰ চকুৱেই নপৰে হ'বলা ? ইহঁত আটায়ে লগ লাগি অসম দেশখন গিলিবহে খোজে। কাকো গোৱালপাৰা লাগে, কাকো বা লাগে কাছাৰ, মণিপুৰ, আৰু কত কি ? বোপাইহঁতে কেতিয়াবা আমাৰ ৰংপুৰ নগৰ খনলৈকো জাপ মাৰিব যেনহে লাগিছে।

"হেৰা, ল'ৰাৰ মাক ?"

কেঁচুৱাটোৱে মূৰটো অলপ ইকাতি সিকাতি কৰি আকৌ তলকা মাৰিলে। বেৰত ওলমি থকা ঘড়ীটোৱে টং টং কৈ দুটা কোব মাৰি পেস্কাৰক সতৰ্ক কৰি দিলে।

"শোৱা, তোমাক জগায়েই বা লাভ কি ? মইহে ল'ৰাৰ বাপেক। তুমিতো নোহোৱা। দায়িত্বৰ বোজা নিজৰ মূৰত লব লাগিব যেতিয়া উজাগৰে থাকিব লাগিলেও থাকিব লাগিব নিজেই। কতই চাগৈ ল'ৰাৰ নামৰ বাবে চিন্তা কৰি ৰাতি উজাগৰে থাকিবলৈকো সুযোগ পোৱা নাই।"

হলীৰাম ডেকা ?

"সহজ সৰল নাম। নামৰ ওপৰত পৌৰাণিক প্ৰভাৱৰ প্ৰাধান্য। কিন্তু ডেকা উপাধিয়ে উদ্যম আৰু কৰ্মশক্তি অটুট্ ৰখাৰ উপৰিও জাগতিক প্ৰবাহৰ লগত উঠা নমা কৰাৰ সুযোগ দিছে।"

অতুল হাজৰিকা ?

"হাজৰিকাৰ লগত অতুলৰ সংযোগ অতুলনীয় হৈছে। কিন্তু অধিক কোমল শব্দৰ সমাবেশৰ ফলত কাব্যিকতাৰ ফুলি থকা ফুলনিৰ মাজত জাতকে বাট হেৰুৱাৰ ভয় আছে।"

বিনন্দ বৰুৱা ?

"নামৰ অনুপ্ৰাসে ললিত কলাৰ প্ৰতি আকৰ্ষণৰ ইঙ্গিত দিছে। কিন্তু যুক্তাক্ষৰৰ ব্যৱহাৰৰ হেতুকে শৌৰ্য-বীৰ্যৰ পট-ভূমিতহে কলা-কৌশল ভালকৈ ফুটি উঠাৰ সম্ভাৱনা।"

হেম বৰুৱা ?

"হেম আৰু বৰুৱাৰ মাজত কিবা যেন নাই নাই। নামত গাম্ভীৰ্যৰ মধুৰ সমাবেশ অথচ অলসতাৰ অস্পষ্ট ইঙ্গিত।"

প্ৰমোদ বৰ্মন ?

"প্ৰমোদ নহৈ বিনোদ বৰ্মন হোৱা হলে বীৰত্বৰ বুকুত কোমলতাৰ বীজ ফুটি উঠিলহেঁতেন। অলস অকৰ্মণ্যতা আৰু বীৰত্ব-ব্যঞ্জনা পৰস্পৰ বিৰোধী।"

উপেন্দ্ৰ লেখাৰু ?

"উপসৰ্গৰ ওপৰত ইন্দ্ৰত্ব। নামৰ ধ্বনিত কৰ্মকুশলতাৰ পৰিচয় থাকিলেও যশস্যালাভৰ যোগ লেখাৰু উপাধিয়ে বিয়োগ কৰোৱাৰ ভয় আছে।"

বিৰিঞ্চি বৰুৱা ?

"সৃজনী-শক্তিৰ অপ্ৰতিহত গতি। কিন্তু ব আৰু ৰ ৰ বহল প্ৰয়োগৰ বাবে আৰু কোমল যুক্তাক্ষৰে নাম আৰু উপাধিৰ মাজত হেঙাৰ দিয়াৰ কাৰণে শক্তি বিক্ষিপ্ত হৈ পৰাৰ আশঙ্কা আছে।"

সূৰ্য ৰৰপুজাৰী ?

"সেৱা ধৰ্মসাধনাৰ ইঙ্গিত আছে কিন্তু পূজাৰী উপাধিৰ হেঁচাত সাম্ভাব্য-বিকাশ মন্দিৰৰ ভিতৰতে আবদ্ধ হৈ আছে ?"

বীৰেন্দ্ৰ ভট্টাচাৰ্য ?

"নাম আৰু উপাধিৰ অপূৰ্ব মিলন। অনুপ্ৰাস নাথাকিলেও শব্দধ্বনি আৰু

অক্ষৰধ্বনি বীৰত্ব প্ৰকাশক। কিন্তু কোমল অক্ষৰৰ অনধিকাৰ প্ৰৱেশ হেতুকে বীৰত্ব প্ৰকাশ তৰোৱালৰ সহায়েৰে নহৈ কাপৰ সহায়েৰে হোৱাৰেহে সম্ভাৱনা বেছি।"

তীৰ্থনাথ শৰ্মা ?

"নামৰ প্ৰথম আৰু শেষ শব্দৰ ওপৰত ৰেফ্ প্ৰয়োগৰ হেতুকে সবল সুস্থ শৰীৰৰ উপৰিও উত্তমৰ আভাস দিছে।"

মনোৰঞ্জন শাস্ত্ৰী ?

"শব্দসংযোগ ৰমণীয় কিন্তু শাস্ত্ৰী উপাধিয়ে নামৰ সম্ভাৱনাক ঠেক কৰিছে। শাস্ত্ৰ অধ্যয়নৰ প্ৰাধান্যৰ ফলত লোকৰঞ্জনৰ ক্ষেত্ৰত পদে পদে বাধা।"

ত্ৰৈলোক্য গোস্বামী ?

"নাম ব্যাপক, কিন্তু তিনিও লোককে একে জৰীৰেই সাঙুৰি লোৱাৰ যি ইঙ্গিত সি অবাস্তৱ। নামৰ ধ্বনিত কাৰ্যতকৈ কল্পনাৰ প্ৰভাৱ গধুৰ।"

দুৱাৰত টক্ টক্ শব্দ শুনা গ'ল।

"দেউতা—দে-উ-তা ?"

"কোন ?"

"মই ভুৰুকা।"

"ভুৰুকা! কোন বাপেকে ইয়াৰ নাম ৰাখিছিল ভুৰুকা ? ভুৰুকাও এটা নাম।"

"দেউতা ?"

"বোলো কি হ'ল ?"

"ৰাতি পুৱাল।"

"ৰাতি পুৱাল। হুঁ কি কৱ ? ৰাতি পুৱাল।"

মূৰ তুলি পেস্কাৰে দেখিবলৈ পালে যে বেৰত ওলোমাই থোৱা ঘড়ীটোৰ পেন্দুলামডালে ছটা কোব মাৰিবলৈ সাজু হৈছে।

"হেৰা ল'ৰাৰ মাক। সাৰ পাইছানে ? বোলো ৰাতি পুৱাল। আঘনী বাই, বাপু, জয়কান্ত আটায়ে ওলাবহি এতিয়া।"

এঙামুৰি দি পেস্কাৰণীয়ে কৈ উঠিল। "ওৰে ৰাতি কেঁচুৱাই শুব দিয়া নাই। পিছে, আপুনি উঠিল নেকি ?"

"মই উঠিয়েই আছো। কিন্তু উঠিলে কি হ'ব ? ল'ৰাৰ নাম ঠিক নহ'ল। কোৱাচোন কি নাম ৰাখিম ?"

"আপুনিহে জানে ?"

"মই নাজানো গুণেহে সুধিছোঁ। Who is who, আবাহন, বামধেনু সকলো শেষ কৰিলোঁ। মনত লগা নাম নাপালোঁ। ল'ৰাৰ নাম ৰথাৰ সময়ত কোনো বাপেকেই ধীৰ স্থিৰ ভাবে গৱেষণা কৰা যেন অনুমান নহ'ল। এতিয়া উপায় নাই। দৌৰাদৌৰিকৈ এটা উলিয়াবই লাগিব। বাৰু কোৱাচোন বিশ্ববিজয় বেজবৰুৱা হলে কেনে হয়?"

"আমাৰ উপাধি দেখোন বৰুৱাহে?"

"এঃ নহয়হে মইহে বৰুৱা লিখোঁ। দেউতাই কাকতি লিখিছিল। এতিয়া আমাৰ ল'ৰাই বেজবৰুৱা লিখাত একো দোষ নাই। বিশেষতঃ বৰ্ত্তমান যুগত উপাধিৰ সোঁওঁৱে বাওঁৱে দুটা এটা শব্দ লগোৱা দস্তৰ স্বাধীনতা লাভৰ পাছত আমি নতুনকৈ পাইছোঁ। বিশ্ববিজয় নামৰ লগত বেজবৰুৱা উপাধিৰ মিলন অপূৰ্ব হয়।"

"আদিত্যাদি গ্ৰহাঃ সৰ্বে নক্ষত্ৰানি চ ৰাশয়ঃ।
দীৰ্ঘমায়ু প্ৰকুৰ্বন্তু যস্যেয়ং জন্মপত্ৰিকা ॥"

"হেৰৌ ভুৰুকা, বোলো পেস্কাৰ বাপা কলৈ গ'ল?"

"বহক বহক দেউ, এই পীৰাখনৰ ওপৰতেই বহক।" বুলি আঘণী বায়ে সৰালৰিকৈ পীৰা আগবঢ়ালে।

পেস্কাৰৰ কমৰ দুৱাৰ মেল খালে। জয়কান্ত, মিহিৰ, শইকীয়ানী আটায়ে দেউক আগুৰি চাৰিওকাষে বহিল। সকলোৰে মনত আনন্দ, সকলোৰে কথাত ব্যগ্ৰতাৰ ব্যাকুলতা।

"পেস্কাৰ বাপা, জাতকৰ কোষ্ঠীত তিনটা শুভ যোগ—ৰাজযোগ, ক্ষেত্ৰ বিনিময় যোগ আৰু জীৱযোগ। জাতকৰ সপ্তম স্থানত গুৰু। তাৰ পৰা লগ্নত পূৰ্ণদৃষ্টি। ৰাহু বলবান আৰু তুঙ্গী। চতুৰ্থ স্থানত শনিৰ পাদদৃষ্টি। জাতক জ্ঞানত বৃহস্পতি, বীৰত্বত যম, আৰু ধন সম্পত্তিৰ ক্ষেত্ৰত কুবেৰ সদৃশ হ'ব। বৰ ভাগ্যৰ বলতহে এনে কোষ্ঠী পোৱা যায়। কিন্তু বাপা, তুমি অলপ শান্তি স্বস্ত্যয়ন কৰাব লাগিব। ল'ৰাৰ পতাকী বিষ্ট আছে। খৰচলৈ ভাবিব নালাগে। এটা ক'লা ছাগলী, এযোৰ ক'লা পাৰ, পাঁচ সেৰ মাহ, এখন ক'লা কাপোৰ আৰু পাচোটামান ৰূপ হলেই হ'ব। মই আমুকাই আজি ৰাতি পুৱাতেই কৰোঁ। তোমাৰ ল'ৰা লেখত লৱলগীয়া আৰু জাকত জিলিকা হ'ব। তাৰ ৰাশি সিংহ। ৰাশিৰ ফলত জাতক সিংহৰ দৰে বলবান, সাহসী আৰু তেজস্বী হ'ব। তাৰ নামটো ম অক্ষৰেৰে আৰম্ভ হ'ব লাগিব। মই বহুত ভাবিচিন্তি নামটো থিৰ কৰিছোঁ। ইয়াৰ নাম হ'ব মকৰন্দ বৰুৱা।

"মকৰন্দ ফকৰন্দ মোৰ মনত নালাগে দেউ। শাস্ত্ৰত আছে পিতাকেহে ল'ৰাৰ নাম দিব লাগে। পিতৃ হিচাপে মই তাৰ নাম বিশ্ববিজয় বেজবৰুৱা ৰাখিছোঁ।"

"কি কোৱা পেস্কাৰ বাপা! আজি জাতকৰ নামকৰণৰ দিন। আজি গুৰু পুৰোহিতৰ কথা শুনিব লাগিব। তোমাৰ ল'ৰাৰ ৰাশি সিংহ। ম বা ট অক্ষৰেৰে আৰম্ভ হোৱা কোনো নাম নাৰাখিলে নহ'ব। ই শাস্ত্ৰৰ বিধান। আজি আনন্দৰ দিনত শাস্ত্ৰকথা উলঙ্ঘন নকৰিবা। যদি মকৰন্দ নাম ভাল লগা নাই, তেন্তে টঙ্কেশ্বৰ ৰাখা আপত্তি নাই কিন্তু বিশ্ববিজয় নাম কোষ্ঠীত লিখিব নোৱাৰোঁ। শাস্ত্ৰক অমান্য কৰা দুঃসাহস মোৰ নাই।"

"দেউ, এইবোৰ নাম মোৰ মনত নালাগে। আজি কেইবা দিনৰেপৰা মই নামৰ ওপৰত গভীৰ আলোচনা চলাইছোঁ। আপোনালোকে দিয়া নামবোৰত মই এটা নহয় এটা খুঁত উলিয়াই দিব পাৰিম।"

"তেনেহলে এটা কাম কৰা। মই ল'ৰাৰ নামৰ ঠাইখিনি খালি এৰোঁ। ম বা ট অক্ষৰেৰে আৰম্ভ হোৱা এটা ভাল নিখুঁত নাম থিৰ কৰি মোক জনালে মই নামটো লিখি দিম। সাদিন মান সময় হলে নহ'বনে?"

"সাদিন বৰ কম সময় দেউ। যি দেখিছোঁ এমাহৰ কমত একো কাম নহ'ব। নাম ৰখাৰ সময়ত সৰহভাগ বাপেকেই দৌবাদৌৰিকৈ কিবা এটা নাম ৰাখি দায়িত্বৰ হাত সাৰে। কিন্তু মই তেনে বাপেক নহওঁ আৰু তেনেকৈ দায়িত্বৰ বোজাও এৰাব নোখোজোঁ। নানা তৰহৰ পুথি পাজি সংগ্ৰহ কৰি মই নামবোৰৰ বৈজ্ঞানিক আলোচনা কৰিবলৈ চেষ্টা কৰিছোঁ। বৰলোকৰ ভাষাত ক'বলৈ গলে মই দস্তুৰমত গৱেষণা আৰম্ভ কৰিছোঁ। নাজানোঁ সত্য উদ্ঘাটন কৰিব পাৰোঁ নে নোৱাৰোঁ, তথাপি চেষ্টা কৰিম।"

"বৰ ভাল কথা পেস্কাৰ বাপা। তোমালোকৰ দৰে মানুহে এনেবোৰ কাম হাতত নললে কোনে লব? নামৰহস্য বা নামমাহাত্ম্য যদি ছপাই উলিয়াব পাৰা তেন্তে জাতকৰ নামকৰণৰ দিনা তাক পাঠ কৰোৱাৰ ব্যৱস্থা আমি কৰিম। তেতিয়া তোমাৰো পুথি বিক্ৰী হ'ব আৰু আমাৰো দুপইচা উলিয়াবৰ বাট মুকলি হ'ব।"

"আশীৰ্বাদ কৰক দেউ। যিটি গৱেষণাৰ গজালি মোৰ মানসক্ষেত্ৰত ঠন ধৰি উঠিছে সি যেন ফলফুলেৰে জাতিষ্কাৰ হয়।"

"তথাস্তু।"

২।১।৫৫

নলবাৰী।

আত্মিক মানুহ

ৰাতি আঠ বাজিছে। কঁপি কঁপি ভূপতি আৰু যোগানন্দ মোৰ দোকানৰ ভিতৰলৈ সোমাই আহিল, মাল কিনিবলৈ নহয়, মেল মাৰিবলৈ। দুয়োৰে লগত বহুদিন দেখাদেখি হোৱা নাই। আটায়ে ব্যস্ত, মই ক্ৰয়বিক্ৰয়ত, ভূপতিয়ে কবিতাত আৰু যোগানন্দই গল্পত।

"আহা, অলপ আৰামকৈ বহা। গ্ৰাহকো নাই, বিক্ৰীবাট্টাও নাই। কাব্যৰসৰে কিঞ্চিৎ সোৱাদ লওঁ।"

ভূপতিয়ে ৰাগৰ এটি মূৰ টানি ললে। যোগানন্দই চাদৰখনেৰে গা, মূৰ ঢাকি মাত লগালে। "যিহে জাৰৰ কোব মই গোট মাৰি বৰফেই হৈছো যেন পাওঁ।"

"তুমি জানিবা বৰফেই হৈছা। কিন্তু কবিৰৰ কিজানি বৰফৰ পাথৰ হৈয়েই পৰিছে। কবিবৰৰ কল্পনা তোমাতকৈয়ো এখোপ চৰাহে।"

গাত ঠেলা মাৰি ভূপতিৰ মনযোগ আকৰ্ষণ কৰিলোঁ।

"জাৰত ঠেৰেঙা লাগে ধনহীন জন।
গাদীত আৰাম কৰে ধনী মহাজন॥
নোটৰ টোপোলা যত কেউকাষে ৰয়।
প্ৰবেশ নিষেধ তাত জাৰৰ নিশ্চয়॥"

"এঃ, তেনেই ভকতীয়া হ'লহে?" যোগানন্দই হাঁহিলে।

"তীক্ষ্ণবান—
শানিত ছুৰীৰ দৰে চোকা চোকা বান
বতাহত উৰি ফুৰে।
আকাশ আগুৰি আছে জাকে জাকে পতঙ্গ।
সিহঁতৰ আগত শ্যামল শস্যৰ
কুমলীয়া প্ৰলোভন, ধ্বংসৰ অভিযান।
সত্য, ত্ৰেতা, দ্বাপৰ—বীৰ, বীৰাঙ্গনাৰ যুগ।
সপ্তৰথীৰ গাত অভেদ্য কৱচ,
চকুত ক্ৰূৰতা, হাতত মৰণ অস্ত্ৰ।
অসহায় বীৰ অভিমন্যু ধৰিত্ৰী বুকুত পৰে

বঙা বঙা তেজৰ স্ফুঁতি বই যায়, উটি যায়—
ইতিহাসৰ নিৰ্মম বুকুৰ ওপৰত,
কাব্য নাটকৰ তেকুৰা তুলাপাতত,
কলঙ্কৰ ক'লা দাগ ৰচি যায়, ৰাখি যায়।
বেদনাৰ করুণতাৰ, যাতনাৰ মৃত তাড়নাৰ
তাণ্ডৱৰ পদক্ষেপ দৰিদ্রৰ ভগা হৃদয়ত।
শ্ৰেণী সংগ্ৰামৰ অনাটন নিৰ্যাতনৰূপী
পিঙ্গল পিশাচে নাচে, গায়, অট্টহাস্য কৰে।"

"বাঃ—"

"হৈছে, হৈছে। কল্পনাৰ লাগাম টানি ধৰা কবিবৰ। কবিতাসুন্দৰীৰ ৰূপত বন্ধু যোগানন্দ এনেকৈ মুগ্ধ যে আকৌ এখোপ উধালে কেঁচা বিকাৰগ্রস্ত হোৱাৰ ভয় আছে।"

মই বাধা দিলোঁ।

"তোমালোক ধনী-মানুহৰ কথাবোৰ এনেকুৱাই। টকা পইচাৰ কবৰখানাত সোমাই কেৱল মৰা শহে দেখিছা।"

মই হাঁহি সামৰিব নোৱাৰিলোঁ, সুধিলোঁ, "কল্পনাত তোমালোকে কি দেখিছা?"

"ৰামধনু।"

"কবৰখানাত মই দেখিছোঁ মৰা মানুহ, জীয়া মানুহ, ভূত প্ৰেত, ডাইনী, পৰী, দেৱ, দেৱী—সকলো।"

"বাজে কথা এৰা। আৰ্ট তোমালোকে নুবুজা। আৰ্টৰ সৌন্দৰ্য উপলব্ধি কৰিবলৈ, তাক বুজিবলৈ তোমালোকে মৰি জনম ধৰিব লাগিব।"

"থৈ দিয়াহে তোমাৰ আৰ্ট। ল'ৰা-তিৰোতাক পুহিব নোৱাৰি হাবুডুবু খাওঁ, উশাহ নাপাওঁ। তোমাৰ শুকান আৰ্টৰ পিছত লৰিলে আমাৰ নচলে। সেইবাবে এটি মাথোন আৰ্টকেই শিকিবলৈ যত্ন কৰিছিলোঁ কিন্তু তাতো ফল নহ'ল।"

"ও—বুজিছোঁ। তোমাৰ জীপাল আৰ্টৰ ভক্তবৃন্দ সৰহ হলে আমাৰ অৱস্থা চেঁচুকত গজা ডুবৰিব দৰে হ'ব। পিছে আৰ্টৰ সেৱা কৰি গোটালা কিমান?"

"এঃ নাইহে। আজি দুহাজাৰ টকাৰ ঋণত পোত গৈ আছোঁ। উপায় নাই। এইবাৰ বোধ হয় পৈত্রিক সম্পত্তিৰ ওপৰত হাত দিব লাগিব।"

"কি কোৱাহে? চাৰি বছৰ যেনেকৈ কটালা। তালৈ চাই কেনেকৈনো

তোমাৰ কথা বিশ্বাস কৰোঁ। এদিনলৈকে ধৰত পাৰলৈ নাই। আজি অমুকৰ পিছত, কাইলৈ তমুকৰ পিছত ঘুৰি ফুৰিলা। শেহত গৈ এইখনহে হ'লনে?"

"এৰা ভাই কি কম দুখৰ কথা। আনে ভাবিলে ধন ঘটিলোঁ। মোৰো মুখ পোহৰ হ'ল, ভাবিলোঁ, উঠিম,—সুবিধা আঁতৰি নাযাব। কিন্তু চাওঁতে চাওঁতে চাৰি বছৰ পাৰ হৈ গ'ল। একো কৰিব নোৱাৰিলোঁ। শেষত হ'লগৈ সেই 'পুনর্মূষিকো ভব' অৱস্থা।"

"কি হ'ল?"

"সেই আগৰ অৱস্থা। মহাযুদ্ধৰ আগৰ, সাতত্ৰিশ, আঠত্ৰিশ চনৰ অৱস্থা।"

"চক্ৰবৎ পৰিবৰ্তন্তে সুখানি চ দুঃখানি চ।"

"জীৱৰ চকাৰ দৰে ঘুৰি ঘুৰি যায়।

ধন বিত্ত সুখ, দুখ থিৰেবে নৰয়॥"

"এৰা, সেয়ে হ'ল। তোমালোকে নিশ্চয় জানা পিতা ঢুকোৱাৰ পিছত মোৰ কেনে বিপদ। হাতত টকা নাই। চাৰিজন পৰিয়ালে খাব লাগে। কি কৰোঁ? মহাজনৰপৰা মাল কাঢ়িয়নে লৈ দূৰ-দূৰণিৰ হাটলৈ ওলালোঁ। দুই চাৰিয়ে বুধি দিলে কাৰবাৰ কৰিব লাগিলে ফিট্‌ফাট্‌ হৈ থাকিব লাগে। কাৰবাৰ ভাল চলে, লাভো হয়। কথাটো মনত লাগিল। পৰিপাটিকৈ কাপোৰ কানি পিন্ধি হাটত উপস্থিত হলোঁগৈ—লগত গাবোৱান। কিন্তু ক'তা? গাঁৱৰ মানুহবোৰে দেখোন মোৰপৰা আঁতৰিহে ফুৰে! দুই চাৰি ডেকা ল'ৰা, মাষ্টৰ পণ্ডিত মোৰ কাষলৈ আহে সঁচা। কিন্তু জিনিছৰ দাম অলপ চৰাকৈ ক'লে পিছত আহিম বুলি দুনাই নাহে। গতিকে বিক্ৰী হয় সামান্য। গধূলি তাকেই লৈ গৰুৰ গাড়ীত ঘৰলৈ ওভতোঁ। মুৰৰ ক'লা চুলি ধূলিবালিৰে বগা হৈ পৰে। গাৰ বগা কাপোৰে ৰং সলাই ধোঁৱা বৰণ ধাৰণ কৰে।"

"এৰা চলিছিলোঁ। অকল চলাই নহয়—মিতিৰ কুটুমৰ সহায়ত ভনী দুজনীকো বিয়া দিলোঁ, নিজেও বিয়া কৰালোঁ।"

"এনেতে যুদ্ধৰ বজাৰ আহি পৰিল। তোমালোকৰ দিন মুকলি হ'ল।"

"নাই হোৱা। যুদ্ধৰ বজাৰত যেতিয়া দাম চৰিল মই চাৰিওপিনে ধোঁৱা কোঁৱা দেখিলোঁ। এবাৰ ভাবিলোঁ সৰভোগলৈকে যাওঁ। কোনো ঠিকাদাৰৰ লগলাগি দুই চাৰি পইচা গোটাওঁ। কিন্তু সি নহ'ল। কোনো কোনো ঠিকাদাৰৰ দুৰ্দশাৰ কথা শুনি মোৰ মনৰ উৎসাহ নাইকিয়া হ'ল। মই দূৰৰে পৰা সেইপিনে নমস্কাৰ জনালোঁ। দেশত হাহাকাৰ তেতিয়া। বিয়াল্লিছৰ আন্দোলন।

মোৰো গাত বতাহ লাগিল। কিন্তু দৰিদ্ৰতাই বাধা দিলে। আকৌ উপায় বিচাৰিলোঁ। সৰ্বগ্ৰাসী দুৰ্ভিক্ষই বঙ্গদেশৰ বুকুৰ ওপৰত নাচিব ধৰিছে। অসমত ধানৰ দাম উঠিছে, ধনীলোকৰ মোনা ধনেৰে উপচি পৰিছে। সকলো দেখিলোঁ, তথাপি উপায় নাপালোঁ—টকা নাই, সুবিধা নাই। শেহত ভিমাপুৰৰ কথা মনলৈ আহিল। তাত জানিবা টকাৰ গছ কইছে। যেয়ে এবাৰ গৈছে শুদা হাতে উভতি অহা নাই। ইয়াত কুকুৰ মেকুৰীৰ দৰে থকাতকৈ এবাৰ মানুহৰ দৰে চেষ্টা কৰি চাওঁ—ভাগ্যত থাকিলে মিলিব, নহলে নাই। কিন্তু সিও নহ'ল—গৃহিণীৰ হুমুনিয়াহ আৰু আইৰ চকুপানীৰ বিধিপথালি। তাক পাৰ হ'ব নোৱাৰিলোঁ। ঘৰৰপৰা এখোজো লৰিব নোৱাৰিলোঁ।"

"ভাগ্যবান তুমি। ঘৰৰপৰা নলৰাকৈ হাততে সুবিধা মিলিল।" হাহি হাহি যোগানন্দই কথাখিনি পোনাই পেলালে।

"নহয়হে, ইমান সহজে হোৱা নাই। সুবিধা লবলৈ মই পৰিশ্ৰম কৰিছোঁ, ধন ভাঙিছোঁ। তোমালোকৰ ভাষাত সাধনা কৰিছো।"

"অৰ্থাৎ তুমি সাধনাত সিদ্ধিলাভ কৰিছা?"

"এৰা সুবিধা আহিল, হাততে মিলিল। বৰবাবাৰ অনুগ্ৰহ মই জীৱনত নাপাহৰোঁ। তেওঁ দুখীয়াৰ দুখ বুজে। আনে দুপইচা ৰোজগাৰ কৰিলে তেওঁৰ চকু নোপোৰে, তেওঁ আনন্দহে পায়।"

"বৰবৰা কোনহে?"

যোগানন্দৰ প্ৰশ্নত মই অলপ অপ্ৰস্তুত হলোঁ। পুৰণি বন্ধু হলেও তেওঁ গল্পলেখক। মই অলপ ভাবিচিন্তি উত্তৰ দিলোঁ।

"বৰাচোন, ইমান আঁতিগুৰি নিবিচাৰিবা। তেওঁ এজন মালিক। কিন্তু মালিক হলেও তেওঁৰ মিঠা কথা, সজ ব্যৱহাৰ পাহৰিব নোৱাৰোঁ। এনে এজন লোক ইয়ালৈ আগেয়ে অহা নাই।"

"তেওঁ আজিও ইয়াতে আছে নেকি?"

"তেওঁৰ কেতিয়াবাই পদোন্নতি হ'ল আৰু আন ঠাইলৈ গ'ল। যাবও। তেনে লোকৰেই উন্নতি হোৱা উচিত।"

"বৰ ভাল কথা। যাবৰ সময়ত বৰবৰাই দোকান পোহাৰত কিবা বাকীবুকা এৰিছিল নেকি?"

"কেলেই বাকী এৰিবহে। তেওঁক এলাপেচা লোক বুলি ভাবিছা নেকি? ইয়াত থকা দিন কেইটাত তেওঁ ৰজা মহাৰজাৰ দৰে আছিল। এবাৰ ল'ৰাৰ

জন্মদিন উপলক্ষে তেওঁ যি আয়োজন কৰিছিল তাক আজিও পাহৰিব পৰা নাই। অহা আহিছে, যোৱা গৈছে, খোৱাই খাইছে—কিমান আহিছে, কিমান গৈছে তাৰ সীমাসংখ্যা নাই। তেওঁ ধন আৰ্জিবও জানে, ভাঙিবও জানে। আনৰপৰা বস্ত্ৰ কালিয়নে আনি দাম আদায় নকৰাকৈ পলাই যোৱা লোক তেওঁ নহয়।"

"এৰা, অভাব নাই যেতিয়া তেওঁ আনক দিব লগা ধন দি দিয়ে আৰু আনৰপৰা কিবা পাব লগা থাকিলেও তাক আদায় কৰি লয়।"

"লবতো। সকলোৱে লব। তুমিও লবা। ময়ো লম।"

"পাবলগীয়া থাকিলেহে লবা। নহলে—? ৰবৰবাৰ পাব লগীয়া আছিল। সেয়েহে লৈছে। ই সম্পূৰ্ণ স্বাভাবিক। Self-preservation instinct."

"তোমাৰ কথাবোৰ কিবা আওপকীয়া। আমি চিধা মানুহ বাপু। তোমালোকৰ কথাৰ মেৰপাকৰ ভিতৰ সোমাব নোৱাৰোঁ। মুঠ কথা, মই তোমাক বুজাব খুজিছোঁ যে ৰবৰবা এজন আদৰ্শ পুৰুষ।"

"তুমি নকলেও তাক বুজা গৈছে। পদোন্নতি তাৰ প্ৰমাণ।"

"আকৌ এটা ভুল কৰি পেলালা। পদোন্নতি ভাল বেয়া সকলো লোকৰে হয়। মোৰ কাৰণে মাতোতা থাকিলে মোৰো হ'ব, তোমাৰ কাৰণে থাকিলে তোমাৰো হ'ব। যদি তোমাৰ হকে এবাৰ কেৱে নামাতে তেন্তে তোমাৰ যোগ্যতাৰ পৰিচয়েই বা আনে পায় কেনেকৈ ?"

"ভুল কৰা নাই। মই ধৰি লৈছোঁ যে ৰবৰবাৰ পদোন্নতি আনৰ অনুগ্ৰহৰ জখলাৰ খোপত ভৰি দি হোৱা নাই। নিজৰ যোগ্যতা আৰু কৰ্মকুশলতাৰ বতাহত তেওঁ বেলুন উঠাদি ওপৰলৈ উঠিলে।"

"এৰা, এইবাৰ ঠিক ধৰিছা। মই ৰবৰবাৰ ওচৰত কৃতজ্ঞ। তেওঁৰ অনুগ্ৰহৰ বলতে মোৰ ল'ৰা-তিৰোতাই ভুবেলা ভুমুঠি খাবলৈ পালে, ময়ো দক্ষতাৰ পৰিচয় দিয়াৰ স্থবিধা পালোঁ।"

"কেনেকৈ ?"

"খাটিলোঁ। দিন ৰাতি নোহোৱাকৈ খাটিলোঁ। ৰবৰবাক জান দি সহায় কৰিলোঁ। বস্ত্ৰ বিতৰণৰ কাম, সেই দিনত। এলাপেচা কাম নহয়। চাৰিওপিনে মানুহৰ অসন্তোষ, চকু চৰহাৰ চোকা চকু। কিন্তু ৰবৰবাই মোক বিশ্বাস কৰিলে। ময়ো বিশ্বাস ৰক্ষা কৰিলোঁ। তেওঁক সকলো বিপদ বিঘিনিৰ ওপৰত ৰাখিলোঁ। পৰিশ্ৰম অৱশ্যে হ'ল কিন্তু তাৰ বাবে মনত দুখ নাই। পৰিশ্ৰমৰ মূল্যও নেদেখাজনে দিলে। লাহে লাহে মোৰ হাতলৈ দুই চাৰি ৰূপ আহিবলৈ ধৰিলে।"

"সি বোধ হয় উৰি আহি কোটৰ মোনাত সোমাই পিঞ্জৰাবদ্ধ হ'ল ?"

"এৰা, যি দিন পাৰ হ'ল, উৰি অহাই বুলিবা। জীৱনত ঘূৰাই এনে দিন ফিৰি নাহে। তুমি মাতিব নালাগে, বিচাৰিব নালাগে। আপোন ইচ্ছাতে লোকে টকা ঢালিয়াই দিয়ে। বিল এখন লিখি দিলেও পান-তামোলৰ খৰচ মিলে। বিশেষ ক'টাৰ আশ্বাস দিব পাৰিলে চাহ খৰচ যোঁৱাৰ আগত দৌৰি থাকে।"

"পান 'তামোলৰ খৰচ নো কিমান পোৱা ?"

"কমেও আঠ দহ টকা।"

"আৰু চাহ-জলপানৰ বাবদ ?"

"ভেৰকুৰি ফুকুৰি।"

"লুইতৰ শীতল বুকুত ফুলা ফুলা চৰ্টবোৰে
ৰূপালি নাচন নাচে। ট্ৰেকৃটৰৰ তাড়নাত
জ্যোৎস্না স্নাত ওখোৰা মোখৰা
ভীমকায়, শুভ্ৰ, শুকান চপৰা সদৃশ।
তথাপি সিহঁত নহয় অনন্ত পথৰ যাত্ৰী
উদ্দেশ্যবিহীন কক্ষচ্যুত পখীয়া তৰাৰ জ্যোতি।
টকাৰ টোপোলাবোৰ যাদুকৰৰ যেন আঙঠি
যুদ্ধৰ যুগত সিহঁতৰ energy kinetic।
সিহঁতে বিচাৰে
দৰদী-হিয়াৰ কোমল পৰশ,
সিহঁতক লাগে
নিৰ্ভীক জনৰ গৰম কোটৰ
বুকু খোলা আত্ম নিবেদন।"

"ঠিক ধৰিছা কবিবৰ। তোমাৰ তীক্ষ্ণদৃষ্টিয়ে ৰহস্যৰ আঁৰকাপোৰ ভেদ কৰি সত্যক প্ৰকট কৰি তুলিছে।"

"অলপ বুজিব পৰাকৈ শব্দৰ প্ৰয়োগ কৰিবাহে। কল্পনাৰ মেঘৰ আঁৰত বৰকৈ লুকাভাকু খেলিলে পিছত বৰষুণৰ লগত মৰুভূমিৰ বুকুত পৰাৰ আশঙ্কা আছে।"

"আশঙ্কা নহয়, চাহাৰা মৰুভূমিৰ মাজত পৰি মুখ শুকাই গৈছে। অতবেলি এটোক চাহৰ ব্যৱস্থা হোৱা নাই যেতিয়া এইখন মৰুভূমি নহয়নো কি ? এতিয়া মৰীচিকা নেদেখিলেহে হৈছে।"

"এইবাৰ ঠিকেই কৈছা। মষ্টো নিজেই মৰুভূমিৰ মাজতে থকা যেন পাওঁ। দুবছৰৰ আগৰ কথা ভাবিলে মোৰ মনত বৰ ধিক্কাৰ লাগে!"

"কেলেই?"

"সুবিধা যেনেকৈ আহিছিল তাক গ্ৰহণ কৰিব নাজানিলোঁ।"

"যুদ্ধৰ যুগত মানুহ ইমান বোকা হৈ থকা বুলি মোৰ ধাৰণা নাছিল ধনঞ্জয়।"

"তুমি মোক বুৰ্বক বনাব খুজিছা নেকিহে?"

"খোজা নাই। কিন্তু দুখ লাগিছে এইবুলি যে তুমি চতুৰ মানুহৰ দৰে সুযোগ গ্ৰহণ কৰিব নোৱাৰিলা। কেৱল আনৰ পিছে পিছে ঘুৰিহে ফুৰিলা। গতিকে তোমাৰ ডিঙিত যোগ্যতাৰ জয়মাল্য পিন্ধাই দিবলৈ আনৰ হাত কোঁচ খাব।"

"মালা পিন্ধিব খোজা নাই যোগানন্দ। কিন্তু এটা জানিবা যে মোৰ দিহা পৰামৰ্শৰ বলতে কেইবাজনো ডাঙৰ মানুহ ৰক্ষা পৰিছে।"

"ই অতি গৌৰৱৰ কথা। কিন্তু তোমাৰ বিচক্ষণ বুদ্ধি আৰু কৌশলৰ প্ৰয়োগ যি ক্ষেত্ৰত কৰিলা, সি বৰ উপযুক্ত নহ'ল নেকি?"

"একেবাৰে নোহোৱাও নহয়। তেওঁলোকৰ দৃষ্টান্তই মোৰ মনৰ দুৰ্বলতা আঁতৰাই দিলে। তেওঁলোকৰ উদ্গণিত মোৰ মনলৈ স্থিৰতা আহিল।"

"তাৰ পিছত 'মহাজনো যেন গতঃ স পন্থা' বীজমন্ত্ৰ গ্ৰহণ কৰি আজি দহ, কাইলৈ পঁচিশ এনেকৈ বুটলিব ধৰিলা বোধ হয়। কৰিবৰে কোৱাৰ নিচিনাকৈ টকাৰ টোপোলাবোৰে নিৰ্ভীক জনৰ আত্মনিবেদন বিচাৰিয়ে ফুৰিছে নহয়।"

"শুনা যোগানন্দ, তোমালোকে যুৰ নষ্ট কৰি ভাবিব জানা; কিন্তু আমি যুৰটো আৰামত ৰাখি কাম কৰিব জানোঁ। তোমালোকৰ কল্পনা, আমাৰ কাম। আমি যেনে কাম কৰিব পাৰোঁ তোমালোকে তাক কল্পনাও কৰিব নোৱাৰা। তোমালোকে পৃথিৱীত থাকি সৰগৰ কথা ভাবা। আমি মাটিৰ মানুহ, মাটিৰ কথাকে ভাবোঁ। জীৱনৰ কামনা বাসনাৰ লগত আমাৰ ঘনিষ্ঠ পৰিচয়, জীৱনক উপভোগ কৰাই আমাৰ উদ্দেশ্য। এনে স্থলত জীৱনৰ সুখ সমৃদ্ধি বঢ়াবলৈ আমি যত্ন কৰিলে, তাক তোমালোকে দোষনীয় বুলি কোৱাও অনুচিত।"

"উচিত অনুচিতৰ প্ৰশ্ন নুতুলিবা ভাই। মুঠতে কোৱা তোমাৰ বুদ্ধি কৌশলৰ সদ্ব্যৱহাৰ কৰি কেনেকৈ নিজকে ধন্য কৰিলা।"

"শুনা তেন্তে। তেতিয়া সূতাৰ হাহাকাৰ। বাইজৰ মাজত পাঁচশ বেল সূতা বিলি কৰি দিছোঁ, দুশ বেল হাতত আছে।"

"সেই দুশ বেল নিশ্চয় দূৰ দূৰণিৰ লোকৰ মাজত বিলোৱাৰ সুবন্দৱস্ত কৰিলা। ৰবৰবাৰ আদেশ আৰু তোমাৰ অনুগ্ৰহ দুয়োটাৰ সংযোগ নহ'লে গুদামৰপৰা সূতা ওলোৱাৰ বাট নাই। বস্তুখিনি যাতে বেছি লোকৰ মাজত বিতৰণ হয়, তোমালোকে নিশ্চয় তাৰ বাবে যত্ন কৰিছিলা।"

"যত্ন কৰিব লগা হোৱা নাছিল। পশ্চিম অঞ্চলৰ মানুহ আদ্‌নাণ্ঠ হৈছে, কাপোৰ নাই, সূতা নাই। বেপাৰী সকলে পিয়াপি দি ফুৰিছে, অনুনয় বিনয় কৰিছে। দেখিলে দুখ লাগে। এডুখৰি কাপোৰৰ বাবে এনে হাহাকাৰ হ'ব পাৰে বুলি ভাবিব পৰা নাছিলোঁ।"

"এৰা অভাৱৰ তাড়নাত পৰি মানুহ যেতিয়া বলিয়া হৈ পৰে, তেতিয়া সিহঁতৰ লগতে নিজেও বলিয়া হৈ নাচিবৰ ইচ্ছা হয়। নহয়নে?"

"ইচ্ছা কৰিব নালাগে। আনেই তোমাক বলিয়া কৰিব। তোমাৰ উঠিবৰ বহিবৰ খাবৰ সময় নাথাকে। তোমাৰ পাছে পাছে মানুহৰ জুম লগিব। দিনে দিনে নানান নতুন আকৰ্ষণৰ মায়াপুৰীৰ মাজত সোমাই তুমি মুগ্ধ হৈ পৰিবা।"

"কল্পনাৰ মায়াপুৰীতকৈয়ো আকৰ্ষণৰ মায়াপুৰী মধুৰ। ই এটি নিত্যসত্য। কিন্তু ভাই, তুমি আচল কথাৰপৰা অলপ আঁতৰি অহা যেন পাওঁ। পশ্চিম অঞ্চলৰ মানুহৰ বিলাই-বিপত্তিৰ প্ৰতিকাৰ কৰিবলৈ তোমালোকে কিবা ব্যৱস্থা হাতত লোৱা জানোঁ?"

"ললোঁ—লবৰ বাধ্য হলোঁ।"

"তাৰ মানে তোমালোকে কেইজনমান বিশ্বাসী বেপাৰীক বিতৰণৰ দায়িত্ব অৰ্পণ কৰি আকৌ মায়াপুৰীত সোমালা। নহয়নে?"

"তাৰ বাহিৰে আন উপায়ো নাছিল।"

"বুজিলোঁ। কিন্তু বেপাৰীসকলে যাতে আনৰ চকুৰ আঁৰে আঁৰে বস্তুখিনি নিব পাৰে তাৰ সুবিধাও নিশ্চয় তোমালোকে কৰি দিছিলা।"

"সেইটো আমাৰ কৰ্তব্য। তাৰ বাবে আমি পৰিশ্ৰম কৰিছোঁ—ৰাতি খাটিছোঁ।"

"পৰিশ্ৰমৰ বানচ?"

"যি পালোঁ তাকে আগেয়ে কল্পনা কৰা নাছিলোঁ। সিদিনা গোটেই নিশা ব্যস্ততাৰ মাজেদি পাৰ হৈ গ'ল। ঘৰ পালোঁ কিন্তু বিশ্ৰামৰ সুযোগ নহ'ল। হাতত একে নিশাতেই তিনি হাজাৰ ৰূপ গোট খাইছে। একে ৰাতিৰ ভিতৰতে ইমান ধন আগেয়ে হাতত পৰা নাই, পৰিব বুলিও কল্পনা কৰিব পৰা নাই। মোৰ

মনত চিন্তা হ'ল, মোৰ ভোক পিয়াহ নাইকিয়া হ'ল। গৃহিণীয়ে বাৰে বাৰে খোৱাৰ কথা তুলিছে। জানাই নহয় আমাৰ তিৰোতাৰ কথা। চাহ, ভাত, অলঙ্কাৰ, কাপোৰ-কানি—এইবোৰক কেন্দ্ৰ কৰিয়েই তেওঁলোকৰ জীৱন। মই গৃহিণীৰ কথাত কাণ দিয়া নাই। মই কেৱল ভাবিছোঁ—নানান কথা, লাগবান্ধ নোহোৱা, লানি নিছিগা। নোটবোৰ পৰিপাটিকৈ লৈছোঁ। শ শকৈ বান্ধি থোৱাৰ কল্পনা কৰিছোঁ।"

যোগানন্দৰ মুখ পোহৰ হৈ উঠিছে। কিবা কওঁ কওঁ কৰিও তেওঁ মতা নাই।

"এখন এখনকৈ নোটবোৰ পিটিকি চাইছোঁ। কাগজ, তথাপি আনন্দ লাগিছে মনত। ঘৈণীয়ে একাপ চাহ আনি মেজৰ ওপৰত থৈছে। মই দেখিছোঁ। হাতেৰে কাপ তুলি লবৰ মন যোৱা নাই। নোটবোৰ কাগজেৰে টোপোলা বান্ধিব খুজিছোঁ। এখন নহয়, দুখন নহয়, তিনি হাজাৰ টকাৰ নোট—শ টকীয়া, দহটকীয়া, দুটকীয়া, এটকীয়া—ভালেমান সৰুবৰ নোট। নোটবোৰ শ শকৈ বান্ধিছোঁ, ভাবিছোঁ এইবোৰ ক'ত ৰাখিম, কি কামত খটুৱাম। এইবোৰে পোৱালি মেলিব জানোঁ? বাকচতে পোৱালি মেলা হ'লে?"

"ইপিনে বোধ হয় কাপৰ গৰম পানীৰ ওপৰত চামনি পৰি গ'ল?"

"তালৈ লক্ষ্য কৰা নাই। দুঢোকতে কাপ উদং কৰি কাপটো আকৌ মেজত থেকেচ্‌কৈ থৈ দিছো। শ্ৰীমতীয়ে ৰ লাগি চাইছে। তেওঁ অবাক্। ইমানবোৰ নোট। ক'ত পালোঁ? কেনেকৈ পালোঁ? নানান প্ৰশ্ন তুলিলে তেওঁ।"

"তুমি বোধ হয় চক্ৰেটীছৰ দৰে গহীন হৈ পৰিলা?"

যোগানন্দৰ মুখত হাঁহি।

"গহীন হোৱা নাই কিন্তু মোটামুটিকৈ সকলো ভাঙিপাতি কলোঁ।"

"তাৰ পিছত?—আদৰ?—আবেষ্টন?"

"কি কোৱা? তাৰ বিপৰীত। ঘৈণীৰ মুখৰ চেহেৰা বদলি গৈছে। ভয় আৰু আতঙ্কত তেওঁ শিয়ৰি উঠিছে। তেওঁৰ মুখত মাত নাই, চকুত ঘোপা দৃষ্টি, মনত থং আৰু উদ্বেগৰ চিন।"

"কেলেই?"

"অন্ধ বিশ্বাস, দুৰ্বলতা, কুসংস্কাৰৰ ভ্ৰান্তি। তেওঁৰ মতে মই সেই ধন গ্ৰহণ কৰিলে ৰাইজৰ শাওপাত লাগিব, পোনাৰ অমঙ্গল হ'ব, ঘৰ ভাঙি যাব।"

"হৰ্ষিত বিষাদ।"

"এবা। তথাপি বৈণীক বুজাবলৈ চেষ্টা কৰিলোঁ। কিন্তু তেওঁ নুবুজিলে। বুজনি মানিবলৈ ইচ্ছাও নকৰিলে। সময়ৰ সোঁতত নাও এৰি দিবলৈ আমাৰ তিৰোতা জাতিয়ে শিকা নাই ভাই।"

"যদি শিকিলেহেঁতেন বৈতৰণীৰ সিপাৰলৈ আগবঢ়াৰ সুবিধা ঘটিলহেঁতেন। পিছে তুমি নিৰুপায় হৈ বোধহয় ৰবৰবাৰ ওচৰ চাপিলা?"

"ৰবাহে, বাৰে বাৰে ৰবৰবাক আক্ৰমণ নকৰিবা। মই কাৰো ওচৰ চপা নাই। নিজবুদ্ধিৰে আপোন খুচিত চলিবলৈ আৰম্ভ কৰিলোঁ। বৈণীৰ অন্ধ বিশ্বাস দূৰ কৰিবলৈ যত্ন কৰি একো লাভ নাই। জগতৰ গতি কোন ফালে চাল খাইছে তাক তেওঁ কি বুজে? আমি ডেকা মানুহ। সাতামপুৰুষীয়া কুসংস্কাৰৰ বশৱৰ্তী হৈ থাকিলে জীৱন-যুদ্ধত নিশ্চিহ্ন হ'ব লাগিব ই ধ্ৰুৱ সত্য। আজিৰ মানুহে তাক মৰ্মে মৰ্মে অনুভৱ কৰিছে। বুজিছা যোগানন্দ, জীৱন-যুদ্ধ বৰ জটিল, বৰ ৰহস্যপূৰ্ণ। অস্ত্ৰ নাই, শস্ত্ৰ নাই—অকলে যুঁজিব লাগিব, নিজৰ বুদ্ধিৰ বলত, সাহসৰ উন্মাদনাত।"

"কুৰুক্ষেত্ৰ ৰণাঙ্গন
মানৱৰ কামনাৰ উলঙ্গ বিকাশ
শৌৰ্য, বীৰ্য, ছলনা চাতুৰীৰ ক্ৰূৰ লীলাভূমি।
কিন্তু তাত
বাজিছিল পাঞ্চজন্য শঙ্খ, আনিছিল শুভবাৰ্তা
নতুন যুগৰ, নৱপ্ৰভাতৰ।
অধৰ্মৰ বুকু ভেদি ধৰ্মৰ জেউতি জ্বলি
ঢালিছিল সুধাৰ কিৰণ তাপিত হিয়াত।
কুৰি শতিকাৰ আটম অৰ্জুনে কিন্তু
হিৰোচিমা, নাগাচাকিৰ ভগা বুকু উদঙাই
দিছে সাক্ষী নিৰীহ জনতাৰ নীৰৱ পীড়ন।
ডাৰউইনৰ জীৱনযুদ্ধ যদি সঁচা হয়
ক্ৰোড়পতি বিজয়ী সেনাপতি হৈছে লাভবান
নিষ্পেষিত বিজিত সৈনিকে অনাহাৰ, অৰ্দ্ধাহাৰে
মাটিত বাগৰি
দিছে দান শৰীৰৰ শেষ ৰক্তবিন্দু।"

"শুনিলা কবিবৰৰ বাণী? কবিবৰে তোমাক শোষক-চূড়ামণি বীৰ ধনঞ্জয় বনাইছে। তুমি কুৰি শতিকাৰ বীৰ, বিনা অস্ত্ৰে যুদ্ধজয় কৰিব পাৰা।"

"শুনা যোগানন্দ। কবিবৰে যি ইচ্ছা তাকেই কওক। তা'লে মোৰ ভয় নাই। স্বৰচিত কল্পনাৰ কাৰাগাৰৰ মাজত তেওঁ যি লুকাভাকু খেলে তাৰ ইঙ্গিত তুমিও নুবুজা, ময়ো নুবুজোঁ। আৰু জগতেও বুজিবলৈ চেষ্টা নকৰে। কেতিয়াবা ছন্দৰ মুকুতামালাৰ জেউতিৰ আঁৰত তেওঁ অদৃশ্য আৰু কেতিয়াবা তেওঁৰ মুক্ত গতি ইমান তীব্ৰ যে তাক মনিব নোৱাৰি। সেই বাবে কবিবৰৰ বাণী আকাশী-বাণী—আকাশে আকাশে সি উৰি ফুৰে। মৰতৰ ধূলিবালিৰ কাষলৈ সি নাহে, আহিলেও বিকৃত হৈ পৰে। কবিবৰে কল্পনাত ৰজা ভঙা পতা কৰক আপোন খুচিতে, মোৰ আপত্তি নাই। কিন্তু মোৰ ভয় লাগে তোমাক আৰু তোমাৰ দৰে আনৰ দোষ খুচৰি বাহিৰ কৰিবলৈ চেষ্টা কৰা লোকক। সেইবাবে ভাবিছোঁ তোমাক গল্পৰ প্লট্ নিদিওঁ। নিজেই লিখিম, নিজেই ছপাম। জীৱনৰ ইতিহাস লিখিলেও এখন বিৰাট উপন্যাস হ'ব।"

"তোমাক অভয় দিছোঁ ধনঞ্জয়। জীৱনযুদ্ধৰ যি বাস্তৱ অভিজ্ঞতা তুমি লাভ কৰিছা মই তাৰ ওচৰেদি যাবও পৰা নাই। মোৰ মনত ধনতকৈয়ো তোমাৰ অভিজ্ঞতাৰ মূল্য বেছি। নেদেখিছানে আজি ভেৰকুৰি বছৰে এই ৰণাঙ্গনৰ এটি চুকত থিয় হ'বলৈকো মই সাহ কৰিব পৰা নাই।"

বুজিবা; এদিন বুজিবা। কল্পনাৰ মোহ ভাঙি গ'লে জীৱনসমুদ্ৰৰ তৰঙ্গমালাৰ লগত যেতিয়া উটিবা, বুৰিবা তেতিয়া খেৰকুটা ডালকো ধৰিবলৈ বাধ্য হ'বা।"

"তুমিতো জাঁজিতেই থামুচি ধৰিছিলা অথচ তোমাৰ মনত শান্তি নাই।"

"এৰা শান্তি নাই। পাব লগা ধন এবাৰেই পালোঁ। তাৰ পিছত যি হাতত পৰিল সি পুঠী খলিহা।"

"পুঠীখলিহাৰ সংখ্যা বোধহয় অগণন?"

"নহয়। সকলোৰে হিচাপ আছে। ফুটা কড়ি এটাৰো হিচাপ নৰখাকৈ থকা নাই। পিছত হিচাপ কাগজতে থাকিল, ধন উৰি গ'ল। ধন হাতত নপৰা নহয়। প্ৰায় দহ হাজাৰ গোট খাইছিল। কিন্তু ক'ৰপৰা আহিল, ক'লৈ গ'ল, কেনেকৈ গ'ল গমকে ধৰিব নোৱাৰিলোঁ। আজি জাৰত জুপুকা মাৰি তাকেই ভাবিছোঁ, তাকেই পাগুলিছোঁ। এতিয়া বুজিছোঁ দোকানদাৰী কৰিলে নচলে। নতুন বাটেৰে বাট বুলিব লাগিব। জীৱনৰ জুৱাখেল খেলিছোঁ যেতিয়া ভালকৈয়ে নামিম, চাম তাৰ পৰিণতি ক'ত?"

"আগ বাঢ়া—

বাঢ়া আগ।"

"ঠিক কৈছা কৰিবৰ। আগ বাঢ়িম, ধুমুহাৰ দৰে, প্ৰচণ্ড বেগেৰে।"

হঠাৎ পাছফালৰ দুৱাৰখন অলপ মেল খালে। এছাটি চেঁচাবতাহ ঘৰৰ ভিতৰলৈ সোমাই আহিল। ভিতৰত ওলমি থকা বং বেৰঙৰ কমাল কেইখন লাহে লাহে কঁপি উঠিল। যোগানন্দই মুখ ঘুৰাই চালে।

আধা মেলা দুৱাৰৰ ফাকেদি এক নাৰী মূৰ্তি। পোহৰ আন্ধাৰৰ মাজত এটি অস্পষ্ট লোভনীয় ছবি, মুহূৰ্তৰ বাবে স্থিৰ, নিশ্চল।

"ধনঞ্জয় ?"

দুৱাৰ জাপ গ'ল। নাৰীমূৰ্তি নিমিষতে অন্তৰ্ধান হ'ল। দুনাই ক'লা পৰা কাঠৰ শুকান নীৰস দৃষ্টি।

"স্বপ্নো নু, মায়া নু, মতিভ্ৰমো নু।"

মই সমিধান দিয়া নাই, চাইছোঁ প্ৰতিক্ৰিয়া কেনে হয়।

"এইবোৰ কি ধনঞ্জয় ?"

"সপোন।"

"বিশ্বাস নহয়।"

"মায়া।"

"বৰং কোৱা মায়াবিনী।"

"নহয় ছায়াবাজী। বাসনাৰ অন্তৰালত তৃপ্তিৰ মূৰ্ত আবেগ। কল্পনাৰ ৰূপালি পৰ্দাত অপৰূপ ভঙ্গিমাৰে জিলিকি উঠা নিৰ্জীৱ ৰঙীন ছবি।"

"নিৰ্জীৱ কল্পনা নহয়।"

"তেন্তে কি ?"

"বাস্তৱ—জীৱন্ত—প্ৰাণৱন্ত।"

"এৰা বাস্তৱ। জৈৱিক বাসনাৰ পঙ্কিলতাৰ মাজত জিলিকি থকা এপাহি পদুম, গুৰুতো নালাগে, ভকতো নালাগে কিন্তু মোক লাগে। স্বাৰ্থ আছে।"

যোগানন্দ গম্ভীৰ। ভূপতি ধ্যানমগ্ন। কাৰো মুখত মাত-বোল নাই। বাস্তৱৰ উদয়ত কল্পনা পঙ্গু।

শ্ৰীধনঞ্জয় ভট্টাচাৰ্য

নলবাৰী

৮।১।৫৪

আদর্শ

শেহত বৰুৱাহঁতৰেই জয় হ'ল। জনপ্ৰিয়তা লাভ কৰিও কাৰ্যক্ষেত্ৰত শইকীয়া পিচুৱাই যাবলৈ বাধ্য হ'ল। বৰুৱা কাৰ্যদক্ষ, নিৰ্ভীক, সংগঠনপটু। তেওঁৰ লগত আছে বন্ধু হাজৰিকা। বৰমূৰীয়াসকলৰ লগত হাজৰিকাৰ সম্ভাৱ, সমানে উঠাবহা। শইকীয়া শিক্ষিত আৰু ত্যাগী কিন্তু অৰ্থহীন। গুণ থাকিলেও তেওঁৰ গুণমুগ্ধ প্ৰচাৰক নাই, ত্যাগ থাকিলেও তাৰ গৰিমা বিয়পি পৰা নাই। সেই বাবে বৰুৱাহঁতৰ দলেই লাহে লাহে ঠন ধৰি উঠিব ধৰিছে। সংগঠিত প্ৰচাৰৰ ফলত এতিয়া বৰুৱাৰ সমৰ্থকৰ অভাৱ নাই।

মাজে সময়ে বৰুৱাহঁতৰ গধূলিৰ আড্ডালৈ যাওঁ। নিৰ্জু প্ৰাণী বুলিয়েই তেওঁলোকে মোক মৰম কৰে। সিদিনা আড্ডাত লোকসমাগম বেছি। দূৰদূৰণিৰ ভক্তসকলৰ সিদিনা মিলন হৈছে—উদ্দেশ্য দলৰ শক্তি বঢ়োৱাৰ আলোচনা।

চহৰীয়াই দিহা দিছে "সভা আহ্বান কৰা। খোৱালোৱাৰ ভাল বন্দৱস্ত কৰা। চক্ৰৱৰ্তীবেপৰা আহ্‌মদলৈকে নমোৱাৰ ভাৰ মোৰ ওপৰত। মটৰেৰে হুৰ্ হুৰ্কৈ সকলোকে নমাই দিলে গাঁৱত চমক্ লাগিব, আমাৰো উদ্দেশ্য সিদ্ধি হব।"

"ভুল কৰিছা চহৰীয়া", শৰ্মাই আপত্তি তুলিলে। আনৰ কথা পোনে পোনেই সমৰ্থন কৰাত তেওঁৰ সদায় আপত্তি। "নগৰৰ বেশ্যনৰ চাউল খাই খাই তোমাৰ মনোভাব নগৰীয়া হৈছে। গাঁৱত আগৰ দিন নাই। আজি তাত হাহাকাৰ—ভীষণ অসন্তুষ্টি। আজি গাঁৱত চৈতন্যৰ সঞ্চাৰ হৈছে। তুষাৰ মুখৰ কথাতে আজিৰ মানুহ ভোল নাযায়। আজি আমাক বক্তৃতাৰ ফুলজাৰি নালাগে। আমাক লাগে কাম। সেই বাবে আগবাঢ়ি আহা, কাম কৰা, আনক আদৰ্শ দেখুৱা।"

বৰুৱাৰ গা পিৰ্‌পিৰাই আহিল। "এঃ থোৱাহে তোমাৰ কথা। কল্পনা এৰা। তাৰপৰা কাম নহয়। আদৰ্শক আদৰ কৰা হ'লে মহাত্মাৰ বুকুত পিস্তলৰ গুলি নপৰে। মই কওঁ শুনা। প্ৰকৃষ্ট উপায় বিৰোধী-নিৰ্যাতন, নৈতিক,

সামাজিক, অৰ্থনৈতিক যি কোনো প্ৰকাৰৰ নিৰ্যাতন। নিৰ্যাতন ভোগ কৰিবৰ সাহসেই বা আছে কেইজনৰ ?”

“ভাল কৈছে বৰুৱা ডাঙৰীয়া”, মই এবাৰ মাজতে মাত দিলোঁ। আপুনি পোনে পোনেই মধ্যযুগলৈ উৰা মাৰিলে দেখোন। আজি নিৰ্যাতনৰ চোকা অস্ত্ৰ প্ৰয়োগৰ দিন উকলি নগ'ল জানো ?”

“ৰ'বা, ৰ'বা”, বৰুৱাই হাত তুলি হুকুম দিলে, “তুমি মনে মনে থাকা। তুমি একো নুবুজা ?”

শৰ্মাই কাণ ঠিয় কৰি শুনিছে। বৰুৱাই আগৰ উৎসাহতে কৈ গ'ল। “প্ৰচাৰ, ভীতিপ্ৰদৰ্শন, প্ৰলোভন। ক্ষেত্ৰ বুজি এটা এটাকৈ নাইবা তিনি-ওটাকে একে লগে প্ৰয়োগ কৰা। জানাই নহয় আমাৰ মানুহৰ স্বভাৱ, তাহাঁতৰ কলিজা।”

“আপুনি আনৰ দুৰ্বলতাৰ সুযোগ লব খুজিছে দেখোন।”

“এৰা সেয়েই জীৱন, সেয়েই জগতৰ ধৰ্ম। যোগ্য ভোগ্যা বসুন্ধৰা, Survival of the fittest. ডাৰউইন চাহাবৰ তথ্যবচন পাহৰি গ'লানেকি। ধৰি লোৱা তোমাৰ কথাকে। তুমি সংসাৰত আছা। কিন্তু সংসাৰে তোমাক খুৱাই নিদিয়ে। তুমি খাব লাগিব নিজ বাহুবলেৰে, ছলে, বলে নানা কৌশলৰে। তাকে নকৰিলে খাবলৈ নাপাই শুকাই মৰিবা। দল বঢ়াব লাগিলেও সেই একে নীতিৰেই আশ্ৰয় লব লাগিব।”

মূৰ দুপিয়াই চহৰীয়াই সমৰ্থন জনালে, শৰ্মাই কি ভাবি মুখেৰে নামাতিলে। আৰু মই মিচিকীয়া হাঁহিৰে মুখ পোহৰাই সন্মতি অসন্মতিৰ মাজতে থাকিলোঁ।

আমাৰ মেজৰ ওপৰত মিঠাইৰ থাল থলে ৰসগোল্লা, কচুৰী আৰু জিলাপী।

ভিতৰৰপৰা লালসিং বাবু ওলাই আহি নমস্কাৰ জনালে “ৰাম ৰাম বাবুজী।”

“ৰাম ৰাম” আমি যেন আটায়ে কোৰাচহে গালোঁ।

“লালসিং বাবুৰ যিমান খালোঁ, অহাবাৰলৈ বাবুৰ ঘৰত খাটিব নালাগিলেহে হৈছে।”

সুবিধা চাই চহৰীয়াই তোষামোদৰ হোমিওপ্যাথিক ফোট পেলালে।

প্ৰতিক্ৰিয়া নিমিষতে হ'ল। ভেকুলীৰ দৰে লালসিং বাবু জপিয়াই উঠিল। “চহৰীয়া বাবু, এনে কথা কৈ লাজ দিয়ে কিয় ? এই ধন কাৰ ? মৰিবৰ দিনাখন এই ধন লগত লৈ নাযাওঁ। অসমৰ বুকুত অৰ্জা ধন অসমৰ বুকুতে পৰি ৰব। দোষী নকৰিব বাবুজী। ধন মোৰ নহয়, আপোনাৰো নহয়—ধন ৰাইজৰ। যদি

দুপইচা পাওঁ, আপোনালোকেও পাব, বাইজেও পাব। যদি নাপাওঁ দিমেই বা ক'ৰপৰা ?" হঠাৎ লালসিং বাবু বিনয়ত গদ্ গদ্ হৈ পৰিছে আৰু গোটেই অসম খনকে বুকুৰ মাজলৈ টানি আনি উম দিবলৈ ইচ্ছা প্ৰকাশ কৰিছে।

"থাওক থাওক।" মোৰ লুভীয়া স্বভাৱ কথাৰ মাজেদি প্ৰকাশিত হৈ পৰিল নেকি ভাবিবৰ নহ'ল। "মোৰা কাপোৰৰ ক'টাত বাবুৱে বহাই দিছে।"

"বাবুজী, বিশ্বাস কৰক। মোৰা ক'টাত এক পইচা নাই। হাতৰ পৰা গ'ল নগদ দুহাজাৰ। পিছে, গৈছে দুখ নাই। কপালত থাকিলে আনপিনে আহিব। কাৰবাৰতো অহা মোৰাবেই খেল।"

"আহিব, পো-পোৱালি লগত লৈ আহিব। আশীৰ্বাদ দিছোঁ।" বামুণীয়া আশীৰ্বাদ শৰ্মাই বিনা পইচাতে দিলে।

বাবুৱে কৰযোৰে আশীৰ্বাদ গ্ৰহণ কৰিলে।

"কোৱা কথাটোৰ কি কৰিলাহে ?" গাত ঠেলা মাৰি বৰুৱাই ইঙ্গিততে চহৰীয়াৰপৰা জানিব খুজিলে। "বাবুই মোক তত নিদিয়া হৈছে।"

বুজি নাপাই চহৰীয়াই ওপৰলৈ চাই ৰ'ল।

"এঃ তুমিও এটা মানুহ। কেৱল পাহৰি পেলোৱা। এনেকৈ পাহৰি গ'লে কাম চলে কেনেকৈ ?"

চহৰীয়াই ধৰিব পৰা নাই।

"সিদিনা যে শ্বিলঙৰপৰা আহোঁতে কৈছিলোঁ বাটত ? নংপোৰ ওচৰত ?"

"ও-ও-ও সেইটো কথা। বাৰু হ'ব।"

"লালসিং বাবু, আপুনি অধৈৰ্য হৈছে কেলেই ? জানেইতো ভুকুতে কল নপকে।"

"বহুদিন হ'ল বাবুজী ! কাম কেতিয়া হয় কেতিয়া নহয়,—হয়, নহয়,— মনটো বেয়া লাগি থাকে। এটা খাটাং হৈ গ'লেও ভাল।"

"বাৰু হ'ব। আপুনি নিশ্চিন্ত হওক। পিছে, সিজনক পাৰিছেনে ?"

"নাই বাবুজি, সি এটা গাধ। বুজালেও বুজনি নামানে।"

"গাধই হওক, বা ঘোঁৰাই হওক তাক হাতৰ মুঠিলৈ আনিব লাগিব।"

বৰুৱাৰ হুকুম কড়া।

"সিজনক হাত কৰিব পাৰিলে শইকীয়াৰ ককাল ভাঙে। আপুনি যেনেতেনে এই কাম কৰিব লাগিব। আমি আপোনাৰ পিছত আছোঁ।"

মই মাজতে প্ৰশ্ন কৰিলোঁ। "আমি জানিব পাৰোনে বাবুজী কোন সেইজন ?

ৰুকৰাদেউসকলৰ ন জৰত পৰা লোক যেতিয়া নামটো জনাই ভাল। কেতিয়াবা ভুল কৰিবও পাৰোঁ নহয়।"

বৰুৱাই বাধা দিলে, "নালাগে, তুমি জানি লাভ নাই। মুখ তুলি এদিন এটা কথা ক'ব নোৱাৰা। সকলোৰে লগত ভালে থাকিবলৈ বিচৰা।"

"এঃ, নোকোৱানো কেলেই?" চহৰীয়াই ভেকাহি মাৰিলে। "সেইজন বাবুৰেই লগা ভগা লোক—প্ৰিয় গোপাল, শইকীয়াৰ সাৰথি, প্ৰহ্লাদ। এওঁক দলভুক্ত কৰিব পাৰিলে শইকীয়াই আশ্ৰমত আশ্ৰয় লব লাগিব। তুমি কিবা কৰিব পাৰা জানো?"

"মোৰ কথা এৰক। আমাৰ দৰে মানুহৰ কথা কোনে পতিয়াব। আমি আকৃতিতহে মানুহটো হৈছোঁ। ধন নাই, মান নাই, ক্ষমতা নাই। কোনে আমাৰ কথা শুনে? পিছে শইকীয়াক বনবাসী কৰিয়েই বা লাভ কি?"

"লাভ বহুতো। নিজৰ ঠাইৰ মঙ্গল। কামকাজত বাধাহীন অগ্ৰগতি।"

কথা বন্ধ হ'ল। বৰুৱাৰ হাতত ধৰা দিবলৈকে যেন প্ৰিয় গোপল বাবু হঠাৎ উপস্থিত হ'লহি।

"বহক বাবুজী, টকা পাঁচশ কেতিয়ালৈ দিয়ে? ধনৰ অভাৱত অফিচৰ কাম অসম্পূৰ্ণ হৈ আছে।"

"টকা ক'ৰপৰা দিম বাবুজী। কাৰবাৰ নাই। কেৱল বহি বহি খাইছোঁ।"

"কাৰবাৰনো নচলায় কিয় ভালকৈ?" শৰ্মাই প্ৰশ্ন তুলিলে।

"কি কৰিম বাবুজী, আমাৰ হাত ভৰি বন্ধা। লৰচৰ কৰিব নোৱাৰোঁ।"

"কোনে বান্ধিলেহে তোমাৰ হাতভৰি? শইকীয়াৰ পিছে পিছে ফুৰিবা, কাম নকৰিবা আৰু দোষ দিবা আনক? এনেকৈয়ে দেশখন ৰসাতললৈ গ'ল। এৰাচোন বাৰু, শইকীয়াৰ পিছ এৰা, দেখিবা কাৰবাৰ চলেনে নচলে।"

"কেনেকৈ এৰো বাবুজী তেওঁ মোৰ অন্তৰ জয় কৰিছে। তেওঁ মানুহ নহয় দেৱতা।"

হাঁহিৰ গিৰ্জনি উঠিল। চহৰীয়াই মাত লগালে, "এটা উপসৰ্গ দিয়া হ'লে ভাল আছিলহে। তেওঁ দেৱতা নহয়, অপদেৱতা।"

আকৌ হাঁহিৰ ৰোল। কাঁইটৰ দৰে চহৰীয়াৰ কথাই মোক বিন্ধিলে। নিস্বাৰ্থ কৰ্মী গহন শইকীয়া, সকলোৰে আদৰৰ, আদৰ্শৰ ব্যক্তি। তেওঁৰ প্ৰতি এনে বিদ্ৰূপ উক্তি মোৰ অসহনীয় হৈ উঠিল। মোৰ চকুৰ আগত উজ্জলি উঠিল দাৰিদ্ৰ্যনিপীড়িত শইকীয়াৰ শান্ত মাধুৰ্য। জীৱনৰ ঘাত প্ৰতিঘাতৰ মাজত

হিমাদ্রি সদৃশ তেওঁৰ অচল প্ৰতিজ্ঞা। ত্যাগী তেওঁ। জীৱনৰ সুখ সম্ভোগৰ প্ৰতি তেওঁৰ আকাঙ্ক্ষা নাই। জাৰে-জহে, ৰ'দে-বতাহে তেওঁ ঘুৰিছে জনসেৱাৰ আদৰ্শ থাপিবলৈ, অজ্ঞ, মূক জনগণৰ মুখত ভাষা দিবলৈ। স্বাৰ্থৰ চাবিবেৰৰ মাজৰপৰা তেওঁ নিজকে মুক্ত কৰি অনাবিল আনন্দৰ অধিকাৰী হৈছে। অথচ শিক্ষিত, সুৰুচিপূৰ্ণ আমি আটায়ে বিদ্ৰূপৰ বাক্য-বাণেৰে তেওঁক জৰ্জৰিত কৰি তৃপ্তি পাইছোঁ, আনন্দৰ কিৰিলি পাৰি হাঁহিছোঁ।

প্ৰিয় গোপাল বাবু স্তম্ভিত হৈছে? তেওঁ কথা ক'বলৈ পৰা নাই, ক'বলৈ সাহ কৰা নাই। কিন্তু মই প্ৰতিবাদৰ ধ্বনি তুলিলোঁ, "আমি সংযমৰ বাহিৰলৈ যোৱা অনুচিত হ'বলীয়া। চয়তানক প্ৰশ্ৰয় দিলে আমাৰেই ধ্বংস অনিবাৰ্য।"

"কিহৰ সংযমহে" বৰুৱাই গৰ্জি উঠিল। "কুলী বস্তিত বাহ লৈছে তোমাৰ আদৰ্শ পুৰুষে। কত ঘটনা, কত কেলেঙ্কাৰী তাৰ সীমা সংখ্যা নাই। অথচ অপদেৱতা বোলোতে লাগিল অপৰাধ। মই কওঁ সি অপদেৱতা নহয়— সাক্ষাৎ কলি। নীতি, ধৰ্ম, সংস্কাৰ সকলোকে পৰিহাৰ কৰি জৈৱিক ক্ষুধাৰ পৰিতৃপ্তিত সি মত্ত, উদ্‌ভ্ৰান্ত।"

"বহুত দূৰলৈ গৈছোঁ বৰুৱা, আমি পথ হেৰুৱাই খেপিয়াই ফুৰিছোঁ। গুণগ্ৰাহিতা আমাৰ নাই। আমাৰ ভ্ৰম হৈছে। কাঁচক সোণ বুলি ভাবি আমি কাঁচৰ পিছত বলিয়া হৈ ফুৰিছোঁ। সোণ আমি চিনি পোৱা নাই। আমাৰ চৰিত্ৰ সংশোধন কৰিব লাগিব। নহ'লে পতন অৱশ্যম্ভাৱী।"

"চুপ্।" বৰুৱাই নিজৰ ওপৰত কৰ্তৃত্ব হেৰুৱাই পেলালে।

বাহিৰত ল'ৰা-ছোৱালীৰ জয়ধ্বনি শুনা গ'ল। কুলীবস্তিৰ ল'ৰা-ছোৱালীৰ শোভাযাত্ৰা। সিহঁতৰ মুখ শুকান, কাপোৰকানি ফটাছিটা। দুজন দুজনকৈ সিহঁতে শাৰী পাতি আগবাঢ়ি গৈছে। সিহঁতৰ হাতত পোষ্টাৰ, মুখত জয়ধ্বনি। সিহঁতেও পঢ়িব, শিকিব, মানুহ হ'বলৈ যত্ন কৰিব। সেই বাবে সিহঁতৰ মনত উৎসাহ উদ্দীপনা আৰু খোজত তাৰ প্ৰকাশ। নিয়মিত খোজত আগ বাঢ়িছে সিহঁত। বাহিৰত চেঁচা বতাহ। কিন্তু তাৰ প্ৰতি সিহঁতে ভ্ৰূক্ষেপ কৰা নাই। একে খোজতে সিহঁত আগবাঢ়ি গৈছে। দুটা আঁতৰি গৈছে, দুটা আহিছে। দীঘলীয়া লানি সিহঁতৰ। হৈ চৈ নাই, আছে শৃঙ্খলা আৰু নিয়মানুবৰ্তিতা।

অন্তৰত মই আনন্দৰ শিহৰণ অনুভৱ কৰিলোঁ। প্ৰিয়গোপাল বাবুৰ দৰে মোৰো অন্তৰ জয় কৰিলে তেওঁ। তেওঁৰ ত্যাগৰ মহত্ত্বই মোক গৌৰৱান্বিত

কৰিলে। কেজনমানে হাঁহিৰ বোল তুলিছে, শইকীয়াৰ উদ্দেশ্যে বিদ্রূপৰ বাণ নিক্ষেপ কৰিছে। কিন্তু শইকীয়াৰ তাৰ প্ৰতি লক্ষ্য নাই। গন্তব্য পথত তেওঁ আগুৱাইছে। তেওঁৰ গাত একেটি কামিজ। তাৰেই জাৰ আগুৰিছে তেওঁ। প্ৰকৃতিৰ নিকৰুণ আঘাতে তেওঁক কঁপাই তুলিব পৰা নাই। আনৰ কটূক্তিত তেওঁ বলীয়ান হৈ উঠিছে। মুগ্ধ হলোঁ মই। বকৰাক ভয় নকৰিলোঁ। চহৰীয়াৰ আজ্ঞা নললোঁ। কিন্তু গলোঁ মন্ত্ৰমুগ্ধৰ দৰে শোভাযাত্ৰাৰ পিছে পিছে। প্ৰিয়গোপাল বাবু মোৰ অলপ আগত আৰু মোৰ পিছত হৰিদয়াল, ভগৎৰাও, আৰু ভকতৰাম।

গুৱাহাটী
১০।১২।৫০

আহ্বান মহীয়া ফুই

প্ৰণবৰ মনৰ ক'লা পৰ্দাৰ ওপৰত চঞ্চল গতিৰে বগা বগা ছবিবোৰ অহা যোৱা কৰিছে। ছবিবোৰৰ কিছুমান স্পষ্ট, কিছুমান অস্পষ্ট। লতিকাজনী আগৰ লতিকা হৈ থকা নাই। জীৱনৰ মত্ততাৰ অন্তত ভাগৰি পৰা অনাদৃতা লতিকা আজি অস্থিচৰ্মসাৰ যেন এটি নৰকঙ্কাল। তপত সোণৰ দৰে তাইৰ শৰীৰৰ কান্তি আজি বিন্দুপি পৰা নাই। তাইৰ কোৱাভাতুৰীয়া ওঁঠৰ ওপৰেদি বাগৰি যোৱা হাঁহিৰ নিজৰা আজি শুকাই গৈছে। দীঘল, নীলা, হৰিণী চকু যুৰিৰ মাজেদি কুটিল কটাক্ষৰ ইঙ্গিত আজি ফুটি উঠা নাই। লতিকাজনী যেন মৰি গৈছে। নহয়, তাই নমৰে। জীৱনৰ প্ৰতি তাইৰ ইমান হেঁপাহ যেতিয়া তাই মৰিও নমৰে। অস্থিচৰ্মসাৰ, কঙ্কালময়ী লতিকাজনী নিশ্চয় আজিও জীৱনৰ পিছত আঁক বাসনাৰ মায়াজালৰ মাজত বলিয়া হৈ ফুৰিছে। আজি বোধ হয় তাইৰ ভুল ভাঙিছে। গুণমুগ্ধ, ৰূপমুগ্ধ প্ৰণবক তাই আদৰি লব নোৱাৰিলে। তাইকে উদ্দেশ্য কৰি তাৰ অন্তৰত বই থকা ফল্গুৰ সন্ধান লবলৈ তাইৰ সময় নহ'ল। যাচি দিয়া প্ৰেমৰ অৰ্ঘৰ ওপৰত পদাঘাত কৰি তাইৰে প্ৰেমিক শ্ৰীকণ্ঠৰ হতুৱাই তাক অপমান কৰোৱালে। প্ৰণবৰ জীৱনত ইয়াতকৈ ডাঙৰ আঘাত কেৱে হানিব পৰা নাই। তথাপি আজিৰ লতিকাজনীৰ পৰিৱৰ্তনত প্ৰণবৰ মনত দুখ লাগিছে। তাই যেন আগৰ লতিকাৰ প্ৰেতাত্মা। মৰিশালিৰপৰা এতিয়াই মাথোন উঠি আহি তাইৰ ভুলৰ প্ৰায়শ্চিত্ত কৰিবলৈ বিচাৰিছে। সেয়েহে তাই প্ৰণবৰ পিছ লৈছে। তাইৰ হয়তো প্ৰণয়-নিবেদনৰ অভিনয় আজিও শেষ হোৱা নাই। সেই বাবে তাই মিনতিকাতৰ চকুৰে প্ৰণবৰ ওচৰত থিয় দিছেহি। তাইৰ শুকান ওঁঠৰ ওপৰত আজিও কেঁচা চুমাৰ ৰঙা বোল লাগি আছে। তাই জীৱনক এৰিব নোৱাৰে। জীৱনে এৰিলেও তাই জীৱনক নেৰে। বাসনাৰ ঢৌ জগাবলৈ অক্ষম হলেও, তাইক বাসনাৰ পৰিতৃপ্তি লাগে নিশ্চয়। কিন্তু প্ৰণবৰ অভিমান আজিও ভঙা নাই, নাভাঙে। এজনী কিয়, এশজনী লতিকাৰ প্ৰণয়-পিয়াহেও তাক টলাব নোৱাৰে। লতিকাৰ দন্তালি সি পাহৰা নাই। শ্ৰীকণ্ঠৰ লগত একেলগে বহি সুৰৰ লহৰে লহৰে তাৰ গাৰ

ওপৰত ভেজা দি গান গোৱাৰ দৃশ্য সি পাহৰে কেনেকৈ? সেই বাবে লতিকা তাৰ ওচৰত সদায় পদদলিতা লতিকা হৈয়েই থাকিব। তাইৰ শাসনাৰ ওপৰত প্ৰতিশোধ লব।

পৰ্দাৰপৰা চুচৰি অচেতন ৰাজ্যৰ অটল গৰ্ভলৈ লতিকা বাগৰি পৰিল। প্ৰণৱে ভাবিলে সঁচাকৈয়ে যদি লতিকা আজিও মৰা নাই, সি বিচাৰে তাই আজিয়েই শেষ নিশ্বাস এৰক। দুনাই তাইৰ মুখ চাবলৈ সি ইচ্ছা নকৰে। সি শ্ৰীকণ্ঠৰ ওপৰত আজিও প্ৰতিশোধ লব পৰা নাই। পৰাহেঁতেন লতিকাক অলপ ভাল চকুৰে চাবলৈ সি চেষ্টা কৰিলেহেঁতেন। কিন্তু আজি, এনে অৱস্থাত লতিকাৰ প্ৰতি তাৰ মৰম নাই, স্নেহ নাই। আজি সেই বাবে সি বিচাৰে লতিকাৰ মৃত্যু।

তথাপি লতিকা নমৰে। পৰ্দাৰ ওপৰলৈ উঠিবলৈ তাই দুনাই অহোপুৰুষাৰ্থ কৰে। হঠাৎ এজনী ষোড়শীয়ে তাইৰ মাংসল হাতেৰে বেচেৰীক গৰা মাৰি ধৰি চোঁচৰাই লৈ যায়। প্ৰণৱে জুমি জুমি চাই দেখে তাবেই, ঘৰৰ ওচৰত থকা লছ্‌মনীয়ে ওঁঠৰ হাঁহি জিলিকনিৰে মুখ পোহৰাই লাহে ধীৰে আগবাঢ়ি আহিছে। আজি দহ বছৰ হ'ল প্ৰণৱে লছ্‌মনীক দেখা নাই। তাই দূৰ দেশলৈ আঁতৰি গুচি গৈছে, আপোন ইচ্ছাতে নহয়, বাধ্যত পৰি। তাই আঁতৰি যোৱাৰ করুণ দৃশ্য প্ৰণৱৰ মনত আজিও নতুন। তায়ো নিশ্চয় প্ৰণৱক পাহৰা নাই। সেই বাবে আজি দীঘল দহ বছৰৰ মূৰত তাই উভতি আহিছে প্ৰণৱৰ কাষলৈ। প্ৰণৱ আচৰিত হৈছে। দহ বছৰৰ অন্ততো তাইৰ ৰূপযৌৱন মলিন হৈ পৰা নাই। কালচক্ৰৰে আৱৰ্তন বিবৰ্তনৰ ছাপ তাইৰ গাত নপৰে। তাই জীৱনক বান্ধি ৰাখিছে, জীৱন উপভোগ কৰিবলৈ জানিছে। আনৰ লগত জীৱনক একমুখী কৰি এৰি দিবলৈ লাগে ত্যাগ। সেই ত্যাগ তাইৰ আছে। আপোন সত্ত্বা বিলোপ কৰি আনৰ মাজত নিজক বিলাই দিয়াৰ ক্ষমতা বোধহয় অৰ্ধশিক্ষিতা অকল লছ্‌মনীৰেই আছে। আজিও তাইৰ মুখৰ ওপৰত কামনাৰ উদ্দীপনা, গালত অলক-ভ্ৰমৰৰ চুম্বন, বুকুত নৃত্যৰত যৌৱনৰ বিহ্বলতা। তাইৰ চুটি কেঁকোৰা-কেঁকুৰি চুলিবোৰৰ মাজত উন্মাদনা লুকাই আছে। মাংসল বাহুৰ লাজকুৰীয়া আলিঙ্গনত প্ৰাণৰ স্পন্দন ধ্বনিত হৈছে।

প্ৰণৱে লছ্‌মনীক চিনি পায়, ভালদৰে চিনি পায়। নীহকুলীয়া ধোবাৰ ছোৱালী এজনীৰ প্ৰতি ধনীৰ ল'ৰা প্ৰণৱৰ সম্বন্ধ টকা-পইচাৰ মাজতে শেষ হোৱা নাই। লছ্‌মনী তেওঁৰ প্ৰথম প্ৰণয়ৰ ব'দকাচলিত ফুলি উঠা এপাহি গোলাপ।

প্ৰণবে তাইক পাহৰা নাই, পাহৰিব নোৱাৰে। তাৰ প্ৰীতিৰ প্ৰবল তৰঙ্গমালাৰ লগত তায়ো উটিছিল, বুৰিছিল। তাই নিজকে পাহৰি গৈছিল। উন্মাদনাৰ তৃপ্তিৰ আবেশত তাই বিভোৰ হৈ পৰিছিল। তাই একোকে ভৰা নাছিল, ভাবিবও পৰা নাছিল।

আজি ভালেমান দিনৰ মূৰত লছ্মনী আহিছে, আপোন ইচ্ছাতে। প্ৰণবে তাইক আদৰ কৰিব, সম্ভাষণ জনাব।

আথেবেথে প্ৰণব চকীৰপৰা উঠিল। কিন্তু ক'তা? লছ্মনী ক'লৈ গ'ল? চকুমুখ মোহাৰি সি চাই দেখিলে তাৰ বাৰাণ্ডাত এগৰাকী নাৰী থিয় দিছেহি। কিন্তু এই জনীতো লছ্মনী নহয়—বিনতা, কলিকতীয়া লেন নিবাসীনী পাৰদৰ্শী ককেট্।

পাচ বছৰ আগতে বিনতাৰ লগত প্ৰণবৰ প্ৰথম দেখাদেখি। দেখাদেখিৰ পিছত আলাপ-আলোচনা, আত্মীয়তা। প্ৰণবে বিনতাক বিচাৰি পোৱাটো সহজ নহ'লহেঁতেন কিন্তু বিনতাই নিজে আগবাঢ়ি আহি বাট দেখুৱালে। নাৰীসুলভ মাধুৰ্যৰ আকৰ্ষণ বিনতাৰ গাত নাছিল। অন্ততঃ প্ৰণবে সেই মাধুৰ্য বিচাৰি হতাশ হৈছিল। তথাপি পুৰুষোচিত নিৰ্ভীকতাৰ কাৰণে বিনতাৰ হাতৰ মুঠিৰ পৰা ওলাই আহিবলৈ প্ৰণবে বেগ পাব লগীয়া হৈছিল। আজি হঠাৎ বিনতাক তাৰ বাৰাণ্ডাৰ ওপৰত দেখিবলৈ পাই প্ৰণবৰ মনত আশঙ্কা উপস্থিত হৈছে। সি বিবুদ্ধিত পৰিছে।

বিনতা নিৰ্ভীকা নাৰী। তাই পোনে পোনেই ঘৰৰ ভিতৰ সোমাই গ'ল, নিজৰ বাকচ, বিছনা-পাতি ৰুমৰ ভিতৰত ভালকৈ থলে আৰু ড্ৰয়িং ৰুমলৈ ওলাই আহি এখন চকীত বহি ললে।

প্ৰণব আচৰিত হৈছে—মুখেৰে মাতিব পৰা নাই।

"আপুনি ছাগৈ আচৰিত হৈছে। মই বিনতা। মনত নপৰে কিমান দিন আপোনাৰ খা-খবৰ পোৱা নাই। নিঃসঙ্গ জীৱন লৈ মই বাৰু জীয়াই থাকো কেনেকৈ?"

"সঁচাকৈয়ে মই আচৰিত হৈছোঁ বিনতা। তুমি আকৌ কি নতুন খেল খেলিবলৈ ওলাইছা মই বুজিব পৰা নাই।"

"আপুনি মোৰ প্ৰতি অন্যায়ভাৱে কঠোৰ হৈছে। কওক, মই আপোনাৰ কি দোষ কৰিলোঁ?"

"তুমি হয়তো একো দোষ কৰা নাই।" অলপ অপ্ৰস্তুত হৈ প্ৰণবে

উত্তৰ দিলে। "কিন্তু এনেকৈ হঠাৎ মোৰ ঘৰ সোমাই লোক চক্ষুত মোক হেয় কৰাৰ অভিপ্ৰায় মই মুঠেই সমৰ্থন নকৰোঁ।"

"আপোনাৰ ঘৰৰ চাৰিওপিনে বিশৃঙ্খলতা। আপোনাৰ খোৱাৰ ঠিক নাই, শোৱাৰ ঠিক নাই। আপোনাৰ জীৱন, যৌৱন কাণ্ডাৰীবিহীন নাওখনিৰ দৰে উটি ভাহি ফুৰিছে। আপোনাৰ কাপোৰ-কানিত পাৰিপাট্য নাই, আপোনাৰ মুখৰ লাবণ্য তিলে তিলে লয় পাব ধৰিছে। আপোনাৰ মনৰ মাজতো বাসনাৰ তুমুল সংগ্ৰাম। কিমান দিন আত্মগোপন কৰিব প্ৰণৱ বাবু? আপুনি ধৰা পৰিছে, অকল মোৰ হাততেই নহয়, লছমনীৰ হাতত, লতিকাৰ বিৰহত।"

"তুমি এইবোৰ কি বলকিছা বিনতা? লছমনী মোৰ কোন? আৰু লতিকা? লতিকাৰ কথা ময়েই তোমাক কৈছিলোঁ। কিন্তু লতিকাক মই ঘিণ কৰোঁ। মোৰ ওচৰলৈ আহিলে মই তাইক হত্যা কৰিম। জানা?"

"বৰকৈ উত্তেজিত নহ'ব। আপুনি জীয়াই থাকে মানে লতিকা নমৰে, ময়ো নমৰোঁ।"

"তাৰ অৰ্থ?"

"আমাৰ জীৱন-মৰণ একে ডোলৰেই গঁথা। আপুনি জীয়াই থাকিলে মই জীয়াই থাকিম, লতিকা থাকিব, লছমনী থাকিব আৰু থাকিব কান্তা, বন্দনা, অপৰ্ণা আৰু অনেক। কিন্তু আপুনি মৰিলে ময়ো জীয়াই নাথাকো, সিহঁতো নাথাকে।"

"কেলেই? তোমাৰ গুণমুগ্ধ উপাসকৰ অভাৱ হোৱা নাই বিনতা। মই তাক ভালকৈয়ে জানোঁ। সিহঁতৰ ওচৰলৈ যোৱা। সিহঁতে তোমাক ৰাজ-ৰাণী পাতিব। তোমাৰ ভিন্তিত ফুলৰ মালা পিন্ধাই সিহঁতে তোমাক আদৰি ল'ব। সেই আদৰ তুমি মোৰ পৰা নোপোৱা। মই অক্ষম।"

"মই কাৰো, ওচৰলৈ নাযাওঁ। মই ইয়াতেই থাকিম বুলি আহিছোঁ যেতিয়া সাধ্য নাই আপুনি মোক খেদি দিয়ে। কওকচোন আপুনি ফাঁকি দি মোৰপৰা আতৰি আহিছে কেলেই? মোক অকলশৰীয়া কৰি এৰি আহি আপুনি বোধ হয় তৃপ্তি পাইছে। কিন্তু অকলে থকাৰ সুযোগ মই আপোনাক নিদিওঁ। জানে, আপোনাৰ সন্তানক মই নৃশংসভাৱে হত্যা কৰিছোঁ। আপোনাৰ কাৰণে মই পাপ আচৰিছোঁ। সেই পাপৰ প্ৰায়শ্চিত্ত কৰিম। কিন্তু অকলে নহয়,— দুয়ো একেলগে। আত্মপ্ৰবঞ্চনাৰ মুখা আজি সুলকি পৰিছে। স্বচ্ছন্দ জীৱন-

যাত্ৰাৰ পথত তুয়ো আগুৱাই যাম। মোৰ জীৱনৰ নাওখনি আপোনাক কেন্দ্ৰ কৰিয়েই ঘূৰিছে। মই আপোনাক এৰিব নোৱাৰোঁ, নেৰোঁ। মোক ভুল নুবুজিব প্ৰণব বাবু। আপোনাৰ ঘৰ-দুৱাৰ মই পৰিপাটিকৈ সজাম, আপোনাৰ শৰীৰ মনৰ যত্ন লম, আপোনাৰ সুখদুখৰ লগৰী হম। মই ৰাজৰাণীৰ সমাদৰ বিচৰা নাই, বিচাৰিছোঁ আপোনাৰ স্নেহ আৰু ভালপোৱা। মোক ভৰিৰে ঠেলি নিদিব।”

“বিনতা, মোৰপৰা তুমি ইমান আশা কৰা উচিত হোৱা নাই। মোৰ এখন সমাজ আছে। ই কলিকতা নহয়। তুমি এই কথা পাহৰিলে নচলিব।”

“প্ৰণব বাবু, যিটো কাম আপুনি সমাজৰ চকুত ধূলি দি কৰা বুলি ভাবে সমাজে তাৰ গম পায়। সমাজ অন্ধ নহয়। সেই বাবে মোক প্ৰতাৰণা নকৰিব।”

“মই কাকো প্ৰতাৰণা কৰা নাই। বৰং আনৰ হাতত প্ৰতাৰিত হৈছোঁ। মূৰ্খৰ দৰে নাজানি মই তোমাৰ হাতত ধৰা দিছিলোঁ। কলিকতাৰ নিৰ্জন কোঠাৰপৰা তুমিয়েই মোক প্ৰলোভিত কৰি আতৰাই নিছিলা। তোমাৰ কাষ চাপিবলৈ মোৰ সাহ নাছিল, তুমিয়েই চাপি আহি মোক খেলৰ পুতলাৰ দৰে ব্যৱহাৰ কৰিছিলা। পাহৰি নাযাবা বিনতা। এবাৰ ভাবি চোৱা। দুনাই তুমি মোক জগাই নুতুলিবা। তোমাক ভালেৰে কৈছোঁ মোৰ ঘৰৰপৰা তুমি এতিয়াই ওলোৱাৰ দিহা কৰা। তোমাৰ আতিথ্য সংকাৰ কৰিবলৈ মই সম্পূৰ্ণ অপাৰগ।”

বিনতাই খঙেৰে চিঞৰি উঠিল, “আপুনি বিশ্বাসঘাতক! জানে মই আপোনাক কাবৌ-কাকুতি কৰিবলৈ অহা নাই। এই ঘৰত মোৰো স্বত্ব আছে, অধিকাৰ আছে। আপুনি স্বেচ্ছাই সেই অধিকাৰ মোক দান কৰিছে। চাওঁচোন কোনে মোক ইয়াৰপৰা খেদি উলিয়াই দিয়ে। জানিব ময়ো বিনতা, আপোনাৰ কামানলত অৰ্ধদগ্ধা নাৰী।”

“বিনতা, জানা, তুমি মোক শোষণ কৰি সৰ্বস্বান্ত কৰিছা। দেহ-বিক্ৰয়ৰ পুৰস্কাৰ তুমি আগতে পাইছা। কিন্তু দেখিছোঁ তুমি তৃপ্ত হোৱা নাই। এইবাৰ ৰাক্ষসী ৰূপ ধাৰণ কৰি মোক গিলিবলৈ আহিছা। কিন্তু সি নহ'ব। তোমাৰ দন্তালি মই সহ্য নকৰোঁ। তুমি ভালে ভালে ওলাই নগ'লে এতিয়াই তোমাক ডিঙিত টেপা মাৰি ধৰি উলিয়াই দিম। প্ৰণৱ এতিয়া জ্ঞানী হৈছে। তোমাৰ ৰাক্ষসী কামুকতাই প্ৰণৱক পথৰ সন্ধান দিছে।”

কলিকতীয়া নাচনী তিৰোতাৰ মইমতালি প্ৰণবৰ অসহ্য হৈ উঠিল। তাৰ ঘৰৰ ভিতৰতে এজনী তিৰোতাৰ এনে অতপালি সি সহি থাকিব নোৱাৰিলে। সাহসেৰে প্ৰণৱ আগবাঢ়ি গ'ল। খন্তেকতে বিনতাৰ চকু দুটি জুইৰ দৰে জ্বলিব ধৰিছে। বিনতা নিশ্চয় নাৰী নহয়, দানৱী। তাইৰ চকুত জুই জ্বলিছে। নিমিষতে সকলোকে পুৰি পেলাব। বিনতা পুৰিব, ঘৰদুৱাৰ পুৰিব, সিয়ো পুৰি ছাই হৈ যাব। জুই—জুই—জুই। অকল বিনতাৰ চকুৰেদিয়েই জুই ওলোৱা নাই। চাৰিওপিনে জুই। প্ৰণৱে জুইৰ মাজত ছট্‌ফটাব ধৰিছে।

আহাৰমহীয়া চোকা ৰ'দ এচেৰেঙা ভঙা আয়নাখনৰ ফাকেদি বাগৰি প্ৰণৱৰ চকুৰে মুখে পৰিছে।

বাহিৰত কোনোবাই দুৱাৰত টুকুৰিয়াই চিঞৰিছে, "প্ৰণৱ—প্ৰণৱ?"

নলবাৰী

১১।১০।৫৬

ত্ৰৈঃ গোঃ গল্প সংকলন—১৫

শিল্পীৰ জন্ম

খণ্ড খণ্ড অভিজ্ঞতাৰ বালিময় পথাৰ, চাহাবাৰ দৰে নীৰস, অনুৰ্বৰ। শ্ৰম—পৰাজয়—অধ্যবসায়—। তাৰ পিছত হৈছে সৃষ্টি, অৰূপৰ ৰূপসজ্জা। শিল্পী মুগ্ধ।. কল্পনাৰ প্ৰতিমা ৰেখাৰ মাজত জিলিকি উঠিছে। তেওঁৰ সুদক্ষ হাতে কাপোৰৰ চাৰিচুকৰ মাজত কল্পনাক বান্ধি ৰাখিছে—বাস্তৱ যৱনিকাৰ আঁৰৰ পৰা তাক টানি আনি চকুৰ আগত থিয় কৰিছে। কৃতিত্ব শিল্পীৰ, তৃপ্তিও তেওঁৰেই।

পশ্চিম আকাশত বেলিটোৰ শেষ ৰেখাপাত লেৰেলি যোৱা. গছপাতবোৰৰ ফাকেদি বাগৰি আহিছে ধৰিত্ৰীৰ বুকুত। বিদায়বাণী হানিবলৈ। বেলিৰ ক্ষীণ জেউতিত আছে দৰদী প্ৰাণৰ করুণতা। জীৱনসৰ্বস্বৰ বিদায়-বাণীত উৰ্বৰ পৃথিৱীৰ বিষাদঘন মুখৰ ওপৰলৈ নামি আহিছে ৰাতিৰ ক'লা অন্ধকাৰ।

শিল্পী নিশ্চল। উন্মুক্ত বতাহৰ মৃদুপৰশত তেওঁ তৃপ্ত। আপোন-পাহৰা। দূৰৰ্ত কৃষ্ণ পাহাৰখন থিয় হৈ আছে। তাৰ ওপৰত আন্ধাৰৰ ক'লা দাগ—যেন কোনো অজানা শিল্পীৰ হাতৰ ৰঙৰ বিচিত্ৰ খেলা। মনোৰম দৃশ্য। পোহৰ-আন্ধাৰৰ খেলৰ মাজতেই সৃষ্টি হয় সৌন্দৰ্য, ধন্য হয় জীৱন। আৱৰণ ঘন হয়। বৃক্ষৰাশিৰ সৌন্দৰ্য ক'লা ৰাহুৱে গ্ৰাস কৰে। তথাপি শিল্পী স্থিৰ। যৱনিকাৰ আঁৰত লুকাই থকা সৌন্দৰ্যকল্পনাত তেওঁ বিভোৰ।

"শিল্পী, নামি আহা—নামি আহা—।"

শিল্পী উচাপ খাই উঠিল। কোন? কল্পনাৰ অফুৰন্ত আনন্দৰ মাজত তেওঁ নিজকে বিলাই দি আপোন অস্তিত্ব পাহৰি গৈছে। কোনে বাধা দিলে তেওঁক?

অন্ধকাৰ ডাঠ হৈছে।

"মাটিৰ মানুহ—সৰগৰ দেৱতা?"

"তাৰ অৰ্থ?" শিল্পীৰ মুখৰপৰা আপোনা-আপুনিয়ে যেন ওলাই পৰিল।

"কল্পনাৰ আদি নাই, অন্ত নাই। বাস্তৱক হাতৰ মুঠিলৈ আনা উদ্ভাৱিকা শক্তিৰে তাত নতুন ৰূপ দিয়া।"

"জয়ন্ত! তুমিয়েই জয়ী হৈছা ভাই। তোমাৰ মন্ত্ৰত দীক্ষিত হৈছোঁ।

পৃথিৱীৰ ৰূপৰসৰ মাজত মই বুৰ গৈছোঁ। ধৰিত্ৰীৰ অপৰূপ সৌন্দৰ্যই মোক বলিয়া কৰিছে কিন্তু এই প্ৰহেলিকাময় জীৱনৰ অৰ্থ বুজিব পৰা নাই, তাঁক চিত্ৰৰ মাজেদি ফুটাই তুলিব পৰা নাই। ইয়াতেই বোধ হয় মোৰ চৰম পৰাজয়।"

"ভুল নবীন, ই তোমাৰ ভুল। জীৱন গল্প নহয়, নাটক নহয়—অৰ্থহীন সাঁথৰ। লুইতৰ বহল বুকুত বাগৰি অহা ঢৌবোৰ যেনেকৈ অৰ্থহীন জীৱন তেনে। মহাকালৰ অনন্ত সোঁতৰ ওপৰত ছিটিকিপৰা ই অকলশৰীয়া পানীৰ কণিকা—নিৰৰ্থক হ'লেও সুন্দৰ, ক্ষণস্থায়ী হ'লেও জ্যোতিৰ্ময়। তোমাৰ চকুৰ আগতে সৌন্দৰ্য-ভাণ্ডাৰ পৰি আছে। সমাজে বিচাৰে তাৰেই প্ৰতিকৃতি। ৰূপ দিয়া। তাতেই তোমাৰ কৃতিত্ব।"

"ৰূপ দিছোঁ কিন্তু নাজানোঁ 'সুযোগ' হৈছে নে নাই। তোমাৰেই অনুৰোধত ষোড়শীৰ ৰূপসম্ভাৰ প্ৰকট কৰিছোঁ। চকুত কটাক্ষ, ওঁঠত হাঁহিৰ লুকাভাকু, চুলিত বেকা-ভাজ, দেহভঙ্গীত আকৰ্ষণৰ চুম্বক সকলোকে দিছোঁ। সেয়ে জানো হৈছে?"

"আঁকিছা? তেনে ছবি আঁকিছা?" জয়ন্তৰ মনত তৃপ্তিৰ কৌতুহল, মুখত উল্লাসৰ চিন।

"আঁকিছোঁ। দীঘল ডুকৰি দিন ৰূপসাগৰত উটি বুৰি প্ৰতিমা উদ্ধাৰ কৰিছো। ধৈৰ্যচ্যুত হোৱা নাই, আদৰ্শৰ ছাপ পৰিব দিয়া নাই। বাসনাক চকুৰ আগত ৰাখি দেহভঙ্গীত বিচিত্ৰ ৰঙৰ সমাবেশ কৰিছোঁ। বাস্তৱৰ দৰে মাংসল, স্পৰ্শনীয়, লোভনীয় হৈ প্ৰতিমা পটত জিলিকি উঠিছে। কোৱা আৰু কি বিচৰা?"

"আগেয়ে প্ৰতিমা দৰ্শন—"

"আজি নহয়, কাইলৈ। কিন্তু অকলে নাহিবা। লগতে লৈ আহিবা গুৰুদেৱ বৰুৱাক। পাৰিবা তেওঁক আনিব?"

"পাৰিম। কিন্তু তাত লাভ?"

"সাধক, তত্বজ্ঞানী, ৰুচিসম্পন্ন লোকৰ উপস্থিতিয়েই লাভ। যদি মোৰ চিত্ৰই তেওঁক তৃপ্তিদান কৰিব পাৰে বুজিম শ্ৰম সাৰ্থক হৈছে। যদি নোৱাৰে, দুনাই সাধনা কৰিব লাগিব, দুনাই জয়-পৰাজয়ৰ মাজত চেপাখুন্দা খাব লাগিব।"

"তোমাৰ গুৰুদেৱ মোৰ সহকৰ্মী শিক্ষক। মোৰ আগত তেওঁৰ প্ৰশংসা নিষ্প্ৰয়োজন।"

"জানো। কিন্তু অনুমান হৈছে তেওঁক বুজিবলৈ তুমি চেষ্টা কৰা নাই। তেওঁৰ মনৰ ভিতৰলৈ সোমোৱাৰ আগ্ৰহ তোমাৰ নাই। আদৰ্শ ব্যক্তি তেওঁ। অসাধ্যসাধন তেওঁৰ প্ৰতি সম্ভৱ। দিনে-ৰাতি শ্ৰম কৰি মই গঢ়ি তুলিছো হয়তো প্ৰাণহীন মূৰ্তি অথচ বিনা আয়াসে গুৰুদেৱে গঢ়ি তুলিছে জীয়া মানুহক, তাক ভূষিত কৰিছে দেৱত্বেৰে। পূজাৰীৰ ঘৰৰপৰা, বুটলি অনা ল'ৰাটিৰ কাহিনী মনত কৰাচোন। আজি দহ বছৰৰ ভিতৰত তেওঁ কেনেকৈ কাঁচক ৰত্নত পৰিণত কৰিলে। যিজনে কুৰূপক ৰূপদান কৰিব পাৰে সেইজনৰ প্ৰতি অৰূপক ৰূপদান কিমান সহজ নিশ্চয় অনুমান কৰিব পাৰিবা।"

"বাক লৈ আহিম। কিন্তু কৈ থলো তোমাৰ ভ্ৰান্তি দূৰ হ'ব।"

"ভ্ৰান্তি! জীৱনৰ প্ৰাৰম্ভৰ পৰা আঁৰে আঁৰে থাকি ডাকিনীয়ে মৰীচিকা ভ্ৰম সৃষ্টি কৰিছে। কত শত পথিকে ডাকিনীৰ কুহকত পৰি জীৱনৰ বাট হেৰুৱাই খেপিয়াই ফুৰিছে—

* * *

জয়ন্তৰ জীৱনদৰ্শন সহজ। ভ্ৰান্তি নাই, সন্দেহৰ অৱকাশ নাই। ধন ঘটিব লাগে, ল'ৰা-তিৰোতাক পোহপাল দিব লাগে, সুখ-দুখ, সম্পদ-বিপদ সকলোৰে সোৱাদ লব লাগে। তেওঁৰ মনত আদৰ্শৰ সংঘাত নাই। জৈৱিক বাসনাৰ ওপৰত থিয় হৈ জীৱন পৰ্যালোচনা কৰাৰ অভিপ্ৰায় তেওঁৰ নাই।

জীৱন ক্ষণস্থায়ী। মহাকালৰ বুকুত দুদিন পিছতে তাৰ লয় হ'ব। তথাপি সি মধুৰ। তাত আছে সম্ভোগৰ আকাঙ্ক্ষা, বিলাসৰ মত্ততা। ভোগ-বিলাসৰ লগত জীৱনৰ অবিচ্ছেদ্য সম্বন্ধ। বিচ্ছেদ ঘটিলে জীৱন হয় অসাৰ, অন্তঃসাৰশূন্য।

জয়ন্তৰ গতিপথ পোন। তাত মাদকতা আছে কিন্তু অজানা ৰাজ্যৰ ভিতৰলৈ সোমোৱাৰ উৎকণ্ঠা নাই।

নবীন শিল্পী। জীৱনৰ ব্যাপকতাৰ পৰিচয় তেওঁ পায়। সমগ্ৰ জীৱনক হাতৰ মুঠিত ৰাখি তাক বিশ্লেষণ কৰিবলৈ তেওঁ বিচাৰে। জীৱন-তন্ত্ৰীৰ কোন সূক্ষ্ম তাৰত আঘাত কৰিলে তাৰ স্পন্দন সহজতে অনুভূত হয় তাকেই তেওঁক লাগে। সেয়েহে অন্তৰ দবে নিজ গতিপথত তেওঁ খেপিয়াই ফুৰিছে। তেওঁৰ মনত আশা হয়তো—কেতিয়াবা হাতৰ মুঠিতে মাণিক মিলিব। নহ'লে ব্যৰ্থ অন্বেষণ উপনীত হ'ব ব্যৰ্থতাৰ বহল দুৱাৰ মুখত।

শিল্পীৰ হাতত তুলি, সমুখত ষোড়শীৰ চিত্ৰ। স্থিৰতাৰ পৰিৱৰ্তে তেওঁৰ মুখত বেদনাৰ চঞ্চলতা। তেওঁ এবাৰ হাতৰ তুলি ওপৰলৈ নিছে, আকৌ নমাই আনিছে। তেওঁ স্থিৰ কৰিব পৰা নাই ক'ত তুলিৰ পৰশ দিব। তেওঁ চিন্ত-ক্লিষ্ট। তেওঁৰ মনৰ ওপৰত উদ্বেগৰ ছাপ।

"শিল্পী?" জয়ন্ত ভিতৰলৈ সোমাই আহিল।

হাতৰ তুলিৰে ষোড়শীৰ বুকুৰ ওপৰত শিল্পীয়ে ক'লা ৰেখ বহুৱাই দিলে।

"উন্মাদ নহবা নবীন। কি কৰিছা? হাতেগঢ়া প্ৰতিমাৰ ওপৰত এনে অত্যাচাৰ কিয়?"

শিল্পীৰ হাতৰ তুলি জয়ন্তই কাঢ়ি আনিলে। শিল্পী গম্ভীৰ।

"এই ক'লা ৰেখে তোমাৰ গুৰুদেৱৰ কালিমা ঘোষণা কৰিছে। দায়ী তেওঁ—তোমাৰেই আৰাধ্য দেৱতা। গুৰুদেৱে কৈছিল চিত্ৰৰ মাজেদি বাণী ফুটি উঠা নাই। তাৰ কাৰণেই তুমি প্ৰতিমা সাজি তাৰ বুকুত ছুৰীৰ আঘাত দিছা। ভাবি চোৱা কি কৰিছা?"

"মিছাতেই গুৰুদেৱক দোষ দিছা জয়ন্ত। ইটো আঘাত নহয়—এটি ক'লা ৰেখ—বেদনাৰ প্ৰতীক।"

"বেদনা! কিহৰ বেদনা? কাৰ বেদনা?"

"ই অপ্ৰকাশৰ বেদনা। গুৰুদেৱৰ কথাত মোৰ চকু মুকলি হৈছে। মই বুজিছোঁ মোৰ শ্ৰমৰ ব্যৰ্থতা। এই চিত্ৰত ৰূপসম্ভাৰৰ সংযোগ হ'লেও নাৰীত্বৰ গৌৰৱ ওলাই পৰা নাই। আধ্যাত্মিক সত্বা বিহীন এই চিত্ৰ যেন মূক প্ৰস্তৰ। মই বিচাৰিছোঁ উদ্দীপ্ত প্ৰাণৱন্ত এখনি চিত্ৰ।"

"ই তোমাৰ মধ্যযুগীয় মনোভাব। তুমি যি সৃষ্টি কৰিছা তাৰ মূল্য নিজে নুবুজিব পাৰা কিন্তু জগতে বুজিব।"

"জগতৰ কথা ভাবিব পৰা নাই। মোৰ অন্তৰত অপ্ৰকাশৰ বেদনা আৰু প্ৰকাশৰ আকুলতা জাগিছে। হয়তো চেষ্টা কৰিলে পাৰিম। বাধা নিদিবা ভাই, প্ৰলোভিত নকৰিবা।"

"প্ৰলোভন নহয় নবীন। পশ্চাৎগামী নীতি পৰিহাৰ কৰা। অগ্ৰগামী হোৱা। যুৰ তুলি বহল পৃথিবীৰ বুকুলৈ চোৱা। বিশ্বাসৰ বিৰাট প্ৰাচীৰ উৰলি যাব ধৰিছে। মানুহে মুক্ত বতাহৰ বাবে বলিয়া হৈ পৰিছে। মানুহ আজি মোহমুক্ত হৈছে।"

জয়ন্ত বাক্পটু। নবীনে তাক জানে। সেই বাবে তেওঁ যুক্তি-তর্কৰ ভিতৰলৈ সোমাব বিচৰা নাই।

"শুনা নবীন, তোমাৰ প্ৰতিভা আছে। আমি বিচাৰোঁ তাৰ বিকাশ। তুমি তাক নষ্ট কৰিব খুজিলেও আমি বাধা দিম। তথাপি যদি নুশুনা, তাৰ ফলভোগ কৰিবা তুমি নিজেই।"

"তোমাৰ শলাগ লৈছোঁ জয়ন্ত। মোক সময় দিয়া। এমাহৰ ভিতৰত মই এই নাৰীমূৰ্তিক নতুন ৰূপ দিম। মোৰ ব্যক্তিত্বৰ ওপৰত হাত নিদিবা ভাই। যি সৃষ্টি কৰিম তাতে মন্নো তৃপ্তি হ'ম, তুমিও হবা। মোক ভাবিবলৈ দিয়া।"

কৰ্মব্যস্ত জীৱন জয়ন্তৰ। বিংশ শতিকাৰ তেওঁ এজন বিশিষ্ট ব্যক্তি। অকল আৰ্টৰ পূজা কৰিলেই তেওঁৰ নচলে, সেই বাবে মাজে সময়ে পপীয়া তৰাটোৰ দৰে আহি আকৌ পপীয়া তৰাটোৰ দৰে তেওঁ গুচি যায়। আৰ্টৰ দীঘল আলোচনাৰ মাজতো তেওঁ ব্যৱহাৰিক প্ৰয়োজনৰ প্ৰতি চোকা চকু ৰাখে। তেওঁৰ বন্ধু-বান্ধৱো সৰহ, ভিন ভিন স্তৰৰ, ভিন ভিন ব্যৱসায়ৰ। এই সকলোৰে লগত তেওঁ সম্বন্ধ ৰাখিব লাগে। সকলোৰে লগত সমানে উঠাবহা কৰিব লাগে। সকলো ক্ষেত্ৰতে নিজৰ মত প্ৰকাশ কৰিবও লাগে। গতিকে তেওঁৰ জীৱন কৰ্মবহুল, বাক্যবহুল।

॥ ৩ ॥

লাহে লাহে ক'লা ৰঙৰ আঁৰত নাৰীমূৰ্তি লুকাই পৰিছে। বাকী আছে শুভ্ৰ মুখমণ্ডল। সমগ্ৰ পটৰ ওপৰতেই ঘন পাতল ক'লা ৰঙৰ মোহন খেলা। তাৰ মাজেদি জিলিকি উঠিছে শুভ্ৰ এখনি মুখ, স্নেহ-বিগলিত দুটি চকু। নিজৰ অস্তিত্ব পাহৰি শিল্পীয়ে তাৰ ওপৰত মধুৰ আবেশৰ সৃষ্টি কৰিছে। দিন-ৰাতি পৰিশ্ৰম কৰি তেওঁ ফুটাই তুলিবলৈ যত্ন কৰিছে মনৰ কল্পিত আদৰ্শ। নাৰী-মূৰ্তিৰ দৈহিক সৌন্দৰ্যৰ পিনে তেওঁৰ চকু নাই, শৰীৰৰ ভঙ্গীত তেওঁ বিচাৰিছে স্থিৰতা। শুভ্ৰ মুখখনি আৰু চকু দুটিৰ সহায়েৰে তেওঁ খুজিছে মাতৃত্বৰ ত্যাগ দেখুৱাবলৈ। নীল আকাশত তৰাৰ জিলিকনিৰ দৰে ক'লা পটভূমিৰ মাজত দীপ্তিমন্ত মুখখনি জিলিকি আছে। চকুৰ ফাকেদি নিজৰি পৰিছে মৰম, স্নেহ, কৰুণা।

কাষত আন এখন পট। তাত ক'লা ৰঙৰ আৱৰণ নাই। ৰেখাসংযোগৰদ্বাৰা তাত গঢ়ি উঠিছে এক পুৰুষৰ চিত্ৰ, ওখ, কৃশ কিন্তু তেজোময়। ওচৰত মিনতি-

কাতৰ চকুৰে বহি আছে আন এটি লোক,—হয়তো প্ৰাৰ্থী। কৃশ পুৰুষৰ মুখৰ ওপৰত মহত্বৰ গাম্ভীৰ্য, আনজনৰ মুখত কাতৰতা। শিল্পীয়ে ছুয়োখন চিত্ৰ চকুৰ আগতে ৰাখি বিজাই চাইছে, আপোনমনে তাৰ ওপৰত তুলিৰ পৰশ দিছে। কেৰে তেওঁক হকাবধা কৰা নাই, কেৰে চিন্তাৰ সোঁতত ৰালিভেটা দিবলৈ চেষ্টা কৰা নাই। তৃপ্তিৰ উজ্জ্বলতাৰে শিল্পীৰ মুখ উজ্জ্বল। অপ্ৰকাশৰ বেদনাই তেওঁৰ মুখৰ ওপৰত কালিমা সনা নাই। আকুলতাৰ পৰিৱৰ্তে মুখলৈ ঘিৰি আহিছে সৃষ্টিৰ আনন্দ।

জয়ন্তৰ মনত কিন্তু আনন্দৰ ৰেখা বিৰিঙি উঠা নাই। অন্ধকাৰৰ প্ৰলেপেৰে ষোড়শীৰ চিত্ৰ মচি পেলোৱাৰ অৰ্থ তেওঁ বুজা নাই। শিল্পীৰ পৰিৱৰ্তিত ৰুচিত তেওঁৰ খং। গুৰুদেৱৰ প্ৰতি তেওঁৰ মনোভাৱ তিক্ত। সেইবাবে সিদিনা তেওঁ আহিছে গুৰুদেৱক প্ৰশংসা কৰিবলৈ নহয়, তেওঁৰ ওপৰত অভিযোগ তুলিবলৈ, তেওঁক তিৰস্কাৰ কৰিবলৈ।

"ভ্ৰান্ত শিল্পী !"

"জয়ন্ত, আহিছা। চোৱা মোৰ সাধনা সিদ্ধি হৈছে নীল আকাশৰ উজ্জ্বল জ্যোতিষ্কৰ দৰে দেৱী প্ৰতিমাৰ সৃষ্টি কৰিছোঁ। আৰু সোঁৱা কাষত, কোৱাচোন সৌজন কোন মহাপুৰুষ !"

"ৰবা, ৰবা নবীন। তুমি এইবোৰ কি কৰিছা ? আজি তোমাৰ অধঃপতন দেখিলে চকুলৈ পানী আহে। দোষী তোমাৰ গুৰুদেৱ। তেৱেঁই কৰিলে তোমাৰ সৰ্বনাশ, তেওঁৰ প্ৰভাৱতেই ছাই হ'ল তোমাৰ প্ৰতিভা। ৰক্ষণশীল, আত্মকেন্দ্ৰী লোকৰ সংস্পৰ্শত· ······"

"জয়ন্ত জানা তেওঁ মোৰ দেৱতা ?"

"জানোঁ। তেওঁৰেই প্ৰভাৱত তোমাৰ প্ৰতিভা নিৰ্মূল হৈছে। তেওঁ অকল দোষীয়েই নহয় "

"অধৈৰ্য নহবা জয়ন্ত। তুমি মোক তিৰস্কাৰ কৰা। মই তাক সহ্য কৰিম কিন্তু মোৰ দোষৰ বাবে, ত্ৰুটিৰ কাৰণে গুৰুদেৱক অভিযুক্ত নকৰিবা। জীয়া মানুহৰ গাত গুৰুদেৱে মানৱত্ব ফুটাই তুলিছে। মই চিত্ৰৰ মাজেদি তাক জিলিকাই তুলিবলৈ চেষ্টা কৰিছোঁ। হয়তো কৃতকাৰ্য হোৱা নাই। চোৱাচোন ৰেখাঙ্কিত সেই মহাপুৰুষৰ পিনে ? চিনিছা তেওঁক ? কোন তেওঁ ?"

"অস্থি চৰ্মসাৰ নিঃকিন ভিক্ষুক।"

"নহয় তেওঁ দেৱতাৰো দেৱতা, শ্ৰেষ্ঠ ত্যাগবীৰ। অসুৰ নিধনৰ অৰ্থে

তেওঁৱেই আপোন অস্থি দান কৰিছিল অম্লানবদনে। চিন্তা নাই, বিষাদ নাই, সহাস্যে তেওঁ জপিয়াই পৰিছিল মৃত্যুৰ কবলত। জানা কোন তেওঁ? দধীচি।"

"দধীচি! প্ৰাক্-ঐতিহাসিক যুগৰ কছিল আৱিষ্কাৰ কৰিব খুজিছা তুমি। তেনেহ'লে বুজিছোঁ শিল্পীৰ নিশ্চয় মৃত্যু হৈছে।"

"মৃত্যু হোৱা নাই জয়ন্ত। গুৰুদেৱৰ আশীৰ্বাদত এয়েই শিল্পীৰ জন্ম।"

শিল্পীৰ স্থিৰ বিশ্বাসত জয়ন্ত নিমাত।

নলবাৰী

৭।২।৫৪